ডি. এইচ. লৰেন্স

লেডী চেটাৰ্লিজ লাভাৰ

অনুবাদ

মীনাক্ষি বুঢ়াগোহাঁই

ষ্টুডেণ্টচ্ ষ্ট'ৰচ্
কলেজ হোষ্টেল ৰোড
গুৱাহাটী- ৭৮১০০১

প্ৰতিষ্ঠাতা ঃ নবেন্দ্ৰ চন্দ্ৰ দত্ত, স্থাপিত ঃ ১৯৪৫

লেডী চেটাৰ্লিজ লাভাৰ

অনু ঃ মীনাক্ষি বুঢ়াগোহাঁই

প্ৰকাশক
শ্ৰীঅজয় কুমাৰ দত্ত
ষ্টুডেণ্টচ্‌ ষ্ট'ৰচ্‌
কলেজ হোষ্টেল ৰোড
গুৱাহাটী-৭৮১০০১

পৰিবেশক
ভাৰতী বুক ষ্টল
মেইন ৰোড
গোলাঘাট-৭৮৫৬২১

প্ৰথম প্ৰকাশ ঃ ফেব্ৰুৱাৰী, ২০১০

প্ৰচ্ছদ ঃ বিষ্ণু তামুলী

মূল্য ঃ ১২৫.০০ টকা

মুদ্ৰক
আঙ্গিক প্ৰেছ
গোপীনাথ বৰদলৈ পথ
আমবাৰী, গুৱাহাটী-১

অনুবাদিকাৰ একাষাৰ

ডেভিড হাৰবাৰ্ট লৰেন্সৰ 'লেডী চেটাৰ্লিজ লাভাৰ' বিশ্বসাহিত্যৰ এখন বিশুদ্ধ (ক্লাছিক) উপন্যাস।

ইয়াত সমকালীন ইংলেণ্ডৰ সামন্ত প্ৰথা, ৰাজনীতি, শিল্প উদ্যোগৰ ব্যাপক প্ৰসাৰ, পৰিবেশ প্ৰদূষণ, সমাজবাদৰ বহিঃপ্ৰভাৱ, আভিজাত্যৰ ভেমত ওফন্দা মানুহৰ অন্তঃসাৰশূন্য ভাষণ, খনি শ্ৰমিকৰ নিকৃষ্ট জীৱন-যাপন, যুদ্ধোত্তৰ কালত মানুহৰ হঠাতে বঢ়া অৰ্থৰ প্ৰতি লালসাৰ সৈতে সাঁওোৰ খাই প্ৰেম, ঈৰ্ষা, হিংসা, বিচ্ছেদ, বিবাহ-বিচ্ছেদ, বিকৃত যৌনলিপ্সা, পৰকীয়া প্ৰেম, খ্যাতিৰ প্ৰতি অত্যধিক দুৰ্বলতা আদি মানৱীয় অনুভূতিসমূহৰ সুন্দৰ প্ৰকাশ ঘটিছে।

এই কিতাপখন প্ৰকাশ কৰাৰ বাবে, 'অশ্লীল প্ৰকাশ ধাৰা, ১৯৫৯ৰ' অধীনত 'পেংগুইন বুকচ'ৰ ওপৰত গোচৰ তৰি ১৯৬০ চনৰ ২০ অক্টোবৰৰ পৰা ২ নবেম্বৰলৈকে বিচাৰ চলোৱা হৈছিল। সেইবাবে সেই সংকলনটো সেই বিশেষ বাৰজন জুৰি, তিনিগৰাকী মহিলা আৰু ন জন ভদ্ৰলোকৰ নামত উছৰ্গা কৰা হৈছিল; কিয়নো তেওঁলোকেই চালিজাৰি চাই 'দোষী নহয়' বুলি ৰায় দিছিল। যাৰবাবে লৰেন্সৰ শেষ উপন্যাসখন ইউনাইটেড কিংডমৰ প্ৰিয় পাঠকমণ্ডলীৰ হাতত প্ৰথমবাৰৰ বাবে অৰ্পণ কৰাটো সম্ভব হৈছিল।

১৮৮৫ চন ইষ্টউডৰ নটিংহামচায়াৰত এটি দৰিদ্ৰ পৰিয়ালত ডেভিদ হাৰবাৰ্ট লৰেন্সৰ জন্ম হয়। পিতৃ-মাতৃৰ পাঁচ সন্তানৰ ভিতৰত তেওঁ আছিল চতুৰ্থ সন্তান। তেওঁ নটিংহামৰ পৰা স্কুলীয়া শিক্ষা সমাপ্ত কৰে আৰু শিক্ষকতাৰে কৰ্মজীৱন আৰম্ভ কৰে। তেওঁৰ প্ৰথম প্ৰকাশিত উপন্যাস 'দা হোৱাইট পিকক' ১৯১১ চনত আৰু 'ওমেন ইন লাভ' ১৯১৭ চনত প্ৰকাশ পায়। তেওঁৰ শেষ উপন্যাস 'লেডী চেটাৰ্লিজ লাভাৰ' ১৯২৪ চনত প্ৰকাশিত হৈছিল।

মাত্র চৌৰাল্লিশ বছৰীয়া জীৱনকালত গল্প, উপন্যাস, কবিতা, নাটক, ভ্ৰমণ কাহিনী, অনুবাদ, ৰচনা, চিঠি-পত্ৰ আৰু পেইণ্টিঙৰে তেওঁ পাঁচ হাজাৰৰো অধিক সৃষ্টিশীল অৱদান আগবঢ়াই গৈছে।

যুদ্ধত পংগু হোৱা এজন ব্যক্তিৰ পত্নী কনচটান্সৰ মানসিক অস্থিৰতা আৰু হতাশা আৰু সামাজিক অৱস্থাৰ চিত্ৰণ লৰেন্সৰ কলমেৰে 'লেডী চেটাৰ্লিজ লাভাৰ'ৰ জৰিয়তে অসাধাৰণভাৱে নিগৰি ওলাইছে। তেনে এখন গ্ৰন্থ অনুবাদ কৰিবলৈ পাই মই ধন্য হৈছো। অনুবাদৰ ক্ষেত্ৰত এয়া মোৰ প্ৰথম পদক্ষেপ। মোৰ এই অনুবাদ উৎপল দত্ত, অপূৰ্ব কৃষ্ণ বুঢ়াগোহাঁই, মিহিৰ কুমাৰ বৰা, ষ্টুডেণ্টচ ষ্ট'ৰচৰ প্ৰকাশক আৰু সমূহ কৰ্মচাৰীৰ সহায়-সহযোগিতাৰ অবিহনে সম্ভৱ নহ'লহেঁতেন। তেওঁলোকৰ প্ৰতি মই কৃতজ্ঞ হৈ ৰ'লো।

আশাকৰোঁ মোৰ এই বিনম্ৰ প্ৰয়াসক পাঠক সমাজে আদৰেৰে গ্ৰহণ কৰিব।

মীনাক্ষি বুঢ়াগোহাঁই
তুৰা, ৱেষ্ট গাৰো হিলচ্
মেঘালয়
তাৰিখ ঃ নৱেম্বৰ, ২০০৯

লেডী চেটাৰ্লিজ লাভাৰ

প্ৰথম অধ্যায়

এয়া দুঃসময়। তথাপিও দেখোন এই যুগক দুখৰ সৈতে সানমিহলি কৰিবলৈ মনে নসহে। প্ৰলয়ৰ পিছৰ এটা বিৰাট ধ্বংসস্তূপৰ মাজত আমি এতিয়া বৈ আছোঁ; নতুনকৈ এটি আশ্ৰয়স্থল সজাৰ অকণি আশাৰে। কাৰ্যতঃ কঠিন কাম; অথচ ভৱিষ্যতলৈ বিকল্প কোনো মসৃণ পথো এতিয়া নাই। কিন্তু বাধা নেওচি, প্ৰয়োজন সাপেক্ষে আওপকীয়াকৈ আমি আগুৱাই যামেই। আমি বৰ্তি থাকিবই লাগিব, মূৰত আকাশীসৰগ ভাঙি পৰিলেও তাক চিন্তা কৰাৰ অৱকাশ নাই।

এনেকুৱাই আছিল কনচটান্সৰ অৱস্থাও। যুদ্ধখন তাইৰ মূৰৰ ওপৰত নাচি আছিল। তথাপিও তাই উপলব্ধি কৰিছিল যে তাই জীয়াই থাকিবই লাগিব আৰু এই যুদ্ধই তাইক কিছু শিকনি দিব।

১৯১৭ চনত ক্লিফোৰ্ডৰ সৈতে কনচটান্স বিবাহ-পাশত আবদ্ধ হৈছিল। যুদ্ধক্ষেত্ৰৰ পৰা এমাহৰ ছুটী লৈ আহি বিয়া পাতি সেই এমাহতে মধুচন্দ্ৰিকা সমাপ্ত কৰি ক্লিফোৰ্ড পুনৰ উভতি গৈছিল ফ্লাণ্ডাৰ্চলৈ, কিন্তু তাৰ ঠিক ছমাহৰ পিছত আহত ক্লিফোৰ্ড ঘৰলৈ উভতি আহিবলৈ বাধ্য হ'ল। ক্লিফোৰ্ডৰ বয়স তেতিয়া উনত্ৰিশ আৰু কনচটান্স তেইশ বছৰীয়া মাথোঁ।

সম্পূৰ্ণ দুটা বছৰ শয্যাশায়ী হৈ মৃত্যুৰ সৈতে যুঁজ এখুন্দা দি ক্লিফোৰ্ড পুনৰ উভতি আহিল স্বাভাৱিক জীৱনযাত্ৰালৈ। কিন্তু নহয়, শৰীৰৰ নিম্নাংশত পক্ষাঘাতৰ বাবে ক্লিফোৰ্ডে আশ্ৰয় ল'লে এখন যন্ত্ৰচালিত চকীত।

১৯২০ চনৰ কোনো এটি দিনত ক্লিফোৰ্ড আৰু তেওঁৰ পত্নী কনচটান্স ৰাগবিস্থিত পিতৃ গৃহলৈ আহিল। তেওঁৰ বেৰণ পিতৃয়ে ইতিমধ্যে এই পৃথিৱীৰ পৰা বিদায় ল'লে। তেৱেঁই এতিয়া ৰাগবিহলৰ বেৰোনেট ছাৰ ক্লিফোৰ্ড চেটাৰ্লি আৰু তেওঁৰ পত্নী লেডী চেটাৰ্লি।

তেওঁলোকে এখন নতুন সংসাৰ আৰম্ভ কৰিলে মিড্‌লেণ্ডৰ সেই বিশাল নিৰ্জন হাউলীত। কনচটান্সৰ বাবে সম্পূৰ্ণ এক ভিন্ন পৰিবেশ। ক্লিফোৰ্ডৰ ডাঙৰ ককায়েকেও যুদ্ধত প্ৰাণ হেৰুৱালে আৰু বায়েকো ৰাগবিহলত নাথাকে। আৰু ভাই-ককাই, বাই-ভনী বুলিবলৈ কোনো নাই। পংগু ক্লিফোৰ্ডো ভৱিষ্যতে পিতৃ হোৱাৰ আশা নাই। ক্লিফোৰ্ডৰ মৃত্যুৰ পিছতে চেটাৰ্লি বংশৰ ধাৰাৰ যতি পৰিব।

জীৱনৰ এই চৰম সত্যক বেছ সাহসেৰে গ্ৰহণ কৰিলে ক্লিফোৰ্ডে। তেওঁৰ মুখমণ্ডলত ফুটি নুঠে বিষাদ মলিন ছাঁ। যন্ত্ৰচালিত চকীখনত বহি বেছ স্বাচ্ছন্দ্যভাৱেই তেওঁ বাগিচাত ফুৰে, উদ্যানলৈ যায়। এই উদ্যানখনক লৈ তেওঁ ভিতৰি ভিতৰি বেছ গৰ্ব অনুভৱো কৰে। অৱশ্যে মুখ ফুটাই সেই গৰ্ব প্ৰকাশ নকৰে কোনোদিনে।

জীৱনৰ দুখ-যন্ত্ৰণা সহ্য কৰি কৰিয়ো যেন মাজে মাজে সহ্য শক্তি হেৰুৱাই পেলাই ক্লিফোৰ্ডে। তথাপিও তেওঁ মুখখন পোহৰ কৰি ৰাখিবলৈ যত্ন কৰে। অন্তৰৰ দুখ-বেদনা বাহ্যিক দৃষ্টিৰে ধৰিব নোৱাৰি। মজবুত দুই বাহু, বণ্ড ষ্ট্ৰীটৰ পৰা কিনা দামী নেকটাইৰে সজ্জিত সুন্দৰ মুখৰ ক্লিফোৰ্ডৰ দুচকুত উদ্ধত ভাব বিৰাজমান। কিন্তু গভীৰ অন্তৰ্দৃষ্টিৰে চালেই বুজা যায় পংগু জীৱনৰ অসহায়তাই সকলো সময়তে আগুৰি আছে ক্লিফোৰ্ডৰ দুচকুৰ মণি।

মৃত্যুৰ দুৱাৰডলিৰ পৰা উভতি অহা ক্লিফোৰ্ডৰ বাবে বাকী থকা জীৱনকণ বৰ মূল্যবান। জীৱনৰ প্ৰতিটো মুহূৰ্তক তিলতিলকৈ উপভোগ কৰিব বিচাৰে ক্লিফোৰ্ডে। জীৱন আৰু মৃত্যুৰ যুঁজখনত মৃত্যুক হৰুৱাই জয়ৰ গৰ্বৰে গৰ্বিত ক্লিফোৰ্ড। তথাপিও ক্লিফোৰ্ডে জানে যে ইতিমধ্যে তেওঁ জীৱনৰ পৰা কি হেৰুৱালে। তেওঁৰ প্ৰাণশক্তিৰ এটি উত্তপ্ত ধাতু হেৰুৱাই তেওঁৰ অনুভূতিৰ জগতখনৰ এটি বিশাল অংশ যেন হিমশীতল শূন্যতাৰে ভৰি পৰিল।

তেওঁৰ পত্নী কনচটান্সৰ মুখমণ্ডলত বিৰাজ কৰে এক গ্ৰাম্য সৰলতাই। তেওঁৰ আটিল দেহা আৰু চুলি বাদামী ৰঙৰ। হৰিণী নয়না, মিহি, কোমল মিঠা কণ্ঠস্বৰৰ অধিকাৰিণী কনচটান্সক দেখিলে এনে লাগে যেন গাঁৱৰ বোকা-পানীৰ পৰশ তেওঁৰ দেহত এতিয়াও বিদ্যমান। তেওঁৰ দেউতাক ছাৰ্ মেলকম আছিল প্ৰাক্ ৰাফায়েল যুগৰ এজন প্ৰসিদ্ধ ফেবীয়ান সমাজবাদী আৰু মাতৃয়ো আছিল তাৰে সহযাত্ৰী আৰু গৃহিণী। সমাজবাদৰ প্ৰভাৱ থকা সত্বেও কিন্তু কনচটান্স আৰু বায়েক হিলদা শিল্পীসুলভ পৰিবেশৰ মাজত ডাঙৰ হৈছিল। দুয়োকে কলাবিদ্যাৰ লীলাভূমি পেৰিচ, ৰোম আৰু ফ্লোৰেন্স চহৰলৈ পঠোৱা হৈছিল। সেইদৰে সমাজবাদৰ শিক্ষা গ্ৰহণৰ বাবেও দুয়োকে পঠাইছিল সমাজবাদী শিক্ষাৰ কেন্দ্ৰস্থল হেগ আৰু বাৰ্লিনলৈ। সমাজবাদৰ ওপৰত পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ পৰা আহি বিভিন্নজনে ইয়াতে বক্তৃতা প্ৰদান কৰে।

শৈশৱৰে পৰা দুই ভগ্নী শিল্পকলা আৰু আদৰ্শ ৰাজনীতি, এই দুয়ো বিদ্যাতেই অভ্যস্ত হৈ উঠিছিল। লগতে আছিল প্ৰকৃতিৰ সৈতে সহবাস্থান। সেয়ে তেওঁলোকৰ সৰল শিল্পাদৰ্শ বিশুদ্ধ ৰাজনৈতিক আদৰ্শৰ সৈতে সামঞ্জস্যপূৰ্ণ হৈ উঠিছিল।

পোন্ধৰ বছৰ বয়সত দুয়োকে অন্যান্য শিক্ষাৰ লগতে সংগীত শিকিবলৈ ড্ৰেচদেনলৈ পঠায়। সেই সময়ছোৱা বৰ সুখদায়ক আছিল। ড্ৰেচদেনৰ অন্য ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে দুয়ো অবাধ মিলামিচা আৰম্ভ কৰে। দৰ্শন, সমাজবিজ্ঞান, শিল্পতত্ব

আদি বিষয়ৰ ওপৰত আলোচনা-বিলোচনা, তৰ্ক-বিতৰ্কও কৰে। পুৰুষৰ দৰেই সকলো বিষয়তে দুয়ো আধিপত্য প্ৰদৰ্শন কৰে। হাতত গীটাৰ লৈ টুং টাং কৈ সুমধুৰ ঝংকাৰ তুলি দুয়ো চহৰৰ পৰা দূৰৈৰ আওহতীয়া ঠাইবোৰলৈ যায়। তেওঁলোকে ৰাগুাৰ ভোগেলৰ গীত গায় আৰু তেওঁলোক হ'ল মুক্ত। কামদেৱৰূপী মধুকণ্ঠৰ অধিকাৰী যুৱকৰ সৈতে সকলো ৰক্ষণশীলতাক নেওচি মুক্তমনেৰে বনাঞ্চলত বিচৰণ কৰি যি খুচি তাকেই কৰা হয়। তেওঁলোকৰ বাবে সেই সময়ত প্ৰেম আছিল নিতান্তই এটি গৌণ বিষয়।

হিলদাৰ বয়স তেতিয়া ওঠৰ। দুয়ো বাই-ভনীৰ প্ৰেমলীলাই উচ্চ পৰ্যায় স্পৰ্শ কৰেগৈ। যিসকল ডেকা যুৱক বন্ধুৰ সৈতে দুয়ো হাবিয়ে-বননিয়ে পিতৃপিতাই ফুৰিছিল তেওঁলোক বিনয়ী আছিল যদিও তেওঁলোকে ভাবিবলৈ বাধ্য হৈছিল, কিয় ইহঁত দুজনীয়ে দানশীলা ৰাণীৰ দৰে নিজকে বিলাই নিদিয়ে।

কনচটান্স আৰু হিলদাই নিজৰ নিজৰ নিৰ্বাচিত, পছন্দৰ যুৱকৰ সৈতে আৰু ঘনিষ্ঠ হৈ আহিল। অন্তৰংগ হৈ উঠা নিজৰ প্ৰেমাস্পদৰ ওচৰত নিজৰ সৰ্বস্ব সমৰ্পণ কৰিলে। অৱশ্যে আলোচনা-বিলোচনা বা তৰ্ক-বিতৰ্কৰ স্থান সবাৰে উৰ্ধ্বত। প্ৰেম বা শাৰীৰিক সম্পৰ্কক এক আদিম বন্য বিষয় বুলিয়ে জ্ঞান কৰে তেওঁলোকে। যেন কিবা এক প্ৰগতিৰ পৰিপন্থী এক বস্তু। সাধাৰণতে ছোৱালীবিলাকে তেওঁলোকৰ বন্ধুৰ সৈতে প্ৰেম কৰা দূৰৈৰ কথা, ঘৃণাহে কৰে। সিহঁতে ভাবে কোনো পুৰুষ জীৱনলৈ অহা মানে ব্যক্তিগত শুচিতা আৰু অন্তৰ্জীৱনৰ স্বাধীনতাৰ সীমাত কোনোবাই অনধিকাৰ প্ৰৱেশ কৰি লঙ্ঘিত কৰিব। কিয়নো তেওঁলোকে ভাবে যে নাৰীজীৱনৰ মৰ্যাদা আৰু অৰ্থ, স্বাধীনতাৰ মাজতেই নিহিত হৈ থাকে। নাৰী জীৱনৰ আৰুনো কি অৰ্থ থাকিব পাৰে? পূৰ্বাপৰ ৰীতি অনুসৰি চলি অহা বন্ধনসমূহ দলিয়াই পেলোৱাৰ পিছত নাৰী হিচাপে আৰু কি মহান কাম তেওঁলোকে কৰিব পাৰে? প্ৰাচীন প্ৰথাগত নাৰী-পুৰুষৰ যৌন সম্পৰ্কক বহুতে আকৌ আবেগৰ সৈতে সানমিহলি কৰি এক আদৰ্শ ৰূপত দাঙি ধৰিব বিচাৰে। কবিয়ে তেওঁলোকৰ কবিতা বা কাব্যগ্ৰন্থত এনে বিষয় উত্থাপন কৰি গৌৰৱান্বিত অনুভৱ কৰে। কিয়নো তেওঁলোক যে পুৰুষ।

নাৰীয়ে ইয়াতকৈ ওপৰত কিবা এটা বিচাৰে। তেওঁলোকৰ প্ৰেম যৌনতা সৰ্বস্ব প্ৰেমতকৈ বহু ওপৰত, সৌন্দৰ্যশালী আৰু আশ্চৰ্যজনক। কিন্তু অতি পৰিতাপৰ কথা এয়ে যে পুৰুষসকল এইক্ষেত্ৰত বহু পিছপৰা। তেওঁলোকে ইতৰ প্ৰাণীৰ দৰে কেৱল শাৰীৰিক সম্পৰ্কটোতহে বেছি গুৰুত্ব দিয়ে।

পুৰুষৰ ওচৰত আত্মসমৰ্পণ কৰিবলৈ নাৰী বাধ্য হয়। এজন ভোকাতুৰ পুৰুষ শিশুৰ দৰে অশান্ত আৰু অবুজ। সিহঁতক শান্ত কৰিবলৈ সেইসময়ত সিহঁতে যি বিচাৰে তাকেই দিবলৈ বাধ্য হয় নাৰী। শিশুৰ দৰে পুৰুষসকল এনেকুৱা উন্মত্ত হয় যে

তেওঁলোকে নৰ-নাৰীৰ মধুৰ সম্পৰ্কটোক অকাৰণে অসহনীয় কৰি তোলে। কিন্তু কোনো এগৰাকী নাৰীয়ে নিজৰ অন্তৰ্জীৱনৰ স্বাধীনতা বিসৰ্জন নিদিয়াকৈয়ো কোনো পুৰুষৰ ওচৰত আত্ম-সমৰ্পণ কৰিব পাৰে। অথচ কবি বা যৌনবিজ্ঞানৰ লেখকসকলে এই কথাটো গভীৰভাৱে কোনোদিনে চিন্তা কৰা নাই। এগৰাকী নাৰীয়ে নিজকে সম্পূৰ্ণ বিলাই নিদিয়াকৈয়ো একোজন পুৰুষক গ্ৰহণ কৰিব পাৰে। তেওঁ পুৰুষজনৰ প্ৰভাৱৰ পৰা নিজকে মুক্ত কৰি ৰাখে। আৰু যৌন সম্পৰ্কীয় বিষয়টোক এটা কৌশলগত পদ্ধতি হিচাপে গ্ৰহণ কৰি পুৰুষজনৰ ওপৰত নিজৰ প্ৰভাৱ বিস্তাৰ কৰে। সংগমকালত নাৰীয়ে নিজকে যিমানদূৰ পাৰে সিমান নিষ্ক্ৰিয় কৰি ৰাখে, তেওঁলোকে বিচাৰে এইক্ষেত্ৰত পুৰুষজনেই নিজৰ শক্তি, সামৰ্থ্য আৰু উদ্যম জাহিৰ কৰক। এনেদৰে নিজৰ মাজৰ অতৃপ্তিক পূৰ্ণতা প্ৰদান কৰাৰ চেষ্টা নকৰাকৈ যৌন সম্পৰ্কটোক দীঘলীয়া কৰিবলৈ চেষ্টা কৰে আৰু এইদৰে নাৰীৰ কোনো নিগূঢ় উদ্দেশ্য পূৰণৰ যন্ত্ৰ হিচাপে পুৰুষসকল পৰিণত হৈ উঠে।

প্ৰথম মহাযুদ্ধ আৰম্ভ হোৱাৰ আগতেই দুই বায়েক-ভনীয়েক প্ৰেমৰ ক্ষেত্ৰত বেছ অভিজ্ঞ হৈ পৰে। যুদ্ধ আৰম্ভ হওঁতেই তেওঁলোকক ঘৰলৈ ওভতাই পঠোৱা হয়। তেওঁলোকৰ বাবে ভালপোৱা মানে কথা-বতৰা পাতি এক নিবিড় সম্পৰ্ক গঢ়ি উঠা। যেতিয়া কোনো যুৱকক ভাল লাগে তেতিয়াই সেই মিঠা কোমল কথোপকথনৰ সোঁতু পাৰ হৈ হৃদয় জুৰাই ভৰি পৰে। তেওঁলোকৰ দৃষ্টিৰে ভাললগা কোনো সুচতুৰ যুৱকৰ লগত বিচিত্ৰ ৰসালাপত মত্ত হৈ এক আশ্চৰ্যকৰ, অবিশ্বাস্য আৰু অতি নিবিড় পুলকত ৰোমাঞ্চিত হৈ উঠে শৰীৰ। এই ৰসালাপ দিনৰ পিছত দিন, মাহৰ পিছত মাহ ধৰি চলি থাকে। ঘটনাটো কেনেকৈ ঘটিল, কেনেকৈ প্ৰেম উপজিল সেয়া তেওঁলোকৰ হৃদয়ে বুজিবই নোৱাৰিলে। কি যে এক স্বৰ্গীয় প্ৰতিশ্ৰুতি। মনৰ কথা খুলি ক'বলৈ মনৰ মানুহ এজন পালে। প্ৰতিশ্ৰুতিটোনো আচলতে কি আছিল সেইটো বুজি পোৱাৰ আগতেই প্ৰতিশ্ৰুতি পালন হৈ যায়।

দীঘলীয়া বাৰ্তালাপৰ পাছত যদি মনৰ গভীৰতাত কোনো জৈবিক বাসনা জাগৃত হয় তেন্তে সেয়া পূৰ্ণ কৰাটো অপৰিহাৰ্য হৈ উঠে। দৈহিক সম্পৰ্ক স্থাপনত কোনো আপত্তি নাই। যেন এটা সম্পৰ্কৰ এটা অধ্যায় সমাপ্ত হ'ল। এক ৰোমাঞ্চকৰ অনুভূতিৰ সৈতে সাঁতোৰ খাই থাকে এই দৈহিক সম্পৰ্ক। সৰ্বশৰীৰ জুৰি অনুভৱ কৰা যায় এক অদ্ভুত উত্তেজনাৰ স্পন্দন, আত্ম-প্ৰতিষ্ঠাৰ এক অদম্য আবেগ। অনুচ্ছেদ একোটা শেষ হোৱাৰ পাছত তাৰ তলত থকা তৰাচিহ্নৰ নিচিনাকৈ স্পন্দন, ৰোমাঞ্চ, আবেগৰ এক অভিজ্ঞতাৰে অধ্যায়টোৰ যেন সমাপ্তি ঘোষণা কৰা হ'ল।

১৯১৩ চনৰ গ্ৰীষ্মকালীন বন্ধত হিলদা আৰু কনচটান্স বা চমুকৈ কনি যেতিয়া ঘৰলৈ আহে তেতিয়া দুয়োৰে বয়স ক্ৰমে বিশ আৰু ওঠৰ। তেওঁলোকৰ পিতৃদেৱতাই

বাৰুকৈয়ে বুজি পালে যে তেওঁৰ কন্যাদ্বয় প্ৰেমৰ ক্ষেত্ৰত বেছ অভিজ্ঞ হৈ ঘৰলৈ উভতিছে। ওচৰ-চুবুৰীয়াই মন্তব্য দিলে, "ছোৱালী মানুহক বৰপেৰাৰ কাপোৰ ৰখাদি ৰাখিব লাগে।" কিন্তু হিলদা-কনিৰ পিতৃ যথেষ্ট অভিজ্ঞ ব্যক্তি। তেওঁ বুজে যে প্ৰত্যেক মানুহৰ জীৱনৰ এক নিজস্ব গতিধাৰা আছে। সেয়ে তেওঁ জীয়ৰীহঁতৰ স্বাভাৱিক গতিপথত কোনো বাধাৰ সৃষ্টি কৰিব নিবিচাৰিলে। জীৱনৰ শেষ সময়ছোৱাত স্নায়ৱিক দুৰ্বলতাত ভোগা হিলদাহঁতৰ মাকেও বিচাৰিছিল তেওঁৰ কন্যাদ্বয়ে স্বাধীনভাৱে থাকি স্বাধীনভাৱেই নিজৰ কামনা-বাসনা চৰিতাৰ্থ কৰক। তেওঁ নিজে কেতিয়াও স্বাধীনভাৱে থাকিবলৈ নাপালে। অৱশ্যে এইটো ভগৱানেহে জানে যে তেওঁ স্বাধীনভাৱে থাকিবলৈ পাইছিল নে নাই। কাৰণ তেওঁ নিজৰ উপাৰ্জনৰ ধনেৰে চলিছিল আৰু কোনো ক্ষেত্ৰতে তেওঁৰ ওপৰত মাত মাতোতা কোনো নাছিল। তথাপিও তেওঁ মুক্তভাৱে চলাফুৰা কৰা নাছিল। হয়তো সকৰে পৰা হাড়ে-হিমজুৰে শিপাই থকা প্ৰভুত্ব বা স্বামীৰ ধাৰণাৰ পৰা তেওঁ মুক্ত হ'ব পৰা নাছিল। কিন্তু ছাৰ মেলকম আছিল এই পৰম্পৰাগত ধাৰণাৰ পৰা একেবাৰে মুক্ত। ছাৰ মেলকমে তেওঁৰ পত্নীৰ ওপৰত ঘৰুৱা কথাত অকণো মাত নামাতি মুকলি মনেৰে থাকিবলৈ আৰু ৰাজহুৱা কামত ব্যস্ত থাকি ভাল পাইছিল।

কেইদিনমানৰ পাছতেই দুয়োজনী ছোৱালী ঘৰৰ পৰা আকৌ ড্ৰেচদেনলৈ ওভতে। তেওঁলোকৰ পুৰণি জীৱনৰ মাজলৈ। পঢ়া-শুনা, গান-বাজনা, প্ৰেমিকৰ সৈতে ঘূৰা-ঘূৰি; এই সকলোবোৰৰে পুনৰাবৃত্তি ঘটিল। প্ৰেমিকৰ প্ৰতি প্ৰেমাবেগে চৰমসীমা স্পৰ্শ কৰিলেগৈ। প্ৰেমিকদ্বয়ৰো একেই অৱস্থা। সকলো সময়তে প্ৰেমিকাৰ চিন্তাই তেওঁলোকৰ মন-মগজুক আচ্ছন্ন কৰি ৰাখে। কনিৰ প্ৰেমিক আছিল সংগীত জগতৰ আনফালে হিলদাৰজন আছিল কাৰিকৰী শাখাৰ। যিয়ে হওক, তেওঁলোকক দেখিলে এনে লাগে যেন তেওঁলোক এই পৃথিৱীত জীয়াই আছে কেৱল প্ৰেমিকাৰ প্ৰতি প্ৰেমৰ তাড়নাত। তেওঁলোকৰ প্ৰেমৰ উন্মাদনা দেখিলে তাৰ বাহিৰে আৰু অইন চিন্তা মনলৈ নাহে। যেন সমস্ত জগত এফালে আৰু প্ৰেমিকা এফালে।

প্ৰেমৰ কি অদ্ভুত শক্তি! তেওঁলোকে বুজি উঠিছিল যে প্ৰেমেই তেওঁলোকৰ জীৱনৰ ভূত-ভৱিষ্যত নিৰ্ণয় কৰিছে। প্ৰেমপূৰ্ণ দৈহিক সম্পৰ্কই নৰ-নাৰীৰ জীৱনলৈ, শৰীৰলৈ কঢ়িয়াই আনে সুন্দৰ পৰিৱৰ্তন। প্ৰেমাস্পদৰ প্ৰেমৰ সাগৰত সদ্যস্নাতা প্ৰেমিকাৰ শৰীৰৰ উজ্জ্বলতা দুগুণে বাঢ়ে। দেহ হৈ পৰে মাখন কোমল। প্ৰেমিকো হয় ধীৰ স্থিৰ। আগৰ সেই খামখেয়ালি মনৰ স্বভাৱ আৰু নাথাকে। কোনো কাম কৰাৰ আগতে এক সুস্থিৰ সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে।

দুই বায়েক-ভনীয়েকে প্ৰেমিকৰ বাহুবন্ধনত নিজকে সঁপি দিয়াৰ কিছুদিনৰ পাছতেই দুয়োৰে সেই উত্তেজনাৰ উপশম ঘটিল। দুয়ো নিজকে চম্ভালি ল'লে আৰু

এই দৈহিক সম্পৰ্কটোক এটা সাধাৰণ কথা হিচাপেই গ্ৰহণ কৰিলে। আনহাতে প্ৰেমিকদ্বয় হৈ পৰিল আৰু অস্থিৰ। পৰিতৃপ্তিৰ আনন্দই তেওঁলোকক অধীৰ কৰি তুলিলে আৰু প্ৰেমিকাৰ প্ৰতি কৃতজ্ঞতাত গদ্‌গদ্ হৈ পৰা যেন দেখুৱালে। তেওঁলোকৰ মনৰ ভাব কিন্তু আচলতে এনেকুৱাহে যে প্ৰেমিকাৰ বাবে যিমান ব্যয় হ'ল তাৰ বিনিময়ত প্ৰেমিকাৰ সান্নিধ্য বৰ কম হ'ল। কনিৰ প্ৰেমিক বৰ গম্ভীৰ প্ৰকৃতিৰ; আনহাতে হিলদাৰ জন আকৌ বৰ ছটফটীয়া। পিছে যি প্ৰকৃতিৰে হওঁক সিহঁতো আছিল সাধাৰণ পুৰুষৰ দৰেই অকৃতজ্ঞ আৰু অতৃপ্ত। তেওঁলোকে নাৰীৰ দেহাটো সম্পূৰ্ণকৈ পোৱাৰ পাছতো সেইগৰাকীক ঘিণ কৰে, নাপালেও তাইক দেখিব নোৱৰা হয়। মুঠতে ভাল নাপাবলৈ কিবা এটা চেলু লাগেই। প্ৰেমিকাই প্ৰেমিকৰ সন্তুষ্টিৰ কাৰণে যিয়ে কৰক তথাপিও সিহঁত অবুজ, অতৃপ্ত, শিশুৰ দৰে অসন্তুষ্ট।

যি কি হওক, ঘোৰতৰ যুদ্ধৰ সংহাৰী ৰূপ বাঢ়ি অহাৰ লগে লগে কনি আৰু হিলদা পুনৰ ঘৰলৈ উভতি আহিল। ইয়াৰ আগতেও মাকৰ মৃত্যু হোৱাত অন্ত্যেষ্টিক্ৰিয়াৰ বাবেও সিহঁত দুজনী এবাৰ ঘৰলৈ আহিছিল। ১৯১৪ চনৰ বৰদিনৰ আগতেই দুয়োৰে প্ৰেমিকদ্বয়ৰ মৃত্যু হয়। শোকত ভাগি পৰে কনি আৰু হিলদা। অৱশ্যে সময় বাগৰাৰ লগে লগে দুখবোৰো পাতলি আহিল।

দেউতাকৰ সৈতে হিলদা আৰু কনি কেনচিংটনত থাকিবলৈ ল'লে। ইয়াত তেওঁলোকৰ মাকৰ ঘৰ আছিল। আগৰ দৰেই ইয়াতো কেম্ব্ৰিজৰ যুৱকসকলৰ সৈতে ঘূৰি ফুৰিবলৈ ধৰিলে, যিসকল আছিল অবাধ স্বাধীনতাৰ পক্ষপাতী। সেইসকল সম্ভ্ৰান্ত পৰিয়ালৰ সন্তান, কিন্তু সাধাৰণ সাজ-সজ্জা, নিম্নস্তৰৰ কথা-বতৰা পতা আৰু উচ্চ চিন্তাৰ পৰিচয় দিয়া ল'ৰা সিহঁত। কোনো ধৰণৰ নিয়ম-কানুন মানি চলিবলৈ নাৰাজ তেওঁলোক। সেইদৰে আৱেগ-অনুভূতি প্ৰকাশৰ ক্ষেত্ৰতো আছিল নৈৰাজ্যবাদী।

এইসকলৰ মাজৰে এজনৰ সৈতে বিবাহপাশত আবদ্ধ হ'ল হিলদা। হিলদাতকৈ তেওঁ বয়সত দহ বছৰ ডাঙৰ। বেছ চহকী ঘৰৰ ল'ৰা। ল'ৰাজনে চৰকাৰী চাকৰি এটা কৰে লগতে দাৰ্শনিক প্ৰবন্ধ-পাতিয়ো লিখা-মেলা কৰে। বিয়াৰ পাছত ৱেষ্ট মিনিষ্টাৰৰ এটা সৰু ঘৰত তেওঁলোক থাকিবলৈ ল'লে। অৱশ্যে ঘৰটোহে সৰু, কিন্তু সেই ঘৰলৈকে দেশৰ কিছুসংখ্যক বুদ্ধিজীৱীৰ সঘন আহ-যাহ চলিবলৈ ধৰিলে আৰু সেইসকলৰ বাবে এই ঘৰটো আড্ডাস্থলী হৈ পৰিল।

কনিৰ সেই পাতল স্বভাৱৰ বন্ধুবৰ্গৰ মাজৰে এজন ঘনিষ্ঠ বন্ধু আছিল ক্লিফোৰ্ড চেটাৰ্লি। ক্লিফোৰ্ডৰ বয়স তেতিয়া বাইছ। দুবছৰ কেম্ব্ৰিজত থাকি কয়লাখনিৰ কাৰিকৰী শাখাত পঢ়ি আছিল তেওঁ। কিন্তু তাকো আধাখনীয়াকৈ এৰি সৈন্য-বাহিনীত যোগ দিয়ে আৰু অতি কম সময়ৰ ভিতৰতে লেফটেনেণ্ট পদলৈ উন্নীত হয়। সামৰিক সাজ-সজ্জাৰে সজ্জিত ক্লিফোৰ্ডে আন সকলোবোৰ কথা উপেক্ষা কৰি চলিব পৰা হ'ল।

ক্লিফোৰ্ডৰ বংশ পৰম্পৰা আৰু আৰ্থিক অৱস্থা কনিইঁতকৈ বহু ওপৰত। কনিইঁত আছিল উচ্চ মধ্যবিত্ত বুদ্ধিজীৱী পৰিয়ালৰ আনহাতে ক্লিফোৰ্ড আছিল অভিজাত পৰিয়ালৰ। ক্লিফোৰ্ডৰ দেউতাক বেৰণ আৰু মাকো আছিল এজন ভাইচ্ কাউণ্টৰ কন্যা।

কিন্তু অভিজাত পৰিয়ালৰ হ'লেও ক্লিফোৰ্ড কনিতকৈ আছিল কিছু অন্তৰ্মুখী, লাজুক স্বভাৱৰ আৰু অলপ ভয়াতুৰ প্ৰকৃতিৰো। সেয়ে ক্লিফোৰ্ডে নিজৰ সৰু জগতখনৰ মাজত স্বাচ্ছন্দ্য অনুভৱ কৰিলেও চহৰৰ ভিৰভাৰ আৰু বিভিন্ন শ্ৰেণীৰ মানুহৰ মাজত অস্বস্তি অনুভৱ কৰিছিল। প্ৰকৃততে তেওঁ মধ্যবিত্ত শ্ৰেণীৰ মানুহলৈকে ভয় কৰিছিল। মানুহে শ্ৰেণীগত সুযোগ সুবিধা লাভ কৰাৰ পাছতো এক অসহায়তা মনৰ মাজত কঢ়িয়াই ফুৰে আৰু এয়াই হ'ল মানুহৰ জীৱনত আধুনিকতাৰ অভিশাপ।

কনিৰ ব্যক্তিত্ব বিশেষকৈ সকলোৰে সৈতে সহজে মিলি যাব পৰা স্বভাৱটো ক্লিফোৰ্ডৰ বৰ ভাল লাগিছিল। কাৰণ ক্লিফোৰ্ড ইয়াৰ বিপৰীত চৰিত্ৰৰ আছিল।

তথাপিও ক্লিফোৰ্ড আছিল কিছু পৰিমাণে বিদ্ৰোহী আৰু বিপ্লৱী। নিজৰ অভিজাত শ্ৰেণীৰ বিৰুদ্ধেই তেওঁৰ বিদ্ৰোহ। হয়তো বিদ্ৰোহ শব্দ প্ৰয়োগ কৰিলে অলপ বেছি কোৱা যেন হ'ব। আচলতে সেই সময়ত পৰম্পৰাগত প্ৰথা লগতে প্ৰভুত্বশালী বিষয়াসকলৰ বিৰুদ্ধে মানুহৰ মনত এক বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। তাৰ প্ৰভাৱ ক্লিফোৰ্ডৰ ওপৰতো পৰিছিল। সেইসময়ৰ ৰীতি-নীতি আনকি তেওঁৰ পিতৃয়ো তেওঁৰ মনত হাস্যস্পদ বিষয় যেন গণ্য হৈছিল। পিতৃৰ প্ৰতি শ্ৰদ্ধা ভক্তি নোহোৱা হৈছিল। দেশৰ, চৰকাৰৰ কাম-কাজত কোনো নীতিগত আদৰ্শ তেওঁ দেখা নাছিল। যুদ্ধ, সেনাবাহিনী, সেনানায়ক এই সকলোৰে প্ৰতি তেওঁ পোষণ কৰিছিল চৰম বিতৃষ্ণা, বিৰক্তি।

আচলতে প্ৰভুত্ব প্ৰদৰ্শন কৰাৰ সুযোগ থকা যি কোনো প্ৰতিষ্ঠানতে কম-বেছি পৰিমাণে হাস্যকৰ কাম-কাজ পৰিলক্ষিত হয়। সেয়া সৈনিকৰ নিয়ন্ত্ৰণতে হওক বা চৰকাৰী কাৰ্যালয়তে হওক বা বিশ্ববিদ্যালয়তে হওক। বিষয়ববীয়াসকলে সু-শাসন কৰাৰ যিমানেই মুখা নিপিন্ধক কিয়, হাস্যকৰ ৰূপটো কিন্তু সদায়ে মুখা ফালি ওলাই আহে।

ক্লিফোৰ্ডৰ দেউতাক ছাৰ জিঅ'ফ্ৰেয়ো তাৰ ব্যতিক্ৰম নহয়। দৰকাৰ হ'লে নিজেই হাবি-জংঘল কাটি, কয়লাখনিৰ বনুবাবোৰক গতিয়াই খুন্দিয়াই ৰণলৈ পঠিয়াই আৰু অবাবতে দেশৰ হৈ বেছিকৈ খৰচ কৰি নিজকে তেৰোঁ বৰ এজন দেশপ্ৰেমিক সাজি উলিয়াইছিল।

ক্লিফোৰ্ডৰ বায়েকে যেতিয়া লণ্ডনত নাৰ্চ হ'বলৈ যায় তেতিয়া ক্লিফোৰ্ডৰ ককায়েক হাৰ্বাটে বৰকৈ হাঁহিছিল। কিন্তু হাৰ্বাট নিজেও যে লোকচকুত হাঁহিয়াতৰ

পাত্র সেই কথা নিজে গমেই পোৱা নাছিল। ক্লিফোর্ড যে আনৰ চকুত হাঁহিয়াতৰ পাত্র সেই লৈ তেওঁ সচেতন আছিল। আৰু অৱশেষত যেতিয়া সম্পূৰ্ণ বেলেগ প্রকৃতিৰ ছোৱালী কনিক লগ পায় তেতিয়া ক্লিফোর্ডৰ মনত এজনী প্রকৃত মানুহ লগপোৱা যেন লাগিল।

কনিহঁতে বৰ চতুৰালিৰে ছাৰ জিঅ'ফ্রেৰ পৰিকল্পিত দেশহিতৈষণাৰ প্রতি নিশ্চুপ হৈ আছিল। সিহঁতে কিন্তু খাদ্যবস্তুৰ অভাৱ, মানুহক জোৰ-জুলুম কৰি সৈনিকত মকৰল কৰা আৰু শিশু খাদ্য বিশেষকৈ চেনী আৰু লজেন্সৰ সম্ভাব্য অভাৱৰ বাবে সঁচাকৈয়ে চিন্তিত হৈ পৰিছিল। তদুপৰি ছাৰ জিঅ'ফ্রেই গছবোৰ কাটি ট্রেন্সৰ খুঁটিৰ বাবে পঠিয়াইছিল। কিন্তু শাসকগোষ্ঠীক হাঁহি উঠাভাৱে তেনে প্রকৃত সমস্যাৰ চিন্তাই অকণো কাবু কৰিব পৰা নাছিল। নিজকে দেশপ্রেমিক সজাবলৈ যাওঁতে যাওঁতে এই জ্বলন্ত সমস্যাবোৰ তেওঁলোকে হাঁহি উঠা ধৰণেৰে উপেক্ষা কৰিলে।

এই অৱস্থাৰ পৰিৱৰ্তন ঘটাবলৈ লয়েড জৰ্জে চেষ্টা চলালে যদিও তেওঁৰ কামো হাঁহি উঠা ধৰণৰহে হ'লগৈ। এই গোটেইবোৰ দেখি শুনি উচ্ছল প্রকৃতিৰ যুৱকসকলে তেওঁলোকৰ অন্তৰৰ নিভৃত কোণৰ পৰা ওলোৱা প্রকৃত হাঁহি সামৰিবলৈ বাধ্য হ'ল।

১৯১৬ চনত হাৰ্বাট চেটাৰ্লিৰ মৃত্যুৰ পাছত ক্লিফোর্ড চেটাৰ্লি উত্তৰাধিকাৰী সূত্রে সকলোখিনিৰে গৰাকী হ'ল। তথাপিও তেওঁৰ ভয় ভাব নুগুচিল। ছাৰ জিঅ'ফ্রেৰ পুত্র লগতে ৰাগবিৰ বংশধৰ বা মালিক হিচাপে তেওঁৰ যে এক বিশেষ গুৰুত্ব আছে সেইকথা তেওঁ প্রতিটো মুহূৰ্ততে স্মৰণ কৰে। ৰাগবিৰ উত্তৰাধিকাৰী তথা মালিক আনফালে দায়িত্ব পালন আৰু দুঃচিন্তা; ক্লিফোর্ডৰ মনৰ এই দোধোৰ-মোধোৰ অৱস্থাটো এই সময়ত প্রকৃততে এটা অবাস্তৱ বিষয়।

এই ধৰণৰ চিন্তা-ভাৱনাৰ পৰা ছাৰ জিঅ'ফ্রেৰ অৱস্থান বহু দূৰৈত। তেওঁৰ মুখখন ম্লান যদিও দৃঢ়তা বিৰাজমান। তেওঁ নিজৰ ভাব চিন্তাৰ অন্য এখন জগতত ডুব গৈ থাকে। দেশ তথা জাতি ৰক্ষাৰ লগতে নিজৰ পদমৰ্যাদাকো ৰক্ষা কৰিবলৈ তেওঁ অনমনীয়ভাৱে বদ্ধ পৰিকৰ। ইংলেণ্ডৰ লগত তেওঁ এনেদৰে সংপৃক্ত হৈ পৰে যে হোৰেচিঅ' বটমলিককো তেওঁৰ ভাল লাগে। জিঅ'ফ্রে আছিল ইংলেণ্ডৰ পক্ষত আৰু তেওঁৰ পূৰ্বপুৰুষসকল আছিল ইংলেণ্ড আৰু লয়েড জৰ্জৰ পক্ষত। জিঅ'ফ্রেৰ বাবে ইংলেণ্ড আৰু জৰ্জৰ মাজত কোনো পাৰ্থক্য নাই। এটা মুদ্রাৰে ইপিঠি-সিপিঠি।

ছাৰ জিঅ'ফ্রেৰ ইচ্ছা হ'ল তেওঁৰ পুত্রই এতিয়া বিয়া-বাৰু কৰাই বংশৰক্ষা কৰক। ক্লিফোর্ডৰ মতে তেওঁৰ পিতৃ হ'ল একেবাৰে যুগৰ সৈতে খাপ খাব নোৱৰা মানুহ। কিন্তু এই সকলোখিনিক উপেক্ষা কৰাৰ সাহসো ক্লিফোর্ডৰ নাই। তেওঁৰ নিজৰে "না জল না স্থল" অৱস্থা। সামন্তপদ আৰু ৰাগবিহলৰ পৈতৃক সম্পত্তি গ্রহণৰ বাহিৰে ক্লিফোর্ডৰ বিকল্প নাছিল।

প্ৰথম অৱস্থাত যুদ্ধক্ষেত্ৰত যুদ্ধ কৰাৰ যি আনন্দ উত্তেজনা আছিল সেয়া মৃত্যু বিভীষিকাৰ কাষত স্তিমিত হৈ পৰিল। যদি যুদ্ধত নমৰাকৈ থাকে তেন্তে জীৱনৰ বাকীছোৱা কাল আৰামত থাকিবলৈ এটি নিৰাপদ আশ্ৰয় আৰু এগৰাকী পত্নীৰ প্ৰয়োজন।

চেটাৰ্লি পৰিয়ালৰ সদস্যকেইজন মানুহৰ সৈতে মিলামিচা কৰিব নোৱৰা স্বভাৱৰ আৰু অন্তৰ্মুখী চৰিত্ৰৰ আছিল। আত্মীয়-স্বজন বাদেই আনকি নিজৰ শ্ৰেণীভুক্ত লোকৰ সৈতেই তেওঁলোকৰ সম্পৰ্ক নাছিল। ইয়াৰ ফলত নিজৰ মাজতে তেওঁলোকৰ নিবিড় সম্পৰ্ক স্থাপন হৈছিল। অনেক ভূ-সম্পত্তি আৰু বংশগত উপাধিয়ে তেওঁলোকৰ অসহায়বোধক দূৰ কৰিব পৰা নাছিল। তেওঁলোক ককাই-ভাই-ভনীকেইজনে নিজ পিতৃক অৱজ্ঞা কৰিলেও উপেক্ষাও কৰিব পৰা নাছিল।

তেওঁলোক তিনিওৱে আগতে কথা পাতিছিল যে সিহঁত সদায়ে একেলগে থাকিব। কিন্তু হাৰ্বাটৰ অকাল মৃত্যুৱে সেই আশাত চেঁচা পানী ঢালিলে। অল্পভাষী ছাৰ জিঅ'ফ্ৰেই ক্লিফোৰ্ডক বিয়াৰ কথা ক'লত বায়েক এম্মা অসন্তুষ্ট হৈ পৰে। ক্লিফোৰ্ডতকৈ দহ বছৰৰ ডাঙৰ বায়েকৰ মতে এয়া হ'ল সিহঁত মানে বায়েক-ভায়েকহঁতৰ আদৰ্শৰ পৰিপন্থী।

তথাপিও ক্লিফোৰ্ডে কনিক বিয়া কৰাই মধুচন্দ্ৰিকালৈয়ো গ'ল। সেয়া আছিল ১৯১৭ চনৰ দুৰ্যোগৰ বছৰ। ডুবিবলৈ ধৰা জাহাজৰ ভয়াৰ্ত সহযাত্ৰীৰ দৰে ঘনিষ্ঠ হৈ উঠিল দুয়ো। পিছে বিবাহিত পুৰুষ হৈয়ো কৌমাৰ্য ভংগ নহ'ল ক্লিফোৰ্ডৰ। কিয়নো এই লৈ তেওঁৰ অলপো ইচ্ছা, আগ্ৰহ নাছিল। দৈহিক মিলনক একাষৰীয়াকৈ থৈ মনৰ মিলনক প্ৰাধান্য দিছিল ক্লিফোৰ্ডে। কনিয়ে কিন্তু এই সম্পৰ্কটোক লৈ অলপো সুখী নহ'ল। আনহাতে ব্যতিক্ৰমধৰ্মী পাঁচ শতাংশ মানুহৰ দৰে ক্লিফোৰ্ডে ভাবে কামগন্ধহীন মনৰ মিলে তেওঁলোকৰ সম্পৰ্ক গভীৰ কৰি তুলিব, আৰু ওচৰ চপাই আনিব দুয়োকে দুয়োৰে কাষলৈ। দৈহিক মিলন মাথোঁ এক আকস্মিক ঘটনা, একেবাৰে অত্যাৱশ্যকীয় নহয়। ই এটা কদৰ্য কাৰ্য মাথোঁ। কিন্তু কনিয়ে বিচাৰে এটি সন্তান। ভৱিষ্যত নিৰাপদ হোৱাৰ লগতে বাইশাহু এম্মাৰ কটূক্তিৰ পৰা ৰক্ষা পাবলৈ।

কিন্তু ১৯১৮ চনত পংগু ক্লিফোৰ্ড ঘৰলৈ উভতিল আৰু সেই পৰ্যন্ত কনিৰ কোনো সন্তানৰ জন্ম নহ'ল। ছাৰ জিঅ'ফ্ৰেয়ে নাতিৰ মুখ দেখাৰ আশা ভংগ হোৱাৰ বেদনাত মৃত্যুক সাৱটি ল'লে।

দ্বিতীয় অধ্যায়

১৯২০ চনৰ হেমন্ত কালত কনি আৰু ক্লিফোৰ্ড ৰাগবিহললৈ আহিল। হাৰ্বাটৰ মৃত্যুত শোকাতুৰা এম্মা ৰাগবিত থাকিব নোৱাৰিলে। তাই লণ্ডনৰ এটি সৰু ফ্লেটত থাকবিলৈ ল'লে।

অষ্টাদশ শতিকাৰ পৰা সাজিবলৈ আৰম্ভ কৰা ৰাগবিৰ ঘৰটো বাদামী ৰঙৰ। ওক গছেৰে আৱৰা এখন উদ্যানৰ মাজত মূৰ দাঙি সগৌৰৱে থিয় দি আছে প্ৰকাণ্ড ওখ হাউলীটো। ঘৰৰ পৰিবেশ সুন্দৰ যদিও তেভাৰচালৰ কয়লা খনিৰ চিমনিৰ পৰা ওলোৱা ক'লা ধোঁৱাই ৰাগবিৰ ঘৰৰ ওপৰৰ আকাশো মেঘাচ্ছন্ন কৰি ৰাখে। অদূৰত কুঁৱলীয়ে ঢকা পাহাৰৰ দাঁতিত তেভাৰচাল গাঁও। উদ্যানৰ সন্মুখৰ তোৰণৰ পৰা আৰম্ভ হৈ প্ৰায় এমাইল জুৰি দীঘলীয়াকৈ সিঁচৰতি হৈ সিটো মূৰত শেষ হৈছেগৈ গাঁওখন। গাঁৱৰ ঘৰবোৰৰ বেৰাবোৰ ইটাৰে গঁথা আৰু ওপৰত ক'লা চাদ। গোটেই পৰিবেশটোৱে ৰাগবিহলক এক সীমাহীন শূন্যতাৰে গিলি থয়।

ইতিমধ্যে প্ৰায় তিনিখন ঠাইত থাকি থাকি অভ্যস্ত হৈ পৰিছিল কনি। সেই ঠাইকেইখন হ'ল, কেনচিংটন, স্কটলেণ্ডৰ পাহাৰীয়া অঞ্চল আৰু চাচেক্সৰ এঢলীয়া নিম্নাঞ্চল। ইংলেণ্ড বুলিলে কনিয়ে এই তিনিখন ঠাইকে বুজে। লোহা আৰু কয়লাখনিৰে ভৰা মিড্‌লেণ্ডৰ এই অঞ্চলটো কনিৰ ভাল নালাগিলেও একো উপায়ো নাছিল।

নিৰ্জন, নিৰানন্দময় ঘৰখনৰ খিৰিকিয়েদি ভাহি আহে কয়লাখনিৰ শব্দ। খনিৰ চালনীৰ শব্দ, ইঞ্জিনৰ শব্দ। ট্ৰাকবোৰৰ অহা-যোৱাৰ বিকট শব্দৰ লগতে কয়লাখনিৰ সৈতে সংযুক্ত ৰেলআলিত চলি থকা কয়লা কঢ়িওৱা ৰেলৰ হুচহুচ শব্দ। তেভাৰচালত বছৰৰ পাছত বছৰ ধৰি একুৰা জুই জ্বলি আছে। জুইকুৰা নিৰ্বাপিত কৰিবলৈ লাগে বহুত টকা। গতিকে জুইকুৰা জ্বলিয়ে আছে। বতাহ বলিলে সেই দিশে বিয়পি পৰে গন্ধক আৰু খনিৰ তলৰ লেতেৰা বস্তুৰ মিশ্ৰিত দুৰ্গন্ধ। বতাহ নবলিলেও ভূ-গৰ্ভৰ লোহা, কয়লা আৰু এচিদৰ গোন্ধ অনবৰতে বিয়পি থাকে। আনকি বৰদিনত সজোৱা গোলাপ ফুলৰ ওপৰতো কয়লা গুৰিৰ চামনি। মুঠতে এক নাৰকীয় পৰিবেশ।

এই অস্বস্তিকৰ পৰিবেশৰ পৰা পলাই সাৰিব নোৱাৰি। জীৱন এনেকৈয়ে আগবাঢ়ে। নিশাৰ নিৰভ্ৰ ক'লা আকাশত কয়লাখনিৰ চুলাৰ জুই ওলমি থাকে। দেখাত ভাল লাগিলেও কেনেকুৱা যে ভয় লাগে! এনে লাগে যেন মাটিৰ তলত শুই আছে আৰু জুইৰ গোলাবোৰ গাতে পৰিবহি। পুৱাৰ ভাগলৈ প্ৰায়ে বৰষুণ দিয়ে।

ক্লিফোৰ্ডে কয় যে লণ্ডনতকৈ ৰাগবিয়ে ভাল। এই গাঁৱত স্বাধীনতা আছে, ইচ্ছাশক্তি আছে। গাঁওবাসী কৰ্মঠ, বলিষ্ঠ। ক্লিফোৰ্ডৰ মুখত এনেকুৱা কথা শুনি কনি অবাক হয়। ইয়াৰ মানুহৰ কোনো অনুভূতি নাই নেকি? এই অঞ্চলটোৰ প্ৰাকৃতিক পৰিবেশটোৰ দৰেই মানুহবোৰো কঠুৱা, কুৎসিত, নীৰস আৰু অসামাজিক। এচফল্টৰ ৰাস্তাৰে গ'লেই শুনিবলৈ পোৱা যায় মানুহৰ অশ্লীল কথা-বতৰা, কয়লাখনিত পিচ্ছা গধুৰ জোতাৰ শুনিবলৈ ভাল নলগা শব্দ; যিবোৰ কনিৰ বাবে ভয়ংকৰেই নহয়, ৰহস্যময়ো। যুৱক জমিদাৰৰ গৃহা গমনৰ বাবে কোনো উৎসৱ, অভ্যৰ্থনাৰ আয়োজন নহ'ল। আনকি কোনোৱে তেওঁক দেখা কৰিবলৈয়ো নাহিল। ৰাগবিহলৰ কাষত এজাক ভেড়া আপোনমনে চৰি আছিল আৰু সেই সময়তে নীৰৱে নিঃশব্দে এঢলীয়া পথ এছোৱা অতিক্ৰম কৰি গাড়ীৰ পৰা নামিছিলহি ক্লিফোৰ্ড আৰু কনি।

ৰাগবিহল আৰু তেভাৰচাল গাঁৱৰ মানুহৰ মাজত নাছিল কোনো যোগাযোগ। কোনোৱে টুপী খুলি তললৈ হাওলি সন্মান, সৌজন্য প্ৰকাশ নকৰে। কনিলৈ চাই টুপী খুলি সন্মান জনালেও ক্লিফোৰ্ডৰ প্ৰতি কোনোৱে সন্মান প্ৰদৰ্শন নকৰে। মাত্ৰ ক্লিফোৰ্ডৰ প্ৰতি এক অস্বস্তি প্ৰকাশ। উভয় পক্ষৰ মাজত যে এখন অনতিক্ৰম্য দেৱাল। দুয়োপক্ষৰ মৃদু ক্ষোভৰ প্ৰকাশ হ'ল এই বিচ্ছিন্নতা। প্ৰথম অৱস্থাত গাঁওবাসীৰ সৈতে এই মানসিক বিচ্ছিন্নতাৰ বাবে কনিৰ মনত বৰ কষ্ট হৈছিল। তাৰপিছত অৱশ্যে তাই নিজৰ মন দৃঢ় কৰিলে। অবাঞ্ছিত অথচ অপৰিহাৰ্য পথ্যৰ দৰে তাই এই অৱস্থাটোক স্বীকাৰ কৰি ল'লে। ক্লিফোৰ্ডহঁত অসামাজিক আছিল বাবেই যে এনেকুৱা পৰিস্থিতিৰ সৃষ্টি হৈছিল, সেয়া নহয়। আচলতে তেওঁলোক যে কয়লাখনিৰ শ্ৰমিকতকৈ সম্পূৰ্ণ অন্য এক শ্ৰেণীৰ মানুহ সেই কাৰণেহে তেওঁলোকৰ মাজত ব্যৱধান বাঢ়ি বাঢ়ি গৈ থাকিল। ট্ৰেণ্ট অঞ্চলৰ দক্ষিণফালে সাধাৰণতে এনেকুৱা দেখা নাযায়। কিন্তু মিড্‌লেণ্ড আৰু উত্তৰাঞ্চলৰ মানুহৰ মাজত শ্ৰেণী বিভাজন আৰু তাৰ মাজৰ ব্যৱধান বহুত বেছি। ইয়াত "তুমি তোমাৰ ফালে আৰু মই মোৰ ফালেই ভালে আছো" মনোভাবৰ ফলত মানৱতাৰ নিবিড় স্পন্দন অনুভূত নহয়।

তথাপিও গাঁওবাসীয়ে ক্লিফোৰ্ড আৰু কনিক কৃত্ৰিম সহানুভূতি প্ৰকাশ কৰাত কৃপণালি নকৰিলে। সেই সহানুভূতিত নাছিল কোনো আন্তৰিকতা আৰু হৃদয়ৰ টান।

সেই গাঁৱৰ যাজকজন বৰ ভাল মানুহ। ষাঠি বছৰীয়া এই ভদ্ৰলোক হ'ল কৰ্তব্যপৰায়ণ ব্যক্তি। কিন্তু গাঁওবাসীয়ে তেওঁৰ সৈতেও এক দূৰত্ব বজাই ৰাখিছিল বাবে তেৰোঁ আছিল এক প্ৰকাৰ নিঃসংগ। খনি শ্ৰমিকসকলৰ পত্নীসকল খৃষ্টান ধৰ্মৰ অনুগামী আৰু মেথডিষ্ট সম্প্ৰদায়ভুক্ত। আনহাতে শ্ৰমিকবোৰে কোনো ধৰ্মবিশ্বাসৰ অনুগত হৈ থাকিব নোখোজে। যেতিয়াই ধৰ্মযাজকক পাদুৰীৰ পোছাকত গাঁওবাসীয়ে দেখে তেতিয়াই সিহঁতে ভাবিবলৈ বাধ্য হয় যে এওঁ সাধাৰণ জনতকৈ

কিছু পৃথক। যাজকজন আছিল এক প্ৰাৰ্থনা প্ৰচাৰ প্ৰতিষ্ঠানৰো লোক। তাতকৈ আৰু তেওঁৰ কথা বেছি ভাবিবলৈ নাই।

আৰু লেডী চেটাৰ্লি সম্পৰ্কেও তেওঁলোকৰ ধাৰণা তেনেকুৱাই। তেওঁলোকৰ মনোভাব এনেকুৱা, "তোমাতকৈ আমি জোৰতেই কম নে ফেৰতেই কম।" গাঁওবাসীৰ এই মনোভাৱত কনি প্ৰথম অৱস্থাত হতবুদ্ধিত পৰিছিল। যিসকল শ্ৰমিক কন্যাই লেডী চেটাৰ্লিক প্ৰথমে দেখা কৰিবলৈ আহে তেওঁলোকে কৌতূহল আৰু সন্দেহৰ দৃষ্টিৰে কনিক লক্ষ্য কৰিছিল। তেওঁলোকৰ চকু-মুখত স্পষ্টকৈ ফুটি উঠিছিল কপট মিত্ৰতাৰ ভাব। তেওঁলোকে গৌৰৱেৰে ভাবিছিল, "লেডী চেটাৰ্লিৰ লগত কথা পাতিছো।" কিন্তু তেওঁলোকে এইকথা ভুলতো নাভাবে যে লেডী চেটাৰ্লিৰ সমান তেওঁলোক নহয়। তেওঁলোকৰ এই মানসিকতাই পৰিবেশটো দুঃসহ কৰি তোলে কিন্তু তাৰপৰা পৰিত্ৰাণ পোৱাৰো পথ নাথাকে।

ক্লিফোৰ্ডে গাঁওবাসীৰ সৈতে কোনো সম্পৰ্ক নাৰাখে। সেইদেখি কনিয়েও বাদ দিলে। তেওঁলোকৰ আগেদি কনি ক'ৰবালৈ যাবলগীয়া হ'লে তেওঁলোকে কনিক নেদেখাৰ ভাও ধৰে। ক্লিফোৰ্ডৰ ওচৰলৈ প্ৰয়োজনীয় কামত অহা গাঁৱৰ মানুহৰ সৈতে ক্লিফোৰ্ডে মইবৰ ভাবত কথা পাতে। সিহঁতক অতি হেয়জ্ঞান কৰি নিজৰ দম্ভালি জাহিৰ কৰি ভাল পায় ক্লিফোৰ্ডে। সিহঁতৰ সৈতে আহ-যাহ কৰাৰ কথাই নাই। সিহঁতেও ক্লিফোৰ্ডৰ পছন্দ-অপছন্দকতো গুৰুত্ব নিদিয়ে বৰঞ্চ এক নিৰ্জীৱ পদাৰ্থৰ দৰে জ্ঞান কৰে তেওঁক।

কিন্তু পংগু হোৱাৰ পাছৰে পৰা ক্লিফোৰ্ড অত্যন্ত লাজকুৰীয়া আৰু অধিক আত্মসচেতন হৈ পৰিল। সহায়কাৰী মানুহকেইটাক বাদ দি ক্লিফোৰ্ডে কাকো সহ্য কৰিব নোৱাৰে। যন্ত্ৰচালিত চকীত বহি থাকিলেও সুন্দৰ দামী কাপোৰ-কানিৰে সকলো সময়তে সু-সজ্জিত হৈ থাকে ক্লিফোৰ্ড। বণ্ড ষ্ট্ৰীটৰ পৰা কিনা দামী 'নেকটাই' পৰিহিত ক্লিফোৰ্ড এতিয়াও সু-দৰ্শন। পুৰুষ সুলভ আটিল দেহৰ গৰাকী ক্লিফোৰ্ডৰ মুখমণ্ডলত বিৰাজ কৰে গ্ৰাম্য সৰলতাই। এফালে তেওঁৰ স্বভাৱ আছিল আক্ৰমণাত্মক, দাম্ভিক আৰু উদ্ধত আনফালে নম্ৰ, ভদ্ৰ আৰু মৃদুভাষী। তেওঁৰ চৰিত্ৰৰ এই বিপৰীতমুখী বৈশিষ্ট্যৰ পাছতো পংগু জীৱনৰ অসহায়তা তেওঁৰ চকুৰ মণিত স্পষ্টকৈ ধৰা পৰে।

কনিয়ে অতি ভালদৰে বুজি পালে যে গাঁওবাসীৰ সৈতে পৰম্পৰাগত সম্পৰ্কটোকো মানি ল'বলৈ নাৰাজ ক্লিফোৰ্ড। সেই মানুহবোৰক মানুহ হিচাপে মৰ্যাদা দিয়াৰো পক্ষপাতী নহয় তেওঁ। খনিৰ কামত ব্যৱহৃত অন্য যন্ত্ৰ-পাতিৰ দৰেই শ্ৰমিক সকলো মানৱ অনুভূতি ৰহিত এবিধ জীৱন্ত যন্ত্ৰ মাথোঁ। সিহঁতৰ বন্য পশু সুলভ আচৰণে এই ভাবটোক আৰু দৃঢ় কৰি তোলে।

কোনো বিষয়তেই আগ্ৰহ নেদেখুৱাই ক্লিফোৰ্ডে। তেওঁৰ মানসিক দৃষ্টি বৰ্তমানৰ

সৈতে বিচ্ছিন্ন। আচলতে কাৰো স'তেই তেওঁৰ নিবিড় সম্পৰ্ক গঢ়ি নুঠে। একমাত্ৰ ৰাগবিৰ পিতৃগৃহৰ সৈতে প্ৰথাগত সম্পৰ্ক আৰু এম্মাৰ সৈতে বায়েক-ভায়েকৰ সম্পৰ্কটো বজাই ৰাখিছিল। ইয়াৰ বাহিৰে কোনো সম্পৰ্কই তেওঁক স্পৰ্শ কৰিব নোৱাৰে। আনকি পত্নীৰ সৈতেও আছিল এক মানসিক দূৰত্ব। এনেদৰে মানুহৰ সৈতে বিচ্ছিন্ন হৈয়ে তেওঁ থাকিব বিচাৰে।

কনিৰ প্ৰতি নিৰাসক্ত হ'লেও কনিক বাদ দি চলিবও নোৱাৰে ক্লিফোৰ্ডে। শাৰীৰিক শক্তি আৰু সুন্দৰ সৌন্দৰ্যৰ অধিকাৰী হ'লেও তেওঁ অসহায়। অৱশ্যে যন্ত্ৰচালিত চকীখন তেওঁ নিজ ইচ্ছামতে অ'লৈ ত'লৈ লৈ যাব পাৰে যদিও তেওঁ অকলে থাকিব নোৱাৰে। অকলে থাকিবলগীয়া হ'লেই নিজৰ অস্তিত্ব বিচাৰি হাবাথুৰি খাই তেওঁ। তেওঁ যেন ক'ৰবাত হেৰাই গ'ল। তেওঁৰ কাষে কাষে থকা পত্নীৰ শাৰীৰিক অস্তিত্বই তেওঁক সকাহ দিয়ে। সেয়ে কনি তেওঁৰ ওচৰে-পাঁজৰে থাকিবলৈ বাধ্য হয়।

ইয়াৰ উপৰিও ক্লিফোৰ্ডৰ মনোজগতত এটি উচ্চাভিলাষৰ জন্ম হ'ল। তেওঁ গল্প লিখিবলৈ আৰম্ভ কৰে। যাৰ কথা তেওঁ জানে সেইবোৰ কথা নিজৰ ব্যক্তিগত অভিজ্ঞতাৰ সৈতে মিলাই গল্প লিখা আৰম্ভ কৰিলে। সেই লিখনীসমূহত তেওঁৰ বুদ্ধিমত্তা প্ৰকাশ পাইছিল কিন্তু সমানে প্ৰকাশ পাইছিল মানুহৰ প্ৰতি বিদ্বেষ। যাৰ ফলত গল্পবোৰ গুৰুত্বহীন হৈ পৰিল। মানবীয়তা বিহীন সাহিত্যৰ দীৰ্ঘস্থায়ী মূল্য ক'ত? শূন্য পটভূমিত ৰচিত গল্পসমূহত কৃত্ৰিম ৰংগমঞ্চৰ জিলমিলনি প্ৰত্যক্ষ কৰা যায়। আধুনিক মানুহৰ মনৰ সৈতে ইয়াক বিজাব পাৰি।

ইয়াৰ মাজৰে বিশেষ তিনিটা গল্প ক্লিফোৰ্ডৰ নিজৰে বৰ পছন্দৰ আছিল। প্ৰকাশিত গল্পকেইটাই বিদগ্ধ পাঠকৰ পৰা প্ৰশংসা আৰু নিন্দাবাণী দুয়োটাই লাভ কৰিলে। ক্লিফোৰ্ডৰ বাবে নিন্দাবাণীবোৰ চুৰিকাঘাতৰ দৰে। তেওঁ ভাবে তেওঁৰ সমগ্ৰ সত্তা গল্পৰ মাজতেই ফুটি উঠিছে।

ক্লিফোৰ্ডৰ বাবে কনিয়ে যিমান পাৰে সিমান কৰিবলৈ চেষ্টা কৰে। এইবোৰ কৰি প্ৰথমতে তাই বৰ ৰোমাঞ্চিত হৈ পৰিছিল। কনিক কাষত বহুৱাই ক্লিফোৰ্ডে কিবাকিবি কৈ যায় আৰু তাই সেইবোৰ অতি আগ্ৰহেৰে শুনে। কনিৰ দেহ, আত্মা আৰু যৌনজীৱন ক্লিফোৰ্ডৰ সেই গল্পবোৰৰ জৰিয়তে জাগ্ৰত হৈ উঠে। শিহৰিত হৈ উঠে কনি।

ঘৰখনৰ সমস্ত কামৰ তদাৰক কৰিব লাগে কনিয়ে। যোৱা চল্লিশ বছৰ ধৰি এগৰাকী অবিবাহিতা মহিলাই ঘৰখনৰ যাৱতীয় কাম-কাজবোৰ নিখুঁতভাৱে সামৰিছিল। কিন্তু বয়সীয়াল মহিলাগৰাকীক এইবোৰ দায়-দায়িত্ব দি থাকিবলৈ কনিৰ ভাল নালাগে। প্ৰকাণ্ড ঘৰটোৰ অব্যৱহৃত কোঠালিবোৰ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখা

কামবোৰ গতানুগতিক হৈ থাকে। আন আন কামবোৰো যন্ত্ৰচালিতভাৱেই হৈ যায়। ক্লিফোৰ্ডে জোৰ কৰিয়ে এজনী বয়স্ক ৰান্ধনীয়ো ৰাখিছে। ক্লিফোৰ্ড লণ্ডনত থাকোতে এই মানুহজনীয়েই তেওঁৰ কাম-বনবোৰ কৰি দিছিল। ইয়াৰ বাহিৰে ঘৰখনত বৰ বিশেষ পৰিৱৰ্তন একো হোৱা নাই। ঘৰখনৰ সমস্ত কাম যান্ত্ৰিকভাবে সমাপ্ত হয় সময়মতে, নিয়মমতে। ইয়াত নাই এখন ঘৰৰ প্ৰাণচাঞ্চল্য পৰিবেশ, নাই সম্পৰ্কৰ নিবিড় উত্তাপ নাইবা নাই অনুভূতিৰ প্ৰকাশ। পৰিত্যক্ত ৰাজপথৰ দৰে বৃহৎ ঘৰটো নীৰস আৰু নিৰ্জন।

ঘৰখন এনেকৈ নচলাইনো উপায় কি? আভিজাত্যপূৰ্ণ চেহেৰাৰে পৰিস্ফুট এম্মা মাজে মাজে ঘৰলৈ আহে। ঘৰৰ ভিতৰ ভাগত কোনো পৰিৱৰ্তন নেদেখি তাই উৎফুল্লিত হৈ পৰে। এম্মাৰ ভায়েকৰ সৈতে থকা যোগসূত্ৰডাল কনিয়ে ছিঙি পেলালে, ভায়েকৰ সৈতে আগৰ সেই অন্তৰংগতা নাই; এই লৈ কনিক কোনোদিনে ক্ষমা কৰিব নোৱাৰে এম্মাই। অথচ এম্মা আৰু ক্লিফোৰ্ডেই চেটাৰ্লি পৰিয়ালৰ বংশগত ঐতিহ্যক বহন কৰি আছে। গতিকে এম্মাৰেই দায়িত্ব আছিল পৰিয়ালৰ অতীতৰ বীৰত্বৰ কাহিনীক সমল হিচাপে লৈ গল্প লিখিবলৈ ভায়েকক অনুপ্ৰাণিত কৰা।

কনিৰ পিতৃ এবাৰ ৰাগবিলৈ ফুৰিবলৈ আহি এদিন কনিক গোপনে ক'লে, "ক্লিফোৰ্ডৰ গল্পবোৰৰ মাজত একো নাই। এইবোৰ চিৰস্থায়ী নহ'ব।" কথাষাৰৰ একো আগগুৰি নুবুজি কনিয়ে তাইৰ নীলা চকুযুৰি বহলকৈ মেলি দেউতাকলৈ পৰম বিস্ময়, আশ্চৰ্যৰে চাই ৰ'ল। তাই কৈ উঠিল, "গল্পবোৰৰ মাজত একো নাই মানে কি? একো যদি নায়েই তেন্তে সমালোচকসকলে প্ৰশংসা কৰিছেই বা কিয় আৰু মাননী হিচাপে ক্লিফোৰ্ডেনো টকাবোৰ পাইছে কেনেকৈ?"

কি বুজাব বিচাৰিছে তাইৰ দেউতাকে? আজিকালিৰ যুৱক-যুৱতীৰ দৰেই কনিৰো মানসিক স্থিতি। সিহঁতৰ বাবে জগত আৰু জীৱন তাৎক্ষণিক। এই মুহূৰ্তত কি ঘটিছে সেইটোকে লৈ সিহঁত সন্তুষ্ট। অথচ এই স্বয়ংসিদ্ধ, স্বতন্ত্ৰ মুহূৰ্তবোৰেইযে ভৱিষ্যতলৈ গতি কৰিছে সেই সম্পৰ্কে সিহঁতৰ কোনো ধাৰণা নাই।

পুনৰ দ্বিতীয়বাৰ শীতকালি ৰাগবিলৈ ফুৰিবলৈ আহি দেউতাকে কনিক ক'লে, "অৱস্থাই বাধ্য কৰিলে তুমি চাগৈ এনেদৰে আৰু আধা কুমাৰী জীৱন নকটাবা, নহয়নে?" অস্পষ্ট ভাবেৰে কনিয়ে কৈ উঠিল, "আধা কুমাৰী! হয়, কিয় নহয়?"

আন এদিন বাহিৰত ঘূৰি ফুৰি থাকোঁতেও ক্লিফোৰ্ডৰ সন্মুখতে এই প্ৰশ্ন পুনৰ উত্থাপন কৰিলে কনিৰ পিতৃয়ে। "আধা কুমাৰী?" পিছ মুহূৰ্ততে কথাষাৰ বুজি উঠি খঙত ফাটি পৰিল ক্লিফোৰ্ড। কনিৰ পিতৃ ছাৰ মেলকমেও কৈ উঠিল, "কনিতো এতিয়া দুৰ্বল সৰু ছোৱালী নহয়। তাই এজনী স্বাস্থ্যৱতী স্কটদেশীয় গাভৰু।"

ক্লিফোৰ্ডেও মুখে মুখে উত্তৰ দিলে, "লগতে নিষ্কলংকও নিশ্চয়?"

"আধা কুমাৰী" শব্দটোক লৈয়ো ক্লিফোর্ডৰ কিবাকিবি ক'বৰ মন গৈছিল কিন্তু তেওঁ নিজকে সংযত কৰিলে। কাৰণ কনিৰ সৈতে তেওঁৰ যি অন্তৰংগতা আছিল আনহাতে অন্য এটা দিশত অলপো অন্তৰংগতা নাছিল। মনৰ মিল থাকিলেও দুয়োজনৰ মাজত নাছিল শাৰীৰিক সম্পৰ্ক। গভীৰভাৱে অন্তৰংগ যদিও শৰীৰ সম্পৰ্কীয় প্ৰশ্নত এক দ্বিধাবোধে সংকুচিত কৰি তুলিলে ক্লিফোর্ডক।

কনিয়ে অনুমান কৰিলে যে তাইৰ দেউতাকে যিবাৰ কথা কৈছে সেইষাৰ কথা বহু আগতেই ক্লিফোর্ডে ভাবিছে। কনি অৰ্ধকুমাৰী হৈ থাককেই বা নাথাকক তাত ক্লিফোর্ডৰ একো নাহে নাযায়। এনেয়ো কনিৰ ছোৱালী কালৰ কথা বা যৌন অভিজ্ঞতা সম্পৰ্কে ক্লিফোর্ড অজ্ঞ। আৰু সেইটো নাজানে কাৰণেই কুমাৰী-আধাকুমাৰী কথাটো অপ্ৰাসংগিক।

দুবছৰ ধৰি ৰাগবিত কনি আৰু ক্লিফোর্ড একেলগে আছে। তেওঁলোকৰ কাম বুলিবলৈ ক্লিফোর্ডৰ লেখামেলা। কিন্তু কামৰ এই ব্যস্ততা মাথোঁ এক ভুৱা ব্যস্ততা। লেখামেলাৰ ক্ষেত্ৰত দুয়োৰে আগ্ৰহ কেতিয়াও কমা নাই। দুয়ো ৰচনাশৈলীৰ ওপৰত আলোচনা-বিলোচনা, তৰ্ক-বিতৰ্ক কৰে কিন্তু লগে-লগেই অনুভৱ কৰে এক গভীৰ শূন্যতাই দুয়োকে গিলি পেলাইছে যিটো দেখা নাযায়।

প্ৰকৃত জীৱন-যাপন যাক কোৱা হয় সেয়া বোধহয় গভীৰ শূন্যতাত নিমজ্জিত। তেওঁলোকে যি জীৱন কটাইছে তাৰ প্ৰকৃততে কোনো বাস্তৱ অস্বিত্বই নাই। ৰাগবি একেই আছে। একেই আছে বনকৰা মানুহৰ কাম-কাজ। কিন্তু সেইবোৰ যেন অশৰীৰী আত্মা। যাৰ নাই শাৰীৰিক অস্তিত্ব।

কনিয়ে প্ৰায়ে উদ্যান সংলগ্ন বনলৈ ফুৰিবলৈ যায়। তাই উপভোগ কৰে বনৰ ৰহস্যময় নিৰ্জনতা। হাতত তুলি লয় হেমন্তৰ সৰাপাত নতুবা বসন্তৰ গোলাপ ফুল। কিন্তু এই সকলোবোৰ সপোন মাথোঁ। বাস্তৱৰ অবিকল নকল। এই ওক গছৰ পাতবোৰো আইনাত প্ৰতিবিম্ব হোৱা পাতহে। আনকি তাই নিজেও যেন কিতাপৰ পাতত অংকিত গোলাপ ফুলৰ কুঁকি হাতত লৈ থকা নাৰী চৰিত্ৰহে। কাল্পনিক প্ৰতিৰূপ। একো নাই, একো নাই। নাই প্ৰাণৰ স্পৰ্শ। ক্লিফোর্ডৰ সৈতে তাইৰ এই জীৱন-যাপন যেন মকৰাই গোঁঠা অন্তহীন জালৰ দৰে। সকলো সময়তে অৰ্দ্ধ-চেতনাৰ দ্বাৰা নিয়ন্ত্ৰিত হৈ থাকে। আৰু সেইবোৰ গল্প শুনা; যিবোৰ গল্পক তাইৰ দেউতাকে অৰ্থহীন, অন্তঃসাৰশূন্য, অস্থায়ী বুলি মন্তব্য দি গৈছে। এনেকুৱা বস্তু যিমানেই বেছিদিন ধৰি চলি থাকিব তাৰ মাজত অশুভ শক্তিৰ প্ৰভাৱো বেছি হ'ব। সত্যতা নাথাকে। এই মুহূৰ্তৰ বাবে সত্যতাৰ প্ৰতিফলনেই যথেষ্ট।

ক্লিফোর্ডৰ বহু বন্ধু-বান্ধৱ আৰু চিনাজনা লোক আছিল। সেইসকলক মাজে মাজে ৰাগবিহললৈ নিমন্ত্ৰণ কৰা হয়। বিশেষকৈ তেওঁৰ গল্পৰ সমালোচক, লেখক,

যিয়ে তেওঁৰ গল্পৰ প্ৰশংসা কৰে আৰু আনক কয়, সেইসকলক। তেওঁলোকেও ৰাগবিৰ নিমন্ত্ৰিত অতিথি হ'বলৈ পাই ধন্য হয়। তেওঁলোকে সঁচাকৈয়ে ক্লিফোৰ্ডৰ গল্পৰ প্ৰশংসা কৰে। কনিয়ে এই সকলোবোৰ ভাল ভাবেই গ্ৰহণ কৰে। ভাবিনো কি লাভ। সেয়ে তাই একো নাভাবেও। এই সকলোবোৰেইতো আইনাত প্ৰতিবিম্বিত গতিশীল ক্ৰমবিলীয়মান জীৱনৰ চিত্ৰ। সকলো মিছা।

কনিয়ে গৃহিণী হিচাপে নিমন্ত্ৰিত অতিথিবৃন্দক আদৰ-অভ্যৰ্থনা জনায়। ক্লিফোৰ্ডৰ অভিজাত আত্মীয় কুটুম্বকো আদৰ আপ্যায়নত ক্ৰুটি নকৰে। কনিৰ কোমল আমল গুলপীয়া গাল, নীলা চকুৰ মণি, বাদামী ৰঙৰ কেঁকোৰা কেঁকুৰি চুলি আৰু মৃদু কণ্ঠস্বৰৰ সৈতে গোটেই মানুহজনীক এক গ্ৰাম্য সৰলতাৰে তুলি ধৰে। অৱশ্যে তাইৰ বুকুখন বৰ উঠন নহয় আৰু নিতম্বও সৰু। কমবয়সীয়া ছোৱালী যেন লাগে।

কনিৰ ভাল লাগে সেইসকলক যিয়ে যৌৱনকাল পাৰ হৈ প্ৰৌঢ়ত্বৰ ঘৰত ভৰি থৈছে। কিন্তু সেইসকলে যদি কনিৰ প্ৰতি ক্ষণিক প্ৰণয়াসক্তি দেখুৱাই আৰু ক্লিফোৰ্ডে সেয়া গম পালে মনত যে কেনেকুৱা দুখ-যন্ত্ৰণা পাব সেইকথা ভাবিয়ে সেইসকলৰ প্ৰতি তাই কোনো আগ্ৰহ নেদেখুৱায়। সেয়ে তেওঁলোকৰ সৈতে মিলামিচা নকৰে তাই। তেওঁলোকৰ কাষত তাই আছিল অতি শান্ত আৰু নিৰুত্তাপ। তেওঁলোকৰ প্ৰতি তাই দৃষ্টি নিক্ষেপ নকৰে। তাৰ বাবে ক্লিফোৰ্ডে পত্নীক লৈ গৰ্ব অনুভৱ কৰে।

ক্লিফোৰ্ডৰ আত্মীয় স্বজনে কনিক পুতৌৰ দৃষ্টিৰে চায়। কনিয়ে এইটো ভালদৰেই জানে যে যেতিয়ালৈকে কোনোবাই কাৰোবাৰ পৰা ভয় কৰিবলগীয়া নহয়, তেতিয়ালৈকে সেইজন ঘৃণাৰ পাত্ৰ হৈয়ে থাকে। কনিয়ে এইবোৰ লৈ অকণো মূৰ নঘমায়। তাই এনেকুৱা নিৰুদ্বেগ আছিল যে সিহঁতৰ ঘৃণা বা দয়া কোনোটোৱেই তাইক স্পৰ্শ নকৰে। লগতে শত্ৰুতা বা বিৰোধিতা কৰিয়ো লাভ নাই, কিয়নো কোনো সম্পৰ্কই নাই তাইৰ সিহঁতৰ সৈতে।

দিন বাগৰি গ'ল। ইটোৰ পাছত সিটো ঘটনা ঘটি থাকিল। কিন্তু কনিৰ বাবে একোৱেই ঘটা নাই। কাৰণ তাই এই গোটেইবোৰৰ পৰা বিচ্ছিন্ন। ক্লিফোৰ্ড আৰু কনি জীয়াই থাকে সিহঁতৰ ভাবনাৰ সাগৰত ডুব গৈ; ক্লিফোৰ্ডে ৰচনা কৰা গল্পৰ মাজত। কনিয়ে ঘৰলৈ অহা সকলোকে আদৰ আপ্যায়ন কৰে। ঘড়ীৰ কাঁটাত আগবাঢ়ে সময়। চাৰে সাত বজাৰ পাছত চাৰে আঠ বাজে।

তৃতীয় অধ্যায়

এটা ক্ৰমবৰ্ধমান অস্থিৰতাই গিলি পেলাইছিল কনিক। তাইৰ সমগ্ৰ দেহমনক আচ্ছন্ন কৰি তুলিলে বিচ্ছিন্নতাবোধৰ পৰা সৃষ্টি হোৱা এটা উন্মাদ অস্থিৰতাই। তাইৰ দেহৰ অংগ-প্ৰত্যংগবোৰ টনটনাই উঠে। ক'ৰবাত আৰামত বহিব বিচাৰিলেও কঁপি উঠে ৰাজহাড়। দেহৰ অভ্যন্তৰত সাৰ পাই উঠে ৰোমাঞ্চিক শিহৰণ। আৰু তেতিয়াই তাইৰ ভাব হয় এই অস্থিৰ উন্মাদনাৰ পৰা ৰক্ষা পাবলৈ পানীত জঁাপ দি সাঁতুৰিব লাগিব। হঠাতে বাঢ়ে তাইৰ হৃৎপিণ্ডৰ স্পন্দন। তাই শুকাই-খীণাই যাবলৈ ধৰিলে। এই অস্থিৰতা, এই উন্মাদনা। মাজে মাজে তাই ক্লিফোৰ্ডক এৰি থৈ উদ্যানত থকা পাতাবাহাৰ গছৰ তলত শুই পৰে। এই ঘৰ-দুৱাৰ আৰু ইয়াৰ সৈতে জড়িত সকলোবোৰ ত্যাগ কৰি তাই যেন ক'ৰবালৈ গুচি যাব। সৌ হাবিখনেই যেন তাইৰ আশ্ৰয়স্থল। পৃথিবীৰ ভিতৰত আটাইতকৈ পবিত্ৰ স্থান।

কিন্তু সেইখনো তাইৰ আশ্ৰয়স্থল হ'ব নোৱাৰে। কাৰণ সেইখনৰ সৈতে তাইৰ নিবিড় সংযোগ নাই। এই বন আচলতে এনে এখন ঠাই য'ত তাই ঘৰৰ পৰা আঁতৰি থাকি কিছুসময় কটাব পাৰে। বনৰ আত্মা বুলি যদি কিবা এটা আছে তেন্তে সেই আত্মাৰ সংস্পৰ্শ তাই পোৱা নাই কোনোদিনে।

জান-নাজানকৈ তাই বুজি পালে যে তাই ভাগি পৰিছে। জগতৰ প্ৰাণকেন্দ্ৰৰ পৰা তাই ক্ৰমে বিচ্যুত হৈ পৰিছে। ক্লিফোৰ্ড আৰু তেওঁৰ গ্ৰন্থৰ সৈতে তাই যিখন জগত সৃষ্টি কৰি লৈছে সেইখন জগতৰ প্ৰকৃত অস্তিত্ব নাই। শূন্য। এটা বিৰাট শূন্য। সকলো বুজিয়ো তাই নিৰুপায়। শিলত মূৰ খুন্দিওৱাৰ দৰে নিষ্ফল প্ৰয়াস মাথোঁ।

তাইৰ দেউতাকে তাইক উপদেশ দিলে, "ভাল চাই ল'ৰা এটালৈ পুনৰ বিয়া হোৱা। সেয়াই তোমাৰ বাবে মংগলজনক হ'ব।"

সেই বছৰৰে শীতকালি তেওঁলোকৰ ঘৰলৈ কিছুদিন থকাকৈ ফুৰিবলৈ আহিল মাইকেলিচ। এই আইৰিশ যুৱকজনে নাটক লিখি আমেৰিকাত বিক্ৰী কৰি ভাল উপাৰ্জন কৰিছে। অভিজাত সমাজৰ বিষয়-বস্তুক লৈ লেখা তেওঁৰ নাটকে লণ্ডনৰ অভিজাত শ্ৰেণীৰ মাজত যথেষ্ট আগ্ৰহ আৰু উৎসাহৰ সৃষ্টি কৰিছিল। কিন্তু এই অভিজাত সমাজে পলমকৈ বুজি উঠিল যে ডাবলিনৰ এই ল'ৰাটোৱে অভিজাত শ্ৰেণীটোক নাটকৰ জৰিয়তে উপহাসৰ পাত্ৰ কৰি তুলিছে তেতিয়া সেইসকলে এওঁক ঘৃণা কৰিবলৈ ধৰিলে। তেওঁলোকৰ দৃষ্টিত মাইকেলিচ হৈ পৰিল নীচ, ইতৰ শ্ৰেণীৰ

জীৱ। এটা জহৰা। আনকি মাইকেলিচক ইংৰাজ বিৰোধী আৰু জঘন্যতম অপৰাধী জ্ঞান কৰিবলৈ ধৰিলে। আৰু এদিন তেওঁক নৃশংসভাৱে হত্যা কৰি তেওঁৰ শৰটো ডাষ্টবিনত পেলাই দিলে।

মাইকেলিচ মেফেয়াৰৰ এটা ফ্লেটত থাকিবলৈ লৈছিল। বণ্ড ষ্ট্ৰীটৰ পৰা কিনা চিক্‌চিকিয়া দামী সাজপাৰেৰে সজ্জিত হৈ এজন প্ৰকৃত ভদ্ৰলোকৰ দৰেই তেওঁ ঘূৰি ফুৰিবলৈ ধৰিছিল। টকা দিলে দৰ্জীয়ে কাপোৰ চিলাই কৰি দিবই।

এওঁৰ কৰ্মজীৱনৰ দুঃসময়তে ক্লিফোৰ্ডে আমন্ত্ৰণ জনাইছিল ৰাগবিলৈ। গোটেইবোৰ জানি বুজিয়ো দ্বিধাগ্ৰস্ত হোৱা নাছিল ক্লিফোৰ্ড। মাইকেলিচৰ কথা দেশৰ লাখ লাখ মানুহে তেতিয়া শুনিছে। ক্লিফোৰ্ডে ভাবিলে তেওঁৰ এই দুঃসময়ত; যি সময়ত অভিজাত সম্প্ৰদায়ে তেওঁক থু থু কৰিছে সেইসময়ত ক্লিফোৰ্ডৰ নিমন্ত্ৰণ তেওঁ উপেক্ষা নকৰে। আৰু হয়তো মাইকেলিচ কৃতজ্ঞ হৈ ৰ'ব ক্লিফোৰ্ডৰ ওচৰত। আৰু এই কৃতজ্ঞতাৰ খাতিৰত আমেৰিকালৈ উভতি গৈ ক্লিফোৰ্ডৰ উপকাৰ নিশ্চয় কৰিব। কোনো কোনো লোকৰ সাহিত্য সৃষ্টিৰ প্ৰতিভা নাথাকিলেও প্ৰচাৰৰ বাবে বিখ্যাত হৈ উঠে। ক্লিফোৰ্ড নবাগত। এজন উদীয়মান লেখক। তেওঁ প্ৰচাৰ সম্বন্ধে অতিশয় সচেতন আৰু কুশলী আৰু হয়ো, অৱশেষত মাইকেলিচে ক্লিফোৰ্ডৰ এটা বৰ ডাঙৰ উপকাৰ কৰেগৈ। এখন নাটকত ক্লিফোৰ্ডক নায়কৰূপে অংকিত কৰে মাইকেলিচে। ক্লিফোৰ্ড জনপ্ৰিয় হৈ পৰেগৈ। কিন্তু ক্লিফোৰ্ডে যেতিয়া বুজিলে ক্লিফোৰ্ডকো ইয়াত উপহাসৰ পাত্ৰ কৰিহে তুলিছে তেতিয়া ক্লিফোৰ্ডৰ মনত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়।

যিখন জগতৰ সৈতে কনিৰ কোনো পৰিচয় নাই, সেইখন জগতত প্ৰতিষ্ঠা লাভ কৰিবলৈ ক্লিফোৰ্ডে নেৰা-নেপেৰা প্ৰচেষ্টা চলাইছে। আশ্চৰ্যান্বিত হৈ উঠে কনি। যিখন জগতক ভয়াৰ্ত দৃষ্টিৰে চাই সেইখনতেই এজন প্ৰথম শ্ৰেণীৰ লেখক হ'বলৈ চেষ্টা চলায় ক্লিফোৰ্ডে। কনিয়ে তাইৰ পিতৃ বৃদ্ধ ছাৰ মেলকমৰ পৰা আগতেই শুনিছিল যে শিল্পীসকলে নিজৰ ঢোল নিজেই বজায়। এনেকৈয়ে নিজৰ বস্তু বজাৰত চলাবলৈ চেষ্টা কৰে। তাইৰ দেউতাকে সেই শিল্পীসকলৰ প্ৰসংগতহে কথাটো কৈছিল, যিসকলে নিজৰ শিল্পকৰ্ম নিজে বিক্ৰী কৰি ফুৰে। এইফালে ক্লিফোৰ্ডে আত্ম-প্ৰচাৰৰ এক অভিনৱ ফন্দী আৱিষ্কাৰ কৰে। সকলো উপায় পাই গৈছে তেওঁ। নিজকে কাৰো ওচৰত সৰু নকৰি সকলোকে ৰাগবিলৈ আমন্ত্ৰণ জনায়। নাম, যশ, খ্যাতিৰ এক বিৰাট সৌধ নিৰ্মাণ কৰিবলৈ তেওঁ বদ্ধ পৰিকৰ। তাৰ বাবে হাতৰ কাষতে পোৱা আধা ভঙা শিল টুকুৰাও কামত লগাব তেওঁ।

যথাসময়ত মাইকেলিচ আহিল। চিক্‌চিকিয়া গাড়ীত উঠি। লগত ড্ৰাইভাৰ আৰু এজন সহায়কাৰী। একদম পাক্কা বণ্ড ষ্ট্ৰীটৰ বাসিন্দা। তেওঁক দেখাৰ লগে লগে

ক্লিফোৰ্ডৰ মনলৈ এক বিৰূপ ভাব আহিল। তেওঁৰ এনেকুৱা লাগিল যেন মাইকেলিচ দেখাত যেনেকুৱা ভিতৰি তেনেকুৱা নহয়। তথাপিও খুবেই ভাল ব্যৱহাৰ কৰিলে ক্লিফোৰ্ডে। তেওঁৰ বিস্ময়কৰ সাফল্যক সহজভাৱে গ্ৰহণ কৰিলে। দুৰাকাংক্ষাৰ ৰাক্ষসীয়ে ক্লিফোৰ্ডৰ কাষে-পাঁজৰে দাঁত নিকটাই গৰজি আছিল। যাক অনুভৱ কৰি ভয় খাইছিল ক্লিফোৰ্ডে। অথচ সেই ৰাক্ষসীৰ কৃপাধন্য হ'লে তেৱোঁ পাব সাফল্যৰ বহল বাট।

লণ্ডনৰ আটাইতকৈ ভাল দোকানৰ পৰা কাপোৰ, টুপি, জোতা কিনিলেও আৰু ভাল চেলুনত চুলি-দাড়ি কটালেও মাইকেলিচ ইংৰাজ হ'ব পৰা নাই। তেওঁক দেখিলেই গম পাই তেওঁ যে ইংৰাজ নহয়। তেওঁৰ শেতা, ম্লান মুখখন দেখিলেই বুজা যায় ক'ৰবাত কিবা খুঁত ৰৈ গৈছে। কাৰোবাৰ বিৰুদ্ধে তেওঁৰ বিদ্বেষ আছে, অভিযোগ আছে। সেইটো প্ৰথম চাৱনিতে গম পায়। প্ৰকৃত ইংৰাজৰো অন্তৰত বিদ্বেষ থাকে কিন্তু মুখাৱয়বত বা আচৰণত সেয়া ফুটি নুঠে। তেওঁক দেখিলেই বুজা যায় ইতিমধ্যে তেওঁ বহু ঘাত-প্ৰতিঘাত সহ্য কৰি আহিছে। তেওঁৰ চকুত ফুটি উঠে আহত পশুৰ ভয়াৰ্ত চাৱনি। তেওঁ তেওঁৰ দক্ষতাৰ বলত নাটক লিখি সফলতা অৰ্জন কৰিছে। জনগণৰ হৃদয় জয় কৰিছে। মাইকেলে ভাবে এতিয়া আৰু তেওঁৰ অপমানৰ দিন শেষ হ'ল। কিন্তু প্ৰকৃততে সেয়া নহয়। মাইকেলিচে অভিজাত ইংৰাজ সমাজৰ এজন হ'ব বিচাৰে। অথচ এই অভিজাত ইংৰাজ শ্ৰেণীয়েই তেওঁক অপমানৰ পাছত অপমান কৰিছিল। তেওঁৰ দুখত স্ফুৰ্তি পাইছিল। ঘৃণাৰে ওপচাই দিছিল তেওঁৰ চৌপাশ।

তথাপিও অভিজাত শ্ৰেণীটোৱে ভাবিছিল, ডাবলিনৰ এই জহৰাটোৱে চিক্‌চিকিয়া গাড়ীত উঠি চাকৰ-নাকৰ লৈ স্বাচ্ছন্দ্যে বেহাই ফুৰে।

মাইকেলিচৰ চৰিত্ৰৰ বৈশিষ্ট্যই কনিক মুগ্ধ কৰিছিল। কপটতা, চতুৰালি নাছিল মাইকেলিচৰ। ক্লিফোৰ্ডে তেওঁৰ বিষয়ে যিয়ে জানিব বিচাৰিছিল তাকেই অকপটে, আন্তৰিকতাৰে সংক্ষেপে আৰু সুন্দৰকৈ কৈ গৈছিল। তেওঁ কথকী লগতে আবেগিক ব্যক্তি নাছিল। তেওঁ বুজি পাইছিল যে ৰাগবিলৈ তেওঁক এনেয়ে নিমন্ত্ৰণ দিয়া নাই। সেয়ে আবেগ-অনুভূতিবোৰ অলপো অপচয় নকৰাকৈ সু-চতুৰ ব্যৱসায়ীৰ দৰে তেওঁ সকলো প্ৰশ্নৰে উত্তৰ ধৈৰ্য সহকাৰে চুটিকৈ দি থয়।

তেওঁ কয়, "টকা। টকা একধৰণৰ প্ৰবৃত্তি মাথোঁ। টকা ঘটা, জমা কৰা মানুহৰ স্বভাৱৰ এটা ধৰ্ম। ইয়াত মানুহৰ কোনো কৃতিত্ব নাথাকে। নিজৰ সামৰ্থ্য অনুসৰি উপাৰ্জ্জন আৰু সঞ্চয় কৰি কৰি এটা সময়ত ই শেষ সীমা পায়।"

ক্লিফোৰ্ডে কৈছিল, "তুমিতো আৰম্ভ কৰিছাহে মাথোঁন।"

"হয়। এবাৰ আৰম্ভ কৰিলে আৰু ৰক্ষা নাই। তেতিয়া আৰু আন একো কাম

নহয়।” ক্লিফোৰ্ডে পুনৰ প্ৰশ্ন কৰিলে, “নাটক লিখাৰ বাহিৰে তুমি আৰু কি পথেৰে টকা ঘটিব পাৰিবা?”

“নাই কোনো পথেৰেই নোৱাৰিম। মই ভাল বা বেয়া লেখক এয়া ডাঙৰ কথা নহয়। কিন্তু লেখক বা নাট্যকাৰ বুলিহে এইখিনি টকা ঘটিব পাৰিছো, এইটো খাটাং। কনিয়ে সুধিলে, “আপুনি তাৰমানে মানুহে বিচৰামতেই নাটক লিখি দিয়ে?”

কনিৰ ফালে চাই উত্তৰ দিলে তেওঁ, “হয়।” তেওঁৰ মুখখন উজ্জ্বল হৈ উঠিল। পুনৰ ক'বলৈ ধৰিলে, “আচলতে কি জানে, জনপ্ৰিয়তাৰ কোনো দাম নাই। জনপ্ৰিয়তাৰ সৈতে একোৰে তুলনা নহয়। মই মোৰ নাটকসমূহ জনপ্ৰিয় কৰিবলৈ একো কৰা নাই। জনপ্ৰিয়তা বস্তুটোৱে বৰ ক্ষণভংগুৰ। ঠিক বতাহৰ দৰে। কেতিয়া কোন দিশে গতি কৰে কোনেও নাজানে।”

মাইকেলিচে স্থিৰ দৃষ্টিৰে কনিলৈ এনেদৰে চাই পঠিয়ালে যে কনিৰ সৰ্বাংগ কঁপি উঠিল। এই দৃষ্টি স্বচ্ছ, গভীৰ। ভূ-গৰ্ভৰ ভিতৰভাগত থকা বিভিন্ন স্তৰৰ দৰেই মোহমুক্তিৰো যে ভিন্ন স্তৰ আছে আৰু সেই স্তৰসমূহ ভেদ কৰি জীৱন তাৰো গভীৰতালৈ সোমাই গৈছে। তেওঁৰ জীৱনৰ যি অভিজ্ঞতা সেয়া মোহমুক্তিৰ শিলাস্তৰৰ ওপৰত প্ৰতিষ্ঠিত। তেওঁ শিশুৰ দৰেই অকলশৰীয়া আৰু সমাজচ্যুত। কিন্তু জীৱনৰ এই নিগনি দৌৰৰ মাজতো তেওঁৰ আছে এক বেপৰোৱা ভাব। আছে অপৰিসীম সাহস।

ক্লিফোৰ্ডে কিবাকিবি ভাবি কৈ উঠিল, “তুমি এই বয়সতে কি কৰিছা সেয়া সঁচায়ে আশ্চৰ্যজনক।”

হঠাতে এটা অদ্ভুত হাঁহি মাৰি মাইকেলিচে ক'লে, “অ', মোৰ বয়স ত্ৰিশ।” তেওঁৰ হাঁহিত জয়ৰ গৰ্ব থাকিলেও সেই হাঁহিটো আছিল একেবাৰে অসাৰ আৰু তিক্ত। কনিয়ে সুধিছিল, “আপুনি অকলে থাকে?” মাইকেলিচে কৈ উঠিল, “কি কয়হে আপুনি? মই অকলে থাকিম। মোৰ বনকৰা মানুহ আছে। অৱশ্যে সি জাতিত গ্ৰীক আৰু এটা মস্ত অপদাৰ্থ। তথাপিও মই তাক ৰাখিছো। মই বিয়া পাতিম। বিয়াতো পাতিবই লাগিব।”

কনিয়ে জোৰেৰে হাঁহি দিলে আৰু ক'লে, “আপুনি এনেকৈ কৈছে যে আপুনি টনচিলৰ অপাৰেচন কৰিবলৈহে ওলাইছে। বিয়া পাতিবলৈ ইমান প্ৰস্তুতি লাগেনে?” কনিৰফালে সপ্ৰশংস দৃষ্টিৰে চাই মাইকেলিচে ক'লে, “বিশ্বাস কৰক, লেডী চেটাৰ্লি, যেনেকৈয়ে হওক মই বিয়াৰ বাবে ছোৱালী এজনী বিচাৰি উলিয়ামেই। কিন্তু ইংৰাজ বা আইৰিশ ছোৱালী যে পাম তাৰ নিশ্চয়তা নাই।”

ক্লিফোৰ্ডে লগে লগে কৈ উঠিল, “তেনেহ'লে আমেৰিকান এজনীৰ সৈতেই

বিয়া পাতক।” আগৰ দৰেই হাঁহি হাঁহি মাইকেলিচে উত্তৰ দিলে, “আমেৰিকান? নাই, নাই। মই মোৰ মানুহজনক কৈ দিছো যে এজনী তুৰ্কী বা প্ৰাচ্যৰ ছোৱালী বিচাৰিবলৈ।”

অসাধাৰণ সাফল্যৰে সমৃদ্ধ এই অদ্ভুত মানুহজনক লগ পাই আশ্চৰ্যত হতবাক হয় কনি। মানুহে কয়, এওঁ বোলে আমেৰিকাৰ পৰাই বছৰি পঞ্চাশ হাজাৰ পাউণ্ড পায়। এজন সুন্দৰ পুৰুষ। কুন্দত কটা মুখ, কুঞ্চিত চেলাউৰী, পৰিপূৰ্ণ দৃষ্টি; এই সকলোবোৰে তুলি ধৰে তেওঁৰ সুন্দৰ সৌন্দৰ্যক। তেওঁৰ চাপ খাই থকা ওঁঠৰ মাজত আছে যুগ-যুগান্তৰৰ গতিহীন, অন্তহীন এক স্তব্ধতা। এই অবিচল স্তব্ধতা মুখৰ ওপৰত ফুটাই তুলিবলৈ ভগৱান বুদ্ধই কৰিছিল সাধনা আৰু আফ্ৰিকানসকলে তাক বিনা আয়াসতে লাভ কৰিছিল। এয়া জাতিপ্ৰদত্ত বস্তু। ব্যক্তিগত প্ৰতিৰোধৰ পাছতো ই প্ৰস্ফুটিত হৈ উঠে।

অকস্মাৎ তেওঁৰ প্ৰতি এক সহানুভূতি অনুভৱ কৰিলে কনিয়ে। ইয়াৰ লগতে কিছু পৰিমাণে মিহলি হৈ আছিল ঘৃণাও। আকৰ্ষণ আৰু বিকৰ্ষণ। এই মিশ্ৰ অনুভূতিয়ে লাহে লাহে প্ৰেমলৈ ৰূপান্তৰিত হ'ল। কিন্তু তেওঁ যে ইংৰাজ নহয়! মানুহে তাক 'ইতৰ' বুলি কয়। কিন্তু এওঁতকৈয়ো দেখোন ক্লিফোৰ্ড বেছি ইতৰ আৰু নিৰ্বোধ।

মাইকেলিচে বুজি পাইছিল যে কনি তাৰ দ্বাৰা প্ৰভাৱিত হৈছে। তেওঁৰ ডাঙৰ চকুৰ উজ্জ্বল আৰু অনাসক্ত দৃষ্টিয়ে কনিক খুঁটিয়াই খুঁটিয়াই চালে। কনিৰ মনৰ ওপৰত কিমান প্ৰভাৱ বিস্তাৰ কৰিব পাৰিছে তাক পৰীক্ষা কৰিলে। তেওঁ জানে, ইংৰাজসকলে যিমানেই হুলিগলি নকৰক কিয় মনৰ মাজত আনক স্থান দিব নোৱাৰে। ভাল পালেও বাহিৰৰ মানুহ বুলি হেয়দৃষ্টিৰে চাবই। তথাপিও কিছুমান ছোৱালীৰ মনে নামানে। তেওঁলোকে প্ৰেম কৰে, ভাল পায়। হয়, ইংৰাজ মহিলাসকলে সেয়া কৰে।

ক্লিফোৰ্ডৰ সৈতে আচল সম্পৰ্ক সম্পৰ্কে তেওঁ জ্ঞাত। তেওঁলোক দুয়ো যেন দুটা বিক্ষুব্ধ কুকুৰ; দেখাৰ লগে লগে দাঁত নিকটাই ভুকি উঠিব। কিন্তু তাৰ পৰিবৰ্তে তেওঁলোকে মাজে মাজে জোৰ কৰি দাঁত উলিয়াই ইজনে সিজনক হাঁহি দেখুৱায়। কিন্তু ছোৱালী মানুহৰ ক্ষেত্ৰত মনৰ এই জোৰ নাথাকে।

শোৱনি ঘৰতে পুৱাৰ আহাৰ যোগোৱা হয়। দুপৰীয়াৰ আহাৰৰ আগতে ক্লিফোৰ্ড খোৱা কোঠালৈ নাহে। পুৱাৰ পৰা দুপৰীয়া পৰ্যন্ত নীৰস আৰু নিৰানন্দময় হৈ থাকে খোৱা কোঠাটো। কফি খোৱাৰ পাছত মাইকেলিচৰ ঘৰৰ ভিতৰত আমনি লাগে। অথচ কি কৰিব তাকো ভাবি পাৰ নাপায়। সেইদিনা আছিল নৱেম্বৰ মাহৰ এটি উজ্জ্বল দিন। ৰাগবিত এই দিনবোৰ ভালেই লাগে। এবাৰ উদ্যানৰ পিনে চাই মাইকেলিচে মনতে কৈ উঠিল, বাঃ কি সুন্দৰ ঠাই?

মাইকেলিচে নিজৰ সহায়কাৰীজনক লেডী চেটাৰ্লিৰ ওচৰলৈ সুধি পঠিয়ালে যে তেওঁৰ কিবা কাম আছে নেকি? তেওঁৰ গাড়ীখন লৈ এবাৰ চেফিল্ডলৈ যোৱাৰ ইচ্ছা আছে। কিন্তু লেডী চেটাৰ্লিক এবাৰ দেখা কৰি যাবৰ বাবেহে খবৰ আহিল।

কনিৰ কোঠাটো চাৰি মহলাৰ ওপৰত। এইটোৱে শেষ মহলা। ক্লিফোৰ্ডৰ কোঠা একেবাৰে তলৰ মহলাত। লেডী চেটাৰ্লিৰ কোঠালৈ মাতি পঠালত মাইকেলিচৰ বুকুখন ফুলি উঠিল। তেওঁ বনকৰা মানুহটোৰ পিছে পিছে ইফালে-সিফালে নোচোৱাকৈ যাবলৈ ধৰিলে। কনিৰ কোঠালিৰ দেৱালত জাৰ্মান সমাজ সংস্কাৰক ৰেনইৰ আৰু চেজানৰ ফটো দুখন সজাই থোৱা আছে।

মাইকেলিচে মুখত কৃত্ৰিম হাঁহি বিৰিঙাই ক'লে, "আপুনি বৰ সুন্দৰ কোঠা নিৰ্বাচন কৰি লৈছে।"

কনিয়ে ক'লে, "ময়ো সেই বুলিয়ে ভাবো।"

প্ৰকাণ্ড হাউলীটোৰ ভিতৰত একমাত্ৰ এই কোঠাটোকে আধুনিক আচ-বাবেৰে সজোৱা হৈছে। ইয়াতে কনিৰ পছন্দ-অপছন্দ, বিশেষত্ব আৰু স্বকীয় বৈশিষ্ট্য পূৰ্ণৰূপে প্ৰকাশিত আৰু প্ৰতিষ্ঠিত। ক্লিফোৰ্ডে এইবোৰ দেখাই নাই আৰু কনিয়ে চবকে ইয়ালৈ আহিবলৈকে নিদিয়ে।

কোঠাটোৰ মাজত জ্বলি থকা জুইকুৰাৰ উম লৈ দুয়ো কথা পাতিবলৈ ধৰিলে। কনিয়ে তেওঁক ঘৰৰ কথা সুধিলে, তেওঁৰ মাক-দেউতাক আৰু ভাই-ভনীৰ কথাও। কনিৰ কাষত এজন অনা-ইংৰাজ যি কনিৰ বাবে পৰম বিস্ময়ৰ বস্তু। যেতিয়া কাৰোবাৰ প্ৰতি সহানুভূতি ওপজে তেতিয়া শ্ৰেণীগত, জাতিগত পাৰ্থক্যৰ কথা কনিয়ে অৱশ্যে পাহৰে। কোনোধৰণৰ ভণ্ডামিৰ আশ্ৰয় নলৈ মাইকেলিচে কনিৰ সকলো প্ৰশ্নৰে উত্তৰ দি গ'ল। লগতে তেওঁৰ উদাসীন, মূলৰ পৰা বিচ্ছিন্ন আত্মাৰ কথাও বুজাই ক'লে। তাৰ পিছত প্ৰতিশোধাত্মক সাফল্যৰ গৌৰৱত মুখৰ ওপৰেৰে এটি হাঁহি বিৰিঙালে।

কনিয়ে ক্ষন্তেক পাছতে সুধিলে, "এনেকৈ অকলশৰীয়া পখীৰ দৰে কিয় আছে আপুনি?"

মাইকেলিচে তীক্ষ্ণ কিন্তু অস্পষ্ট দৃষ্টিৰে কনিক লক্ষ্য কৰি কৈ উঠিল, "কিছুমান চৰাই এনেকৈ নিঃসংগ হৈ পৰে যে ঘূৰি ফুৰিবলৈকে সিহঁতে ভাল পায়।"

তাৰপিছত কিছু ৰসিকতাৰ সুৰত তেওঁ পুনৰ কৈ উঠিল, "আপুনিয়োতো নিঃসংগ চৰাইৰ দৰেই আছে।"

চমকি উঠিল কনি। কিছুক্ষণ ভাবি তাই ক'লে, "অলপ হয়, কিন্তু আপোনাৰ দৰে অকলশৰীয়া নহয়।" মাইকেলিচে এটা নীৰস হাঁহিৰে সুধিলে, "মই তাৰমানে একেবাৰে নিঃসংগ?"

তেওঁৰ চকুলৈ চাই একো বুজিব নোৱাৰি। কি আছে তেওঁৰ দৃষ্টিত? অপৰিৱৰ্তনীয় বিষাদ, উদাসীনতা, মোহমুক্তি বা ভয়? কি আছে? তেওঁৰ ফালে শ্বাসৰুদ্ধভাৱে চাই কনিয়ে আকৌ সুধিলে, "আপুনি অকলশৰীয়া নহয়?" কনিয়ে অনুভৱ কৰিলে মাইকেলিচৰ পৰা এটা তীব্ৰ আবেদনে তাইক আচ্ছন্ন কৰি তুলিছে আৰু সেই আবেদনৰ আঘাতত তাই তাইৰ সত্তাৰ ভাৰসাম্য হেৰুৱাই পেলাইছে।

"আপুনি ঠিকেই কৈছে।" কথাটো কৈয়ে কনিৰ ফালে মুখ কৰি কনিৰ সৰ্বাংগত দৃষ্টি পেলালে মাইকেলিচে। তেওঁৰ দৃষ্টিত এটা অকপট স্তব্ধতা আছিল। সেই দৃষ্টি লক্ষ্য কৰি সকলো সংযম হেৰুৱাই পেলালে কনিয়ে। তাইৰ এনেকুৱা লাগিল যেন মাইকেলিচে তেওঁৰ এই স্থিৰ দৃষ্টি কেতিয়াও আঁতৰাই নিনিয়ক।

এইবাৰ মাইকেলিচে তেওঁৰ পৰিপূৰ্ণ দৃষ্টিৰে কনিৰ ফালে চাই ভিতৰৰ মানুহজনীক দেখিলে। সত্তাৰ গভীৰতাত নিমজ্জিত সকলো কথাই বুজি পালে। হঠাতে কনিৰ মনৰ মাজত শুই থকা শিশুটিয়ে ফেঁকুৰিবলৈ ধৰিলে আৰু লগে লগে পেটৰ ভিতৰখন পাকমাৰি উঠিল। মাইকেলিচে ক'লে, "আপুনি যে মোৰ কথা ভাবে সেই কথা ভাবিয়ে মোৰ ভাল লাগে।"

শ্বাসৰুদ্ধ কণ্ঠেৰে কনিয়ে ক'লে, "কিয় নাভাবিম আপোনাৰ কথা?"

এইবাৰ অকণমান হাঁহি মাৰি মাইকেলিচে সুধিলে, "মই আপোনাৰ হাতটো অকণমান চুব পাৰিমনে?" কনিৰ মুখত স্থিৰ দৃষ্টি নিবদ্ধ কৰি হঠাতে এই প্ৰশ্ন কৰিছিল মাইকেলিচে। তেওঁৰ দৃষ্টিৰ মাদকতাই কনিৰ পেটৰ ভিতৰত আঘাত হানিছিলগৈ।

একো নকৈ কনিয়ে মন্ত্ৰমুগ্ধৰ দৰে চাই ৰ'ল মাইকেলিচক। মাইকেলিচ উঠি গৈ কনিৰ ভৰিৰ কাষত তলত বহি লৈ তাইৰ কোলাত মূৰ থ'লে। ভয়ত কনিৰ সৰ্বশৰীৰ কঁপি উঠিল যদিও তাই লাহে লাহে মাইকেলিচৰ গলধনত হাত ফুৰাবলৈ ধৰিলে। কনিৰ হাতৰ স্পৰ্শত মাইকেলিচো কঁপি উঠিল।

মাইকেলিচে এবাৰ মূৰ তুলি কনিলৈ চালে। তেওঁৰ উজ্জ্বল চকুযুৰিত এনে এটি আবেদন আছিল যে কনিয়ে তাক অগ্ৰাহ্য কৰিব নোৱাৰিলে। তাইৰ অন্তৰৰ গভীৰ কোণৰ পৰা এটা ব্যাকুল কামনা উৎপত্তি হৈ মাইকেলিচক কেন্দ্ৰ কৰি ঘূৰিবলৈ ধৰিলে। তাইৰ ভাব হ'ল, এই মুহূৰ্তত তাই মাইকেলিচক সৰ্বস্ব দান কৰিব পাৰিব।

প্ৰেমিক হিচাপে মাইকেলিচ বৰ শান্ত আৰু ভদ্ৰ। উদগ্ৰ কামনাই তেওঁক অস্থিৰ কৰি তুলিছিল যদিও এটা নিগূঢ় অনাসক্তিয়ে তেওঁক পিছফালে টানিছিল। কামনাৰ প্ৰবল আসক্তিয়ে তেওঁক অন্ধ কৰা নাছিল। চাৰিওকাষৰ পৰিবেশ, গোটেই শব্দবোৰৰ প্ৰতি তেওঁ আছিল অতিশয় সচেতন। সেইসময়ত কনিয়ে মাইকেলিচৰ মাজত নিজকে বিলাই দিয়াৰ বাবে উন্মুখ হৈ পৰিছিল। আনহাতে মাইকেলিচৰ সমস্ত কম্পন শেষ

হ'ল। এক অৱসাদে হেঁচি ধৰিলে তেওঁক। তেওঁ স্থিৰভাৱে নিজৰ মূৰটো কনিৰ আঁঠুৰ ওপৰত ৰাখিলে। কনিয়ে তেওঁৰ মূৰত আঙুলি বুলাবলৈ ধৰিলে।

মাইকেলিচে কনিৰ হাতত আনকি ভৰি দুখনতো চুমা খাই কোঠাৰ একোণলৈ গুচি গ'ল। দেৱালৰ ফালে মুখ কৰি অলপ সময় থিয় হৈ থাকি পুনৰ কনিৰ ফালে ঘূৰি চালে। দুয়োজন মৌন। হঠাতে কনিৰ কাষলৈ আকৌ আহিল মাইকেলিচ। তাই তেতিয়াও জুইকুৰাৰ কাষত নিশ্চল হৈ বহি আছিল।

শান্তভাৱে মাইকেলিচে কনিক সুধিলে, “আপুনি নিশ্চয় মোক এতিয়া ঘিণ কৰিব।” লগে লগেই কনিয়ে কৈ উঠিল, “কিয় ঘিণ কৰিম মই আপোনাক?”

মাইকেলিচে ক'লে, “সাধাৰণতে ছোৱালীবোৰে তাকেই কৰে।”

কনিয়ে গম্ভীৰভাৱে কৃত্ৰিম খং দেখুৱাই ক'লে, “মই আপোনাক কেতিয়াও ঘিণ নকৰো।” করুণ কণ্ঠেৰে মাইকেলিচে ক'লে, “মই জানো, কিন্তু মোৰ বৰ ভয় লাগে।”

কিন্তু তেওঁৰ দুখৰ কাৰণটো কনিয়ে বুজি নাপালে। তাই মাথোঁ সুধিলে, “আপুনি আৰু নবহে নেকি?”

মাইকেলিচ দুৱাৰৰ ফালে আগবাঢ়িল আৰু কনিক প্ৰশ্ন কৰিলে, “ছাৰ ক্লিফোৰ্ডে খং কৰিব নেকি?”

কনিয়ে তেওঁৰ ফালে চাই ক'লে, “মই ক্লিফোৰ্ডক এইবোৰ কথা নজনাওঁ। তেওঁ গম পালে মনত বৰ দুখ পাব। কিন্তু আমি কিবা অন্যায় কৰিছো বুলি মই ভবা নাই।”

মাইকেলিচেও কৈ উঠিল, “নাই, নাই, হে ভগৱান। কিহৰ অন্যায়? আপোনাক মোৰ খুব ভাল লাগিছে। মই আৰু থাকিব-পৰা নাই।”

কনিলৈ উভতি চাই মাইকেলিচে দেখিলে তাইৰ চকু দুটা চলচলীয়া হৈ পৰিছে। অলপ পাছতে তাই হয়তো ফেঁকুৰি উঠিব।

কনিয়ে পুনৰ মাইকেলিচক ক্লিফোৰ্ডক একো নক'বলৈ সকীয়ালে। কাৰণ ক্লিফোৰ্ডে এইবোৰ নাজানিলে মনত দুখ পোৱা-নোপোৱাৰ কথা নাহেই। মাইকেলিচে কনিক আশ্বস্ত কৰি কৈ উঠিল, “মোৰ পৰা তেখেতে এইবোৰ কথা একেবাৰেই গম নাপাব। এনেকুৱা চিন্তা মনলৈ নানিবই।” মাইকেলিচে সশব্দে আন্তৰিকতাহীন আৰু বিদ্ৰূপাত্মক হাঁহি এটি মাৰিলে। তেওঁ আকৌ ক'লে, “মই আপোনাৰ হাতত চুমা এটা খাই যাব বিচাৰিছো। মই এতিয়া চেফিল্ডলৈ যাম। তাতেই দুপৰীয়াৰ আহাৰ খাই আবেলি চাহ খোৱাৰ সময়ত উভতি আহিম। মই আপোনাৰ কাৰণে কিবা কৰিব লাগিব নেকি? আপুনি যে মোক বেয়া পোৱা নাই সেই বিষয়ে মই নিশ্চিত হ'ব পাৰোনে?”

কথাখিনি কৈ থাকোঁতে মাইকেলিচৰ কণ্ঠত হতাশাৰ করুণ সুৰ এটি বাজি উঠিছিল। কনিয়ে ক'লে, "নাই, মই আপোনাক ঘিণ নকৰোঁ। মই ভাবো আপুনি সঁচায়ে বৰ ভাল।"

উৎসাহিত হৈ মাইকেলিচে ক'লে, "ভাল পোৱাতকৈয়ো এইকথা মোৰ বাবে অতি মূল্যবান। আবেলিৰ আগতেই আমি আকৌ লগ হ'ম। ইয়াৰ মাজৰ সময়খিনি মই আপোনাৰ কথা ভাবিবলৈ সদ্ব্যৱহাৰ কৰিম।"

কথাখিনি শেষ কৰিয়ে কনিৰ হাতত চুমা খাই মাইকেলিচ গ'লগৈ। দুপৰীয়া খাই থাকোঁতে ক্লিফোৰ্ডে কনিক ক'লে, "মানুহটোক মোৰ অলপো ভাল লগা নাই। তাক মই অলপো সহ্য কৰিব নোৱাৰোঁ।"

কনিয়ে সুধিলে, "কিয়?"

ক্লিফোৰ্ডে কৈ উঠিল, "তাৰ ভদ্ৰ আচৰণৰ অন্তৰালত আছে নিকৃষ্ট পশুৰ মতলব। আমাক ঠগাবলৈ সি সুযোগৰ অপেক্ষাত আছে।"

কনিয়ে ক'লে, "মানুহে অন্যায় কৰি তেওঁৰ কথা বেয়াকৈ কয়।"

ক্লিফোৰ্ডে ক'লে, "তুমি ইমান আচৰিত হৈছা কিয়? তুমি ভাবা নেকি সি তাৰ সময় নষ্ট কৰি আনৰ উপকাৰ কৰে?"

"মই ভাবো তেওঁৰ এনে উদাৰতা আছে।"

"উদাৰতা? কাৰ প্ৰতি?"

"মই ঠিক ভালকৈ নাজানো।"

"নজনাই স্বাভাৱিক। মোৰ ভাব হৈছে তুমি তাৰ কুণ্ঠা বা দ্বিধাহীনতাকে উদাৰতা বুলি ভুল কৰিছা।"

কনি থমকি ৰ'ল। এয়া সঁচা নেকি? হয়তো হয়। তথাপিও দেখোন মাইকেলিচৰ দ্বিধহীনতাৰো আছে এক মায়ময় আৱেদন। ক্লিফোৰ্ডে য'ত ভীৰুতাৰ সৈতে দুখোজ দিছে মাইকেলিচে তাৰে জগত জিনিছে। এই জগত ক্লিফোৰ্ডে জয় কৰিব বিচাৰিছে কিন্তু পৰা নাই। এই জয়ৰ বাবে মাইকেলিচে যি পথ, যি উপায় অৱলম্বন কৰিছে সেয়া ক্লিফোৰ্ডৰ উপায়তকৈয়ো বেছি জঘন্য? এই বাহিৰাগত যুৱকে পিছ দুৱাৰেদি যি পথ অৱলম্বন কৰিছে তাতকৈ ক্লিফোৰ্ডে আত্মপ্ৰচাৰৰ বাবে যি জয়ঢোল বজাইছে সেয়া বেছি বেয়া। দুৰাকাংক্ষাৰ ৰাক্ষসীক স্তুতিগীত গাই প্ৰথমতে সন্তুষ্ট কৰিব পাৰিছে মাইকেলিচে। সাফল্যৰ দেৱীক দৰ্শন কৰি কুকুৰৰূপী মাইকেলিচে নিজৰ নেজডাল সগৰ্বে তুলি ধৰিব পাৰে কিন্তু সেয়া কৰা নাই।

আবেলিৰ চাহখোৱাৰ ঠিক সময়তে তেওঁ আহি পালে। লগতে আনিছে নীলকণ্ঠ আৰু ভেঁটফুল এমুঠা। আহিয়ে আৰম্ভ কৰিলে তেওঁৰ সেই আত্ম-গৌৰৱহীন

পেনপেননি। কনিয়ে ভাবিবলৈ বাধ্য হ'ল মাইকেলিচৰ কথাৰ এই সুৰ প্ৰকৃততে প্ৰতিপক্ষক ধৰাশায়ী কৰিবলৈহে।

সন্ধিয়াৰ সময়কণ তেওঁৰ নিৰুত্তাপ, নিস্তেজ অন্তৰৰ কথা কৈয়ে পাৰ কৰিলে। ক্লিফোৰ্ডে এবাৰ ভাবিলে তেওঁৰ এই কথাবোৰৰ মাজত আত্ম-গৌৰৱ আৰু আক্ৰমণাত্মক মনোভাব এটা গোপনে লুকাই আছে। কনিয়ে অৱশ্যে এইবোৰ একো ভবা নাই। এনেয়ো তেওঁৰ কথাৰ মাজত নাৰীজাতিৰ প্ৰতি কোনো আক্ৰমণ-তাক্ৰমণ নাই। যিকণ আছে সেয়া পুৰুষৰ দুঃসাহসিকতা আৰু উদ্ধত, অসংগত কল্পনাৰ প্ৰতিহে। এক অজেয় অন্তৰ্নিহিত আক্ৰমণাত্মক মনোভাবৰ বাবেই মাইকেলিচৰ কাষত অন্য পুৰুষ হৈ পৰে নিষ্প্ৰভ। বাহিৰত তেওঁ যিমানেই ভাল মানুহ বোলাওক, তেওঁৰ সামান্য উপস্থিতিতে তেওঁৰ আক্ৰমণাত্মক ভাব প্ৰকট হৈ উঠে।

কনি মাইকেলিচৰ প্ৰেমত পৰিছে। কিন্তু তাই একমনে চিলাইৰ কামত নিব্যস্ত হ'ল আৰু কথা পাতিয়েো থাকিল। অন্য সন্ধিয়াৰ দৰেই মাইকেলিচ মনোযোগী কিন্তু উদাসীন আৰু বিষাদগ্ৰস্ত হৈয়ে থাকিল। গৃহস্থৰ সৈতে প্ৰয়োজনীয় দুই-এষাৰ কথা কৈ ওচৰে-পাঁজৰে থাকিলেও মনটো বহুত দূৰলৈ উৰি যায়। কনিয়ে ভাবিলে মাইকেলিচে চাগৈ পুৰাবেলাৰ কথাবোৰ পাহৰিলে। কিন্তু এয়া জানো পাহৰিব পাৰি?

তেওঁৰ প্ৰকৃত স্থিতি সম্পৰ্কে মাইকেলিচ সচেতন। তেওঁ ইংৰাজ নহয়। বাহিৰাগতৰ য'ত অৱস্থান তাতেই তেওঁৰ বৰ্তমান স্থিতি। সেয়ে কনিৰ প্ৰেমক অন্তৰংগতাৰে তেওঁ গ্ৰহণ কৰিব পৰা নাই। বাটত ঘূৰি ফুৰা ঢেকুৰা কুকুৰক সোণৰ শিকলিৰে বান্ধি দিলেও সি অভিজাত ঘৰৰ কুকুৰ হ'বগৈ নোৱাৰে।

প্ৰকৃততে মনে প্ৰাণে মাইকেলিচ এজন বিদেশী। লগতে অসামাজিকো। বণ্ড ষ্ট্ৰীটৰ বাসিন্দা হ'লেও, কাপোৰে-কানিয়ে ইংৰাজ হ'লেও তেওঁ বিদেশীয়েই। তেওঁক সমাজৰ ভদ্ৰ, চতুৰ লোকৰ সৈতে উঠা-বহা কৰাৰ যিমান প্ৰয়োজন হয়, সিমানেই প্ৰয়োজন অন্তৰৰ অন্তহীন নিঃসংগতাৰো।

তথাপিও সাময়িক এই প্ৰেম তেওঁৰ বাবে এক সান্ত্বনাৰ বস্তু। বেয়া লগাতো নায়েই বৰঞ্চ কনিৰ প্ৰতি তেওঁ কৃতজ্ঞ। তেওঁৰ প্ৰতি কনিৰ যি স্বৰ্তস্ফূৰ্ত আৰু অশ্ৰুসিক্ত কৰুণা তাক দেখি এক উত্তপ্ত আৰু মৰ্মস্পৰ্শী আবেগে আবৰি ধৰিছিল তেওঁক। তেওঁৰ মলিন, কঠোৰ আৰু মোহমুক্ত মুখমণ্ডলৰ অন্তৰালত থকা শিশুসুলভ আত্মাটোৱে এই নাৰীৰ প্ৰতি কৃতজ্ঞতাত কান্দি উঠিছিল। নিঃসংগ এই আত্মাই কনিৰ কাষলৈ আহিব বিচাৰিছিল।

হলঘৰত চাকি-বন্তি লগোৱাৰ সময়তে কনিৰ সৈতে একান্তভাৱে কথা পতাৰ সুযোগ পালে মাইকেলিচে। সুধিলে, "মই আহিব পাৰোনে?"

কনিয়ে ক'লে, "মযে আপোনাৰ ওচৰলৈ যাম।" অন্তহীন অপেক্ষাৰ অন্ত পেলাই অৱশেষত কনি আহিল।

তেওঁ হৈছে উত্তেজনাই সহজেই ভাৱাক্ৰান্ত কৰিব পৰা প্ৰকৃতিৰ প্ৰেমিক। মুহূৰ্তৰ উত্তেজনাৰ কম্পনে তেওঁক কাম সংকটৰ দুৱাৰডলিলৈ আনে আৰু তাৰ পিছমুহূৰ্ততে সেই সংকটৰ পৰিসমাপ্তি ঘটে। নগ্ন শিশু দেহৰ দৰে তেওঁৰো নগ্ন দেহাটোক কিবা এটা শিশুসুলভ অসহায় ভাবৰ উৎকণ্ঠাই আবৰি আছে। তেওঁৰ টেঙৰালি বুদ্ধি আৰু ধূৰ্ত চিন্তা শক্তিয়েই হৈছে তেওঁৰ সুৰক্ষা কৱচ; হয়, ধূৰ্ত প্ৰবৃত্তি আৰু সেই প্ৰবৃত্তি যেতিয়া পলমকৈ জাগ্ৰত হয় তেওঁ যেন দুগুণ উলংগ, উন্মুক্ত হৈ পৰি অসহায়ভাৱে যুঁজ-বাগৰ কৰি থাকে; অসহায়, নিৰ্বোধ কেঁচুৱা এটিৰ দৰে।

তেওঁ কনিৰ দেহত জগাই তুলিছিল এটা বনৰীয়া পাশৱিক ধৰণৰ চেতনা আৰু অধীৰতা, শাৰীৰিক সান্নিধ্যৰ আতুৰতা। কিন্তু সেই আতুৰতা তেওঁ পূৰণ কৰিব পৰা নাছিল। কাৰণ তেওঁৰ কামাবেগ অতি সোনকালে উপস্থিত হৈ নিমিষতে শাম কাটিছিল। কুচিমুচি তেওঁ তেতিয়া কোমল বুকুৰ মাজত জিৰণি লৈছিল। লাহে লাহে লাজবোৰ আঁতৰি গৈছিল। তাৰ বিপৰীতে কনি হৈ পৰিছিল হতভম্ব, অতৃপ্ত, আশাভংগৰ বেদনাত মৰ্মাহত।

কনিয়ে কিন্তু তাৰ পাছতেই তেওঁক ধৰি ৰাখিবলৈ কৌশল আয়ত্ত কৰিলে। তেওঁৰ কাম সংকটৰ যৱনিকা পৰাৰ পাছতো তাইৰ দেহৰ অভ্যন্তৰত পুৰুষত্বক জাগ্ৰত কৰি ৰাখিবলৈ। পুৰুষজন হৈ পৰিছিল মহীয়ান। আৰু সাংঘাতিকভাৱে সক্ষম। নাৰীগৰাকীৰ অভ্যন্তৰত তেওঁ দৃঢ় হৈ থাকি সহযোগ আগবঢ়াইছিল।

উত্তেজনাৰ চৰম সীমাত উপনীত হৈ তেওঁৰ অনুভূত হৈছিল যে তেওঁৰ কঠিন নিষ্ক্ৰিয়তাই নাৰীগৰাকীক তৃপ্ত, বনৰীয়া কামনাৰ তৃষ্ণা প্ৰশমিত কৰিব পাৰিছে। আৰু তাতেই তেওঁ গৰ্বিত আৰু সন্তুষ্টিৰে শিহৰিত হৈ পৰিছিল। "আঃ পৰম সুখ!" কম্পনৰত ওঁঠৰ পৰা নিগৰি ওলাইছিল এটা আৱেগিক ফুচফুচিয়া স্বৰ। নিথৰ হৈ পৰি থাকি সাবটি ধৰিছিল মানুহজনীক। আৰু পুৰুষজন নিজৰ পৃথক স্থানত নিজৰ ভাৱত পৰি ৰৈছিল। কিন্তু তথাপিও গৰ্বিত।

প্ৰকৃতাৰ্থত কনিয়ে তেওঁক অকণো বুজি উঠা নাছিল। তথাপিও তাই নিজস্ব ধৰণেৰে তেওঁক ভাল পাইছিল। অৱশ্যে তেওঁৰ নিৰাশাগ্ৰস্ত মনটোৰ প্ৰতিফলন তাই প্ৰতি মুহূৰ্ততে উপলব্ধি কৰিছিল। এই নৈৰাশ্যতাৰ মাজত বিশুদ্ধ ভালপোৱাৰ স্থান সীমিত বাবেই দুয়োৰে পাৰস্পৰিক ভালপোৱাৰ বিশুদ্ধতা নাছিল। সেইবাবেই সিহঁতে চিঠি লিখি আৰু মাজে মাজে লণ্ডনত লগালগি হৈ ভালেমান দিন অতিবাহিত কৰিছিল।

তাই তেওঁৰ শাৰীৰিক সান্নিধ্য আৰু উত্তেজনাৰ চৰম মুহূৰ্তত ৰাগৰি পৰাৰ পাছতো নিজৰ সক্ৰিয়তাৰে আহৰণ কৰা যৌনতাৰ শিহৰণখিনি লাভ কৰিবলৈ অধীৰ, তেওঁ বিচৰাখিনি দিবলৈ ব্যগ্ৰ। আৰু তেওঁলোকৰ নিবিড় সম্পৰ্ক বজাই ৰাখিবলৈ এয়ে যথেষ্ট। লগতে এক ভুৱা দম্ভালিৰে আৱৰা বিশেষধৰণৰ আত্মপ্ৰত্যয়ে কনিৰ মনত গঢ় ল'লে। এই অন্ধ আত্মবিশ্বাসৰ মাজত এটা বিষাদৰ সুৰ থকা সত্ত্বেও আনন্দও আছিল।

ৰাগৰিলৈ ঘূৰি আহিলেই আনন্দ উচ্ছলতাত মত্ত হৈ পৰে কনি। সেই তৃপ্তি আৰু আনন্দৰ অনুভৱ ক্লিফোৰ্ডলৈয়ো সঞ্চাৰিত হয়। সেই উচ্ছ্বাসৰ বন্যাত ক্লিফোৰ্ডেও ভাল কিবাকিবি দুটামান লিখিলে। মাইকেলিচ-কনিৰ পৰকীয়া প্ৰেমৰ ভোগ ক্লিফোৰ্ডেও একো নজনাকৈয়ে, অন্ধভাৱেই ভোগ কৰিলে। জনা হ'লে নিশ্চয় কনিক ধন্যবাদ নিদিলেহেঁতেন।

সেই আনন্দময় তৃপ্তিৰ দিনবোৰ হেৰাই যোৱাৰ পাছত বিমৰ্ষ, বিষণ্ণ কনিক দেখি ক্লিফোৰ্ডেও পাৰ হৈ যোৱা দিনবোৰলৈ ব্যাকুলভাৱে ঘূৰি চাইছিল। সেই দিনবোৰৰ ৰহস্যময় কাৰণটো জনা হ'লে হয়তো ক্লিফোৰ্ডে কনি আৰু মাইকেলিচক একেলগে একেটা ঘৰতেই থাকিবলৈ দিলেহেঁতেন।

চতুৰ্থ অধ্যায়

মাইক মানে মাইকেলিচ আৰু কনিৰ সম্পৰ্কটো কেতিয়া ওৰ পৰিব নাইবা সম্পৰ্কটোৰ কেতিয়া অৱনতি ঘটিব সেই লৈ কনিৰ দুঃচিন্তাৰ অন্ত নাছিল। সম্পৰ্ক নিটিকাৰ এই ভয় কনিৰ একেবাৰে অমূলক নাছিল। কিয়নো মাইক সম্পৰ্ক বজাই ৰাখিব পৰা মানুহ নহয়। সম্পৰ্ক ভঙা-গঢ়াৰ এটা প্ৰবণতা তেওঁৰ আছিলেই। কিয়নো তেওঁ বিচাৰে অঘৰী কুকুৰৰ দৰে এক অবাধ স্বাধীনতা।

ক্লিফোৰ্ডে কনিৰ পৰা বিচাৰিছিল প্ৰাণচঞ্চল আনন্দৰ উচ্ছ্বাস আনহাতে কনিয়ে বিচাৰে এজন সমৰ্থবান পুৰুষৰ সংগসুখ; যিটোৰ অভাৱ ক্লিফোৰ্ডে পূৰণ কৰিব নোৱাৰে। মাজে মাজে মাইকলৈ মনত পৰি কনিয়ে সৰ্বশৰীৰত অনুভৱ কৰে এক শিহৰণ।

এই পৃথিৱী কিমান বিশাল সম্ভাৱনাৰ আধাৰ! সম্ভাৱনাপূৰ্ণ এই পৃথিৱীত কিন্তু মানুহে সংকীৰ্ণ গণ্ডীৰ ভিতৰত কেইজনমানকহে অতি ব্যক্তিগত অভিজ্ঞতাৰ বাবে নিৰ্বাচন কৰে। সাগৰৰ বুকুত বহুত মাছ থাকে। কিন্তু তাৰ বেছিভাগেই মেকৰিন অথবা হেৰিং। গতিকে সেইবোৰৰ মাজৰ পৰা ভাল মাছ ধৰিব পৰাটো কঠিন কাম।

যশ, খ্যাতিৰ সৈতে অৰ্থই ক্লিফোৰ্ডক স্পৰ্শ কৰিছিল। বহুতেই তেওঁক দেখা কৰিবলৈ ৰাগবিলৈ আহে। সেই অতিথিবৃন্দৰ বেছিভাগেই হেৰিং বা মেকৰিনৰ দৰে। অৱশ্যে তাৰ মাজতো দুই এজন চকুতপৰা বিধৰো আহে। সেইসকলৰ ভিতৰতে কিছুমান আকৌ ৰাগবিত দীঘলীয়া দিন লৈ থকাকৈ আহে। তেওঁলোকৰ মাজৰে আছিল ক্লিফোৰ্ডৰ কেম্ব্ৰিজৰ সহপাঠী পাছলৈ সৈন্য-বাহিনীৰ ব্ৰিগেডিয়াৰ জেনেৰেললৈ পদোন্নতি হোৱা টমি ডিউক, চাৰ্লচ মে' নামৰ এজন আইৰিশ লোক যি জ্যোতিৰ্বিজ্ঞানৰ লেখক আৰু হামণ্ড নামৰ আন এজন লেখক। এওঁলোক আটাইকেইজনেই ক্লিফোৰ্ডৰ সমবয়সীয়া, তৰুণ, বুদ্ধিজীৱী আৰু সুস্থ-সবল চিন্তা-ধাৰাৰ উৎকৰ্ষ সাধনত বিশ্বাসী। আনৰ ব্যক্তিগত কথাত এওঁলোকে মাত নামাতে। যেনেকৈ কোন ক'ত কেতিয়া 'টয়লেট'লৈ গৈছে তাৰ খবৰ ৰখাটো অশোভনীয় তেনেদৰে কোনে টকা-পইচা ঘটিছে, কাৰ পাৰিবাৰিক সম্পৰ্ক কেনেকুৱা, এনেধৰণৰ খবৰ-খাতি লৈ নিকৃষ্ট মানসিকতাৰ পৰিচয় নিদিয়ে এওঁলোকে। তেওঁলোকৰ মতে এইক্ষেত্ৰত কৌতূহল হোৱা উচিত নহয়।

হামণ্ড হ'ল ওখ-পাখ মানুহ। পত্নী আৰু দুটি পুত্ৰ-সন্তানৰ সৈতে তেওঁৰ সুখৰ

সংসাৰ। এৰোঁ পিছে এগৰাকী টাইপিষ্টৰ সৈতে এটি প্ৰেমজনিত সম্পৰ্ক বজাই ৰাখিছে। তেৱেঁই ক'লে, "আচলতে যৌন সমস্যাটো একো ডাঙৰ কথা নহয়েই। যেতিয়া কোনো এজন ব্যক্তি তেওঁৰ পত্নীৰ সৈতে শোৱনি কোঠালৈ যায়, তেতিয়া আমি তেওঁলোকৰ পিছে পিছে নাযাওঁ। এই বিষয়ে আমাৰ কৌতূহল হোৱাটো অস্বাভাবিক, অযুক্তিকৰ। আৰু সমস্যাটোৰ উদ্ভৱ হয় এই কৌতূহলতে।"

তেওঁলোকৰ মাজৰে এজনে লগে লগে কৈ উঠিল, "ঠিক, ঠিক। কিন্তু হামণ্ড, কোনোবাই যদি তোমাৰ পত্নীৰ সৈতে প্ৰেম কৰে তেন্তে তোমাৰ খং উঠিব আৰু সম্পৰ্ক যদি আৰু বেছি হয় তেন্তে তুমি খণ্ডত তিণ্ডিৰি তুলা হ'বা।"

হামণ্ডে প্ৰত্যুত্তৰ দিলে, "নিশ্চয়, এইটো সম্পূৰ্ণ ব্যক্তিগত কথা। এয়া কেৱল পতি-পত্নীৰ মাজৰ সম্পৰ্ক। মানুহে মলমূত্ৰ ত্যাগ কৰাটো ব্যক্তিগত কথা যদিও কোনোবাই যদি মোৰ ঘৰৰ একোণতে কৰে, তেতিয়াতো মোৰ খং উঠিবই। তাৰ কাৰণে এটুকুৰা নিৰ্দিষ্ট ঠাই আছে।"

"তেনেহ'লে তুমি এইটো ক'ব খোজা নেকি যে তোমাৰ পত্নী জুলিয়াৰ সৈতে কোনোবাই গোপন ঠাইত যৌন সম্পৰ্ক স্থাপন কৰিলে তোমাৰ আপত্তি কৰিবলৈ একো নাই?"

চাৰ্লি মানে চাৰ্লচ মানুহজন বৰ ৰসিক। কেইদিনমান তেওঁৰ জুলিয়াৰ সৈতে প্ৰেমৰ সম্পৰ্ক এটা গঢ় লৈ উঠিছিল যাৰ বাবে হামণ্ডে তেওঁক দুৰ্ব্যৱহাৰো কৰি থৈছে।

হামণ্ডে এইবাৰ ক'লে, "যৌন সম্পৰ্কটো অতি ব্যক্তিগত কথা। এই সম্পৰ্ক কেৱল মাত্ৰ মোৰ আৰু জুলিয়াৰ। ইয়াৰ মাজত কোনোবাই নাক সুমুৱাবলৈ গ'লে মোৰ সহ্যৰ বাহিৰত।"

এইবাৰ টমি ডিউকে আৰম্ভ কৰিলে। এওঁ বৰ খীণমীন চেহেৰাৰ আৰু দেখাত এওঁকহে আইৰিশ যেন লাগে। এওঁৱেই ক'লে, "আচলতে হামণ্ড, সম্পত্তিৰ লোভ আৰু আত্ম-প্ৰতিষ্ঠাৰ চেষ্টা তোমাৰ খুব বেছি। তুমি জীৱনত সাফল্য বিচাৰা। মই এদিন মানুহৰ সামাজিক পৰিবেশৰ পৰা আঁতৰি সৈন্য-বাহিনীত আছিলো। তাৰপৰা পুনৰ মানুহৰ সমাজলৈ আহি উপলব্ধি কৰিছো, সাফল্য আৰু আত্ম-প্ৰতিষ্ঠাৰ প্ৰবৃত্তি মানুহৰ অতিকৈ' বেছি। ই ইমান প্ৰবল যে মানুহৰ গোটেই ব্যক্তিত্বক ই নিয়ন্ত্ৰিত কৰে। আৰু তোমাৰ নিচিনা মানুহবোৰে পত্নীৰ সহায়ত ডাঙৰ মানুহ হ'বলৈ যায়। সেয়ে তুমি অকণমান কথাতে ঈৰ্ষান্বিত হৈ পৰা। তোমাৰ আৰু জুলিয়াৰ সম্পৰ্কটো হ'ল তোমাৰ সফলতা অৰ্জনৰ এটা শক্তিশালী উপায়। যদি তুমি তোমাৰ জীৱনৰ আৰম্ভণি ব্যৰ্থতা অসফলতাৰে আৰম্ভ কৰিছিলা তেন্তে তুমি চাৰ্লিৰ দৰে প্ৰেম কৰিব পাৰিলাহেঁতেন। তোমাৰ নিচিনা বিবাহিত মানুহবোৰৰ গাত এখন 'লেবেল' মৰা থাকে

যিদৰে ভ্ৰমণকাৰীৰ বেগবোৰত থাকে। তোমাৰ নামৰ ‘লেবেল’খন হ’ল আৰ্নল্ড বি. হামগু, প্ৰযত্নে মিছেছ আৰ্নল্ড বি. হামগু। তোমালোকে ভাবা তোমালোক সঠিক পথত আছা। কাৰণ সুস্থ চিন্তা আৰু জীৱন ৰক্ষাৰ বাবে এটা ভাল ঘৰ, সু-সন্তুলিত আহাৰ লাগে। আকৌ বংশ ৰক্ষাৰ বাবে সন্তানো লাগে। কিন্তু এই সকলোবোৰৰে মূলতে আছে সাফল্যৰ প্ৰবৃত্তি বা উচ্চাভিলাষ। এইটোকে কেন্দ্ৰ কৰি বাকীবোৰ ঘূৰি আছে।”

হামগুক বৰ অপ্ৰসন্ন যেন লাগিল। তেওঁ তেওঁৰ মানসিক সংহতি আৰু মনৰ অখণ্ডতাৰ বাবে গৰ্বিত। যাৰ বাবে তেওঁ পৰিস্থিতিৰ দাস হৈ কেতিয়াও কোনো কাম নকৰে। তথাপিও তেওঁ বিচাৰে সফলতা। এইবাৰ চাৰ্লচে ক’লে, “এইটো ঠিক যে তুমি টকা নহ’লে চলিব নোৱাৰা। জীয়াই থাকিবলৈ টকা লাগেই। পেটত পানী গামোচা মাৰি কোনেও স্বাধীনভাৱে চিন্তা কৰিব নোৱাৰে। কিন্তু মই ভাবোঁ, তুমি অন্ততঃ বিয়াৰ ‘লেবেল’খন এৰুৱাই পেলাব পাৰিবা। আমি যদি স্বাধীনভাৱে আনৰ লগত কথা পাতিব পাৰো তেন্তে এজনী ছোৱালীয়ে আমাক ভাল পালে আমিনো কিয় ভাল পাব নোৱাৰো।” ক্লিফোৰ্ডে কৈ উঠিল, “তোমাৰ কথাৰ সুৰত এটা ব্যভিচাৰী মন ফুটি উঠিছে।”

চাৰ্লচেও তৎক্ষণাত কৈ দিলে, “তুমি ক’ব পাৰা। কাৰণ কোনো ছোৱালীৰ সৈতে যদি নাচ-গান কৰিলে একো ক্ষতি নহয়, তেন্তে তাইৰ লগত শুলে কিবা ক্ষতি হ’ব বুলি ময়ো নাভাবোঁ। কোনোবা ছোৱালীৰ লগত বতৰৰ কথা পাতিলেতো একো নহয়। কথা পাতি যেনেকৈ মনৰ ভাব বিনিময় কৰা যায় তেনেকৈ দৈহিক সম্পৰ্কৰে জৈৱ-চেতনাৰ বিনিময় কৰা হয়।”

হামগুে সুধিলে, “তাৰমানে শহাপহুৰ দৰে ছোৱালীবোৰৰ সৈতে নাক ঘঁহাই থাকিব পাৰি?”

“কিয় নোৱাৰি? শহাপহুৰ কিবা ক্ষতি হৈছেনে? মানসিক বিকাৰগ্ৰস্ত, বিদ্ৰোহাত্মক, ঘৃণাবিশিষ্ট নিঃসংগ মানুহ হৈ থকাতকৈ এয়াই ভাল।”

হামগুে পুনৰ ক’লে, “তথাপিও আমিতো আৰু শহাপহু নহয়।”

চাৰ্লচেও কৈ উঠিল, “ঠিক কথা। মোৰ জীৱনত গ্ৰহ-নক্ষত্ৰৰ অৱস্থান সম্পৰ্কে গণনা কৰোঁতে মোৰ বহুত সময় লাগে। তেতিয়া বদহজম হ’লে মনৰ ভাৰসাম্য নাথাকে। ভোক লাগিলেও সহ্য নহয়। আৰু যৌনক্ষুধায়ো বিচলিত কৰে আৰু মনৰ ভাৰসাম্য নাথাকে। তেতিয়া কি কৰিম?”

হামগুে ৰসিকতাৰ সুৰত ক’লে, “খাদ্যৰ বদহজমৰ দৰে অতিমাত্ৰা যৌনক্ৰিয়া ঘটিলেও মানুহৰ মনক বিচলিত কৰে।”

“নাই, নাই, নহয়। যেনেকৈ মই পালো বুলিয়ে বেছিকৈ নাখাওঁ তেনেদৰে সেইটো

ক্ষেত্ৰতো মই ধৈৰ্য ধৰিব পাৰো। বহুতে অৱশ্যে বেছিকৈ খাই ভাল পায়। তুমি পিছে মই নোখোৱাকৈ থাকি মৰাটো বিচাৰিছা।"

"সেইটো নহয়। তাৰমানে তুমি বিয়া পাতিব পাৰা।"

"তুমি কেনেকৈ জানিলা যে মই বিয়া পাতিব পাৰিম? এইটো মোৰ মনৰ সৈতে খাপ নোখোৱা কথাও হ'ব পাৰে। বিয়াই মোৰ মনৰ গতি ৰুদ্ধ বা স্তব্ধ কৰি দিব পাৰে। মই সেই পথৰ পথিক নহয়। কিন্তু সেইবুলি সন্ন্যাসীৰ দৰেও নাথাকোঁ। যেনেকৈ মাজে মাজে মোৰ জ্যোতিৰ্বিজ্ঞানৰ নানা গণনা কৰাৰ প্ৰয়োজন হয় তেনেকৈ এগৰাকী নাৰীৰো মোৰ প্ৰয়োজন হয়। মই এই সম্পৰ্কে বেছি শুনিবও নিবিচাৰো আৰু নিবিচাৰো নিষেধাজ্ঞাও। কাপোৰেৰে ভৰা বাকচত 'লেবেল' লগাই ৰেলষ্টেচনে ৰেলষ্টেচনে ঘূৰি ফুৰাৰ দৰে কোনো ছোৱালীৰ 'লেবেল' মাৰি ঘূৰি ফুৰিবলৈ মোৰ লাজ লাগে।

জুলিয়াৰ লগত প্ৰেম কৰা কথাটো পিছে তেওঁলোক দুয়ো ভুলতো পাহৰা নাছিল।

এইবাৰ ডিউকে ক'লে, "আমোদজনক কথাটো হ'ল যৌন সম্পৰ্কীয় কথাবোৰ মুখেৰে কোৱা কথা নহয়। এইটো হাতে-কামে কৰা কামহে। মোৰ ভাব হৈছে তোমাৰ কথাই ঠিক। কোনো ছোৱালীৰ সৈতে বতৰৰ কথা যেনেদৰে পাতিব পাৰি তেনেদৰে জৈৱিক চেতনা বা আৱেগিক অনুভূতিৰো বিনিময় কৰিব পাৰি। এয়া হ'ল দেহগত সংলাপ মাথোঁ। মনৰ মিল নহ'লে যিদৰে কথা পাতিব নোৱাৰি সেইদৰে আৱেগ-অনুভূতিৰ মিল নহ'লেও একেখন বিছনাতে শুব নোৱাৰি।"

চাৰ্লচে কৈ উঠিল, "কোনো ছোৱালীৰ সৈতে মনৰ আৱেগ-অনুভূতিৰ মিল হ'লে একেখন বিছনাত শোৱাটো উচিত কামেই হ'ব। কাৰোবাৰ সৈতে কথা পাতিলে যেনেকৈ প্ৰাণখুলি কথা পতা হয়, দাঁতেৰে জিভা কামুৰি থকাৰ কথা যেনেকৈ নাহে; তেনেকৈ কোনো ছোৱালীৰ সৈতে কোনো বিষয় বা মতৰ মিল হ'লে শাৰীৰিক সম্পৰ্ক কৰিব পাৰি। সহানুভূতি সম্পন্ন কোনো নাৰীক পোৱাৰ পাছত যৌন অনুভূতি চেপি ৰখাৰ দৰকাৰ নাই।"

হামণ্ডে চিঞৰি উঠিল, "নাই, নাই এইটো অন্যায়। কোনো নাৰীৰ সৈতে সম্পৰ্ক ৰাখোঁতে তোমাৰ পৌৰুষ শক্তি আধা ব্যয় কৰিলেও তুমি তোমাৰ আচল উদ্দেশ্যত উপনীত নহ'ব পাৰা। তোমাৰ মন যিমানেই নিষ্কলংক হওক বা যিমানেই দুয়োৰে মতৰ মিল হওক এই সম্পৰ্ক বেছি আগবাঢ়িলে তাৰ ফলাফল ওলোটা হয়।"

"হয়। তেনেকৈ এই সম্পৰ্কত আন্তৰিকতাৰ অভাৱ হ'লে তাৰ ফলো ওলোটা হয়। সেয়া বিবাহিত বা অবিবাহিত দুয়োৰে ক্ষেত্ৰতে প্ৰযোজ্য। এনেকুৱা সম্পৰ্ক বজাই নাৰাখি তুমি তোমাৰ মনৰ অখণ্ডতা অক্ষুণ্ণ ৰাখিব পাৰা, কিন্তু সেয়া হ'ব

জোংখৰিৰ দৰে শুকান, নীৰস। তুমি কথাৰ ফুলজাৰিৰে ইয়াক গুৰুত্বহীন কৰি তুলিছা।"

টমি ডিউকে জোৰেৰে হাঁহিবলৈ ধৰিলে। লগতে তেওঁ ক'লে, "তোমালোক দুয়োজনে যিমান মন যায় সিমান তৰ্ক কৰিব পাৰা। কিন্তু আমাৰ পিনে চোৱা। আমি আমাৰ চিন্তাৰ জঁট পকাইছো মাথোঁ। মই বিয়া কৰোৱাও নাই; কোনো ছোৱালীৰ পিছে পিছে ঘূৰাও নাই। কিন্তু মই ভাবো চাৰ্লিয়ে ঠিক কথাই কৈছে। তেওঁ যদি কোনো ছোৱালীৰ পিছত লাগে আমি বাধা দিবলৈ কোন কূটা? তেওঁৰ পূৰা স্বাধীনতা আছে। আৰু হামগুৰ স্থানত হামগো ঠিকেই আছে। তেওঁৰ সম্পদৰ প্ৰতি আক্ৰোশ প্ৰবল। গতিকে তেওঁৰ বাবে প্ৰয়োজন এটা দীঘল চিধা ৰাস্তা আৰু এখন সৰু দুৱাৰ। তেওঁ মূৰৰ পৰা ভৰিলৈকে এজন খাঁটি ইংৰাজ হ'ব বিচাৰে। আৰু মই হ'লো কেৱল শব্দ কৰি ফুটা এটা সামান্য ফটকা মাথোঁ। আচ্ছা ক্লিফোৰ্ড, তুমি কি কোৱা? মানুহক সাফল্যৰ জখলাত উঠিবলৈ যৌন সম্পৰ্কৰ প্ৰয়োজন আছেনে?" এনেকুৱা আলোচনাত ক্লিফোৰ্ড নিমাত। এইবোৰ কথা শুনিলে তেওঁ বৰ বিহ্বল হৈ পৰে। তেওঁ কোনো সুস্পষ্ট ধাৰণা ডাঙি ধৰিব নোৱাৰে। এইবোৰ কথা শুনিলে তেওঁ লজ্জাশীলা নাৰীৰ দৰে অস্বস্তি অনুভৱ কৰে। তথাপিও তেওঁ ক'লে, "মই যুদ্ধক্ষেত্ৰলৈ পুনৰ উভতি যাব নোৱৰা এজন পংগু। সেয়ে মই ভাবো এই বিষয়ত মই মাত নমতাই শ্ৰেয়।"

"এইটো কোনো কথাই নহয়। তোমাৰ শৰীৰৰ ওপৰ অংশ সম্পূৰ্ণ সুস্থ, প্ৰাণশক্তিৰে ভৰপুৰ। তদুপৰি তোমাৰ মনৰ জোৰো আছে। গতিকে তোমাৰ মতামতো আমি শুনিম।"

ক্লিফোৰ্ডে ক'লে, "এই বিষয়ে মোৰ কোনো ধাৰণাই নাই। তথাপিও মই ভাবো, পুৰুষ-নাৰীৰ মাজত বুজা-বুজি আৰু অন্তৰংগতা থাকিলে বিয়া বা ভালপোৱাটো খুব ভাল কথা।"

টমিয়ে প্ৰশ্ন কৰিলে, "ভাল কথা মানে কোন দিশত ভাল কথা?"

এনেধৰণৰ আলোচনাত ছোৱালীবিলাকে যেনেকৈ অস্বস্তি পাই আৰু লাজ কৰে তেনেকৈ এক অস্বস্তি ভৰা কণ্ঠেৰে ক্লিফোৰ্ডে উত্তৰ দিলে, "বৈবাহিক সম্বন্ধই নৰ-নাৰীৰ অন্তৰংগতাক পূৰ্ণতা প্ৰদান কৰে।"

তেতিয়া টমিয়ে ক'লে, "ঠিক আছে, মই আৰু চাৰ্লিয়ে বিশ্বাস কৰো যে শৰীৰী সম্পৰ্ক কথোপকথনৰ দৰেই যোগাযোগ কৰিব খুজিলে মই তেওঁক বিছনালৈ লৈ যাব পাৰো। কিন্তু কোনো নাহে কাৰণে মই অকলেই বিছনাখনলৈ শুবলৈ যাব লাগে। তাৰ কাৰণে মোৰ কোনো দুখ নাই। মইতো জ্যোতিৰ্বিজ্ঞানৰ লেখক নাইবা অমৰ সাহিত্যৰ কাহিনীকাৰ নহয়। মই মাথোঁ এজন সৈনিক।

এইবাৰ সকলো নীৰৱ হ'ল। নীৰৱতাই গ্ৰাস কৰিলে কোঠাটো। নীৰৱে ধূম-পান কৰিলে চাৰিজন বন্ধুৱে। কোঠালিৰ একোণত বহি কনিয়ে কাপোৰত ফুল তুলি আছে। তায়ো নীৰৱ। সন্ত্ৰস্ত নিগনিৰ দৰে স্তব্ধ নীৰৱতাৰ মাজত বহি থকাৰ বাহিৰে তাইৰ আন উপায়ো নাছিল। কাৰণ এই চাৰিজন চিন্তাশীল বুদ্ধিজীবীৰ আলোচনাৰ মাজত মাত মতাৰ সামৰ্থ্য তাইৰ নাছিল। কিন্তু তাই তাত বহি থকাৰ প্ৰয়োজন আছিল। কনিৰ অনুপস্থিতিত ক্লিফোৰ্ড হৈ পৰে নিস্তেজ। হাত-ভৰি চেঁচা পৰি আহে তেওঁৰ। আনফালে তাইৰ উপস্থিতিত টমি ডিউকে পায় প্ৰেৰণা। হামণ্ডক তাই পছন্দ নকৰে। বৰ স্বাৰ্থপৰ যেন লাগে মানুহটো। মানসিকতাৰ দিশত চাৰ্লচক ভালো লাগে বেয়াও লাগে।

বহু সন্ধিয়া এনেদৰে বহি বহি চাৰি বন্ধুৰ আলোচনাৰ নীৰৱ অংশীদাৰ হয় কনি। তেওঁলোকে তাইক কথাৰে অলপো আঘাত নিদিয়ে। কষ্ট নিদিয়ে। টমিৰ কথা শুনি বৰ ভাল লাগে তাইৰ। মাজে মাজে তাইৰ এনে লাগে যেন এই পুৰুষ কেইজনে তাইৰ দেহাটো অনাবৃত কৰি চুম্বন নাই কৰা যদিও মনটোক অনাবৃত কৰি দিছে। তথাপিও তাইৰ মনটো হৈ পৰিছিল নীৰস, বিষণ্ন। লগতে আমনিদায়কো। মাইকলৈ মনত পৰে তাইৰ। তেওঁক তাই শ্ৰদ্ধা কৰিছিল। কিন্তু নামটো মনলৈ অহাৰ লগে লগে ঘৃণাৰে ওপচে মন। চকুৰ আগত ভাহি উঠে এটা কুৎসিৎ জন্তু। কিন্তু মাইকে ল'ব পাৰিছিল দ্ৰুত সিদ্ধান্ত। কিন্তু এওঁলোকে সুস্থ চিন্তাধাৰাক বিষয়বস্তু হিচাপে লৈ একাবেঁকা পথেৰে বক্তৃতাৰ শোভাযাত্ৰা কৰে।

তেওঁলোকৰ সুস্থ চিন্তাৰ ওপৰত হোৱা আলোচনাবোৰ যে কনিয়ে একেবাৰে পছন্দ নকৰে তেনে নহয়। এক ৰোমাঞ্চকৰ পুলক অনুভৱ কৰে তাই। কিন্তু তাইৰ ভাব হয় এইটো বিষয় লৈ এওঁলোকে অলপ বেছি বেছি কৰি আছে। তথাপিও এনেকুৱা নিবিড় সন্ধিয়াবোৰত পুৰুষৰ মুখ নিৰ্গত চিগাৰেটৰ ধোঁৱাৰ আমোলমোলৰ মাজত বহি ভালেই লাগে তাইৰ। যেতিয়া তাই ভাবে যে তাইৰ নীৰৱ উপস্থিতিৰ অবিহনে এওঁলোকৰ আলোচনা নজমিব তেতিয়া তাইৰ আৰু ভাল লাগে। গৰ্ব অনুভৱ কৰে। সুস্থ চিন্তাৰ প্ৰতি আগ্ৰহ আৰু শ্ৰদ্ধা কনিৰ আছে। এওঁলোকে সৎভাৱে চিন্তা কৰাৰ অন্ততঃ চেষ্টা কৰিছে। কিন্তু তেওঁলোকৰ চিন্তাৰ মাজত যেন এটা সংকীৰ্ণতা আছে, আৰু আছে এটা গোমৰ ফাঁক; যিটোৰ পৰা তেওঁলোক আঁতৰি আহিব পৰা নাই। তেওঁলোকে বহুকথাৰ মাজেৰে বিশেষ এটা কথা বুজাবলৈ চেষ্টা কৰিছে। কিন্তু যিয়ে বুজাবলৈ যাওক তাইৰ জীৱনৰ মূল্য তাই নুবুজে। মাইকো তাইৰ জীৱনত অৰ্থময় হৈ উঠা নাছিল।

মাইকেও এনেকুৱা বিশেষ একো কৰা নাছিল। আন পাঁচজনৰ দৰেই জীৱন পথত আগুৱাইছিল। মাইক সঁচাকৈয়ে অসামাজিকো আছিল। ক্লিফোৰ্ড আৰু তেওঁৰ

বন্ধুবৰ্গই মাইকৰ বিৰুদ্ধে এই অভিযোগ প্ৰায়ে আনে। যি হওক ক্লিফোৰ্ড আৰু তেওঁৰ বন্ধুবৰ্গ অন্ততঃ অসামাজিক নহয়। তেওঁলোকে মানৱ জাতিৰ মংগলৰ নিমিত্তে কিবা এটা অন্ততঃ কৰিবলৈ চেষ্টা কৰে। মানৱ জাতিক কিবা এটা সমস্যাৰ পৰা বচাবলৈ চেষ্টা কৰে।

সেইদিনা আছিল দেওবাৰৰ এটি গধূলি। আকৌ ওলাল প্ৰেমৰ কথা। টমি ডিউকে আৰম্ভ কৰিলে, "যি বন্ধনে আমাক পৰস্পৰৰ মাজত আপোন কৰি তোলে সেয়া সঁচায়ে বৰ মধুৰ। কিন্তু মই জানিব খুজিছো সেই বন্ধননো প্ৰকৃততে কি? যি বন্ধনে আমাক এক কৰে সেই বন্ধনেই আমাৰ বিচ্ছেদৰ কাৰণ হৈয়ো উঠে। আমি পৃথক হৈ পৰোঁ, ঘৃণাৰ ছুৰিকাঘাত কৰো ইজনে সিজনক। পৃথিৱীৰ বহু বুদ্ধিজীৱীয়ে তাকেই কৰে। যি এই কাম কৰে তেওঁলোকক ধিক্। আমি আকৌ মিছা মনেসজা কৃত্ৰিম কথাৰ প্ৰলেপেৰে ঘৃণাক ঢাকিবলৈ বৃথা চেষ্টা কৰোঁ। আটাইতকৈ আশ্চৰ্যৰ কথা এয়ে যে, মনৰ মাজৰ গভীৰ আৰু অন্তহীন ঘৃণাৰ শিপাডালৰ পৰাই ৰস আহৰণ কৰি মনৰ স্বাস্থ্য জীয়াই থাকে, সজীৱ হৈ বাঢ়ি আহে। পুৰাতন কালৰে পৰা সেয়াই ঘটি আহিছে। চক্ৰেটিছ, প্লেটোইঁতলৈ লক্ষ্য কৰা। দেখিবা কেৱল ঘৃণাৰ বৃষ্টি। কাৰোবাক নহয় কাৰোবাক সমালোচনা, নিন্দাৰে থকা-সৰকা কৰাত কি তৃপ্তি, আনন্দ লাভ কৰিছে তেওঁলোকে।

প্ৰটাগোৰাচেই হওক বা আন কোনোবা! চব একেই। আলচিয়াবিদ বা তেওঁলোকৰ শিষ্য প্ৰশিষ্য সকলোৱে কুকুৰৰ দৰে একেলগে ভুকি উঠে। মই ডাঠি ক'ব পাৰোঁ, বহুতেই হয়তো বটবৃক্ষৰ তলত বহি থকা ধ্যানমগ্ন বুদ্ধদেৱক নতুবা উপদেশ দি থকা দানবীৰ যীশুক পছন্দ কৰিব। কিন্তু যিয়ে হওক এওঁলোকৰ মনৰ মাজতো আছে এক সংকীৰ্ণতা। আছে এটা ফাকি। ইয়াৰো ওপৰত আছে ঘৃণা বা ঈৰ্ষা। ফল দেখিলেই যেনেকৈ গছজোপা কি গছ তাক জানিব পাৰি।"

ক্লিফোৰ্ডে প্ৰতিবাদ কৰি উঠিল, "মই নাভাবো আমি ঘৃণাক ইমান প্ৰশ্ৰয় দিওঁ বুলি।"

টমিয়ে ক্লিফোৰ্ডলৈ লক্ষ্য কৰি ক'লে, "ক্লিফোৰ্ড, তুমি দেখা নাইনে আমি কথা পাতিলে কেনেকৈ ইজনে সিজনক ভেঙুচালি কৰোঁ। আমিয়েই এইক্ষেত্ৰত বেছ বেয়া। কাৰণ আমাৰ মিঠা মিঠা কথাৰ আঁৰত আছে ঘৃণা। কিন্তু স্বতঃস্ফূৰ্ত ঘৃণা বেছি ভাল। মিঠাৰ প্ৰলেপ দিয়া ঘৃণা বৰবিহৰ নিচিনা। আমি যদি ক্লিফোৰ্ডক মুখৰ আগত 'বৰ ভাল বুলি কৈ পিঠি দিয়াৰ লগে লগে তেওঁৰ নিন্দা কৰিবলৈ আৰম্ভ কৰোঁ তেতিয়া তেওঁৰ অৱস্থাটো কেনেকুৱা হ'ব? ভগবানৰ শপত দিছো, যি কোৱা মুখৰ আগত কোৱা। তেতিয়া অন্ততঃ তোমালোকৰ ওচৰত মোৰ কিবা এটা মূল্য আছে বুলি ভাবিব পাৰিম। নহ'লে আমাৰ সকলোৰে সৰ্বনাশ হ'ব।"

হামগে কৈ উঠিল, "আমি কিন্তু ইজনে সিজনক সঁচাকৈয়ে ভাল পাওঁ।"

টমিয়ে দুয়োকে হয়ভৰ দি ক'লে, "হয়, আমি ভাল পাওঁ। কিন্তু পিঠি দিলেই সমালোচনাও কৰোঁ। এইক্ষেত্ৰত ময়ে আটাইতকৈ বেয়া।"

এইবাৰ চাৰ্লচে মাত লগালে, "মই ভাবো তুমি সুস্থ চিন্তা আৰু সমালোচনামূলক কাম-কাজক একাকাৰ কৰি পেলাইছা। মই এই বিষয়ত একমত যে চক্ৰেটিছেও সমালোচনামূলক কাম-কাজত গুৰুত্ব দিছিল।"

টমি ডিউকে চক্ৰেটিছ সম্বন্ধে বেছি আগ্ৰহ নেদেখুৱালে। এইবাৰ হামগে ক'লে, "সমালোচনা আৰু জ্ঞান একে বস্তু নহয়।"

টমি ডিউকক লগ ধৰিবলৈ অহা লাজুক, কপিলা বৰণৰ যুবক বেৰীয়ো সেইদিনা আলোচনাত অংশগ্ৰহণকাৰীৰ ভূমিকা লৈছিল। তেওঁ হামগুৰ কথাষাৰ মানি নল'লে। তেওঁৰ মুখৰ মাতষাৰ শুনি সকলোৱে তেওঁলৈ চাই মনে মনে ভাবিলে, 'গাধৰ কথা শুনা!'

ডিউকে হাঁহি হাঁহি ক'লে, "মই জ্ঞানৰ কথা, সুস্থ সবল, চিন্তা-ধাৰাৰ কথা কৈছিলো। প্ৰকৃত জ্ঞান কেৱল তোমাৰ মন আৰু মগজুৰ পৰাই নিঃসৃত নহয়; নিঃসৃত হয় চেতনাৰ সকলো স্তৰ আৰু সকলো দিশৰ পৰাই। মনে কেৱল সকলোবোৰ কথা যুক্তিৰে বিচাৰ বিশ্লেষণ কৰিব পাৰে। যদি তোমাৰ মন আৰু যুক্তিক অন্যান্য চেতনাৰ স্তৰ আৰু বাকী দিশৰ ওপৰত প্ৰাধান্য আৰু প্ৰভুত্ব বিস্তাৰ কৰিবলৈ এৰি দিয়া তেতিয়া দেখিবা যে তোমাৰ চেতনা, অনুভূতিৰ মৃত্যু ঘটিছে। সিহঁতৰ শ্মশানত বহি মন আৰু যুক্তিয়ে দ্বৈত কণ্ঠেৰে সমালোচনা কৰি আছে। ইয়াৰ বাহিৰে আমি আৰু একো ক'ব নোৱাৰোঁ। ই খুব গুৰুত্বপূৰ্ণ কথা। গোটেই পৃথিৱীয়ে সমালোচনা বিচাৰে। তাত মৃত্যু হ'লেও ক্ষতি নাই। এতিয়া আমি সুস্থ চিন্তাৰে সময় কটাব পাৰিছোঁ। আমাৰ ঘৃণাৰ ভৰত যাতে সেই পুৰণি পচা নাটকৰ পুনৰাবৃত্তি নহয়। কিন্তু মনত ৰাখিবা, তুমি যেতিয়া সম্পূৰ্ণ জীৱন-যাপন কৰিবা তেতিয়া দেহৰ সকলোবোৰ অংগ-প্ৰত্যংগ আৰু তাৰ কাৰ্য-কলাপেৰে জীৱন-যাপন কৰিবা। কিন্তু যেতিয়া তুমি সুস্থ সবল চিন্তাক গুৰুত্ব দিবা তেতিয়া তুমি জীৱনবৃক্ষৰ আপেলটো চিঙি পেলালা। অৰ্থাৎ গছৰ পৰা ফল এটা গোটেই জীৱনৰ বাবে বিচ্ছিন্ন কৰিলা। আৰু যদি তুমি মন সৰ্বস্ব হোৱা তেন্তে তোমাৰ অৱস্থা হ'বগৈ বৃন্তচ্যুত আপেলটোৰ দৰে। তেতিয়া তুমি তোমাৰ মনত যুক্তিসংগতভাৱেই ঘৃণা ভাব পুহি ৰাখিবা যিদৰে গছৰ পৰা চিঙা আপেলটো লাহে লাহে টেঙা হৈ পচিবলৈ ধৰে।

ক্লিফোৰ্ডৰ এই কথাবোৰ অলপো ভাল লগা নাছিল। তেওঁ চকু টেলেকা টেলেক কৰি চাবলৈ ধৰিলে। তাকে দেখি কনিয়ে মনে মনে হাঁহিলে মাথোঁ।

হামগো তিক্ত বিৰক্ত হৈ খঙেৰে ক'লে, "আমি তেনেহ'লে সকলোৱে গছৰ পৰা চিঙা আপেল।"

ৰসিক চাৰ্লচে ক'লে, "এতিয়া তেনেহ'লে আমাৰ জীৱনৰ পৰা আপেলৰ ৰস উলিওৱা।"

বেৰীয়ে হঠাতে প্ৰশ্ন কৰিলে, "বলচেভিকবাদ সম্বন্ধে আপোনালোকে কি ভাবে?"

কথাটো শুনাৰ লগে লগে চাৰ্লচ জপিয়াই উঠিল আৰু ক'লে, "চাবাচ! বলচেভিকবাদ সম্বন্ধে কি ভাবা তোমালোকে?"

ডিউকে ক'লে, "অ', এইবাৰ বলচেভিকবাদৰ শ্ৰাদ্ধ কৰোঁ।"

হামণ্ডে ক'লে, "মইতো বলচেভিকবাদ সম্বন্ধে প্ৰশ্ন তুলিবলৈকে ভয় কৰোঁ।"

চালৰ্ছে ক'লে, "মোৰ মতে বলচেভিকবাদ হৈছে বুৰ্জোৱা শ্ৰেণীৰ বিৰুদ্ধে এটা বিদ্বেষ। কিন্তু বুৰ্জোৱা সম্বন্ধে তাত সুস্পষ্ট ধাৰণা দিয়া নাই। আচলতে ইয়ো এবিধ পুঁজিবাদ। বলচেভিকৰ মতে মানুহৰ সকলো আৱেগ-অনুভূতিয়েই বুৰ্জোৱা। অৰ্থাৎ তেওঁলোকৰ মতে সেইসকলেই ভাল যাৰ আৱেগ-অনুভূতি নাই।"

"তেনেহ'লে যিজন ব্যক্তিগতভাৱে বুৰ্জোৱা, তেওঁক দমন কৰিব লাগিব। তোমালোকৰ নিজৰ নিজৰ ব্যক্তিসত্তাক ছোভিয়েট ৰাচিয়াৰ সমাজ-ব্যৱস্থাৰ আদৰ্শত মিলি যাবলৈ দিব লাগিব। সেইদৰে অনুভূতি বা চেতনাবিশিষ্ট অংগ-প্ৰত্যংগবোৰো বুৰ্জোৱা। অৰ্থাৎ এই মতবাদ বা আদৰ্শ যান্ত্ৰিক হ'বলৈ বাধ্য। একেধৰণৰ বিভিন্ন উপাদানৰ সমষ্টি কিন্তু যাৰ কোনো জৈব চেতনা নাই সেইটো হৈছে যন্ত্ৰ। তেওঁলোকৰ মতে প্ৰত্যেক মানুহেই একোটা যন্ত্ৰ আৰু তাৰ নিয়ন্ত্ৰক এটা বস্তু। এয়াই হ'ল বুৰ্জোৱাৰ বিৰুদ্ধে ঘৃণা আৰু ইয়েই বলচেভিকবাদ।"

টমি ডিউকে কৈ উঠিল, "ঠিক কৈছা। এইটোৱে হ'ল আমাৰ যুগৰ চূড়ান্ত শিল্পগত আদৰ্শ। অন্তৰ ঘৃণাৰে ওপচা। মুখেৰে ঘৃণা প্ৰকাশ কৰক বা নকৰক, এই ঘৃণাই হৈছে কাৰখানাৰ মালিকৰ চালিকা শক্তি, আদৰ্শ। মিড্‌লেণ্ডৰ এই ঠাইবোৰলৈ লক্ষ্য কৰা। তেওঁলোকৰ মানসিকতা আৰু চিন্তা-চৰ্চাই ইয়াৰ নিদৰ্শন।"

হামণ্ডে ক'লে, "বলচেভিকবাদ কোনো যুক্তি বা 'লজিক' মতে নচলে। সংগতিপূৰ্ণ, প্ৰতিষ্ঠিত উক্তিৰ বুজন অংশক ই অস্বীকাৰ কৰিছে।"

"বন্ধুসকল, নিঃষ্কলুষ চিন্তা-চৰ্চাই বিশেষভাৱে সমৰ্থন কৰা বাস্তৱিক বিবৃতিবোৰহে ই গ্ৰহণ কৰিছে।"

চালৰ্ছে কৈ উঠিল, "বলচেভিকবাদে শিলাখণ্ডৰ দৰে সবল আধাৰৰ ওপৰত খোপনি লৈছে অন্ততঃ।"

"শিলাখণ্ডৰ ওপৰত আধাৰ! যাৰ নিজৰেই আধাৰ নাই। বলচেভিকবাদৰ সপক্ষে অচিৰেই বহুতো সুনিপুণ যোদ্ধাৰ আৱিৰ্ভাৱ হ'ব আৰু লগত থাকিব কিছুমান যান্ত্ৰিক সা-সৰঞ্জাম।"

হাামণ্ডে ক'লে, "কিন্তু এই ঘিণ কৰা ধাৰাটো চলি থাকিব নোৱাৰে দেই। ইয়াৰ প্ৰতিক্ৰিয়া হ'বই।"

"আমি বহু বছৰ বাট চালো আৰু বাট চায়ে থাকিলো। এই ঘিণ বোলা বস্তুটোও আন বস্তুৰ দৰে পৰিবৰ্ধিত হৈ গৈ থাকে। জীৱনৰ ওপৰত কোনো এক বিশেষ ধাৰণা জাপি দিয়াৰ ই এটা নিশ্চিত ফল। জনমানসৰ ওপৰত হেঁচা দিয়াৰ প্ৰতিক্ৰিয়া। ঠিক এটা যন্ত্ৰৰ দৰে। সূত্ৰ এটাৰ আধাৰত আমি নিজকে আগুৱাই লৈ যাওঁ। যুক্তিবাদী মনে যেন গোটেই ক্ষেত্ৰটোক বা বিষয়টোক নিজৰ কবলত ৰাখিবলৈ বিচাৰে আৰু ই নিঃসৰণ কৰে বিশুদ্ধ বা নিৰ্ভেজাল ঘৃণাৰ।"

"আমি সকলোৱে বলচেভিক। আমি সকলোৱে একো একোটা বস্তু মাথোঁ। কাৰণ আমি তাক মুখেৰে স্বীকাৰ নকৰোঁ। ৰাচিয়ানসকল বলচেভিকবাদী কিন্তু ভণ্ড নহয়।"

হাামণ্ডে ক'লে, "ছোভিয়েট ৰাচিয়াক বাদ দিয়ো বলচেভিকবাদী হ'ব পাৰি। বলচেভিকবাদীসকলক বুদ্ধিমান নহয় যেন লাগে।"

"সেইটো নহয়। বহু সময়ত দেখিবা, স্বাৰ্থসিদ্ধিৰ বাবেই মানুহে বুদ্ধিমানৰ অভিনয় কৰিবলগীয়া হয়। ব্যক্তিগতভাৱে আমি বলচেভিকবাদীক কম বুদ্ধিৰ মতবাদ বুলি ভাবো কিন্তু পাশ্চাত্যৰ সমাজ জীৱনো সেই একেই। আমিয়ো নিৰুত্তাপ, নিস্তেজ, নিৰ্বোধ। আমি সকলোৱে বলচেভিকবাদী কিন্তু নামবোৰহে বেলেগ বেলেগ লৈছো। কোনোবা যদি ভগৱান আৰু বলচেভিকবাদী দুয়োটাই হ'ব বিচাৰে তাৰ কথা সুকীয়া। কিন্তু কোনোবা যদি সঁচাকৈয়ে মানুহ হ'ব বিচাৰে তেন্তে তেওঁৰ হৃদয় আৰু যৌনাংগ দুয়োটাৰে সমান প্ৰয়োজন। ভগৱান আৰু বলচেভিক সমান। কিন্তু আচল কথাটো হ'ল ভালেই হওক বা বেয়াই হওক দুয়োটা এঁকেলগে অসম্ভৱ।"

এক অস্বস্তিকৰ নিৰৱতাৰ শেষত বেৰীয়ে উদ্বেগভৰা কণ্ঠেৰে টমিক সুধিলে, "আপোনাৰ প্ৰেমৰ ওপৰত বিশ্বাস আছেনে?"

টমিয়ে উত্তৰ দিলে, "মোৰ সোণামুৱাটো, একেবাৰেই নকৰোঁ। বৰ্তমানৰ প্ৰেমো কম বুদ্ধিৰ কাম। 'মোৰ পত্নী, মোৰ স্বামী' বুলি ভাবি যৌথ সম্পত্তিমূলক এক অধিকাৰ বুলি ভবা মনোভাৱক মই দহ ভাগৰ ন ভাগো বিশ্বাস নকৰোঁ।"

"কিন্তু কিবা এটাতো বিশ্বাস কৰে?"

"হয়, মই বিশ্বাস কৰোঁ, সৎ-সৰল অন্তৰ, প্ৰাণৱন্ত পুৰুষাংগ, সতেজ-সজীৱ বুদ্ধি আৰু ছোৱালীবোৰৰ সন্মুখত খোলাখুলিভাৱে কথা কোৱাৰ সাহস।"

বেৰীয়ে ক'লে, "ভাবি লওক, আপুনি এই সকলোবোৰ পালে।"

হাঁহিত বাগৰি পৰিল টমি ডিউক। হাঁহি-হাঁহিয়ে তেওঁ ক'বলৈ ধৰিলে, "ভাইটি, নাই মই একোৱেই পোৱা নাই। মোৰ মন এটা আলুৰ নিচিনা নিস্তেজ। মোৰ পুৰুষাংগ

স্ফীত নহয়। মই হয়তো মোৰ এই অংগটো কাটি পেলাম যিদিনা মই মোৰ মা-মাহীহঁতৰ আগত সংগমৰ কথা কম। মই বুদ্ধিমানো নহয়। অৱশ্যে মই ভাল স্বাস্থ্য আৰু সুস্থ চিন্তাত বিশ্বাস কৰোঁ। বুদ্ধিমান হ'ব পৰাটো সঁচাকৈয়ে বৰ টান কাম। তেতিয়াতো দেহ-মনৰ ব্যক্ত-অব্যক্ত প্ৰতিটো অংশৰ প্ৰতি সচেতন হৈ উঠিব পৰা যাব। পুৰুষাংগয়ো অভিবাদন জনাই কেনে আছে বুলি সুধিব পাৰিব। শিল্পী ৰেনৱেৰে কৈছিল, তেওঁ তুলিকাৰ পৰিৱৰ্তে নিজৰ যৌনাংগৰে ছবি আঁকিছিল। আমিয়ো যদি কিবা এটা কৰিব পাৰিলোহেঁতেন! হে ভগৱান! মানুহে যদি নিজৰ দেহ-মনৰ সকলো কথা খোলাখুলিকৈ ক'ব পাৰিলেহেঁতেন! এই ক'ব নোৱাৰাটোও এটা যন্ত্ৰণা। চক্ৰেটিছে প্ৰথমে ক'বলৈ চেষ্টা কৰিছিল।" অৱশেষত কনিয়ে মাত লগালে, "এই পৃথিৱীত বহুত ভাল ছোৱালী আছে।"

কনিয়ে এনেদৰে নিবিষ্টমনে কাপোৰত ফুল তুলি আছিল যে তাই যে এওঁলোকৰ কথাবোৰ শুনি আছিল সেয়া অনুমানেই কৰিব নোৱাৰি। তেওঁলোকে যেতিয়া গম পালে যে কনিয়ে ইমান সময়ে তেওঁলোকৰ সকলোবোৰ কথা একান্ত মনে শুনি আছিল তেতিয়াহে তেওঁলোকে আমনি পালে।

টমিয়ে কৈ উঠিল, "হে ভগৱান! যদি তেওঁলোকে আমাৰ সৈতে ভাল ব্যৱহাৰেই নকৰে আমিনো ভাল হৈ থাকি কি কৰিম? নাই, নাই, কোনো আশা নাই। কোনো নাৰীক হাতৰ কাষতে পায়ো মিলনৰ সময়ত মই প্ৰাণচঞ্চল হৈ উঠিব নোৱাৰো। মই জোৰকৈ কাৰো কাষ চাপিবও নোৱাৰো। এয়াই ভাল। এনেদৰেই জীৱনটো পাৰ কৰিম। মই ছোৱালীৰ সৈতে কথা পাতি ভাল পাওঁ কিন্তু সেই আনন্দ নিৰাশজনকভাৱে পবিত্ৰ আনন্দ। মই একো কামৰ মানুহ নহয়। কি কোৱা মোৰ সোণামুৱাটো?"

বেৰীয়ে ক'লে, "পবিত্ৰ হৈ থাকিলে জীৱনৰ জটিলতা কমে।"

"হয়। জীৱনটো খুব সৰল।"

পঞ্চম অধ্যায়

ফেব্ৰুৱাৰী মাহৰ এটি কুঁৱলীসিক্ত ৰাতিপুৱা ধূসৰ সুৰুযটোৱে অকণমান দেখা দিওঁতেই ক্লিফোৰ্ড আৰু কনিয়ে পাৰ্কখনৰ মাজেৰে হাবিডৰাৰ ফালে প্ৰাতঃভ্ৰমণত ওলাল। চুকচুককৈ শব্দ কৰা ক্লিফোৰ্ডৰ মটৰ হুইল চেয়াৰখনৰ কাষে কাষে কনিয়ে আপোনমনে খোজ লৈছিল। শুকান নিৰস বতাহত বিয়পি আছিল গন্ধকৰ গোন্ধ। সেই গোন্ধত অভ্যস্ত তেওঁলোকৰ নাক। কুঁৱলীয়ে দিগ্‌বলয়ক ওচৰলৈ টানি আনিছিল লগতে কুঁৱলী আৰু ধোঁৱাই ৰামধেনুৰ সৃষ্টি কৰি ৰঙৰ মেলা পাতিছিল। মূৰৰ ওপৰত অকণমান নীলা আকাশে ভুমুকিয়াইছিল। এই গোটেই পৰিবেশটোৱে কিবা এটা আবদ্ধ, বন্ধভাবৰ আৱেশ দিছিল। এই ঘেৰটো যেন সদায়ে থাকে। কাৰণ জীৱনো বন্ধনৰ মাজত থকা এটা স্বপ্ন বা এক মায়াময় উন্মাদনা।

শুকান খহটা ঘাঁহৰ ফাঁকে ফাঁকে জমা হোৱা নিয়ৰবোৰ নীলা নীলা দেখা গৈছিল। শুকান ঘাঁহ চোবাই ভেড়াবোৰে মাজে মাজে কাহিছিল। হাবিৰ জপনালৈ যোৱা বাটছোৱা গুলপীয়া ফিতা এডালৰ দৰে লাগে। ক্লিফোৰ্ডে এই বাটছোৱাত কয়লাখনিৰ গাঁতৰ পৰা উলিওৱা পোৱা শিলগুটি দিয়াইছিল। খনিৰ শিল আৰু আবৰ্জনাবোৰ পুৰিলে গন্ধকবোৰ ওলাই আহি শিলবোৰক উজ্জ্বল গোলাপী ৰহণ সানি দিয়ে। এইবোৰ শুকান দিনত খুদ মিছা মাছৰ ৰঙৰ দৰে হৈ পৰে আকৌ ভিজি গ'লে কোঁকোৰাৰ দৰে ডাঠ মটীয়া ৰঙ লয়। এতিয়া এই দিনবোৰত নিয়ৰৰ পৰশত নীলা আভাযুক্ত বগা ৰঙৰ আৰু মাজে মাজে মিছা মাছৰ ৰঙৰ দৰে হৈ পৰে।

কনিৰ ভাললগা ভৰিৰ তলৰ এই ৰঙে পিছে কাৰো একো উপকাৰ নকৰে। ইয়াৰ পৰাও নিঃসৰিত হয় গন্ধকৰ পাৰ্শ্ব প্ৰতিক্ৰিয়া।

কনিয়ে বনাঞ্চল আৰু পাৰ্ক সংলগ্ন কাঠৰ গেইটখন খুলি দিলে। ক্লিফোৰ্ডে তেওঁৰ যন্ত্ৰচালিত চকীখন লাহে লাহে চলাই নিলে। এই ৰাস্তাটো চিধা বনলৈ গৈছে। বাটৰ দুয়োকাষে হেজল গছৰ কাঁইটীয়া বেৰা। এইখন হাবিতে এসময়ত ৰবীন হুদে চিকাৰ কৰিছিল। এই হাবিৰ পৰাই আগতে মেনচফিল্ডলৈ যোৱাৰ ৰাস্তা আছিল। কিন্তু বৰ্তমান এইখন ক্লিফোৰ্ডৰ ব্যক্তিগত বনাঞ্চল হোৱাত মেনচফিল্ডলৈ যোৱা পথছোৱা উত্তৰ দিশলৈ মোৰ লৈছে।

গোটেই হাবিডৰা নিস্তব্ধ। শুকান সৰাপাতত নিয়ৰৰ টোপাল। সৰু-বৰ অনেক চৰাই উৰি ফুৰিছে। ইয়াত এতিয়া চিকাৰ নিষিদ্ধ। চিকাৰ কৰিব পৰা চৰাই এতিয়া

নায়ো। যুদ্ধৰ সময়তে এইবোৰ মাৰি-কাটি তহিলং কৰিলে। এতিয়া অৱশ্যে ক্লিফোৰ্ডে চৰাই চিকাৰ কৰিবলৈ মানুহ এটা ৰাখিছে।

ক্লিফোৰ্ডে ভাল পায় এই বন আৰু ইয়াৰ প্ৰত্যেকজোপা গছক। তেওঁ পুৰুষানুক্ৰমে লাভ কৰিছে এই গছবোৰৰ অধিকাৰ। সেয়ে তেওঁ বৰ লৰালৰিকৈ এই বনাঞ্চল সংৰক্ষণত গুৰুত্ব দিছিল। তেওঁ বিচাৰে এইখন অৰণ্য বিশাল হৈ বহিঃজগতৰ পৰা পৃথক হৈ ৰওক।

ক্লিফোৰ্ডৰ চকীখন মাজে মাজে পথৰ ওখোৰা-মোখোৰাত লাগি ধৰে। এনেদৰে গৈ থাকোঁতে হাবিখনৰ মাজত অলপমান মুকলি ঠাই দেখা গ'ল। বহুত ডাঙৰ ডাঙৰ গছ ভূ-লুণ্ঠিত হৈ আছে। গছবোৰৰ গাত মাজে মাজে পোৰা ক'লা দাগ। অকাঠী গছ আৰু সৰাপাত জ্বলাওঁতে এই দাগবোৰ হয়।

যুদ্ধৰ সময়ত ছাৰ জিঅ'ফ্ৰেই ইয়াৰ পৰাই বহুত গছ কটোৱাইছিল। ডাঠ গভীৰ অৰণ্য হৈ পৰিছে মুকলি ঠাই। তাৰপৰা দেখা যায় কয়লাখনিৰ ৰেলপথ আৰু নতুন নতুন কল-কাৰখানা। কনিয়ে এইবোৰ দেখিছে যদিও ক্লিফোৰ্ডক একো নক'লে।

এইবোৰ দেখিলে ক্লিফোৰ্ডৰ খং উঠে। ঘৃণা ওপজে পিতৃ জিঅ'ফ্ৰেৰ প্ৰতি। ক্লিফোৰ্ড নিজেই যুদ্ধলৈ গৈছিল। গছবোৰেৰে তাত কি কৰে সেই কথা জানিও তেওঁৰ এই টিলাৰ দৰে ঠাইখনৰ অৱস্থা দেখিলে সহ্য নহয়।

তেওঁৰ যন্ত্ৰচালিত চেয়াৰখন যিমানে ধীৰ গতিৰে ওপৰলৈ উঠিছিল সিমানে তেওঁৰ মুখখনো গম্ভীৰ হৈ পৰিছিল। কিন্তু এবাৰত ইমান থিয় গৰা পালে যে ক্লিফোৰ্ডে এতিয়া কোনোমতে উঠি গ'লেও নামিবলৈ ভীষণ অসুবিধা হ'ব। সেই ভাবি তেওঁ তাতে ৰৈ গ'ল আৰু চাই ৰ'ল এঢলীয়া পথৰ দুয়োকাষৰ শ্যামলী বিৰিখক। পথছোৱা টিলাৰ ওপৰৰ পৰা ক্লিফোৰ্ডৰ দৃষ্টিয়ে ঢুকি নোপোৱাত অদৃশ্য হৈ পৰিছে।

ফেব্ৰুৱাৰী মাহৰ কোমল ৰ'দ গাত লৈ ক্লিফোৰ্ডে কনিক ক'লে, "এই ঠাইটুকুৰাক ইংলেণ্ডৰ আত্মাস্বৰূপ বুলিব পাৰি।"

পথৰ দাঁতিত পৰি থকা এডাল গছৰ মূঢ়াত বহি কনিয়ে ক্লিফোৰ্ডৰ কথাত সঁহাৰি জনাই ক'লে, "হয় নেকি?" তাইৰ পৰিধানত আছিল এযোৰ নীলা গৰম কাপোৰ।

ক্লিফোৰ্ডে পুনৰ ক'লে, "এয়া হ'ল তাহানিৰ ইংলেণ্ডৰ আত্মা আৰু আমি ইয়াক ধৰি ৰাখিব লাগিব।"

কনিয়ে ক্লিফোৰ্ডৰ কথাষাৰ সমৰ্থন কৰিলে। লগে লগে শুনা গ'ল কয়লাখনিৰ পৰা ভাহি অহা এঘাৰ বজাৰ সংকেতধ্বনি। এই শব্দত অভ্যস্ত ক্লিফোৰ্ড।

তেওঁ আকৌ ক'লে, "মই বননিখনক সুৰক্ষিত কৰি ৰাখিব বিচাৰো। কোনেও ইয়াক স্পৰ্শ আনকি প্ৰৱেশো কৰিব নোৱাৰে।"

এই অৰণ্যৰ সৈতে জড়িত হৈ আছে প্ৰাচীন ইংলেণ্ডৰ ভূ-প্ৰকৃতিৰ ৰহস্যৰ এটি

দুখদায়ক কৰুণ কাহিনী। কিন্তু ছাৰ জিঅ'ফ্ৰেই এই অৰণ্যৰ গছবোৰ কাটি খান্তাং কৰি সেই ৰহস্যক আঘাত কৰিছিল। বিশাল গছবোৰে তাৰ শিপাৰ শাখা-প্ৰশাখাৰে ধৰিত্ৰীৰ বুকুত খামোচ মাৰি ধৰি আকাশলৈ মূৰ তুলি সগৌৰৱে থিয় দি আছিল। বৃক্ষৰ উদাৰ বক্ষত চৰাইবোৰে নিৰাপদে বাহ সাজিছিল, উৰি ফুৰিছিল। চৰি ফুৰিছিল হৰিণ-হৰিণী আৰু তাৰ পিছে পিছে লোলুপ চিকাৰী। গাধৰ পিঠিত উঠি পাৰ হৈছিল এই অৰণ্যৰ মাজেৰে বহুতো সন্ন্যাসী। কিমান যে স্মৃতি জড়িত হৈ আছে ইয়াত!

শীতকালিৰ কোমল ৰ'দ গাত লৈ ক্লিফোৰ্ডে এইবোৰকে ৰোমন্থন কৰিলে। তেওঁৰ কোমল-আমল চুলি আৰু তেজগোৰা মুখখন ৰ'দত জিলিকি উঠিছিল। তেওঁৰ চকু-মুখত ফুটি উঠিছিল বিষাদভৰা এক ৰহস্যময়তা। গহীন-গম্ভীৰ মুখৰ সৈতে ৰহস্যময় দৃষ্টিৰে ক্লিফোৰ্ডে কৈ উঠিল, এই ঠাইকণলৈ আহিলেই মোৰ মনলৈ আহে, মোৰ যদি এটা পুত্ৰসন্তান থাকিলহেঁতেন।"

কনিয়ে কোমল কুণ্ঠেৰে ক'লে, "এই বনাঞ্চল তোমাৰ পৰিয়ালতকৈয়ো পুৰণি।"

ক্লিফোৰ্ডে ক'লে, "সেইটোতো হয়েই। এতিয়ালৈকে মই এইখন ৰক্ষা কৰি আহিছো কিন্তু মোৰ পাছত কোনে চোৱা-চিতা কৰিব? এই লঠঙা ঠাইকণৰ দৰেই এদিন এই গোটেই অৰণ্যখনেই শেষ হৈ যাব। প্ৰাচীন ইংলেণ্ডৰ নিদৰ্শন স্বৰূপ এই বনাঞ্চলক ৰক্ষা কৰাটো আমাৰ কৰ্তব্য।"

কনিয়ে ক'লে, "হয় নেকি? কিন্তু প্ৰাচীন ইংলেণ্ডক সংৰক্ষণ কৰিবলৈ যাওঁতে যদি নতুন যুগৰ সৈতে সংঘাত আৰম্ভ হয় তেতিয়াতো কথাটো দুখজনক হৈ পৰিব।"

ক্লিফোৰ্ডে কনিক বুজালে, "প্ৰাচীন ইংলেণ্ডৰ এনেকুৱা অংশ বা নিদৰ্শনসমূহক যদি সংৰক্ষণ কৰা নহয় তেতিয়াতো ইংলেণ্ড বুলি একোৱেই নাথাকিবগৈ। বিশেষকৈ আমাৰ দৰে মানুহবোৰৰ, যাৰ এনেকুৱা সম্পত্তি আছে তেওঁলোকৰ বাবে এয়া পৰম কৰ্তব্য।"

দুয়ো কটালে কিছু মৌন মুহূৰ্ত। তাৰপিছত কনিয়ে কৈ উঠিল, "হয়, কেইদিনমানৰ কাৰণে।"

ক্লিফোৰ্ডে আচৰিত হৈ ক'লে, "কেইদিনমানৰ কাৰণে মানে? এয়া আমাৰ এটা মহান কৰ্তব্য। কিন্তু আমি অৱশ্যে অলপহে কৰিব পাৰিম। এই অঞ্চলটো আমাৰ পৰিয়ালৰ হাতলৈ অহাৰ পাছত ইয়াৰ উন্নতিকল্পে বহুত কামেই কৰা হৈছে। আমি পুৰণি প্ৰথা বা ৰীতি-নীতিক উলংঘা কৰিব পাৰোঁ কিন্তু আমাৰ ঐতিহ্য পৰম্পৰাক উলংঘা কৰিব নোৱাৰোঁ।"

পুনৰ দুয়োজন অলপসময়ৰ বাবে নিশ্চুপ হৈ ৰ'ল। তাৰ পিছত কনিয়ে পুনৰ সুধিলে, "কিহৰ ঐতিহ্য?"

ক্লিফোৰ্ডে উত্তৰ দিলে, "এনেধৰণৰ প্ৰাচীন ইংলেণ্ডৰ ঐতিহ্য।"

কনিয়ে শলাগিলে।

পুনৰ ক্লিফোৰ্ডে ক'লে, "এই কাৰণেই ল'ৰা এটাৰ দৰকাৰ। পুত্ৰসন্তানে বংশৰ ধাৰাবাহিকতা ৰক্ষা কৰে।"

কনিৰ পিছে এই ধাৰাবাহিকতা ৰক্ষা কৰা নকৰাৰ প্ৰতি অলপো আগ্ৰহ নাই। তথাপিও তাই একো নক'লে। তাই মাথোঁ ক্লিফোৰ্ডৰ সন্তান কামনাৰ অদ্ভুত উদ্দেশ্যটোৰ কথাহে ভাবি থাকিল।

অৱশেষত তাই মাত লগালে, "আমাৰ কোনো সন্তান নাই, তাৰবাবে মই দুঃখিত।"

ক্লিফোৰ্ডে তেওঁৰ নীলাভ শেঁতা দুচকুৰে কনিলৈ একথিৰে চাই থাকিল। তাৰ পিছত ক'বলৈ আৰম্ভ কৰিলে, "তুমি যদি আন কাৰোবাৰ সন্তান গৰ্ভত ধাৰণ কৰা তেন্তে আমাৰ কাৰণে ই বৰ ভাল কথা হ'ব। আমি সেই সন্তান ৰাগবিত ৰাখি ডাঙৰ-দীঘল কৰিলে সি আমাৰ সন্তানেই হ'ব আৰু আমাৰ বংশৰে নাম ৰাখিব। পিতৃত্বত মই বিশ্বাস নকৰোঁ। কোনো ল'ৰাক ইয়াত ৰাখি মানুহ কৰিলে সি আমাৰ সন্তানৰূপেই পৰিচিত হ'ব আৰু আমাৰ বংশ পৰম্পৰা ৰক্ষা কৰিব। সেয়াই যথেষ্ট। তুমি কথাটো গ্ৰহণযোগ্য বুলি নাভাবানে?"

কনিয়ে ক্লিফোৰ্ডলৈ চালে। সন্তান! তাইৰ সন্তান! যি সন্তান হ'ব একান্তভাৱেই তাইৰ। কিন্তু কনিয়ে ক্লিফোৰ্ডক সুধিবলৈ বাধ্য হ'ল, "কাৰ সন্তান? কোন হ'ব সেইজন?"

ক্লিফোৰ্ডে উত্তৰ দিলে, "এইটো বৰ গুৰুত্বপূৰ্ণ কথা নেকি? যাৰ সৈতে মোৰ কোনো আত্মিক সম্পৰ্ক নাই। তোমাৰ এজন প্ৰেমিক জাৰ্মানীত আছিল। এতিয়া কি হ'ল? একো নাই। মই ভাবো, আমি আমাৰ জীৱনৰ বিভিন্ন সময়ত এনেকুৱা কিছুমান কাম কৰোঁ যিবোৰ কামৰ গুৰুত্ব পিছৰ জীৱনত নাথাকেগৈ। খুব ক্ষণস্থায়ী এইবোৰ। দুদিন পাছত তাৰ চিনচাবেই নাথাকে। যেনে যোৱাবছৰ ইয়াত তুষাৰপাত হৈছিল যিবোৰ এতিয়া ইয়াত নাই। জীৱনৰ যিবোৰ বস্তু দীৰ্ঘদিন ধৰি থাকে তাৰহে গুৰুত্ব আছে। যেনেকৈ মোৰ এই জীৱন, যি জীৱন বিভিন্ন বিৱৰ্তন আৰু স্তৰ পাৰ হৈ পৰিণতিৰ ফালে আগুবাইছে। এই জীৱনত সাময়িক, ক্ষণভংগুৰ সম্পৰ্কবোৰৰ কোনো মূল্য নাই। বিশেষকৈ সেই সাময়িক যৌন সম্পৰ্কবোৰৰ। মানুহে যদি সেইখিনি কথাকে পেঘেনিয়াই থাকে তাত কি আহে যায়? এইবোৰ হ'ল চৰায়ে কৰা যৌন-মিলনৰ দৰে ক্ষণকালীন, তুচ্ছ সাধাৰণ কথা। যি মিলন, যাৰ সাহচৰ্য গোটেই জীৱন-জুৰি ব্যাপি থাকে তাৰহে গুৰুত্ব বা মূল্য আছে। যাৰ সৈতে মই দিনৰ পাছত দিন একেলগে কটাইছো সেয়াহে ডাঙৰ কথা। কাৰ সৈতে এদিন বা দুদিন বিছনাত শুলো সেইটো একেবাৰেই ডাঙৰ কথা নহয়। আমি বিবাহিত স্বামী-স্ত্ৰী। আমাৰ দৈনন্দিন অভ্যাসগত ক্ৰিয়াকাৰ্য এক। এইক্ষেত্ৰত কাৰ জীৱনত সৰু-সুৰা দুই-এটা ঘটনা কেতিয়া ঘটিল সেই লৈ ব্যস্ত হোৱাৰ দৰকাৰ নাই। মই ভাবো সাময়িক উত্তেজনা বা ক্ষণিক মিলনতকৈ

অবিচ্ছিন্নভাৱে চলি অহা সম্পৰ্কটো বহুত বেছি মূল্যবান। ধীৰ গতি আৰু দীৰ্ঘস্থায়ী সম্পৰ্কই আমাৰ জীৱন-ধাৰণত সহায় কৰে; আৱেগ বা সাময়িক উত্তেজনাই নকৰে। দিনৰ পাছত দিন একেলগে থাকোঁতে থাকোঁতে দুজন মানুহ গভীৰ অন্তৰংগতাৰ মাজত সোমাই পৰে। দুয়োৰে অন্তৰ অবিচ্ছিন্নভাৱে পৰস্পৰৰ সুখ-দুখত সমভাগী হয়। বিবাহৰ মূলমন্ত্ৰ এইটোৱে। যৌনতা নহয়। আমি দুয়ো বিবাহৰ বন্ধনেৰে আবদ্ধ। আমি যদি এই বন্ধনৰ প্ৰতি চিৰদিন শ্ৰদ্ধাশীল হৈ থাঁকো তেন্তে যৌনসম্পৰ্কীয় কথাবোৰ আমি দুয়োজনে বুজাপৰাৰ মাজেৰে সমাধান কৰিব পাৰোঁ। যেনেকৈ দাঁতৰ বিষ হ'লে দাঁতৰ ডাক্তৰৰ ওচৰলৈ যোৱা যায়। নিয়তিয়ে আমাৰ দুয়োৰে মাজত এটা দেহগত বাধা দিছে যেতিয়া আমিয়ো সেই বাধাক লাগি-ভাগি অপসাৰণ কৰিব লাগিব।"

কথাবোৰ শুনি শুনি ভয় আৰু বিস্ময়ত কনি হতবাক হৈ পৰিল। তাই ধৰিব নোৱাৰিলে ক্লিফোৰ্ডে এইবোৰ ভুল কথা কৈছে নে শুদ্ধ কথা কৈছে। তাই মনে মনে ভাবিলে, তাইৰ হাতৰ মুঠিত আছে মাইকেলিচ। তাই তাক ভাল পায়। কিন্তু তাই ভালপোৱা এটা প্ৰমোদভ্ৰমণৰ দৰে। তাই বিবাহিত জীৱনৰ পৰা সাময়িক ছুটী। দীৰ্ঘদিনৰ অন্তৰংগতা, সুখ-দুখ, সহিষ্ণুতাৰ মাজেৰে দৃঢ়ভাৱে গঢ়ি উঠিছে তাইৰ এই বিবাহিত জীৱন। মানুহৰ ক্লান্তমনে বিচাৰে প্ৰমোদ ভ্ৰমণ। এই বিষয়ত স্বাধীনতা দিয়াটো উচিত। কিন্তু প্ৰমোদ ভ্ৰমণ মানেই হ'ল পুনৰ সেই অভ্যস্ত জীৱনলৈ উভতি অহা।

কনিয়ে এইবাৰ সুধিলে, "কাৰ সন্তান মই গৰ্ভত ধাৰণ কৰিলে তুমি বেয়া নাপাবা?" ক্লিফোৰ্ডে উত্তৰ দিলে, "তোমাৰ ওপৰতে সকলো নিৰ্ভৰ কৰিছে। তোমাৰ ৰুচি-প্ৰবৃত্তিৰ ওপৰত। তোমাৰ ওপৰত মোৰ বিশ্বাস আছে। তুমি নিশ্চয় হীন লোকক নিৰ্বাচন নকৰা।" কনিয়ে ভাবিছিল মাইকেলিচৰ কথা। ক্লিফোৰ্ডে বোধহয় তেওঁক এজন অনুপযুক্ত লোক হিচাপে গণ্য কৰে।

কনিয়ে ক'লে, "উপযুক্ত-অনুপযুক্তৰ ধাৰণা পুৰুষ-নাৰীৰ বাবে বেলেগ বেলেগ।"

ক্লিফোৰ্ডে হয়ভৰ দিলে, "সেইটো হয়। তুমি পিছে মোৰ কথা মনত ৰাখিহে নিশ্চয় মানুহ নিৰ্বাচন কৰিবা। তুমি অৱশ্যে এনে মানুহক নিৰ্বাচন নকৰিবা যি মোৰ প্ৰতি ঘৃণা পোষণ কৰে। তোমাৰ মন, তোমাৰ স্বাধীনতাৰ ওপৰত যাতে হস্তক্ষেপ নকৰে।"

কনি নিশ্চুপ হৈ ৰ'ল। সাৰমৰ্মহীন কথাৰ ওপৰত যুক্তি নাখাটে।

কনিয়ে চঞ্চলভাৱে ক্লিফোৰ্ডৰ পিনে চাই প্ৰশ্ন কৰিলে, "মই কাৰোবাৰ নাম লোৱাটো তুমি বিচৰা নেকি?"

ক্লিফোৰ্ড চিঞৰি উঠিল, "নাই, নাই। সেই নাম মই নজনাই ভাল। কিন্তু তুমি মোৰ লগত একমত হ'ব লাগিব যে আমাৰ এই দীৰ্ঘস্থায়ী দাম্পত্য জীৱনৰ ওচৰত সেই সাময়িক মিলনৰ কোনো গুৰুত্বপূৰ্ণ স্থিতি নাই। দীৰ্ঘস্থায়ী জীৱন-যাত্ৰাত যিবোৰ

বস্তুৰ প্ৰয়োজন তাৰ ভিতৰত যৌনতাও এটা। আৰু এতিয়া ইয়াৰ প্ৰয়োজন। গতিকে তুমি তাক ব্যৱহাৰ কৰা। এইবিলাক সাময়িক উত্তেজনাৰ কিন্তু কোনো মূল্য নাই। দীৰ্ঘদিন ধৰি অখণ্ড আৰু সু-সংহত ব্যক্তিত্ব গঢ়ি তোলা আৰু অখণ্ড জীৱন-যাপন কৰাটো মানুহৰ জীৱনৰ আটাইতকৈ ডাঙৰ সমস্যা। টুকুৰা-টুকুৰ জীৱনৰ কোনো অৰ্থ নাই। শাৰীৰিক তৃপ্তিৰ অভাৱে যদি তোমাৰ জীৱনবোধক খণ্ডিত কৰি তোলে তেন্তে তুমি কাৰোবাৰ সৈতে প্ৰেমৰ সম্পৰ্ক স্থাপন কৰি এই সুখ লাভ কৰা। যদি সন্তানৰ অভাৱে তোমাৰ মনক কাতৰ কৰি তুলিছে তেতিয়াও তুমি কিবা প্ৰকাৰে এটি সন্তান লাভ কৰা। কিন্তু এই সকলোবোৰ এনেকৈ কৰিব লাগিব যে তুমি অখণ্ড জীৱন-যাপন কৰি আমাৰ ছিন্নভিন্ন প্ৰাণশক্তিক একগোট কৰি দীৰ্ঘায়িত কৰে। তুমি আৰু মই লগলাগি সেয়া সম্ভৱ কৰি তুলিব পাৰিম। তুমি কি ভাবা? দৰকাৰ হ'লে আমি পৰিবেশ পৰিস্থিতিৰ সৈতে খাপ খাই পৰিব পাৰিব লাগিব। আমি যি জীৱন কটাইছো তাৰ সৈতে যেন এই খাপ খোৱা কথাটোৰ এটা সংগতি থাকে। তুমি কি কোৱা?”

কথাবোৰ শুনি স্তব্ধ হৈ পৰিল কনি। তাই বুজিলে যে তত্ত্বগত দিশত ক্লিফোৰ্ডে ঠিকেই কৈছে। কিন্তু ক্লিফোৰ্ডৰ সৈতে যেতিয়া বাস্তৱত এই জীৱন আগুৱাই নিব লাগিব তেতিয়া তাইক এই কথাই অনবৰতে খোঁচাবিন্ধা কৰিব। সংকোচ ভাবত থাকিব লাগিব। ক্লিফোৰ্ডৰ সৈতে এনেদৰেই গোটেই জীৱন পাৰ কৰিব লাগিব? ইয়াৰ পৰা পৰিত্ৰাণ পোৱাৰ কোনো পথ বা উপায় নাই? ই অমোঘ নিয়তিৰ বিধান? ক্লিফোৰ্ডৰ সৈতে অখণ্ড জীৱন কটাবলৈ তাই একেখন কাপোৰকে বৈ থাকি তৃপ্তি লভিব লাগিব চিৰকাল? সেই কাপোৰখনত থাকিব তাইৰ সাময়িক প্ৰমোদ ভ্ৰমণৰ কিছুমান ফুলজাপি। তাইৰ মন, অনুভূতি এইবোৰৰ কি হ'ব? বছৰৰ পাছত বছৰ ধৰি 'হয়' শব্দটোকে তাই কৈ থাকিব লাগিব। এই ইমান সৰু 'হয়' নামৰ শব্দটো কোন মুহূৰ্তত উৰি যায় তাৰ ঠিক নাই। যিবোৰ কথা পখিলাই পাখি মেলি উৰি যোৱাৰ দৰে উৰি গুচি যায় সেইবোৰ কথাৰ পলৰীয়া প্ৰতিশ্ৰুতিৰ জালত কেনেকৈ এটি মানৱ জীৱন আবদ্ধ কৰি ৰাখিব পাৰি! উৰি যোৱা পখিলা জাকৰ দৰে 'হয়' বা 'নহয়' কথাটোও আন কথাৰ হেঁচাত উৰি গুচি যাব পাৰে। কনিয়ে ক'লে, “তুমি ঠিকেই কৈছা ক্লিফোৰ্ড। মই তোমাৰ সৈতে একমত। মোৰ ভাব হৈছে এতিয়াৰ পৰা মই জীৱনৰ আন এটি ৰূপ দেখিবলৈ পাম।”

ক্লিফোৰ্ডে ক'লে, “যেতিয়ালৈকে জীৱনৰ নতুন ৰূপে নতুন মোৰ নলয় তেতিয়ালৈকে তুমি মোৰ সৈতে একমত আছা নিশ্চয়।”

কনিয়ে শলাগিলে, “নিশ্চয়, নিশ্চয়। মই মানি লৈছো।”

এটা মুগা বৰণৰ কুকুৰ নাকেৰে শুঙি শুঙি তেওঁলোকৰ ফালে আহি আছিল। সি বৰ সৰু মাতেৰে ভুকিছিল। কুকুৰটোৰ পিছে পিছে বন্দুক লৈ মানুহ এটা কনিহঁতৰ

মুখৰ আগতে ওলালহি। মানুহটো ইমান হঠাতে ওলালহি যে কনি উচ্‌প খাই উঠিল। মানুহটোৱেও প্ৰথমতে একো তত ধৰিব নোৱাৰিলে। তৎমুহূৰ্ততে বুজি উঠি সি তেওঁলোকক নমস্কাৰ জনাই আঁতৰি গ'ল। সি আছিল এই বনৰ নতুন ৰখীয়া আৰু পাৰ্কখনৰ মালী। তাৰ পিন্ধনত আছিল সেউজীয়া মখমলৰ সাজ। ৰঙচুৱা মুখ আৰু দাড়ি মোচৰ মানুহটোৰ চকুৰ দৃষ্টি দূৰৈৰ কিবা এটা নিবিষ্ট। এঢলীয়া পথছোৱা সি অতি খৰখোজেৰে নামিবলৈ ধৰিলে।

ক্লিফোৰ্ডে তাক মাতিলে, 'মেলৰ্চ'।

সি মুখ ঘূৰাই সৈনিকৰ দৰে চেলুট মাৰিলে।

ক্লিফোৰ্ডে ক'লে, "তুমি মোৰ চকীখন ঘূৰাই চলাই দিব পাৰিবানে?"

মেলৰ্চে তৎক্ষণাত বন্দুকটো কান্ধত লৈ খুব আলফুলে কিন্তু খৰকৈ ক্লিফোৰ্ডৰ চকীখন তুলি ধৰিলে। খীন ওখ মানুহটোৰ দৃষ্টি কেৱল চকীখনতে সীমাবদ্ধ হৈ থাকিল। ক্ষণিকৰ বাবে হ'লেও সি কনিলৈ ঘূৰি নাচালে। ক্লিফোৰ্ডে কনিক ক'লে যে এওঁ আমাৰ নতুন মালী। তাৰ পিছত মেলৰ্চক সুধিলে, "তুমি তোমাৰ মালিকনীৰ লগত কথাই পতা নাই নেকি?"

কোমল কণ্ঠেৰে সি উত্তৰ দিলে, "নাই ছাৰ।"

মেলৰ্চে মূৰৰ পৰা টুপিটো খুলি থিয় দিলে। তাৰ ধুনীয়া ঘন চুলিকোছা এইবাৰ দেখা গ'ল। তাৰপিছত সি অলপসময় কনিৰ পিনে এনেদৰে একেথিৰে চাই ৰ'ল যেন কনিনো আচলতে কেনেকুৱা মহিলা তাকেহে সি চাইছে। তাৰ চাৱনি দেখি কনিৰ অলপ লাজেই লাগিল। সি তাৰ টুপিটো বাওঁহাতেৰে ধৰি কনিৰ উদ্দেশ্যে মূৰ দোৱালে। তাৰপিছতো কিন্তু একো নকৈ ৰৈয়ে থাকিল। কনিয়ে সুধিলে, "তোমাৰ ইয়াত থকা কিছুদিন হ'ল ছাগৈ?" খুব মোলায়েম সুৰত সি উত্তৰ দিলে, "আঠ মাহ মেডাম, অ' নহয় লেডীচিপ।"

কনিয়ে আকৌ তাৰ মুখৰ পিনে চাই সুধিলে, ঠাইখন তোমাৰ ভাল লাগিছে নে?"

সি তাৰ চকু দুটা সৰু কৰি কনিৰ পিনে চালে। তাৰ সেই চাৱনিত অলপ শ্লেষ আৰু নিৰ্লজ ভাব আছিল।

"হয় লেডীচিপ। ধন্যবাদ।" বুলি কৈয়ে সি তাৰ টুপিটো পিন্ধি ক্লিফোৰ্ডৰ চকীখন ধৰিবলৈ বুলি দীঘল দীঘল খোজ পেলালে। তাৰ শেষৰ কথাষাৰত উপভাষাৰ ঠাচ বা সুৰ এটা আছিল। আগতে কোৱা কথাকেইষাৰত সেই সুৰ শুনা নগৈছিল। যিয়ে হওক, সি ভদ্ৰ, নম্ৰ আৰু আন পাঁচজনতকৈ অলপ বেলেগ।

ক্লিফোৰ্ডে হুইলচেয়াৰখনৰ 'মটৰ'টো চালু কৰিলে। সি চকীখন ঘূৰাই তলৰ সমতললৈ লৈ আনিলে আৰু সুধিলে, "হ'বনে ছাৰ?"

ক্লিফোৰ্ডে ক'লে, "নাই, নহ'ব। তুমিয়ো বলা।

ৰাস্তাৰ ওখৰা-মোখৰাবোৰৰ কাৰণে এই ইঞ্জিনটো বৰ ঠিক নহয়। আকৌ ক'ৰবাত লাগি ধৰিব পাৰে।"

সি অলপ চিন্তিতভাৱে কুকুৰটোলৈ চালে। কুকুৰটোৱে তাকে দেখি নেজ লৰাবলৈ ধৰিলে। তাৰ মুখত এটা উপহাসৰ হাঁহি-বিৰিঙি পলকতে মাৰ গ'ল। এচলীয়া পথছোৱা নামোতে মানুহটোৱে চকীখনৰ হেণ্ডেলডালত এনেকৈ ধৰিছিল যে তাক দেখি ভাব হৈছিল সি যেন ভৃত্য নহয়; এজন স্বাধীন সৈনিক। লগে লগে টমি ডিউকৰ কথা মনলৈ আহিছিল কনিৰ।

তেওঁলোক হেজল গছৰ কাষ পাওঁতেই কনিয়ে আগবাঢ়ি গৈ গেইটখন খুলি ধৰি ৰৈ থাকিল। গেইট পাৰ হওঁতে দুয়ো কনিলৈ একেলগে চাই পঠিয়ালে। ক্লিফোৰ্ডৰ দৃষ্টিত কটাক্ষৰ ভাব আৰু মেলৰ্চৰ দৃষ্টিত আছিল এক শান্ত, বিস্ময়ৰ সৈতে আশ্চৰ্য আত্মনিৰপেক্ষতাৰ প্ৰকাশ। কিন্তু আছিল উত্তাপ। তাৰ নীলাভ দুচকুত কনিয়ে দেখা পালে বহু বছৰৰ দুৰ্ভোগ আৰু এটা অনাসক্তিৰ ভাব। কিয় সি অকলশৰীয়া; আন পাঁচজনতকৈ পৃথক? গেইটখন পাৰ হৈ ক্লিফোৰ্ডে তেওঁৰ চকীখন ৰখালে। সি লৰালৰিকৈ গেইটখন বন্ধ কৰিলে। ক্লিফোৰ্ডে মৃদু কিন্তু অসন্তুষ্ট কণ্ঠেৰে কনিক সুধিলে, "তুমি কিয় গেইটখন খুলিছিলা? মেলৰ্চ আছিল নহয়।"

কনিয়ে উত্তৰ দিলে, "মই ভাবিছিলো তুমি গেইটখন খুলি দিলে পোনেপোনে গুচি যাবাগৈ।"

ক্লিফোৰ্ডে ক'লে, "তোমাক পিছত এৰি আমি গুচি যাম?"

কনিয়ে ক'লে, "মই মাজে মাজে পিছত থাকিব বিচাৰো।"

মেলৰ্চে পুনৰ হুইলচেয়াৰখন ধৰি ধৰি আগবাঢ়িল। তাৰ মুখত এটা নিৰ্বিকাৰ ভাব ফুটাই তুলিলেও সি যে এওঁলোকৰ কথা-বতৰাবোৰ শুনিছে সেইটো বুজা গ'ল। পাৰ্কৰ ওখ ঠাইখনত চকীখন ঠেলি নিওঁতে সি ফোপাঁইছিল। ওঁঠ দুখন মেল খাইছিল। মানুহটো খীন যদিও আটিল, ঠাণ্ডা প্ৰকৃতিৰ আৰু প্ৰাণশক্তিৰে ভৰপূৰ। কনিৰ নাৰীসুলভ দৃষ্টিৰে এইবোৰ খুঁটিয়াই চাই বুজিবলৈ দেৰি নালাগিল। তাই ইচ্ছা কৰিয়ে পিছ পৰি ৰ'ল। ক্লিফোৰ্ড যাওক। দিনৰ ৰ'দজাক টান হৈ অহা নাই। চাৰিওফালে কুঁৱলীৰে আবৰা। শীতৰ প্ৰকোপ বাঢ়ি আহিছিল। অস্পষ্ট দিগ্‌বলয়। নিস্তেজ, প্ৰাণহীন যেন লাগিছিল পৃথিবীখন।

ওখ পথছোৱা অতিক্ৰম কৰি ক্লিফোৰ্ডে কনিলৈ ঘূৰি চাই সুধিলে, "তোমাৰ ভাগৰ লাগিছে নেকি?"

কনিয়ে নাই বুলি মুখেৰে ক'লে যদিও তাইৰ সঁচাকৈয়ে ভাগৰ লাগিছিল। ক্লান্ত, পুৰণি এটা কামনাৰ ব্যাকুলতা আৰু অদম্য অতৃপ্তিয়ে মূৰ দাঙি উঠিল তাইৰ ভিতৰখনত।

ক্লিফোৰ্ডে এইবোৰ লক্ষ্য কৰা নাই আৰু আগতেও কৰা নাছিল। কিন্তু এই নব পৰিচিত মানুহটোৱে তাইক লক্ষ্য কৰিছে যেন লাগিল তাইৰ। কনিৰ এনে লাগিল যেন গোটেই জগতখন, জীৱনো প্ৰাচীন আৰু প্ৰাণহীন হৈ পৰিছে। তাইৰ এই অতৃপ্তি এই পাহাৰটোতকৈয়ো প্ৰাচীন।

তেওঁলোক ঘৰৰ কাষ পালেহি। ক্লিফোৰ্ড যন্ত্ৰচালিত হুইলচেয়াৰখনৰ পৰা আনখন হুইলচেয়াৰলৈ নিজেই আহিল। কনিয়ে ক্লিফোৰ্ডৰ অসাৰ ভৰি দুখন ইখনৰ পৰা সিখনলৈ উঠাই দিলে। কনিৰ স্পৰ্শত শিয়ৰি উঠিছিল ক্লিফোৰ্ড।

ঘৰৰ ভিতৰত সোমাবলৈ লৈ ক্লিফোৰ্ডে মেলৰ্চক ধন্যবাদ জনালে। অন্যমনস্ক মেলৰ্চে প্ৰশ্ন কৰিলে "আৰু কিবা কাম আছে নেকি ছাৰ?" ক্লিফোৰ্ডে নাই বুলি কোৱাত সি নমস্কাৰ জনাই যাবলৈ ওলাল। কনিয়ে মেলৰ্চক লক্ষ্য কৰি ক'লে, "ওখ পথছোৱাত চকীখন ঠেলি সহায় কৰি দিয়াত বৰ উপকাৰ কৰিলা। ওজন বেছি আছিল নেকি সেইখনৰ?"

সতৰ্ক কনিৰ প্ৰতি সচেতন হৈ উঠিল মেলৰ্চ। হঠাতে সাৰ পোৱা মানুহৰ দৰে চকু দুটা বহলকৈ মেলি সি কনিক কৈ উঠিল, "নাই, নাই, একেবাৰে ওজন নাই।"

তাৰপিছত উপভাষাৰ সুৰত কনিক নমস্কাৰ জনাই সি গ'লগৈ। সি যোৱাৰ পাছত কনিয়ে ক্লিফোৰ্ডক সুধিলে, "মানুহজন কোন?"

ক্লিফোৰ্ডে ক'লে, "মেলৰ্চ, তুমিতো গম পালাই।"

"হয়, কিন্তু ক'ৰ?"

"ক'ৰোপৰা নহয়। ইয়াৰে খনিশ্ৰমিকৰ ল'ৰা।"

"সি নিজেও শ্ৰমিক?"

"হয়, আগতে খনিত কমাৰৰ কাম কৰিছিল। যুদ্ধৰ দুবছৰৰ আগতে আমাৰ বাগানত মালী হিচাপে সোমায়। তাৰপিছত যুদ্ধলৈ যায়। যুদ্ধৰ পৰা উভতি আহি পুনৰ কমাৰৰ কাম আৰম্ভ কৰোঁতে মই তাক এইটো কামত সুমুৱাই দিলো। দেউতাৰো তাৰ প্ৰতি ভাল ধাৰণা আছিল। মোৰো ভালেই লাগে। কাৰণ কামৰ কাৰণে ভাল মানুহ পোৱা নাযায়েই। তদুপৰি সি ওচৰৰ মানুহকো চিনি পায়।"

"সি বিবাহিত নে?"

"বিবাহিতই। কিন্তু ঘৈণীয়েকে তাক এৰি থৈ গুচি যায়। সি য'তে ত'তে থাকি এতিয়া শ্ৰমিক এজনৰ ঘৰত থাকিবলৈ লৈছে।"

"তেনেহ'লে সি অকলশৰীয়াই।"

ক্লিফোৰ্ডে তেওঁৰ ম্লান চকুযুৰিৰে কনিলৈ চালে। তেওঁৰ দৃষ্টি অস্পষ্ট। তেওঁ যেন জীৱনপথৰ অকণমান সম্মুখটোহে দেখা পাইছে। সেইকণক লৈয়ে তেওঁ সচেতন। তেওঁ পাৰ হৈ অহা পথছোৱা আছিল ধোঁৱা ভৰা কুঁৱলীৰে আচ্ছন্ন। এতিয়া সেই

কুঁৱলী তেওঁৰ সন্মুখ পালেহি। তেওঁ যেতিয়া মেলৰ্চৰ কথা কনিক কৈ আছিল তেতিয়া তেওঁ কনিৰ ফালে অদ্ভুত ধৰণেৰে চাই আছিল। আৰু সেই চাৱনি দেখি কনিৰ ভাব হৈছিল ক্লিফোৰ্ডৰ মনৰ সমগ্ৰ পটভূমি কুঁৱলীৰে ঘেৰা এক অন্তহীন শূন্যতা। ভয় লাগিছিল কনিৰ। কাৰণ এই শূন্যতাই তেওঁৰ মনত অৰ্থহীন উদাসীনতা আৰু অজ্ঞতাৰ সৃষ্টি কৰিছে।

সতৰ্ক মানৱ আত্মাৰ এটা সাধাৰণ নিয়মৰ প্ৰতি অস্পষ্টভাৱে সচেতন হৈ পৰিল কনি। মানুহৰ আৱেগ, অনুভূতি, আত্মাই যেতিয়া আঘাত পায়, তেতিয়া সেই আঘাতে তেওঁৰ দেহক স্পৰ্শ নকৰে। কিন্তু দেহৰ আঘাত যিদৰে লাহে লাহে শুকাবলৈ ধৰে তেনেকৈ মনৰ আঘাতো লাহে লাহে শুকায়। কিন্তু এই আৰোগ্য লাভ আপাত সত্যহে। মনে সেই আঘাত আকৌ লাহে ধীৰে অনুভৱ কৰি থাকে, যিদৰে দেহত হোৱা গভীৰ ক্ষতস্থানৰ আঘাত শৰীৰৰ ভিতৰলৈ ধীৰে ধীৰে অনুভৱ হয়। মনে আঘাতৰ পৰা আৰোগ্য লাভ কৰাৰ পাছতো সেই আঘাতৰ বিষ ভয়ংকৰভাৱে অনুভূত হৈ থাকে। ক্লিফোৰ্ডেও দেহগত আঘাতৰ বাবে তেওঁৰ মনে যি আঘাত পায়, সেই দুখ লেখা-মেলা কৰোঁতে কিছু কম হৈ হৈ নাইকিয়া হৈছিল। দীৰ্ঘদিনৰ অন্ততঃ জীৱনটো পুনৰ প্ৰতিষ্ঠিত হৈছিল। মনৰ ভাৱসাম্য ঘূৰি আহিছিল। কিন্তু এতিয়া কনিৰ ভাব হৈছে ক্লিফোৰ্ডৰ সেই শংকা, বিপন্ন ভাবটো পুনৰ তেওঁৰ মনলৈ ঘূৰি আহিছে। তেওঁৰ মনৰ সমগ্ৰ পটভূমি জুৰি সেই আঘাত ধীৰে ধীৰে ব্যাপি পৰিছে। এসময়ত সেই আঘাতৰ বিষ ইমান গভীৰ আছিল যে সেয়া অনুভৱেই কৰিব নোৱাৰিছিল। বিষ-বেদনা একো নাই যেন ভাব হৈছিল। আজি আকৌ সেই বিষ উকাইছে।

কনিৰ ভাব হ'ল কেৱল ক্লিফোৰ্ডৰে নহয়, সেই আঘাতৰ বিষ যন্ত্ৰণাই তাইকো লাহে-ধীৰে কাবু কৰি তুলিছে। এটা নিগূঢ়-নিবিড় শংকা, এটা হাহাকাৰ শূন্যতা, সকলোৰে প্ৰতি উদাসীনতা আৰু অনাসক্তিয়ে লাহে-ধীৰে তাইৰো অন্তৰাত্মা জুৰি বিয়পি পৰিছে। ক্লিফোৰ্ডে মাজে মাজে অতি অবাস্তৱ কথা কিছুমান বলকিবলৈ ধৰে। তাৰপিছতে সকলোবোৰ পাহৰে। যেনেকৈ বনভূমিত ঘূৰি ফুঁৰোতে ৰাগবিৰ উত্তৰাধিকাৰীৰ কথা ভাবি আবেগবিহ্বল হৈ কনিক অন্যৰ সন্তান ধাৰণৰ বাবে উপদেশ দিছিল, সেই কথাবোৰ শুকান সৰাপাতৰ দৰে দুদিনৰ পাছতে অৰ্থহীন হৈ পৰিল। যি সৰাপাত অকণমান বতাহতে উৰি যায়। এইবোৰ কথা কোনো ফলপ্ৰসূ জীৱনবৃক্ষৰ অংগীভূত সজীৱ সেউজীয়া পাত নহয়; এইবোৰ কথা ব্যৰ্থ জীৱনৰ শুকান পাত।

এই শুকান সৰাপাত কেৱল ক্লিফোৰ্ডৰ জীৱনতে নহয়, সকলোতে দেখা পালে কনিয়ে। তেভাৰচালৰ খনিশ্ৰমিকসকলে ধৰ্মঘট কৰাৰ কথা কৈছে। ইয়াৰ মাজত কোনো প্ৰাণশক্তিৰ উচ্ছ্বাস নাই; ই হ'ল বহু বছৰ বছৰ ধৰি চলি অহা অৱদমিত সংগ্ৰামৰ পুনৰ উদ্দীপিত উদ্দামতাৰ প্ৰকাশ। এই উদ্দামে মনৰ মাজত জগাই তোলে এটা নতুন

অশান্তিৰ বেদনা, এটা অতৃপ্তিৰ আবেশ। এই সংগ্ৰামৰ প্ৰবৃত্তি দুয়ো পক্ষৰ তেজৰ গভীৰতাত বিৰাজমান। আৰু এই সংগ্ৰামৰ অৱসান হ'বলৈ হ'লে দুয়োপক্ষই বংশানুক্ৰমে ৰক্তদান কৰি যাব লাগিব।

বেচেৰী কনিক এটা গভীৰ শূন্যতাই এটা আশংকাই আচ্ছন্ন কৰি পেলালে। ক্লিফোৰ্ড আৰু তাই, দুয়ো এই শূন্যতাক অনুভৱ কৰিবলৈ ধৰিলে। তেওঁলোকৰ দাম্পত্য জীৱনৰ সম্পৰ্ক, দুয়োৰে অখণ্ড-অবিচ্ছিন্ন জীৱনধাৰা যিটো এটা মনেগঢ়া অন্তৰংগতাৰ ওপৰত তিষ্ঠি আছিল সেইটো দুদিনৰ পাছতে গোকাট মিছালৈ পৰ্যবসিত হ'ব। এয়া কেৱল কথাৰ কথাহে। বাকী চব মিছা। এই ক্ষেত্ৰত একমাত্ৰ সত্যটো হ'ল শূন্যতা; অন্তহীন, অৰ্থহীন শূন্যতা।

ক্লিফোৰ্ডে অৱশ্যে সফলতা লাভ কৰিছে। সেই দুৰাকাংক্ষাৰ দেৱী বা ৰাক্ষসীৰ কৃপা লাভ কৰি খ্যাতিমন্ত হৈ উঠিছে। তেওঁৰ কিতাপ বিক্ৰীৰ পৰাই হাজাৰ পাউণ্ড লাভ কৰিছে। তেওঁৰ ফটো সকলোতে প্ৰকাশ পাইছে। চিত্ৰশালাত তেওঁৰ প্ৰতিমূৰ্তি, প্ৰতিচ্ছবি সংৰক্ষিত হৈছে। আধুনিক লেখকসকলৰ মাজত আটাইতকৈ বেছি আধুনিক বুলি তেওঁক গণ্য কৰা হৈছে। বিখ্যাত হোৱাৰ বাবে লালায়িত ক্লিফোৰ্ড মাত্ৰ চাৰি-পাঁচ বছৰৰ ভিতৰতে তৰুণ, উদীয়মান বুদ্ধিজীৱীৰ ভিতৰত সু-পৰিচিত আৰু খ্যাতিমান হৈছে।

ক্লিফোৰ্ডৰ লেখনীৰ মাজত সোমাই থকা বোধশক্তিটো ক'ৰপৰা আহিল বুলি কনিয়ে কিন্তু মাজে মাজে ভাবে। এটা দিশৰ পৰা খুবেই বুধিয়ক ক্লিফোৰ্ড। তেওঁৰ লেখনীৰে হাস্য ৰসাত্মকভাৱে মানুহৰ চৰিত্ৰ আৰু প্ৰবৃত্তিসমূহক থকা-সৰকা কৰি তুলিছে। কিন্তু গোটেই কথাবোৰ কুকুৰ পোৱালিয়ে ড্ৰয়িং ৰুমৰ ছোফাত লেটি লৈ থকাৰ নিচিনা। কিন্তু ক্লিফোৰ্ডতো কুকুৰ পোৱালিৰ সমবয়সীয়া নহয়। সেই কাৰণে কনিৰ বাবে গোটেই কাণ্ড-কাৰখানাবোৰ অৰ্থহীন আত্মপ্ৰচাৰ। তাইৰ অন্তৰাত্মাৰ পৰা বাৰে বাৰে প্ৰতিধ্বনিত হৈ থাকে যে, এইবোৰ হ'ল শূন্যতাৰ বিস্ময়কৰ আৰু বৰ্ণাঢ্য প্ৰকাশ মাথোঁ।

ক্লিফোৰ্ডক মুখ্য চৰিত্ৰ হিচাপে লৈ মাইকেলিচে এখন নাটক লিখিছে। প্ৰথম অংক লিখা হৈ গ'ল। কনিৰ মতে অসাৰ আত্মপ্ৰচাৰৰ ক্ষেত্ৰত ক্লিফোৰ্ডতকৈয়ো মাইক বেছি পাৰদৰ্শী। আত্মপ্ৰচাৰেই এওঁলোকৰ জীৱনৰ একমাত্ৰ ধৰ্ম। ই তেওঁলোকৰ মনবোৰক এনেকৈ আচ্ছন্ন কৰি ৰাখিছে যে ইয়াৰ বাহিৰে তেওঁলোকে আন একো নাজানে। তেওঁলোকৰ কোনো আৱেগ-উৎসাহ নাই। মাইকে এতিয়া টকাতকৈয়ো আত্ম-প্ৰচাৰহে বেছি বিচাৰে। আত্মপ্ৰচাৰৰ পথ অতিক্ৰম কৰোঁতে যিবোৰ পায় সেইবোৰ তেওঁলোকে গ্ৰহণ কৰিছে। টকা হ'ল সাফল্যৰ ছীল-মোহৰ স্বৰূপ। সাফল্য আৰু টকা আত্মপ্ৰচাৰৰ চৰম উপাদান বাবে এসময়ত তেওঁলোকে সাফল্যৰ লগতে টকাও বিচাৰিছিল আৰু এতিয়া ঘটিছে। আত্মপ্ৰচাৰৰ মাধ্যমেৰে জনগণৰো হৃদয় জয় কৰিব বিচাৰিছিল তেওঁলোকে।

সঁচায়ে বৰ আচৰিত কথা। দুৰাকাংক্ষাৰ ৰাক্ষসীৰ ওচৰত বেশ্যাবৃত্তি কৰা। কনিৰ বাবে এইবোৰ মূল্যহীন, অৰ্থহীন। কাৰণ এইবিলাকৰ বাহিৰতে তাই বৈ গৈছে। সাফল্যই তাইৰ মনত শিহৰণ জগাই নোতোলে। যদিও যুগ যুগ ধৰি অসংখ্য মানুহে সেই ৰাক্ষসীৰ কাষত বেশ্যাবৃত্তি কৰি আহিছে। মাইকেলিচে এদিন চিঠি লিখি ক্লিফোৰ্ডক নাটকখনৰ কথা জনোৱাত পুলকিত হৈ পৰিল ক্লিফোৰ্ড। কাৰণ নাটকখনৰ জৰিয়তে ক্লিৰ্ফোড বিখ্যাত হ'ব। তেওঁ নিজে প্ৰচাৰ কৰা নাই; আনে কৰিছে। ক্লিফোৰ্ডে মাইকেলিচক নাটকখনৰ প্ৰথম অংকটোকে লৈ ৰাগবিলৈ মাতি পঠালে।

গ্ৰীষ্মকালত মাইকেলিচ আহিল। তেওঁৰ পৰিধানত পাতল ৰঙৰ চ্যুট আৰু হাতত কপাহী হাতমোজা। আৰু কনিৰ বাবে কপৌফুল। বৰ ধুনীয়া ফুল আছিল সেইখিনি। নাটকৰ প্ৰথম অংকটো বঢ়িয়া হৈছে। ক্লিফোৰ্ডেই নহয় কনিয়ো শিহৰিত হৈ পৰিল। কনিৰ শৰীৰৰ মাজত থকা অস্থিমজ্জাৰ অৱশিষ্ট অংশতো শিহৰণ হ'ল। মানুহৰ মনত ৰোমাঞ্চ বা শিহৰণ জগাই তোলাৰ যি ক্ষমতা মাইকৰ আছে তাকে চাই তেওঁক খুব ভাল লাগিছিল কনিৰ। কনিয়ে মাইকৰ মাজত বিচাৰি পায় প্ৰাচীন মানৱ জাতিৰ এক সনাতন অপৰিৱৰ্তনীয় চিত্ৰ। মানুহে কোনোদিনেই তেওঁৰ জীৱনৰ চূড়ান্ত লক্ষ্যৰ পৱিত্ৰতা সম্পৰ্কীয় ভাবমূৰ্তিৰ পৰা মোহমুক্ত হ'ব নিবিচাৰে। সেই দুৰাকাংক্ষাৰ দেৱীৰ ওচৰত বেশ্যাবৃত্তিৰ ক্ষেত্ৰত মাইক হ'ল হাতীৰ দাঁতেৰে তৈয়াৰী এখন আফ্ৰিকান মুখা, যি পৱিত্ৰতাৰ মাজত অপৱিত্ৰতাৰ সপোন দেখে।

যিকণ সময়ত চেটাৰ্লি দম্পত্তি আনন্দৰ আতিশয্যাত আৱেগৰ সোঁতত উটি যায় সেইকণ সময় মাইকেলিচৰ বাবে জীৱনৰ আটাইতকৈ মূল্যবান মুহূৰ্ত। তেওঁ সফল হৈছে। সাৰ্থক হৈছে তেওঁৰ কষ্ট। এওঁলোকক আৱেগিক কৰি তুলিব পাৰিছে। আৰু ক্ষণিকৰ বাবে ক্লিফোৰ্ডেও মাইকৰ প্ৰতি ভালপোৱা অনুভৱ কৰিলে।

পিছদিনা ৰাতিপুৱা মাইকক বৰ দুখী আৰু চঞ্চল যেন লাগিল। যেন কিবা এটা অস্বস্তি পাই আছে। যোৱাৰাতি কনি তাৰ কাষলৈ নাহিল। আৰু তেওঁ কনিৰ কোঠাটো ৰাতি বিচাৰি উলিয়াব নোৱাৰিলে। তেওঁৰ জয়ৰ এই গৌৰৱময় সময়কণতে কনিয়ে তেওঁক ছলনা কৰিলে।

পুৱাই মাইক কনিৰ বহা কোঠালৈ গ'ল। কনিয়েও অনুমান কৰিছিল যে তেওঁ আহিব। তেওঁ কনিক নাটকৰ কথা ক'বলৈ বিচাৰিলে। তাই নাটকখন ভাল পাইছেনে নাই শুনিব বিচাৰিলে। তেওঁ কনিৰ মুখত প্ৰশংসা শুনিব বিচাৰে। এই প্ৰশংসাই তেওঁৰ মনত যি শিহৰণ জগাই তুলিব সেয়া যৌনতৃপ্তিৰ শিহৰণতকৈয়ো বেছি ভাললগা। কনিয়ে আৱেগিকভাৱেই তেওঁক প্ৰশংসা কৰিলে। কিন্তু মুখৰ কথা আৰু মনৰ ভাবৰ মাজত আছিল এটা বিৰাট তফাৎ।

হঠাতে মাইকে তাইক ক'লে যে খুব পৰিষ্কাৰভাৱে তেওঁলোকে বিয়াৰ কথা

আলোচনা কৰিব বিচাৰিছে। কনি আশ্চৰ্যত ফাটি পৰিল। প্ৰকৃত কথাবাৰৰ গুৰুত্ব নুবুজি তাই তেওঁক ক'লে, "মইতো বিবাহিতা।"

মাইকে ক'লে, "তাতে কি হ'ল? তুমি বিবাহ-বিচ্ছেদ কৰা। তুমি আৰু মই কিয় বিয়া নাপাতো? মই এতিয়া বিয়া পাতিব খুজিছো। এই সময়ছোৱা মোৰ জীৱনৰ আটাইতকৈ ভাল সময়। এতিয়াই বিয়া-বাৰু পাতি সংসাৰ ধৰ্ম পালন কৰাই ভাল। মই কেনেকুৱা জীৱন কটাইছো এবাৰ চিন্তা কৰি চোৱাচোন। মই নিজকে শেষ কৰি পেলাইছো। এবাৰ ভাবি চোৱা, আমি ইজন সিজনৰ বাবেই। যেনেকৈ হাত আৰু হাতমোজা। দুয়ো অভিন্ন। কিয় বিয়া নাপাতো আমি? কিবা কাৰণ আছেনে?" কনিয়ে পৰম বিস্ময়েৰে মাইকলৈ চাই ৰ'ল। কিন্তু তেওঁৰ এই প্ৰস্তাৱত তাই অলপো গুৰুত্ব নিদিলে। তাই মাথোঁ ভাবিলে, চব মতা মানুহ একেই। তেওঁলোকে সকলোবোৰ কথা প্ৰকাশ কৰি দিব বিচাৰে। একো গোপন কৰি ৰাখিব নোৱাৰে। তেওঁলোকে আতচবাজীৰ দৰে আকাশলৈ ফট্‌কৈ উৰা মাৰিব পাৰে।

কনিয়ে ক'লে, "মই বিবাহিতা আৰু মই ক্লিফোৰ্ডক এৰি যাব নোৱাৰো।"

মাইকে জোৰ দি ক'লে, "কিয় নোৱৰা?' তুমি ইয়াৰ পৰা গুচি যোৱাৰ ছমাহ পৰ্যন্ত হৈ গ'লেও তেওঁ গমেই নাপাব। তেওঁ নিজৰ বাহিৰে একো খবৰ নাৰাখে। মই যি বুজিছো এই মানুহটোক তোমাৰ কোনো প্ৰয়োজনেই নাই। তেওঁ নিজৰ মাজতে মছগুল হৈ থাকে।"

কনিয়ে বুজিলে যে মাইকে মিছা কোৱা নাই যদিও তেওঁৰ কথাতো স্বাৰ্থ জড়িত হৈ আছে। ইয়াতো আছে আত্মপ্ৰচাৰৰ মোহ।

কনিয়ে কৈ উঠিল, "সকলো মানুহেই নিজক লৈ ব্যস্ত হৈ থাকে।"

মাইকে ক'লে, "কথাটো হয়। কম-বেছি পৰিমাণে সকলোৱেই নিজক লৈ ব্যস্ত। সেইটো ডাঙৰ কথা নহয়। কিন্তু কথাটো হৈছে এজন মানুহে তেওঁৰ পত্নীক কিমান সময় দিব পাৰে। যদি বেছি সময় দিব নোৱাৰেই তেন্তে তেওঁৰ পত্নীৰ ওপৰত অধিকাৰেই নাই।"

মাইকে কনিৰ পিনে চাই পুনৰ ক'লে, "মই কোনো মহিলাক প্ৰয়োজন সাপেক্ষে বহুত সময় দিব পাৰিম। এই বিষয়ে মই নিশ্চিত।"

"কেনেকুৱা সময়?" প্ৰশ্নটো কৰি কনিয়ে মাইকলৈ চালে। তাইৰ চাৱনিত সেই একেই বিস্ময় ভৰা ৰোমাণ্টিক মাদকতা।

"সকলোবোৰ। গহনা-গাঁঠৰি, কাপোৰ-কানিৰ, বজাৰ-সমাৰ কৰা, নাইট ক্লাবলৈ যোৱা...।" মাইকৰ প্ৰতিটো কথাৰ মাজত ফুটি উঠিছিল বিজয় গৰ্ব আৰু উজ্জ্বলতা। কনিয়ে বিমুগ্ধ দৃষ্টিৰে তেওঁক চাই ৰ'ল। মাইকে তাইৰ সন্মুখত যি লোভনীয় প্ৰস্তাৱ দিছে তাৰবাবে তাইৰ মনত ৰোমাঞ্চ জাগিলেও মনৰ গভীৰতাত ই কোনো উদ্দীপনাৰ

সৃষ্টি নকৰিলে। তেওঁৰ কথাত, আশ্বাসৰ প্ৰতিশ্ৰুতিৰ মাজতো তাই সেই ৰাক্ষসীৰ গোন্ধ পাইছিল। এই গোন্ধ বৰ অস্বস্তিকৰ। বৰ অক্‌টা।

চকীখনত আউজি বহি ৰ'ল মাইক। কনিৰ ওপৰত তেওঁৰ সেই অপ্ৰকৃতিস্থ চকুৰ চাবনি তেনেকৈয়ে ৰ'ল। তেওঁৰ প্ৰভাৱত কনিৰ পৰা কি সঁহাৰি পাব সেই লৈ তেওঁৰ চকুত অহংকাৰ বা আশংকা একো ফুটি উঠা নাছিল।

কনিয়ে ক'লে, "কথাটো চিন্তা কৰিব লাগিব। এতিয়াই একো ক'ব নোৱাৰি। আপুনি যে ভাবিছে ক্লিফোৰ্ডে মোক গুৰুত্ব নিদিয়ে, সেইটো নহয়। তেওঁৰ অসামৰ্থ্য আৰু পংগুত্বৰ কথাও বিবেচনা কৰি বুজি পোৱা উচিত।

"বাদ দিয়া এইবোৰ কথা। এজন মানুহে তেওঁৰ পংগুতাকে লৈ গোটেই জীৱন খাই থাকিব আৰু পংগুতাৰ বাহিৰে একো গুণেই যদি নাথাকে তেতিয়াহ'লে কি কম? তেনেকৈ থকাতকৈ অকলে থকাই ভাল।" কথাখিনি কৈয়ে মাইকে তেওঁৰ ট্ৰাউজাৰৰ জেপত হাত ভৰাই ঘূৰি দিলে। সেইদিনা সন্ধিয়ালৈ তেওঁ কনিক সুধিলে, "আজি ৰাতি তোমাৰ কোঠালৈ যাম নে? যোৱাৰাতি মই তোমাৰ কোঠালিটো বিচাৰিয়ে নাপালো।"

কনিয়ে সন্মতি দিলে।

সেইৰাতি মাইকৰ উত্তেজনা আগতকৈ বহুত বেছি যেন লাগিল কনিৰ। কিন্তু কনি তৃপ্ত হোৱাৰ আগতেই মাইক তৃপ্ত হৈ পৰিল। সেয়ে কনিয়ে বিপৰীত ৰতিক্ৰিয়াৰে নিজৰ আকাংক্ষিত তৃপ্তি লাভ কৰিলে। কনিৰ বাহুবন্ধনৰ পৰা নিজকে মুক্ত কৰি মাইকে কনিক বিৰক্তিৰে সুধিলে, "তোমালোক ছোৱালীবোৰ সোনকালে সন্তুষ্ট নোহোৱা কিয়?"

মাইকৰ প্ৰশ্নত হতবাক হৈ পৰিল কনি। মাইকে কনিক তৃপ্তিদান কৰিবলৈ চেষ্টা কৰা দূৰৈৰ কথা; কনিয়ে নিজে নিজকে মাইকৰ সহায়ত তৃপ্ত হোৱা কথাটোতো আমনি পাইছে। "কি ক'ব বিচাৰিছে আপুনি?" কনিয়ে সুধিলে। মাইকে ক'লে, "তুমি বুজিছা, মই কি কৈছো। মোৰ বীৰ্যপাত হোৱাৰ পাছতো মই তোমাক ঘণ্টাৰ পাছত ঘণ্টা এনেদৰে ধৰি শুই থাকিব লাগে।"

যি সময়ত কনিয়ে অনিৰ্বচনীয় পুলকৰ শিহৰণ প্ৰত্যেকটো অংগত অনুভৱ কৰি, মাইকৰ প্ৰতি সমস্ত শৰীৰী ভালপোৱা প্ৰকাশ কৰিছিল। সেই মুহূৰ্তত মাইকৰ এনে এষাৰ কথাই তাইক অপ্ৰত্যাশিত নিষ্ঠুৰ আঘাত কৰি মনটো তিক্ত বিৰক্ত কৰি তুলিলে।

কনিয়ে সুধিলে, "মই তৃপ্তি পোৱাটো নিবিচাৰে নেকি?"

"বিচাৰো। কিন্তু এনেদৰে তুমি মোৰ গাৰ ওপৰত উঠি থাকিলে মোৰ ভাল নালাগে।"

মাইকে আকৌ ক'লে, "সকলো ছোৱালী একেই। সিহঁতে সংগমকালত পুৰুষক

সোনকালে এৰি দিব নিবিচাৰে। মই এনে এজনী ছোৱালী এতিয়ালৈকে নাপালো যি মোৰ সৈতে একে সময়তে সন্তুষ্ট হয়।"

কথাবোৰ কনিৰ কাণত ভালদৰে নোসোমাল। পুনৰ তাই তেওঁক সুধিলে, "মই তৃপ্তি পোৱাটো আপুনি নিশ্চয় বিচাৰে?"

"বিচাৰো। কিন্তু তুমি কেতিয়া তৃপ্তি পাবা সেইটোৰ কাৰণে বৈ থাকোঁতে থাকোঁতে এই বিষয়ত মোৰ আগ্ৰহ নোহোৱা হৈ যায়।.....।"

কনিৰ জীৱনত এয়া চৰম আঘাত।

মাইকৰ এই অভিযোগে তাইৰ আকাংক্ষিত সম্পদটোকে মূচৰি পেলালে। কনিয়ে তেওঁক বিচৰা নাছিল। তেওঁৱেই প্ৰথমে আগবাঢ়ি আহিছিল। কিন্তু যেতিয়া মাইক আগবাঢ়িলেই তেতিয়া যৌনতৃপ্তিৰ কথাটোৱেও স্থান পালে। যাৰবাবে তাই তেওঁক ভাল পালে আৰু আনকি অলপ সময়ৰ বাবে তেওঁৰ সৈতে বিয়া হোৱাৰ কথাও ভাবিছিল। এই কথাটো ছাগে মাইকেও বুজি উঠিছিল। সেয়ে তাইৰ অবচেতন মনত গঢ় লোৱা বৈবাহিক বৰ্দ্ধনৰ আকাংক্ষাটোক কলিতে নষ্ট কৰি দিলে। দুদিনৰ কাৰণে সজা তাইৰ পঁজাটিক ভাঙি-ছিঙি মোহাৰি পেলালে মাইকে।

সেই নিশা মাইক অথবা এজন পৰপুৰুষৰ প্ৰতি জাগি উঠা তাইৰ নিগূঢ়-নিবিড় আসক্তি তাইৰ নাৰীসত্বাৰ গভীৰতাত উঠোতে, নৌ উঠোতেই চিৰদিনৰ বাবে শুই পৰিল।

মাইকে তাইক, তাইৰ নিজৰ সৈতে এনেদৰে পৰিচয় কৰাই দিলে যে মাইক নামৰ মানুহ এজনৰ অস্তিত্ব তাই পাহৰি গ'ল। এই নামৰ মানুহ তাইৰ জীৱনলৈ অহাই নাছিল।

আকৌ সেই নীৰস জীৱনৰ পুনৰাবৃত্তি ঘটিল। ক্লিফোৰ্ডে যি অখণ্ড জীৱনৰ কথা কৈ থাকে সেই অখণ্ড জীৱনৰ দুৰ্বিসহ অন্তহীন বৃত্তৰ মাজত তাই ঘূৰি থাকিল। মনেৰে দূৰৈত থাকিও অভ্যাসগত সান্নিধ্যই স্বামী-স্ত্ৰীক ওচৰ চপাই ৰাখে এখন ঘৰত।

এই শূন্যতা! এই অৰ্থহীনতা! যিটোক তেওঁলোকৰ যুৰীয়া জীৱন-যাপনৰ পবিত্ৰতম লক্ষ্য বুলি ধৰা হৈছে সেইটো আচলতে এটা অৰ্থহীন, অসাৰ এক শূন্যতা। আৰু সেই শূন্যতাকে আকোঁৱালি ধৰি থাকিব লাগিব। যন্ত্ৰচালিতৰ দৰে দিনৰ পাছত দিন সেইখিনি কামকেই কৰি যাব লাগিব, যাৰ সমষ্টিগত সমন্বয়ে শূন্যটোৰ পৰিধি বঢ়াই তুলিব।

ষষ্ঠ অধ্যায়

"পুৰুষ-নাৰীৰ মাজত পাৰস্পৰিক ভালপোৱাৰ ভাব বাৰু কিয় নাথাকে?" কনিয়ে তেওঁৰ পৰামৰ্শদাতা স্বৰূপ টমি ডিউকক সুধিলে।

"ভাবটো আছে। মানৱ জাতিৰ আবিৰ্ভাৱ হোৱাৰে পৰা পাৰস্পৰিক ভালপোৱাৰ গভীৰতা কেতিয়াবা এতিয়াতকৈ বেছি আছিল বুলি মই কেতিয়াও নাভাবো। নিৰ্ভেজাল ভালপোৱা; মোৰ কথাকে ধৰা— মই পুৰুষতকৈ নাৰীক বেছি ভাল পাওঁ। তেওঁলোক সাহসী আৰু তেওঁলোকৰ লগত বেছি মুকলিকৈ ভাব বিনিময় কৰিব পাৰি।"

কনিয়ে অকণমান চিন্তা কৰি ক'লে, "অ' হয়, পিছে আপোনাৰ তেওঁলোকৰ লগত কেতিয়াও কিবা কৰিবলগীয়া নহ'ব কিজানি।"

"মই? এগৰাকী মহিলাৰ লগত আন্তৰিকতাৰে কথা পাতি থকাৰ বাহিৰে মইনো এতিয়া কি কৰি আছো?"

"হয়, কথা পাতি আছো।"

"তোমাৰ লগত আন্তৰিকতাৰে মুকলি মন এটা লৈ যেনেকৈ কথা পাতি আছো, পুৰুষ এজনৰ লগত তাতকৈ বেছিনো কি কৰিব পাৰিলোহেঁতেন?"

"হয়তো তাতকৈ বেছি একো নহ'ল হয়। কিন্তু এগৰাকী মহিলা...।" কনিয়ে কথাষাৰ সম্পূৰ্ণ নকৰিলে।

"অ', এগৰাকী মহিলাই তেওঁৰ লগত কথা পতাৰ লগতে কথা পাতোতাজনৰ ভাল লগাটোও বিচাৰে আৰু একে সময়তে তেওঁক ভালপোৱাটো আৰু তেওঁৰ প্ৰতি আকৃষ্ট হোৱাটো বিচাৰে; আৰু এই কথা দুটা পৰস্পৰ বিৰোধী যেন লাগে।"

"কিন্তু সেয়া হোৱাটো অনুচিত।"

"এইটো নিশ্চিত যে পানী যিমান আৰ্দ্ৰ সিমান আৰ্দ্ৰ হ'ব নালাগিছিল। ইয়াৰ আৰ্দ্ৰতাই সীমা চেৰাই গৈছে। অথচ মূল কথাটো তাতে অন্তৰ্নিহিত হৈ আছে। মহিলাক মোৰ ভাল লাগে বাবেই মই তেওঁলোকৰ লগত কথা পাতো আৰু সেইবাবেই মই তেওঁলোকক ভাল নাপাওঁ আৰু আকাংক্ষাও নকৰোঁ। এই দুয়োটা বস্তুৱে মোৰ ক্ষেত্ৰত সহাৱস্থান নকৰে।"

"মই ভাবো কৰিব লাগে।" কনিয়ে জোৰ দি ক'লে।

"ঠিক আছে। বস্তুবিলাক বাস্তৱিকতে যেনেকুৱা আৰু তাৰ বিপৰীতে যেনেকুৱা হোৱাটো উচিত এইবিলাক মোৰ বিচাৰ্য বিষয় নহয়।"

কনিয়ে কথাটো অলপ বিবেচনা কৰি ক'লে, "ই শুদ্ধ নহয়; মানুহে কথা পতাৰ লগতে ভালো পাব পাৰে। কথা নপতাকৈয়ো মানুহৰ মনত ভালপোৱা ভাবৰ কেনেকৈ উদয় হ'ব পাৰে সেই কথা মই ভাবিবই নোৱাৰো। ভাল পাবলৈ লাগিব বন্ধুত্ব আৰু নিবিড়তা, অন্যথা সেইটো কেনেকৈ হ'ব?"

টমি ডিউকে কৈ উঠিল, "মই নাজানো। এই কথাটোলৈ সকলোকে টানি অনাৰ আৱশ্যকতাই বা কি। মই মোৰ কথাহে জানো। মই মহিলা ভাল পাওঁ কিন্তু তেওঁলোক মোৰ আকাংক্ষিত নহয়। মই মহিলাৰ লগত কথা পাতি ভাল পাওঁ, কথা পতাৰ ফলত এটা দিশত নিৰিড়তা বাঢ়ে যদিও চুম্বনৰ ক্ষেত্ৰত মোক দুই মেৰুৰ ব্যৱধানত স্থাপিত কৰে। গতিকে তোমাৰ অৱস্থিতিয়ো মোৰ বাবে তেনেকুৱাই। পিছে মোক এক আদৰ্শ উদাহৰণ বুলি ধৰি নল'বা। হয়তো মই এটা বিশেষ উদাহৰণহে। মহিলা ভাল লগা অথচ মহিলাক ভাল নোপোৱা ব্যক্তি বিশেষ; যি জোৰ-জুলুমকৈ জাপি দিয়া ভালপোৱাৰ অভিনয়ক বা আউল লগা উপস্থিতিক ঘৃণাৰ চকুৰে চায়।"

"কিন্তু এই কথাটো আপোনাৰ বেয়া নালাগেনে?"

"কিয় লাগিব? অকণো নালাগে। মই চাৰ্লচৰ কথা ভাবো, বাকীবিলাকৰতো কিবা এটা সম্পৰ্ক গঢ় লৈ উঠিছে। সেইবুলি মই সিহঁতক অকণো ঈৰ্ষা নকৰোঁ। ভাগ্যই যদি মই বিচৰা ধৰণৰ মানুহ এজনী আনি দিয়ে তেন্তে ভাল কথা। যিহেতু মই বিচৰা ধৰণৰ কোনো মহিলাক মই নাজানো বা দেখাও নাই.... মই বাৰু নিজকে শীতল বুলি ধৰি লৈছো। গতিকে কোনো মহিলাক প্ৰকৃততে খুব ভালপাওঁ বুলি ক'ব নোৱাৰো।"

"আপোনাৰ বাৰু মোক ভাল লাগেনে?"

"যথেষ্ট। আৰু তুমি লক্ষ্য কৰিছানে যে আমাৰ মাজত চুমা খোৱাৰ কোনো প্ৰশ্নই উঠা নাই। হয় নে নহয়?"

"সেইটো হয়। কিন্তু সেইটো হ'ব নালাগিছিলনে?" কনিয়ে সুধিলে।

"ভগৱানৰ দোহাই, কিয় লাগে? মই ক্লিফোৰ্ডক ভাল পাওঁ বুলিয়ে যদি তেওঁক চুমা খাওঁগে মানুহে বাৰু কি ক'ব?"

"এইক্ষেত্ৰত এটা পাৰ্থক্য নাই জানো?"

"আমাৰ ক্ষেত্ৰত সেই পাৰ্থক্যখিনিনো ক'ত লুকাই আছে? আমাৰ গোটেই কেইজনেই বুধিয়ক মানুহ বাবেই এই মতা-মাইকীক লৈ হ'ব পৰা খেলি-মেলিবিলাক একাষৰীয়াকৈ থৈ দিয়া হৈছে। এইক্ষণত তুমিনো কেনেকৈ মোক কোনো মাৰ্কামৰা যুৱকৰ আৰ্হিৰে আচৰণ কৰি অন্তৰৰ কামনা-বাসনাবোৰৰ প্ৰদৰ্শন কৰাৰ কথা ভাবিলা?"

"অ' মই এইবিলাক ঘিণহে কৰিব লাগে।"

"ঠিক আছে, এতিয়া কওঁ শুনা। যদি মই মতা তেন্তে মই মোৰ জাতৰ মাইকীৰ কাষ নাচাপোঁ। মোৰ মহিলাক কেবল ভাল লাগে। গতিকে তেওঁক হেৰুৱাৰ কথা নাহে। মোক কোনোবাই কাৰোবাক ভাল পাবলৈ বা ভাল পোৱাৰ অভিনয় কৰি, প্ৰেমলীলা ৰচিবলৈ হেঁচা দিয়াৰ বাবে কোননো ওলাব!"

"নাই, মই নকৰোঁ। কিন্তু ক'ৰবাত যেন ভুল এটা হৈছে।"

"অ', মুনিহ-তিৰোতাৰ মাজত কিবা এটা ভুল হৈছে যেন মোৰো লাগিছে। এতিয়া আৰু পুৰুষৰ প্ৰতি মহিলাৰ কোনো বিশেষ উচ্চভাব বা আকৰ্ষণ নাই।"

"পুৰুষৰ মহিলাৰ প্ৰতি আছে নেকি?"

কনিয়ে প্ৰশ্নটোৰ আনটো দিশত মনোনিবেশ কৰিলে। "সিমান নাই" তাই সঁচা ভাবিয়ে ক'লে।

"তেন্তে এইবিলাক কথা বাদ দিয়া। সৎ আৰু সৰল মানুহৰ দৰে সকলোৱে একেলগে বাস কৰিলেই হ'ল। এই কৃত্ৰিম যৌনাচাৰৰ বাধ্য-বাধকতা জহন্নামে যাওক। মই ইয়াক প্ৰত্যাখ্যান কৰোঁ।"

কনিয়ে তেওঁৰ ধাৰণা যে শুদ্ধ সেইটো ভালকৈ জানিছিল। তাইৰ খুব উদাস উদাস লাগিছিল। বৰ উদাস আৰু উতনুৱা। কনিৰ নিজকে গোমা পুখুৰী এটাত ওপঙি থকা কাঠৰ চলি এডোখৰৰ দৰে লাগিল। এইবোৰৰ কি মানে আছে। চব অসাৰ।

এয়া হৈছে তাইৰ উথলি উঠা যৌৱনৰ বিদ্ৰোহাচৰণ। এই মানুহবোৰ যেন বৰ বৃদ্ধ আৰু শীতল। তেনেকৈয়ে মাইকেলিচে এজনীক ডুবালে। তেওঁৰ কোনো কাম নাই। আৰু এই বজৰুৱা ফপছবোৰৰ যৌনাচাৰ এতিয়া আগতকৈয়ো অধোগতি হ'বলৈ ধৰিছে।

এই অলস আমনিলগা সময়বোৰ যে সহ্য কৰি থাকিবলগীয়া হয়। এইটো একেবাৰে সঁচা কথা যে এতিয়াৰ পুৰুষৰ নাৰীৰ প্ৰতি কোনো প্ৰকৃত মোহজাল নাই। কোনোবাই যদি নিজকে বুৰ্বক সাজি তেনে মোহজাল আছে বুলি ভাবে; যেনেকৈ তাইৰ প্ৰতি মাইকৰ আছে বুলি তাই ভাবিছিল, সেইটোৱে তাই খুব বেছি কৰিব পৰাৰ ভিতৰত আছে।

এতিয়া তুমি জীৱনৰ সোঁতত কেবল গৈ থাকা। তাৰ বাহিৰে কৰিবলগীয়া একো নাই। মানুহে কিয় সহিব পৰালৈকে ককটেইল পাৰ্টী কৰে, বা অত্যধিক দেখুৱাব খোজে বা সামৰ্থ্যৰ বাহিৰত শক্তি, বুদ্ধি প্ৰদৰ্শন কৰিবলৈ বিচাৰে তাই তাক বুজি পায়। কাৰণ যৌৱনৰ তাড়না কিবা প্ৰকাৰে নিৰ্গত কৰিবই লাগিব। নহ'লে ই তোমাক নিঃশেষ কৰি দিব। যৌৱন যে কি ভয়াবহ! নিজকে মেথুচেলাহৰ সমান বুঢ়া যেন

লাগিব, তথাপিও যে সেইবোৰে হিচ্ হিচনি, বুৰবুৰণি তুলিয়ে থাকে। নিজকে সুস্থিৰ হ'বলৈ নিদিয়ে। বৰ সস্তীয়া ধৰণৰ জীৱন; উন্নতিৰ কোনো আশা নাই। তাইতো মাইকৰ লগত গুচি যোৱাৰ কথা আছিল। আৰু গুচি গৈ জীৱনটোক এটা দীঘল ককটেইল পাৰ্টী আৰু জাজ নৃত্যৰ সন্ধিয়া কৰি পেলাবলৈকে মন গৈছিল। সেইটো অন্ততঃ নিজকে বিধ্বস্ত ৰূপত কবৰত দেখাতকৈ ভাল।

এদিন এইদৰে অকলে থাকোঁতে অন্যমনস্কভাৱেই কনি পাৰ্কসংলগ্ন বনাঞ্চললৈ আগবাঢ়ি গ'ল। একো নভবাকৈয়ে তাই আগবাঢ়িছিল। হঠাতে বন্দুকৰ গুলী ফুটাৰ শব্দত তাই উচ্‌প খাই উঠিল। মনলৈ এটা খং ভাবো আহিল।

আৰু অলপ আগুৱাই গৈয়ে কনিয়ে মানুহৰ কথা-বতৰাৰ শব্দ শুনিলে। ইয়াতো মানুহ! তাই এতিয়া নিঃসংগতা বিচাৰে। হঠাতে কনিয়ে কান্দোনৰ শব্দ শুনিলে। অকণমান আগুৱাই গৈ দেখিলে এজনী সৰু ছোৱালীয়ে কান্দি আছে। নিশ্চয় কোনোবাই কিবা কৰিছে তাইক। কনিয়ে লৰালৰিকৈ তাইৰ কাষ পালেহি। বৰ খং উঠিল তাইৰ। যি এইবোৰ কৰিছে তাক এসেকা দিবলৈ প্ৰস্তুত হ'ল তাই। কনিয়ে দেখিলে অলপ দূৰৈত তেওঁলোকৰ বনৰখীয়া মেলৰ্চো ওচৰত থিয় হৈ ছোৱালীজনীক তৰ্জন-গৰ্জন কৰি আছে। আৰু ছোৱালীজনীয়ে ৰাউচি জুৰিছে। খঙত কনিয়ে খোজৰ গতি বঢ়াই দিলে। মেলৰ্চে অভিবাদন জনালে আৰু দেখা গ'ল তাৰ মুখতো খঙৰ প্ৰকাশ। কনিয়ে ফোপাই-জোপাই সুধিলে, "কি হৈছে?" মেলৰ্চে উপভাষাৰে উত্তৰ দিলে, "নাই, একো হোৱা নাই লেডীচিপ।" তাৰ মুখত এটা ক্ষীণ হাঁহি ফুটাই তুলিলে।

কনিয়ে অনুমান কৰিলে ছোৱালীজনীক মেলৰ্চে চৰ মাৰিছে। তাইৰ মুখ বিবৰ্ণ। কনিয়ে আকৌ খঙেৰে ক'লে, "মই তোমাক কি সুধিছো?"

এতিয়াহে সি মূৰৰ টুপিটো খুলিলে আৰু শিৰ নত কৰি ক'লে, "হয়, আপুনি সুধিছিল।"

কনিয়ে কেইবাবাৰো ছোৱালীজনীক কন্দাৰ কাৰণ সুধিলে। পিছে তাইৰ কান্দোন নাথামেহে নাথামে। আনকি কনিয়ে তাইৰ হাতত ছয় পেনি গুজি দিয়ো তাইৰ কান্দোন কমাবলৈ চেষ্টা কৰিলে। অৱশেষত তাই কান্দোন কমাই 'মেকুৰী-মেকুৰী' বুলি কৈ উঠিল। কনিয়ে দেখিলে এটা ডাঙৰ ক'লা মেকুৰী তেজেৰে লুতুৰী-পুতুৰি হৈ পৰি আছে। মেলৰ্চে ক'লে, "গুলি লাগি গ'ল।"

কনিয়ে মেলৰ্চক মৃদু ধমকি দি ছোৱালীজনীক সুধিলে, "তোমাৰ নাম কি?"

হাঁহি মাৰি তাই ক'লে, "কনি মেলৰ্চ।"

"কনি মেলৰ্চ, বৰ ধুনীয়া নাম। তুমি তেনেহ'লে তোমাৰ দেউতাৰ লগত ইয়ালৈ ফুৰিবলৈ আহিছিলা? তোমাৰ দেউতাই মেকুৰীটো মাৰি পেলালে। মেকুৰীটো বৰ বেয়া আছিল।"

ছোৱালীজনীয়ে কনিক ভালকৈ চালে আৰু ক'লে, "মই আইতাৰ ওচৰত থাকিম।"

কনিয়ে তাইৰ আইতাক ক'ত আছে বুলি সোধাত তাই দুৰৈৰ ঘৰ এটিলৈ আঙুলিয়ালে। কনিয়ে ক'লে, "ব'লা তেনেহ'লে ময়ে তোমাক লৈ যাওঁ। তেতিয়াহ'লে তোমাৰ দেউতাই ঠিকমতে কাম কৰিব পাৰিব।" তাৰপিছত মেলৰ্চলৈ চাই সুধিলে, "এইজনী তোমাৰ ছোৱালী?"

মেলৰ্চে হয় বুলি মূৰ দুপিয়ালে। কনিয়ে তাইক ঘৰলৈ লৈ যাব বুলি কোৱাত সি ক'লে, "আপুনি ইচ্ছা কৰিলে লৈ যাওক।" তাৰ পিছত সি তাৰ সন্ধানী দৃষ্টিৰে কনিলৈ চালে। কনিৰ মনৰ কথা জনাৰ চেষ্টা কৰাৰ লগে লগে তাৰ মনৰ অনাসক্তি আৰু নিঃসংগ একাকীত্বৰ বেদনাও সেই দৃষ্টিত ফুটি উঠিছিল।

কনিয়ে লেতেৰী ছোৱালীজনীক বৰ ভাল নাপালেও তাইৰ চকু-মুখ মোহাৰি হাতত ধৰি লৈ গ'ল।

তাৰপৰা মেলৰ্চৰ ঘৰলৈ দূৰত্ব প্ৰায় এক মাইল। লাহে লাহে সৰু কনিৰ সাহস বাঢ়ি আহিল আৰু কথা কৈ কৈ ডাঙৰ কনিক বিৰক্ত কৰি তুলিলে।

ঘৰটোৰ দুৱাৰ খোলাই আছিল। ভিতৰলৈ সোমায়ে সৰু কনিয়ে আইতা আইতা বুলি চিঞৰিবলৈ ধৰিলে। ভিতৰৰ পৰা এটি প্ৰশ্ন আহিল, "ইমান সোনকালে উভতিলি যে!"

সেইদিনা আছিল এটা শনিবৰীয়া পুৱা। আইতাকে জুই ধৰিছিল। তেওঁৰ হাতে মুখে ক'লা ছাই। তেওঁ দুৱাৰমুখত থিয় দিলে। কনিয়ে তেওঁক সু-প্ৰভাত জনাই ক'লে যে তাই কন্দাৰ বাবে লৈ আনিছে।

আইতাকে তাইক সুধিলে, "তোৰ বাপেৰ ক'ত? তই কিয় কান্দিছিলি?"

কন্দাৰ কাৰণটো ডাঙৰ কনিয়েই ক'লে। মেলৰ্চৰ মাক আস্তব্যস্ত হৈ পৰিল লেডী চেটাৰ্লিৰ বাবে। তেওঁ ক'লে, "আপুনি বৰ দয়া কৰিলে। তাই কিন্তু সেই কথাত কান্দিব নালাগিছিল।" তাৰপিছত পুনৰ তেওঁ ক'লে, "মই জানোৱেই, বাপেক-জীয়েক ক'ৰবালৈ গ'লেই কিবা অথন্তৰ ঘটায়। তাই বাপেকৰ সৈতে থাকিবই নোখোজে। তাইৰ বাবে বাপেক এটা বিদেশী মানুহ। মানুহটো যে কেনেকুৱা হৈ গৈছে!"

কনিয়ে কি উত্তৰ দিব ভাবি নাপালে। আইতাকক সৰু কনিয়ে হাতত থকা পেনিটো দেখুৱালে। আইতাকে আচৰিত হৈ ক'লে, "হে ভগৱান, ছয় পেনি!" তাৰপিছত তেওঁ কনিক ক'লে, "লেডী চেটাৰ্লি, এইটো দিয়াটো ভাল হোৱা নাই।" পুনৰ তেওঁ নাতিনীয়েকক ক'লে, "দেখিছ, মেডামে তোক কি দিছে! তেখেতে তোক ভাল পাই দিছে এইটো।"

কনিয়ে যাবলৈ ওলাই মানুহজনীৰ নাকটোলৈ চালে। মানুহজনীয়ে লেডী চেটাৰ্জিক ধন্যবাদ জনালে। সৰু কনিয়েও।

কনিয়েও হাঁহি হাঁহি ক'লে, "তোমাকো ধন্যবাদ।"

ওভতনি পথত কনিয়ে ভাবিলে, "এই অহংকাৰী মানুহটোৰ ইমান সাদৰী মাক!"

লেডী চেটাৰ্জি যোৱাৰ পাছত মেলৰ্চৰ মাকে আইনাত নিজৰ মুখখন চাই ভাবিলে ইচ্ তেওঁ বা কি ভাবিলে।

কনি ৰাগবি গৃহলৈ আহিল। গৃহ! ঘৰ? হয় ঘৰ। এটা ক্লাসিকৰ বিৰাট প্ৰাসাদক ঘৰ নাম দিয়া হৈছে মাথোঁ। নামটো শুনিলেই ভাব হয় যেন আন্তৰিকতাৰে ভৰপূৰ এখন ঘৰ।

এসময়ত মানুহৰ ঘৰবোৰ তেনেকুৱাই আছিল। আন্তৰিক উত্তাপেৰে ভৰপূৰ। এতিয়া এই নামৰ কোনো মাহাত্ম্য নাই। এতিয়া প্ৰেম, আনন্দ, সুখ, ঘৰ, পিতৃ-মাতৃ আদি শব্দবোৰে নিজৰ নিজৰ মাহাত্ম্য হেৰুৱাই অৰ্ধমৃত অৱস্থাত উপনীত হৈছে। এতিয়া ঘৰ মানে মানুহে য'ত বাস কৰে। প্ৰেম মানে যি পৰস্পৰক বুৰ্বক বনায়। সুখ হৈছে এনে এটা ভণ্ডামি যি মিছা আশা দি মানুহক ভুলাই ৰাখে। পিতৃ হৈছে এনে এক ব্যক্তি যাৰ এটা অস্তিত্ব আছে আৰু স্বামী মানে এনে এজন মানুহ যাৰ লগত এজনী নাৰী বাস কৰে আৰু তেওঁৰ কথা শুনি থাকে। তাৰপিছত কামনা-বাসনা হ'ল এই ডাঙৰ ডাঙৰ কথাবোৰৰ মূল কথা। ককটেইল পাৰ্টীৰ তৰল উত্তেজনাৰ নিচিনা যিয়ে উন্মাদনা শেষ হোৱাৰ লগে লগে ভাগৰুৱা কৰি তোলে। যেন আমি বৰ কমদামী ধাতুৰে তৈয়াৰী বস্তু আৰু ই বৰ সোনকালে ক্ষয় যায়।

বৈ গৈছিল কেৱল মচিব নোৱৰা কষ্ট সহিষ্ণুতাৰ কিছুমান ভাল লগা স্মৃতি। জীৱনৰ ভাঁজে ভাঁজে, দশায় দশায়, ৰিক্ততাৰ অভিজ্ঞতাই প্ৰদান কৰিছিল কিবা এক ভয়লগা সন্তুষ্টি। তাৰমানে সেইটোৰেই কথা। সদায়ে শেষত উচ্চাৰিত হয়; ঘৰ, ভালপোৱা, বিয়া আৰু মাইকেলিচ; একেটাই কথা। কোনোবা এজনৰ মৃত্যু হ'লেও শেষ বাক্যটো হ'ব, সেই একেই।

টকা! ইয়াতো সেই একেই। সকলোকে টকা লাগে। সকলোৱেই টকা আৰু সাফল্য স্বৰূপা সেই দুৰাকাংক্ষাৰ ৰাক্ষসীক ভজে। হেনৰী জেমচে কোৱা এষাৰ কথা টমি ডিউকে প্ৰায়ে কয়। "টকা আৰু সাফল্য— এই দুটা বস্তুৰেই মানুহৰ সকলো সময়তে প্ৰয়োজন। জীৱনৰ শেষ মুহূৰ্তত তুমি যদি টকা নালাগে বুলিয়ো ভাবা তথাপিও আৰু জীয়াই থকা দহ মিনিটৰ বাবেও টকা লাগিব।"

টকা লাগেই। জীৱনত যদি সঁচাকৈয়ে কিবা এটা বস্তুৰ প্ৰয়োজন সেয়া হ'ল টকা। ইয়াৰ প্ৰয়োজনৰ তীব্ৰতা বহুত বেছি। এক সৰ্বাত্মক প্ৰয়োজন। আন সকলো প্ৰয়োজনকে কাতি কৰি থ'ব পাৰিলেও টকাক নোৱাৰি। এয়ে হ'ল জগতৰ ৰীতি।

কনিয়ে এবাৰ মাইকেলিচৰ কথা ভাবিলে। তেওঁৰো বহুত টকা আছে। মাইকৰ লগত থাকিলে কনিৰো টকা হ'ব। কিন্তু, নাই নালাগে। ক্লিফোৰ্ডে যিখিনি টকা ঘটিছে সেয়া মাইকৰ তুলনাত কম যদিও তাতেই তাই সন্তুষ্ট থাকিব বিচাৰে। তাই মনতে হিচাপ-নিকাচ কৰিলে। ক্লিফোৰ্ড আৰু তাই লগলাগি লিখা-মেলা কৰি বছৰি বাৰশ পাউণ্ড উপাৰ্জন কৰিব। একোতো নাই। কল্পনাৰ সহায়ত শূন্যতাৰ পৰা গল্প তৈয়াৰ কৰি টকা ঘটা। অৱশ্যে টকা বেছি হ'লেও অহংকাৰী হোৱাৰ ভয় থাকে।

কনি ঘৰৰ ফালে আগুৱালে। ঘৰলৈ গৈ ক্লিফোৰ্ডক নতুন গল্প লিখিবলৈ প্ৰেৰণা দিব, সহায় কৰিব। আৰু গল্প মানেই টকা। ক্লিফোৰ্ডে অৱশ্যে তেওঁৰ গল্প উচ্চ মানদণ্ড সম্পন্ন হৈছেনে নাই জানিব বিচাৰে। পিছে তাই এইবোৰ একো নাভাবে। কনিৰ দেউতাকে কৈয়ে গৈছে, "ইয়াৰ লেখনীত একো এডাল নাই।" তাৰ উত্তৰত কনিয়েও ততাতৈয়াকৈ কৈছিল, "এই লেখাৰ পৰাই যোৱা বছৰ বাৰশ পাউণ্ড আহিছিল। সেয়াই যথেষ্ঠ।"

যদি তোমাৰ বয়স কম তেন্তে তুমি দাঁত কামুৰি বহি থাকা আৰু দেখিবলৈ পাবা কোনো এক অদৃশ্য উৎসৰ পৰা পানীৰ ধাৰাৰ দৰে টকাৰ সোঁত বৈছে। ইয়াৰ বাবে প্ৰয়োজন তোমাৰ ইচ্ছা শক্তিৰ। এই ইচ্ছা শক্তিয়েই সকলো। ইয়েই শূন্যৰ পৰাও টকাৰ দৰে অসাৰ বস্তু এটাক মানুহৰ হাতলৈ আনি দিয়ে। কাগজৰ ওপৰত লিখা এটা শব্দ মাথোঁ। অথচ কি যাদুকৰী শক্তি তাৰ। এটা বিৰাট জয়। সেই দুৰাকাংক্ষাৰ ৰাক্ষসী বা দেৱীৰ কথাই আহে। কাৰোবাৰ যদি বেশ্যাবৃত্তি কৰিবলৈ মন আছে তেন্তে সেই দেৱীৰ ওচৰতে কৰা। বহুতে আকৌ তেওঁৰ কাষত বেশ্যাবৃত্তি কৰি মুখেৰে বাহিৰত নিন্দাও কৰে।

ক্লিফোৰ্ডৰ কিছুমান শিশুসুলভ স্বভাব আছে। তেওঁ বিচাৰে মানুহৰ চকুত 'ভাল ল'ৰা' হৈ থাকিবলৈ। এইটো বৰ বেয়া কথা। মুৰ্গী যুঁজৰ নিচিনা বেয়া কথা। ভাল হৈনো কি লাভ! জীৱনত ভাল হৈ থাকিলে একো নোপোৱা। ভালটোকে ভাবি থকা মানুহবোৰ সময়মতে গাড়ী ধৰিব নোৱৰা মানুহৰ দৰে। সদায় পাছত থাকিব লাগে। আচল কথা হ'ল, তুমি জীয়াই থাকিব লাগিব। জীৱনটো উপভোগ কৰিব লাগিব। নহ'লে বাছ ধৰিব নোৱাৰি ফুটপাথতে ৰৈ থাকিব লাগিব। অৰ্থাৎ তুমি পিছ পৰিয়ে থাকিলা আৰু জীৱনত ব্যৰ্থতাৰ বোজা কঢ়িয়াই থাকিবা।

কনিয়ে ভাবিছিল এইবাৰ শীতকালি তাই লণ্ডনত ক্লিফোৰ্ডৰ সৈতে থাকিবগৈ। যেন দুয়ো একে জীৱনপথৰ যাত্ৰী। শেষ পৰ্যন্ত যাবই লাগিব।

কিন্তু ক্লিফোৰ্ডৰ এটা ডাঙৰ দোষ হ'ল মাজে মাজে তেওঁ বৰ দুৰ্বোধ্য হৈ পৰে। হতাশা, বিষাদ আৰু শূন্যতাই তেওঁক আগুৰি ধৰে। তেতিয়া কনিৰ বৰ বেয়া লাগে। তাই যেন চিঞৰি উঠিব, হে ভগবান, মনৰ ভিতৰৰ চেতনাৰ যন্ত্ৰটো যদি

এবাৰ বিকল হৈ যায় তেতিয়া কি হ'ব? গোটেই জীৱন কি বিষাদৰ মাজতে ডুবি থাকিব লাগিব? তাৰপৰা পৰিত্ৰাণ পোৱাৰ একো উপায় নাই? তাই মাজে মাজে ফেকুৰি উঠে। কিন্তু কান্দি থাকোঁতেও তাই নিজকে নিজে বুজনি দিয়ে। নিজকে নিজে কয়, বুৰ্বক ক'ৰবাৰ। কান্দিলে কি সমস্যাৰ সমাধান হয়?

মাইকেলিচৰ লগত সেই অঘটন ঘটাৰ পাছত তাই ঠিক কৰিছে যে আৰু জীৱনত একো নিবিচাৰে। যি সমস্যাৰ কোনো সমাধান নাই তাৰ সৰলতম সমাধান বিচাৰি ফুৰাৰ মানে নাই। জীৱনত যিখিনি পাইছে তাকে লৈ সন্তুষ্ট থকাই ভাল। ক্লিফোৰ্ড, তেওঁৰ গল্প, ৰাগবি, লেডী চেটাৰ্লি, ব্যৱসায়, টকা-পইচা— এইবোৰক লৈয়ে থকা ভাল। প্ৰেম, যৌন জীৱন আদি বিষয়বোৰ পানীৰ ওপৰত ওপঙি থকা বৰফৰ দৰে অৰ্থহীন। অলপ পাছতে গলি যায়। এইবিলাক সকলো পাহৰি পেলোৱা। এইবিলাকক লৈ মূৰ ঘমাই, চিন্তা কৰি একো লাভ নাই। এইক্ষেত্ৰত মন স্থিৰ কৰি বহি থাকা দেখিবা কোনো সমস্যাই নাই। যৌন সম্পৰ্ক আৰু ককটেইল পাৰ্টী একেই। দুয়োটাৰে স্থায়ীত্ব, পৰিণাম আৰু উদ্দেশ্য এক।

কিন্তু সন্তান বা এটি পুত্ৰ সন্তান! কথাটো বৰ উত্তেজনাময়। অনিচ্ছা সত্ত্বেও তাই এই বিষয়ে চিন্তা কৰিবলৈ বাধ্য। প্ৰথমে তাই ঠিক কৰিব লাগিব যে কাৰ সন্তান তাই গৰ্ভত ধাৰণ কৰিব। মাইক? ছিঃ। ভাবিলেই ঘিণ লাগে। তাতকৈ শহাপহুৰ পোৱালি এটা জন্ম দিয়াই ভাল। তাই টমি ডিউকৰ কথাও ভাবিলে। মানুহজন ভালেই। কিন্তু যি সন্তানে যুগ যুগ ধৰি এটা বংশক প্ৰতিনিধিত্ব কৰিব সেই সন্তান ডিউকৰ পৰা ল'ব নোৱাৰি। ইয়াৰ বাহিৰে ক্লিফোৰ্ডৰ আন পৰিচিত ব্যক্তিৰ কথা তাই ভাবিব নোৱাৰিলে যাৰ সন্তান তাই গৰ্ভত ধাৰণ কৰিব পাৰিব। প্ৰেমিক হিচাপেতো বহুতকে ল'ব পাৰি, কিন্তু সন্তানৰ পিতৃ হিচাপে নিৰ্বাচন কৰিব নোৱাৰি। যেনেকৈ মাইক। কি যে অপমান আৰু ঘৃণাৰ কথা!

কথাবোৰ এনেকৈয়ে বৈ গ'ল। তথাপিও সন্তানৰ কথাটো মনৰ পশ্চাদপটত সাৰ পাই থাকিল। তাই তন্ন তন্নকৈ সন্ধান কৰিলে কাৰ সন্তান গৰ্ভত ধাৰণ কৰিব পাৰি। তাই যেন জেৰুজালেমলৈ গৈ তাৰ অলিয়ে-গলিয়ে এজন যোগ্য মানুহ বিচাৰি ফুৰিব। পয়গম্বৰৰ পবিত্ৰ নগৰীত আছে অসংখ্য পুৰুষ; কিন্তু প্ৰকৃত পুৰুষ বিচাৰি পোৱাযে অসম্ভৱ কাম।

এবাৰত তাই ভাবিলে ইংৰাজ বা আইৰিশ নহয়, কোনো বিদেশীক নিৰ্বাচন কৰিব। ধৈৰ্য, ধৈৰ্য। ইমান অধৈৰ্য কিয়? অহা বছৰ ক্লিফোৰ্ডৰ সৈতে লণ্ডন, তাৰ পাছৰ বছৰ দক্ষিণ ফ্ৰান্স আৰু ইটালিলৈ যাব। ৰ'বা, ৰ'বা। ইমান লৰালৰিৰ দৰকাৰ নাই। সন্তানৰ বাবে ইমান ব্যগ্ৰতাৰ প্ৰয়োজন নাই। এয়া সম্পূৰ্ণ তাইৰ ব্যক্তিগত কথা। তাইৰ অন্তৰৰ গভীৰতম প্ৰদেশ পৰ্যন্ত তোলপাৰ কৰি তাই ভাবিছে। হঠাতে পৰিচিত

ব্যক্তিৰ সৈতে এই কাম কৰিব নোৱাৰি। কোনো সময়ত প্ৰেমিক হৈ থকা ব্যক্তিৰ সৈতেও সন্তান উৎপাদনৰ কথাটো চিন্তা কৰিব নোৱাৰি। এয়া হ'ল এজন মানুহৰ পৰা আন এজন মানুহ বিচাৰি লোৱা। ব্যক্তিগতভাৱে কাৰোবাক ঘৃণা কৰিলেও তেওঁ যদি প্ৰকৃত মানুহ হয় তেন্তে তেওঁৰ সন্তান গৰ্ভত ধাৰণ কৰিব পাৰিব লাগিব। তেতিয়া আৰু তুচ্ছ ভালপোৱা বা ঘৃণাৰ প্ৰশ্ন নাহে।

আনদিনাৰ দৰে সেইদিনাও বৰষুণ দি আছে। ৰাস্তা-ঘাটবোৰ পানীত তিতি আছে। এনে পথত ক্লিফোৰ্ডৰ চকীখন নচলে। কনি কিন্তু অকলেই বাহিৰলৈ ফুৰিবলৈ যাব। এই সময়ত তাই সদায়ে পাৰ্ক আৰু বনলৈ যায়। তাত তেতিয়া কোনো নাথাকে। অকলে অকলে তাই ফুৰি থাকে।

আজি মালীটোৰ ঘৰলৈ এটা খবৰ দিব লাগে ক্লিফোৰ্ডে। কিন্তু খবৰ-বাতৰি অনা-নিয়া কৰা ল'ৰাটোৰ ইনফ্লুৱেঞ্জা হৈছে। ইয়াত মানুহবোৰৰ এই বেমাৰটো হৈয়ে থাকে। কনিয়ে তেতিয়া ক'লে যে তায়ে খবৰটো লৈ যাব পাৰিব।

বতাহখিনি গধুৰ, নিস্তেজ। এনে লাগিছে যেন গোটেই পৃথিৱীখনেই মুমূৰ্ষ অৱস্থাত। অলপ পাছতে মৰিব। কয়লাখনিৰ খাদবোৰ বন্ধ থকাত তাতো কৰ্মব্যস্ততা নাই।

আজি জগতৰ সকলোবোৰেই যেন নিষ্ক্ৰিয়, স্তব্ধ, অচল। ক'তো একো শব্দ নাই। মাথোঁ গছৰ পাতৰ পৰা পানীৰ কণা পৰাৰ টুপ-টাপ শব্দ। গভীৰ ধূসৰতাত আচ্ছন্ন গছ- লতিকা। আশাহীন, শীতল শূন্যতাৰে ভৰা।

বিষণ্ণ মনেৰে লাহে ধীৰে আগবাঢ়িল কনি। চৌপাশৰ শীতল শায়িত বিষাদটোক তাইৰ ভিতৰৰ বিষণ্ণতাতকৈয়ো বেছি ভাল লাগিছে। গছবোৰৰ ভাষাহীন, অব্যক্ত গম্ভীৰ ভাব তাইৰ ভাল লাগিছে। এনেকুৱা লাগিছে যেন সিহঁতে কথা ক'ব পাৰে কিন্তু জোৰকৈ ইচ্ছা কৰিহে মনে মনে আছে। কিন্তু স্তব্ধ হৈ থাকিলেও সিহঁতৰ নীৰৱ উপস্থিতি পদে পদে অনুভৱ কৰা যায়। সিহঁতেও যেন প্ৰতীক্ষা কৰি আছে যুগ যুগ ধৰি কিবা এটাৰ। সিহঁতক কেতিয়া কাটিব? তাৰ বাবেই যেন বৈ আছে সিহঁত। চাওঁতে চাওঁতে এই বনভূমি শেষ হৈ যাব। হয়তো তাকেই ভাবিছে। সিহঁতৰ বাবে এই আভিজাত্যসুলভ সু-প্ৰাচীন নিৰৱতাৰ এটা নিজস্ব মূল্য আছে।

বনৰ পৰা গৈয়ে উত্তৰ দিশে থকা তাৰ বাদামী ৰঙৰ ঘৰটো চকুত পৰিল। ভিতৰত কোনো নাই যেন লাগিল। একেবাৰে নিৰ্জন। মাথোঁ সৰু সূতা এডালৰ দৰে চিমনিৰ পৰা ধোঁৱা ওলাই আছে। ঘৰৰ সন্মুখৰ বাৰীখন পৰিষ্কাৰ-পৰিচ্ছন্ন আৰু পৰিপাটী। মূল দুৱাৰখন বন্ধ হৈ আছে।

ঘৰটোৰ কাষ পাই কনিৰ লাজ লাগিল। তাৰ অদ্ভুত চকু দুটাৰ দূৰান্বিত উদাস দৃষ্টিৰ কথা মনত পৰিয়ো লাজ লাগিল তাইৰ। এবাৰত উভতি যাম বুলি ভাবিলে।

বন্ধ দুৱাৰত টোকৰ মাৰিলে। পিছে কোনেও দুৱাৰ খুলি নিদিলে। উপায় নাপাই তাই আধাখোলা খিৰিকি এখনেৰে ভিতৰ সোমাল। অন্ধকাৰত একো নেদেখি। গোপনীয়তাৰ বাবেই ঘৰবোৰ এনেকৈ আন্ধাৰ কৰি ৰখা হয়। খিৰিকিত ধৰি তাই কাণ পাতিলে কিবা শব্দ শুনাৰ আশাত। কোনোবাই ঘৰৰ পাছফালে কথা পতাৰ শব্দ আহি তাইৰ কাণত পৰিল।

পাছ চোতালত এজনে চাবোনেৰে গা ধুই আছে অৰ্ধনগ্ন হৈ। কনিয়ে তাইৰ গৰ্ভৰ মনঃদৰ্শনত শিহৰিত হৈ উঠিছিল। তাইৰ অভ্যন্তৰত তাৰ অৱস্থিতি ভালকৈয়ে অনুভূত হ'ল।

আনৰ এনেকুৱা ব্যক্তিগত অশ্লীলতাত তাইক কিয় উজুটি খুওৱা হ'ল এই কথা ভাবি তাইৰ বিৰক্তি লাগিল।

আঁতৰি আহিব খুজি তাই ঘৰটোৰ পৰা ওলাই গছৰ মূঢ়া এটাত বহি পৰিল। একেবাৰে বিবুধিত পৰিল তাই। কিন্তু এই দোমোজাৰ পাক চক্ৰটোত তাক দিবলগা বাৰ্তাটো দিমেই বুলি ঠিক কৰি পেলালে। এতিয়া কৰা নকৰাৰ কথা নাই। কিন্তু তাক অলপ সময় দিব লাগিব। যাতে সি কাপোৰ-কানি পিন্ধিব পাৰে কিন্তু ওলাই যাব নোৱাৰে। সি ক'ৰবালৈ যাবলৈ সাজু হোৱা যেন লাগিল। কনিয়ে কাণখন অলপ সজাগ কৰি ঘৰটোৰ ফালে আকৌ লাহে লাহে খোজ ল'লে। ওচৰ পাই ঘৰটোৰ অপৰিৱৰ্তনীয় অৱস্থাৰ উমান পালে। কোনেও গম পোৱা নাই। কুকুৰটোৰ ভুকভুকনিৰ মাজতে দুৱাৰত টোকৰ মাৰিলে। কনিৰ তুলনাত সি অতি সামান্য যদিও কনিৰ বুকুৰ ধপ্‌ধপনি বাঢ়ি গ'ল। কোমল খোজৰ পাছতে খপকে দুৱাৰখন খোল খোৱাত কনি উচপ খাই উঠিল। প্ৰথমতে অপ্ৰস্তুত হৈ পৰিলেও পাছ মুহূৰ্ততে হাঁহি এটা মাৰি সি ক'লে, "আৰে লেডী চেটাৰ্লি, ভিতৰলৈ আহকনা।"

তাৰ ভাল লাগি যোৱা সৰল ব্যৱহাৰত প্ৰভাৱান্বিত হৈ কনিয়ে অকণমান গোমা কোঠালিটোৰ দুৱাৰ ডলিটো পাৰ হ'বলৈ প্ৰেৰণা পালে। "ছাৰ ক্লিফোৰ্ডৰ বাৰ্তা এটা লৈহে এইখিনি পাইছোহি।" কনিয়ে শুষ্ক কিন্তু কোমল কণ্ঠেৰে ক'লে।

তাৰ নীলা চকুৰ বহল চাৱনিত কনিয়ে মুখখন ঘূৰাবলৈ বাধ্য হ'ল। কনিৰ দেখিলে ভাল লাগি যোৱা ধুনীয়া, লাজকুৰীয়া মুখখনলৈ অলপ সময় তন্ময় হৈ চাই থাকি ততাতৈয়াকৈ নিজকে নিয়ন্ত্ৰণ কৰি সি ক'লে, "অকণমান বহিবলৈ বেয়া পাব নেকি?" সি ধৰি লৈছিল যে কনিয়ে বহিবৰ কাৰণে দুৱাৰখন খোলাই আছে। "ধন্যবাদ, নবহোঁ। ছাৰ ক্লিফোৰ্ডে জানিব বিচাৰিছে" বুলি কনিয়ে তাক ক্লিফোৰ্ডৰ বাৰ্তাটো দিলে। বাৰ্তাটো দি প্ৰায় চেতনাবিহীনভাৱেই কনিয়ে তাৰ চকুলৈ চালে। তাৰ চকুজুৰি তেতিয়া উমাল মৰমেৰে ভৰি পৰিছিল। পৰিবেশৰ লগত পটকৈ খাপ খাই পৰিব পৰা আচৰিত ধৰণে উষ্ণ আৰু মৰমিয়াল এই বিশেষ মহিলা গৰাকী।

"ভাল কথা লেডীচিপ। মই এতিয়াই নির্দেশ পালন কৰিম।" এই আদেশ শিৰোধাৰ্য কৰি সি গোটেই মানুহটো সলনি হৈ গ'ল। কিবা এটা কঠিনতা আৰু দূৰত্বৰে সি জিলিকি উঠিল। অলপ উচ্‌পিচ কৰি কনি যাবলৈ ওলাল। চাফা পৰিপাটী যদিও গোমা আমোদহীন কোঠালিটোৰ চতুৰ্দিশ কনিয়ে আকৌ এবাৰ চালে। তাই সুধিলে, "তুমি ইয়াত অকলে থাকা নেকি?"

"একেবাৰে অকলে লেডীচিপ।"

"কিন্তু তোমাৰ মা?......"

"তেওঁ নিজৰ কাৰণে সজা ঘৰটোত থাকে।"

"কোনোবা ল'ৰা-ছোৱালীৰ লগত।"

"ল'ৰা-ছোৱালী!"

তাৰ সৰল ভাগৰুৱা মুখখনত এটা ব্যাখ্যাহীন তাচ্ছিল্যৰ ভাব, মুহূৰ্ততে সলনি হৈ পৰিল। আনক বিব্ৰত কৰিব পৰা কি যে এখন মুখ!

'নাই', কনিয়ে অবাক হৈ চাই থকা দেখি সি আকৌ ক'লে, "মায়ে শনিবাৰে ঘৰটো চাফা কৰি যায়, বাকীখিনি ময়ে কৰি লওঁ।" কনিয়ে পুনৰ তালৈ চালে।

তাৰ হাঁহি থকা নীলা চকুযুৰি উষ্ণ আৰু মৰমসনা। কিন্তু তাৰ মাজতেই এটা ইতিকিঙৰ ভাবৰ কনিয়ে উমান পালে। পিন্ধনত তাৰ মখমলৰ চাৰ্ট আৰু এডাল ধোঁৱাবৰণীয়া টাই। চুলিখিনি কোমল আৰু সেমেকা। মুখখন শেঁতা আৰু পৰিশ্ৰান্ত। চকুযুৰিয়ে যেতিয়া হাঁহিবলৈ বন্ধ কৰিলে তেতিয়া কনিৰ এনেকুৱা লাগিল যেন সি যথেষ্ট দুখ-যন্ত্ৰণাত ভুগিছে। অৱশ্যে তেতিয়াও উষ্ণতাৰ অভাৱ হোৱা নাই। কিন্তু নিঃসংগতাৰ শেঁতা আভাই তাক ঢাকি ধৰিছে। কনিয়েতো এনে এটাৰ ওচৰলৈ অহাৰ কথা কল্পনাও কৰা নাছিল!

বহুত কথা ক'ব খুজিও কনিয়ে মাত্ৰ তেওঁলৈ চাই মন্তব্য দিলে, "মই নিশ্চয় তোমাক আমনি কৰা নাই।" ইতিকিঙৰ মৃদু হাঁহিটোৰে তাৰ চকু মুদ খুৱাই দিলে।

"মই মাত্ৰ চুলিখিনি অকণমান আঁচুৰিয়াই লওঁ, বেয়া নাপাব। ....কোনে দুৱাৰত টুকুৰিয়াইছিল মই একো অনুমান কৰিব পৰা নাছিলো বাবে কোটটো পিন্ধা নহ'ল। ইয়াত কোনেও 'নক' নকৰে। অপ্ৰত্যাশিত শব্দবোৰ অমংগলীয়া যেন লাগে।"

সি কনিৰ সৈতে তাৰ ঘৰৰ আগৰ বাৰীখন পাৰ হৈ জপনামুখলৈকে আহিল। তাৰ গাত সেই বেয়া কোটটো নথকাত ভালেই হ'ল। কনিয়ে দেখিলে তাৰ দেহা খীনমীন। কিন্তু তাৰ ধুনীয়া চুলিকোছা আৰু চকুৰ দৃষ্টিৰ মৃদু চঞ্চলতাই যৌৱনৰ উজ্জ্বলতা প্ৰদান কৰিছে। তাৰ ছাগৈ বয়স সাতত্ৰিশ আঠত্ৰিশমান হ'ব।

কনিয়ে বনভূমিৰ ভিতৰলৈ খোজ ল'লে। তাই গম পালে যে সি তাইলৈ চাই ৰৈ আছে। তাইৰ অলপ দিগদাৰ লাগিল।

সিফালে সি ঘৰৰ ভিতৰ সোমাই ভাবিবলৈ ধৰিলে কনিৰ কথা। বৰ ধুনীয়া মানুহজনী। তাই নিজেই নাজানে তাই কিমান ধুনীয়া।

কনিয়ে ভাবি পাৰ নাপায়। মানুহটোক চিকাৰী, ৰথীয়া বা মালীৰ দৰে নালাগেই। বা সাধাৰণ শ্ৰমিকৰ নিচিনাও নহয়। দেখাত সাধাৰণ হ'লেও তাৰ মাজতে আছে কিবা এটা অসাধাৰণত্ব।

সেইদিনা কনিয়ে ক্লিফোৰ্ডক ক'লে, "মেলৰ্চ এটা অদ্ভুত ধৰণৰ মানুহ। সিয়ো এজন ভদ্ৰলোক হ'ব পাৰিব।"

ক্লিফোৰ্ডে আচৰিত হৈ ক'লে, "পাৰিব? মই তাক লক্ষ্যই কৰা নাই।"

কনিয়ে আকৌ জোৰ দি ক'লে, "তাৰ মাজত একো বৈশিষ্ট্য দেখা নাই?"

ক্লিফোৰ্ডে ক'লে, "মই ভাবো সি বৰ ভাল। কিন্তু মই তাৰ কথা বেছি একো নাজানো। এবছৰ আগতে সি যুদ্ধক্ষেত্ৰৰ পৰা আহিছে। বোধহয় সি ভাৰতবৰ্ষত আছিল এজন বিষয়াৰ লগুৱা হৈ। তাৰ পৰা সি কিছুমান কলা-কৌশল শিকি আহিছে। তাৰ উন্নতিয়ো হৈছে। কিন্তু তাৰ ফল বৰ এটা ভাল নহয়। কাৰণ দেশলৈ উভতি আহি আকৌ পুনৰ সেই আগৰ স্থানতে থাকিব লাগে।"

অভিজাত সমাজৰ মানুহৰ সেইটো এটা ৰীতি। কোনো সৰু মানুহ ডাঙৰ হওক বা উন্নতি হওক সেয়া তেওঁলোকে নিবিচাৰে। ক্লিফোৰ্ডলৈ চাই কনিয়ে তাকে ভাবিলে। কনিয়ে আকৌ ক'লে, "কিন্তু মানুহটোৰ মাজত এটা বৈশিষ্ট্য আছে। তুমি লক্ষ্য কৰা নাই?"

"নাই, লক্ষ্য কৰা নাই।"

ক্লিফোৰ্ডে কিছু অস্বস্তিৰে কনিলৈ চালে। সেই দৃষ্টিত কৌতূহল আৰু সন্দেহ দুয়োটাই বিদ্যমান। কনিয়ে বুজিলে যে ক্লিফোৰ্ডে তাইক সঁচা কোৱা নাই। সমস্যাতো সেইটোৱে। তেওঁ বিচাৰে পৃথিৱীৰ সকলো মানুহ তেওঁৰ তলত বা সমান হওক। কিন্তু কোনো অসাধাৰণ প্ৰতিভাসম্পন্ন মানুহ তেওঁতকৈ ওপৰলৈ নাযাওক।

এই যুগৰ মানুহৰ মানসিক সংকীৰ্ণতাৰ কথা কনিয়ে নতুনকৈ ভাবিবলৈ ধৰিলে। জীৱনটোক লৈ তেওঁলোক বহুত বেছি শংকিত। সেয়ে তেওঁলোক সদায়ে ঠেক গণ্ডীত আবদ্ধ।

সপ্তম অধ্যায়

সেইনিশা শুবলৈ গৈ কনিয়ে আগতে কেতিয়াও নকৰা কাম এটা কৰিলে। এখন ডাঙৰ আইনাৰ সন্মুখত থিয় দি তাই শৰীৰৰ সমস্ত কাপোৰ এখন এখনকৈ খুলিবলৈ ধৰিলে। তাইৰ নগ্ন শৰীৰটোক তাই খুঁটিয়াই খুঁটিয়াই চাবলৈ ধৰিলে। এই নগ্নতাৰ মাজত তাই কি বিচাৰিছিল তাই নিজেই নাজানে। জ্বলি থকা লেম্পটো হাতত লৈ তাৰ পোহৰত তাই নিজকে চাই থাকিল মাথোঁ।

ইমান শোচনীয়ভাৱে অপূৰ্ণ ক্ষণভংগুৰ এই মানৱ শৰীৰ! তাতে যদি নগ্ন হয় তেনেহ'লে ইমান যে বেয়া লাগে দেখিবলৈ। মানুহে তাইক ধুনীয়া বুলি কয়। তাইৰ ভাব হ'ল তাই আৰু গাভৰু হৈ থকা নাই। যৌৱন কাল পাৰ হৈ তাই এজনী মধ্যবয়সীয়া মহিলালৈ পৰিণত হ'ল। তাই বৰ ওখ নহয়। বৰঞ্চ আন স্কটিচসকলৰ দৰেই কিছু চাপৰ। কিন্তু তাইৰ গোটেই মানুহজনীৰ মাজত এনে এটি সৰল সাৱলীলতা আছে যাৰ কাৰণে মানুহে তাইক প্ৰথম দৰ্শনতে ধুনীয়া দেখে। তাইৰ গাৰ ছালখন ৰ'দে পোৰা, শৰীৰৰ অংগ-প্ৰত্যংগসমূহতো কোনো কমনীয়তা নাই। তাইৰ দেহাটো পুষ্ট, স্বাস্থ্যৱান আৰু উজ্জ্বল হৈ পৰিলহেঁতেন, কিন্তু নাই হোৱা। দেহৰ মাজত কিবা এটা অপূৰ্ণতা ক'ৰবাত ৰৈ গৈছে।

তাইৰ শৰীৰটো সম্পূৰ্ণ নাৰীৰ দৰে যিদৰে নহয়, তেনেদৰে পুৰুষৰ দৰেও নহয়। প্ৰতিটো অংগই কোনো কাৰণত উপযুক্ত পূৰ্ণতা নাপাই অপূৰ্ণ হৈ ৰৈ গৈছে। তাইৰ স্তনযুগল পুৰঠ হৈ নুঠিল। পেটটো শুকান কাঠ এচটাৰ দৰে নিৰস চেপেটা হৈ পৰিছে। তাইৰ জাৰ্মান প্ৰেমিকজন থাকোঁতে প্ৰেমৰ আৱেশত তাইৰ শৰীৰৰ যি উজ্জ্বলতা আছিল সেয়া এতিয়া নাই। চিক্‌চিকিয়া শৰীৰৰ পৰিৱৰ্তে বয়স্কা মহিলাৰ দৰে এটা অনুজ্জ্বল ভাব তাইৰ দেহত বিদ্যমান।

গোটেই শৰীৰটো হৈ পৰিছে অৰ্থহীন। অস্বচ্ছ আৰু গুৰুত্বহীন। কথাটো ভাবি তাই বৰ হতাশ আৰু দুখী হৈ পৰিল। আৰু একো আশা নাই জীৱনটোত। মাত্ৰ সাতাইশ বছৰ বয়সতেই তাই এজনী বুঢ়ী তিৰোতা হৈ পৰিল। ত্বকৰ উজ্জ্বলতা নোহোৱা হ'ল। অৱহেলা আৰু প্ৰেমাস্পদৰ অভাৱত তাইৰ যৌৱন লেৰেলি গৈছে। তাইক দিছে অকাল শোচনীয় বাৰ্ধক্য। চৌখিন মহিলাসকলে প্ৰশংসাকাৰীৰ সপ্ৰশংস দৃষ্টিৰ সহায়তে উজ্জ্বল আৰু ধুনীয়া হৈ থাকে। তাইৰ সেইবোৰ হোৱা নাই কেৱল তাইৰ মনটোৰ কাৰণে। তাইৰ মানসিক অৱস্থাটোৱে ইয়াৰ বাবে দায়ী। কথাবোৰ ভাবিয়ে খং, ক্ষোভ, ঘৃণাত জ্বলি-পকি উঠিল তাই।

এবাৰ তাই নিজৰ দেহৰ পিছফালে চকু দিলে। কঁকাল, তপিনা এইবোৰ দেখি ভাব হ'ল এইসমূহ যেন বৰ ক্লান্ত আৰু দুখী। অথচ আগতে ইয়াতে আছিল আনন্দৰ প্ৰতিচ্ছবি। আগতে এইবোৰ কিমান মসৃণ, কোমল আছিল। সেয়া সম্ভৱ হৈছিল তাইৰ সেই জাৰ্মান প্ৰেমিকৰ প্ৰেমৰ পৰশত। তেওঁ গুচি যোৱাৰ পাছত দেহৰ এই অংগসমূহত আগৰ সেই সৌন্দৰ্য আৰু নাই। দহ বছৰ হ'ল তেওঁৰ মৃত্যু হোৱা আৰু তাইৰ সন্মুখত পৰি আছে তাইৰ গোটেই জীৱনটো। বলিষ্ঠ দেহী সেই জাৰ্মান যুৱক আছিল প্ৰাণ প্ৰাচুৰ্যৰে ভৰপুৰ। তাৰ যিবোৰ কথা আৰু কাম তেতিয়া কনিৰ বৰ বেয়া লাগিছিল এতিয়া সেইবোৰ পাবলৈ তাই উত্ৰাৱল হৈ পৰে। কিন্তু ক'তো কাৰোপৰা নাপায়। আজিকালিৰ পুৰুষৰ মাজত ইন্দ্ৰিয়াৱেগৰ সেই বলিষ্ঠতা, নিবিড়তা নিঃশেষ হৈ গৈছে। আজিৰ পুৰুষৰ যৌনক্ৰিয়া মানে মাইকৰ নিচিনা। মাথোঁ দুই ছেকেণ্ডৰ তৰল উত্তেজনা। পৌৰুষ সুলভ দুৰন্ত, বলিষ্ঠ যৌনাৱেগে নাৰীদেহৰ অভ্যন্তৰত শুই থকা কামনাক ধীৰে ধীৰে উত্তপ্ত কৰি তেওঁলোকৰ সত্তাক সজীৱ কৰাৰ যি ক্ষমতা থাকে সেয়া আজিৰ পুৰুষৰ মাজত নাই।

তাইৰ ভাব হ'ল তাইৰ পিঠিৰ পৰা কঁকাল পাৰ হৈ নিতম্বলৈকে যি এঢলীয়া ভাঁজ এটি আছে তাতেই তাইৰ অৱশিষ্ট সৌন্দৰ্যকণ আছে। কিন্তু শৰীৰৰ সমুখভাগ দেখি হতাশ হৈ পৰিল কনি। যৌৱনসুলভ উজ্জ্বলতাৰ পৰিৱৰ্তে ইয়াত বাৰ্ধক্য সুলভ জড়তাহে বিদ্যমান। তাই সন্তাননো কেনেকৈ গৰ্ভধাৰণ কৰিব? এই দেহ সন্তান ধাৰণৰ বাবে উপযুক্ত নে?

তাই শুবলৈ গ'ল। কিন্তু বিছনাত পৰিয়ে উচুপি উঠিল। অন্তহীন তিক্ততাৰ মাজত তাইৰ মনৰ ভিতৰত ক্লিফোৰ্ড, তেওঁৰ লেখা, কথা-বতৰা, তেওঁৰ বন্ধু-বান্ধৱ এই সকলোৰে প্ৰতি এক ঘৃণাৰ জন্ম হ'ল। খং উঠিল তাইৰ। ক্লিফোৰ্ড আৰু তাৰ বন্ধুবোৰ চব একেই। সিহঁতে কোনো নাৰীকে উপযুক্ত দেহগত মৰ্যাদা দিব নাজানে।

অন্যায়। ঘোৰ অন্যায়। তাইৰ অন্তৰাত্মাৰ গভীৰত দেহগত অবিচাৰৰ প্ৰতি একুৰা জুই জ্বলি উঠিল।

পিছদিনা পুৱা সদায় উঠাৰ দৰেই সাত বজাতে উঠিল তাই। উঠিয়ে তলৰ তলাত থকা ক্লিফোৰ্ডৰ ওচৰলৈ গ'ল। কাৰণ ক্লিফোৰ্ডৰ একান্তই ব্যক্তিগত কামবোৰ তায়ে কৰি দিব লাগে। সেইবোৰ কৰিবলৈ কোনো সহায়কাৰী নাই। যিজন আছিল তাৰো বয়স হোৱাত গধুৰ বস্তু দাঙিব নোৱৰা হ'ল। সেইকাৰণে কনিয়ে ৰাগবি এৰি ক'লৈকো যাব নোৱাৰে। কেতিয়াবা ক'ৰবালৈ যাবলগীয়া হ'লে ক্লিফোৰ্ডহঁতৰ পুৰণি লগুৱা বেটচৰ পত্নীয়ে এই কামবোৰ কৰেহি। ক্লিফোৰ্ডেও উপাই নাপাইহে তাইৰ হতুৱাই এই কামবোৰ কৰোৱায়।

কনিৰ মন শান্ত নহ'ল। তাইৰ মন প্ৰতাৰণাজনিত এই অবিচাৰৰ বাবে তুহঁ জুইৰ দৰে উমি উমি জ্বলি থাকিল সৰ্বক্ষণ। দেহগত প্ৰতাৰণা বা অবিচাৰৰ বাবে হোৱা

নিৰাশাজনক অৱস্থা আৰু ব্যৰ্থতাবোধ মনলৈ আহিলে ই বৰ বিপদজ্জনক আৰু ভয়ংকৰ হৈ উঠে। ইয়াক আত্ম-প্ৰকাশৰ পথ নেদেখুৱালে ই যাক কেন্দ্ৰ কৰি হৈছে তাক পুৰি ছাৰখাৰ কৰি দিব। অৱশ্যে বেচেৰা ক্লিফোৰ্ডক দোষ দিয়ো লাভ নাই। কাৰণ তেওঁ কনিতকৈয়ো ডাঙৰ দুৰ্যোগৰ বলি হৈছে। তথাপিও তেওঁ এটা দিশত দোষৰ পাত্ৰ। কনিৰ প্ৰতি নিবিড় আন্তৰিকতাৰ অভাৱৰ বাবে আৰু অভিজাত সমাজৰ চিন্তাশীল লোকৰ দৰে এটা নিৰস সু-বিবেচনাৰ বাবে তেওঁ দোষৰ পাত্ৰ। এজন পুৰুষে তেওঁৰ পৌৰষ সুলভ হাঁহি-ধেমালিৰ উত্তাপেৰে নাৰীমনৰ হিমশীতল অনুভূতিসমূহক জগাই তুলি, নাৰীমনৰ আধাফুলা ফুল কলিটিক প্ৰস্ফুটিত কৰি তোলা উচিত। কিন্তু ক্লিফোৰ্ডে এইবোৰ কোনোদিনে নকৰিলে।

ক্লিফোৰ্ডে এনেকুৱা একো নকৰে। কেৱল ক্লিফোৰ্ডেই নহয়; তেওঁলোকৰ অভিজাত সমাজৰ কোনো পুৰুষেই এনেকুৱা নকৰে। প্ৰকৃততে অন্তৰৰ ফালৰ পৰা তেওঁলোক সকলোৱেই স্বতন্ত্ৰ, অ-বিগলিত, অ-বিচলিত কঠিনতাৰে প্ৰস্তৰীভূত। তেওঁলোকৰ বাবে আন্তৰিকতা বোলা বস্তুটো হৈছে সুৰুচিৰ পৰিচয়। পিছে আন্তৰিক নহ'লে জীৱন বেচ ভালদৰেই চলি যায়। জীৱন পথত সদায়ে নিজৰ স্বাতন্ত্ৰ্য বজাই, নিজৰ সত্তা অক্ষুণ্ণ ৰাখি এওঁলোক আগবাঢ়ে।

হয়, যদি আপুনি অভিজাতশ্ৰেণীৰ মানুহ তেনেহ'লে কোনো কথা নাই। তেতিয়া আপুনি নিজৰ শ্ৰেণীগত আধিপত্যৰ কথা ভাবি স্বাচ্ছন্দে নিজৰ স্বাতন্ত্ৰ্য বজাই ৰাখি চলিব পাৰে। কিন্তু আপুনি যদি অন্যশ্ৰেণীৰ হয় তেন্তে আপোনাৰ সম্ভ্ৰমবোধ নাথাকিব। আপুনি অভিজাত শাসক শ্ৰেণীৰ মানুহ এইকথা কেতিয়াও ভাবিব নোৱাৰে। তাৰ বাহিৰে অভিজাত সমাজৰ চূড়ামণিসকলৰ ব্যক্তি সত্তাৰ মাজত এনে কোনো বস্তু নাই যি তেওঁলোকৰ আত্ম-স্বাতন্ত্ৰ্য হিচাবে ধাৰণ কৰি চলিব। গতিকে তেওঁলোকে কেনে শাসন কৰিব? তেওঁলোকৰ শাসন হ'ব এক হাস্যস্পদ কু-শাসন। তাৰ মাজত সত্য ক'ত? গোটেই কৰ্ম-কাণ্ডবোৰ ঠাণ্ডা মগজুৰে কৰা এক চূড়ান্ত মুৰ্খামিৰ বাহিৰে আন একো নহয়।

এটা বিদ্ৰোহৰ ভাবে কুণ্ডলী পকালে কনিৰ মনত। ইয়াৰ মাজত ভাল বুলিবলৈ কিডাল আছে? তাইৰ এই আত্মত্যাগ আৰু ক্লিফোৰ্ডৰ প্ৰতি তাইৰ এই অনুৰক্তি, আনুগত্যত কি আছে? তাইনো এনেদৰে দেখুৱাই থকাৰ অৰ্থ কি? যি সেৱা-শুশ্ৰূষাৰ মাজত আন্তৰিকতা লেশমানো নাই, সেয়া হ'ল সেই দেৱীৰ কামত বেশ্যাবৃত্তিৰ দৰে দুৰ্নীতিমূলক। ক্লিফোৰ্ডে সেই দুৰাকাংক্ষাৰ দেৱীৰ পাছে পাছে লৰ ধৰিছে আনহাতে তেওঁ নিজকে শাসক শ্ৰেণীৰ লোক বুলিয়ো কয়। তেওঁ কোনো লজ্জা অনুভৱ নকৰে। এইক্ষেত্ৰত মাইকেলিচৰ অকণমান হ'লেও অন্ততঃ আত্ম-মৰ্যাদাবোধ আছে। তেওঁতো ক্লিফোৰ্ডতকৈ বেছি উন্নতি কৰিছে। যদি কোনোবাই ভালকৈ লক্ষ্য কৰে তেন্তে দেখিব ক্লিফোৰ্ড এটা মস্ত হেবাং। মাইকেলিচৰ অসভ্যালি সহ্য কৰিব পাৰিলেও ক্লিফোৰ্ডৰ বহুৱালি সহ্যৰ বাহিৰত।

যদি ভালকৈ গমি চোৱা যায় যে ক্লিফোৰ্ড আৰু মাইকৰ মাজত কাৰ প্ৰয়োজন বেছি তেনেহ'লে কনিৰ বাবে মাইকৰ প্ৰয়োজনেই বেছি। ক্লিফোৰ্ডৰ প্ৰয়োজন মানে সেৱা-শুশ্ৰূষা। এজনী ভাল নাৰ্ছেও এই কাম কৰিব পাৰিব।

ক্লিফোৰ্ডৰ পৰিয়ালৰ মানুহে কনিৰ কথা মাজে মাজে আলোচনা কৰে। তেওঁলোকৰ মাজৰে এগৰাকী হ'ল ইভা আণ্টী। লেডী বেনাৰ্লি। তেওঁৰ বয়স ষাঠি। শৰীৰ ক্ষীণ। অভিজাত পৰিয়ালৰ ছোৱালী হিচাপে আভিজাত্যপূৰ্ণভাৱেই তেওঁ গোটেই জীৱন কটাইছে। নিজৰ আভিজাত্যৰ গুণ-গৰিমা আৰু বংশ-গৌৰৱক সদায়ে উচ্চ স্থান দি আৰু তল শ্ৰেণীৰ মানুহৰ প্ৰতি সদায়ে হেয় দৃষ্টিৰে চোৱাৰ খেলখনৰ তেওঁ পাৰদৰ্শী। তেওঁ কিন্তু কনিক স্নেহৰ দৃষ্টিৰে চায়। ভাল পায়। ইভা আণ্টীয়ে এদিন কনিক ক'লে, "সঁচাকৈয়ে তুমি বৰ আচৰিত ছোৱালী। তুমি ক্লিফোৰ্ডৰ কাৰণে যিখিনি কৰিছা সেয়া সঁচায়ে বিস্ময়কৰ। ক্লিফোৰ্ডৰ বাহিৰে এতিয়ালৈকে মই এনে কোনো উদীয়মান প্ৰতিভা দেখা নাছিলো।"

ইভা আণ্টী ক্লিফোৰ্ডৰ সাফল্যত গৰ্বিত। কিন্তু ক্লিফোৰ্ডেনো কি লিখিছে তাক লৈ তেওঁৰ কোনো আগ্ৰহ নাই।

কনিয়ে ক'লে, "মোৰ ইয়াত একো কৃতিত্ব নাই। ইভা আণ্টীয়ে কৈ উঠিল, "তোমাৰ কৃতিত্ব নহে কাৰ কৃতিত্ব এয়া? অৱশ্যে ইয়াৰ বাবে উপযুক্ত প্ৰতিদান বা পুৰস্কাৰ তুমি পোৱা নাই।"

"কিয় তেনেকৈ কৈছে?"

"তুমি কেনেকৈ ঘৰখনতে বন্দী হৈ আছা দেখা নাই জানো। মই এদিন ক্লিফোৰ্ডক কৈছিলো, বোৱাৰীয়ে যদি কেতিয়াবা বিদ্ৰোহ কৰে, তেতিয়া তাৰবাবে তুমি নিজকে ধন্যবাদ দিবা।"

"ক্লিফোৰ্ডে কেতিয়াও মোক কোনো বস্তু নিদিয়াকৈ নাথাকে।"

কনিৰ কান্ধত তেওঁৰ শীৰ্ণ হাত এখন ৰাখি লেডী বেনাৰ্লিয়ে ক'লে, "চোৱা মাজনী, ছোৱালী হৈ জন্ম লৈছা যেতিয়া ছোৱালী হৈ থাকিবই লাগিব।"

কথাৰ মাজে মাজে লেডী বেনাৰ্লিয়ে এঢোক দুঢোককৈ মদিৰা পান কৰি গ'ল।

কনিয়ে সুধিলে, "কিয়? মইতো ছোৱালী মানুহে যেনেদৰে জীৱন-যাপন কৰে তেনেকৈয়ে কটাইছো।"

"কিন্তু মোৰ পছন্দ হোৱা নাই। ক্লিফোৰ্ডে তোমাক লণ্ডনলৈ লৈ যাব লাগিছিল। তাৰ বন্ধুবোৰ ভাল। সিহঁতৰ ওচৰত তাৰ মূল্য আছে। কিন্তু সিহঁতৰ কাষত তোমাৰ কি মূল্য আছে? মই একো ভাল নেদেখো। মই নিবিচাৰো তোমাৰ যৌৱনটো এনেদৰে লেৰেলি শুকাই যাওক। নহ'লে মধ্যবয়সত নতুবা শেষ বয়সত ইয়াৰ কাৰণে বৰ অনুতপ্ত হ'ব লাগিব।"

কথাখিনি কৈ উঠি লেডী বেনার্লি নিশ্চুপ হৈ কিবাকিবি ভাবিবলৈ ধৰিলে। তেওঁৰ খালী পাত্ৰটি পুনৰ মদেৰে ভৰাই ল'লে।

কনিৰ কিন্তু লণ্ডনলৈ গৈ লেডী বেনার্লিৰ সমাজখনত উঠা-বহা কৰাৰ অকণো ইচ্ছা নাই। স্মাৰ্ট হোৱাৰ, আধুনিকা হোৱাৰ সপোন নেদেখে তাই। তাইৰ ভাব হয়, এই সকলোৰে অন্তৰালত আছে এটা হীমশীতল শুষ্কতা। ঠিক যেন শীতল লাব্রাডোৰৰ সোঁত, যাৰ পৃষ্ঠভাগত ফুল ওপঙি থাকিলেও ভৰি ডুবালেই ঠাণ্ডাত ঠেৰেঙা লাগে।

টমি ডিউক তেতিয়া ৰাগবিতে আছিল। আৰু আছিল হেৰি উইণ্টাৰস্ল', জেক ষ্ট্ৰেঞ্জৱেজ আৰু তেওঁৰ পত্নী অলিভ। বেয়া বতৰৰ বাবে ক'লৈকো নগৈ তেওঁলোক আটায়ে ঘৰতে বহি আড্ডা মাৰি আছে। মাজে মাজে বিলিয়াৰ্ডো খেলে।

অলিভে এখন ভৱিষ্যত সম্পৰ্কে লিখা কিতাপ পঢ়িছিল। য'ত লিখা আছিল, ভৱিষ্যতে নাৰীয়ে আৰু সন্তান গৰ্ভধাৰণ কৰিব নালাগে, সন্তান বটলতে জন্ম দিব পৰা যাব। যাৰ ফলত নাৰীয়ে নিজ ইচ্ছামতে ভোগ কৰিব পাৰিব আৰু নাৰীক বন্ধ্যাকৰণ কৰাৰ পাছতো স্বাভাৱিক দেহ সৌন্দৰ্য অটুট থাকিব। কিতাপখন পঢ়ি পঢ়ি অলিভে কৈ উঠিল, "কিমান যে ভাল হ'ব তেতিয়া। তেতিয়াহে সঁচাকৈয়ে নাৰীয়ে জীৱনটোক উপভোগ কৰিব পাৰিব।"

তাইৰ গিৰিয়েক ষ্ট্ৰেঞ্জৱেজে সন্তান বিচাৰে কিন্তু তাইক সন্তান নালাগে।

উইণ্টাৰস্ল'ৱে দুষ্টালিৰ হাঁহি মাৰি অলিভক সুধিলে, "আপুনি কেনেধৰণৰ বন্ধ্যাকৰণ বিচাৰে?"

অলিভে উত্তৰ দিলে, "মই আশা কৰোঁ ভৱিষ্যতে মানুহৰ বুদ্ধিবৃত্তি আৰু বাঢ়িব। তেতিয়া আৰু সন্তান জন্ম দিয়া কামটোৰ বাবে কেৱল মহিলাসকলকে টানি অনা নহ'ব।"

ডিউকে মাত লগালে, "তেতিয়া মাইকী মানুহবোৰ আকাশত ভাহি ফুৰিব।"

ক্লিফোৰ্ডে ক'লে, "সভ্যতাৰ উন্নতিৰ লগে লগে মানুহৰ দেহগত বাধা-বিপত্তিবোৰক অপসাৰিত কৰা উচিত। মই ভাবো, আমি যদি বটলৰ ভিতৰতে সন্তান উৎপাদন কৰিব পাৰোঁ তেতিয়া আৰু এই প্ৰেম পিৰিতিৰ কাৰবাৰবোৰ নাইকিয়া হ'ব।"

অলিভে ক'লে, "নহ'ব। আৰু বাঢ়িহে যাব।" চিন্তান্বিতভাৱে লেডী বেনার্লিয়ে ক'লে, "যদি প্ৰেম-ভালপোৱা নিঃশেষ হৈ যায় তেন্তে আন কিবা নিচা সাঙোৰ খাব। হয়তো মৰ্ফিয়াৰ নিচা। এইটো বৰ ভাল নিচা। সকলোৰে উন্মাদনা জগাই তুলিব।"

জেক ষ্ট্ৰেঞ্জৱেজে ক'লে, "প্ৰতি শনিবাৰে বতাহত অলপ মৰ্ফিয়াৰ নিচা ছটিয়াই দিব লাগে। তেতিয়া সপ্তাহৰ শেষ দিনটো ভালকৈ পাৰ হ'ব।"

"কথাটো শুনি ভালেই লাগে। পিছে সপ্তাহৰ বাকী দিনকেইটাত কি হ'ব?"

লেডী বেনার্লিয়ে ক'লে, "যিমান দিন মানুহে নিজৰ দেহৰ কথা পাহৰি থাকে সিমান দিনলৈকে ভাল। কিন্তু দেহৰ কথা মনত পৰিলেই তোমাৰ ফালে আধ্যা

পৰিল। যদি উন্নত সভ্যতাই কিবা উপকাৰ বা মংগল কৰিব পাৰে তেন্তে মানুহে নিজৰ দেহৰ কথা পাহৰিব পাৰিব লাগিব। নহ'লে আমাৰ দিনবোৰ কেনেকৈ পাৰ হ'ব আমি গমেই নাপাম।"

উইণ্টাৰস্নৰে ক'লে, "হয়, আমাৰ দেহৰ পীড়নৰ পৰা মুক্ত কৰিব লাগিব। সেই কথা ভবাৰ সময় এতিয়া আহিছে। মানুহৰ জৈবিক দিশটোৰ উন্নতি সাধন কৰা উচিত।

কনিয়ে ক'লে, "ধৰি লোৱা আমি চিগাৰেটৰ ধোঁৱাৰ নিচিনাকৈ শূন্যতে ওপঙি থাকোঁ।"

ডিউকে কৈ উঠিল, "সেইটো কোনো পথ্যেই নহয়। সেইটো হ'বলৈ হ'লে আমাৰ জৈবিক কামনা-বাসনা বাদেই আমাৰ সভ্যতা বুলিয়ে একো নাথাকিব। কোনোবা অতল গৰ্ভৰ তলি পাবগৈ। সেই অতল গৰ্ভৰ তলিৰ পৰা উঠাবলৈ তেতিয়া এটা উপায়ে থাকিব; আৰু সেইটো হ'ল মানুহৰ জননেন্দ্ৰিয়।"

অলিভে চিএৰি উঠিল, "নাই, নাই নহয়, সেনাপতিদেউ, সেইটো অসম্ভৱ।"

ইভা আণ্টীয়ে ক'লে, "আমাৰ সভ্যতা ধ্বংস হৈ গৈ আছে।"

ক্লিফোৰ্ডে সুধিলে, "তাৰ পৰিবৰ্তে কি আহিছে?"

তেওঁৰেই উত্তৰ দিলে, "মোৰ কোনো ধাৰণা নাই। কিন্তু কিবা এটা যে আহিব সেইটো ঠিক।"

কনিয়ে ক'লে, "একো নহয়। ধোঁৱাৰ দৰে চব শূন্য।" অলিভে ক'লে, "ভৱিষ্যতে এনে এদিন আহিব যেতিয়া নাৰীয়ে সন্তান গৰ্ভধাৰণ কৰিব নালাগে, বৰং বটলৰ ভিতৰতে কেঁচুৱা জন্ম হ'ব।" ডিউকে ক'লে, "মানুহৰ সকলো সভ্যতা অতল গহ্বৰত জাহ যাব। কেৱল মানুহৰ জননেন্দ্ৰিয়ই সেই অতল গহ্বৰৰ ওপৰত নতুন সভ্যতাৰ সেতু বান্ধিব।" ক্লিফোৰ্ডে ক'লে, "আচলতে ইয়াৰ পৰিবৰ্তে কি সভ্যতা আহিব সেইটো ধৰিব পৰা নাই।"

অলিভে পুনৰ ক'লে, "সেইবিলাক ভাবি থকাৰ দৰকাৰ নাই। বটলত যাতে কেঁচুৱা জন্ম হয় তাৰ কাৰণে চেষ্টা কৰা। নাৰী জাতিক সন্তান ধাৰণৰ যন্ত্ৰণাৰ পৰা অব্যাহতি দিয়া।" টমি ডিউকেও মাত লগালে, "মানৱ সভ্যতাৰ আহিবলগীয়া স্তৰটোত বিৰাট পৰিবৰ্তন হ'ব পাৰে। হয়তো প্ৰকৃত মানুহ, প্ৰকৃত নৰ-নাৰী আহিব যি আমাৰ পৰা সম্পূৰ্ণ পৃথক। আমিতো সঁচা মানুহ নহয়। আমি মনুষ্যত্ব অৰ্জন কৰিবই পৰা নাই। আমি বুদ্ধি আৰু কাৰিকৰী ক্ষেত্ৰত পৰীক্ষা-নিৰীক্ষা কৰাতে ব্যস্ত। ইয়াৰ পিছৰ সভ্যতাত চতুৰ কুশলী লোকৰ পৰিবৰ্তে সঁচা মানুহ আহিব। তেতিয়া ধোঁৱাৰ মানুহ বা বটলৰ কেঁচুৱাও নহয়।"

অলিভে আকৌ ক'লে, "মানুহে যেতিয়া প্ৰকৃত নৰ-নাৰীৰ কথা কয় মই তেতিয়া পৃষ্ঠভংগ দিওঁ।"

উইণ্টাৰসন্নে ক'লে, "আমাৰ আটাইতকৈ ভাল বস্তুটো হ'ল আমাৰ অন্তৰাত্মা। আধুনিক জীৱন-ধাৰাৰ পৰা আমি আন একো উপাদান পোৱা নাই।"

জেকে চ'ডা মিহলি হুইস্কী এঢোক খাই আচৰিত হৈ সুধিলে, "অন্তৰাত্মা?"

টমি ডিউকে ক'লে, "তুমি কি ভাবা? আমি সভ্যতা নিঃশেষ হৈ যোৱাটো বিচাৰো। মানুহবোৰ চব মৰক। তাৰপিছত সিহঁতৰ দেহৰ পৰা পুনৰুত্থান হওক। অন্তৰাত্মা বোলা বস্তুটোক যেন আমি নির্বাসন দিব পাৰোঁ। যেতিয়া আমাৰ আবেগবিহীন চিন্তা-চৰ্চাই গুৰুত্ব পাব, তেতিয়া টকা-পইচা, ধন-ঐশ্বৰ্যৰ আক্ৰোশ নাথাকিব; তেতিয়াই সেই সময় সমাগত হ'ব। আমি আমাৰ পকেট গধুৰ কৰাৰ গণতন্ত্ৰৰ সলনি পাম স্পৰ্শৰ গণতন্ত্ৰ। ইজনে সিজনক স্পর্শ কৰাৰ স্বাধীনতা।"

কথাটো যেন বাৰে বাৰে প্ৰতিধ্বনিত হ'ল কনিৰ অন্তৰত। তাই মনে মনে ক'লে, "দেহাস্বাদৰ প্ৰতিভূস্বৰূপ স্পৰ্শৰ স্বাধীনতা মোক দিয়া।" এই কথাৰ অৰ্থ কি তাই ঠিক নাজানে, কিন্তু কথাটো ভাল লাগিছে। যেনেকৈ বহুত অৰ্থহীন কথাই ভাল লাগে তাইৰ।

আচলতে গোটেইবোৰেই নিৰ্বোধ। গোটেই কথাবোৰৰ ওপৰত তাইৰ প্ৰচণ্ড খং উঠিল। ক্লিফোর্ড, ইভা আণ্টী, অলিভ, জেক, উইণ্টাৰসন্', টমি ডিউক— ইহঁত আটাইবোৰ মূৰ্খ। খালি কথা আৰু কথা। এই অৰ্থহীন চুপতিৰ অৰ্থ কি?

কথা চোবাই চোবাই যেতিয়া সকলোৰে মুখ বন্ধ কৰিলে তেতিয়াও কনিৰ ভাল নালাগিল। ভাগৰুৱা ভাবটোৱে দিনে দিনে বাঢ়ি গৈ তাইৰ মনটোকে গ্ৰাস কৰি পেলাইছে। ক্ৰোধ আৰু অসহিষ্ণুতাৰ অব্যক্ত প্ৰচণ্ডতাই তাইৰ মনৰ পৰা ধীৰে ধীৰে নামি তাইৰ শৰীৰৰ নিম্নাংশক গ্ৰাস কৰিলে। তাৰপৰা কোনোমতেই অব্যাহতি নাই, এনে লাগিল যেন এটা দুঃসহ বেদনাত নিৰ্মমভাৱে নিষ্পেষিত হৈ গৈছে তাইৰ নিম্নাংশ। তাই শুকাই-খীণাই যাবলৈ ধৰিলে। ঘৰৰ এজনী পুৰণি সহায়কাৰিণীয়ে এই কথাটো প্ৰথমে লক্ষ্য কৰি সুধিলে। আনকি টমি ডিউকেও তাইৰ গা ভাল নাই নেকি বুলি সোধাত কনিয়ে ক'লে যে তাই ঠিকেই আছে। তাই যে খীণাই শুকাই গৈছে এই লৈ তাই অকণো চিন্তিত নহয়। কিন্তু তাইৰ মনত ভয় সোমাইছে। তাই যেতিয়া পাৰ্ক বা বনভূমিলৈ ফুৰিবলৈ যায় তেতিয়া তেওঁলোকৰ পৰিয়ালৰ সমাধিক্ষেত্ৰলৈ চকু যায়। তেতিয়া তাইৰ এনেকুৱা লাগে যেন উপৰিপুৰুষৰ ভূতবোৰে কবৰৰ শিলাখণ্ডৰ ওপৰত বহি তাইলৈ চাই দাঁত নিকটাই হাঁহে। তাইক যেন সোঁৱৰাই দিয়ে তুমিয়ো এদিন জীৱনৰ অসাৰ লীলা-খেলা শেষ কৰি ইয়াতে নীৰৱে শুই থাকিবহি লাগিব।

কনিয়ে বায়েক হিলদালৈ চিঠিত লিখিলে যে তাই অসুস্থ। কি বেমাৰ হৈছে ধৰিব পৰা নাই। স্কটলেণ্ডত থকা হিলদাই লগে লগেই নিজেই গাড়ী চলাই তাইৰ কাষ পালেহি। তেতিয়া মাৰ্চ মাহ। গাড়ীৰ পৰা নমাৰ লগে লগে বায়েকক সাবটি ধৰি চুমা খালে কনিয়ে। হিলদাই সুধিলে, "কি হ'ল?"

কনিয়ে লাজ লাজকৈ উত্তৰ দিলে, "একো নাই।"

মুখ ফুটাই নক'লেও প্ৰতি মুহূৰ্ততে দুঃসহ যন্ত্ৰণাই নিপীড়িত কৰিছে কনিক। দুজনী বায়েক-ভনীয়েক। একেই শাৰীৰিক গঠন, কোমল-আমল চুলি, উজ্জ্বল ছাল। হিলদা মাথোঁ দুবছৰ ডাঙৰ কনিতকৈ। অথচ হিলদাৰ স্বাস্থ্যোজ্জ্বল চেহেৰা আৰু কনিৰ শীৰ্ণ শায়িত অনুজ্জ্বল শৰীৰ। কনিৰ দৰেই হিলদাৰো কোমল কণ্ঠস্বৰ। কনিৰ দৰেই মোলায়েম সুৰত হিলদাই ক'লে, "তুমি সঁচায়ে অসুস্থ।"

মুখত অকণমান হাঁহি বিৰিঙাই কনিয়ে ক'লে, "নহয়। মই বোধহয় বৰ ক্লান্ত।" হিলদাৰ চকু-মুখ উজ্জ্বল। নাৰীসুলভ কমনীয়তাৰ অভাৱ নাই তাইৰ দেহত। দেখাত পুৰঠ নাচপতি এটাৰ দৰেই লাগিছিল তাইক। তাই পিছে যিকোনো মতা মানুহৰ লগত ফটকে মিলা-মিছা কৰিব নোৱাৰে।

হিলদাই ৰাগবিৰ চাৰিওদিশে চকু ফুৰাই কৈ উঠিল, "কি জঘন্য ঠাই।" লৰালৰিকৈ তাই ক্লিফোৰ্ডৰ ওচৰলৈ গ'ল। হিলদাক দেখি ক্লিফোৰ্ডে মনতে ভাবিলে, বাঃ ইমান ধুনীয়া লাগিছে এইক। কিন্তু শহুৰৰ পৰিয়ালৰ মানুহবোৰক ভাল নাপায় ক্লিফোৰ্ডে, কাৰণ মন নিমিলে। জীৱনবোধ আৰু ৰুচি বোধ নিমিলে। কিন্তু হিলদাৰ এনে এটি ব্যক্তিত্ব, অ-প্ৰতিৰোধ্য আবেদন আছে যে তাইক উপেক্ষা কৰিবও নোৱাৰি।

গম্ভীৰ হৈ বহি থকা ক্লিফোৰ্ডৰ চুলিকোছা চিক্‌চিকাই আছিল। চকু-মুখ ম্লান যদিও দৃষ্টিৰ তীক্ষ্ণতা আছিল। মুখত আছিল আভিজাত্যসুলভ গাম্ভীৰ্যতা। কিন্তু ক্লিফোৰ্ডৰ এই গাম্ভীৰ্যতাক গুৰুত্ব নিদিলে হিলদাই। ক্লিফোৰ্ড যদি পোপৰ পদতো অধিষ্ঠিত হৈ থাকিলেহেঁতেন তথাপিও হিলদাই গ্ৰাহ্য নকৰিলেহেঁতেন।

হিলদাই তাইৰ ধুনীয়া চকুযুৰিৰে শৰবিদ্ধ কৰি ক্লিফোৰ্ডক প্ৰশ্ন কৰিলে, "কনিক বৰ অসুখীয়া যেন লাগিছে।"

কনিৰ দৰে হিলদাকো ছোৱালী মানুহৰ নিচিনাই লাগে। এই চেহেৰাৰ অন্তৰালত আছে স্কটদেশীয় এটা দৃঢ়তা।

ক্লিফোৰ্ডে ক'লে, "হয়, তেওঁ বৰ খীণাইছে।" হিলদাই সুধিলে, "তুমি একো কৰা নাই কিয়?"

ক্লিফোৰ্ডেহে ওলোটাই প্ৰশ্ন কৰিলে, "কিবা কৰাৰ কথা আছে বুলি আপুনি ভাবে নেকি?"

তেওঁৰ কথাৰ সুৰত ভদ্ৰতা আছিল যদিও ইংৰাজসুলভ এক কঠোৰতাও মিহলি হৈ আছিল।

হিলদাই একো উত্তৰ নিদি মাথোঁ খঙেৰে ক্লিফোৰ্ডলৈ চাই ৰ'ল। কনিৰ দৰে তাই মুখে মুখে উত্তৰ দিব নোৱাৰে। ক্লিফোৰ্ডৰ এনেকুৱা লাগিল, যদি তাই তেনেকৈ নাচাই ...ৰ্থনাকে কৰিলেহেঁতেন তেতিয়াও ভাল আছিল।

হিলদাই কনিক ডাক্তৰৰ ওচৰলৈ নিয়াৰ কথা ক'লে। ক্লিফোৰ্ডে কোনো বিশেষ ...ক্তৰৰ নাম ক'ব নোৱাৰিলে। হিলদাই কনিক লণ্ডনলৈ লৈ যাবলৈ ওলাল। তাতে তেওঁলোকৰ চিনাকি, বিশ্বাসী ডাক্তৰ এজন আছে।

ক্লিফোর্ডৰ খং উঠিলেও মুখ ফুটাই একো নক'লে। হিলদাই সেইনিশা ৰাগবিতে কটাই পিছদিনা পুৱা কনিক লণ্ডনলৈ লৈ যাব বুলি ক'লে। হিলদাৰ ধুনীয়া শৰীৰটো চাই চাই ক্লিফোর্ডে খং জামৰিলে।

নিশাৰ আহাৰ খোৱাৰ পাছত কফিৰ কাপত চুমুক দি হিলদাই ক্লিফোর্ডক ক'লে, "তোমাক চাবলৈ এজনী নার্ছ বন্দবস্ত কৰিম। আচলতে তোমাক চাবলৈ এটা মতা মানুহৰহে দৰকাৰ।"

তাই খুব কোমল কণ্ঠেৰে কথাষাৰ ক'লেও এপাট চোকা অস্ত্রৰে ৰেপি দিয়াৰ দৰে লাগিল ক্লিফোর্ডৰ।

ক্লিফোর্ডে নিৰসভাৱে সুধিলে, "আপুনি সেইবুলি ভাবে নেকি?"

হিলদাই ক'লে, "হয়, এই বিষয়ে মই খাটাং। তুমি যি ভাল দেখা তাকে কৰা। মই কনিক কেইমাহমানৰ কাৰণে লৈ যাওঁ। এনেকুৱা কাণ্ড-কাৰখানা আৰু নচলিব।"

"কেনেকুৱা ধৰণৰ কাণ্ড-কাৰখানা?"

হিলদাই ক্লিফোর্ডলৈ স্পষ্টকৈ চাই উত্তৰ দিলে, "তুমি কনিক দেখা নাই? কি অৱস্থা হৈছে তাইৰ।"

সেই মুহূর্তত ক্লিফোর্ডক এটা সিজোৱা ক্রে মাছৰ দৰে দেখাইছিল। তেওঁ ক'লে, "মই আৰু কনিয়ে আলোচনা কৰিম।"

"আমি আগতেই আলোচনা কৰিলোঁ।"

ক্লিফোর্ড আগতেও নার্ছৰ তত্ত্বাৱধানত আছিল। কিন্তু ক্লিফোর্ডে তেতিয়া নিজৰ মতে থাকিব নোৱাৰে। আৰু মতা বনকৰা মানুহ? তাতকৈ মাইকী মানুহেই ভাল। কনিয়েইবা নাথাকিব কিয়?

পিছদিনা পুৱা দুয়োজনী ৰাগবিৰ পৰা ৰাওনা দিলে। হিলদাৰ ওচৰত কনিক ইষ্টাৰৰ মেঘৰ দৰে শান্ত দেখাইছিল। হিলদায়ে গাড়ী চলাইছিল। ছাৰ মেলকম ঘৰত নাছিল যদিও ঘৰৰ দুৱাৰ খোলাই আছিল।

ডাক্তৰে সকলো খুঁটি-নাটি পৰীক্ষা কৰি কনিক তাইৰ জীৱন-যাত্রা সম্বন্ধে বহু প্রশ্নই কৰিলে। ডাক্তৰে ক'লে, "মই আপোনাৰ আৰু ছাৰ ক্লিফোর্ডৰ ফটো বিভিন্ন কাকত-আলোচনীত দেখিছো। আপোনাৰ শৰীৰত একো বেমাৰ নাই। কিন্তু আপুনি আপোনাৰ জীৱন-যাত্রা সলনি কৰিব লাগিব। চহৰলৈ আহি স্ফূর্তি-ফার্তাকৈ থাকিব লাগিব। আপোনাৰ জীৱনী শক্তি বহুত কমি গৈছে। আপোনাৰ হৃৎপিণ্ডৰ স্নায়ুবোৰ দুর্বল হৈ গৈছে। অকল স্নায়ুবোৰ। আপোনাক মই সুস্থ কৰি তুলিম। কিন্তু আপুনি আপোনাৰ জীৱন-যাত্রা সলনি নকৰিলে পিছত কিবা এটা হ'লে মোক দোষ নিদিব। আপোনাৰ বিষণ্ণ মনৰ দুখবোৰ জোঁকাৰি পেলাওক।"

হিলদাই ডাক্তৰৰ কথাৰ সমর্থনত মূৰ দুপিয়ালে।

মাইকেলিচে যেতিয়াই শুনিলে যে কনি বায়েকৰ সৈতে ইয়ালৈ আহিছে, ততালিকে

তেওঁ কনিক দেখা কৰিবলৈ হাতত ফুলৰ থোপা লৈ আহি পালে। কনিক দেখাৰ লগে লগে তেওঁ চিঞৰি উঠিল, "কি হৈছে তোমাৰ! কিবা এটা হৈছে তোমাৰ। তোমাৰ চেহেৰাৰ ইমান পৰিবৰ্তন। মোক কিয় কোৱা নাছিলা? মোৰ ওচৰলৈ অহা নাই কিয়? ব'লা মোৰ লগত চিচিলিলৈ ব'লা। খুব ভাল ঠাই। তোমাক প্ৰাণৰ উত্তাপৰ প্ৰয়োজন। ব'লা মোৰ লগত আফ্ৰিকালৈ। বাদ দিয়া ক্লিফোৰ্ডৰ কথা। তাক এৰি দিয়া। যি মুহূৰ্ত্ততে তুমি ক্লিফোৰ্ডৰ সৈতে বিবাহ-বিচ্ছেদ কৰিবা সেই মুহূৰ্ত্ততে মই তোমাক বিয়া কৰাম। ব'লা আমি নতুন জীৱন আৰম্ভ কৰোঁ। ৰাগবিত যিয়ে থাকে সিয়ে মৰিব। তাত মানুহ নাই, জানোৱাৰ আছে। সেইখন সৰ্বনাশৰ ঠাই। তোমাক সূৰ্যৰ কিৰণ লাগে। ব'লা মোৰ সৈতে সূৰ্যৰ দেশলৈ। তোমাক লাগে সূৰ্যৰ পোহৰ আৰু স্বাভাৱিক জীৱনৰ মধুৰ উত্তাপ।"

কিন্তু ক্লিফোৰ্ডক ত্যাগ কৰাৰ কথা ভাবিলেই কনিৰ বুকুৰ ধপধপনি এক মুহূৰ্তৰ বাবে বন্ধ হৈ যায়। নাই, নোৱাৰে তাই। তাই ৰাগবিলৈ উভতি যাবই লাগিব।

কনিৰ কথা শুনি মাইক বিৰক্ত হয়। হিলদাই মাইকক ভাল নাপালেও ক্লিফোৰ্ডতকৈ অন্ততঃ সহ্য কৰিব পাৰে। দুয়োজনী পুনৰ মিডলেণ্ডলৈ উভতি আহিল।

ক্লিফোৰ্ডৰ আগত হিলদাই ডাক্তৰে কোৱা সকলোবোৰ কথা ক'লে। বাদ দিলে মাইকেলিচৰ কথাবোৰ। অস্বস্তিকৰ অবাঞ্ছিত নীৰৱতাৰ মাজত স্তব্ধ হৈ ক্লিফোৰ্ডে কথাবোৰ শুনিলে। হিলদাই এজন পুৰুষ পৰিচাৰকৰ ঠিকনা ক্লিফোৰ্ডক দিলে আৰু ক'লে যে এই মানুহটোৱে এজন পংগু মানুহক চোৱাচিতা কৰিছিল। পংগুজনৰ মৃত্যু হোৱাত সি এতিয়া এনেয়ে আছে। ক্লিফোৰ্ডে কৈ উঠিল, "মইতো পংগু নহয়। মতা মানুহ কিয়?"

"তেনেহ'লে লোৱা এয়া দুজনী মহিলা পৰিচাৰিকাৰ ঠিকনা। ইয়াৰে এজনীক মই লগ পাইছো। বয়স পঞ্চাশ। স্বাস্থ্যপাতি ভাল। খুব ভাল মনৰ, শান্ত প্ৰকৃতিৰ, মাৰ্জিত ৰুচি সম্পন্ন তিৰোতা।"

ক্লিফোৰ্ড তেনেকৈয়ে বহি ৰ'ল। একো উত্তৰ নিদিলে। হিলদাই ক'লে, "ঠিক আছে ক্লিফোৰ্ড, কালিলৈৰ ভিতৰত যদি কিবা এটা চয়-নিচয় নকৰা তেন্তে দেউতাক টেলিগ্ৰাম কৰি মাতি পঠাম। আমি কনিক লৈ যামেই।"

"কনি যাব?"

"তাই যাব নিবিচাৰে। কিন্তু তাই যাবই লাগিব। আমাৰ মা কেন্সাৰ হৈ ঢুকাইছিল। আমি এতিয়া কোনোধৰণৰ 'ৰিস্ক' ল'ব নিবিচাৰো।

পিছদিনা ক্লিফোৰ্ডে নাৰ্চৰ বাবে মিচেছ্ বল্টনৰ নাম ক'লে। তেওঁ আছিল তেভাৰচাল গাঁৱৰ মিছনাৰী হস্পিটেলৰ নাৰ্চ। অৱসৰৰ পাছত গাঁৱৰ মানুহক ঘৰত গৈ সেৱা-শুশ্ৰূষা কৰে। ক্লিফোৰ্ডেও কোনো অপৰিচিতাতকৈ বল্টনকে পছন্দ কৰিলে। ইয়াৰ আগতেও ক্লিফোৰ্ডক মিচেছ্ বল্টনে চোৱা-চিতা কৰিছিল।

পিছদিনা দুয়ো বায়েক-ভনীয়েকে বল্টনক দেখা কৰিলে। বয়স চল্লিশ। সুস্থ, সবল, ভদ্র আচৰণ আৰু মিঠামুখীয়া মহিলা। গাঁৱৰ মানুহে তেওঁক যথেষ্ট শ্ৰদ্ধা কৰে।

গোটেই কথাবোৰ শুনি মিছেছ্ বল্টনে ক'লে, "হয়, লেডী চেটাৰ্লিক অসুস্থ যেন লাগিছে। তেওঁৰ গা ইয়াত ক'ত ভাল হ'ব, দিনে দিনে বেয়াহে হ'ব। বৰ দুখৰ কথা। বেচেৰা ক্লিফোৰ্ড। সেই ভয়ংকৰ যুদ্ধ। ইয়াৰ কোনো প্ৰতিকাৰ নাই।"

মিছেছ্ বল্টনে পিছদিনাই ৰাগবিলৈ আহি কামত ধৰিলে। কিন্তু তেওঁ চিন্তিত হ'ল ডাক্তৰ চাৰ্লোৰ কাৰণে। কাৰণ মিছেছ্ বল্টনে য'ত চাকৰি কৰিছিল তাত চৰকাৰীভাৱে এতিয়াও পোন্ধৰ দিনৰ কাম তেওঁ কৰিবলৈ আছে। ডাক্তৰে কিবা বিকল্প ব্যৱস্থা কৰি তেওঁক অব্যাহতি দিয়ে নে নাই?

পিছে হিলদাই নিজে গৈ ডাক্তৰ চাৰ্লোৰ লগত কথা পাতিলে। ডাক্তৰে সকলো কথা শুনি মিছেছ্ বল্টনক যাবলৈ দিলে। পাছৰ দেওবাৰে মিছেছ্ বল্টন বাকচ-পত্ৰ লৈ ৰাগবিলৈ আহিল। হিলদাই কথা পাতি গম পালে তেওঁৰ বয়স সাতচল্লিশ। দেখাতহে বৰ কম যেন লাগে।

বাইছ বছৰৰ আগতে খাদত কাম কৰা তেওঁৰ স্বামী টেডৰ কৰ্মৰত অৱস্থাতে মৃত্যু হৈছিল। বৰদিনৰ সময় আছিল। দুটি শিশু সন্তানৰ দায়িত্ব পত্নীৰ হাতত সঁপি দি তেওঁ ইহসংসাৰ ত্যাগ কৰিলে। তাৰে এটি আছিল পানী কেঁচুৱা। এতিয়া সেই কেঁচুৱাটো বিবাহিতা মহিলা হ'লহি। নাম তাইৰ এডিথ। চেফিল্ডৰ এজন কেমিষ্টৰ সৈতে তাইৰ বিয়া হৈছে। বল্টনৰ আনজনী ছোৱালী চেষ্টাৰফিল্ডত শিক্ষয়িত্ৰীৰ চাকৰি কৰে। খাদৰ ভিতৰত এটি বিস্ফোৰণত মৃত্যু হোৱা টেডৰ বয়স আছিল আঠাইশ। বিস্ফোৰণৰ সময়ত টেডৰ সৈতে আৰু চাৰিজন আছিল। তেওঁলোক শুই পৰিছিল কিন্তু টেডে ভয়ত বিতত হৈ দৌৰিছিল বাবেই তেওঁৰ মৃত্যু হ'ল। অৰ্থাৎ তেওঁৰ মৃত্যুৰ বাবে দোষী তেওঁ নিজেই। যাৰ বাবে মালিকে মাত্ৰ তিনিশ পাউণ্ড ক্ষতিপূৰণ দিছিল। তেওঁলোকৰ অভিযোগ আছিল, টেডে তেওঁলোকৰ আদেশ কেতিয়াও নামানিছিল। এই টকা দয়াবশতহে দিয়া হৈছে। তথাপিও টকাখিনি একেবাৰে দিয়া নাছিল। কৈছিল যে মিছেছ্ বল্টনে টকাবোৰ একেবাৰতে পালে মদ খাই উৰুৱাই দিব। প্ৰতি সপ্তাহে ত্ৰিশ চিলিংকৈ দিয়াটো মালিকপক্ষই থিৰাং কৰিলে। মিছেছ্ বল্টনে ভাবিছিল টকাখিনি একেলগে পালে এখন দোকান খুলিব। আৰু ইফালে সেই ত্ৰিশ চিলিঙৰ বাবে প্ৰতি সোমবাৰে গৈ অফিচৰ সন্মুখত ঘণ্টাৰ পাছত ঘণ্টা বোন্দাপৰ দিব লাগে। এইকেইটা টকাৰে দুজনী কেঁচুৱা ছোৱালী লৈ তেওঁ কেনেকৈ চলিব? তেতিয়া টেডৰ মাকে আইভি বল্টনক নাৰ্ছিং শিকিবলৈ পঠায় আৰু কেঁচুৱা দুটিক তেঁৱে চোৱা-চিতা কৰে। আইভিৰ শাহুৱেক সঁচায়ে বৰ দয়াশীলা আৰু মৰমিয়াল মহিলা আছিল। নাৰ্ছিং-শিক্ষা সমাপ্ত কৰি তেওঁ প্ৰথমে এখন হস্পিটেলত চাকৰি কৰে। তাৰপিছত তেওঁ তেভাৰচালত স্থাপিত হোৱা খনি কোম্পানিৰ গ্ৰাম্য হস্পিটেলত চাকৰি কৰিবলৈ যায়। মানুহে ভাৱে কোম্পানিয়ে

তেওঁক বহুত কৃপা কৰিছে।' তেওঁ পুনৰ ক'লে, হয়, কোম্পানিয়ে মোক বহুত উপকাৰ কৰিছে কিন্তু টেড সম্বন্ধে তেওঁলোকে যি কথা কৈছিল সেই কথা মই নাপাহৰোঁ। টেড আছিল নিৰ্ভীক, দৃঢ় মনৰ। সেইকাৰণে কোম্পানিৰ মানুহে তেওঁক ভালপোৱা নাছিল। কিন্তু মানুহে তেওঁক কাপুৰুষ বুলি ভাবে।'

মিছেছ্ বল্টনৰ কথাৰ মাজত পৰস্পৰ বিৰোধী অনুভূতিৰ মিশ্ৰণ আছিল। তেওঁ কয়লাখনিৰ শ্ৰমিকক ভাল পায়, সিহঁতক চোৱা-চিতা কৰি আহিছে। আনহাতে তেওঁ নিজকে সিহঁতকৈ ওপৰৰ মানুহ বুলিয়ো ভাবে। নিজকে উচ্চ শ্ৰেণীৰ বুলি ভাবি লৈয়ো আকৌ অভিজাত শাসক শ্ৰেণীক তেওঁ ঘৃণা কৰে। যেতিয়া শ্ৰমিক মালিকৰ বিৰোধ হয় তেতিয়া তেওঁ শ্ৰমিকক সমৰ্থন কৰে, সিহঁতৰ পক্ষত থাকি নিজকে অভিজাত শ্ৰেণীৰ মানুহ বুলিয়ো ভাবে। উচ্চ অভিজাত শ্ৰেণীৰ প্ৰতি তেওঁৰ আছিল এক মোহ; কাৰণ তেওঁৰ মনৰ মাজত ইংৰাজ সুলভ যি প্ৰভুত্ব-স্পৃহা আছিল সেই স্পৃহা কেৱল উচ্চ অভিজাতসকলেহে পূৰাব পাৰে। ৰাগবি হলত ভাল লাগিল তেওঁৰ। পুলকিত হ'ল মন। লগতে লেডী চেটাৰ্লিৰ লগত কথা পাতিয়ো আনন্দিত হ'ল। কিন্তু কোনোবাই যদি ভালকৈ মন কৰে তেতিয়া বুজিব পাৰিব তেওঁৰ কথাৰ মাজে মাজে ৰাগবিৰ মালিকৰ প্ৰতিয়ো বিদ্বেষ, ঘৃণা আছে। কাৰণ ৰাগবিৰ বংশধৰসকলেই কয়লাখনিৰ মালিক।

মিছেছ্ বল্টনে ৰাগবিলৈ আহিয়ে কনিক ক'লে, "এই বেমাৰে আপোনাৰ দেহাটোক নিঃশেষ কৰি পেলাব। ভগৱানৰ অসীম কৃপা যে এই বিপদত আপোনাক চাবলৈ আপোনাৰ ওচৰত এজনী বাইদেউ আছে। সকলো সমাজৰ সকলো পুৰুষ একেই। তেওঁলোকে মাইকী মানুহৰ কথা অকণো নাভাবে। মাত্ৰ তেওঁলোকে মাইকী মানুহৰ পৰা সেৱা বিচাৰে। মই ইয়াৰ মানুহকো কওঁ, ক্লিফোৰ্ডৰ ঘটনাটো বৰ মৰ্মান্তিক। এনেকৈ পংগু হৈ গোটেই জীৱন। মানুহ হিচাপে ক্লিফোৰ্ড বৰ অহংকাৰী আছিল। অৱশ্যে অভিজাত সমাজৰ মানুহবোৰ অহংকাৰী হয়েই। কিন্তু সেই অহংকাৰৰ প্ৰতিফল এনেকুৱা হ'ব বুলি কোনেও ভবা নাছিল। আৰু এই প্ৰতিফল বেছি ভয়ংকৰ আৰু দুৰ্বিসহ হ'ল লেডী চেটাৰ্লিৰ। তেওঁ যি হেৰুৱালে সেয়া কেতিয়াও ঘূৰাই নাপায়। মই টেডক হেৰুৱাইছো। তেওঁক মাথোঁ তিনি বছৰৰ কাৰণে পাইছিলো। কিন্তু স্বামী হিচাপে তেওঁ ইমান গুণবান আছিল যে সেই তিনি বছৰতেই মোৰ মনত চিৰস্থায়ী দাগ বহুৱাই গ'ল। তেওঁক কেতিয়াও পাহৰিব নোৱাৰো। হাঁহি-ধেমালিৰে উজ্জ্বল হৈ থকা মানুহ এজন হঠাতে এনেদৰে মৰি থাকিব কোনেও ভবা নাছিল। তেওঁৰ মৃতদেহটো মই নিজেই ধুই মচি পৰিষ্কাৰ কৰিছিলো কিন্তু তথাপিও মোৰ বিশ্বাস নহয় তেওঁ যে মৃত ব্যক্তি। মোৰ মনত তেওঁৰ কোনোদিনেই মৃত্যু হোৱা নাই।"

এনেকুৱা কথা ৰাগবিত কোনেও আগতে কোৱা নাছিল। এই প্ৰথম নতুন কথা শুনিলে কনিয়ে। এইবোৰৰ মানে জানিবলৈ তাইৰ আগ্ৰহ জন্মিল।

মিছেছ্ বল্টনে গম্ভীৰভাৱে নিজৰ কাম-কাজ আৰম্ভ কৰিলে। তেওঁ যেন নতুন মানুহ। ক্লিফোৰ্ডৰ ওচৰত লাজ লাজকৈ, ভয় ভয়কৈ কামবোৰ কৰি যায়। ক্লিফোৰ্ডেও তেওঁৰ ওচৰত স্বভাৱসুলভ গাম্ভীৰ্যতা আৰু মালিকসুলভ মনোভাৱ বজাই ৰাখে। মিছেছ্ বল্টন সম্বন্ধে কনিক এদিন ক'লে, "তেওঁ কামবোৰ বেচ ভালকৈ কৰে।"

ক্লিফোৰ্ডৰ কথাবাৰৰ প্ৰতিবাদ নকৰিলে কনিয়ে। কিন্তু দুজনী মানুহৰ ওপৰত এজন মানুহৰ মনোভাৱ ইমান ভিন্ন।

ক্লিফোৰ্ডৰ পৰা এনেধৰণৰ আচৰণ আৰু মনোভাৱেই আশা কৰিছিল মিছেছ্ বল্টনে। একেই ব্যৱহাৰ সকলোৰে পৰা আশা কৰিব নোৱাৰি। মিছেছ্ বল্টনে যেতিয়া কোনো খনি শ্ৰমিকৰ ক্ষত স্থানত বেণ্ডেজ বান্ধি দিয়ে আৰু শুশ্ৰূষা কৰে তেতিয়া সিহঁতে কিমান আপোনভাৱে নিজৰ কথা এওঁক কৈ যায়। তেওঁক কিমান শ্ৰদ্ধা-ভক্তি কৰে। সিহঁতৰ বাবে তেওঁ মানৱী নহয়; দেৱী। আৰু আজি ক্লিফোৰ্ডৰ ওচৰত তেওঁ কিমান সৰু, এজনী সামান্য বনকৰা তিৰোতা মাত্ৰ। তথাপিও তেওঁ নীৰৱে, অৱনত চিত্তে মানি লৈ খাপ খাই পৰে এই নতুন পৰিৱেশটোত। তেওঁ নিঃশব্দে ক্লিফোৰ্ডৰ ওচৰলৈ আহি সোধে, ছাৰ এইটো কৰিমনে, সেইটো কৰিমনে।

ক্লিফোৰ্ডেও কাঢ়াকৈ আৰু চুটিকৈ কয়, নালাগে, পিছত, এতিয়া থাকক, আধাঘণ্টা পাছত।

মিছেছ্ বল্টনে তেতিয়া কয়, হ'ব ছাৰ।

"আধা ঘণ্টাৰ পাছত পুৰণি কাগজবোৰ লৈ আনিব।"

"হ'ব ছাৰ।"

নিঃশব্দে যেনেকৈ আহে তেনেকৈ নিঃশব্দে তেওঁ যায়। আকৌ আধা ঘণ্টাৰ পাছত নিঃশব্দে আহে। তেওঁক যে হেয়জ্ঞান কৰে সেই লৈ তেওঁ মূৰ নঘমায়। তেওঁ অভিজাত সমাজৰ মানুহৰ ওচৰত অভিজ্ঞতা অৰ্জন কৰিছে। ক্লিফোৰ্ডক তেওঁ অপছন্দ নকৰে, খঙো নাই। তেওঁ যেন অমোঘ অপৰিহাৰ্য ঘটনাৰ এক নিষ্প্ৰাণ অংশ। যি অভিজাত সমাজ, এক মূঢ় অহংকাৰ আৰু মিছা আত্ম-গৰিমাৰে ভৰা; ক্লিফোৰ্ড তাৰেই এক অবিচ্ছেদ্য অংশ। ইমান দিনে নুবুজা কথা এটা তেওঁ বুজিছে। আনফালে লেডী চেটাৰ্লিৰ সৈতে গঢ়ি উঠিছে তেওঁৰ এটা সহজ সম্পৰ্ক।

ৰাতি বিছনালৈ শুবলৈ যাওঁতে ক্লিফোৰ্ডক মিছেছ্ বল্টনে সহায় কৰি দি নিজে কাষৰ বাৰাণ্ডাত শুই থাকে। ক্লিফোৰ্ডে ঘণ্টা বজালেই তেওঁ উঠি যায়। আকৌ ৰাতিপুৱা বিছনাৰ পৰা উঠাই মুখ-হাত ধুৱাই ডাঢ়ি-মোছ খুৰাই দিয়ে। তেওঁৰ নৰম-কোমল মৰমিয়াল হাতেৰে সকলোবোৰ অনায়াসে কৰি যায়। ডাঢ়িত চাবোন ঘঁহি ঘঁহি তেওঁ ভাবে অন্য মানুহতকৈ বিশেষ পৃথক নহয় ক্লিফোৰ্ড। ক্লিফোৰ্ডৰ আভিজাত্য ভৰা স্বাতন্ত্ৰ্য ভাব আৰু সবলতাৰ অভাৱক বেয়া নালাগিল তেওঁৰ। মুঠতে তেওঁ এক নতুন অভিজ্ঞতা লাভ কৰিছে।

এজনী বাহিৰা তিৰোত্ৰক ক্লিফোৰ্ডৰ কাম-কাজৰ ভাৰ দিয়াৰ কাৰণে ক্লিফোৰ্ডে কনিক ক্ষমা কৰিব পৰা নাই। তেওঁ নিজে নিজে ভাবে, কনিৰ সৈতে থকা অন্তৰংগতাৰ ফুলটি অকালতে মৰহি গ'ল। কনিয়ে কিন্তু তেনেকৈ নাভাবিলে। বৰঞ্চ তাই ভাবে সেই অন্তৰংগতাখিনি ফুলৰ কাঁইটৰ বাহিৰে আন একো নহয়। তাইৰ জীৱন বৰুৰ বধূমলা। সেই ফুল তাইৰ দৃষ্টিত বৰ বিবৰ্ণ।

নিজৰ কাৰণে কনিয়ে আগতকৈ সময় পাইছে। এতিয়া তাই পিয়ানো বজায়। প্ৰেম-বিচ্ছেদৰ গীত গায়। বিচ্ছেদৰ বেদনাই তাইক এতিয়া স্পৰ্শ নকৰে। কিন্তু তাই ঈশ্বৰক ধন্যবাদ দিয়ে। অকলে অকলে থকাত ইমান আনন্দ আছে! ক্লিফোৰ্ডে যেতিয়া লিখি থাকে তেতিয়া কোনো কথা নাই; কিন্তু বাকী সময়কণ অনৰ্গল কথা কৈ থাকে। কথাৰ যেন শেষ নাই। শুনি শুনি আমনি লাগে তাইৰ। বছৰ বছৰ ধৰি এই বিৰক্তিকৰ, ক্লান্তিকৰ কথাবোৰ শুনি আহিছে তাই। প্ৰথমে ভালেই লাগিছিল। এতিয়া আৰু ভাল নালাগে। এতিয়া অকলে থাকি সেই বিৰক্তি ভৰা কথাৰ পৰা অব্যাহতি পাই তাই ধন্য হৈছে।

যেন দুয়োকে কেন্দ্ৰ কৰি সূতাৰে পকাই পকাই এটা জঁট বন্ধা হৈছিল। এতিয়া লাহে লাহে সূতাবোৰ একবাই জঁটটো খুলিবলৈ ধৰিছে কনিয়ে। মুক্তিলাভৰ বাবে অধৈৰ্য চেতনাৰ সূতাবোৰ ছিঙি দিওঁতে ভাব হৈছে বন্ধনৰ বেদনাতকৈয়ো বন্ধন ছিঙাৰ বেদনা বেছি।

ক্লিফোৰ্ডে এতিয়াও প্ৰত্যেক সন্ধ্যা কনিক কাষত বিচাৰে। কনিৰ সৈতে কথা পাতিব খোজে নতুবা তেওঁ নতুনকৈ লিখা গল্পবোৰ পঢ়ি শুনাব বিচাৰে। কনি ৰাজী হৈছে এটা চৰ্তত। তাই দহ বজাৰ লগে লগে নিজৰ কোঠালৈ উঠি যাব আৰু নিজৰ মতে থাকিব। ক্লিফোৰ্ডেও মিছেছ্ বল্টনৰ সৈতে মিলিবলৈ চেষ্টা কৰিছে। মিছেছ্ বল্টন মিছেছ্ বেট্চৰ কোঠাৰ কাষতে থাকে। ক্লিফোৰ্ডৰ তলৰ তলাৰ কোঠাটোৰ কাষৰ পৰাই বনকৰা মানুহৰ কোঠাবোৰ আৰম্ভ হৈছে। ক্লিফোৰ্ডৰ কোঠাৰ পৰা সিহঁতৰ কথা-বতৰাৰ শব্দ শুনিয়ে থাকি।

সন্ধ্যা সময়কণত ক্লিফোৰ্ডৰ কাষত থাকিলেও মুক্তিৰ আনন্দ লাভ কৰিলে কনিয়ে। তাইৰ এনে লাগিল যেন সম্পূৰ্ণ এখন বেলেগ জগতত তাই যেন প্ৰাণভৰি উশাহ লৈছে। তথাপিও তাইৰ অন্তৰত এটা ভয়ে বাহ ল'লে।

যৌথ চেতনাৰ জটিল জঁটবোৰ খুলি দিলেও আজিয়ো ক্লিফোৰ্ডৰ সৈতে নীতিগত জঁটবোৰেৰে বান্ধ খাই আছে তাই। তথাপিও তাই আগতকৈ মুক্ত। তাইৰ জীৱনৰ এটা নতুন অধ্যায়ৰ সূচনা হ'ব।

অষ্টম অধ্যায়

মিছেছ্ বল্টনে ক্লিফোর্ডকে নহয়, কনিকো মৰমৰ চকুৰে চায়। কনিৰ এটা পুৰণি অভ্যাস হ'ল জুইৰ কাষত বহি চিলাই কৰা বা কিতাপ পঢ়াৰ ভাও ধৰি বহি থকা। তেতিয়া মিছেছ্ বল্টনে তাইক অকণমান মুকলি বতাহ খাবলৈ বুলি বাহিৰলৈ যাবলৈ নতুবা গাড়ীখনকে লৈ ওলাই যাবলৈ জোৰ দিয়ে। এইদৰে মিছেছ্ বল্টনে নিজৰ মমতাভৰা প্ৰভুত্বৰে কনিৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰাৰ লগতে চাকৰিয়ো গজগজীয়া কৰিলে।

হিলদা ৰাগবিৰ পৰা যোৱাৰ দুদিনমানৰ পাছতে বৰ বতাহ বলিবলৈ ধৰিলে। তেনেকুৱাতে এদিন কনিক মিছেছ্ বল্টনে ক'লে, "আপুনি এতিয়াও ঘৰতে বহি আছে! বনৰ ফালে অকণমান ওলাই যাওক, মালীটোৰ ঘৰৰ পিছফালে বৰ ধুনীয়াকৈ ডেফোদিল ফুলবোৰ ফুলি আছে। তাৰে কেইটামান ফুল আপোনাৰ কাৰণে লৈয়ো আনিব পাৰে।"

কনিয়ে ডেফোদিল ফুল চোৱাৰ কথা ভাবিলে। মানুহেতো ঘৰত বহি বহি নিজৰ মনৰ ৰস পান কৰিব নোৱাৰে। ঋতুকালীন সৌন্দৰ্যক উপভোগ কৰিব লাগে। ঋতুৰ পাছত ঋতু, দিনৰ পাছত ৰাতি। কিন্তু তাইৰ জীৱনত একো পৰিৱৰ্তন নাই। তাইৰ বাবে দিন-ৰাতি, পুৱা-সন্ধ্যা, শীত-বসন্তই নিজৰ প্ৰকৃতিগত বৈশিষ্ট্য হেৰুৱাই চব একাকাৰ হৈ পৰিছে।

আৰু সেই ৰখীয়াটো। সেই খীণ-মিন শেঁতা মানুহটো। অৱশ্যে ফুলৰ দৰে সিয়ো অকলশৰীয়া। এইকেইদিনৰ ব্যস্ততাৰ বাবে তাৰ কথা তাই পাহৰিয়ে আছিল। এতিয়াহে তাৰ চিৰমলিন নিঃসংগ মুখখন মনলৈ আহিল।

কনিৰ গালৈ বলশক্তি ঘুৰি আহিছে। ভালদৰে চলা-ফিৰা কৰি থাকিব পাৰে। বনৰ মাজত বতাহৰ বেগ বেছি নাথাকে। খোজকাঢ়ি গৈ থাকোঁতে তাইৰ ভাব হ'ল এই জগতৰ সকলোখিনিকে পাহৰি যাব বিচাৰিছে তাই। পাহৰিব বিচাৰে পচা দুৰ্গন্ধময় শৰীৰৰ মানুহবোৰক। কিন্তু দেহ থাকিলে তাৰ পৰা নতুন দেহ এটা বাহিৰ হ'বই। দেহৰ পুনৰুত্থানত তাইয়ো বিশ্বাসী। ফাগুনৰ উতলা বতাহৰ স্পৰ্শত তাইৰ চেতনা দুলিবলৈ ধৰিলে আৰু সেই দোদুল্যমান চেতনাৰ ফাঁকে ফাঁকে বহুত কথাই মনৰ মাজত উকি মাৰিলে। তাই ভাবিলে ফুলকলিবোৰ যেনেকৈ প্ৰস্ফুটিত হৈছে তেনেকৈ তাইৰ শুকান মৃত শৰীৰতো ফুল ফুলিব। আকৌ সূৰ্যৰ কিৰণেৰে তাই স্নান কৰিব।

বনৰ ভিতৰত বেছি বতাহ নাই যদিও হঠাতে অহা এছাটি বতাহে গছবোৰ জোঁকাৰি

দিয়ে। তাৰ ফাঁকেদি আহি সূৰ্যৰ কিৰণ বনভূমিত পৰেহি। ছাঁবোৰ কঁপি উঠে। কনিৰ এনে লাগিছিল যেন এটি হীম শীতল আঘাতত বনভূমি কঁপি উঠিছে। ডাঙৰ ডাঙৰ গছবোৰৰ শাখা-প্ৰশাখাই আবদ্ধ বতাহৰ পৰা নিজকে মুক্ত কৰিবলৈ চেষ্টা কৰিছে। তাৰ মাজে মাজেই ফুলবোৰ ফুলি আছে।

ঠাণ্ডা লাগিছিল তাইৰ। তাইৰ মন উত্তেজিত হৈ পৰিল। গছৰ ফাঁকেৰে অহা বেলিৰ কিৰণ পৰি তাইৰ গাল-মুখ ৰঙীন হৈ পৰিছিল। তাইৰ চকুত উজলি উঠিল এটি নীলাভ পোহৰ। পথৰ দাঁতিত ফুলি থকা ফুলবোৰৰ সুঘ্ৰাণ লৈ তাই মন্ত্ৰমুগ্ধৰ দৰে আগবাঢ়িল।

তাই ৰখীয়াটোৰ ঘৰটো পালেহি। বেলিৰ পোহৰত ঘৰটো গুলপীয়া দেখা গৈছে। ঠিক কাঠফুলাৰ মাজৰ অংশটোৰ দৰে গোলাপী। দুৱাৰমুখত ফুলি আছে মালতী ফুল। ঘৰৰ ভিতৰত কোনোবা আছে নে নাই তাৰ উমান পোৱা নাই। চিমনিৰ ধোঁৱা আৰু কুকুৰটোৰ ভুকভুকনিয়ো নাই।

তাই নিঃশব্দে ঘৰৰ পিছফাল ওলালগৈ। তাই ডেফোদিল ফুলহে চাব বিচাৰিছে। অন্য কিবা নহয়।

অপূৰ্ব দৃশ্য। বতাহত ফুলবোৰ হালি-জালি আছে। বতাহৰ বেগত ফুলবোৰে বিব্ৰতবোধ কৰিলেও হালি-জালি থাকিবলৈকে ফুলবোৰে ভাল পাইছিল।

এজোপা সৰু পাইন গছত আউজি বহি পৰিল কনি। বেলিৰ পোহৰ পৰি ফুলবোৰ সোণ চেঁকুৰাৰ দৰে জিলিকিছিল। মূৰত সূৰ্যৰ মুকুট পিন্ধা পাইন গছডালক জীৱন্ত যেন লাগিল তাইৰ। তাইৰ কোলাত পৰিছিলহি বেলিৰ এজোলোকা কিৰণ। ফুলৰ সুগন্ধ তাইৰ নাকত লাগিছিলহি। তাইৰ এই বাঞ্ছিত একাকীত্ব আৰু নিঃসংগতাৰ মাজত নীৰৱে বহি থাকোঁতে কনিয়ে ভাবিছিল যে তাইৰ আকাংক্ষিত পৰিণতিৰ ৰাজ্যত তাই উপনীত হ'লহি। যি অদৃশ্য জৰীৰে তাইক বান্ধি থোৱা আছিল তাৰ বন্ধন শিথিল হৈ পৰিছে। তাইৰ জীৱনতৰী আপোনমনে অবাধে ভাহি গৈছে।

পোহৰ কমি আহিল। ফুলবোৰৰ উজ্জ্বলতা কমি শীতলতাই আৱৰি ধৰিলে। গধূলিতে আৰম্ভ হোৱা এই ঠাণ্ডাৰ মাজতে ফুলবোৰে গোটেই ৰাতি এনেদৰেই কটাব লাগিব।

ফুল কেইপাহমান ছিঙি ল'লে তাই। গছৰ পৰা ফুলবোৰ ছিঙিবলৈ বেয়া লাগে যদিও ফুল দুপাহমান ঘৰলৈ নিয়াৰ ইচ্ছা আছে। তাই এতিয়া ৰাগবিলৈ উভতিব লাগিব। দেৱালেৰে আৱৰা ঘৰটোলৈ যাবলৈ মন নগ'লেও হীম শীতল বতাহৰ পৰা ৰক্ষা পাবলৈ সেই দেৱালৰ মাজত সোমাবগৈয়ে লাগিব।

ঘৰ পোৱাৰ পাছতে ক্লিফোৰ্ডে তাইক সুধিলে, "ক'লৈ গৈছিলা?"

"বনলৈ গৈছিলো। চোৱা, কিমান ধুনীয়া ফুল!"

“বতাহ আৰু পোহৰ বেছিকৈ পোৱাৰ কাৰণে এনেকুৱা ধুনীয়া হৈছে।”

“কিন্তু সিহঁতৰ জন্ম মাটিতেই।”

ক্লিফোৰ্ডৰ কথাবাৰ ইমান তৎক্ষণাত খণ্ডন কৰিব পৰাত তাই নিজেই আচৰিত হ’ল।

পিছদিনা আবেলি তাই আকৌ ওলাল। বনৰ মাজত ঘূৰি পকি থাকোঁতে তাই এটি নিজৰাৰ পাৰ পালেগৈ। ঠাইকণ বৰ সেমেকা। তলৰ ফালে অন্ধকাৰ।

অলপ সময় তাত কটাই তাই ঘৰৰ ফালে আগুবালে। অকণমান গৈয়ে তাই কাঠ কটাৰ শব্দ শুনিলে। কোনোবা খৰিকটীয়াই গছ কটা যেন লাগিছে। আকৌ মাছৰোকাই কাঠ খুঁটিওৱাৰ শব্দ যেনো লাগিছে।

শব্দৰ দিশে তাই আগবাঢ়ি গ’ল। সৰু সৰু ঝাও গছৰ মাজে মাজে লুংলুঙীয়া ৰাস্তা এটা দেখিলে। ৰাস্তাটো ক’লৈ গৈছে ধৰিব নোৱাৰি। অলপ দূৰ গৈয়ে ওক গছৰ মাজত পথটো অদৃশ্য হৈ পৰিছে। তাই সেই পথেৰে যিমানে আগুবালে সিমানে গছ কটাৰ শব্দটোও ওচৰ চাপিলে।

কনিয়ে এটুকুৰা মুকলি ঠাই পালেহি। তাতে মামৰে ধৰা খুঁটাৰে সজা এটা সৰু ঘৰ। ৰখীয়াটোৱে একান্তমনে কাঠৰ টুকুৰাত হাতুৰী মাৰিছে। তাই বুজিলে ইয়াতে চিকাৰী চৰাইবোৰ পোহে। হঠাতে কনিক দেখি অভিবাদন জনালেও সি অলপ আমনি পালে। তাৰ এই নিৰ্জনতাৰে ঘেৰা অবাধ স্বাধীনতা উপভোগ কৰোঁতে কোনোবাই তাত বাধা দিয়াটো সি নিবিচাৰে।

সি কনিলৈ এনেদৰে চালে যে কনিৰ বুকুখন কঁপি উঠিল। খোজ কাঢ়ি কাঢ়ি ভাগৰ লগাৰ বাবে তাই ফোপাইছিল। তাই ক’লে, “মই শব্দটো কিহৰ ভাবিছিলো।”

সি ক’লে, “মই চৰাই পোৱালিৰ কাৰণে খোৱা দানা তৈয়াৰ কৰি আছিলো।”

ইয়াৰ উত্তৰত কনিয়ে কি ক’ব ভাবি নাপাই মাথোঁ ক’লে, “মই ইয়াতে অলপ বহিব খুজিছোঁ।”

সি তৎক্ষণাত কাষৰ ঘৰটোৰ পৰা চকী এখন আনি তাইক বহিবলৈ দিলে। তাৰ পিছত সি সুধিলে, “জুই একুৰা জ্বলামনে?”

কনিয়ে ক’লে, “নাই, নাই নালাগে। মোৰ কাৰণে তুমি কাম খতি কৰিব নালাগে।”

কনিৰ ঠাণ্ডাত শেঁতা পৰা হাত দুখনলৈ চাই সি কনিৰ কথা নামানি ঘৰটোৰ ভিতৰত জুই একুৰা ধৰিলে। চকীত বহি কনিয়ে জুইত হাত-ভৰি সেকাত লাগিল। তাৰ কণ্ঠত এনে এটি স্নেহশীল কতৃত্বৰ সুৰ আছিল যে কনিয়ে তাক কোনোমতেই অগ্ৰাহ্য কৰিব নোৱাৰিলে। হাত সেকি সেকি তায়ো দুই এটুকুৰা কাঠ জুইত জাপি দিলে।

ঘৰটোৰ ভিতৰত চকু ফুৰালে কনিয়ে। ঘৰটোত খিৰিকি নাই। দুৱাৰখন খোলা। খোলা দুৱাৰেদিয়ে ভিতৰলৈ পোহৰ সোমাইছে। চকীখনৰ কাষত কাঠৰ টেবুল এখন আছে। এফালে এখন বেঞ্চি। আৰু ইফালে সিফালে কিছুমান লাংখালিংখি বস্তু।

জুইকুৰা জ্বলাই সি পুনৰ কামত ধৰিলে। হাতুৰীৰ শব্দটো তাইৰ অকণো ভাল লগা নাই। তাৰো। সি অকলে থাকিব বিচাৰিছিল। তাৰ এই নির্জন নিঃসংগ জীৱন-যাত্ৰাত কোনোবাই বিশেষকৈ কোনো নাৰীয়ে ব্যাঘাত জন্মালে তাৰ বৰ বেয়া লাগে। কিন্তু সি অসহায়। তাৰ বাঞ্ছিত নিঃসংগতাক সি অক্ষুণ্ণ ৰাখিব পৰা নাই কাৰণ কনি তাৰ মালিকনী। সি মাত্ৰ এটা বেতনভোগী কর্মচাৰী।

সি পাইছে এগৰাকী নাৰীৰ পৰা এটা নির্মম আঘাত। সেই আঘাতৰ বাবেই সি আৰু নিৰিবিচাৰে আন কোনো নাৰীৰ সংস্পর্শ। তাৰ এনেকুৱা লাগে সি যদি অকলে থাকিবলৈ নাপায় তেন্তে সি মৰি যাব। বাহিৰৰ জগতখনৰ পৰা আঁতৰি সি নিজকে বনৰ মাজত আবদ্ধ কৰি ৰাখিছে। এই বনেই যেন তাৰ জীৱনৰ একমাত্ৰ আশ্ৰয়।

জুইকুৰা দপদপাই জ্বলিছিল। কনিৰ গাটো গৰম হৈ পৰিল। তাই দুৱাৰ-ডলিতে টুল এখনত বহি তাৰ কাম-কাজবোৰ চাবলৈ ধৰিলে। সি এনেধৰণে কামত মগ্ন হৈ আছিল যেন সি কনিক দেখাই নাই। কিন্তু প্ৰকৃততে সি কনিয়ে কি কৰি আছে চব গম পাই আছে। তাৰ কুকুৰটোৱে নেজ পাৰি বহি আছিল তেতিয়া।

চৰাইৰ দানা তৈয়াৰ কৰি সি সেইবোৰ যথাস্থানলৈ লৈ গ'ল। কনিক সি এটাও কথা কোৱা নাই। কনিৰ উপস্থিতিক সি ইচ্ছা কৰিয়ে অগ্ৰাহ্য কৰিছে। কনিৰ উপস্থিতিত সি যে সচেতন, সেই লক্ষণ তাৰ আচৰণত অকণো ফুটি উঠা নাই।

কনিয়ে তালৈ স্থিৰ দৃষ্টিৰে চালে। প্ৰথম দেখাৰ দৰেই সি আজিয়ো নিঃসংগতা আৰু বিষাদৰ সৈতে মিতিৰালি পাতি আছে। যেন কোনো ভাৰবাহী পশুৱে নিজৰ নির্দিষ্ট কাম আপোনমনে কৰি গৈছে। সি ইচ্ছা কৰিয়ে মানুহৰ জগতখনৰ সৈতে সম্পর্ক নাৰাখে। নীৰৱে, পৰম ধৈর্যৰে সি কনিক উপেক্ষা কৰিছে। কনিৰ এনে লাগিল যেন, তাৰ অন্তহীন ধৈর্য আৰু নীৰৱতাৰ মাজত অধীৰ অশান্ত কিবা এটা লুকাই আছে। আৰু তাৰ সেই অজান আৱেগটোৰ এক নীৰৱ আঘাতত শিয়ৰি উঠিছে তাৰ পেটৰ ভিতৰখন। সি কেনেকৈ কাম কৰে তাকে কনিয়ে একান্তমনে চাই থাকিল। তাইৰ এনে লাগিল, তাৰ নিম্নাংগৰ অভিজ্ঞতা বহুত বেছি, ব্যাপক আৰু গভীৰ।

স্থান-কাল-পাত্ৰ পাহৰি সপোনৰ মধুৰ উত্তাপত মছগুল হৈ ৰ'ল কনি। তাই ইমান অন্যমনস্ক হৈ আছিল যে সি তাইৰ পিনে চাই অবাক হৈ গ'ল। তাৰ ভাব হ'ল, তাইৰ এই আপাতশূন্য দৃষ্টিৰ মাজত কাৰোবাৰ প্ৰতি আছে এক প্ৰতীক্ষা। অন্তৰৰ ভিতৰে বাহিৰে যি নিঃসংগতা নিবিড় হৈ উঠিছে তাৰেই স্বৰূপ এই প্ৰতীক্ষা। তাৰ বাজহাড়ৰ তলৰ অংশ জ্বলা-পোৰা যেন লাগিল।

মানুহে যেনেকৈ মৃত্যুক ঘৃণা কৰে তেনেকৈ সিয়ো মানুহৰ সৈতে বিশেষকৈ নাৰীৰ সৈতে মিলা-মিচা কৰা কাৰবাৰবোৰ ঘৃণা কৰে। সি এই মুহূর্তত ইয়াকে বিচাৰিছে যে কনি ইয়াৰ পৰা গুচি যাওক। আধুনিক নাৰীমনৰ ভিতৰত প্ৰভুত্ব-স্পৃহাৰ যি প্ৰবৃত্তি,

সেইটোক সি ভয় কৰে আৰু কনি তাৰেই মূৰ্ত প্ৰতীক। ইয়াৰ উপৰিও কনি অভিজাত সমাজৰ মহিলা। গতিকে তাইৰ প্ৰভুত্ব-স্পৃহা বেছি হোৱাই স্বাভাৱিক। মুঠতে সি তাইৰ উপস্থিতিক ঘৃণাৰ চকুৰে চায়।

হঠাতে এটা তীব্ৰ অস্বস্তিবোধৰ পৰা সম্বিৎ ঘূৰাই পালে কনিয়ে। তাই উঠিল। আবেলিটো সন্ধ্যাৰ কোলাত কেতিয়াবাই ঢলি পৰিল। তথাপিও তাই যাব পৰা নাই। সি তাইৰ ফালে চাই থিয় দি আছে। তাই তাৰ কাষ পালেহি আৰু ক'লে, "ঠাইখিনি ইমান সুন্দৰ আৰু নিৰ্জন। মই আগতে কেতিয়াও অহা নাছিলোঁ।"

"অহা নাই?"

"মই মাজে মাজে আহি ইয়াতে বহিম।"

"ঠিক আছে।"

"তুমি যেতিযা ঘৰত নাথাকা, তেতিয়া তলা মৰা থাকে নেকি?"

"হয়।"

"তোমাৰ চাবি দুপাট আছে নেকি? তুমি নাথাকিলেও মই আহি ইয়াত বহিব পাৰিম।"

"বোধহয় দুপাট চাবি নাই।"

কনিৰ অলপ সংকোচ হ'ল। সি হয়তো তাইৰ পৰা এৰা খাবলৈ চেষ্টা কৰিছে। ঘৰটো বাৰু তাৰেইনে? তাই সুধিলে, "মই আৰু এপাট চাবি বনাই ল'ব নোৱাৰিম নেকি?" শান্ত কণ্ঠেৰে কথাষাৰ ক'লেও তাইৰ কথাৰ সুৰত এটা নাৰীসুলভ জেদভাব লুকাই আছিল।

সি কিছু খণ্ডেৰে তাইলৈ চাই সুধিলে, "আৰু এপাট চাবি?"

লাজ পায়ো তাই ক'লে, "অ' আৰু এপাট চাবি।"

সি ক'লে, "ক্লিফোৰ্ডে হয়তো জানিব।"

"অ' তেওঁৰ ওচৰত এটা থাকিব পাৰে। নহ'লে এটা চাবি বনায়ে ল'ব লাগিব। মাত্ৰ এদিনৰ কামহে।"

"কিন্তু মেডাম, ইয়াত চাবি বনোৱা মানুহ নাই।"

কনিয়ে খণ্ডেৰে ক'লে, "ঠিক আছে। ময়ো চাই ল'ম। চাবি বনোৱা মানুহ আছে নে নাই।"

"ঠিক আছে মেডাম।"

দুয়োৰে চকুৰে চকুৰে পৰিল। তাৰ চকুত আছিল বিতৃষ্ণা, ঘৃণা আৰু উদাসীনতা আৰু কনিৰ তপ্ত ক্ৰোধ।

কনিয়ে লক্ষ্য কৰিলে তাৰ অমতত কিবা কৰিবলৈ ল'লেই তাৰ চকু-মুখত বিতৃষ্ণাৰ ভাব ফুটি উঠে। আৰু সি তাইক একেবাৰে সহ্য কৰিব পৰা নাই।

কনিয়ে শুভ সন্ধ্যা জনাই বিদায় ল'লে। সিও শুভ সন্ধ্যা জনাই, কোনোমতে ৰক্ষা পৰিলো ভাবত তাইলৈ পিঠি দি তাৰ কামত পুনৰ ব্যস্ত হ'ল। স্বৈৰিণী, স্বেচ্ছাচাৰিণী নাৰীৰ বিৰুদ্ধে থকা তাৰ পুৰণি খঙটোক কনিয়ে জগাই দিছে কিন্তু সি অসহায়।

ইফালে কনিবো তাৰ ওপৰত প্ৰচণ্ড খং উঠিল। এটা সামান্য বনকৰা মানুহৰ ইমান দম্ভালি! খঙ মনেৰে কনি ঘৰত সোমালহি।

মিছেছ্ বল্টনে কনিলৈ অপেক্ষা কৰি ঘৰৰ বাহিৰত গছ এজোপাৰ তলত থিয় দি আছে। তাই দেখাৰ লগে লগে বল্টনে ক'লে, "মই ভাবিছিলো মেডাম কেতিয়া পাবহি।"

কনিয়ে সুধিলে, "মোৰ বহুত দেৰি হ'ল নেকি?"

মিছেছ্ বল্টনে ক'লে, "ছাৰ ক্লিফোৰ্ড চাহ খাবলৈ বৈ আছে।"

"কিয়? আপুনি বনাই দিয়া নাই?"

"মই ভাবো এইটো মোৰ কাম নহয় আৰু তেৰোঁ ভাল নাপাব।"

"কিয় বেয়া পাব? মই বুজি নাপাওঁ।"

পোনে পোনে ক্লিফোৰ্ডৰ পঢ়াকোঠালৈ কনি সোমাই গ'ল। তাই দেখিলে ট্ৰেৰ ওপৰত পুৰণি পিতলৰ কেটলিটো উঠাই থোৱা আছে। কনিয়ে হাতৰ ফুলখিনি টেবুলৰ ওপৰত থৈ ক্লিফোৰ্ডক সুধিলে, "মোৰ খুব দেৰি হ'ল নেকি?" তাই মূৰৰ টুপীটো নোখোলাকৈয়ে চাহ বনাবলৈ ধৰিলে আৰু পুনৰ সুধিলে, "তুমি মিছেছ্ বল্টনক চাহকাপ বনাই দিবলৈ নক'লা কিয়?"

ক্লিফোৰ্ডে ক'লে, "মই নিবিচাৰো তেওঁ চাহৰ টেবুলতো আধিপত্য খটুৱাওক।"

চাহ কৰি কৰি তাই ক'লে, "চাহত চুৱা নালাগে দিয়া।"

কনিৰ মুখলৈ অদ্ভুত ধৰণেৰে চাই ক্লিফোৰ্ডে সুধিলে, "গোটেই আবেলিটো কি কৰি থাকা তুমি?"

"বনৰ ভিতৰলৈ ফুৰিবলৈ গৈছিলো। তুমি জানানে সেই ডাঙৰ জামু গছডালত এতিয়াও জামু লাগিয়ে আছে।"

কনিয়ে স্কাৰ্টটো সলালে কিন্তু টুপীটো পিন্ধিয়ে থাকিল। টোষ্টত মাখন লগাবলৈ আছেই। কনিয়ে তাৰমাজতে উঠি গৈ তাই অনা ফুলখিনি ক্লিফোৰ্ডৰ ওচৰত সজাই থ'লে যাতে তেওঁ ফুলৰ গোন্ধ পায়। ফুলখিনিলৈ দৃষ্টি দি ক্লিফোৰ্ডে ক'লে, "জুনুৰ চকুৰ পতাতকৈয়ো মিঠা।"

কনিয়ে কৈ উঠিল, "জুনুৰ চকুৰ পতাৰ সৈতে এই ফুলৰ কি সাদৃশ্য আছে মই বুজি নাপালো। এলিজাবেথিয়ানে সকলোতে অধিক তুলনা দাঙি ধৰে।"

কনিয়ে ক্লিফোৰ্ডৰ হাতত চাহকাপ তুলি দি সুধিলে, "নিজৰাৰ পাৰত থকা চিকাৰী চৰাই পোহা ঘৰটোৰ আৰু এপাট চাবি আছে নেকি বাৰু?"

"থাকিব পাৰে। কিয়?"

"মই ঠাইখন আজিহে দেখিলো। খুব ভাল লাগিছে। মই তাত গৈ মাজে মাজে বহিব পাৰিম।"

"মেলৰ্চ তাত আছিলনে?"

"অ', তাৰ হাতুৰীৰ শব্দ শুনিয়েতো মই সেইখিনি ওলালোগৈ। সি মোক দেখি বৰ আমনি পালে। তাক আৰু এপাট চাবি খোজাত সি মোক বৰ অভদ্ৰ ব্যৱহাৰো কৰিলে।"

"কি ক'লে সি?"

"নাই, বিশেষ একো নাই। তাৰ সেই স্বভাৱজাত ভংগীমাৰে ক'লে যে সি চাবিৰ কথা নাজানেই।"

"এপাট চাবি হয়তো দেউতাৰ পঢ়া কোঠাত আছে। কামকৰা মানুহে জানিব। মই যিটো বুজিছো, তাক মাতি পঠাব লাগিব।"

"নাই, নাই, নালাগে থাকক।"

"মেলৰ্চে অভদ্ৰ ব্যৱহাৰ কৰে?"

"তেনেকৈ ঠিক নহয়, মই ভাবিছো সি ছাগৈ সেই ঘৰটোত মই স্বাধীনভাৱে ব্যৱহাৰ কৰাটো নিবিচাৰে।"

"মই ভাবো, সেইটোও নহয়।"

"তথাপিও মই বুজি নাপাওঁ সি কিয় বেয়া পায়। এই ঘৰ-বাৰী তাৰ নহয়। মোৰ মন গ'লে কিয় মই তাত বহিব নোৱাৰিম।"

"অ', নিশ্চয় পাৰিবা। সি নিজকে ভাবে সি বহুত চমজদাৰ।"

"তুমি সেই বুলি ভাবা নেকি?"

"নিশ্চয়। সি নিজকে অসাধাৰণ মানুহ বুলিয়ে ভাবে। সি বিয়া কৰাইছিল আৰু তাইক এৰি সি ১৯১৫ চনত যুদ্ধলৈ যায়। তাক ভাৰতবৰ্ষলৈ পঠাইছিল। বোধহয় সি ইজিপ্তলৈকো গৈছিল আৰু তাত অশ্বাৰোহী বিভাগত কমাৰৰ কাম কৰিছিল। তাৰ যিবোৰ কাম আছিল গোটেইবোৰ ঘোঁৰাক লৈয়ে। সেই কাৰণে সি বৰ চালাক-চতুৰ হৈ উঠে। ভাৰতৰ এজন কৰ্ণেলৰ চকু তাৰ ওপৰত পৰাত তাক পুনৰ ভাৰতলৈ আনি লেফটেনেণ্ট পদত নিযুক্তি দিয়ে। সেই কৰ্ণেলৰ সৈতে উত্তৰ-পশ্চিম সীমান্তলৈ যাওঁতে সি অসুস্থ হৈ পৰিছিল। সি এতিয়াও তাৰ কাৰণে পেন্সন পায়। তাৰ নিচিনা মানুহ এটাই পুনৰ আগৰ স্থানলৈ যোৱাটো সম্ভৱ নহয়। আৰু সেই কাৰণেই তাৰ এটা অসংগতি দেখা যায়। কিন্তু সি আমাৰ কথা শুনে আৰু কৰ্তব্যপৰায়ণো। কিন্তু তাৰপৰা আমি লেফটেনেণ্ট জাতীয় মনোভাৱ আশা কৰা বৃথা। সি যিহে কথিত ভাষাত কথা কয়, তাকনো তেতিয়া কি ভাবি লেফটেনেণ্ট পদ দিছিল! আচলতে সি একো কাম

কৰাই নাছিল। কেতিয়াবা কৰে। সি কথিত ভাষা কয় যদিও ভাল কথাই কয়। তথাপিও মই ভাবো সি আকৌ নিজৰ শ্ৰেণীগত জীৱন-যাত্ৰাৰ মাজতে বুৰি আছিছে।”

কথাখিনি শুনি কনিয়ে কৈ উঠিল, “তুমি মোক এইবিলাক কথা আগতে কোৱা নাছিলা কিয়?”

“এইবিলাক কথাত মোৰ আগ্ৰহ, ধৈৰ্য দুয়োটাই নাই। ই বৰ দুখজনক ঘটনা আৰু প্ৰচলিত ৰীতি-নীতিৰ বাহিৰৰ কথা।”

কনিয়ো এই কথাত একমত হ'ল। যি সদায়ে অসন্তুষ্ট আৰু কাৰো সৈতে মিলিব নোৱাৰে, তাৰ মাজত ভাল গুণ থাকিব নোৱাৰে।

এদিন বতৰ ভালে থকাত কনিয়ে সেই ঠাইখনলৈ ক্লিফোৰ্ডকো লৈ গ'ল। ঠাণ্ডা আছিল যদিও বৰ বেয়া লগা নাছিল। সূৰ্যৰ পোহৰত আছিল এক মধুৰ উত্তাপ। কনিয়ে এটা সময়ত ক'লে, “ইমান ধুনীয়া উজ্জ্বল দিন, ইমান মধুৰ মলয়া বতাহ! কিন্তু কিছুমান মানুহে সিহঁতৰ বিষবাষ্পৰে বতাহখিনিক গধুৰ কৰি তুলিছে।”

ক্লিফোৰ্ডে সুধিলে, “তুমি সেই বুলি ভাবা নেকি?”

“হয় ক্লিফোৰ্ড, মানুহৰ অকাৰণ অসন্তোষ, বিতৃষ্ণা আৰু তাৰ বৰবিহে এই বতাহৰ আনন্দোচ্ছল প্ৰাণপ্ৰাচুৰ্যক নষ্ট কৰি পেলাইছে। তাক হত্যা কৰিছে।”

“হয়তো বতৰৰ প্ৰতিকূল অৱস্থাই মানুহৰ প্ৰাণপ্ৰাচুৰ্য কমাই দিছে।”

কনিয়ে জোৰ দি ক'লে, “নহয়, মানুহেই জগতত বিহ দিছে।”

ক্লিফোৰ্ডে নিজৰ চকীখন আগুৱাই নিলে। কনিয়ে দেখিলে আগৰ দৰেই পথৰ দুয়ো দাঁতিত ভিন্নৰঙী ফুলৰ মেলা। তাই তাৰে দুই এটা ফুল ছিঙি ক্লিফোৰ্ডৰ হাতত দিলে।

ক্লিফোৰ্ডে ফুলখিনি আচৰিত হৈ চাই থাকিল আৰু আপোনমনে ক'বলৈ ধৰিলে, “শান্তি আৰু নীৰৱতাৰ অধৰ্ষিতা, অক্ষত যৌৱনা কন্যা।”

কনিয়ে সুধিলে, “অধৰ্ষিতা শব্দটো আকৌ কিয়? মানুহেহে একমাত্ৰ ধৰ্ষণৰ দৰে কাম এটা কৰিব পাৰে।”

ক্লিফোৰ্ডে প্ৰত্যুত্তৰ দিলে, “মানুহে কৰে নে শামুকে কৰে সেইটো মই নাজানো।”

“মানুহৰ বাহিৰে আন কোনো জীৱই ধৰ্ষণ নকৰে।”

ক্লিফোৰ্ডৰ এপৰত বৰ খং উঠিল তাইৰ। তেওঁৰ এটা ডাঙৰ দোষ হ'ল, কোনো বস্তু বা ঘটনাক কেন্দ্ৰ কৰি কথাৰ জাল পকাব পাৰে। কথা আৰু কথা। কোনপাহি ফুল জুনুৰ চকুৰ পতা, কোনপাহি আকৌ শান্তিৰ অধৰ্ষিতা কন্যা। কথা ভাল নালাগে কনিৰ। তাইৰ এনেকুৱা লাগে যেন এই কথাই হৈছে মানুহ আৰু জীৱনৰ মাজত সুখৰ প্ৰধান অন্তৰায়। তাইৰ নিজৰ জীৱনতো এই 'কথা' অন্তৰায় হৈ পৰিছে। অৰ্থহীন কথাৰ মেৰপেচ। যদি কোনোবাই কাৰোবাক ধৰ্ষণ কৰে তেতিয়াতো কথাই নাই। এই কথাৰ পেচেই মানুহৰ জীৱনক ধৰ্ষণ কৰি তাৰ চব প্ৰাণৰস শুহি নিব।

কনি আৰু ক্লিফোৰ্ডৰ এই সান্ধ্যভ্ৰমণ বৰ সুখকৰ নহ'ল। দুয়োৰে মাজত এখন অঘোষিত মানসিক যুদ্ধ আৰু অস্বস্তিকৰ প্ৰাচীৰ ধীৰে ধীৰে গঢ় লৈ উঠিছে সেয়া দুয়ো বুজি উঠা নাই। তাই ক্লিফোৰ্ডক এৰাই চলিব বিচাৰে। ক্লিফোৰ্ডৰ চিন্তা, চেতনা, কথা-বাৰ্তা, তেওঁৰ উগ্ৰ আত্ম-কেন্দ্ৰিকতা এই সকলোবিলাকৰ পৰা মুক্তি পাব বিচাৰে তাই। আটাইতকৈ বেয়া লাগে তেওঁৰ কথা। অ', অকণো ভাল নালাগে।

ভাল বতৰ আকৌ বেয়ালৈ ঢাল খালে। বৰষুণ আৰম্ভ হ'ল। তথাপিও এদিন সেই বতৰতে কনি বাহিৰলৈ ওলাল। একমনে একধ্যানে তাই বনৰ মাজলৈ সোমাই গ'ল। বৰষুণ দিয়ে আছিল। কিন্তু ঠাণ্ডা বৰ বেছি নাই। তাইৰ ভাব হ'ল বৰষুণৰ বাবে এই বনভূমিৰ নিৰ্জনতা আৰু বাঢ়ি গৈছে। মেঘাচ্ছন্ন এই গধুলি বেলা বাহিৰৰ জগতখনৰ সৈতে এই বনভূমিৰ দূৰত্ব আৰু বেছি হৈ গৈ আছে।

কনিয়ে গৈ গৈ সেই মুকলি ঠাইখনত ৰ'লগৈ। ঘৰটোত তলামৰা আছে। তাই দুৱাৰৰ কাষত থকা কাঠ এডালত বহি বৰষুণৰ শব্দ শুনিবলৈ ধৰিলে। বতাহৰ বেগ নাছিল। কিন্তু গছৰ ওপৰৰ ডালবোৰ কঁপি আছিল। ঠাইখন বৰ পৰিষ্কাৰ হৈ আছে। চাৰিওদিশে কেৱল ওখ ওখ ওক গছ। বৰষুণৰ পানী পৰি গছবোৰৰ প্ৰকাণ্ড গুৰিবোৰ ক'লা ক'লা দেখা গৈছিল। তাইৰ এনে লাগিল যেন পৃথিৱীৰ ভিতৰত একমাত্ৰ এই ঠাইখনেই অধৰ্ষিতা। অবিচ্ছিন্ন নীৰৱতাৰে চিৰস্তব্ধ। কিন্তু পিছ মুহূৰ্ততে কথাটো তাইৰ মনঃপুত নহ'ল। তাই ভাবিলে গোটেই জগতখনেই ধৰ্ষিতা। আচলতে ইয়াত অধৰ্ষিতা ঠাই বুলি একো নায়েই।

তাই ভাবিবলৈ ধৰিলে কিমান যে বস্তু আছে যাক ধৰ্ষণ কৰিব নোৱাৰি। যেনে চাৰদিনৰ টেমা, কিছুমান মহিলাক বা পুৰুষকো। কিন্তু পৃথিৱী....।"

বৰষুণ কমি আহিছিল। বৰষুণৰ বাবে ওক গছৰ ছাঁবোৰ খুব ঘন দেখা গৈছিল। তাই এবাৰত উঠিবলৈ চালে। কিন্তু নোৱাৰিলে। ঠাণ্ডা লাগিছিল তাইৰ। এটা চেপা ক্ৰোধৰ হেঁচাত তাই পক্ষাঘাত ৰোগীৰ দৰে সেইখিনি ঠাইতে জড় পদাৰ্থ হৈ বহি থাকিল।

নিজে নিজেই ভাবিবলৈ ধৰিলে তাই। ধৰ্ষিতা! সময়ত কোনোবাই কাৰোবাক স্পৰ্শ নকৰাকৈয়ো ধৰ্ষণ কৰিব পাৰে। তাই যেনেকৈ কিছুমান মৃত চিন্তা-ভাবনাৰ দ্বাৰা, মৃত কথা কিছুমানেৰে প্ৰতিদিনে ধৰ্ষিত হৈ আছে। বিপন্ন আৰু বিব্ৰত হৈছে ধৰ্ষিতা নাৰীৰ দৰেই।

মুগাবৰণীয়া কুকুৰটো তিতি তিতি হাজিৰ হ'লহি। সি নেজডাল ওপৰলৈ তুলি লৰাবলৈ ধৰিলে। নুভুকিলে। অলপ সময়ৰ পাছতে সিয়ো পালেহি। সি এটা চামৰাৰ জেকেট পিন্ধি আছিল। তাইৰ ভাব হ'ল, তাইক দেখি তাৰ যেন মনটো মৰি গ'ল। সি একো নকৈ মাথোঁ অভিবাদন জনালে তাইক। সি আগবাঢ়ি অহাত তাই আঁতৰি আহিল আৰু ক'লে, "মই যাবলৈ ওলাইছিলোৱেই।"

সি সুধিলে, "আপুনি ঘৰৰ ভিতৰত সোমাবলৈ বৈ আছিল নেকি?"

আত্ম-মৰ্যাদা ৰক্ষা কৰি গম্ভীৰভাৱে কনিয়ে ক'লে, "নাই, নহয়। মই পানী নপৰা ঠাইকণত বহিহে আছিলো।"

সি কনিলৈ চালে। তাইক বৰ উদাসীন, শীতল যেন লাগিছে। সি পুনৰ সুধিলে, "ছাৰৰ ওচৰত আৰু চাবি নাই নেকি?"

"নাই। কিন্তু দৰকাৰো নাই। মই এই চালিখনৰ তলতে বহিব পাৰিম। ঠিক আছে। যাওঁ এতিয়া।"

কনি যাবলৈ লওঁতেই সি পকেটৰ পৰা চাবি এপাট উলিয়াই ক'লে, "এইপাট লৈ যাওক। মই চৰাইবোৰ অন্য ঠাইলৈ লৈ যাম।"

"কি ক'ব খুজিছা তুমি?"

"মই ক'ব বিচাৰিছো, চৰাইবোৰক মই অন্যঠাইত ৰাখিম। আপুনি চাবিপাট নিয়ক। তেতিয়া আৰু আপুনি বাহিৰত বহি থাকিব নালাগে।"

তাৰ উপভাষা ভালকৈ ধৰিব নোৱাৰিলেও তাই সি কোৱা কথাৰ এটা অৰ্থ বুজি পালে। তাৰপিছত তাই তাক সুধিলে, "তুমি সাধাৰণ ইংৰাজী ভাষাৰে কথা ক'ব নোৱৰা নেকি?"

"মই লিখিত ভাষা ক'লে আপুনি আৰু বুজি নাপাব।"

খণ্ডতে কনিয়ে অলপসময় চুপ মাৰি ৰ'ল। সি আকৌ ক'লে, "দৰকাৰ হ'লে চাবিপাট নিব পাৰে। আৰু কয় যদি ঘৰৰ বস্তুবোৰ আঁতৰাই ঘৰটো চাফা কৰি দিব পাৰোঁ।"

কনিৰ আৰু খং উঠিল। তাই ক'লে, "তোমাৰ চাবি মোক নালাগে। তুমি বস্তু-বাহানি লৈ অন্য ঠাইলৈ যাবও নালাগে। ঘৰো চাফা কৰি দিব নালাগে। মই আজিৰ নিচিনাকৈ বাহিৰতে বহিব পাৰিম। ধন্যবাদ। আৰু এই বিষয়ে আমি একো কথা নাপাতো।"

সি তাৰ নীলা দুচকুৰ কুটিল দৃষ্টিৰে তাইলৈ চালে। আৰু ক'বলৈ ধৰিলে, "মেডাম, আপুনি ইয়ালৈ আহিব। বৰদিনৰ উষ্ণ আদৰণিৰ দৰেই আপোনাকো স্বাগতম জনাইছো। গোটেই শীতকালছোৱা এই চৰাইবোৰক পোহপাল দিব লাগিব। তেতিয়াহে বসন্তকালত ইহঁতক কামত খটুৱাব পৰা যাব। আপুনি যেতিয়া ইয়াত থাকে তেতিয়া নিশ্চয় আপুনি নিবিচাৰে মই ইয়াত ঘটং ঘাটাং কৰি থকা।"

এটা অস্পষ্ট আচৰিত ভাবেৰে কনিয়ে তালৈ চাই ৰ'ল। তাৰপিছত তাই তাক সুধিলে, "তুমি মোৰ ওচৰত থাকিলে মই আকৌ কিয় বেয়া পাম!"

সি আকৌ অদ্ভুত ধৰণেৰে চাই উত্তৰ দিলে, "মোৰ বৰ বেয়া লাগে।"

কনিয়ে অলপ লাজ পাই ক'লে, "ঠিক আছে। মই তোমাক আমনি নকৰোঁ বাৰু।

কিন্তু এটা কথা; তুমি যেতিয়া চৰাইবোৰৰ কাৰণে কিবা-কিবি কাম কৰি থাকা, মই তেতিয়া চাই থাকোঁ। কাৰণ মোৰ এইবোৰ ভাল লাগে। কিন্তু তোমাৰ ভাল নালাগে যেতিয়া মই আৰু তোমাক বিৰক্ত নকৰোঁ। তুমি ভয় নকৰিবা। মনত ৰাখিবা, তুমি ক্লিফোৰ্ডৰহে কৰ্মচাৰী, মোৰ নহয়।"

কথাটো নিজৰ কাণেৰে শুনিয়ে বৰ অদ্ভুত লাগিল কনিৰ। তাই এনেকুৱা কথা কিয় ক'লে তাই নিজেই বুজিব নোৱাৰিলে। মুখৰ পৰা ওলাই গ'ল দেখোন।

সি ক'লে, "মেডাম, আপোনাৰ নিজৰ ঘৰ বুলিয়ে ভাবিব। যেতিয়াই মন যায় আহিব। আপুনি এসপ্তাহৰ ভিতৰতে 'নটিচ' দি মোক চাকৰিৰ পৰা খেদিব পাৰে। মাত্ৰ....."

"মাত্ৰ কি?"

"মানে, মই ইয়াত থাকি আপোনাৰ শান্তি নষ্ট কৰিব নোখোজো।"

কনিয়ে খঙেৰে ক'লে, "কিন্তু কিয়? তুমি সভ্য মানুহ নহয় নেকি? মই আকৌ তোমাক কিয় ভয় কৰিম? তুমি ইয়াত থাকিলে মই তোমাক দেখি থাকিম সেইটোতো নহয়।"

সি চতুৰ হাঁহি এটা মাৰি ক'লে, "নহয়, নহয়, মই সেইটো কোৱা নাই মেডাম।"

"তেন্তে কি?"

"আপোনাক এপাট চাবি দিম?"

"নালাগে। আৰু দৰকাৰ নাই।"

"মই চাবি এপাত বনাব লাগিব। কেতিয়া কি দৰকাৰ হয় ঠিক নাই।"

কনিয়ে খঙতে জ্বলি-পকি উঠি কৈ উঠিল, তুমি বৰ দাম্ভিক। একেবাৰে কথা নুশুনা।"

সি লগে লগে কৈ উঠিল, "নাই, নাই, তেনেকৈ নক'ব। মই তেনেকৈ ক'ব বিচৰা নাই। মই ভাবিছিলো, আপুনি আহিলে মই ঘৰটো চাফা কৰিব লাগিব। আৰু তেতিয়া মোৰ কাম বাঢ়িব। মোৰ আন কামো থাকে। যদি আপুনি মই কি কৰিছো নকৰিছো সেইবোৰলৈ লক্ষ্য নকৰে তেন্তে মোৰ ক'বলৈ একো নাই। আপোনাৰ যেতিয়াই যি মন যায় তাকে কৰিব।"

হতবুদ্ধিত পৰিল কনি। তাইৰ খঙেই উঠিল নে অপমানিতই হ'ল ধৰিবই নোৱাৰিলে। হয়তো সি যি কৈছে সেয়াই সঁচা। সি নিজকে এটা গুৰুত্বপূৰ্ণ মানুহ বুলি ভাবে। সি হয়তো ভাবিছে কনিয়ে তাৰ কাষত বহি তাৰ কাম কৰা চাই থাকিব। তাৰ নিচিনা এটা মানুহলৈ? কনিয়ে এনে কথা সপোনতো নাভাবে বুলি তাৰ কাণ্ডজ্ঞানে ঢুকি পোৱা নাই।

খেলি-মেলি চিন্তা কিছুমানেৰে মূৰটো গধুৰ কৰি কনি ঘৰলৈ উভতিল। তাই কি ভাবিছে আৰু কি অনুভৱ কৰিছে তাই বুজি নাপালে।

নৱম অধ্যায়

ক্লিফোৰ্ডৰ প্ৰতি কনিৰ দিনে দিনে বাঢ়ি অহা বৈৰাগ্যক অনুভৱ কৰি তাই নিজেই আচৰিত হৈ পৰে। তাইৰ এনেকুৱা লাগে, তাই আৰু কেতিয়াও ক্লিফোৰ্ডৰ প্ৰতি প্ৰেমৰ আকৰ্ষণ অনুভৱ কৰিব নোৱাৰিব। ভাল পাব নোৱাৰে। অথচ তাই তেওঁক ঘৃণাও নকৰে। আচলতে তেওঁৰ প্ৰতি প্ৰেম বা ঘৃণা এই দুয়োটা আৱেগিক অনুভৱেই এতিয়া তাইৰ আৰু নাই। ক্লিফোৰ্ডৰ প্ৰতি দৈহিক আকৰ্ষণ কনিৰ নাছিল। আৰু নাছিল কাৰণেই তাই তেওঁৰ সৈতে বিয়াত বহিছিল। কিয়নো তেতিয়া তাই মানসিক আকৰ্ষণটোহে গুৰুত্বপূৰ্ণ বুলি ভাবিছিল। ক্লিফোৰ্ডক তেতিয়া তাইৰ নিজতকৈ বহুত ডাঙৰ মানুহ যেন ভাব হৈছিল আৰু তাইৰ শিক্ষাগুৰুৰ দৰেও লাগিছিল।

যিহেতু কনিৰ এতিয়া সেই মানসিক উত্তেজনাই শাম কাটিলে গতিকে দৈহিক বিতৃষ্ণা বেছি প্ৰকট হৈ পৰিল। এই বিৰাগ, এই বিতৃষ্ণাই তাইৰ মনৰ ভিতৰখন খুলি খুলি খাই ফোঁপোলা কৰি পেলাইছে।

ইয়াৰ লগে লগে মনৰ মাজত এটা নিদাৰুণ দুৰ্বলতা আৰু নিঃসংগতা তাই অনুভৱ কৰে। তাই কামনা কৰিছিল বাহিৰৰ পৰা কিবা এটাই সহায় কৰি তাইক এই অৱস্থাৰ পৰা উদ্ধাৰ কৰক। কিন্তু গোটেই পৃথিবীখনৰ পৰা একবিন্দু সাহায্যও ক'ৰোপৰা নাহে। গোটেই সমাজখনেই ভয়ংকৰ। কিয়নো উন্মাদ এই সভ্য সমাজ। এই সভ্য সমাজৰ দুটা বিয়াগোম মানসিক বিকাৰ হ'ল ধন আৰু তথাকথিত প্ৰেম ভালপোৱা। অৱশ্যে ধনৰ লোভ বহু ওপৰত। মানুহৰ ব্যক্তিত্বই তেওঁৰ অসংলগ্ন বলিয়ালিৰ দুটা দিশলৈ আঙুলিয়াই দিয়ে, টকা আৰু প্ৰেম। মাইকেলিচকে উদাহৰণ হিচাপে ল'ব পাৰি। তেওঁৰ কাম-কাজ আৰু জীৱন সংগ্ৰাম বলিয়ালিৰ সমষ্টিৰ বাহিৰে আন একো নহয়। তেওঁৰ বলিয়ালিৰেই আন এটা ৰূপ হৈছে তেওঁৰ প্ৰেম।

আৰু ক্লিফোৰ্ডো ইয়াৰ ব্যতিক্ৰম নহয়। এই আলাপ-আলোচনা, লেখা-মেলা, নিজকে আগুৱাই নিয়াৰ অদ্ভুত সংগ্ৰাম, এই গোটেইবোৰ কেৱল বলিয়ালি। ক্ৰমান্বয়ে আৰু ই বেয়ালৈ ঢাল লৈ এতিয়া হৈ পৰিছে যুক্তিহীন আক্ৰোশত ভোগা এক মানসিক বিকাৰ।

কনিৰ প্ৰতি থকা আসক্তি ক্লিফোৰ্ডে এতিয়া মিছেছ্ বল্টনলৈ সলালে। তেওঁ কিন্তু কথাটো একেবাৰে বুজি পোৱা নাই। আন পগলা মানুহৰ দৰেই ক্লিফোৰ্ডেও তেওঁৰ পাগলামিৰ মূল কাৰণটো গম নাপায়।

মিছেছ্ বল্টনৰ কিছুমান সঁচাকৈয়ে প্ৰশংসনীয় গুণ আছে। কিন্তু তাৰ মাজতে তেওঁৰ আধিপত্য খটুৱাব খোজা স্বভাব এটায়ো অহৰহ ক্ৰিয়া কৰে। সকলো বিষয়তে নিজৰ ইচ্ছা, পছন্দ-অপছন্দক প্ৰাধান্য দিয়ে। আত্ম-প্ৰতিষ্ঠাৰ বাটত আধুনিক মহিলাসকলৰ দৰেই তেওঁৰো আচৰণত এটা অপ্ৰকৃতিস্থ লক্ষণ ফুটি উঠে।

মিছেছ্ বল্টনে ভাবে যে তেওঁ এওঁলোকৰ ভালৰ কাৰণেই সকলো কৰিছে। ক্লিফোৰ্ডক তেওঁৰ ভাল লাগে। কিয়নো ক্লিফোৰ্ডৰ আত্ম-প্ৰতিষ্ঠাৰ আবেগ তেওঁতকৈয়ো সূক্ষ্ম। সেয়ে ক্লিফোৰ্ডৰ ইচ্ছা-অনিচ্ছাৰ ওচৰত তেওঁৰ ইচ্ছা-অনিচ্ছাক দমাই থয়। এইবোৰ কাৰণতে ক্লিফোৰ্ডক তেওঁৰ ভাল লাগে। হয়তো কনিৰো এইবোৰ কাৰণতে ক্লিফোৰ্ডক আগতে ভাল লাগিছিল।

কোনোবাদিনা হয়তো মিছেছ্ বল্টনে আবেগ সানি মমতাভৰা কণ্ঠেৰে কৈ উঠে, “দিনটো কিযে ভাল লগা হৈছে। মই ভাবিছো, আপুনি বাহিৰলৈ ওলাই আহিলে ভাল লাগিব। আজি বৰ ধুনীয়া ৰ'দ দিছে।” ক্লিফোৰ্ডে কয়, “অ', মোক সেই হালধীয়া ৰঙৰ বহীখন দিবনে? ময়ো ভাবিছো, ফুলৰ টাববোৰ ঘৰৰ ভিতৰৰ পৰা আনি বাহিৰত দিয়াই ভাল হ'ব।”

তেতিয়া মিছেছ্ বল্টনে কয়, “ফুলখিনি বৰ ধুনীয়া। গোন্ধটোও বৰ মিঠা।”

‘ধুনীয়া’ শব্দটো তেওঁ বেছি জোৰ দি লেনিয়াই কয়। ক্লিফোৰ্ডে কয়, “সেই গোন্ধটো মোৰ ভাল নালাগে। গোন্ধটোত কিবা এটা মৰা মৰা ভাব আছে।”

মিছেছ্ বল্টনে কয়, “আপোনাৰ তেনেকুৱা লাগে নেকি।”

ক্লিফোৰ্ডৰ কথাত অলপ অসন্তুষ্ট হ'লেও গোন্ধৰ ক্ষেত্ৰত তেওঁৰ দাৰ্শনিকসুলভ বিৰাগ দেখি আচৰিত হোৱাৰ লগতে অভিভূত হৈ পৰে মিছেছ্ বল্টন। তেওঁ নীৰৱে কাষৰ কোঠাৰ পৰা ফুলখিনি বাহিৰলৈ উলিয়াই আনে।

তাৰ পিছত মিছেছ্ বল্টনে সোধে, “এতিয়া আপোনাৰ ডাঢ়ি খুৰাই দিমনে? নে আপুনি নিজেই খুৰাব?”

মিছেছ্ বল্টনৰ কণ্ঠস্বৰ সদায়ে মৃদু, মধুৰ, কোমল, মৰমভৰা। লগতে কিছু কৰ্তৃত্বসূচকো।

ক্লিফোৰ্ডে কয়, “এতিয়া থাককচোন। মই মাতিম বাৰু।”

“হ'ব বাৰু ছাৰ” বুলি নৰম, আত্ম-সমৰ্পণৰ সুৰত কথাষাৰ কৈ আঁতৰি গ'লেও তেওঁৰ কথাত দুৰন্ত ইচ্ছা-শক্তিৰ প্ৰচণ্ড দৃঢ়তা লুকাই থাকে। ক্লিফোৰ্ডে ঘণ্টা বজাই দিয়াৰ লগে লগে তেওঁ কাষত থিয় দিয়েহি।

“আজি আপুনিয়ে ডাঢ়ি খুৰাই দিয়ক।”

কথাষাৰ শুনাৰ লগে লগে তেওঁ উৎফুল্লিত হৈ পৰে আৰু কণ্ঠত আৰু মধুৰতা সানি কয়, “খুব ভাল কথা ছাৰ।”

প্ৰথম অৱস্থাত মিছেছ্ বল্টনে ডাঢ়ি খুৰাওঁতে আঙুলিকেইটাৰে ক্লিফোৰ্ডৰ গালত বেছি সময় লগাই থাকিলে তেওঁৰ বৰ বেয়া লাগিছিল লগতে খঙো উঠিছিল। কিন্তু এতিয়া ভালহে লাগে। অকল সেয়াই নহয়, লগে লগে তেওঁৰ মনত এটা জাৰজ লালসাও জাগে। আজিকালি ক্লিফোৰ্ডে সদায়ে মিছেছ্ বল্টনৰ হতুৱাই ডাঢ়ি খুৰায়। ডাঢ়ি খুৰাওঁতে মিছেছ্ বল্টনৰ মুখখন ক্লিফোৰ্ডৰ মুখৰ ওচৰ চাপি যায়। মিছেছ্ বল্টনৰ আঙুলি কেইটাই ক্লিফোৰ্ডৰ মুখমণ্ডলৰ প্ৰতিটো অংশ নিৰ্ভুলভাৱে চিনি পায়। মিছেছ্ বল্টনে এইবোৰ কৰি বৰ ভাল পায়। ক্লিফোৰ্ডৰ ডিঙি, গলধন বৰ ধুনীয়া। সু-সন্তুলিত আহাৰে ক্লিফোৰ্ডক স্বাস্থ্যবান কৰি ৰাখিছে। নম্ৰ, ভদ্ৰ, অভিজাত বংশৰ ক্লিফোৰ্ডৰ ধুনীয়া মুখমণ্ডল আৰু নিমজ মিহি ছাল।

মিছেছ্ বল্টনো সুন্দৰী। দীঘলীয়া মুখাকৃতিৰে তেওঁৰ দুচকু উজ্জ্বল আৰু সপ্ৰতিভ। তেওঁৰ মধুৰ ব্যৱহাৰে ক্লিফোৰ্ডক আকৰ্ষিত কৰি ধীৰে ধীৰে দুয়োকে দুয়োৰে ঘনিষ্ঠ কৰি তুলিছে।

মিছেছ্ বল্টনে এতিয়া ক্লিফোৰ্ডৰ সৰু-বৰ সকলো কামেই কৰে। ক্লিফোৰ্ডে আৰু আগৰ দৰে তেওঁলৈ লাজ নকৰে। ক্লিফোৰ্ড এতিয়া মিছেছ্ বল্টনৰ কাষত বেছিহে সহজ হৈ পৰিছে। আনকি কনিৰ ওচৰতো তেওঁ ইমান সহজ হ'ব পৰা নাছিল। মিছেছ্ বল্টনে ক্লিফোৰ্ডৰ দেহাটো চুই মেলি থাকি ভাল পায়। সেয়ে তেওঁ ক্লিফোৰ্ডৰ সকলোবোৰ কাম কৰিবলৈ বিচাৰে। সকলো সময়তে কাম কৰিবলৈ উত্ৰাৱল হৈ থাকে।

মিছেছ্ বল্টনে এদিন কনিক ক'লে, "আচলতে সকলো পুৰুষেই একো একোটা শিশুৰ দৰে। মই ইয়াৰ আগতে তেভাৰচালৰ বৰ খণ্ডাল, কাঢ়া মানুহকো সেবা-শুশ্ৰূষা কৰিছো। তেওঁলোকো একো একোটা ডাঙৰ কেঁচুৱাৰ নিচিনা। আৰু সকলো পুৰুষ একেই।

মিছেছ্ বল্টনে ভাবিছিল যে ক্লিফোৰ্ডৰ দৰে সমাজৰ ভব্য গব্য ব্যক্তিসকল আনতকৈ কিছু পৃথক। তেওঁলোকৰ মাজত বিশেষ পাৰ্থক্য আছে। তেওঁৰ এই ধাৰণাটো প্ৰথম অৱস্থাত সঁচা যেনেই লাগিছিল। সেয়ে তেওঁ ক্লিফোৰ্ডক সম্ভ্ৰম আৰু শ্ৰদ্ধা কৰি চলিছিল। এটা ব্যৱধান ৰাখিছিল। কিন্তু দিন যোৱাৰ লগে লগে ক্লিফোৰ্ডৰ মনৰ ভিতৰখন জুমি চাই দেখিলে আন পাঁচজনৰ দৰেই তেৰোঁ এজন। তথাপিও তেওঁ সংযত হৈ থাকে। অন্যান্য পুৰুষৰ দৰেই ক্লিফোৰ্ডেও নাৰীৰ মন জয় কৰিবলৈ যিবোৰ কলা-কৌশল জানে সেয়া ভাবিবই নোৱাৰি।

মাজে মাজে কনিৰ ক্লিফোৰ্ডক ক'বলৈ মন যায়, ভগৱানৰ শপত, এই মানুহজনীৰ বাবে ভয়ংকৰ আৰু শোচনীয়ভাৱে নিজকে ইমান তললৈ নিনিবা। এনেকৈ নিজকে ডুবাই নিদিবা। কিন্তু পিছ মুহূৰ্ততে তাই ভাবিলে, এইবিলাক কথা কোৱাৰ কোনো মানে নাই। কিয়নো ক্লিফোৰ্ডৰ প্ৰতিতো তাইৰ কোনোধৰণৰ আগ্ৰহো নাই। তথাপি এতিয়াও কনি আৰু ক্লিফোৰ্ডে সন্ধ্যা সময়কণ একেলগেই কটায়। সন্ধ্যা আৰম্ভ হোৱাৰ পাছৰে পৰা

নিশা দহবজালৈকে দুয়ো কথা পাতে নাইবা পঢ়া-শুনা কৰে। কনিয়ে কেতিয়াবা তাৰ মাজতে ক্লিফোৰ্ডৰ পাণ্ডুলিপি পঢ়ে বা শুদ্ধ কৰে। এইবোৰ কাম কৰি তাই আনন্দৰ উত্তেজনাত শিহৰিত নহয় যদিও কৰ্তব্যৰ খাতিৰতে এইবোৰ টাইপো কৰি দিয়ে।

কনিয়ে এদিন মিছেছ্ বল্টনক টাইপিং শিকিবলৈ ক'লে। মিছেছ্ বল্টনে লগে লগে বৰ উৎসাহেৰে কামটো শিকিবলৈ ধৰিলে। মাজে মাজে ক্লিফোৰ্ডে তেওঁক চিঠি একোখন টাইপ কৰিবলৈ দিয়ে। টান টান শব্দবোৰৰ বানানো কৈ দিয়ে। ফৰাচী শব্দ থাকিলে তাৰো বানান কৈ দিয়ে। মিছেছ্ বল্টনৰ এই কামটো কৰোঁতে বৰ দেৰি লাগে যদিও ক্লিফোৰ্ডে ধৈৰ্য ধৰি থাকে। মিছেছ্ বল্টনৰ এয়া এক নতুন অভিজ্ঞতা। শিহৰিত হৈ উঠে শৰীৰ। আৰু এনেদৰে লিখিবলৈ নিৰ্দেশ দি ক্লিফোৰ্ডো বেচ আনন্দিত হয়।

আজিকালি খোৱা-বোৱাৰ পাছতো ক্লিফোৰ্ডৰ কোঠালৈ কনি নোযোৱা হৈছে। মূৰ কামোৰণিৰ অজুহাত দেখুৱাই নোযোৱাকৈ থাকে। ক্লিফোৰ্ডক তাই কয়, "এতিয়া মিছেছ্ বল্টনে হয়তো তোমাৰ সৈতে পিকেট খেলিব।" ক্লিফোৰ্ডে কয়, "ঠিক আছে সোণজনী, কোনো চিন্তা নকৰিবা। মোৰ একো দিগদাৰ নহয়। তোমাৰ কোঠালৈ গৈ তুমি জিৰণি লোৱাচোন।" কিন্তু কনিয়ে ক্লিফোৰ্ডৰ কোঠাটোৰ পৰা যাবলৈ পালেহে, ক্লিফোৰ্ডে মিছেছ্ বল্টনৰ বাবে বে'ল বজালেই নহয়। আৰু মিছেছ্ বল্টনক পিকেটেই হওক বা বেজিকেই হওক বা ডাবাই হওক কিবা এটা খেলত তেওঁৰ লগত বহিবলৈ ক'লে। ক্লিফোৰ্ডে মিছেছ্ বল্টনক এই প্ৰত্যেকটো খেলেই শিকাই দিছে।

মিছেছ্ বল্টনে ক্লিফোৰ্ডৰ ওচৰত এজনী সৰু ছোৱালীৰ দৰে ৰঙা-ছিঙা পৰি অলপ লাজ লাজকৈ উত্তেজনাত মৃদুভাৱে কঁপি কঁপি ডবা খেলৰ ৰাণীজনী বা নাইটটোক চোওঁ নোচোওঁ কৰি থকা দৃশ্যটো কনিয়ে বৰ আচহুৱা আৰু আপত্তিজনক যেন অনুভৱ কৰে। ক্লিফোৰ্ডে তেতিয়া তেওঁক কয়, "তুমি এতিয়া 'যিহক' বুলি ক'ব পাৰিব লাগিব।" উজ্জ্বল তিৰ্বিৰিয়া চকুৰে লাজ লাজকৈ আৰু একান্ত বাধ্য হৈ কোমলকৈ তাই কয় 'যিহক'।

ক্লিফোৰ্ডে তেওঁক সঁচাকৈয়ে চব শিকাইছে। শিকাই ভালো লাগিছে ক্লিফোৰ্ডৰ। লগতে তেওঁৰ প্ৰভুত্ববোধো তৃপ্ত হয়। মিছেছ্ বল্টনৰ সমস্ত শৰীৰ শিহৰিত হৈ উঠে। তেওঁ এটা এটাকৈ সকলোবোৰ শিকিছে, যিবোৰ উচ্চ অভিজাত শ্ৰেণীৰ মানুহে জানে বা কৰে। অভিজাত শ্ৰেণীৰ মানুহে যেনেধৰণৰ জীৱন-যাপন কৰে, সেই জীৱন-ধাৰণৰ সৈতে এৰোঁ অভ্যস্ত হৈ পৰিছে। তেওঁলোকৰ সকলো ৰীতি-নীতি, আদব-কায়দা শিকিবলৈ লৈ পুলকিত হৈ পৰে আইভি বল্টন। তেওঁ মনে মনে ভাবে, কেৱল টকা আৰু ধন-সম্পত্তিহে তেওঁৰ নাই; তাৰ বাহিৰে অভিজাত শ্ৰেণীৰ সকলোখিনিয়ে পাই গৈছে তেওঁ। এইবিলাক ভাবি ভাবি তেওঁ ইমান সুখী হৈ পৰে যে নিজকে ক্লিফোৰ্ডৰ ওচৰত তেওঁৰ উপস্থিতিক অত্যাৱশ্যকীয় কৰিবলৈ উঠি পৰি লাগে।

কনিৰ ওচৰত ক্লিফোৰ্ডৰ আচল স্বৰূপ স্পষ্ট হৈ পৰিছে। বাহিৰৰ খোলাটো বা ছদ্ম আৱৰণখন এৰৰাই দিয়াৰ পাছত প্ৰকৃত ৰূপ ওলাই আহিছে ক্লিফোৰ্ডৰ। তাই ভাবিবলৈ বাধ্য হৈছে যে ক্লিফোৰ্ডো আন পাঁচজন পুৰুষৰ দৰেই নিতান্তই সাধাৰণ, কুৎসিত আৰু কুৰুচিপূৰ্ণ মনৰ মানুহ। নিস্তেজ আৰু স্থূল মানসিকতাৰে ভৰা। লগে লগে আইভি বল্টনৰ ছল-চাতুৰী আৰু ব্যৱসায়ী বুদ্ধিটোও তাইৰ ওচৰত স্পষ্টৰূপে ধৰা দিছে। ক্লিফোৰ্ডৰ ওচৰ চাপিলেই আইভি মানুহজনী যেনেকৈহে লচপচীজনী হৈ পৰে। তাকে দেখি আশ্চৰ্যত হতবাক হয় কনি। মিছেছ্ বল্টন, ক্লিফোৰ্ডৰ প্ৰেমত পৰিছে বুলি ক'লে হয়তো শুদ্ধ কোৱা নহ'ব; কিন্তু ক্লিফোৰ্ডৰ দৰে উচ্চ-পৰ্যায়ৰ, অভিজাত, বিখ্যাত লেখক এজনৰ সংস্পৰ্শলৈ আহি তেওঁৰ যি আবেগিক শিহৰণ জাগি উঠিছে সেয়া তেওঁৰ চকু-মুখ আনকি সৰ্বাংগত ফুটি উঠিছে। সেয়ে ক্লিফোৰ্ডে যেতিয়া তেওঁক কোনো বিষয়ে শিকাবলৈ লয় তেতিয়া তেওঁ যি উত্তেজনা অনুভৱ কৰে সেয়া প্ৰেমৰ উত্তেজনাতকৈয়ো বেছিগভীৰ। ইয়াৰ বাহিৰে ক্লিফোৰ্ডৰ সৈতে তেওঁৰ প্ৰেম-পিৰিতি সম্ভৱো নহয়।

প্ৰেম সম্পৰ্কে যিয়ে ভাবো কিয়, আইভি নামৰ মানুহজনীয়ে যে ক্লিফোৰ্ডক ভাল পাবলৈ আৰম্ভ কৰিছে সেইটো নিশ্চিত। মানুহজনীক এতিয়াও ধুনীয়া বুলি ক'ব পাৰি। আচল বয়সতকৈ কম যেনো লাগে। তেওঁৰ ছাইৰঙী চকুযুৰি বৰ ধুনীয়া। এটা সূক্ষ্মজয়ৰ গৌৰৱৰ সৈতে মধুৰ তৃপ্তিৰ এটা বিৰল আনন্দই সকলো সময়তে তেওঁৰ শৰীৰত শিহৰণ তুলি থাকে।

এইফালে ক্লিফোৰ্ডো যে এই মানুহজনীৰ হাতৰ মুঠিত বান্ধ খাই পৰিছে সেই বিষয়ে সন্দেহ নাই। আইভিৰ সেৱা-শুশ্ৰূষাত তেওঁ নিজকে সঁপি দিছে। কিয়নো তেওঁৰ স্বভাৱসুলভ একাগ্ৰতা আৰু নিষ্ঠাক ক্লিফোৰ্ডে শ্ৰদ্ধা কৰে। ক্লিফোৰ্ডে যি মন যায় তাকেই কৰিব পাৰে। তেওঁক নিজৰ খেয়াল-খুচি মতে ব্যৱহাৰ কৰিব পাৰে। আৰু আনন্দ লাভো কৰে।

ক্লিফোৰ্ড আৰু মিছেছ্ বল্টনৰ কথা-বতৰাবোৰ কনিয়ে কাণপাতি শুনে। সেই আলোচনা-বিলোচনাত মিছেছ্ বল্টনেই বেছিকৈ কথা কয়। বিশেষকৈ তেভাৰচাল গাঁৱৰ কথা। মানুহজনীয়ে কথা ক'বলৈ আৰম্ভ কৰিলে বন্ধই কৰিব নোখোজে। তেওঁ যেন এগৰাকী লেখিকা। মানৱ চৰিত্ৰ সম্বন্ধে তেওঁৰ বিচাৰ বিশ্লেষণ আগবঢ়াইছে কাৰোবাৰ অনুলিখনৰ বাবে। তেওঁৰ কথা শুনি এনে লাগে যেন জঘন্য মানুহবোৰৰ কথা এনেকৈ কোৱাটো বৰ অপমানজনক। প্ৰথম অৱস্থাত তেভাৰচালৰ কথাবোৰ ক'বলৈ আইভিয়ে সাহস পোৱা নাছিল। কিন্তু আৰম্ভ কৰাৰ পাছত আৰু ৰ'বলৈ নাই। ইয়াৰ পৰাই ক্লিফোৰ্ডে তেওঁৰ গল্পৰ উপাদান সংগ্ৰহ কৰিছে। আৰু বহুত উপাদান পাইছেও। কনিয়ে এতিয়া ভালকৈ বুজি পাইছে যে ক্লিফোৰ্ডৰ প্ৰতিভা মানে কেৱল

ব্যক্তিবিশেষৰ বিষয়-বস্তুক প্ৰাঞ্জলভাৱে, সাবলীলভাৱে লিখি অঁতোৱা। তেওঁৰ প্ৰতিভা হৈছে আপাত নৈৰ্ব্যক্তিক এক কৃত্ৰিম চাতুৰ্যতা। মিছেছ্ বল্টনে কিন্তু তেভাৰচালৰ এই কথাবোৰ কৈ যাওঁতে আৱেগৰ তাড়নাত ক'ব নোৱৰা হৈ যায়। যিবোৰ ঘটনা এদিন বাস্তৱিকতে সংঘটিত হৈছে, এই সকলোবোৰ তেওঁ জানে আৰু তাকে কৈ যাওঁতে এটা অদ্ভুত তৃপ্তি অনুভৱ কৰে। এই গোটেইবোৰ কথা বা কাহিনী যদি ঠিকমতে লিখিবলৈ হয় তেন্তে হয়তো ডজনে ডজনে গধুৰ কিতাপ প্ৰকাশ কৰিব পৰা যাব।

কনিয়ো প্ৰথমে তেওঁৰ কথাবোৰ শুনি মুগ্ধ হৈ পৰিছিল। তাৰপিছতে লাজো পালে। ইমান কৌতূহলৰে এইবোৰ কথা শুনাটো উচিত নহয়। অৱশ্যে কোনো মানুহৰ ব্যক্তিগত জীৱনৰ সংগ্ৰামৰ কথা শ্ৰদ্ধা সহকাৰে আৰু সহানুভূতিৰে শুনিব পাৰি। আনকি বিদ্ৰূপ বা হাস্য-ৰসাত্মক কাহিনীৰ মাজতো থাকে এক প্ৰচ্ছন্ন সহানুভূতি। ইয়াতে একোখন উপন্যাসৰ সাৰ্থকতা অনুভৱ কৰা যায়। সঠিকভাৱে কাহিনী উপস্থাপন কৰিব পাৰিলে আমাৰ সহানুভূতিশীল সংবেদনশীল চেতনাৰ প্ৰবাহক সঠিক স্থানলৈ চালিত কৰিব পাৰি। উপন্যাসত মানৱ জীৱনৰ গোপন আৱেগ-অনুভূতিৰ উৎসসমূহক আমাৰ সন্মুখত এনেদৰে উদ্‌ঘাটিত কৰি দিয়ে যিয়ে আমাৰ চেতনাক সজীৱ কৰি তোলে।

কিন্তু কেতিয়াবা উপন্যাসে আমাৰ মনৰ কাৰণে ক্ষতিকৰ সহানুভূতিকো জাগৃত কৰি তুলিব পাৰে। ই আমাৰ কুৰুচিপূৰ্ণ অনুভূতিসমূহক গৌৰৱান্বিত কৰিব পাৰে। পৰচৰ্চাৰ দৰে উপন্যাসৰ কাহিনীয়ো দুৰভিসন্ধিমূলক হ'ব পাৰে।

মিছেছ্ বল্টনৰ পৰচৰ্চাবোৰৰ পৰা কনিয়ে এটা কথা বুজিলে যে তেওঁ সদায়ে নাৰীৰ সপক্ষে। তেওঁ যিবোৰ কাহিনী শুনায়, তাত সকলোতে ছোৱালীবোৰ ভাল আৰু মতাবোৰ বেয়া। তেওঁ প্ৰায়ে কয়, "মানুহটো ইমান বেয়া আৰু মানুহজনী ইমান ভাল।" তেওঁৰ কথাত আৰু এটা কথা স্পষ্ট হৈ উঠে, ছোৱালীবোৰ মৃদু-মধুৰ-ভাষিণী আৰু পুৰুষবোৰ সৎ হ'লেও কটুভাষী। ক্ৰুদ্ধ স্বভাৱৰ সৎলোকৰ দাম নাই, সেয়ে মিছেছ্ বল্টনৰ সমস্ত সহানুভূতি নাৰীৰ দিশে প্ৰবাহিত।

বক্তাৰ এনেধৰণৰ পক্ষপাতিত্বৰ বাবেই পৰচৰ্চা বস্তুটো বেয়া আৰু এইবোৰ কাৰণতে বেছিভাগ জনপ্ৰিয় উপন্যাসো বেয়া। পৰনিন্দা থাকে কাৰণেই মানুহে বেছিকৈ পঢ়ে আৰু বেছি মানুহে পঢ়ে কাৰণেই জনপ্ৰিয়।

তথাপিও মিছেছ্ বল্টনৰ কথাৰ পৰাই এওঁলোকৰ তেভাৰচাল গাঁও সম্পৰ্কে এটা নতুন ধাৰণা হ'ল। গাঁওখনৰ বিষয়ে বহুত কথাই জানিলে। তেভাৰচাল গাঁওখন এখন ভয়ংকৰ ঠাই আৰু চব বেয়া মানুহবোৰ তাত থাকে। অৱশ্যে মিছেছ্ বল্টনে যিবোৰ মানুহৰ কথা কয় তাৰে বেছিভাগকে ক্লিফোৰ্ডে চিনি পায়। কিন্তু কনিয়ে তাৰে দুই-এজনকহে চিনি পায়। এওঁলোকৰ এনেকুৱা লাগিল যেন তেভাৰচাল গাঁওখন ইংলেণ্ডৰ গাঁও নহয়; মধ্য আফ্ৰিকাত অৱস্থিত এখন জংঘল।

মিছেছ্ বল্টনে এদিন কথাৰ মাজতে ক'লে, আপুনি অলচপৰ বিয়াৰ কথাতো শুনিছে? যোৱা সপ্তাহত তাইৰ বিয়া হৈ গ'ল। অলচপ হৈছে জেমচ বুঢ়াৰ জীয়েক। তিৰাশী বছৰ বয়সত জেমচ বুঢ়া মৰিল। মানুহটো বৰ সবল আছিল। পাহাৰৰ পৰা নামি আহোঁতে পিচল খাই পৰি উৰুটো ভাঙে আৰু বুঢ়া মৰে। বুঢ়াই কিন্তু পুতেকহঁতৰ নামত একো পইচা-পাতি দি থৈ নগ'ল। চাপেল স্কুলত পঢ়োৱা তেওঁৰ তেপন্ন বছৰীয়া জীয়েক তাম্ভিৰ নামতে সকলো টকাকড়ি দি গ'ল। তাইৰ আকৌ এটা বুঢ়াৰ সৈতে প্ৰেম। সেই বুঢ়াৰ ঘৈণীয়েক দুবছৰৰ আগতে মৰিল। মানুহে কোৱাকুই কৰে সিহঁত দুটা ডেকা-গাভৰুৰ নিচিনাকৈ হাতত ধৰাধৰিকৈ ঘূৰি ফুৰে, গেইটৰ ওচৰতে চুমা খায়, খোলা খিৰিকিৰ কাষত সকলোৱে দেখাকৈ মানুহটোৰ কোলাত তাই বহি থাকে। এতিয়া সেই মানুহটোৰ সৈতে অলচপে বিয়া পাতিলে। বিয়াৰ পাছতে সিহঁত দুয়ো নতুন ঘৰ সাজিবলৈ বুলি কিলব্ৰুকলৈ যায়গৈ। মানুহে কয়, তাই ৰাতিপুৱাৰ পৰা ৰাতিলৈকে এটা ড্ৰেছিং গাউন পিন্ধিয়ে ঘূৰি ফুৰে। কেনেকুৱা বেয়া কথা। বুঢ়াবোৰৰ কৰ্মকাণ্ড দেখিলে সঁচাকৈয়ে বৰ আচৰিত হোৱা যায়। ডেকা-গাভৰুতকৈয়ো সিহঁত এখোপ চৰা। মই চিনেমা কৰা মানুহৰ কথা কৈছিলো নহয়? আপুনিয়ো এইবোৰ বাদ দিব নোৱাৰে। বুঢ়া মানুহবোৰ ল'ৰাবোৰতকৈয়ো বদমাছ। আৰু নীতিৰ কথা? কোনেও ৰীতি-নীতিক পাত্তাই নিদিয়ে। যাৰ যি মন যায় তাকে কৰে। এতিয়া অলচপহঁতৰ হাতত পইচা-পাতি নাই। ফলত ধূমধূপাল কাজিয়া আৰু এইক্ষেত্ৰত তিৰোতাবোৰেই বেছি উগ্ৰ আৰু অধৈৰ্য। তুলনামূলকভাৱে মতা মানুহবোৰ সহনশীল আৰু এটা কথা মন কৰিবচোন— কয়লা খনিৰ মানুহবোৰে পোচাক-পাতিৰ প্ৰতি বৰ ধ্যান দিয়ে। ল'ৰা-ছোৱালী চব একেই। সিহঁতে বেছি খৰচ কৰে ক্লাপোৰ কিনাত। ল'ৰাবোৰে মদ খায়ো টকা উৰুৱায়। সপ্তাহত সিহঁতে দুই-তিনিদিন চেফিল্ড চহৰলৈ যাব বিচাৰে। বয়সীয়াল লোকসকল বেছি সহনশীল। ছোৱালীবিলাকৰ উচ্ছৃংখলতা দেখিয়ো ধৈৰ্য ধৰি থাকে, যাৰ ফলত ছোৱালীবোৰ গুৰু-গোসাঁই নমনা হৈ পৰিছে। আৰু ল'ৰাবোৰো বাপেকহঁতৰ নিচিনা নহয়। বাপেকহঁতে পইচা-পাতি জমা কৰিবলৈ ক'লে কয়, আমাৰ দ্বাৰা এইবোৰ নহ'ব। আমি এতিয়াই জীৱনটো উপভোগ কৰিব বিচাৰো।

তেওঁলোকৰ গাঁওখনৰ সম্পৰ্কে এটা নতুন ধাৰণা মনত উদয় হ'ল। আগতে গাঁওখনৰ নাম শুনিলেই ভাল লগা নাছিল। গোটেই গাঁওখন যেন এটা আস্তাবলহে। কিন্তু এতিয়া....?

ক্লিফোৰ্ডে সোধে, গাঁৱৰ মানুহবোৰ সমাজবাদ, বলচেভিকবাদৰ ভক্ত হৈ পৰিছে নেকি?

মিছেছ্ বল্টনে কয়, "আপুনি কিছুমান কথাচহকী মানুহৰ কথা শুনিছে। বিশেষকৈ কিছুমান ধৰুৱা মাইকীৰ। মতা মানুহবোৰৰ এইবোৰ ধান্দা নাই। মই নাভাবো যে এই

গাঁৱৰ মানুহবোৰক কেতিয়াবা আপুনি সমাজবাদী বিপ্লৱীৰূপে দেখা পাব। সেইফালৰ পৰা সিহঁত খুবেই ভাল। মাত্র কেইটামান ডেকা ল'ৰাইহে বৰ সাৰমৰ্মহীন কথা কৈ ফুৰে। তাৰমানে কিন্তু এইটো নহয় যে সিহঁতে এইবোৰ মতবাদ বিশ্বাস কৰে। আচলতে পকেটত দুপইচামান নাথাকিলেই এইবোৰে উক দিয়ে। চহৰলৈ গৈ টকা উৰুৱাবলৈ পকেটত টকা নাথাকিলেই এই বাওঁপন্থী ৰাজনীতিৰ বক্তৃতা শুনে। কিন্তু আচলতে এইবোৰ মতবাদত সিহঁতে বিশ্বাস নকৰে।"

"তাৰমানে তুমি কৈছা যে বিপদৰ কোনো আশংকা নাই।"

"মুঠেই নাই। যিমানদিন সিহঁতৰ ঘৰত খাবলৈ থাকিব সিমান দিনলৈকে চিন্তা নাই। কিন্তু যেতিয়াই দীৰ্ঘদিন ধৰি অনাটনত থাকিব তেতিয়াই ডেকা ল'ৰাবোৰ বিদ্ৰোহী হ'বলৈ আৰম্ভ কৰিব। প্ৰকৃততে সকলোৱে স্বাৰ্থপৰ। সিহঁতে বিশেষ কিবা এটা কৰিব বুলি মনে নধৰে। মটৰ চাইকেলেৰে চেফিল্ডলৈ গৈ নাচ-বাগ কৰাতহে সিহঁতৰ চখ। তাৰ বাহিৰে আন কথাত সিহঁতে গুৰুত্ব নিদিয়ে। সন্ধ্যা লগত ছোৱালী এজনী লৈ বাছ বা মটৰ চাইকেলেৰে গৈ চেফিল্ড যোৱাহে সিহঁতৰ বাবে বৰ গুৰুত্বপূৰ্ণ কাম। আৰু এটা কথাত সিহঁতে গুৰুত্ব দিয়ে সেইটো হ'ল ডাৰ্বি, জনকাষ্টাৰ আদি ৰেচ খেলত বাজি মৰা। ফুটবল সিহঁতে নেখেলে। ইয়াত বেছি পৰিশ্ৰম হয়। ফুটবল খেলাতকৈ শনিবাৰে আবেলি চেফিল্ড বা নটিংহাম যোৱাই ভাল।"

"কিন্তু তালৈ গৈ কি কৰে সিহঁতে?"

"ঘূৰি ফুৰে। লগত ছোৱালী এজনী লৈ মিকাডো বা আন ভাল চাহৰ দোকানত চাহ খাব, চিনেমা চাব, থিয়েটাৰ চাব। ছোৱালীবোৰো স্বাধীন। যি মন যায় তাকে কৰে।"

"যেতিয়া সিহঁতৰ হাতত টকা নাথাকে, তেতিয়া কি কৰে?"

"বেয়া কথা পাতি আড্ডা দিয়ে। সিহঁতে কেৱল ধুনীয়া কাপোৰ-কানি পিন্ধি স্ফূৰ্তি কৰাৰ বাহিৰে আন কথা চিন্তা কৰিব নোৱাৰে। সিহঁতেনো কি 'বাদ' বোৰত দীক্ষিত হোৱাৰ কথা ভাবিব। ল'ৰা-ছোৱালী চব একেই। সমাজবাদী হ'ব পৰাকৈ সিহঁতৰ মগজ নাই। চিন্তা শক্তি নাই। গুৰুত্বপূৰ্ণ বিষয়ত ধ্যান দিবলৈ সিহঁতৰ মনেই নাই আৰু সেইটো কেতিয়াও নহয়ো।

এইবোৰ কথা শুনি কনিয়ে মাত্র ভাবে, কি দুখীয়া, কি অভিজাত সকলো শ্ৰেণীৰ মানুহ সকলো ঠাইতে একে হৈ পৰিছে। গোটেই দুনীয়াত এতিয়া এটা শ্ৰেণীয়ে আছে। সেইটো হ'ল, অৰ্থলোলুপ মানুহৰ শ্ৰেণী। সকলোকে লাগে টকা। টকা অহাৰ পথ আৰু হাতত পৰা টকাৰ পৰিমাণ সকলোৰে বেলেগ বেলেগ। কিন্তু সকলোৱে বিচাৰিছে কেৱল টকা। যিয়ে বিচাৰি পাইছে সিহঁত ধনী আৰু যিয়ে বিচাৰিয়ো পোৱা নাই সিহঁত দুখীয়া।

মিছেছ্ বল্টনৰ কথাৰ দ্বাৰা প্ৰভাৱান্বিত হৈ ক্লিফোৰ্ডে ওচৰ-পাঁজৰৰ খনিসমূহলৈ নতুন দৃষ্টিৰে লক্ষ্য কৰিলে। মালিক, গৰাকী বা প্ৰভুত্ব চেতনা জাগৃত হ'ল তেওঁৰ মনৰ

মাজত। আত্ম-প্ৰতিষ্ঠাৰ আকাংক্ষা ধীৰে ধীৰে জাগৃত হ'ল। তেওঁ তেভাৰচাল গাঁৱৰ মালিক, এই খনিৰ গৰাকী এই ভাবটো এটা অহেতুক ভয়ে ইমান দিনে হেঁচা মাৰি ধৰি ৰাখিছিল আৰু আজি ই মূৰ দাঙি উঠিলে।

তেভাৰচালৰ খাদৰ কাম বৰ ভালকৈ হোৱা নাই। মাত্ৰ দুটা খনিহে ভালকৈ চলি আছে। এটা হ'ল তেভাৰচাল আৰু আনটো নিউ লণ্ডন। এসময়ত তেভাৰচাল বিখ্যাত খনি আছিল। কিন্তু এতিয়া আৰু সেই দিন নাই। নিউ লণ্ডন আগতেও ভাল নাছিল আৰু এতিয়া একেবাৰে শোচনীয় অৱস্থা।

মিছেছ্ বল্টনে ক'লে, তেভাৰচাল খাদৰ বহুত মানুহ এতিয়া ষ্টকচগেইট অথবা হোৱাইট অ'ভাৰলৈ গুচি গৈছে। যুদ্ধৰ পাছৰ ষ্টকচগেইট কয়লাখনি আপুনি বোধহয় দেখা নাই। এদিন চাই আহিব। একেবাৰে নতুন। সন্মুখ ভাগ দেখিলে এনে লাগিব যেন বিৰাট এটা ঔষধৰ কাৰখানা। কয়লাখনি যেন নালাগেই। তেওঁলোকে কয় যে কয়লাতকৈয়ো ঔষধ বিক্ৰি কৰিহে বেছি পইচা আহে। কৰ্মচাৰীৰ বাবে ভাল ডাঙৰ ঘৰ সাজিছে। দেশৰ বহু ঠাইৰ পৰা তাত কাম কৰিবলৈ বিভিন্ন ধৰণৰ মানুহ আহিছে। তেভাৰচালৰ পৰা যোৱা অনেকেই আজি য'ত কাম কৰিছে তাত ভালকৈ আছেগৈ। সিহঁতে কয় তেভাৰচাল খনিৰ প্ৰাণশক্তি হেৰাই গৈছে। আৰু মাত্ৰ কেইটামান বছৰ। তাৰপিছত এই খনি বন্ধ হৈ যাব। আৰু তাৰ আগতেই বন্ধ হ'ব নিউ লণ্ডন। এইটো বৰ বেয়া কথা নহ'বনে? এই খনি কি এতিয়াৰ খনি! আমি যেতিয়া সৰু আছিলো তেতিয়া এই খনি আছিল দেশৰ ভিতৰতে এটা বিখ্যাত খনি। ইয়াত কাম কৰিবলৈ পোৱাটো সৌভাগ্যৰ কথা আছিল। কিমান ভাল উপাৰ্জন কৰিছিল! আৰু এতিয়া ই ডুবিবলৈ ধৰা জাহাজৰ দৰে হ'ল। এইবোৰ শুনিলে দুখ নালাগে জানো? অৱশ্যে এতিয়াও এনেকুৱা শ্ৰমিক আছে যি আন ঠাইত কাম নকৰেগৈ। সেই নতুন খনিবোৰৰ গভীৰতা বেছি। যন্ত্ৰ-পাতিৰেই বেছিভাগ কাম কৰা হয়। শ্ৰমিকো যেন যন্ত্ৰদানৱ। আগতে মানুহে কয়লা উঠাইছিল আৰু এতিয়া মেচিনে উঠায়। কয়লা লোকচান হ'লেও কথা নাই কাৰণ কম মানুহ লাগে কাৰণে দৰমহাৰ পইচা ৰাহি হৈ যায়। বোধহয় এটা সময়ত পৃথিৱীত সকলো কাম যন্ত্ৰৰ দ্বাৰাই কৰা হ'বগৈ। মানুহৰ প্ৰয়োজনেই নাথাকিব। তেওঁলোকে কয়, যিবোৰে নতুন যুগৰ সূচনা হোৱা সহ্য কৰিব নোৱাৰে, পুৰণিক এৰিব নোৱাৰে সিহঁতেই এইবোৰ কথা কয়। তেওঁলোকে আৰু কয়, ষ্টকচগেইট কয়লাখনিৰ পৰা যি ৰাসায়নিক বস্তু পোৱা যায় সেইবোৰ তেভাৰচালৰ পৰা নোলায় অথচ দুয়োটা কয়লাখনিৰ মাজত মাথোঁ তিনি মাইলৰ ব্যৱধান। কিন্তু মানুহে কোৱাকুই কৰিছে যে কয়লা খনিৰ উন্নতিৰ কাৰণে একোৱেই কৰা হোৱা নাই। এতিয়াৰ ছোৱালীবোৰ চেফিল্ডলৈ কাম কৰিবলৈ যায়। কিয়নো সিহঁতক ইয়াত কাম দিয়া নাই। মোৰ মতে তেভাৰচাল কয়লাখনি যেতিয়া ডুবন্ত জাহাজেই আৰু ইয়াৰ শ্ৰমিকবোৰ

জাহাজখনৰ নিগনি স্বৰূপ, তেন্তে খনিৰ উন্নতিৰ কাৰণে কিবা এটা কৰা উচিত। যুদ্ধৰ সময়ত ইয়াৰ ভাল দিন আছিল। ছাৰ জিঅ'ফ্ৰেই ট্ৰাষ্ট গঠন কৰি প্ৰচুৰ লাভো কৰিছিল। কিন্তু এতিয়া সকলোৰে মুখে মুখে, এইটোৰ পৰা মালিকে একোৱেই নাপায়। কিন্তু কিয় এনেকুৱা হৈছে? আমি যেতিয়া সৰু আছিলো তেতিয়া এনেকুৱা লাগিছিল যেন কোনোটো কয়লাখনিয়েই কেতিয়াও স্তব্ধ নহ'ব। চিৰকাল এনেকৈয়ে চলি থাকিব। অথচ আমাৰ চকুৰ আগতেই কেইটা কয়লাখনিৰ লালবাতি জ্বলিল। নিউ ইংলেণ্ড, কলউইক উড আদি কয়লাখনিবোৰ চিৰদিনৰ বাবে বন্ধ হৈ গ'ল। আজি সেইবোৰ দেখিলে মৃত্যুপুৰী যেন লাগে। আজি সেই অচল খাদৰ মুখত গছ-গছনি গজি উঠিল। তেভাৰচাল খনি বন্ধ হৈ গ'লে আমাৰ কি হ'ব? এই জগত কি মজাৰ জগত? কি অদ্ভুত! কেতিয়া কি হয় তাৰ কোনো নিশ্চয়তা নাই। আপুনিয়ো ক'ব নোৱাৰে।"

মিছেছ্ বল্টনৰ কথাৰ পৰা ক্লিফোৰ্ডৰ মনত এটা নতুন আগ্ৰহ জন্মে। খনিক লৈ তেওঁৰ কোনো চিন্তা-ভাবনা নাছিল। তেওঁৰ দেউতাকে যি ট্ৰাষ্ট গঠন কৰি গৈছিল তাৰপৰাই তেওঁ একেবাৰে নিৰাপদ হৈ আছিল। প্ৰতিবছৰে তাৰ লাভ আহে। গতিকে কয়লাখনিত কি হৈছে নহৈছে তাৰ খবৰ কোনে ৰাখে! তেওঁৰ দুনীয়া হ'ল সাহিত্যৰ দুনীয়া। সেইখন দুনীয়াত তেওঁ বিচাৰে প্ৰতিষ্ঠা, যশ আৰু খ্যাতি।

হঠাতে ক্লিফোৰ্ডৰ মনলৈ এটা ভাব আহিল। তেওঁ চিন্তা কৰি পালে মানুহৰ জীৱনত দুইধৰণৰ উন্নতি হয়। এটা হ'ল বিখ্যাত বা জনপ্ৰিয় হিচাপে সফল হোৱা আৰু আনটো হ'ল কৰ্মৰ সফলতা। সংসাৰত দুবিধ মানুহ আছে। এবিধে কাম কৰে আনবিধে ভোগ আনন্দ কৰে। প্ৰথমবিধে দুবেলা দুসাঁজ যোগাৰ কৰাটোৱে হ'ল আটাইতকৈ টান কাম। ক্লিফোৰ্ডে ভাবি উলিয়ালে তেওঁ নিজে দ্বিতীয়বিধত পৰে। সুখ আনন্দত দিন কটাওঁতে খনিৰ কাম বা তাৰ উন্নতিলৈ চকুৱে দিয়া নাছিল। তেওঁ আৰু ভাবিলে যে উন্নতিৰ ৰাক্ষসীৰ দুবিধ ক্ষুধা আছে। শিল্পী সাহিত্যিকে তোষামোদেৰে তেওঁক তুষ্ট কৰে আৰু ব্যৱসায়ীয়ে তেওঁক হাড়-মাংস দি তৃপ্ত কৰে।

সেই দুয়োদলে উন্নতিৰ বাবে সেই দেৱী বা ৰাক্ষসীৰ পিছে পিছে ঘূৰি যাৱে তাৰে কৃপা পাবলৈ কাজিয়া কৰে। শিল্পী-সাহিত্যিকে আমোদ-প্ৰমোদৰ বিভিন্ন উপাদানেৰে আৰু দ্বিতীয় দলে টকা-পইচাৰে তৃপ্ত কৰে। প্ৰথম দলে নিজৰ ভিতৰতে কাজিয়া কৰাৰ বিপৰীতে দ্বিতীয় দলে নীৰৱে হাড়-মাংস অৰ্থাৎ টকাৰে সন্তুষ্ট কৰে। দ্বিতীয় দলটো আত্ম-প্ৰচাৰৰ ক্ষেত্ৰত পিছপৰা কিন্তু লোভ-লালসাৰ ক্ষেত্ৰত অতি ভয়ংকৰ। অথচ দেৱীৰ ওচৰত দ্বিতীয় দলৰ গুৰুত্ব বেছি আৰু বেছি প্ৰিয়পাত্ৰ।

মিছেছ্ বল্টনৰ প্ৰভাৱত ক্লিফোৰ্ডে শিল্পোৎপাদনৰ মাধ্যমেৰে টকা ঘটি দেৱীৰ মন জয় কৰিবলৈ সচেষ্ট হ'ল। তেওঁ জীৱনৰ আন এটা নতুন সংগ্ৰামৰ পথত খোজ পেলালে। এটা নতুন প্ৰেৰণা লাভ কৰিলে। মিছেছ্ বল্টনে তেওঁক এজন খাঁটি

মানুহৰূপে গঢ়িবলৈ চেষ্টা চলালে। কনিয়েতো নোৱাৰিলেই। কনিয়ে তেওঁক কেৱল নিজৰ সম্বন্ধে, অন্তৰ্জগতৰ পৰা সচেতন কৰি তুলিছিল। আৰু মিছেছ্ বল্টনে তেওঁক বহিৰ্জগত সম্বন্ধে সচেতন কৰি তুলিলে। তেওঁৰ এতিয়া অন্তৰখন কোমল হোৱাৰ বিপৰীতে বাহিৰৰ ব্যক্তিত্ব ক্ৰমশঃ প্ৰভাৱশালী হৈ উঠিছে।

এদিন তেওঁৰ খনি সম্পৰ্কে ইমানেই আগ্ৰহ জন্মিল যে তেওঁ নিজেই খনিৰ ভিতৰখন চাবলৈ গ'ল। কয়লা কটা ঠাইবোৰ মেনেজাৰে টৰ্চ মাৰি দেখুৱালে। মুখেৰে কম কথা ক'লেও তেওঁ সকলো বুজি ল'লে। সকলোবোৰ কথাই নতুনকৈ চিন্তা কৰিবলৈ ধৰিলে।

কয়লাখনিৰ শিল্প সংক্ৰান্তীয় কাৰিকৰী কিতাপসমূহ তেওঁ পঢ়িবলৈ আৰম্ভ কৰিলে। ইয়াৰ চৰকাৰী ৰিপৰ্টবোৰো পঢ়িলে। খনি সম্পৰ্কীয় আধুনিক পৰীক্ষা-নিৰীক্ষাসমূহো লুটিয়াই বগৰাই চালে। জাৰ্মানিৰ পৰা প্ৰকাশিত কয়লাৰ ৰাসায়নিক উৎপাদন সম্বন্ধে লিখা কিতাপবোৰো এফালৰ পৰা পঢ়ি গ'ল। এইবোৰ পঢ়ি আঁতাই কাকো একো নক'লে। তেওঁ পঢ়া-শুনা কৰি আৰু খবৰ-খাতি লৈ গম পালে যে আধুনিক যন্ত্ৰ-পাতি প্ৰয়োগ কৰি খনিশিল্পৰ বহুত উন্নতি হৈছে। তেওঁ আৰু এটা কথা উপলব্ধি কৰিলে যে খনিশিল্পৰ যি উন্নতি হৈছে সেয়া শিল্প-সাহিত্যতকৈ বা সৃষ্টিশীল ৰচনাতকৈয়ো বেছি উন্নত। এই শিল্পত মানুহে দেৱতা আৰু দানৱ দুয়োৰে কাম একেলগে কৰি পেলাইছে। দেৱতাৰূপে যি আবিষ্কাৰ কৰিছে তাক দানৱীয় শক্তিৰে কাৰ্যত পৰিণত কৰি তুলিছে। অৱশ্যে যন্ত্ৰ-পাতিৰ ব্যাপক প্ৰয়োগৰ ফলত আৱেগ-অনুভূতি প্ৰকাশৰ ক্ষেত্ৰত মানুহ অলপ দুৰ্বল হৈ পৰিছে।

যি হয় হওক। মানুহৰ মন আৱেগ-অনুভূতিৰ ক্ষেত্ৰত তললৈ নামি গ'লেও ক্লিফোৰ্ডে এতিয়া আৰু তাক গ্ৰাহ্য নকৰে। ক্লিফোৰ্ডে এতিয়া খনি শিল্পৰ উন্নতি আৰু তেভাৰচালক অধঃপতনৰ গৰাহৰ পৰা মুক্ত কৰিবলৈ বদ্ধ পৰিকৰ।

আজিকালি সদায়ে তেওঁ খনিৰ ভিতৰত সোমায়। কামৰ তদাৰক কৰে। এনেকুৱা কিছুমান যন্ত্ৰ-পাতি লগাইছে যিবোৰৰ নাম খনিৰ মেনেজাৰ বা ইঞ্জিনীয়াৰে শুনাই নাছিল। হয়, ইয়াকে কয় ক্ষমতা বা প্ৰভুত্ব। তেওঁৰ জীৱনত প্ৰথমবাৰৰ বাবে প্ৰভুত্ব চেতনা প্ৰবল হৈ উঠিল। তেওঁ শ শ লোকৰ গৰাকী। তেওঁৰ আঙুলিৰ নিৰ্দেশত চলিছে মানুহৰ ইচ্ছা-অনিচ্ছা, কাম-কাজ।

আজি ক্লিফোৰ্ডৰ নৱজন্ম হ'ল। জীৱনৰ আস্বাদ লাভ কৰিলে। এদিন তেওঁ কনিৰ নিৰুত্তাপ সান্নিধ্যৰ বাবে সংকীৰ্ণ সীমাৰ হীমশীতল আৱৰ্তত ঘূৰি মৃতপ্ৰায় হৈ পৰিছিল। এতিয়া সেই সাহিত্যিকৰ জীৱন ৰসাতলে যাওক। তেওঁৰ এনে লাগিল যেন অৱহেলিত এই খাদৰ পৰা দুৰ্বাৰ গতিত নতুন প্ৰাণৰ প্ৰবাহ তেওঁৰ ফালেই বৈ আহিছে। এই প্ৰবাহক তেওঁ বৰণ কৰিব। তেওঁৰ এনে লাগে যেন কয়লাখনিৰ দূষিত বতাহ

অক্সিজেনতকৈয়ো ভাল। কয়লাখনিৰ পৰা অহা সেই বেগবান প্ৰাণৰ প্ৰবাহৰ মাজতে পাইছে সৃষ্টিশীল কৰ্মোদ্দীপনা আৰু কৰ্মক্ষমতা। তেওঁ কিবা এটা কৰিছে। কামৰ ভিতৰৰ কাম এটা কৰিছে। অনুভৱ কৰিছে বিজয় গৌৰৱ। ইমানদিনে গল্প লিখি যি গৌৰৱ লাভ কৰিছিল সেয়া মাথোঁ অৰ্থহীন আত্মপ্ৰচাৰ। কৰ্মশক্তিৰ অহেতুক অপচয় মাথোঁ। কিন্তু আজি তেওঁ সঁচাকৈয়ে বিজয় গৌৰৱ লাভ কৰিছে।

প্ৰথমতে তেওঁ ভাবিছিল বৈদ্যুতিকৰণ কৰিলেই সকলো সমস্যাৰ সমাধান হ'ব। কয়লাক বিদ্যুতলৈ ৰূপান্তৰিত কৰিব পাৰিলেই সকলো হৈ যাব। তাৰপিছত এটা নতুন ধাৰণাৰ উত্তৰ হ'ল। জাৰ্মানিত এটা স্বয়ংচালিত ইঞ্জিন আবিষ্কাৰ কৰিছে যিটো চলাবলৈ কোনো মানুহ নালাগে। এই ইঞ্জিনটোত খুব কম তেল খৰচ কৰি বহুত তাপ পোৱা যায় আৰু এইটোৱে যিকোনো পৰিবেশতে কাম কৰিব পাৰে। ইঞ্জিনটো দেখি চম্‌কি উঠিছিল ক্লিফোৰ্ড। এইটোৰ পৰীক্ষা-নিৰীক্ষা কৰোঁতেই এজন সুদক্ষ যুৱকক তেওঁ সহকাৰী হিচাপে পায়। এই ল'ৰাজনে ৰসায়ন বিদ্যাত কৃতিত্ব লাভ কৰে আৰু ক্লিফোৰ্ডক যথেষ্ট সহায় কৰে।

বিজয় গৰ্বেৰে গৰ্বিত হ'ল ক্লিফোৰ্ড। অৱশেষত নিঃসংগ জীৱনৰ দুৰ্বিসহ একাকীত্বৰ অচল অৱস্থাৰ পৰা তেওঁ ওলাই আহিল। শিল্প-সাহিত্যই তেওঁক এনেকৈ উলিয়াই আনিব পৰা নাছিল। বৰঞ্চ তেওঁৰ অৱস্থা আৰু বেয়াহে কৰিছিল।

মিছেছ্ বল্টনৰ দ্বাৰা ক্লিফোৰ্ড কিমান প্ৰভাৱান্বিত হৈছে সেইকথা ক্লিফোৰ্ডে নিজেই নাজানে। কিন্তু এটা কথা স্পষ্ট যে মিছেছ্ বল্টন তেওঁৰ ওচৰত থকা সময়কণত ক্লিফোৰ্ডৰ কণ্ঠস্বৰ নৰম হৈ থাকে যদিও মানুহটো নিৰ্লজ্জ হৈ পৰে।

কনিৰ ওচৰত সহজ হ'ব নোৱাৰে ক্লিফোৰ্ডে। বৰ্তমানৰ এই অৱস্থাৰ বাবে তেওঁ কনিৰ ওচৰত ঋণী। কনিয়ে তেওঁক যিমান কৃত্ৰিম মৌখিক মৰম দিয়ে সিমানেই শ্ৰদ্ধাও কৰে। আৰু এটা কথা তেওঁ উপলব্ধি কৰিছে যে কনিক তেওঁ ভয় কৰে। এটা গোপন ভয়, কনিৰ প্ৰতি। কনি তেওঁৰ পত্নী। এক অব্যৰ্থ আঘাতত কনিয়ে তেওঁক ধৰাশায়ী কৰি দিব পাৰে। কনি ওচৰত থকা সময়কণত ক্লিফোৰ্ডে যিমান পাৰে সিমান ভদ্ৰ হৈ থাকিবলৈ যত্ন কৰে। কনিৰ ওচৰত তেওঁ এজন অনুগত ব্যক্তি। সেইকাৰণে তাইৰ লগত কথা পাতোঁতে তেওঁৰ কণ্ঠস্বৰ গম্ভীৰ হোৱাৰ লগতে অস্বাভাবিক হৈ পৰে। একমাত্ৰ মিছেছ্ বল্টনৰ কাষতহে তেওঁ মালিক। প্ৰভুত্বমূলক আচৰণ কৰিব পাৰে। প্ৰভুত্ব খটুৱাব পাৰে। ক্লিফোৰ্ডৰ কণ্ঠস্বৰ হৈ উঠে সহজ আৰু লগতে হৈ পৰে এজন কথাচহকী মানুহ।

মিছেছ্ বল্টনক তেওঁ ডাড়ি খুৰাবলৈ দিয়ে। গাটো তিতা কাপোৰেৰে মোহাৰি দিবলৈ কয়। তেওঁ যেন মিছেছ্ বল্টনৰ কাষত এটি শিশু। সঁচাকৈয়ে ক্লিফোৰ্ড হৈ পৰিছে এটি শিশু।

দশম অধ্যায়

ৰাগবিলৈ আজিকালি বৰ কম মানুহ আহে বাবে কনিয়ে বৰ অকলশৰীয়া অনুভৱ কৰে। ক্লিফোৰ্ডেও আজিকালি কাকো নিবিচাৰে, আনকি অন্তৰংগ বন্ধু-বান্ধৱকো। তেওঁ আজিকালি অদ্ভুত ভাব এটা মুখত ফুটাই বহি থাকে। কিছু টকা খৰচ কৰি যথেষ্ট কষ্ট কৰি বহুৱা ৰেডিঅ'টো শুনি তেওঁ ভাল পায়। এইটোৰে তেওঁ কেতিয়াবা কেতিয়াবা মাদ্ৰিক, ফ্ৰেংকফুট আনকি দুৰ্লভ মধ্যম খণ্ডবো বা-বাতৰি শুনিবলৈ পায়।

বহি বহি তেওঁ ঘণ্টাৰ পাছত ঘণ্টা লাউড স্পীকাৰৰ ডেডাউৰী শুনি থাকে। তেওঁৰ বিস্ময়কৰ আচৰণত কনি স্তম্ভিত হৈ পৰে। সম্মোহনৰ গৰাহত পৰি মানসিক স্থিতি হেৰুওৱা মানুহ এটাৰ দৰে ক্লিফোৰ্ডে সেই দুৰ্বোধ্য, অকথ্য শব্দবোৰ শুনি থাকে বা শুনাৰ ভাও দিয়ে।

তেওঁ আচলতে শুনে নে? নহ'লে আন কিবা এটাই মনৰ ভিতৰত গুজৰি-গুমৰি থাকোঁতে তেওঁ টোপনি অহাৰ কৌশল প্ৰয়োগ কৰে! কনিয়ে বুজি নাপায়। তাই গা-এৰা দি নিজৰ কোঠালৈ গুচি যায় নাইবা বনৰ ফালে কাকো নোকোৱাকৈ যায়গৈ। কেতিয়াবা তাই শংকিত হৈ পৰে। গোটেই সভ্য বংশটো সদ্যজাত উন্মাদনাত ভোগা নাইতো!

ক্লিফোৰ্ডে উদ্যোগ জগতৰ অদ্ভুত কাৰ্য-কলাপৰ মাজত সোমাই পৰি এটা টান দক্ষ খোলাৰে আবৰা কোমল অভ্যন্তৰৰ জীৱত পৰিণত হৈছে। বজ্ৰকঠিন খোলাৰে আবৰা কোমল শৰীৰৰ মেৰুদণ্ডহীন খোলাধাৰী, উদ্যোগ জগতৰ আধুনিক কেঁকোৰা বা মিছা মাছৰ দৰে কিছুমান জীৱ বিশেষ। আৰু ইয়াৰ দোমোজাত আবদ্ধ কনি।

ক্লিফোৰ্ডে প্ৰতি মুহূৰ্ততে কনিক বিচাৰে। তাই অকণো মুকলি হ'ব নোৱাৰে। তেওঁৰ অভ্যন্তৰৰ কোমল অনুসন্ধিৎসু আৱেগিক আৰু মানৱীয় এটি শিশু বা বুৰ্বকৰ দৰে কনিৰ ওপৰত নিৰ্ভৰশীল। তেওঁৰ সদায়ে ভয় লাগি থাকে। গতিকে কনি ৰাগবিত থাকিবই লাগিব। নহ'লে বিস্তীৰ্ণ, উদং ভূমিত পথ হেৰুৱা নিৰ্বোধ এজনৰ দৰেই তেওঁৰো সমস্যা হ'ব।

ক্লিফোৰ্ডে খনিৰ মেনেজাৰ, বৰ্ডৰ সদস্য বা ডেকা বিজ্ঞানীকেইজনক কেনে ধৰণেৰে দিহা-পৰামৰ্শ দিয়ে সেয়া কনিয়ে শুনে। ক্লিফোৰ্ডৰ বিচক্ষণতাত কনি অবাক হৈছিল। তেওঁৰ চতুৰ অন্তৰ্দৃষ্টি আৰু সাংঘাতিকভাৱে বস্তুবাদী বিশ্লেষণ ক্ষমতাই তেওঁক এজন ব্যৱহাৰিক দিশত বাস্তৱবাদী ব্যক্তিৰূপে গঢ়ি তুলিছে। কনিয়ে ভাবি পাইছে ক্লিফোৰ্ডৰ বেয়াদিনবোৰত মিছেছ্ বল্টনৰ প্ৰভাৱৰ বাবেই এইখিনি সম্ভৱ হৈ উঠিছে।

কিন্তু এই সুচতুৰ বাস্তৱবাদী সু-নিপুণ ব্যক্তিজনেই নিজৰ আৱেগিক ক্ষেত্ৰখনত এটা মহা বুৰ্বক। এইক্ষেত্ৰত কনিয়েই তেওঁৰ আৰাধ্য দেৱী। বলে নোৱৰা শিলক পৰি নমস্কাৰ কৰাৰ দৰেই ক্লিফোৰ্ডেও কনিক আৰাধনা কৰে। কনিয়ে তেওঁক কেতিয়াও এৰি নাযাওঁ বুলি বাৰে বাৰে শপত খাই কোৱাটো ক্লিফোৰ্ডে বিচাৰে।

হাবিৰ মাজৰ পঁজা ঘৰটোলৈ কনি এতিয়াও যায়। তাৰ মাজতে এদিন তাই ক্লিফোৰ্ডক সুধিলে, "তুমি বাৰু মই সন্তানৰ মাক হোৱাটো সঁচাকৈয়ে বিচৰানে? মই মাক হ'লে তুমি ভাল পাবানে?"

সুদৃশ্য অথচ শেঁতা দুচকুত এটা গোপন উদ্বিগ্নতা লৈ তেওঁ কনিৰ ফালে চাই ক'লে, "আমাৰ মাজত যদি কোনো বিভেদ কঢ়িয়াই নানে তেন্তে মই বেয়া নাপাওঁ।"

"কিহক লৈ বিভেদ?"

"তোমাৰ আৰু মোৰ পাৰস্পৰিক ভালপোৱাক লৈ। এইটো কথাত যদি প্ৰভাৱ পৰে তেন্তে মোৰ বেয়া লাগিব। কাৰণ ভৱিষ্যতে ময়ো কেতিয়াবা সন্তানৰ পিতৃ হ'ব পাৰোঁ।"

কনিয়ে অবাক হৈ তেওঁলৈ চাই ৰ'ল। ক্লিফোৰ্ডে বাক্যশাৰী সম্পূৰ্ণ কৰি ক'লে, "মানে, সেই শক্তি মই ঘূৰাই পাবও পাৰোঁ।"

কনিয়ে তেতিয়াও ক্লিফোৰ্ডলৈ অবাক হৈ চায়ে থাকিল। ক্লিফোৰ্ডৰ বৰ অস্বস্তি লাগিল। কনিয়ে এইবাৰ সুধিলে, "তাৰমানে মোৰ সন্তান এটা হ'লে তুমি ভাল নাপাবা।"

বান্ধি থোৱা কুকুৰৰ দৰে ঘেং কৈ উঠি ক্লিফোৰ্ডে ক'লে, "চোৱা ময়ো খুব ইচ্ছুক। কিন্তু ই তোমাৰ মোৰ ভালপোৱাত স্পৰ্শ কৰিব নালাগিব। অন্যথাই মই ইয়াৰ ঘোৰ বিৰোধী।"

ভয় আৰু ঘৃণাৰে মিশ্ৰিত অনুভূতিৰে নিমাত হৈ থকাৰ বাহিৰে কনিৰ একো কৰিবলগীয়া নাছিল। এইবিলাক কথা বুৰ্বকৰ ভোৰভোৰণিৰ বাহিৰে আন একো নহয়। কি বলকি আছে তেওঁ নিজেই নাজানে।

কনিয়ে কিছু উপহাসৰ সুৰত ক'লে, "ইয়ে তোমাৰ প্ৰতি থকা মোৰ ভালপোৱাৰ কোনো পৰিবৰ্তন নানে।"

ক্লিফোৰ্ডে ক'লে, "ঘৰখনত অকণমানি এটি দৌৰি ফুৰিলে কিমান ভাল লাগিব, এইবুলি ভাবি যে এটা ভৱিষ্যত গঢ় লৈ উঠিছে। আমি তাৰ কাৰণে কিবাকিবি কৰিব লাগিব এইবিলাক ভাবিয়ো ভাল লাগে। তাৰ কাৰণে বহুত দুখ-কষ্ট কৰিলে মোৰ কোনো দুখ নহ'ব কাৰণ সেই সন্তান তোমাৰ সন্তান। মই ভাবিম সেই সন্তান মোৰেই। কাৰণ মোৰ নহ'লেও সি তোমাৰ সন্তান। মোৰ কোনো অস্তিত্ব নাই। মই তোমাৰ মাজতে বাচি থাকিম। অকণমান ভাবি চালেই গম পাবা যে তোমাৰ অবিহনে মোৰ জীৱনৰ কোনো অৰ্থই নাই। তোমাৰ ভৱিষ্যতৰ কাৰণেই মই জীৱন-ধাৰণ কৰিছো। মোৰ জীৱন মোৰ বাবে নহয়।"

গোটেই কথাবোৰ বৰ্ধিত হতাশা আৰু বিকৰ্ষণেৰে কনিয়ে শুনি থাকিল। মানুহৰ অস্তিত্ব বিপন্ন কৰা ই এটা বিকট কুদ্ধচ অৰ্ধ সত্য। সুস্থ মগজুৰ মানুহে তেওঁৰ স্ত্রীক এনেকুৱা কথা ক'ব নোৱাৰে। কিন্তু মতা মানুহবোৰৰ পূৰ্ণ জ্ঞানেন্দ্রিয় নাথাকেই। আত্ম-সন্মানৰ এটি মাথোঁ স্ফুলিংগ থকাজনেও জানো জীৱন আৰু দায়িত্বৰ কদৰ্য বোজা এজনী নাৰীৰ ওপৰত জাপি দিব? এক শূন্যতাৰ মাজত জাহ যাবলৈ এৰি দিব?

আধা ঘণ্টাৰ পাছতেই উচ্ছ্বাসেৰে ক্লিফোৰ্ডে মিছেছ্ বল্টনৰ লগত কথাপতা কনিয়ে শুনিবলৈ পালে। আবেগ-অনুভূতিহীন প্রতিমূর্তি হৈ থাকিলেও ক্লিফোৰ্ডৰ কথা-বতৰাত এটা তৰল আবেগ ফুটি উঠিছিল। এনে লাগিছিল যেন মিছেছ্ বল্টনৰ অৰ্ধ মাতৃ, অৰ্ধ-প্ৰণয়িনী আৰু অৰ্ধ-পত্নীৰ ৰূপ এটি ক্লিফোৰ্ডৰ সন্মুখত ফুটি উঠিছিল। সেই সময়ত মিছেছ্ বল্টনে যথেষ্ট সচেতনতাৰে তেওঁৰ সন্ধ্যাৰ কাপোৰযোৰ পিন্ধিছিল, কিয়নো ক্লিফোৰ্ডক দেখা কৰিবলৈ কেইজনমান ব্যৱসায়ী আহিছিল।

কনিৰ এনেকুৱা লাগে যেন মূৰ্খামিৰ বিস্ময়কৰ নিষ্ঠুৰতাৰ চিহ্ন স্বৰূপ এই মিছা কথাবোৰে তাইক পিহি গুড়া কৰি তেতিয়াই মাৰি পেলাব। ক্লিফোৰ্ডৰ অগতানুগতিক ব্যৱসায়িক নিপুণতাই কনিক আচৰিত কৰি তুলিছিল আৰু তাইৰ প্ৰতি তেওঁ কৰা ব্যক্তিগত আৰাধনাই তাইক ভয়াৰ্ত কৰি তুলিছিল। এতিয়া তেওঁলোকৰ মাজত একোৱেই নাই, আনকি ইজনে সিজনক স্পৰ্শও নকৰে। এনে পৰিস্থিতিত কনিক আৰাধ্য দেৱীৰ আসনত ৰখাটো কনিৰ বাবে মানসিক অত্যাচাৰৰ সমতুল্য হৈছে। চূড়ান্ত বন্ধ্যাত্বই জন্ম দিয়া নিষ্ঠুৰতা। তাইৰ এনেকুৱা লাগে, হয় তাইৰ যুক্তিয়ে কিবা সমাধান আগবঢ়াওক নহ'লে তাই মৰি যাওক।

কনিয়ে প্রায়ে বনলৈ অকলে গোপনে আঁতৰি যায়। তেনেকৈয়ে এদিন সেই ঘৰটো থকা মুকলি ঠাইখনলৈ নগৈ নিজৰাৰ পাৰে পাৰে ফুৰিবলৈ ধৰিলে। হঠাতে ৰখীয়াটো তাইৰ কাষ পালেহি আৰু চাবি এপাট তাইলৈ আগবঢ়াই দি সসম্ভ্রমে ক'লে, "মই আপোনাৰ বাবে চাবি এপাট বনোৱাই আনিছো মেডাম।"

তাই উচপ খাই উঠিল যদিও ক'লে, "অ' ধন্যবাদ।"

"ঘৰটো বৰ পৰিপাটী নহয় যদিও আপুনি বৰ বেয়া নাপাব কিজানি। মই যিমান পাৰো ঠিকঠাক কৰি থৈছো।"

"মই কিন্তু তোমাক দিগদাৰ দিব বিচৰা নাই।"

"নাই, নাই, মই মুৰ্গিকেইজনীৰো এসপ্তাহতে দিহা লগাম। এতিয়া পিছে সিহঁতে আপোনালৈ ভয় নকৰে। মই পুৱা-গধুলি সিহঁতক চোৱা-চিতা কৰিব লাগে। তাৰ বাহিৰে একান্তই কৰিবলগীয়া কামকেইটাৰ বাহিৰে আন সময়ত মই আপোনাক আমনি নিদিওঁ।"

"তুমি মোক আমনি দিয়াৰ কথাই নাই। তাৰ বিপৰীতে মইহে যদি তোমাৰ বাটৰ হেঙাৰ হৈছো, তেন্তে তালৈ মই নাযাওঁৱেই।"

সি তাৰ নীলা দুচকুৰ তীক্ষ্ণ চাৱনিৰে কনিৰ ফালে বন্ধু ভাবেৰে কিন্তু দূৰত্ব ৰাখি কথাবোৰ কৈছিল। দেখাত খীণ-মিন আৰু ৰুগ্ন যেন লাগিলেও তাৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্য ভাল। সি কাহিছিল বাবে অলপ বিব্রতবোধ কৰিছিল। কনিয়ে তাক সুধিলে, "তোমাৰ কাহ হৈছে?"

"নাই, অলপ পানীলগা হৈছে। অলপ দিনৰ আগতে মোৰ নিউমোনিয়া হৈছিল। এতিয়া ভাল হ'ল যদিও কাহটো যোৱাই নাই।"

সি কনিৰ পৰা অলপ আঁতৰি থাকিল। পৰাপক্ষত সি কনিৰ ওচৰেই নাচাপে।

পুৱা বা আবেলি কনিয়ে সেইফালে গ'লে তাক নেদেখে। সি কিবা বিশেষ উদ্দেশ্যত আঁতৰি থাকে। সি তাৰ ব্যক্তিগত সত্তাক বজাই ৰাখিব বিচাৰে।

সি ঘৰটো ভালকৈ সজাই পৰাই তুলিলে। চকী-মেজযোৰ জুহালৰ কাষত থ'লে। ডুখৰীয়া আৰু চলিখৰিৰ সৰু দ'ম এটাও থ'লে। তাৰ লাংখালিংখি সা-সৰঞ্জামবোৰ যিমান পাৰে আঁতৰাই ৰাখিলে, যাতে নিজৰ পৰিচিতি ঢাকি ৰাখিব পাৰে। বাহিৰৰ মুকলি ঠাইকণত গছৰ ডাল আৰু খেৰেৰে পাঁচটা খলপাযুক্ত এটা চৰাইৰ সজা সাজিলে। এদিন কনিয়ে আহি দেখিলে যে দুজনী মাইকী কুকুৰাই বৰ সজাগ আৰু ক্রুৰ চাৱনিৰে পাখি ফুলাই গৰ্বেৰে উমনি দি আছে। তাত আছে মাতৃত্বৰ ধাৰণাৰে উমৰ গভীৰতা। কনিৰ হিয়াখন মাতৃত্বৰ হাবিয়াসত ডোখৰ ডোখৰ হৈ পৰিল। তাই যে কিমান নিঠৰুৱা! য'ত নাৰীসত্তাৰ অভাৱ। কিযে বিভীষিকাময় জীৱন!

পাঁচোটা খলপাতেই কুকুৰা আছে যদিও তাৰে দুজনী বেছি সজাগ। অৱশ্যে প্রত্যেকেই নাৰীসুলভ উম আৰু কোমলতাৰ পাখি ফুলাই বহি আছে। কনিয়ে যেতিয়া সিহঁতৰ সন্মুখত জুপুকা মাৰি বহিলে তেতিয়া সিহঁতে উজ্জ্বল চকুৰে তাইক নিৰীক্ষণ কৰিবলৈ ধৰিলে। খং আৰু সজাগতাক প্রতিফলিত কৰিবলৈ, বিশেষকৈ তাই সিহঁতৰ ওচৰলৈ যোৱাত সিহঁতে মাতৃসুলভ খঙত ক্‌ক-ককাই উঠিল।

তাতে থকা টেমা এটাৰ পৰা এমুঠি মাকৈ লৈ কনিয়ে এটাৰ পাছত এটাকৈ খলপাবোৰত হাত ভৰাই দিওঁতে তাৰে এটা কুকুৰাই তাইক খোট মাৰি চক্ খুৱাই দিলে। তাই কিন্তু সিহঁতক কিবা এটা দিবলৈ কাতৰ হৈ পৰিছিল। উমনি দি পোৱালিৰ আশাত বৈ থকা মাকবোৰৰ ভোক-পিয়াহ নোহোৱা হৈছে। কনিয়ে এটা টেমাত পানী আনি দিলে। তাৰে এজনীয়ে পানী খোৱা দেখি তাইৰ বৰ ভাল লাগিল।

সেইদিনাৰ পৰা তাই তালৈ সদায়ে যাবলৈ ল'লে। তাইৰ হিয়া শাঁত কৰিব পৰা বস্তুৰ ভিতৰত এতিয়া এই কুকুৰাকেইটাই আছে। ক্লিফোর্ডৰ গম্ভীৰ ঘোষণাই কনিক মূৰৰ পৰা ভৰিলৈকে শীতল কৰি পেলালে। মিছেছ্ বল্টন আৰু ব্যৱসায়ী বন্ধুকেইজনৰ কথা-বতৰায়ো তাইক চেঁচা আৰু আশাবিহীন কৰি তোলে। আনকি মাজে মধ্যে মাইকেলিচৰ পৰা অহা চিঠি-পত্রয়ো তাইক একে অনুভূতিয়েই দিছিল। তাইৰ ভাব হৈছিল, যদি পৰিস্থিতি সলনি নহয় তেন্তে তাই আৰু বেছিদিন নিটিকিব।

বসন্ত কাল আহিল। বনত ব্লু-বেল ফুলবোৰ ফুলি উঠিছে। হেজল গছৰ পাতত হোৱা কলিবোৰ সেউজ বৃষ্টিৰ ছিটিকনি যেন দেখা গৈছে। কি ভয়াবহ! এই বসন্তকালতো সকলোৰে হৃদয় ইমান শীতল! কেৱল মাতৃস্নেহেৰে পাখি ফুলাই উমনি দি থকা কুকুৰাকেইজনীহে তপ্ত হৈ আছে। সকলো সময়তে তাইৰ নিজকে মূৰ্ছা যোৱাৰ পৰিসীমাত থিয় দি থকা যেন লাগে।

প্ৰিমৰোজ আৰু ভায়োলেট ফুলেৰে জক্‌মক্ কৰি থকা, সুন্দৰ ৰ'দালিৰে ভৰা এটা আবেলি কনিয়ে আহি দেখিলে যে সজাটোৰ সন্মুখত কণ কণ পোৱালি কিছুমানে খেলি আছে আৰু সিহঁতৰ কিবা হোৱাৰ ভয়ত মাকজনীয়ে কক্ কক্ কৰি আছে। কিছুমান বিশুদ্ধ, ভীতিহীন নতুন জীৱ। ইমান সৰু কিন্তু ভয়ভীত নাই। মাকৰ মাতত মাজে মাজে দৰমূৰকৈ গৈ মাকৰ পাখিৰ তলত সোমালেও আচলতে সিহঁতে ভয় কৰা নাই। সিহঁতে ইয়াক খেলা হিচাপেহে লৈছে। জীৱনৰ খেলা।

কনি বিভোৰ হৈ পৰিল। কিন্তু একে সময়তে এগৰাকী নাৰীৰ পৰিত্যক্ত অৱস্থাৰ বেদনাৰ জ্বালা এনেদৰে অনুভৱ কৰিলে যে ই অসহ্য হৈ পৰিল। সেই সময়ছোৱাত তাইৰ মাত্ৰ এটাই হাবিয়াস আছিল, যেনে-তেনে বনৰ মাজৰ সেই মুকলি ঠাইখনলৈ যাব লাগে। বাদ-বাকী হ'ল এটা দুখলগা সপোন। কেতিয়াবা তাই গোটেই দিনটো ক্লিফোৰ্ডক শুশ্ৰূষা কৰি কটাবলগীয়া হয়। তাইৰ তেতিয়া চব পাহৰি যোৱা যেন লাগে। যেন পাগলী হৈ যাব।

এদিন গধূলি তাই আলহী আছে নে নাই তালৈ লক্ষ্য নকৰি ঘৰৰ পৰা পলাল। তাই বনত প্ৰৱেশ কৰাৰ সময়ত অস্তগামী সূৰ্যটো গুলপীয়া হৈ পৰিছিল যদিও তাই ফুলবোৰৰ মাজে মাজে গৈয়ে থাকিল। মূৰৰ ওপৰত পোহৰ তেতিয়াও কিছুসময় থাকিব।

তাই ৰঙা-ছিঙা পৰি প্ৰায় অৰ্ধচেতনভাৱে আহি হাবিৰ মাজৰ মুকলি ঠাইকণ পালেহি। ৰখীয়াটোৱে সেই ঠাইকণৰ আবাসীসকলৰ সুৰক্ষাৰ বাবে গৰালবোৰ বন্ধ কৰিছেহে মাথোঁ। অৱশ্যে তিনিটামান কণ কণ পোৱালিয়ে উৎকণ্ঠিত মাকৰ আহ্বান আওকাণ কৰি বাহিৰতে ৰৈ আছিল। ফোপাই-জোপাই তালৈ চাই কনিয়ে লাজ লাজকৈ ক'লে, "মই পোৱালিকেইটা চাবলৈকে আহিলো। মোৰ সিহঁতক চুবলৈ মন গৈছে।" এইবুলি কৈয়ে তাই গড়ালত হাত ভৰাই দিওঁতে মাক এজনীয়ে কনিৰ হাততে জোৰেৰে এখোট মাৰিলে। "আৰে, ইহঁতে মোক ঘিণ কৰে নেকি? কিন্তু মইতো ইহঁতক একো অনিষ্ট নকৰোঁ।"

সি হাঁহি মাৰি কনিৰ কাষতে বহি গভীৰ আত্ম-বিশ্বাসেৰে নিজৰ হাতখন গড়ালৰ ভিতৰলৈ সুমুৱাই দিলে। মুৰ্গিজনীয়ে তাকো খুটিয়ালে কিন্তু লাহেকৈ। সি লাহে লাহে, আলফুলকৈ মাকজনীৰ পাখিৰ মাজৰ পৰা ক্ষীণকৈ বাহিৰলৈ চাই থকা পোৱালি এটা

ধৰি আনি কনিৰ হাতত দিলে। ভৰহীন ঠেংকেইটাৰ সহায়ত থিয় হৈ ধুনীয়া চাফা মূৰটো ঘূৰাই সাহসেৰে চাৰিওদিশে চোকা দৃষ্টি নিক্ষেপ কৰিলে। তাই কৈ উঠিল, "ইমান ভাল লগা।" সিয়ো তাইৰ হাতত থকা সাহসী চৰাইটো চাই আমোদ পালে। হঠাতে সি দেখিলে এটোপাল চকুপানী তাইৰ হাতৰ সৰু গাঁঠিত পৰিছে।

সি লাহেকৈ তাইৰ কাষৰ পৰা আঁতৰি আন এটা সজাৰ ওচৰলৈ আহিল। কিন্তু হঠাতে সি অনুভৱ কৰিলে যে তাৰ কঁকালৰ তলৰ পুৰণি জুইকুৰা জাগি উঠি দপ্‌দপাবলৈ ধৰিছে। ই প্ৰশমিত হওক, সি কামনা কৰিলে। কনিলৈ পিঠি দিয়ো যুঁজ এখুন্দা দি চালে। কিন্তু ইযে ডেও দি দি আৰু জাগিবলৈ ধৰিলে।

সি কনিলৈ এবাৰ ঘূৰি চাই দেখিলে কনিয়ে মুৰ্গি পোৱালিটো গড়ালৰ ভিতৰত ভৰাবলৈ কণামুৰাকৈ চেষ্টা কৰিছে। কামনাৰ জুইকুৰা তাৰ তলপেটৰ কোনোবাখিনিত আকৌ জ্বলি উঠিল।

একো নভবাকৈয়ে সি কনিৰ কাষলৈ তৎক্ষণাত আহি তাইৰ হাতৰ পৰা পোৱালিটো লৈ গড়ালত ভৰাই দিলে। তাই পোৱালিটো ভৰাবলৈ ভয় কৰিছিল। এই সময়ত তাৰ কঁকালৰ জুইকুৰা অধিক শক্তিশালী হৈ পৰিল।

সি চিন্তা আৰু শংকা মিশ্ৰিত দৃষ্টিৰে কনিলৈ চালে। কনিয়ে মুখখন ঘূৰাই লৈ যুগ-যুগান্তৰৰ নিঃসংগতাৰ বেদনাত উচুপিবলৈ ধৰিলে। হঠাতে তাৰ হিয়াখন পমি গ'ল আৰু তাৰ হাতখন কনিৰ আঁঠুৰ ওপৰত থৈ ক'লে, "আপুনি নেকান্দিব।"

তাৰ কোমল মাতত কনিৰ হৃদয় খণ্ড-বিখণ্ড হৈ পৰিল। হাতৰ তলুৱাৰে মুখ ঢাকি আন একো কথা নাভাবি তাই হুকহুকাই কান্দিবলৈ ধৰিলে।

সি লাহেকৈ সাৱধানে হাতখন কনিৰ কান্ধত থ'লে আৰু তাৰ হাতখন তাইৰ পিঠিৰ ভাঁজে ভাঁজে অন্ধভাৱে তললৈ নমাই দিলে। আঁঠুকাঢ়ি বহি থকা কনিৰ কঁকালৰ আশে-পাশে থকা ভাঁজবোৰৰ উমান লৈ লৈ সি আঙুলিৰে খেপিয়াই ফুৰিলে। অকণমানি ৰুমাল এখনেৰে দিশাহীনভাৱে সি তাইৰ চকুপানীখিনি মচিবলৈ চেষ্টা কৰিলে। সি তাইক শান্ত, উদাসীন কণ্ঠেৰে ক'লে, "আপুনি ঘৰটোৰ ভিতৰলৈ আহিবনে?"

কনিৰ বাহুত ধৰি লাহে লাহে ঘৰটোলৈ সি লৈ আনিলে। তাই ভিতৰ পোৱাৰ লগে লগে বৰ তৎপৰতাৰে সি চকী-মেজযোৰ একাষৰীয়াকৈ থৈ, বাকচৰ পৰা সৈনিকে ব্যৱহাৰ কৰা মুগাবৰণীয়া কম্বল এখন পাৰি দি, স্থবিৰভাৱে থিয় দি থকা কনিক ক'লে, "ইয়াৰ ওপৰত শুই দিয়ক।"

ভাগ্যক খিয়াই বৈ থকাজনৰ দৰে তাৰ মুখত এক শেঁতা উদাসীন ভাব। সি দুৱাৰখন জপাই দিলে। একান্ত বাধ্যৰ দৰে কনি কম্বলখনৰ ওপৰত শুই পৰিল। অন্ধকাৰ কোঠাটোত এখন কামাসক্ত হাতে তাইৰ গোটেই দেহাটোত খেলি থকা অনুভৱ কৰিলে। সীমাহীন মৰম আৰু আস্থাৰে সি তাইৰ মুখমণ্ডলত হাত বুলাই

থাকিল। শেষত গালত এটা কোমল চুমা আঁকি তাইৰ দেহ-মন জুৰ পেলাই দিলে।

তাই বিশেষ প্ৰকাৰৰ স্বপ্নজালত আবদ্ধ হৈ নিথৰ হৈ পৰি থাকিল। কাপোৰৰ তলত খেপিয়াই ফুৰা এখন অদক্ষ হাতৰ পৰশত তাইৰ দেহটো জোঁকাৰ খাই উঠিল, অথচ এই হাতখনে কোনখন কাপোৰ কেনেকৈ খুলিব লাগে তাক ভালকৈ জানে। সি তাইৰ পাতল ৰেশমী আৱৰণখন লাহেকৈ সন্তৰ্পণে ভৰিৰ ওপৰেৰে তললৈ টানি খুলি দিলে। এটা অচিনাকি শিহৰণেৰে তাইৰ কোমল উমাল দেহাটো স্পৰ্শ কৰিলে আৰু কিছু সময় ধৰি নাভিটোত চুম্বনৰ সোৱাদ ল'লে। তৎপৰতাৰে সি এই বিশ্বৰ এই মুহূৰ্তৰ আটাইতকৈ কোমল দেহা জুৰ পেলোৱা আনন্দত জুবুৰ মাৰিলে। এইটো হৈছে তাৰ বাবে এগৰাকী নাৰীৰ দেহত প্ৰৱেশ কৰা এটা বিশুদ্ধ শান্তিৰ মুহূৰ্ত।

তাই নিথৰভাৱে পৰি থাকিল এক বিশেষ নিদ্ৰাত। যেতিয়ালৈকে সি তাৰ ক্ৰিয়াখিনি সমাপ্ত কৰি তাইৰ বুকুৰ ওপৰত ফোপনি নুতুলিলে তাই তেতিয়ালৈকে নিদ্ৰাসক্ত হৈয়ে থাকিল। কেৱল অনুভৱ কৰিলে তাইক সাবটি ধৰা তাৰ হাতৰ কঠিনতা, তাৰ দ্ৰুত সঞ্চালন আৰু বোধগম্য হ'ল তাইৰ দেহত বীজৰ সংস্থাপন।

তাই ভাবি উলিয়াব নোৱাৰিলে, এইবিলাকৰ দৰকাৰ কি? কিয় ই তাইৰ দেহৰ পৰা গধুৰ ভাবৰ আঁতৰাই শান্তি দিলে? ই বাস্তৱ নে সপোন?

তাইৰ নিপিড়িত আধুনিক মনটোৱে কিন্তু এতিয়াও জিৰণি নাপালে। এয়া সঁচানে? যদি তাই তাৰ ওচৰত সমৰ্পণ কৰিছে তেন্তে সঁচা। অন্যথা যদি নিজকে নিজৰ বাবে সাঁচি থৈছে তেন্তে এইবিলাকৰ একো মূল্য নাই। তাই অনুভৱ কৰিলে তাইৰ বয়স হৈছে। তাই নিজৰ বোজা বহন কৰিব নোৱৰা হৈছে। তাইক আনে এই কাৰ্যত ব্যৱহাৰ কৰিব লাগিব। অ' লাগিবই।

এটা আশ্চৰ্যকৰ নিথৰতাৰে সি পৰি থাকিল। সি কি ভাবিছে, কি অনুভৱ কৰিছে তাই নাজানে। তাইৰ বাবে সি অপৰিচিত আচৰিত মানুহ। তাই এতিয়া অপেক্ষা কৰিব লাগিব। কাৰণ তাৰ এই অসাধাৰণ নিথৰতাক ভংগ কৰাৰ সাহস তাইৰ নাই। সি তাইক সাবটি ধৰি, তাৰ ভিজা গাটো তাইৰ গাত লগাই পৰি থাকিল। তাৰ নিথৰতাতেই যেন শান্তি বিৰাজমান।

অৱশেষত সি তাইৰ কাষৰ পৰা আঁতৰি আহি তাইৰ কাপোৰখিনি আঁঠুৰ তললৈ খেপিয়াই টানি দিলে আৰু সেই অন্ধকাৰতে নিজৰখিনিয়ো ঠিকঠাক কৰি ল'লে। লাহেকৈ দুৱাৰখন খুলি সি বাহিৰলৈ ওলাই আহিল।

বাহিৰত ওক গছৰ ওপৰত চন্দ্ৰমাৰ উজ্জ্বল পোহৰৰ চমকনি দেখি তাই খৰধৰকৈ উঠি ঠিকঠাক হৈ ল'লে। এতিয়া পৰিপাটী। দুৱাৰমুখত তাই থিয় দিলে।

বনৰ তল অংশ ছাঁ পৰি আন্ধাৰ হৈ আছিল যদিও আকাশখন স্ফটিকৰ দৰে চিক্‌মিকিয়া। সি আন্ধাৰৰ আঁৰ লৈ আহি তাইক সুধিলে, "আমি যাওঁ তেতিয়াহ'লে?"

"ক'লৈ?"

"মই গেইটলৈকে যাম।"

সি বস্তুবোৰ নিজৰ সুবিধামতে ঠিকঠাক কৰি দুৱাৰত তলা লগাই কনিৰ পিছে পিছে আহিল আৰু সুধিলে, "আপোনাৰ বেয়া লাগিছে নেকি?"

"নাই, নাই, পিছে তোমাৰ?"

"ছাৰ ক্লিফোৰ্ড বা আনৰ পৰা কিবা বেমেজালি হয় বুলিহে চিন্তা।"

অসন্তুষ্টিৰ সুৰত কনিয়ে সুধিলে, "কি বেমেজালি?"

"এয়াতো সদায় হয়। আপোনাৰ ক্ষেত্ৰতেই হওক বা মোৰ ক্ষেত্ৰতেই হওক। কিবা সমস্যা ওলাবই।"

"গতিকে তোমাৰ চিন্তা হৈছে নেকি? নে তুমি অনুতপ্ত?"

আকাশলৈ চাই সি উত্তৰ দিলে, "একপ্ৰকাৰ।... মই যে এইবোৰ আকৌ আৰম্ভ কৰিলো।"

"কি আৰম্ভ কৰিলা?"

"জীৱন।"

"জীৱন?"

একেষাৰ কথাকে দোহাৰি কিবা অদ্ভুত উত্তেজনাৰে কনিয়ে ক'লে।

সি পুনৰ ক'লে, "এয়া জীৱন। যাক মই এৰি চলিব পৰা নাই। এৰিব খুজিলেই দেখোন মৃতপ্ৰায় হোৱা যেন লাগে। গতিকে মই এই জঞ্জালত আকৌ সোমাই পৰিলো।"

কনিয়ে সেইধৰণে ভবাই নাছিল। তাই আনন্দেৰে ক'লে, "এয়া যে ভাল পোৱা।"

"যিয়েই হওক।"

গেইটখন নোপোৱালৈকে দুয়ো মনে মনে বনৰ মাজৰ আন্ধাৰ বাটেৰে আহি থাকিল। এবাৰত পৰম আসক্তিৰে দুখ লগাকৈ তাই তাক সুধিলে, "কিন্তু তুমি মোক বেয়া নোপোৱা ন?"

"নাই, নাই।"

হঠাতে সি তাইৰ হাতখন নিজৰ বুকুৰ ওপৰত যোগসূত্ৰৰ পুৰণি আবেগেৰে হেঁচা মাৰি ধৰিলে। তাৰপিছত ক'লে, "মোৰ বাবে ই খুব ভাল। আপোনাৰ বাবে?"

অকণমান অসত্যৰ আভাস সানি তাই ক'লে, "মোৰ কাৰণেও।"

কিয়নো তাই এতিয়াও খোলা বিবেকেৰে চিন্তা কৰিব পৰা নাই। সি তাইক কোমল চুমাৰ উমেৰে ভৰাই তুলিলে আৰু বৰ দুখেৰে ক'লে, "পৃথিৱীখনত যদি এই মানুহবোৰ নাথাকিলহেঁতেন।"

তাই হাঁহি এটা মাৰি তাৰ হাতখনত এনেকৈ ধৰিলে যেন কৰমৰ্দন কৰিবলৈহে ওলাইছে। কিন্তু সি তাইৰ হাতখন দুয়োখন হাতেৰেহে ধৰি ক'লে, "মই আৰু আগুৱাই নাযাওঁ, গেইট পালোহি।"

"অ' আৰু নোযোৱা। মই আকৌ আহিমনে?"

"অ', আহিব।"

তাৰপৰা বিদায় লৈ পাৰ্কৰ মাজেৰে তাই খোজ ল'লে। সি অকণমান পিছুৱাই তাই আন্ধাৰৰ মাজেৰে গৈ থকা কিছু তিক্ততাৰে চাই থাকিল। সি অকলশৰীয়াকৈ থাকিব বিচাৰিছিল। কিন্তু তাই আকৌ এটা সম্বন্ধ গঢ়ি তুলিলে। সি নিঃসংগতাকে বাছি লৈছিল। কিন্তু তাইৰ আৱেশত সেই ব্যক্তিগত গোপনীয়তাখিনি ব্যয় কৰিবলগীয়া হ'ল।

চন্দ্ৰান্তৰ পাছৰ অন্ধকাৰ বনৰ নিঠৰতাৰ মাজতে ষ্টকচ গেইট, ইঞ্জিনৰ শব্দ আৰু মূল পথৰ যান-বাহনৰ শব্দ আহি তাৰ কাণত পৰিল। সি লাহে লাহে লঠঙা টিলাটোত বগাবলৈ ধৰিলে। নিশাটো মুকলি বাবেই তেভাৰচাল খনিৰ সৰু সৰু উজ্জ্বল বিজুলিবাতিবোৰ, তেভাৰচালৰ হালধীয়া চাকিবোৰ, অ'ত ত'ত থকা চাৰিওফালৰ বিজুলিবাতিবোৰ আৰু দূৰৈৰ গলন্ত লোহাৰ অনুজ্জ্বল গোলাপী আভাবোৰ দেখা গৈছিল। এই 'ষ্টকচ গেইট'ৰ বিজুলিবাতিবোৰ চোকা আৰু দুষ্ট। ইহঁত ব্যাখ্যাহীনভাৱে অনিষ্টকাৰী শক্তিৰে ভৰা। এই অসহ্যকৰ ঔদ্যোগিক নিশাৰ পৰিসৰ মিডলেণ্ডত প্ৰতিদিনেই বৃদ্ধি হৈ গৈ আছে। ষ্টকচ গেইটৰ উইণ্ডিং ইঞ্জিনৰ শব্দও শুনিবলৈ পোৱা গৈছে। খনিৰ কাম তিনিটা 'শ্বিফ্‌ট'ত হয়। তাৰে এতিয়া সাত বজাৰ 'শ্বিফ্‌ট'ৰ বনুৱাবিলাকৰ কাম শেষ হ'ল।

সি পুনৰ বনৰ অন্ধকাৰৰ মাজৰ নিঃসংগতালৈ উভতি আহিল। এই নিঃসংগতা কিন্তু ছলনাময়ী। ঔদ্যোগিক শব্দবোৰে নিস্তব্ধতা ভংগ কৰিছিল লগতে দূৰৈত থকা তীক্ষ্ণ লাইটবোৰে তাক ইতিকিং কৰিছিল। মানুহে এতিয়া অকলশৰে থাকি ব্যক্তিগত গোপনীয়তা ৰক্ষা কৰি চলিব নোৱাৰে। বিশ্বই এতিয়া সন্ন্যাসী নিবিচাৰে। সি এতিয়া এই মানুহজনীক সংগ দি দুখ-যন্ত্ৰণা আৰু অধঃপাতে যোৱাৰ পাকচক্ৰত আকৌ এবাৰ সোমাই পৰিল। কাৰণ তাৰ অভিজ্ঞতাৰ পৰাই সি জানে ইয়াৰ পৰিণতি কি।

এই ভুল নাৰীৰো নহয়, ভালপোৱাৰো নহয় বা যৌনতাৰো নহয়। ভুলটো এইখিনিতে আছে, সৌ তাত, সেই পৈশাচিক বৈদ্যুতিক চাকিবোৰত আৰু গুজৰি থকা দৈত্যকায় যন্ত্ৰবোৰত। তাতেই আছে পোহৰত চিক্‌মিকাই থকা যান্ত্ৰিক লোভ। লুভীয়া যান্ত্ৰিকতা, যন্ত্ৰচালিত লোভ, সোঁ-সোৱাই থকা উত্তপ্ত ধাতুৰ প্ৰবাহ, বনুৱাবোৰৰ হৈ চৈ; য'ত নিহিত হৈ লুকাই আছে অনিষ্ট সাধন কৰিব পৰা পৈশাচিক শক্তি, যি তাৰ পৈশাচিক নিয়মৰ বাহিৰৰ সকলোকে ধ্বংস কৰিবলৈ সাজু হৈ আছে। অচিৰেই বিধ্বংস হ'ব এই বনাঞ্চল, বসন্তক আদৰিবলৈ নাথাকিব ব্লু-বেলচ ফুলবোৰ। পৃথিৱীৰ সকলো সুকুমাৰ সূক্ষ্ম বস্তু উত্তপ্ত তীখাৰ সোঁতত বিনাশ হৈ যাব।

গভীৰ সহানুভূতিৰে সি তাইৰ কথা ভাবিলে। বেচেৰী বৰ নিঃসংগ। তাই নাজানে যে তাই ভবাতকৈ তাই বহুত বেছি ভাল। বেচেৰী। তায়ো বনমেটেকাৰ দৰে সহজে আক্ৰান্ত হোৱা বিধৰ। আধুনিকা যুৱতীৰ দৰে লিকটা ৰবৰ বা প্লেটিনামৰ দৰে সহনশীল নহয়।

প্ৰকৃতিৰ প্ৰত্যেকটো আলফুলীয়া বস্তুকেই সিহঁতে যেনেকৈ নিঃশেষ কৰি পেলাইছে ঠিক তেনেকৈয়ে সিহঁতে তাইকো শেষ কৰি পেলাব, এইটো জীৱন-মৰণৰ দৰেই সত্য। হয়, আলফুলীয়া, কিছুমান ক্ষেত্ৰত তাই বৰ আলফুলীয়া, বিকশিত পানী-মেটেকাৰ দৰে আলফুলীয়া। আজিৰ যুগৰ চেলুলয়ড নাৰীৰ পৰিপ্ৰেক্ষিতত ই এটা ব্যতিক্ৰম। কিছুসময়ৰ বাবে সি তাইক সুৰক্ষা দিব, যেতিয়ালৈকে অনুভূতিশূন্য বিশ্বই আৰু কুবেৰৰ যান্ত্ৰিক লোভে সিহঁত দুয়োকে নিঃশেষ কৰি নেপেলায়, ঠিক তেতিয়ালৈকে।

হাতত বন্দুকটো লৈ কুকুৰটোৰ সৈতে সি আন্ধাৰ কোঠাটোত সোমাই লেম্পটো জ্বলালে। জুহালত জুইকুৰা জ্বলালে আৰু তাৰপিছত ৰুটী, পনীৰ, কেঁচা পিঁয়াজ আৰু বিয়েৰেৰে তাৰ নিশাৰ আহাৰ গ্ৰহণ কৰিলে। এতিয়া সি ভালপোৱা নিস্তব্ধতাৰ মাজত ৰৈ আছে। তাৰ কোঠাটো পৰিস্কাৰ আৰু পৰিপাটী কিন্তু মৃত্যুৰ দৰেই নিঠৰ। অথচ জুইকুৰা উজ্জ্বল হৈ জ্বলি আছে। বগা টেবুলক্লথ পাৰি থোৱা টেবুলখন লেম্পৰ উজ্জ্বল পোহৰত জিলিকি উঠিছে। সি ভাৰতবৰ্ষৰ বিষয়ে লিখা কিতাপ এখন পঢ়িব খুজিয়ো নোৱাৰিলে। এমগ বিয়েৰ লৈ সি জুইৰ কাষত বহি পৰিল। তাৰ মুখত চিগাৰেট নাছিল। সি কনিৰ কথাকে ভাবিবলৈ ধৰিলে।

সঁচা কথা ক'বলৈ গ'লে, মূলতঃ তাইৰ বাবে হ'লেও, যি হৈ গ'ল তাৰবাবে সি দুঃখিত। সি কিবা এটা সাৱধানবাণীৰ উমান পাইছে। ভুল-শুদ্ধ বা পাপ-পূণ্যৰ কথা নাই, আনকি বিবেক দংশনৰ প্ৰশ্নও এইক্ষেত্ৰত উঠা নাই। এইটো তাৰ জ্ঞাত যে বিবেকে ফণা তুলি উঠে সমাজৰ ভয়ত বা নিজৰেই ভয়ত। তাৰ নিজলৈ ভয় নাই। অৱশ্যে সমাজলৈ সি ভয় কৰে কাৰণ সমাজ হৈছে আংশিকভাৱে বলিয়া এটা হিংসুক পশু।

মানুহজনী! তাই যদি তাৰ সৈতে থাকিব পাৰিলেহেঁতেন তেন্তে সি এই পৃথিৱীৰ কাৰো বাধাই নামানিলেহেঁতেন। তাৰ কামনা আকৌ জাগি উঠিল। তাৰ পুৰুষাংগ এটা জীৱন্ত পখীৰ দৰে ধৰফৰ কৰিবলৈ ধৰিলে। কিন্তু একেসময়তে এটা ভয়ে তাক গ্ৰাস কৰিলে। নিষ্পেষণৰ ভয়, সমাজে সিহঁতক উদঙাই পেলোৱাৰ ভয়। এই ভয়, সেই বৈদ্যুতিক দুৰাচাৰী চাকিবোৰৰ দৰে, যন্ত্ৰদানৱৰ অহৰহ গৰ্জনৰ দৰে। তাৰ কান্ধত এক গধুৰ বোজা স্বৰূপ এই ভয়। সেই মানুহজনী! তাৰবাবে কিন্তু তাই এজনী ফুলকুমলীয়া ছোৱালীৰ নিচিনা; যাৰ দেহৰ গভীৰতালৈ সি প্ৰৱেশ কৰিছিল আৰু এতিয়াও তাইক তেনেকৈয়ে পাবলৈ হাবিয়াস কৰি আছে।

কামনাসিক্ত হামি এটা মাৰি, গাটো টঙাই সি লাহেকৈ কোটটো পিন্ধিলে। হাতত বন্দুকটো লৈ লেম্পটো কমাই দিলে। বাহিৰৰ তৰালি নিশালৈ সি কুকুৰটোক লগত লৈ ওলাই আহিল। চাৰি বছৰ ধৰি সি মানুহৰ পৰা আঁতৰি আছিল। নাৰীৰ সংস্পৰ্শৰ পৰা দূৰৈত থাকি কামনা-বাসনাক দমাই ৰাখিছিল। পুনৰ নাৰীৰ সংস্পৰ্শত পৰি তাৰ কামনা জাগৃত হ'ল। হিংস্ৰ জন্তুৰ ভয় থকা সত্বেও সি লাহে লাহে সাৱধানে হাবিডৰাত ঘূৰি ফুৰি তাৰ ভাল লগা অন্ধকাৰখিনি আকোঁৱালি ল'লে।

ধন-দৌলতৰ প্ৰাচুৰ্যৰ কু-প্ৰভাৱৰ দৰেই সি তাৰ ঘোলা কামনাৰ সৈতে খাপ খাই পৰিছিল। আৰু এতিয়া তাৰ ভিতৰত তাৰ কামনাই খচমচাই আছে। কঁকালৰ তলৰ জুইকুৰা দপদপকৈ জ্বলি উঠিছে। বাহিৰৰ চিক্‌মিকিয়া বস্তুবিলাকৰ সৈতে যুঁজ দিবলৈ, জীৱন আৰু নাৰীৰ কোমলতাখিনিক সংৰক্ষণ কৰিবলৈ বা বাসনাৰ প্ৰকৃতিগত সচ্ছলতাসমূহক ৰক্ষণাবেক্ষণ দিবলৈ তাৰ লগত যদি আন মানুহো থাকিলহেঁতেন! হয়, যদিহে কাষে কাষে থাকি যুঁজ দিবলৈ মানুহ থাকিলেহেঁতেন। কিন্তু মানুহবোৰ যে বাহ্যিকতাত ব্যস্ত। যন্ত্ৰ সভ্যতাৰ উপাদানসমূহক পৰম গৌৰৱেৰে গ্ৰহণ কৰিছে। যান্ত্ৰিক লোভ বা লুভীয়া যান্ত্ৰিকতাৰ খৰস্ৰোতা সোঁতত নিষ্পেষিত হৈছে।

আনফালে কনিয়ে একো নভবাকৈয়ে পাৰ্কখনৰ মাজেদি খৰধৰকৈ ঘৰলৈ বুলি ৰাওনা হ'ল। এই পৰ্যন্ত তাই বেলেগ চিন্তা একো কৰিব পৰা নাই। নিশাৰ আহাৰ খোৱাৰ বাবে ঠিক সময়তে তাই ঘৰ পাবগৈ।

দুৱাৰখন বন্ধ দেখি তাইৰ খঙেই উঠিল। তাই বে'ল বজাবলগীয়া হ'ল। মিছেছ্ বল্টনে দুৱাৰ খুলি দিলে। মিছেছ্ বল্টনে কিছু ঠাট্টাৰ সুৰত ক'বলৈ ধৰিলে, "আপুনি তালৈ কিয় গৈছিল মেডাম? আপুনি ক'ৰবাত হেৰাল বুলি মই চিন্তা কৰিছিলোৱেই। অৱশ্যে ছাৰ ক্লিফোৰ্ডে এতিয়ালৈকে আপোনাক বিচৰা নাই। তেখেতৰ সৈতে মিষ্টাৰ লিনলে'ই কিবা আলোচনা কৰি আছে। তেৰোঁ 'ডিনাৰ' খাই যাব যেন লাগিছে। নহয়নে?"

কনিয়ে উত্তৰ দিলে, "তেনেকুৱা যেনেই লাগিছে।"

"ডিনাৰ পোন্ধৰ মিনিটমান পাছতে দিওঁ নেকি? তেতিয়া আপুনিয়ো আৰামেৰে কাপোৰ-কানি সলাই ল'ব পাৰিব।"

"তুমি যি ভাল দেখা তাকে কৰা।"

মিষ্টাৰ লিনলে' কয়লাখনিৰ মহা প্ৰবন্ধক। উত্তৰ দিশৰ পৰা অহা এই আদবয়সীয়া মানুহজনৰ ক্লিফোৰ্ডৰ লগত ফেৰ মাৰিব পৰাকৈ বুদ্ধি-বৃত্তি নাই। ক্লিফোৰ্ড হ'ল চতুৰ বাণিজ্যিক কৌশল জনা বংশৰ ল'ৰা। গতিকে যুদ্ধৰ আগৰ ক্লিফোৰ্ড বা যুদ্ধৰ পাছত কয়লাখনিৰ মালিকলৈ পৰিৱৰ্তন হোৱা ক্লিফোৰ্ডৰ বুদ্ধি-বৃত্তিৰ মাজত বৰ বিশেষ পাৰ্থক্য নাই। কিন্তু কনিৰ লিনলে'ক ভালেই লাগে। অৱশ্যে তেওঁৰ তোষামোদকাৰী পত্নীৰ পৰা কনি আঁতৰি থাকিব বিচাৰে। মিষ্টাৰ লিনলে'ই নিশাৰ আহাৰ গ্ৰহণ কৰিলে। পুৰুষসকলে ভালপোৱা বিনম্ৰ, সচেতন, সজাগ আৰু নীলা আয়ত দুচকুৰে কনিয়ে অতিথি সৎকাৰ কৰিলে। তাই এনে এটা ভংগীমা আৰু ভাবমূৰ্তি বজাই ৰাখে যে তাইৰ মনৰ ভিতৰখনৰ উমান পাবলৈ কাৰো সাধ্য নাই। গৃহিণীৰ এই ৰূপৰ অভিনয় কনিয়ে ইমান কৰিছে যে ই কনিৰ দ্বিতীয় এটা প্ৰকৃতি হৈ পৰিছে। এইটো সঁচায়ে আশ্চৰ্যকৰ যে কনিয়ে এই অভিনয় কৰি থাকোঁতে তাইৰ সকলো দুশ্চিন্তা সচেতনভাৱে আঁতৰাই ৰাখিব পাৰে।

এইদৰে সদায়ে ওপৰতলাত থকা নিজৰ কোঠালৈ গৈ চিন্তা-ভাবনা কৰিব পৰা হোৱালৈকে তাই অপেক্ষা কৰে। এইটো তাইৰ বিশেষ গুণ।

কিন্তু নিজৰ কোঠাত সোমোৱাৰ পাছত তাই পুনৰ কোনো স্পষ্ট ধাৰণা নথকা বিবুধিত পৰা মহিলা হৈ পৰে। কি ভাবিব লাগে তাই নিজেই নাজানে। সি বা প্ৰকৃততে কেনেকুৱা? সি আচলতে তাইক ভাল পাইছিল নে? বেছি নাপায় হ'বলা! তথাপিও সি মৰমিয়াল। তাৰ কিবা এটা বুজাব নোৱৰা মৰমলগা ভাব এটা আছে। যাৰকাৰণে তাই নিজৰ গৰ্ভ তাৰ ওচৰত সঁপি দিলে। কিন্তু তাইৰ সন্দেহ হৈছে, কিজানি সি সকলো তিৰোতাৰ প্ৰতিয়ে তেনেকুৱা মৰমিয়াল। হ'লেও তাৰপৰা আচৰিত ধৰণে শান্তি পোৱা যায়। কিজানি তাৰ বহুত তিৰোতাৰ লগতো সম্বন্ধ আছে! হয়তো তাই তাক তাইৰেই বুলি ভাবিবই নোৱাৰি। কিজানি বহুত মহিলাৰ মাজৰে তায়ো এজনী।

কিন্তু, তথাপিও সি ভাল। যিয়েই হওক, আন কোনোৱে তাইৰ নাৰীত্বক ইমান মৰম যাঁচিব পৰা নাছিল। বাকী মানুহবোৰ লেডী চেটাৰ্লি বা কনচটেন্সৰ প্ৰতি বৰ দয়ালু আৰু মৰমিয়াল। কিন্তু তাইৰ নাৰীত্বক তেওঁলোকে উপেক্ষা কৰে বা ঘিণ কৰে বুলিয়ো ক'ব পাৰি। কিন্তু সি লেডী চেটাৰ্লিক লক্ষ্যই কৰা নাই। কেৱল তাইৰ কামনা বিহ্বল শৰীৰটোক সি কোমলভাৱে খুন্দিয়াই আছিল আৰু বুকুখনত ঢালি দিছিল এসাগৰ মৰম।

পিছদিনা তাই আকৌ বনলৈ গ'ল। এটা ধূসৰ আবেলি। হেজল গছৰ জেংবোৰৰ তলখন ডগচ-মাৰ্কাৰিৰ ডাঠ সেউজীয়া আৱৰণে ঢাকি থৈছিল। গছবোৰে কলি পেলাইছে। আজি তাইৰ নিজৰ দেহতো তেনে এটি ভাব অনুভূত হৈছে। একো একোডাল প্ৰকাণ্ড গছৰ ৰসবোৰ ক্ৰমে ওপৰলৈ গৈ গৈ কলিৰ আগ পায়। ওক গছত অগ্নিশিখাৰ দৰে ৰঙা ৰঙা পাত ওলায়। জোৱাৰ এটা ঘোলা হৈ ওফন্দি আহি যেন আকাশত ছিটিকি পৰে।

তাই সেই মুকলি ঠাইকণ পালেহি। সি কিন্তু তাত নাই। তায়ো তাক লগ পোৱাৰ ক্ষীণ আশাহে কৰিছিল। কুকুৰা পোৱালিবোৰ পতংগ একোটাৰ দৰে পাতল হৈ ওপৰলৈ উঠি আহিছে আৰু মাকবোৰে ভয়ত কক্‌ককাই আছে। কনিয়ে সিহঁতক চাবলৈ বহিল আৰু তালৈয়ো অপেক্ষা কৰিলে। তাই ৰৈয়ে থাকিল। আনকি পোৱালিবোৰ ভালকৈ নেদেখা হোৱালৈকে।

সপোন সদৃশ গতিত সময় আগবাঢ়িল। সি কিন্তু আহি নাপালে। তাই তাক ক্ষীণ আশাৰেহে বাট চাইছিল। সেই আবেলি সি নাহিল। এতিয়া তাই চাহ খাবলৈ বুলি ঘৰলৈ যাবই লাগিব। খুব অনিচ্ছাৰে তাই তাৰপৰা উঠি আহিল।

তাই ঘৰ আহি পায় মানে এজাক ভাললগা বৰষুণে কিনকিনাবলৈ ধৰিলে। তাই টুপীটো জোকৰা দেখি ক্লিফোৰ্ডে তাইক সুধিলে, "আকৌ বৰষুণ দিছে নেকি?"

"অলপ কিনকিনাইছে।"

তাই নিমাতে চাহখিনি থাকিলে আৰু নিজৰ ভাবত তন্ময় হৈ পৰিল। আজিয়ে তাক লগ পাব লাগিব। সি সঁচাকৈয়ে সঁচা হয় নে নহয় সেই কথা জানিবলৈ। সি সঁচাকৈয়ে সঁচানে?

তেনেতে ক্লিফোৰ্ডে তাইক সুধিলে, "মই তোমাক কিবা এটা পঢ়ি শুনাব পাৰিমনে?"

তাই ক্লিফোৰ্ডলৈ চালে। ক্লিফোৰ্ডে কিবা ধৰিব পাৰিছে নেকি? তাৰপিছত তাই ক'লে, "বসন্তই মোক বলিয়া কৰিছে। মই অলপ জিৰাম বুলি ভাবিছো।"

"তোমাৰ যি ইচ্ছা। গা ভাল নহয় নেকি?"

"নহয়, মোৰ খুব ভাগৰহে লাগিছে। বসন্ত কালৰ বতৰত এনেকুৱা লাগেই। মিছেছ্ বল্টনক কিবা বজাবলৈ কম নেকি?"

"নাই, নাই, মই এতিয়া ৰেডিঅ'হে শুনিম।"

তাই ক্লিফোৰ্ডৰ কণ্ঠত একপ্ৰকাৰ আচৰিত সন্তুষ্টিৰ মাত শুনিলে। তাই ওপৰ মহলাৰ নিজৰ কোঠা পালেগৈ। তাই লাউড স্পীকাৰত কিবা এটা ৰৌ ৰৌ কৈ বজা শুনিলে। যেন কোনো বুৰ্বকে কোমল নিমজ কণ্ঠেৰে পথৰ এলানি হৈ-হাল্লাৰ বিষয়ে কিবা এটা কৈ আছে। বৃদ্ধ মানুহৰ কণ্ঠৰ অবিকল অনুকৰণ। তাইৰ পুৰণি বেঙুনীয়া ৰঙৰ ৰেইন কোটটো পিন্ধি পিছ দুৱাৰেৰে তাই ঘৰৰ বাহিৰ ওলাল।

পৃথিৱী ঢাকি ধৰা এখন ওৰণিৰ দৰে জিৰজিৰকৈ বৰষুণ পৰিছিল। কিন্তু ঠাণ্ডা নাই আৰু আচৰিত ধৰণেৰে কোনো সাৰসুৰো নাই। পাৰ্কখনৰ মাজেৰে খৰখেদাকৈ যোৱাৰ বাবে তাইৰ গৰম লাগিল আৰু পাতল ৰেইন কোটটোও খুলি পেলাবলগীয়া হ'ল।

হাবিখন নিঃশব্দ, নিৰ্জন আৰু পাতলীয়া বৰষুণৰ গোপনীয়তাৰে ভৰা। আধাফুলা ফুলকলি, আধাফুলা ফুল, ফুটিবলৈ ধৰা এবাহ কণীৰে সন্ধিয়াটো হৈ পৰিছে ৰহস্যময়। পাতল পোহৰত গছবোৰৰ নাঙঠ ক'লা দেহবোৰ জিলিকি উঠিছে। সিহঁতে যেন কাপোৰ-কানি খুলি থৈছে। সেউজীয়া বন-লতাবোৰে যেন পূৰ্ণ সজীৱতাৰে গুণগুণাই আছে।

বনৰ মুকলি ঠাইকণত এতিয়াও কোনো নাই। কুকুৰা পোৱালিবোৰ মাকহঁতৰ পাখিৰ তলত সোমাল। তাৰে সাহসী দুটামানহে খেৰৰ চালখনৰ শুকান অংশত এতিয়াও পিট্‌পিটাই আছে। সিহঁতৰ নিজৰ ওপৰতে ভৰসা নাই।

তাৰমানে সি এতিয়াও ঘূৰি অহা নাই। সি কিবা উদ্দেশ্যত আঁতৰি আছে অন্যথা কিবা এটা হৈছে। ঘৰটোৰ ভিতৰলৈ গৈ চাব পৰা হ'লে ভাল আছিল।

কিন্তু তাই যে অপেক্ষা কৰিবলৈকে জন্ম লৈছে। তাইৰ লগত থকা চাবিপাটেৰে দুৱাৰখন খুলিলে। ঘৰটো পৰিপাটী হৈ আছে। মাকৈখিনি টেমাত ভৰোৱা আছে। কম্বলখন জাপিকুচি থোৱা আছে। খেৰখিনি ভালকৈ সামৰি-সুতৰি এচুকত দ'মাই

থৈছে। এটা গজালত হাৰিকেণ লেম্পটো ওলোমাই থোৱা আছে। চকী-মেজযোৰ অলপ পিছুৱাই থৈছে। এইকন ঠাইতে তাই তাৰ লগত শুইছিল।

দুৱাৰমুখতে টুল এখন পাৰি তাই বহি পৰিল। সকলোবোৰ ইমান নিৰ্জন। পাতলীয়া বৰষুণজাক এখন পৰ্দাৰ দৰেই লাগিছে। বতাহৰো শব্দ নাই। কোমল পোহৰত গছবোৰো নিমাতে কিন্তু সজীৱ হৈ আছে। এই গোটেইবোৰ ইমান জীৱন্ত!

নিশা নামি আহিছে। তাই এতিয়া যাব লাগিব। সি তাইক এৰাই চলিছে। কিন্তু হঠাতে দীঘল দীঘল খোজেৰে মুকলি ঠাইকণত তাৰ আবিৰ্ভাৱ হ'ল। তাৰ ক'লা ভিজা জেকেটটো গাড়ী ড্ৰাইভাৰৰ জেকেটৰ দৰে জিলিকি উঠিছে।

সি জুপুৰীৰ ভিতৰলৈ চাই অভিবাদন কৰাৰ দৰে কৰিয়ে হঠাতে ঘূৰি গড়ালকেইটাৰ ফালে গুচি গ'ল। তাৰপিছত আঁঠুকাঢ়ি বহি লৈ বস্তুবোৰ ঠিকে ঠাকে আছেনে নাই সন্তৰ্পণে চাই লৈ গড়ালৰ দুৱাৰবোৰ ৰাতিটোৰ বাবে বন্ধ কৰিলে।

অৱশেষত সি লাহেকৈ তাইৰ কাষলৈ আহিল। তাই তেতিয়াও টুলখনত বহিয়ে আছিল আৰু সি চালিখনৰ তলত থিয় দিলে।

তাৰ উপভাষাৰে তাইক সি সুধিলে, "আপুনি আকৌ আহিল।"

মূৰ দাঙি কনিয়ে উত্তৰ দিলে, "অ', তোমাৰ দেৰি হ'ল।"

বনৰ ফালে মুখ কৰি সি ক'লে, "হয়।"

তাই থিয় হৈ টুলখন একাষে থ'লে আৰু তাক সুধিলে, "তুমি ভিতৰলৈ আহিবা নেকি?"

সি তাইলৈ এটা চতুৰ দৃষ্টি নিক্ষেপ কৰি কৈ উঠিল, "আপুনি ইয়ালৈ প্ৰত্যেক নিশা আহিয়ে আছে। মানুহে কিবা কোৱা নাইনে?"

মূৰটো দাঙি বিবুধিত পৰি কনিয়ে ক'লে, "কিয়? মই তোমাক আহিম বুলি কৈছিলো। কোনেও গম নোপোৱাকৈ গুচি আহিছোঁ।"

সি ক'লে, "সিহঁতে কোনোবা দিনা গম পাব। তেতিয়া?"

কনিয়ে উত্তৰ বিচাৰি বিপাওত পৰিল। তথাপিও তাই ক'লে, "আনে কেনেকৈ গম পাব?"

সি মৃত্যুদণ্ডৰ আদেশ শুনোৱাৰ দৰে কৈ উঠিল, "এইবোৰ কথা মানুহে গম পায়েই।"

তাইৰ ওঁঠ দুটা অলপ কঁপি উঠিল। তাই থোকাথুকি মাতেৰে ক'লে, "কিন্তু মই নিৰুপায়।"

সি শুনা-নুশুনা মাতেৰে ক'লে, "নহয়, আপুনি কৰিব পাৰে। আপুনি ইয়ালৈ নাহিলেই হ'ল। যদি ইচ্ছা কৰে।"

"কিন্তু মই সেয়া নিবিচাৰো।"

সি বনৰ ফালে নিমাতে অলপ সময় চাই থাকিল। তাৰ পাছত সি ক'বলৈ আৰম্ভ কৰিলে, "কিন্তু মানুহে গম পালে কি হ'ব? সেইটো ভাবক। ভাবক, আপোনাৰ নিজকে কিমান তুচ্ছ লাগিব। আপোনাৰ গৃহস্থ্যৰ ভৃত্যৰ সৈতে এইবোৰ লেটিপেটি।"

তাই বিবৰ্ণ মুখেৰে তাৰফালে চালে। তাৰ পাছত খোনাই খোনাই তাই ক'লে, "হয় নেকি? তাৰমানে তুমি মোক নিবিচাৰা?"

"ভাবক, মানুহে যেতিয়া গম পাব তেতিয়া সকলোৱে বু-বু বা-বা কৰিব।"

"মই গুচি যাব নোৱাৰো?"

"ক'লৈ?"

"য'লৈকে হওক। মোৰ নিজাকৈ ধন-সম্পত্তি আছে। মোৰ মায়ে বিশ হাজাৰ পাউণ্ড ট্ৰাষ্টত জমা কৰি থৈ গৈছে আৰু ক্লিফোৰ্ডে সেইখিনিত হাত দিব নোৱাৰে। গতিকে মই গুচি আহিব পাৰিম। মইতো মোৰ কি হ'ব সেই কথা নাভাবোৱেই।"

"আপুনি সেইকথা ভাবক। আপুনি সেই কথাত গুৰুত্ব দিয়ক। আপুনি গুৰুত্ব দিবই লাগিব। কিয়নো প্ৰত্যেকেই গুৰুত্ব দিয়ে। আপুনি আপোনাৰ মৰ্যাদাৰ কথা ভাবি এই লেটি-পেটিবিলাক বাদ দিব লাগিব। কাৰণ মইতো ভব্য-গব্য ভদ্ৰলোক নহয়। হয়, আপুনি ভাবিবই লাগিব।"

"মই নাভাবো। মই মোৰ মৰ্যাদাৰ কথা ভাবি থকাৰ কি দৰকাৰ আছে! প্ৰকৃততে মই ইয়াক ঘিণেই কৰোঁ। মালিকনী হৈ ওফন্দি থাকিবলৈ মই নিবিচাৰোঁ। মোৰ এনে লাগে, যেতিয়া মানুহবোৰে মোক সন্মান সহকাৰে 'লেডীচিপ' বুলি সম্বোধন কৰে; তেওঁলোকে আচলতে বিদ্ৰূপহে কৰে। একেবাৰে ঠিক কথা। সিহঁতে বিদ্ৰূপহে কৰে। আৰু তুমিয়ো কৰা।"

প্ৰথমবাৰৰ বাবে সি তাইৰ চকুত চকু থৈ সুধিলে, "মই?"

তাৰ পিছত সি ভগা ভগা মাতেৰে ক'লে, "মই আপোনাক কেতিয়াও বিদ্ৰূপ নকৰোঁ। সম্ভাব্য বিপদলৈ আপোনাৰ ভয় নালাগে নেকি? আপুনি ভালকৈ ভাবকচোন। কিন্তু যেতিয়া বহুত দেৰি হৈ যাব তেতিয়া আৰু ভাবিবলৈ সুযোগ নাপাব।" তাৰ কণ্ঠত বিপদৰ ভয়াৰ্ত সংকেত। সি বৰ উৎকণ্ঠিত।

তাই চিন্তিতভাৱে কৈ উঠিল, "মোৰ হেৰুৱাবলৈ একো নাই। মোৰ অৱস্থাটো যদি তুমি বুজিলাহেঁতেন তেতিয়া তুমি গম পালাহেঁতেন যে সেই বন্ধনৰ পৰা মুক্তি পালে মই কিমান সুখী, আনন্দিত হৈ পৰিম। তুমিতো নিজলৈকে ভয় কৰা।"

"কি, মই ভয় কৰোঁ? ভয় কৰোঁ। ভয় কৰোঁ মই।"

"কালৈ ভয় কৰা?"

মূৰটো বিশেষধৰণেৰে পিছলৈ জোঁকাৰ এটা মাৰি সি বহিৰজগতৰ ইংগিত দিলে। আৰু ক'লে, "প্ৰত্যেকলৈ, প্ৰত্যেকটোলৈ আৰু সিহঁতলৈ।" হঠাতে হাঁলি সি তাইৰ দুখী

মুখখনত চুমা এটা খালে। তাৰ পিছত আকৌ ক'লে, "নাই, মই এইবোৰ চিন্তা নকৰোঁ। ঠিক আছে আমি বিপদৰ সৈতে মুখামুখি হ'ম। কেৱল আপুনি পাছত দুখ নকৰিব।"

তাই কাকুতিৰ সুৰত ক'লে, "মোৰ পৰা আঁতৰি নাযাবা।"

তাইৰ গালত আঙুলি বুলাই সি আকৌ পটকৈ চুমা এটা খালে। সি কোমল মাতেৰে ক'লে, "তেতিয়াহ'লে মোক ভিতৰলৈ যাবলৈ দিয়ক আৰু আপুনি ৰেইন কোটটো খোলক।"

বন্দুকটো ওলোমাই থৈ চামৰাৰ তিতা জেকেটটো খুলি সি কম্বলখনলৈ হাতমেলি তাইক পুনৰ ক'লে, "মই আৰু এখন কম্বল কিনিছো। আপুনি বিচাৰিলে আমি এখন গাত ল'ব পাৰিম।"

"মই বেছি দেৰি কৰিব নোৱাৰো। চাৰেসাত বজাৰ 'ডিনাৰ' পাবগৈ লাগিব।"

"ঠিক আছে।" দুৱাৰখন বন্ধ কৰি হাৰিকেন লেম্পটো অলপ কমাই দিলে। "আমি এদিন বহুত সময় একেলগে থাকিম দেই।"

কম্বলকেইখন সাৱধানে নমাই তাৰে এখন জাপি তাইৰ মূৰৰ তলত দিলে। তাৰপিছত সি অকণমান টুলখনত বহি লৈ তাইক তাৰ ফাললৈ টানি আনি এখন হাতেৰে নিজৰ গাত হেঁচা মাৰি ধৰি মুক্ত হাতখনেৰে তাইৰ দেহাটো মোহাৰি চালে। তাই তাৰ নিশ্বাসৰ শব্দ শুনিলে। তাইৰপেটিকোটৰ তলত তাই নগ্ন। তাইৰ কঁকাল আৰু তপিনাৰ আলফুলীয়া গুপুত অংগবোৰত আঙুলি বুলাই সি নিজকে নিজে ক'লে, "উস্, এইবোৰ চুবলৈ কিযে ভাল লগা।"

মুখখন তললৈ নমাই তাৰ গাল দুখনেৰে তাইৰ পেট আৰু কৰঙনত বাৰে বাৰে ঘঁহিবলৈ ধৰিলে। এনেকুৱা কৰি সিনো কি ভাল পাইছে তাই অকণমান চিন্তা কৰিলে। এই অংগবোৰত সি কি সোৱাদ পাইছে তাই বুজি নাপালে যদিও তাইৰ জীয়া দেহাটোৰ গোপন অংগত তাৰ স্পৰ্শই সুখৰ জোৱাৰ তুলিছিল। কাৰণ এই সময়ত কেৱল আৱেগহে জাগি আছিল।

যেতিয়া আৱেগ শুই থাকে বা নাথাকে তেতিয়া সৌন্দৰ্যৰ জক্‌মকীয়া স্পন্দন বোধগম্য নহয়, আনকি অলপ ঘিণ লগাহে হয়। তপত স্পৰ্শৰ সৌন্দৰ্য দৰ্শনৰ সৌন্দৰ্যতকৈ বহুত গভীৰ।

তাই অনুভৱ কৰিলে তাৰ গোঁফকোছা, চুটি চুলিৰ কোমল নিবিড় স্পৰ্শ। উত্তেজনাত তাইৰ দেহাটো কঁপি উঠিল, অনুভৱ কৰিলে এটা নতুন শিহৰণ। তাইৰ অলপ ভয় লাগিল। তাই কামনা কৰিলে সি যেন আৰু তাইৰ দেহাটো এনেদৰে পিটিকি মোহাৰি মৰম নকৰে। সি যেন তাইক গিলি পেলাইছে। তথাপিও তাই অপেক্ষা কৰিয়ে থাকিল। পৰিতৃপ্তিৰ চূড়ান্ত পৰ্যায়ত উপনীত হোৱাৰ পাছতো তাই বৈয়ে আছিল। তাইৰ যেন কিবা অলপ বাকী থাকি গ'ল তেনেকুৱা লাগিল। কিন্তু এইটো যে আংশিকভাৱে

তাইৰে ভুল তাই জানিছিল। কাৰণ তায়েতো এই বিভেদক কামনা কৰিছিল আৰু এতিয়া ইয়ে তাইক ধিক্কাৰ দিছে।

কিন্তু তাই এতিয়াও পৰিয়ে থাকিল। নিজৰ সন্তুষ্টিখিনিক থপিয়াই ধৰিবলৈকো তাই জাগি নুঠিল। কিন্তু মাইকেলিচৰ ক্ষেত্ৰত তাই এইটো কৰিছিল। কিন্তু তাই নিথৰ হৈ ৰৈ থাকিল আৰু চকুপানীৰে চকু দুটা উপচি বৈ পৰিবলৈ ধৰিলে।

"আপোনাৰ ঠাণ্ডা লাগিছে নেকি?" সি কোমল মাতেৰে লাহেকৈ সুধিলে। যেন তাই ওচৰতে আছে। একেবাৰে ওচৰতে। কিন্তু প্ৰকৃততে তাই আঁতৰি দূৰৈত ৰৈ আছে।

"নাই, কিন্তু মই যাবই লাগিব।" তাই লাহেকৈ ক'লে। সি হুমুনিয়াহ এটা কাঢ়ি তাইক অলপ সময় সাবটি ধৰি আকৌ জিৰণি ল'লে। সি তাইৰ চকুপানী ওলোৱা কথাটো গমেই ন.পালে। তায়ো তাৰ সৈতে আন্তৰিকতাৰে আছিল বুলিয়ে সি ধৰি ল'লে। "মই যাবই লাগিব" তাই আকৌ ক'লে। সি উঠি আঁঠুকাঢ়ি অলপ সময় তাইৰ কাষত বহি তাইৰ কৰঙনৰ ভিতৰফালে চুমা খাবলৈ ধৰিলে। তাৰ পিছত তাইৰ ফ্ৰকটো টানি তললৈ নমাই নিজৰ কাপোৰৰ বুটাম মাৰিবলৈ ধৰিলে। আনকি অকণমান ঘূৰি লোৱাৰ কথাও নাভাবিলে। লেম্পটোৱে কোনোমতে কোঠালিটো দেখা নেদেখাকৈ পোহৰ কৰি ৰাখিছিল। "আপুনি আকৌ আহিব দেই।" তাইৰ পৰা সঁহাৰি পাব বুলিয়ে নিশ্চিত হৈ সি সহজভাৱে কথাষাৰ ক'লে।

তাই কিন্তু একেবাৰে নিষ্ক্ৰিয়ভাৱে তালৈ ভেবা লাগি চাই "ইযে কি অদ্ভুত প্ৰকৃতিৰ মানুহ এটা" বুলি ভাবিলে। তাইৰ অলপ অনুশোচনাও হ'ল।

সি কোটটো পিন্ধি টুপীটো বিচাৰিবলৈ ধৰিলে। টুপীটো যে পৰি যাওঁতে তুলি বন্দুকটোতে ওলোমাই থৈছিল সেই কথা সি পাহৰিলে। "তেন্তে বলক।" সি মূৰটো তললৈ নমাই শ.ন্তিপূৰ্ণ দৃষ্টিৰে তাইলৈ চাই ক'লে।

তাই লাহেকৈ উঠিল। তাইৰ যাবলৈ অকণো মন যোৱা নাই, কিন্তু থাকিবলৈয়ো মন নাই। ৰেইন কোটটো পিন্ধাত তাইক সহায় কৰি দি তাই ঠিকমতে পৰিপাটি হ'লনে নাই সি চাই ল'লে। সি দুৱাৰখন খুলি দেখিলে যে বাহিৰখন বেচ আন্ধাৰ। চালিখনৰ তলত ৰৈ থকা প্ৰভুভক্ত কুকুৰটোৱে তাক দেখি আনন্দেৰে থিয় দিলে। কিন্‌কিন্‌কৈ বৰষুণ পৰিছিল। কজলা ডাৱৰবোৰক আন্ধাৰৰ আঁৰে আঁৰে বতাহে উৰুৱাই লৈ গৈছিল। বৰ আন্ধাৰ। সি ক'লে, "লেম্পটো লৈ লওঁ মেডাম, এতিয়া ইয়াত কোনো নাই।"

লেম্পটো হাতত ওলোমাই লাহে লাহে জোঁকাৰি জোঁকাৰি সি ঠেক বাটটোৰে তাইৰ ঠিক আগে আগে যাবলৈ ধৰিলে। লেম্পৰ পোহৰত তিতা ঘাঁহবোৰ দৃশ্যমান হ'ল, ক'লা চিক্‌চিকিয়া গছৰ শিপাবোৰ উজলি উঠি সাপৰ দৰে লাগিছে। শেঁতা ফুল

কিছুমানো চকুত পৰিছে। তাৰ বাহিৰে বাকীবোৰ বৰষুণ আৰু কুঁৱলীৰ আঁৰত কজলা হৈ একেবাৰে ঘিটমিটিয়া আন্ধাৰ হৈ পৰিছে।

"আপুনি আকৌ আহিব নহয় মেডাম? এটা অপৰাধৰ শাস্তি আৰু এশটা অপৰাধৰ শাস্তি একেই।"

এতিয়া সিহঁতৰ মাজত একো নাই। কিন্তু সি তাইক নেৰাই হ'ল। কনিৰ কিবা অদ্ভুত লাগিল, তাইতো তাক একো কোৱাই নাই। আৰু এই সকলোবিলাক বাদ দিয়ো তাৰ দোৱানবিলাক তাইৰ একেবাৰে ভাল নালাগিল।

"আকৌ আহিব" বুলি সি তাইকেই কৈছেনে নে সকলো মহিলাৰ বাবেই এই কথাখিনি ব্যৱহাৰ কৰে সেইটো তাই বুজিব নোৱাৰিলে। আন্ধাৰতো তাই 'ফক্স গ্ৰ'ভ'ৰ পাতবোৰ চিনি পালে আৰু হাবিৰ মাজৰ ঘোঁৰাৰে অহা-যোৱা কৰা লুংলুঙীয়া বাটছোৱাৰ কোন অংশত আছে তাই ধৰিব পাৰিলে।

"এতিয়া সাত বাজি পোন্ধৰ মিনিট গৈছে। আপুনি ঠিক সময়তে পাবগৈ।"

তাই যে অলপ বিকৰ্ষিত হৈছে সি বোধহয় অনুমান কৰিলে। গতিকে মাতষাৰ সলনি কৰি সি কথাষাৰ ক'লে। বাটছোৱাৰ শেষৰ কেঁকুৰিটো ঘূৰি হেজল গছৰ বেৰা আৰু গেইটৰ ফাললৈ গতি কৰোঁতেই সি লেম্পটো নুমুৱাই দিলে। তাইৰ বাহুত লাহেগৈ ধৰি সি ক'লে, "এইখিনিৰ পৰা দেখিম আৰু।"

কনিয়ে কিন্তু অসুবিধা পালে। ভৰিৰ তলৰ মাটিখিনি বৰ আচহুৱা পালে। তাৰ অৱশ্যে অকণো অসুবিধা নহ'ল। এই ঠাইবোৰত সি খোজ দিয়ে চিনি পায়। গেইটখন পাই সি তাইৰ ইলেকট্ৰিক টৰ্চটো তাইৰ হাতত দি ক'লে, "পাৰ্কত অলপ পোহৰ আছে। তথাপিও আপুনি বাট হেৰুৱায় বুলি ভয় লাগে।"

সি ঠিকেই ধৰিছিল। আন্ধাৰত পাৰ্কৰ খোলা ঠাইকণত ভূতে নৃত্য কৰাৰ দৰে জিলমিলাই আছিল। হঠাতে সি তাইক নিজৰ ফাললৈ টানি আনি তাৰ তিতা ঠাণ্ডা হাতখনেৰে কাপোৰৰ তলৰ তাইৰ তপত দেহাটোত খেপিয়াবলৈ ধৰি কৈ উঠিল, "আপোনাৰ দৰে দেহা এটা স্পৰ্শ কৰিবলৈ মই মৰিব পাৰোঁ।"

তাইৰ প্ৰতি থকা তাৰ প্ৰবল আকাংক্ষাৰ উমান তাই আকৌ পালে।

অলপ বলিয়াৰ দৰে তাই কৈ উঠিল, "নাই, মই দৌৰিব লাগিব।"

"এই!" সি হঠাতে সলনি হৈ তাইক এৰি দিলে। তাই ঘূৰি সিফালে মুখখন ঘূৰাই ক'লে, "মোক চুমা খোৱা।"

সি তাইৰ ফালে হালি আন্ধাৰত ভালকৈ নমনি তাইৰ বাওঁ চকুৰ ওপৰতে চুমা খালে। তাই মুখখন পাতি দিয়াত সি আলফুলকৈ আকৌ এটা চুমা খাই পিছুৱাই আহিল। সি পিছে মুখত চুমা খাই বেয়া পায়।

অকণমান আঁতৰি তাই ক'লে, "পাৰোঁ যদি কালিলৈ আহিম।"

আন্ধাৰৰ মাজেদিয়ে সি উত্তৰ দিলে, "ইমান দেৰিকৈ নহয় দেই।"

ইতিমধ্যে আন্ধাৰত একো নমনা হৈছেই। কনিয়ে তাক শুভৰাত্ৰি জনালে। সিয়ো 'শুভৰাত্ৰি মেডাম' বুলি ক'লে।

অকণমান বৈ সেমেকা আন্ধাৰৰ মাজেদি চাই তাই তাৰ কেৱল উপস্থিতিৰ উমানহে পালে।

কনিয়ে তাক আকৌ সুধিলে, "তুমি তেনেকৈ কিয় ক'লা?"

"নাই, আপুনি খৰধৰকৈ যাওক। শুভৰাত্ৰি।"

তাই অন্ধকাৰত সোমাই পৰিল। খোলা পিছদুৱাৰেদি কোনেও নেদেখাকৈ তাই ভিতৰ সোমাল। সেই সময়তে বে'ল বাজিল আৰু তাই গা-ধুবলৈ সোমাল। আগলৈ আৰু এনেদৰে দেৰি নকৰোঁ বুলি তাই শপত খালে। এইটো বৰ বিৰক্তিকৰ।

পিছদিনা তাই বনলৈ নগৈ ক্লিফোৰ্ডৰ লগত আথৰেটলৈ গ'ল। ক্লিফোৰ্ডে আজিকালি এটা ডেকা সবল ল'ৰা ড্ৰাইভাৰ হিচাপে ৰাখিছে। গতিকে মাজে-সময়ে গাড়ীতো যাব পৰা হৈছে। কিয়নো ড্ৰাইভাৰ ল'ৰাটোৱে তেওঁক ধৰি-মেলি উঠাই-নমাই দিব পাৰে। তেওঁ তালৈ তেওঁৰ গড়ফাদাৰ লেচলি উইণ্টাৰক লগ ধৰিবলৈ গৈছিল। তেওঁ চিপলে' হলত থাকে।

উইণ্টাৰ এজন আদবয়সীয়া ধনী মানুহ। কয়লাখনিৰ ধনী মালিকবোৰৰ ভিতৰত তেৰোঁ এজন। কিং এডোৱাৰ্ডৰ দিনৰ ধনী মানুহ। কিং এডোৱাৰ্ডে একাধিকবাৰ চিপলে'ত চিকাৰৰ বাবে আহিছিল। উইণ্টাৰৰ ঘৰটো এটা বৰ সুন্দৰকৈ সজোৱা। তেওঁ অবিবাহিত আৰু সাজোন-কাচোনত বৰ চৌখিন আছিল। কিন্তু ঠাইখন কয়লাখনিৰে আগুৰা আছিল। লেচলি উইণ্টাৰ ক্লিফোৰ্ডৰ সৈতে জড়িত আছিল যদিও ব্যক্তিগতভাৱে ক্লিফোৰ্ডক বৰ সন্মানৰ চকুৰে নাচাইছিল। তাৰ কাৰণ আছিল কাগজ-পত্ৰই প্ৰকাশিত ক্লিফোৰ্ডৰ ফটোবোৰ। এই বৃদ্ধজন আছিল কিং এডোৱাৰ্ডৰ মত বা আদৰ্শৰ সমৰ্থক। তেওঁলোকে ভাবিছিল যে জীৱনটো বাস্তৱ আনহাতে গল্প-কাহিনীসমূহ কেৱল কল্পনাৰ সমষ্টি। তেওঁ কনিক লৈ বৰ গৌৰৱবোধ কৰিছিল। তেওঁ কনিক এজনী স্বল্পভাষী, আকৰ্ষণীয় আৰু অবিবাহিতা হিচাপেহে গণ্য কৰিছিল। যি ক্লিফোৰ্ডৰ সংগত পৰি ধ্বংস হৈ গ'ল। এইটো বৰ দুখজনক কথা যে তাই আৰু কেতিয়াও ৰাগবিলৈ এটা উত্তৰাধিকাৰী দান কৰিব নোৱাৰিব। তেওঁৰ নিজৰো অৱশ্যে কোনো উত্তৰাধিকাৰী নাছিল।

কনিয়ে চিন্তা কৰিলে তেওঁ যদি কেনেবাকৈ গম পায় যে তাইৰ ক্লিফোৰ্ডৰ এটা সাধাৰণ কৰ্মচাৰীৰ সৈতে দৈহিক সম্পৰ্ক স্থাপন তেতিয়া বাৰু তেওঁ কি বুলি ভাবিব। তেওঁ নিশ্চয় তাইক ঘিণ কৰিব। কাৰণ তেওঁ বনুৱা সম্প্ৰদায়ে উন্নতি কৰাটো এনেয়ো সহ্য কৰিব নোৱাৰে। তাইৰ একে সম্প্ৰদায়ৰ বাবে তাইৰ ক্ষেত্ৰত এইটো প্ৰযোজ্য নহয়, কাৰণ কনিক প্ৰকৃতিয়ে দেখাত বৰ নিৰ্জু, গম্ভীৰ, নম্ৰ গাভৰুৰ ৰূপ দান কৰিছে।

সম্ভৱতঃ এইটো তাইৰ স্বভাৱৰে এটা অংশ। উইণ্টাৰে তাইক মাজনী বুলি মাতে। তাইৰ ইচ্ছাৰ বিপৰীতে ওঠৰ শতিকাৰ নাৰীৰ এক সংক্ষিপ্ত সংস্কৰণ আখ্যা দিয়ে।

কিন্তু ৰখীয়াটোৰ সৈতে হোৱা সম্পৰ্কটোৱে কনিৰ অন্তৰৰ গভীৰতাত স্থান লৈছে। আনহাতে মিষ্টাৰ উইণ্টাৰ এজন ভদ্ৰলোক আৰু পাৰ্থিৱ জগতৰ মানুহ। তেওঁ কনিক ভাল-বেয়া বাছ-বিচাৰ কৰিব পৰা এগৰাকী ব্যক্তি বুলি গণ্য কৰে। তেওঁ তাইক দোৱান মতা মহিলাসকলৰ পৰা আঁতৰত স্থান দিয়ে।

তাই সেইদিনা বনলৈ নগ'ল। পিছৰ দিনাও আৰু তাৰ পিছৰ দিনাও নগ'ল। কিন্তু চতুৰ্থ দিনা তাই বৰ অস্থিৰ হৈ পৰিল। আনহাতে তাৰ ওচৰত আত্ম-সমৰ্পণ কৰিবলৈয়ো কুণ্ঠাবোধ কৰিলে। তালৈ নগৈ আন কি কি কাম কৰিব পাৰি সেই সকলো দিশ ফঁহিয়াই চালে। গাড়ী লৈ চেফিল্ডলৈ যাব পাৰি, কাৰোবাৰ ঘৰলৈ যাব পাৰি। কিন্তু এই সকলোবোৰেই দেখোন ভাল নলগা। শেষত তাই এফালে খোজকাঢ়ি যোৱাৰ কথা ভাবিলে। হাবিৰ ফালে নহয়, তাৰ বিপৰীত দিশতহে। তাই মাৰেহেলৈ যাব। পাৰ্কৰ আনটো মূৰৰ সৰু লোহাৰ গেইটখনেৰে। এইটো বসন্তৰ এটা ধূসৰ দিন। গৰমেই বুলিব পাৰি। তাই কোনোফালে মন নকৰাকৈ নিজৰ চিন্তাতে মগ্ন হৈ অসৰ্তকভাৱে যাবলৈ ধৰিলে। তেনেকৈয়ে একো ক'ব নোৱৰাকৈয়ে গৈ গৈ যেতিয়া মাৰেহে' ফাৰ্ম পালে হঠাতে এটা ডাঙৰ কুকুৰ এটাৰ ভুক্‌ভুক্‌নিত তাই চক্ খাই উঠিল।

মাৰেহে' ফাৰ্ম। ইয়াৰ ঘাঁহনিয়ে ৰাগবিৰ পাৰ্কখ জেওৰা চুইছেগৈ। সেইবাবেই কনিয়ে ইয়াক চুবুৰীয়া আখ্যা দিছিল আৰু লাহে লাহে সেই ধাৰণাটোৱেই জনপ্ৰিয় হ'বলৈ ল'লে।

বগা ডাঙৰ বুলটেৰিয়েৰ কুকুৰজাক উদ্দেশ্যি কনিয়ে ক'লে, "বেল, তই মোক পাহৰিলি নেকি? মই তোৰ চিনাকি মানুহ নহয়?"

কনিৰ কুকুৰলৈ ভয় লাগে। বেলে এতিয়া অকণমান পিছুৱাই নেজ জোঁকাৰি সম্ভাষণ জনাই থিয় দিলে। তাই এই ফাৰ্মখনৰ মাজেৰে ৱাৰেণ পথলৈ যাবলৈ ওলাইছে।

সেইসময়তে মিছেছ্ ফ্লিণ্ট আহি ওলালহি। তেওঁ কনিৰ সমবয়সীয়া আৰু শিক্ষয়িত্ৰী। কনিয়ে কিন্তু তেওঁক এগৰাকী সৰুফুটিয়া ফাঁকিবাজ মহিলা বুলিয়ে ভাবে। মিছেছ্ ফ্লিণ্টে কনিক দেখি চকু ডাঙৰ হৈ গ'ল আৰু লাজতে ৰঙা-ছিঙা পৰি ক'লে, "আৰে লেডী চেটাৰ্লি? বেল, বেল, তই লেডী চেটাৰ্লিক ভুকিছ! চুপ থাক।" কুকুৰটোক হাততে থকা বগা কাপোৰখনেৰেই কোব দুটামান মাৰি তেওঁ কনিৰ ফালে আগবাঢ়ি আহিল।

মিছেছ্ ফ্লিণ্টৰ লগত কৰমৰ্দন কৰি কনিয়ে ক'লে, "তাই মোক চিনি পাইছিল।"

ফ্লিণ্টৰ পৰিয়ালটো চেটাৰ্লিৰ ভাড়াতীয়া। মিছেছ্ ফ্লিণ্টে অলপ বিব্ৰত হৈ ক'লে, "তাই নিশ্চয় চিনি পায় মেডাম। এতিয়া অলপ বেছি কৰি দেখুৱাইছে। তাই যে আপোনাক বহুত দিনৰ মূৰত দেখিছে। আপোনাৰ ভালেই লাগে।"

"ধন্যবাদ। মোৰ ভাল।"

"আমি ঠাণ্ডা দিনত আপোনাক দেখাই নাপালো। কেঁচুবাটো চাবলৈ ভিতৰলৈ অকণমান আহিব নেকি?"

"ঠিক আছে। এক মিনিটৰ বাবে সোমাওঁ বাৰু।" কনিয়ে অলপ ইতস্ততবোধ কৰিছিল। মিছেছ্ ফ্লিণ্টে ছ্বমূৰকৈ ভিতৰলৈ বস্তু-বাহানিবোৰ অলপ পৰিপাটি কৰিবলৈ চেষ্টা কৰিলে। কনিয়ে লাহে লাহে তাইৰ পিছে পিছে ভিতৰলৈ সোমাই গ'ল। লেতেৰা পাকঘৰটোত পানী উতলি থকা কেটলিটো দেখি তাইৰ অস্বস্তি লাগিল। মিছেছ্ ফ্লিণ্ট ভিতৰৰ পৰা ঘূৰি আহিল। ফ্লিণ্টে ক'লে, "বেয়া নাপায় যদি ইয়ালৈকে আহিব নেকি?" তেওঁলোক শোৱা কোঠালৈ সোমাই গ'ল। কেঁচুৱা ছোৱালীজনী কেথা এখনৰ ওপৰত বহি আছে। মেজখন চাহৰ বাবে যেনেতেনে সজাই থোৱা আছে। বনকৰা ছোৱালীজনীয়ে লাজ আৰু সংকোচেৰে অহা-যোৱা বাটতে থিয় দিলেহি।

এবছৰীয়া তজবজীয়া এজনী কেঁচুৱা। চুলিখিনি বাপেকৰ দৰেই ৰঙচুৱা। নীলা দুচকুত দুষ্টালিৰ চাৱনি। ভয়-ভীত বুলিবলৈ নাই। তাইক কুচন কিছুমানৰ মাজত ফটাকানিৰে বনোৱা পুতলাৰ পৰা এতিয়া বজাৰত পোৱা একেবাৰে নতুন ডিজাইনৰ পুতলা কিছুমান দি বহুৱাই থৈছে। তাইৰ জন্মৰ পাছতে কনিয়ে তাইক এখন শ্বল আৰু এটা প্লাষ্টিকৰ পুতলা দিছিল। কনিয়ে কৈ উঠিল, "বাঃ, ইমান মৰমলগা। ইমান খৰকৈ বাঢ়িছে, একেবাৰে মস্ত এজনী হ'ল দেখোন।"

মিছেছ্ ফ্লিণ্টে জীয়েকক উদ্দেশ্যি ক'লে, "যোচেফাইন, চোৱাচোন তোমাক চাবলৈ এয়া কোন আহিছে? এয়া কোন যোচেফাইন? এয়া হৈছে লেডী চেটাৰ্লি। তুমি জানাই নহয়।"

কেঁচুৱাই পিছে কনিলৈ বৰ ভেমেৰে চালে। অৱশ্যে কনিৰ মুখত কোনো পৰিবৰ্তনৰ ছাঁ দেখা নগ'ল।

কনিয়ে ক'লে, "তুমি মোৰ ওচৰলৈ আহিবানে?"

কেঁচুবাটোৱে একোলৈকে ভ্ৰূক্ষেপ নকৰা দেখি কনিয়ে তাইক দাণ্ডি কোলাত ল'লে। কোমল কোমল হাত ভৰি, লোদোৰ-পোদোৰ মৰমলগা কেঁচুৱা এটা কোলাত ল'বলৈ বৰ ভাল লাগে।

ফ্লিণ্টে কনিক উদ্দেশ্যি ক'লে, "অলপ আগতে মই সেৰেকা চাহ একাপ খাইছিলো। লিউক বজাৰলৈ যোৱাৰ পাছত মই যেতিয়াই ইচ্ছা তেতিয়াই খাব পাৰোঁ। আপোনাকো একাপ দিওঁনে মেডাম? আপোনালোকে খোৱাৰ নিচিনা নহয়। তথাপিও বেয়া নাপায় যদি...।"

কনিয়ে ক'লে, "আপোনাৰ একো অসুবিধা নহয় যদি দিয়ক।"

কনিয়ে চাহ খাব, ঘৰত কেনেকুৱা চাহ খায় সেইবোৰ গাই থাকিবলৈ তাইৰ মন নগ'ল।

ঘৰখনত থকা আটাইতকৈ ভাল কাপ-প্লেটযোৰ, আটাইতকৈ ভাল টি-পটৰ ছেটটো আহি টেবুল পালেহি। মিছেছ্ ফ্লিণ্টে অকণমান কষ্ট নকৰিলেনো অতিথি শুশ্রূষাৰ আনন্দ কেনেকৈ পাব?

কনিয়ে কেঁচুবাটিৰ লগত খেলিবলৈ ধৰিলে। তাইৰ নির্ভিক আচৰণত কনিয়ে বৰ স্ফূর্তি পালে আৰু তাইৰ নিমজ কুমলীয়া উষ্ণতাই তাইক এটা গভীৰ আৱেগিক আনন্দ দান কৰিলে। অসহায়, কুমলীয়া, ভয়-ভীতহীন এটি সৰু মানুহ। আন মানুহবোৰ কিন্তু ভয়ত সকীর্ণ।

কনিয়ে চাহকাপ খালে। বেচ কাঢ়া হৈছিল। আৰু লগতে সোৱাদ লগা ব্ৰেড-বাটাৰ আৰু বটলৰ প্লাম। মিছেছ্ ফ্লিণ্টৰ মুখখন আনন্দত পোহৰ হৈ পৰিল। যেন কনি এজনী মহাৰাণীহে। তাৰপিছত সিহঁত দুয়োজনীয়ে আৰম্ভ কৰিলে বিয়নী মেল।

ফ্লিণ্টে ক'লে, "চাহকাপ বৰ খালী খালী হ'ল।"

"ঘৰতকৈ কিন্তু বহুত ভাল লাগিল" কনিয়ে সঁচাকৈয়ে ক'লে।

"ইচ্, হয়নে?"

অৱশেষত কনি উঠিল। "মই যাওঁ। আমাৰ এওঁ মই ক'লৈ আহিছো নাজানে। তেওঁ ঢেৰ কিবাকিবি চিন্তা কৰি থাকিব।"

মিছেছ্ ফ্লিণ্টে ৰসাল হাঁহি এটা মাৰি ক'লে, "তেখেতে আপুনি ইয়ালৈ অহা বুলি কেতিয়াও নাভাবে। আপোনাক বিচাৰিবলৈ কাৰোবাক পঠাবই যেন পাইছো।"

"গুডবাই যোচেফাইন" তাইৰ ৰঙা চুলিৰ মাজেৰে হাত ফুৰাই গালত চুমা খাই কনিয়ে ক'লে। মিছেছ্ ফ্লিণ্টে আগফালৰ ডাং মাৰি বন্ধ কৰি থোৱা দুৱাৰখন খুলিবলৈ লৰালৰি লগালে। কনিয়ে সম্মুখৰ হেজ গছৰ বেৰাৰে আবৰা বাগিচাখন পালেহি। পদূলিৰ দুয়োকাষে জকমকীয়া, কোমল, সতেজ ফুলৰ শাৰী। কনিয়ে ক'লে, "ফুলবোৰ বৰ ধুনীয়া হৈছে।"

মিছেছ্ ফ্লিণ্টে হাঁহি হাঁহি ক'লে, "লিউকে কয়, বৰ জধেমধে বাঢ়িছে। অলপমান ছিঙি দিওঁ নেকি?"

মিছেছ্ ফ্লিণ্টে বৰ আগ্রহেৰে কিছুমান ভেলভেট আৰু প্রিমৰোজ ফুল ছিঙিলে।

কনিয়ে কৈ উঠিল, "হ'ব হ'ব, বহুত হ'ল।"

তেওঁলোকে বাগিচাৰ সৰু গেইটখনৰ ওচৰ পালেহি।

"আপুনি কোনফালে যাব?"

"ৱাৰেণৰ ফালে।"

"মই চাওঁ ৰ'ব। ঠিকেই আছে। গৰুবোৰ বান্ধি থোৱা আছে। কিন্তু গেইটখন যে বন্ধ। আপুনি বগাব লাগিব।"

"মই বগাব পাৰিম।"

"মই আপোনাক অলপ আগবঢ়াই দিব পাৰোঁ।"

দুয়ো শহাই খাই এৰা এখন আশাবিহীন ঘাঁহনিৰ মাজেৰে আগবাঢ়িল। সন্ধিয়াৰ নীড়মুখী চৰাইবোৰে গছবোৰৰ ওপৰত কোৰ্হাল কৰি আছিল। এজন মানুহে জাকৰ শেষত ৰৈ যোৱা গৰুকেইটাক মাতিছে। আৰু গৰুকেইটাই ঘাঁহনিৰ মাজৰ লিকটোৰে থেৰোগেৰোকৈ খোজ পেলাইছে।

মিছেছ্ ফ্লিণ্টে চিন্তিতভাবে ক'লে, "আজি গাখীৰ খিৰাওতে দেৰি হ'ব।"

কিয়নো লিউক ঘূৰি আহোতে দেৰি হ'ব। তেওঁলোক আহি জেওৰাখনৰ কাষ পালেহি। এইখিনিৰ পৰাই ফাৰ গছৰ কাঁইটবোৰ ঘন হৈছে। সৰু গেইটখনত তলামৰা আছে। ভিতৰত ঘাঁহৰ ওপৰতে গাখীৰৰ বটল এটা পৰি আছে। মিছেছ্ ফ্লিণ্টে ব্যাখ্যা কৰিলে, "এইটো ৰখীয়াটোৰ গাখীৰৰ বটল। আমি তাক ইমান দূৰলৈকে আহি গাখীৰ দি যাবহি লাগে। সি ইয়াৰ পৰাহে নিবহি পাৰে।"

কনিয়ে সুধিলে, "কেতিয়া নিয়েহি?"

"যিকোনো সময়তে। প্ৰায়ে ৰাতিপুৱা। বাৰু লেডী চেটাৰ্লি, এতিয়া এৰোহে। আকৌ আহিব দেই। আপোনাক পাই বৰ ভাল লাগিল।" কনিয়ে জেওৰাখন বগাই পাৰ হৈ ঘন কাঁইটীয়া ফাৰ গছৰ মাজেৰে যোৱা ঠেক পথটোত উঠিলহি। মিছেছ্ ফ্লিণ্টে ঘাঁহনি ডৰাৰ মাজেৰে উভতি দৌৰিবলৈ ধৰিলে। মূৰত ছানবনেটখন মাৰি ল'লে। কিয়নো তেওঁতো এগৰাকী শিক্ষয়িত্ৰী। কনিয়ে হাবিৰ এই ঘন জংঘলখিনি ভাল নাপালে। ঠাইখিনি বৰ জয়াল আৰু ভয়লগা। তাই মিছেছ্ ফ্লিণ্টৰ কেঁচুৱাটোৰ কথাই ভাবি ভাবি তলমূৰকৈ খৰধৰকৈ যাবলৈ ধৰিলে। বৰ মৰমলগা হৈছে যদিও বাপেকৰ দৰে অলপ ফেৰেকা হ'ব যেন লাগিছে। অৱশ্যে ডাঙৰ হ'লে ভালো হ'ব পাৰে। এটা কেঁচুৱাই ঘৰ এখনলৈ কিমান পৰিপূৰ্ণতা আনে আৰু তাকে মিছেছ্ ফ্লিণ্টে কেনেকৈ প্ৰদৰ্শন কৰিছে। কনিৰ নথকা কিবা এটা তাইৰ আছে। আৰু আপাততঃ কনিয়ে তাক পাবও নোৱাৰে। হয়, মিছেছ্ ফ্লিণ্টে তেওঁৰ নিজৰ মাতৃত্বকলৈ অলপ বেছি দেখুৱাইছে। কনিৰ আচলতে অকণমান ঈৰ্ষা হৈছে।

তাই এইবোৰ চিন্তা কৰিবলৈ বাদ দি যাবলৈ লৈয়ে ভয় খাই সৰুকৈ চিএঞৰ এটা মাৰিলে। আগত মানুহ এটা থিয় দি আছে। মেলৰ্চ! সি গাধ এটাৰ দৰে বাট ভেটি ৰৈ আছে। সি আচৰিত হৈ তাইক সুধিলে, "ইয়াত কেনেকৈ?" ফোঁপাই ফোঁপাই তাই সুধিলে, "তুমি কিয় আহিছা?"

"আপুনি কেনেকৈ? চালিখনলৈ গৈছিল নেকি?"

"নাই নাই, মই মাৰেহেলৈ গৈছিলো।"

সি কনিক অলপ সন্দেহৰ দৃষ্টিৰে লক্ষ্য কৰিলে আৰু তাই দোষী দোষী ভাবেৰে থিয় হৈ ৰ'ল।

"আৰু এতিয়া জুপুৰীটোলৈ যাবলৈ ওলাইছে নেকি?" সি অলপ কাঢ়াকৈয়ে সুধিলে।

"নাই, নাযাওঁ। মই মাৰেহেত আছো বুলি কোনেও নাজানে। এতিয়া দেৰি হৈছে। মই দৌৰিবহে লাগিব।"

"মোক এৰাই চলিছে, সেইটো কথা?" খং উঠা নেদেখুৱাই সি মৃদু হাঁহি এটা মাৰিলে।

"নাই, নাই, সেইটো নহয়। মাত্ৰ...।"

"কিন্তু, কি বেলেগ?" সি এখোজ আগুৱাই তাইক সাবটি ধৰিলে। তাৰ গাৰ সন্মুখভাগ তাইৰ বৰ ওচৰত আৰু বৰ জীৱন্ত অনুভৱ কৰিলে।

"এতিয়া নহ'ব দেই।" তাই তাক ঠেলি আঁতৰাবলৈ চেষ্টা কৰিলে।

"কিয় নহ'ব? এতিয়া ছয়টাহে বাজিছে। এতিয়াও হাতত আধাঘণ্টা আছে। নহ'ব নহয়। মই আপোনাক এতিয়া বিচাৰিছো।"

সি তাইক জোৰকৈ ধৰি থাকিল। তাই তাৰ অৱস্থাটোৰ উমান পালে। তাইৰ পুৰণি প্ৰবৃত্তি অনুসৰি তাৰপৰা ৰক্ষা পাবলৈ তাই চেষ্টা কৰিব লাগে কিন্তু তাইৰ এতিয়া যুঁজি থাকিবলৈয়ো মন নগ'ল। সি চৌপাশে চালে।

"আহক, ইয়ালৈ আহক। এইখিনিৰ মাজলৈ।"

সি কুমলীয়া অৰ্ধপৈণত ফাৰ গছৰ গভীৰতালৈ তীক্ষ্ণ দৃষ্টি নিক্ষেপ কৰিলে আৰু তাইলৈ ঘূৰি চালে। তাই দেখিলে তাৰ চকু দুটা উজ্জ্বল, চিন্তা-যুক্ত, হিংস্ৰ আৰু মায়াহীন। এতিয়া তাইৰ ইচ্ছা শক্তিয়েও লগ এৰা দিছে। হাত-ভৰিবোৰ আচৰিত ধৰণেৰে গধুৰ হৈ পৰিছে। তাই নিজকে এৰি দিলে। তাই আত্ম-সমৰ্পণ কৰিলে।

সি তাইক কাঁইটিয়া গছৰ মাজেৰে লৈ গ'ল। যাবলৈ অসুবিধা হৈছিল। তাতে শুকান ডালপাতে ঢকা ঠাই অকণ আছিল। লগতে এদম ডালিখৰিয়ো আছিল। তাৰে দুডালমান নমাই সি তাৰ কোট আৰু বেইষ্ট কোটটো খুলি থ'লে। তাই গছৰ তলতে তাৰবাবে বাগৰি পৰিবলগীয়া হ'ল। সি লোলুপ দৃষ্টিৰে তাইলৈ চাবলৈ ধৰিলে। তাই ইমান নিষ্ক্ৰিয় হৈ আছিল যে তাইক অলপ সুবিধা কৰি দি তাইৰ অন্তৰ্বাসৰ গাঁঠি সিয়ে খুলি দিলে। লগতে সিয়ো তাৰ সন্মুখভাগ উদং কৰি ল'লে। তাই তাৰ নগ্ন দেহৰ পৰশ অনুভৱ কৰিলে। তাৰ পুৰুষত্বই তাইৰ ভিতৰত নাচিবলৈ ধৰিলে। কিবা এক বিশেষ অনুভূতিয়ে তাইক ঢৌ খেলি খেলি শিহৰিত কৰা অনুভৱ কৰিলে। যেন চৰাইৰ পাখিৰ দৰে কোমল শিখা কিছুমানে নাচি নাচি অতি মনোৰমভাৱে ওপৰা-উপৰি কৰি লাহে লাহে উজ্জ্বল হৈ চিক্‌মিকাই উঠিছে আৰু তাইৰ দেহৰ ভিতৰখন গলাই পেলাইছে। তাই যে বনৰীয়া উত্তেজনা মুখেৰে মাত কিছুমান উলিয়াই আছে আৰু সেইবিষয়ে তাই অসচেতন হৈ আছে। এয়া বৰ সোনকালে ঘটিছে আৰু তাই নিজৰ ফালৰ পৰা তাত

অকণো ভাগ ল'ব পৰা নাই, এটা একেবাৰে বেলেগ অভিজ্ঞতা। তাই কেৱল অপেক্ষাৰত। কেতিয়া তাইৰ এই ভাল লগাখিনি চৰম অৱস্থাত উপনীত হ'ব আৰু সেই ভয়ানক মুহূৰ্তটোলৈ যেতিয়া সি তাইক এৰি আনফালে গুচি যাব। তাই অসচেতনভাৱেই তাৰ গাত লিপিটি খাই আছে আৰু সিয়ো তাইক এৰি দিয়া নাই। তালে তালে কৰা চট্‌ফট্‌নিয়ে তাইৰ অভ্যন্তৰত ক্ৰমান্বয়ে অসচেতনতাৰ ফাঁকবোৰ যেন ভৰাই তুলিলে আৰু তাইৰ পেশীৰ মাজে মাজে আনন্দৰ চাক্‌নৈয়াৰ সৃষ্টি কৰি গভীৰৰ পৰা গভীৰতালৈ গৈ এক তৰল অনুভূতিৰ জোৱাৰ তুলিলে। অৱশেষত দুয়ো ভাগৰত নিস্তব্ধ হৈ এনেদৰে পৰি থাকিল যেন দুয়ো দুয়োকে চিনিয়ে নাপায়। শেষত সি উঠিল আৰু তাৰ নিজৰ অসহায় নগ্নতাৰ বুজ পালে। সি আঁতৰি যাবলৈ ওলাল, তাইৰ বুকুখন বিষাই গ'ল। এতিয়া তাই তাক এনেকৈ আঁতৰি যাবলৈ দিব নোৱাৰে, সি তাইক চিৰকালৰ বাবে এনেকৈয়ে আৱৰি ৰাখিব লাগিব।

তাইক চুমা খাই, কাপোৰ-কানিখিনি ঠিক-ঠাক কৰি ঢাকি-ঢুকি সি আঁতৰি আহিল। তাই নিথৰ হৈ গছৰ ডালবোৰলৈ চাই থাকিল। চাৰিওফালে লক্ষ্য কৰি সি গম পালে এই ঘন হাবিখন নিস্তব্ধ হৈ আছে আৰু নিৰাপদ। কুকুৰটোৱে আচৰিত হৈ তাৰ থুঁতৰিটো মাটিত লগাই পৰি আছে। মেলৰ্চে বহি পৰি নিমাতে তাইৰ হাতখন তাৰ হাতৰ মুঠিত সুমুৱাই ল'লে। কনিয়ে তাৰ মুখলৈ চালে। সি ক'লে, "আমি একে সময়তে উপনীত হৈছিলো।"

তাই মুখেৰে একো নামাতিলে। সি আকৌ বিভোৰ হৈ ক'বলৈ ধৰিলে, "একেলগে হ'লে ভাল। বহুত পুৰুষ-স্ত্ৰী একেলগে থাকেহে, কিন্তু এইবোৰ গমেই নাপায়।"

তাই তাৰ ভাবুক মুখখনলৈ চালে আৰু সুধিলে, "হয় নেকি? তুমি সুখীনে?"

"হয়, সন্তুষ্ট।" তাই উত্তৰ দিয়াটো সি বিচৰা নাছিল বাবে হাউলি তাইক এটা চুমা খালে। আনহাতে তাইৰ এনেকুৱা লাগিল যেন সি তাইক চুমা খায়েই থাকক। অৱশেষত তাই উঠি বহিল।

"মানুহে এই জোৱাৰত একে সময়তে উপনীত নহয় নেকি?" তাই আজলীজনী হৈ বৰ আগ্ৰহেৰে তাক সুধিলে।

"বহুতৰে কেতিয়াও নহয়গৈয়ে। সিহঁতৰ মুখবোৰলৈ চালেই বুজিব পাৰি।"

"আন মহিলাৰ লগত তোমাৰ এই সম্পৰ্ক ঘটিছেনে?"

"মই নাজানো, মই নাজানো।"

তাই জানে যে সি ক'বলৈ নিবিচৰা কোনো কথাই তাইক নকয়। তাই তালৈ চালে আৰু তাৰ প্ৰতি তাইৰ আবেগে যেন তাইৰ নাড়ী-ভুৰুয়েদি প্ৰৱাহিত হৈ গ'ল। বাধা দিবলৈ তাই চেষ্টা কৰিলে, কিয়নো এয়া তাইৰ নিজৰ ওচৰতে পৰাজয়।

সি তাৰ কোট, বেষ্ট কোটটো পিন্ধি ল'লে আৰু বাস্তাটো অলপ মোকলালে।

সূৰ্যৰ শেষ কিৰণে হাবিডৰা চুইছেহি।

"মই আপোনাৰ লগত নাযাওঁ। যোৱাটো ভাল নহ'ব।"

তাই তালৈ এবাৰ ঘূৰি বৰ হাবিয়াসেৰে চালে। কুকুৰটো তাৰ লগত ঘৰলৈ উভতিবলৈ বৰ ব্যগ্ৰ হৈ পৰিছে। এতিয়াতো সি পাবলগা সকলোখিনি পালেই।

কনি লাহে লাহে উভতিল। দেহৰ গভীৰতাত থিতাপি লোৱা এটি জীৱৰ উমান পালে তাই। এটা গলি তপত হৈ পৰা প্ৰাণপ্ৰবাহ তাইৰ অভ্যন্তৰত ঢৌ খেলি আছে। তাৰ প্ৰতি তাই কৃতজ্ঞ হৈ পৰিল। এজনী সহজ-সৰল ছোৱালীৰ দৰে তাই তাক সুঁৱৰি থাকিল। তাইৰ গৰ্ভত জীৱন্ত সোঁতেৰে বৈ আছে এটা আলফুলীয়া, অসহায় কিবা এটা যিটোক সন্তান যেনেই লাগে। 'এটা সন্তান তাইৰ গৰ্ভত।' তাই নিজকে নিজে ক'লে।

তাৰমানে ইমানদিনে বন্ধ হৈ থকা তাইৰ গৰ্ভৰ দুৱাৰখন এইবাৰ খোল খালে আৰু জীৱন উপচি পৰিল। এটা বোজাৰ দৰে অথচ কিমান ভাল লগা।

"যদি সঁচাকৈয়ে এটা সন্তানে মোৰ গৰ্ভত থিতাপি লৈছে!" কথাটো ভাবিয়ে তাইৰ হাত-ভৰি শিৰশিৰাই উঠিল। গৰ্ভত এটি সন্তানে স্থিতি লোৱা আৰু মানুহ এজনৰ সন্তান এটা থকাৰ মাজত সি অপৰিসীম পাৰ্থক্য সেইটো হঠাতে তাই বুজি উঠিল। নিজৰ গৰ্ভত ভাললগা মানুহ এজনৰ সন্তানে গঢ় লোৱাটো ইমানেই ভাললগা যে তাই নিজকে পাহৰি ক্ৰমে গভীৰৰ পৰা গভীৰতালৈ গৈ যেন সৃষ্টিৰ নিদ্ৰাত সোমাই পৰিল।

এই আবেগ তাইৰ বাবে নতুন নহয়। এয়া এক আকাংক্ষিত আৰাধনাৰ ফল। ইয়াক তাই সদায়ে ভয় কৰিছিল কাৰণ এইক্ষেত্ৰত তাই অসহায়। তাই এতিয়াও ভয় কৰে, যদি তাৰ কথা ভাবি ভাবি তাই নিজকে পাহৰি যায়, নিজেই যদি পাহৰণিৰ গৰ্ভত বিলীন হৈ পৰে! তাই সেয়া হোৱাটো কেতিয়াও নিবিচাৰে। কাৰণ তাইতো এজনী বৰ্বৰ বা অঘৰী তিৰোতা নহয়। তাইৰ এই ব্যাকুলতাৰ বিৰুদ্ধে তাই এতিয়াও সংগ্ৰামত প্ৰবৃত্ত হ'ব বিচৰা নাই। তাইৰ ইচ্ছাশক্তিৰ এটা চয়তান তাই বুকুৰ মাজত পুহি ৰাখিছে আৰু ই তাইৰ গৰ্ভত ওফন্দি উঠা আৰাধনাৰ সৈতে যুঁজ এখুন্দা দি তাক ধূলিসাৎ কৰি দিবও পাৰে। বা কৰিম বুলিয়ো ভাবিব পাৰে। আৰু তাৰপিছত নিজৰ আবেগ-অনুভূতিক ইচ্ছাশক্তিৰে আয়ত্তলৈ আনিব পাৰে।

কনিৰ মাজত পুৰণি কামনাৰ নৱ-জাগৰণ ঘটিল। তাইৰ সকলো ব্যক্তিত্ব লুপ্ত হৈ পৰিল। তাইৰ কাষত তাৰ পৰিচয় হ'ল সি এটা বলিষ্ঠ পুৰুষাংগৰ ধাৰক আৰু বাহক। এটা ভয়ংকৰ নাৰীশক্তিয়ে পুৰুষক পুৰি ছাই কৰি দিব পাৰে। ক্ৰোধ আৰু কামনাৰ অনন্ত অনলৰ দ্বাৰা। কিন্তু এই মুহূৰ্তত সেই কথা কনিয়ে ভাবিব নোৱাৰিলে। তাৰ পৰিৱৰ্তে তাইৰ ভাব হ'ল— ব্যাকুলতা, আসক্তিৰ নিবিড়তা বহুত ভাল। নাৰীসত্তাৰ দৃঢ়তা, অনমনীয়তাক সঁপি দিয়াই ভাল। এটি নতুন প্ৰাণ-ৰসেৰে তাই অভিস্নাত হ'ব। তাই আৰু তাক এতিয়াৰে পৰা ভয় কৰাৰ কোনো প্ৰয়োজন নাই।

ঘৰ গৈ পায়ে কনিয়ে ক্লিফোৰ্ডক ক'লে, "মই মাৰেহেলৈ গৈছিলো আৰু মিছেছ্ ফ্লিণ্টৰ তাত চাহ খালোঁ। মই কেঁচুৱাটো চালো। বৰ মৰম লগা। চুলিখিনি ৰঙা, মকৰাৰ জালৰ দৰে। ইমান ভাল লগা। মিষ্টাৰ ফ্লিণ্ট নাছিল। মই, মিছেছ্ ফ্লিণ্ট আৰু কেঁচুৱাটোৱে সৈতে একেলগে বহি চাহ খালো। মই ক'ত আছিলো তুমি চিন্তা কৰিছিলা নেকি?"

"অ' মই অলপ চিন্তা কৰিছিলো যদিও পিছত অনুমান কৰিলো তুমি ক'ৰবাত চাহ খাবলৈকে সোমালা।"

ক্লিফোৰ্ডৰ মনত ঈৰ্ষাৰ উদয় হৈছিল। ষষ্ঠেন্দ্ৰিয়ই কনিৰ গাত বিশেষ কিবা এক নতুনত্ব দেখিছিল। কিন্তু যিটো তেওঁৰ বোধগম্য হোৱা নাই। কিন্তু তেওঁ ভাবি ল'লে কেঁচুৱাটো চোৱাৰ বাবেই কনিৰ এই পৰিৱৰ্তন। তেওঁ ভাবিলে কনিক সন্তানহীনতাৰ বেদনাই খুলি খুলি খাইছে।

মিছেছ্ বল্টনে মাত লগালে, "মই আপোনাক পাৰ্কৰ মাজেৰে লোহাৰ গেইটখনৰ ফালে যোৱা দেখিছিলো। গতিকে মই ভাবিছিলো আপুনি হয়তো 'ৰেকটৰী'লৈ গৈছে।"

"মই সেইফালেই যাব খুজিছিলো, কিন্তু শেষত মাৰেহেইলৈ গ'লো।"

দুয়োগৰাকী মহিলাই চকুৰে চকুৰে চালে। মিছেছ্ বল্টনৰ ছাইৰঙী, উজ্জ্বল আৰু অনুসন্ধিৎসু আৰু কনিৰ নীলা ধুনীয়া চকুৰ ধূসৰ দৃষ্টি। কনিৰ কোনোবা প্ৰেমিক আছে বুলি মিছেছ্ বল্টন নিশ্চিত। কিন্তু সেইটো কোন হ'ব পাৰে তাকহে ধৰিব পৰা নাই। মিছেছ্ বল্টনে ক'লে, "আপুনি এনেদৰে মাজে-সময়ে ওলাই মেলি গৈ মানুহৰ লগত মিলা-মিচা কৰিলে আপোনাৰ মন-ছন ভাল লাগি থাকিব বুলি মই ছাৰ ক্লিফোৰ্ডক কৈছিলোৱেই।"

"হয়। বুজিছা ক্লিফোৰ্ড, ওলাই গৈ বৰ ভাল লাগিল। কেঁচুৱাটো ইমান মৰমলগা। একেবাৰে বেলেগ ধৰণৰ। গপচ একেবাৰে। শেঁতা নীলবৰ্ণীয়া চকু। অৱশ্যে ছোৱালীহে, গতিকে বৰ সাহসী নহয়গৈ। এতিয়া ছাৰ ফ্ৰান্সিচ ড্ৰেকৰ দৰেই নিৰ্ভিক।"

"আপুনি ঠিকেই কৈছে লেডীশ্বিপ। এজনী সৰু ফ্লিণ্ট। সিহঁত অলপ আগবঢ়া শ্ৰেণীৰ লোক।"

"তোমাৰ কেঁচুৱাটোক চাবলৈ মন যোৱা নাইনে ক্লিফোৰ্ড? মই তেওঁলোকক অহা সোমবাৰে চাহ খাবলৈ মাতি আহিছোঁ।"

বৰ অস্বস্তিৰে ক্লিফোৰ্ডে সুধিলে, "কাক?"

"মিছেছ্ ফ্লিণ্ট আৰু কেঁচুৱাটোক। অহা সোমবাৰে।"

"তুমি সিহঁতক তোমাৰ কোঠালৈ নিবা।"

কনিয়ে প্ৰায় চিঞৰিয়ে কৈ উঠিল, "কিয়, তোমাৰ কেঁচুৱাটোক চাবলৈ মন যোৱা নাই?"

"আৰে, চাম। কিন্তু সিহঁতৰ লগত বহি চাহ খাব নোৱাৰো।"

কনিয়ে আঁৰ চকুৰে ক্লিফোৰ্ডলৈ চাই ক'লে, "দেখা যাব।" কনিয়ে এতিয়া ক্লিফোৰ্ডৰ পৰিবৰ্তে দেখিছে আন এজন মানুহ।

"আপুনি আপোনাৰ কোঠাত সিহঁতৰ সৈতে ভালকৈ বহি চাহ খাব মেডাম। এনেয়ো মিছেছ্ ফ্লিণ্ট ছাৰ ক্লিফোৰ্ডৰ সৈতে সহজভাৱে বহি চাহ খাব নোৱাৰিব।"

মিছেছ্ বল্টনে উৎসাহিত হৈ ক'লে। কনিৰ প্ৰেমিক সম্বন্ধে মিছেছ্ ফ্লিণ্টৰ পৰা কিবা খবৰ উলিয়াব পৰা যাব বুলি ভাবি তেওঁ বৰ আনন্দিত হৈ পৰিল।

কনিয়ে আজি গধূলি গা নোধোৱে। তাৰ গাৰ আঠা আঠা স্পৰ্শটো তাইৰ ভাল লাগি আছে। এক কথাত পবিত্ৰ।

ক্লিফোৰ্ডে বৰ অস্বস্তি পাই আছে। ডিনাৰৰ পাছত তেওঁ তাইক যাবলৈ নিদিয়ে। তাই বিচাৰে অকলে থাকিবলৈ। কনিয়ে তেওঁৰ ফালে চালে। সেই দৃষ্টিত আছিল সৈমান হোৱা আৰু নম্ৰতা।

ক্লিফোৰ্ডে কনিক সুধিলে, "আজি কিবা খেলিম নেকি নে কিবা পঢ়ি শুনাম?"

"পঢ়িয়ে শুনোৱা।"

"কি পঢ়িম? কবিতা, গদ্য? নে নাটক?"

"মোক ৰেচাইন শুনোৱা।"

এসময়ত শুদ্ধ ফৰাচী ভাষাত 'ৰেচাইন' পঢ়াটো ক্লিফোৰ্ডৰ বাবে বৰ গৌৰৱৰ কথাই আছিল। কিন্তু এতিয়া অনুশীলন নাই লগতে ক্লিফোৰ্ড হৈ পৰিল আত্ম-সচেতনো। তেওঁ আচলতে লাউড স্পীকাৰতহে কৈ ভাল পায়। ক্লিফোৰ্ডে পঢ়ি থাকোঁতে কনিয়ে মিছেছ্ ফ্লিণ্টৰ কেঁচুবাটোৰ কাৰণে নিজৰ চোলাৰে কাপোৰ এটুকুৰা কাটি ফ্ৰক এটা একান্তমনে চিলাবলৈ ল'লে। তাই নিজৰ চিন্তাত ইমানেই মগ্ন হৈ আছিল যে ক্লিফোৰ্ডে কি পঢ়িছে তাইৰ কাণতেই নোসোমাল। ডাঙৰ ঘণ্টাৰ ধ্বনিৰ পাছৰ জিন্‌জিননিৰ শব্দৰ দৰে তাইৰ মনৰ ভিতৰতো আৱেগৰ গুণগুণনি বহু সময় ধৰি বাজি থাকিল।

ক্লিফোৰ্ডে তাইক 'ৰেচাইন'ৰ বিষয়ে কিবা কৈছে। তেওঁ কোৱা শেষ হোৱাৰ পাছতহে তাই গম পালে যে ক্লিফোৰ্ডে তাইক কিবা এষাৰ কৈছে। তাই মোটামুটি ধাৰণা এটা কৰি কৈ উঠিল, "অ' অ' বৰ বঢ়িয়া হৈছে।"

তাইৰ গভীৰ নীলা চকুৰ চাৱনি আৰু কোমল নিস্তব্ধতাত চক্ খাই উঠিল ক্লিফোৰ্ড। তাই কেতিয়াও ইমান শান্ত আৰু নিস্তব্ধ নাছিল। তাই তেওঁক অসহায়ভাৱে মুগ্ধ কৰি পেলালে। যেন তাইৰ গাৰ পৰা বিচ্ছুৰিত সুগন্ধিয়ে তেওঁক মোহিত কৰি তুলিছে। গতিকে তেওঁ মন্ত্ৰমুগ্ধৰ দৰে পঢ়ি থাকিবলৈ ধৰিলে। তেওঁৰ ডিঙিৰ পৰা ওলোৱা শব্দবিলাক চিম্‌নিৰ বতাহৰ শব্দ যেন লাগিছিল কনিৰ। তাই 'ৰেচাইন'ৰ এটা শব্দও নুবুজিলে।

এখন বননি বসন্তৰ মিঠা পৰশত গছে কলি পেলোৱাৰ দৰে উৎফুল্লিত হৈ কনি

উটি-ভাহি ফুৰিছে। জৈৱিক কামনাৰ ব্যাখ্যাতীত সৌন্দৰ্যৰে তাই নিজৰ উচ্চ সমাজখনতেই নামবিহীন মানুহজনৰ উপস্থিতি অনুভৱ কৰিছে। শিৰাৰ প্ৰবাহৰ সোঁতে সোঁতে তাই সেই মানুহজনক আৰু সন্তানটিক উপলব্ধি কৰে। দোকমোকালিৰ হেঙুলি ৰহণ সানি তাইৰ সন্তানটিয়ে যেন তাইৰ শিৰাই শিৰাই প্ৰবাহিত হৈছে।

তাই পাক খাই গাঁঠি লাগি থকা কাঢ়া ৰঙৰ ওক গছৰ বননিৰ শতসহস্ৰ নুফুলা কলিৰ দৰে শ্ৰৱণাতীতভাৱে গুণগুণাই আছে। তাৰ মাজতেই হাবিয়াসৰ পক্ষীটোৱে তাই দেহৰ বিশাল জটবোৰৰ জটিলতাৰ মাজত শুই আছে।

সচৰাচৰ শুনিবলৈ নোপোৱা কণ্ঠেৰে ক্লিফোৰ্ডে পঢ়ি গৈছে। বৰ ভদ্ৰ আৰু মাৰ্জিত। বৰ অদ্ভুত দেখাইছে তেওঁক। বহল কান্ধ কিন্তু ভৰিবিহীন এটা দেহ। কি বিচিত্ৰ জীৱ! চৰাইৰ দৰে তীক্ষ্ণ, অনমনীয় ইচ্ছাশক্তি আছে কিন্তু খুব হীম শীতল। আত্মা বুলি একো বস্তু নাই। তাই অকণমান উচ্‌পিচাই উঠিল। তেওঁলৈ ভয় লাগিছে। কিন্তু পিছ মুহূৰ্ততে তাইৰ তপত কোমল জীৱন শিখা তেওঁতকৈয়ো শক্তিশালী হৈ উঠিল আৰু তেওঁৰ প্ৰকৃত দিশবোৰ তাইৰ বাবে আঁৰ হৈ পৰিল।

পঢ়া শেষ হ'ল। তাই উচ্‌প খাই উঠিল। ক্লিফোৰ্ডলৈ মূৰ দাঙি চাই দেখিলে ক্লিফোৰ্ডৰ দৃষ্টিত এক আচহুৱা ঘৃণাৰ চাৱনি। তাইৰ ভয় লাগিল।

"বহুত ধন্যবাদ। তুমি 'ৰেচাইন' বৰ ভালকৈ পঢ়া।" তাই কোমল কণ্ঠেৰে ক'লে।

"তুমি যিমান ভালকৈ শুনা সিমান ভালকৈয়ে।"

কৰ্কশ কণ্ঠেৰে ক্লিফোৰ্ডে কনিক ক'লে। আকৌ সুধিলে, "তুমি কি চিলাই কৰি আছা?"

"মই এটা কেঁচুৱাৰ চোলা চিলাই কৰি আছো। মিছেছ্ ফ্লিন্টৰ কেঁচুৱাটোৰ কাৰণে।"

মুখখন আনফালে ঘূৰালে ক্লিফোৰ্ডে। কেঁচুৱা! কেঁচুৱা! এইটো এটা মনৰ ভ্ৰম হৈছেগৈ।

কনিক উদ্দেশ্যি জোৰদি তেওঁ ক'লে, "যিয়েই হওক, ৰেচাইন'ৰ পৰাই বিচৰা সকলোখিনি পাব পাৰি। সুসংবদ্ধ আৱেগ যাক এটা সুন্দৰ গঠন দান কৰা হৈছে, সেইটোহে প্ৰয়োজনীয়। বিশৃংখল আৱেগ নিষ্প্ৰয়োজন।"

তাই বিস্ফোৰিত চকুৰে তেওঁলৈ চাই ক'লে, "হয়, সেইটো মই জানো।"

"আধুনিক বিশ্বই লেকাম এৰি দি আৱেগক অশ্লীল কৰি তুলিছে। আমাক প্ৰয়োজন হৈছে ৰীতি-নীতিৰে বন্ধা সংযমৰ।"

"হয়।" কনিয়ে শলাগিলে। "এই আদৰ্শবোৰ ৰেডিঅ'ৰ বলকনিৰ পৰাই সংগ্ৰহ কৰা। মানুহ আৱেগ-অনুভূতি থকাৰ ভাও দিয়ে, কিন্তু তেওঁলোকে একো অনুভৱেই নকৰে। বোধহয় তাকে ৰোমাণ্টিক বুলি কয়।"

"ঠিক সেইটোৱেই।" তেওঁ ক'লে।

প্ৰকৃততে তেওঁ ক্লান্ত। আজিৰ সন্ধিয়াটোৱে তেওঁক বৰ আমনি দিলে। তেওঁ কাৰিকৰি কিতাপবোৰ পঢ়া হ'লেই ভাল আছিল। নাইবা পিট-মেনেজাৰৰ লগতে কিবা আলোচনা কৰিব পাৰিলেহেঁতেন বা সেইবোৰ একো নকৰি ৰেডিঅ' শুনাই ভাল আছিল।

মিছেছ্ বল্টনে দুগিলাচ বাৰ্লি দিয়া গাখীৰ লৈ সোমাই আহিল। এগিলাচ ক্লিফোৰ্ডৰ কাৰণে টোপনি ভাল হ'বলৈ আৰু আন গিলাচ মেদ বঢ়াবলৈ কনিৰ কাৰণে। মিছেছ্ বল্টনে প্ৰয়োগ কৰা এইটো হ'ল দৈনিক নৈশ পানীয়।

কনিয়ে সেই গিলাচ খাই আঁতৰিবলৈ পাই ভাল পালে লগতে আৰু ভাল পালে ক্লিফোৰ্ডক যে বিছনালৈ তাই নিবলগা নহ'ল। তাই গিলাচটো ল'লে আৰু পুনৰ ট্ৰেখনত থৈ বাহিৰত থ'বলৈ বুলি ওলাই আহিল।

"গুড্ নাইট ক্লিফোৰ্ড। টোপনি ভাল হওক। 'ৰেচাইন'টো এটা ধুনীয়া সপোনত পৰিণত হওক। শুভৰাত্ৰি।"

আজি নিশা তাই চুমা নোখোৱাকৈয়ে এখোজ দুখোজকৈ দুৱাৰৰ ফালে আগবাঢ়িল। তেওঁ তাইক তীক্ষ্ণ, শীতল চকুৰে নিৰীক্ষণ কৰিলে। তাই আজি তেওঁক চুমা নোখোৱাকৈয়ে গুচি গৈছে, য'ত তেওঁ গোটেই সন্ধিয়াটো তাইক পঢ়ি শুনায়ে কটালে। বৰ কাঠচিতিয়া তাই। চুমা খালেও সেইটো এটা নিয়মহে কৰিলেহেঁতেন। কিন্তু এইবোৰৰ ওপৰতে জীৱনটো প্ৰতিষ্ঠিত। প্ৰকৃততে তাই এজনী বলচেভিক। তাইৰ প্ৰবৃত্তিটোৱেই বলচেভিকৰ। তেওঁ থৰ হৈ শীতলভাৱে আৰু খঙেৰে তাই দুৱাৰ ডলি পাৰ নোহোৱালৈকে চায়ে থাকিল। খঙেৰে। আকৌ নিশাৰ ভয়াবহতাই তেওঁক গিলি পেলালে। যেতিয়া তেওঁৰ হাতত কোনো কাম নাথাকে বা ৰেডিঅ' নুশুনে তেওঁ তেতিয়া ক্লীব হৈ পৰে। নানা তৰহৰ চিন্তাই আগুৰি ধৰে আৰু এটা সম্ভাব্য ভয়ানক শূন্যতাই তেওঁক খুলি খুলি খায়। তেওঁৰ ভয় লাগে। কনিয়ে ইচ্ছা কৰিলে সেই ভয় দূৰ কৰিব পাৰে। কিন্তু দেখদেখকৈ তাই সেয়া নকৰে। তাই কঠুৱা আৰু শীতল। আৰু তেওঁ তাইৰ কাৰণে যিয়েই নকৰক সেইবোৰৰ প্ৰতি তাই নিষ্ঠুৰভাৱেই প্ৰদৰ্শন কৰে। তেওঁৰ জীৱনটো তাইৰ বাবেই অৰ্পণ কৰিছে অথচ তেওঁৰ প্ৰতি তাই নিৰুদ্বেগ। তাই কেৱল নিজৰ মতেহে চলে। নাৰীয়ে নিজৰ ইচ্ছাকহে ভাল পায়। প্ৰাধান্য দিয়ে।

এতিয়া তাই কেঁচুৱাৰ বাবে পাগল। যাতে তাইৰ হয়, কেৱল তাইৰ। তেওঁৰ নহয়।

ক্লিফোৰ্ড যথেষ্ট স্বাস্থ্যবান আৰু বিবেচক। তেওঁ দেখনিয়াৰ আৰু পকা থেকেৰাৰ দৰে। তেওঁৰ কান্ধ দুখন বহল আৰু শক্তিশালী, বুকুখন গভীৰ। দেহত মেদ জমা হৈছে। তথাপিও তেওঁ মৃত্যুভয়ত শংকিত। কিবা এটা ভয়ানক বিক্ততাই তেওঁক অশান্তি দি আছে। এক শূন্যতা। এই শূন্যতাই তেওঁৰ শক্তি শেষ কৰি দিব। তেওঁ

কেতিয়াবা অনুভৱ কৰে, যেন তেওঁৰ শক্তি নিঃশেষ হৈ তেওঁ মৰি গৈছে। প্ৰকৃততে মৃত।

অন্যথা তেওঁৰ আকৰ্ষণীয় চকুযুৰি শেঁতাপৰা, পলৰীয়া, কিছু নিষ্ঠুৰ, অতি শীতল আৰু একেসময়তে অবাধ্য। দৃষ্টিকটুভাৱে অবাধ্য। জীৱন থকা সত্ত্বেও জীৱনক ভয় কৰিছে। ঈশ্বৰৰ ইচ্ছাকনো কোনে বুজিব পাৰে— ইয়াক দেৱদূতেহে জয় কৰিব পাৰে।

কিন্তু তেওঁ শংকিত হয় সেইবোৰ নিশালৈ, যিবোৰ নিশাত তেওঁৰ টোপনি নধৰে। তেতিয়া ই অতি ভয় লগা হৈ পৰে আৰু তেওঁ সকলোফালৰ পৰাই নিঃশেষ হৈ আহে। কোনোধৰণৰ ব্যস্ততা নথকাকৈ জীৱন অতিবাহিত কৰাটো পৈশাচিক, জীৱনবিহীন।

এতিয়া তেওঁ মিছেছ্ বল্টনক বে'ল বজাই মাতিব পাৰে আৰু তেওঁ আহিবই। সেইটো এটা বৰ ডাঙৰ সকাহ। আইভিয়ে ড্ৰেচিং গাউনটো পিন্ধি আহে। বেণীডাল পিঠিলৈকে পৰা। ছোৱালী ছোৱালী ভাব এটা থকা। অৱশ্যে বেণীডালত ৰূপালী আঁচ টনা। তাই তেওঁক কফি বা চাহ বনাই দিয়ে আৰু তেওঁৰ লগত বহি দবা বা পিকেট খেলিবলৈ বহে। এই খেলবোৰত তাইৰ সাধাৰণতে মাইকী মানুহৰ থকা কিছুমান বিশেষ দক্ষতা আছে। আনকি দবা খেলটো। যেতিয়া তাই মানুহজনী আধা শুয়ো থাকে তেতিয়াও তাইক হৰুৱাটো ইমান সহজ নহয়। নিশাৰ নীৰৱ নিবিড়তাৰ মাজত দুয়ো বহি থাকে। মাজে মাজে ক্লিফোৰ্ডে বিছনাত বাগৰি থাকিও খেলি থাকে। কেৱল টেবুল লেম্পটোৰ পোহৰত। তাই হৈ পৰে নিচাসক্ত আৰু এক নাম নজনা ভয়ে ক্লিফোৰ্ডক হেঁচি ধৰি থাকে। মাজে মাজে বিস্কুটৰ সৈতে চাহ খায়। নিশাৰ নিস্তব্ধতাত দুয়ো দুয়োৰে ওচৰত প্ৰতিশ্ৰুতিবদ্ধ।

সেই নিশা আইভি বল্টনে ভাবিবলৈ ধৰিলে, কোন হ'ব পাৰে লেডী চেটাৰ্লিৰ প্ৰেমিক। লগতে মনত পৰিল প্ৰয়াত স্বামী টেডৰ কথাও। ইমান দিনৰ আগতেই টেড ঢুকাল যদিও তাইৰ এনে লাগে টেড জীয়াই আছে। লগে লগে তাইৰ মালিকৰ বিৰুদ্ধে পুৰণি প্ৰতিশোধৰ ভাবটোৱে উক্ দিলে। মালিকগোষ্ঠী তেওঁক হত্যা কৰিলে। প্ৰকৃততে সিহঁতে তেওঁক প্ৰত্যক্ষভাৱে হত্যা কৰা নাছিল। কিন্তু তাই আবেগিকভাৱে ভাবিলে সিহঁতেই হত্যা কৰা যেন লাগে। সেইবাবেই তাইৰ দেহৰ কোনোবাখিনিৰ নাস্তিকতাই থিতাপি লয় আৰু গুৰু-গোসাঁই মানিবলৈ মন নোযোৱা হয়।

অৰ্ধনিদ্ৰিত অৱস্থাত টেডৰ চিন্তা আৰু লেডী চেটাৰ্লিৰ অজান প্ৰেমিকৰ চিন্তাৰ সংমিশ্ৰণ ঘটে আৰু তেতিয়াই ক্লিফোৰ্ডৰ প্ৰতি এটা বিদ্বেষৰ ভাবে তাইৰ মনত ক্ৰিয়া কৰিবলৈ ধৰিলে। কিন্তু একে সময়তে তাই ক্লিফোৰ্ডৰ সৈতে পিকেট খেলিয়ো আছে আৰু বাজী ৰাখিছে ছয়পেনিৰ।

তেওঁলোকে সদায় তাচ খেলোঁতে জুৱা হিচাপেই খেলে। তেতিয়াহে তেওঁ নিজকে

পাহৰিব পাৰে আৰু প্ৰায়ে তেৱেঁই জিকে। হাৰিলেও মিছেছ্ বল্টনৰ বেয়া নালাগে। কাৰণ এজন বেৰণৰ সৈতে তাই খেলাৰ গৌৰৱ অৰ্জন কৰিছে। আজিও ক্ৰিফোৰ্ডেই জিকিল। গতিকে আজি পুৱাৰ প্ৰথম ৰেণ্ডণি নেদেখা পৰ্যন্ত তেওঁ নোশোৱে। ভাগ্যক্ৰমে ই আজি চাৰেচাৰিটা বজাতে দেখা দিলে।

সেই নিশাটোত কনিয়ে গভীৰ নিদ্ৰাত ঢলি পৰিল। আনহাতে মেলৰ্চে শান্তিৰে থাকিব নোৱাৰিলে। সি গড়ালকেইটা বন্ধ কৰি বননিখনত বাধ্যতামূলক পাক এটা মাৰি আহিলগৈ। তাৰপিছত ঘৰলৈ গৈ খোৱা-বোৱা কৰিলে। কিন্তু তাৰপিছত সি বিছনালৈ নগৈ জুহালৰ কাষত বহি চিন্তা কৰিবলৈ ধৰিলে।

তেভাৰচালত কটোৱা তাৰ ল'ৰালিকালৰ কথা আৰু পাঁচ-ছয় বছৰৰ বিবাহিত জীৱনৰ কথা ভাবিবলৈ ধৰিলে। ঘৈণীয়েকৰ কথা মনত পৰিল আৰু লগতে মনত পৰিল সেই চিৰন্তন তিক্ততাৰ কথা। বৰ নিষ্ঠুৰ আছিল তাই। ১৯১৫ চনৰ পাছৰে পৰা সি অৱশ্যে তাইক দেখাই নাই। যদিও সিহঁত মাত্ৰ তিনি মাইল দূৰত্বৰ ব্যৱধানত বাস কৰে। তাৰ জীৱনকালত তাইক আৰু চাবলৈ তাৰ অকণো মন নাই। তাই বৰ নিষ্ঠুৰ।

সি বিদেশত কটোৱা তাৰ সৈনিক জীৱনৰ কথাও সোঁৱৰিলে। ভাৰত, ইজিপ্ত তাৰপিছত আকৌ ভাৰতত। নভবা-নিচিন্তাকৈ যোগ দিয়া অশ্বাৰোহীৰ সেই অন্ধকাৰ জীৱন। তাক ভালপোৱা কৰ্ণেলজনৰ কথা, যিজনক সিয়ো ভাল পাইছিল। কেইবাবছৰো বিষয়া হৈ থাকিল; এজন লেফটেনেণ্টৰ পৰা কেপ্তেইন হোৱাৰ সম্ভাৱনা তাৰ আছিল। কিন্তু হঠাতে লেফটেনেণ্টজনৰ নিউমোনিয়াত মৃত্যু ঘটে আৰু তাৰো আশাত চেঁচাপানী পৰে। কোনোমতে তাৰো জীৱন ৰক্ষা আৰু স্বাস্থ্যৰ অৱনতি। তাৰ গভীৰ অস্থিৰতা। সৈনিকৰ চাকৰিৰ পৰা ওলাই আহি ইংলেণ্ডলৈ প্ৰত্যাৱৰ্তন আৰু একেবাৰে সৰ্বসাধাৰণৰ দৰে জীৱন-যাপন, এটা নিতান্তই সাধাৰণ চাকৰি।

সি অৱস্থা অনুসৰি জীৱন অতিবাহিত কৰিছিল। সি এই বননিত তাৰ জীৱন সুৰক্ষিত বুলি ভাবিছিল। অন্ততঃ কিছুদিনৰ বাবে। এতিয়াও চিকাৰৰ সময় হোৱা নাই। গতিকে সি চৰাইকেইটা ডাঙৰ কৰিবই লাগিব। চিকাৰৰ বাবে তাৰ হাতত বন্দুক নাই।

সি সমাজৰ পৰা দূৰৈত অকলশৰীয়াকৈ আছে আৰু সেইটোৱে তাৰ কাম্য। তাৰোতো কিবা এটা ব্যক্তিগত বুলি আধাৰ থাকিব লাগিব। সি ইয়াৰেই মানুহ, তাৰ মাকো ইয়াতে আছে কিন্তু তাৰ ওচৰত মাকৰ গুৰুত্ব একেবাৰে নাই। এদিন এদিনকৈ দিনবোৰ শেষ কৰি সি তাৰ জীৱন অতিবাহিত কৰিব লাগিব। কাৰো সৈতে একো সম্পৰ্ক নৰখাকৈ আৰু কোনো আশা মনত পুহি নৰখাকৈ। কিয়নো সিনো আচলতে কি কৰিবলৈ ওলাইছে বা কি হ'বগৈ সি নিজেই নাজানে।

তাৰ ভৱিষ্যতক লৈ তাৰ কোনো আঁচনি নাই। কিছুবছৰ বিষয়া হৈ থাঁকোতে সি আন বিষয়াবৰ্গ, সামৰিক বা অসামৰিক আৰু তেওঁলোকৰ পৰিয়ালক লগ পাইছিল।

তেতিয়াৰে পৰা জীৱনৰ প্ৰতি মোহ তাৰ নোহোৱা হ'ল। এই জীৱন বৰ লিকটিয়া। ৰবৰৰ দৰে অদ্ভুত ধৰণেৰে লিকটা। জীৱন-ধাৰণৰ অনুপযোগী। মধ্যবিত্ত আৰু উচ্চ শ্ৰেণীৰ জীৱন-শৈলীৰ বিষয়ে সি যিমানদূৰ জানে, সেই ধাৰণাবোৰে তাক উৎসাহহীন আৰু শীতল কৰি তোলে। সিহঁতৰ পৰা তাক আঁতৰাই আনে।

গতিকে সি নিজৰ শ্ৰেণীলৈ উভতি আহিছে। সেই বিষয়া হৈ থকা বছৰবোৰত এই মধ্যবিত্ত বা উচ্চ শ্ৰেণীৰ চাল-চলনৰ সংকীৰ্ণতা আৰু অশ্লীলতাৰ অভিজ্ঞতাবোৰ বৰ আমনিলগা আছিল। সেয়ে সি নিজৰ সমাজৰ পাহৰি যোৱাখিনি বিচাৰি আকৌ উভতি আহিছে। জীৱনত চাল-চলনৰ গুৰুত্ব কি সি এতিয়া বুজি পাইছে। সি স্বীকাৰ কৰিছে যে জীৱনৰ খুঁটি-নাটিবোৰ লক্ষ্য নকৰাৰ ভাও জোৰাটোও বৰ আৱশ্যকীয়। কিন্তু সৰ্বসাধাৰণে এইবোৰ ভাও নধৰে। বস্তু কিনোতে দুই-এটকাৰ বেছি খৰচ কৰাটোক, ধৰ্মীয় ৰীতি-নীতিৰ সাল-সলনিতকৈয়ো বেছি গুৰুত্ব দিয়াটো তাৰবাবে অসহ্যকৰ।

তাৰ বাহিৰেও দৰমহাক লৈ চিএৰ-বাখৰ, তৰ্ক-বিতৰ্কবোৰ আছেই। আৰ্জিত শ্ৰেণীৰ মাজত থাকি সি গম পাইছিল যে দৰমহাক লৈ বাক্-বিতণ্ডাবোৰৰ কেতিয়াও ওৰ নপৰে। কোনো সমাধান নাই এই মৃত বিষয়বোৰৰ। বুধিয়কৰ কাম হৈছে এইবিলাকলৈ আওকাণ কৰা।

হঠাতে সি তাৰ বন্দুক আৰু টুপীটো ল'বলৈ বহাৰ পৰা উঠিল। কুকুৰটোক ক'লে, "লাচ, ব'ল। আমি বাহিৰলৈ যোৱাই ভাল।"

এটা চন্দ্ৰমাহীন তৰালি নিশা। সি লাহে লাহে, সাৱধানে খোজ দি হাতত সাৰে ভৰিত সাৰে আগবাঢ়িবলৈ ধৰিলে। বিপদৰ সন্মুখীন হ'বলগীয়া বস্তুটো হৈছে কনুৱাবোৰে শহা ধৰিবলৈ পতা ফান্দ। বিশেষকৈ মাৰেহেইৰ ফালৰ ষ্টকচগেইটৰ শ্ৰমিকবোৰে পতা ফান্দবোৰ। এতিয়া অৱশ্যে পোৱালি জগাবৰ সময় হৈছে বুলি কনুৱাবোৰেও জানে। যি কি হওক সি যে এই বননিখনত এপাক মাৰিলে, তাৰ ফলত তাৰ উত্তেজনাৰ কিছু উপশম ঘটিল। আৰু মনটো বেয়া চিন্তাবোৰৰ পৰা আঁতৰি আহিল।

কিন্তু এই পাঁচ মাইলমানৰ পাকটো মাৰি তাৰ ভাগৰ লাগিল। সি টিলাটোত উঠি চাৰিওফালে চালে। ষ্টকচগেইটৰ অবিৰত খচ খচ শব্দবোৰ ইয়ালৈকে ভাহি অহাক কোনেও ৰুধিব নোৱাৰে। ঠিক তেনেদৰে উজ্জ্বল বিজুলী-বাতিবোৰক একোৱে ঢাকিব নোৱাৰে। কুঁৱলীৰে ঢকা অন্ধকাৰ পৃথিৱীখন নিদ্ৰামগ্ন। আঢ়ৈ বাজিছিল। নিদ্ৰাৰ কবলত থাকিলেও তেতিয়াও কিন্তু পৃথিৱীখন নিঠুৰ আৰু আচহুৱা। ৰাস্তাৰে যোৱা লৰিৰ শব্দ আৰু ৰেলৰ শব্দ আৰু তাৰ মাজে মাজে ফাৰনেচবোৰৰ পৰা ওলোৱা গুলপীয়া বিজুলিৰ দৰে চমকনিয়ে জিলিকাই তুলিছে এই পৃথিৱী। এই পৃথিৱীখন লোহা আৰু কয়লাৰ পৃথিৱী। লোহাৰ নিষ্ঠুৰতা, কয়লাৰ ধোঁৱা আৰু সীমাহীন লোভেই এই পৃথিৱীৰ চলন্তিকা শক্তি। নিদ্ৰাৰ মাজতো সজাগ হৈ আছে লোভ।

ঠাণ্ডাত সি কঁপিছিল। চেঁচা বতাহ এজাক টিলাটোৰ ওপৰেৰে পাৰ হৈ গৈছিল। সি তাইৰ কথা মনত পেলালে। এতিয়া তাই তাৰ ওচৰত থকা হ'লে সি যিমান পাৰে সকলোখিনিয়েই দিলেহেঁতেন। অন্ততঃ দুবাহুৰ মাজত লৈ গৰম কৰি দিলেহেঁতেন আৰু একেখন কম্বলৰ তলত শুই থাকিলেহেঁতেন। চিৰকালৰ সকলো আশা আৰু অতীতত অৰ্জন কৰা সকলো লাভাংশ তাইক দি দিলেহেঁতেন আৰু একেখন কম্বলতে মেৰ খাই দুয়ো শুলেহেঁতেন। কেৱল শুলেহেঁতেন। এনে লাগিছে যেন তাইৰ দুবাহুৰ বন্ধনত শুই পৰাটোৱে বৰ্তমান একমাত্ৰ প্ৰয়োজন।

সি জুপুৰীটোলৈ গৈ কম্বলখন গাত লৈ মজিয়াত শুবলৈ চেষ্টা কৰিলে। কিন্তু ঠাণ্ডাত শুব নোৱাৰিলে। তাৰোপৰি তাৰ নিজৰ অসমাপ্ত কাৰ্যবিলাকৰ বাবে তাৰ নিজৰ ওপৰতে খং উঠিল। তাৰ অকলশৰীয়া জীৱনটোত একো এটা সমাধান নুলিওৱাৰ বাবে তাৰ নিজকে বৰ নিষ্ঠুৰ যেন লাগিল। পৰিপূৰ্ণ ক্ষণ এটাত তাইক লগ পাবলৈ, চুবলৈ আৰু জোৰকৈ সাবটি ধৰি শুই থাকিবলৈ তাৰ খুব ইচ্ছা গ'ল।

সি উঠি আকৌ পাৰ্কখনৰ গেইটৰ ফালে ওলাই গ'ল। তাৰ পিছত লাহে লাহে তাইৰ ঘৰৰ ফালৰ ৰাস্তাৰে সি আগুৱালে। তেতিয়া প্ৰায় চাৰিমান বাজিছিল। তেতিয়াও বৰ ঠাণ্ডা আৰু নিস্তব্ধ। ৰাতিটো পুউৱাৰ কোনো চিনেই নাই। সি আন্ধাৰত অভ্যস্ত আৰু দেখাও পায়।

লাহে লাহে প্ৰকাণ্ড ঘৰটোৱে তাক চুম্বকৰ দৰে আকৰ্ষণ কৰিবলৈ ধৰিলে। সি তাইক ওচৰতে বিচাৰে। এয়া কোনো আকাংক্ষা নহয়। এয়া হৈছে অসম্পূৰ্ণ নিঃসংগতাৰ নিষ্ঠুৰ দংশন; যাৰ প্ৰতিকাৰ ৰূপে লাগে দুবাহুৰ মাজত এগৰাকী নীৰৱ নাৰীক। সি হয়তো তাইক বিচাৰি উলিয়াব পাৰিব। কিজানি তাইকেই তাৰ ওচৰলৈ মাতি আনিব পাৰি। কিবা প্ৰকাৰে তাইক বিচাৰি উলিয়াবই লাগিব। কাৰণ প্ৰয়োজনৰ হেঁচা বৰ বেছি।

সি লাহে লাহে ৰাগবি হলৰ ফালৰ ঢাপটো বগাই উঠিল। তাৰ পিছত সি টিলাটোৰ ওপৰৰ ডাঙৰ ডাঙৰ গছকেইজোপাৰ কাষেৰে গাড়ী যোৱা পথটোৰ ফালে গ'ল। এই পথটো ধুনীয়া আকৃতিত কাটি থোৱা ঘাঁহনি এড়ৰাৰ কাষেৰে প্ৰৱেশ পথৰ ওচৰলৈকে গৈছে। ঘৰটোৰ সম্মুখত এডৰা সমতল ঘাঁহনিৰ মাজত দুডাল বৰ সুন্দৰ বিচ্ছ গছ— আন্ধাৰতো সগৌৰৱে অকলশৰে থিয় দি আছে।

ঘৰটো দেখা গৈছে। বেছি ওখ নহয়। দীঘলীয়া। ইমান সহজতে ঘৰটো দেখা পোৱা নাযায়। তলৰ মহলাত লাইট এটা জ্বলি আছে। সেইটোৱে ছাৰ ক্লিফোৰ্ডৰ কোঠা। কিন্তু দুৰ্বল এনাজৰীৰ আনটো মূৰত ধৰি তাক নিৰ্দয়ভাৱে টানি থকা সেই মানুহজনীৰ কোঠা কোনটো সি নাজানে।

সি হাতত বন্দুকটো লৈ আৰু অলপ ওচৰলৈ গৈ বাটটোৰ মাজতে নিথৰ হৈ ৰৈ

ঘৰটোলৈ চাই থাকিল। সি কিজানি এতিয়াও তাইক কিবা প্ৰকাৰে বিচাৰি উলিয়াব পাৰিব। ঘৰটো দুৰ্ভেদ্য নহয় আৰু সি চোৰৰ দৰে টেঙৰ। তাইক লগ পোৱাৰ চেষ্টা নকৰিব কিয়?

লাহে লাহে ৰাতিপুৱাব ধৰিছে আৰু সি নিথৰ হৈ ৰৈ আছে। ঘৰৰ জ্বলি থকা লাইটটো সি নুমুৱা দেখিলে। কিন্তু মিছেছ্ বল্টন যে খিৰিকিৰ কাষলৈ আহিছে সেয়া সি দেখা নাপালে। মিছেছ্ বল্টনে গাঢ় নীলা পাতল পৰ্দাকেইখন কোঁচাই আন্ধাৰ কোঠাটোত ৰাতিপুৱাবলৈ থিয় হৈ ৰৈ আছিল। পুৱা পোহৰ হোৱাৰ লগে লগে ক্লিফোৰ্ড টোপনি যাব আৰু সেই মুহূৰ্তলৈকে তাই ৰৈ আছে।

তাই টোপনি গধুৰ চকুৰ পতাৰে থিয় দি আছে। হঠাতে তাই উচপ খাই চিঞৰ এটা মাৰি দিলে। গাড়ী যোৱা পথটোত মানুহ এটা থিয় দি আছে। এই দোকমোকালিত এটা ক'লা শৰীৰ। ভয়ে ভায়ে তাই চালে কিন্তু ছাৰ ক্লিফোৰ্ডৰ অসুবিধা হ'ব বুলি আৰু একো শব্দ নকৰিলে। আইভিয়ে বন্দুকটো, কোটটো চিনি পালে— এইটো ৰখীয়াটোৱেই হ'ব। হয়, কাৰণ কুকুৰ এটাই ছাঁ-টোৰ দৰে কিবা শুঙি ফুৰিছে আৰু তাৰ কাৰণেই ৰৈ আছে। হয় ই অলিভাৰ মেলৰ্চ। ই কি বিচাৰিছে? ঘৰখনক জগাবলৈ আহিছে নেকি? সি কিয় থৰ হৈ ঘৰটোৰ ফালে চাই ৰৈ আছে? যেন প্ৰেমাসক্ত মতা কুকুৰ এটা মাইকীজনীৰ বাবে বাহিৰত ৰৈ আছে।

আচ্ছা!

মিছেছ্ বল্টনৰ দেহৰ মাজেদি গুলি এটাৰ দৰে বুজি পোৱাৰ পোহৰ এছাটি পাৰ হৈ গ'ল। ইয়েই লেডী চেটাৰ্লিৰ প্ৰেমিক।

ভাবিবই নোৱাৰি। কিন্তু কিয়? তায়ো এসময়ত ইয়াৰ প্ৰেমত পৰিছিল। তেতিয়া সি যোল্ল বছৰীয়া ল'ৰা আৰু আইভি ছাব্বিশ বছৰীয়া মহিলা। তাই তেতিয়া পঢ়ি আছিল আৰু তাইক 'এনাটমী' আৰু তাইক দৰকাৰ হোৱা বহুত কথাই শিকাইছিল। বৰ চোকাবুদ্ধিৰ ছাত্ৰ আছিল সি। ফৰাচী ভাষা সি জানে। চেফিল্ডৰ গ্ৰামাৰ স্কুলৰ পৰা সি বৃত্তি পাইছিল। কিন্তু পিছলৈ সি ঘোঁড়াৰ খুৰাত লোহা লগোৱা কমাৰ হৈছিলগৈ কাৰণ সি ঘোঁড়া খুব ভাল পোৱা বুলি কৈছিল। কিন্তু যিহেতু সি ঘৰৰ বাহিৰলৈ গৈ বহিঃবিশ্বৰ সন্মুখীন হ'বলৈ ভয় কৰিছিল, সেইবাবেই সি ঘোঁড়া ভালপোৱাৰ কথা কাকো নকৈছিল।

কিন্তু সি বৰ ভাল ল'ৰা আছিল। তাইক বহুত সহায় কৰিছিল। কথাবোৰ আনে বুজি পোৱাকৈ সহজ কৰাত সি পাকৈত আছিল। সি ছাৰ ক্লিফোৰ্ডতকৈয়ো বেছি বুধিয়ক আৰু মাইকী মানুহৰ ক্ষেত্ৰত আন মতা মানুহবোৰতকৈ বেছি বুধিয়ক আছিল।

সি আইভিৰ পৰা আঁতৰি অহাৰ পাছত বাৰ্থা কউটচক বিয়া পাতে। যেন নিজকে শাস্তি দিবলৈহে। কিছুমান মানুহে বিয়া পাতে নিজৰ ওপৰত আখেজ পূৰাবলৈ। কাৰণ সিহঁত কিবা কাৰণত নিজৰ ওপৰত অসন্তুষ্ট। আৰু আচৰিত হ'বলগীয়া কথাও নহয়।

কাৰণ ইয়ো এটা জীৱনৰ বিফলতা। কেইবা বছৰ ধৰি সি যুদ্ধত ব্যস্ত আছিল। এজন লেফটেনেণ্ট; এজন পুৰাপুৰি ভদ্ৰলোক। তাৰপিছত তেভাৰচাললৈ আহি হ'লগৈ এটা খেলৰ চৰাই ৰখীয়া। শেনচোৰা। সঁচাকৈয়ে কিছুমান মানুহে সুযোগ আহিলেও তাক হেৰুৱায় আৰু সি ডাৰ্বিচায়াৰৰ ভাষাত কথা কয়, অথচ সি ভদ্ৰলোকৰ দৰে কথা ক'ব পাৰে।

এতিয়া লেডী চেটাৰ্লি তাৰ প্ৰেমত পৰিল। কিন্তু লেডী চেটাৰ্লিয়েই প্ৰথম নহয় যি তাৰ প্ৰেমত পৰিছে। তাৰ কিবা এটা বিশেষ আকৰ্ষণ আছে। ভাবিলে কেনেকুৱা লাগে? এটা তেভাৰচালত জন্ম হৈ তাতেই ডাঙৰ-দীঘল হোৱা ল'ৰা আৰু ৰাগবি হলৰ মালিকনী। কি ক'ম। উচ্চ ক্ষমতাশালী চেটাৰ্লি বংশৰ গালত এটা প্ৰচণ্ড চৰ।

পোহৰ হৈ অহাৰ লগে লগে সি বুজি উঠিল এতিয়া আৰু লাভ নাই। তাৰ নিঃসংগতা দূৰ কৰিবলৈ এতিয়া আৰু সি একো কৰিব নোৱাৰে। গোটেই জীৱনজুৰি এই নিঃসংগতাকে আঁকোৱালি ধৰি থাকিব লাগিব। সময়। সেই সময়লৈকে অপেক্ষা কৰিব লাগিব। যেতিয়া নিঃসংগতা আঁতৰাৰ সময় সমাগত হ'ব। বলেৰে তাক আঁজুৰি আনিব নোৱাৰি।

মুহূৰ্তৰ যি ৰক্তাক্ত কামনাই তাক তাইৰ পিনে টানি আনিছিল সেই কামনা এতিয়া চূৰমাৰ হৈ গ'ল। সিয়ে এই কামনাক চূৰমাৰ কৰি দিলে, কাৰণ কৰিবই লাগিব। এই সময় দুয়োৰে বাবে একেলগে আহি পৰিব লাগিব। যদি তাই নিজে তাৰ ওচৰলৈ নাহে, তেন্তে সি তাইক আৰু বিচাৰি নুফুৰে। এইটো উচিত নহ'ব।

চিন্তাসিক্ত গধুৰ মনেৰে সি উভতিবলৈ সাজু হ'ল। নিঃসংগতাক লগৰী কৰি। আইভিয়ে দেখিলে সি বৰ দুখমনেৰে বাট বুলিছে। কুকুৰটোৱে তাৰ পিছে পিছে লৰ ধৰিছে।

"হয়, হয়," তাই কৈ উঠিল। সিয়েই একমাত্ৰ পুৰুষ নহয় যাৰ কথা ভাবি ভাবি মই জীৱন পাৰ কৰিছো। টেডক হেৰুৱাৰ পাছত সি এটা চেঙেলীয়া ল'ৰা আছিল, যিয়ে মোক টেডক হেৰুৱাৰ যন্ত্ৰণাৰ পৰা সকাহ দি আছিল। ঠিক আছে বাৰু। কিন্তু ক্লিফোৰ্ডে যেতিয়া গম পাব তেতিয়া কি হ'ব বাৰু!

আইভিয়ে বিজয় গৰ্বেৰে ইতিমধ্যে শুই পৰা ক্লিফোৰ্ডলৈ চালে আৰু লাহে লাহে কোঠাটোৰ পৰা ওলাই আহিল।

একাদশ অধ্যায়

এগালমান লাংখালিংখি বস্তুৰে দ'ম হৈ থকা কোঠালি এটা এদিন ঠিক-ঠাক কৰিবলৈ বুলি কনি ভিতৰ সোমাল। চেটাৰ্লি পৰিয়ালৰ উপৰিপুৰুষে বস্তু কিছুমান কিনি কিনি কোঠালিবোৰ ভৰাই পেলাইছিল, যিবোৰ বিক্ৰি কৰাৰ কথা কোনোদিনে নোলাইছিল। সেই বস্তুবোৰৰ ভিতৰত আছিল কিছুমান ছবি, ফাৰ্ণিচাৰ আদি। ছাৰ জিঅ'ফ্ৰেৰ দেউতাকে ছবি সংগ্ৰহ কৰি ভাল পাইছিল, সেইদৰে মাকে ভাল পাইছিল দামী আচবাব-পত্ৰ। ছাৰ জিঅ'ফ্ৰেই ওক গছৰ কাঠেৰে নিৰ্মিত চন্দুক পছন্দ কৰিছিল। ইফালে ক্লিফোৰ্ড হ'ল আধুনিক চিত্ৰকলাৰ ভক্ত। সেয়ে তেওঁ সস্তাতে পাই বহুত ছবি সংগ্ৰহ কৰি থৈছিল। কঁনিয়েও পুৰণি দিনৰ অদ্ভুত ধৰণৰ ছবিবোৰ ভাল পায়।

কোঠাটোৰ একোণত গোলাপৰ কাঠেৰে বনোৱা এখন কেঁচুৱা নিচুকাবলৈ ৰখা ঝুলনা বিছনা কাপোৰেৰে ভালকৈ ঢাকি থোৱা আছে। মোহগ্ৰস্থ মানুহৰ দৰে কনিয়ে ঝুলনাখনলৈ বহুত সময় একথিৰে চাই ৰ'ল। মিছেছ্ বল্টনে এটা হুমুনিয়াহ কাঢ়ি কৈ উঠিল, "কিযে দুখজনক কথা। এই ঝুলনাখন আৰু কেতিয়াও ব্যৱহাৰ নহয়। এইখন ইমান পুৰণি যদিও এতিয়াও বৰ ভাল হৈ আছে।"

কনিয়ে একেবাৰে খোকোজা নলগাকৈ লগে লগে ক'লে, "এদিন ব্যৱহাৰ হ'বও পাৰে। আমাৰ সন্তান হ'বও পাৰে।"

মিছেছ্ বল্টনে আচৰিত হৈ সুধিলে, "আপুনি কি ক'ব খুজিছে? ছাৰ ক্লিফোৰ্ড ভৱিষ্যতে এদিন সুস্থ হৈ উঠিব?"

"মই বৰ্তমানৰ কথাই কৈছো। ক্লিফোৰ্ডৰ পেশীগত পক্ষাঘাতে তেওঁৰ পুৰুষত্বক নষ্ট কৰা নাই।" ক্লিফোৰ্ডৰ ধাৰণাক সঞ্চাৰিত কৰিবলৈয়ে কনিয়ে এই কথাষাৰ ক'লে। তেওঁ এদিন কথাৰ মাজতে কৈছিল, "আমাৰ এতিয়াও সন্তান হ'ব পাৰে। মোৰ পুৰুষত্ব একেবাৰে নষ্ট হোৱা নাই। পক্ষাঘাতগ্ৰস্থ হ'লেও মোৰ প্ৰজনন ক্ষমতা কোনোবাদিনা ঘূৰি আহিব পাৰে আৰু তেতিয়াই মোৰ বীৰ্য কোনো নাৰীৰ গৰ্ভত সঞ্চাৰিত কৰিব পাৰিম।" ক্লিফোৰ্ডে এই কথাষাৰ গভীৰভাৱে চিন্তা কৰিয়ে কৈছিল। তেওঁ যেতিয়া বেচ উদ্যমেৰে খনিৰ কাম-কাজ চোৱা-চিতা কৰিছিল তেতিয়াই তেওঁৰ ভাব হৈছিল যে তেওঁৰ যৌন-ক্ষমতাও ঘূৰি আহিব। কনিয়ে কথাটো শুনি ভয় খাই উঠিছিল। তাৰ পাছতে তাই বুজি উঠিছিল যে ক্লিফোৰ্ডৰ এই কথাৰ অন্তৰালত এটা অৰ্থ লুকাই আছে। তাই ভাবি পালে যে ক্লিফোৰ্ডে ইয়াকে বুজাইছে যদি কনিয়ে কিবা

উপায়েৰে সন্তান ধাৰণ কৰে তেনেহ'লে সেই সন্তানৰ দায়িত্ব আৰু পিতৃত্ব ক্লিফোৰ্ডে স্বীকাৰ কৰি ল'ব। নিজ ঔৰসজাত নহ'লেও সেই সন্তান ক্লিফোৰ্ডৰেই হ'ব।

কনিৰ কথাটো শুনি অলপসময়ৰ বাবে স্তব্ধ হৈ পৰিল মিছেছ্ বল্টন। কথাষাৰ কোনোমতেই তেওঁ বিশ্বাস কৰিব পৰা নাই। অৱশ্যে আজিকালি ডাক্তৰবোৰে বহুত অসাধ্য সাধনো কৰিছে। কিন্তু তৎমুহূৰ্ত্তে তেওঁ কৈ উঠিল, "হয়, মেডাম, মই আশা কৰোঁ আৰু ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ আপোনাৰ এটি সন্তান হওক। আপোনাৰ নিজৰ কাৰণে আৰু সকলোৰে বাবেও ই বৰ ভাল কথা হ'ব। ৰাগবিৰ এই ঘৰত এটি কেঁচুৱাৰ জন্ম হ'লে বহুত কথাই সলনি হৈ পৰিব।"

কনিয়ে তেওঁৰ কথা শলাগিলে এইদৰে, "হয় নেকি?"

কনিয়ে এইবাৰ ষাঠি বছৰীয়া পুৰণি তিনিখন ছবি একাষৰীয়াকৈ উলিয়াই থ'লে। চৰ্টলেণ্ডৰ ডিউক পত্নীলৈ এইকেইখন পঠাব। তেওঁ এইবোৰ দাতব্য বজাৰত কমদামত বিক্ৰী কৰিব। ক্লিফোৰ্ডে কিন্তু এই ডিউক পত্নীক একেবাৰে দেখিব নোৱাৰে।

ইফালে মিছেছ্ বল্টনে মনে মনে ভাবিবলৈ ধৰিলে, "হায় লেডীশ্বিপ, তুমি অলিভাৰ মেলৰ্চৰ ঔৰসজাত সন্তানক গৰ্ভত ধাৰণ কৰিবলৈ প্ৰস্তুত হৈছা। হে ভগৱান! তাৰমানে ৰাগবিৰ ঝুলনাত শুবহি তেভাৰচালৰ ল'ৰা। কিযে লাজলগা কথা!"

পুৰণি বস্তু-বাহানিৰ মাজত ষাঠি-সত্তৰ বছৰ আগতে তৈয়াৰ কৰা এটা ক'লা কাঠৰ ডাঙৰ বাকচ কনিয়ে উলিয়ালে। বাকচটোৰ ঢাকনিখন খোলাৰ লগে লগে তাৰ ভিতৰত থকা কিতাপ, কলম, দোৱাত, চিলাই কৰা বস্তু, ছুৰি, কেঁচি, কাগজ আদি নানা তৰহৰ বস্তু দেখা গ'ল। বাকচটোৰ কাৰুকাৰ্য বৰ সুন্দৰ।

বাকচটো দেখাৰ লগে লগে এক মুগ্ধ বিস্ময়ত অবাক হৈ পৰিল মিছেছ্ বল্টন। তেওঁ কৈ উঠিল, "বাঃ কি ধুনীয়া! ইয়াৰ ভিতৰত ডাঢ়ি কটা ব্ৰাছ আৰু তিনিখন বঢ়িয়া কেঁচিও আছে দেখোন। পইচা দিলেও এনেকুৱা বস্তু কিনিবলৈ পোৱা নাযাব।"

কনিয়ে ক'লে, "হয় নেকি? তেনেহ'লে তুমিয়ে এইটো ৰাখি থোৱা।"

"নাই, নাই মেডাম। কি কৈছে আপুনি?"

"তুমি নিনিলে এইটো পৃথিবী ধ্বংস নোহোৱালৈকে ইয়াতে এনেদৰে অব্যৱহৃত হৈয়ে পৰি থাকিব। নহ'লে মই ডিউক পত্নীলৈ পঠাই দিম। কিন্তু তেওঁলৈ আৰু বহুত বস্তুৱে পঠোৱা হৈছে।"

মিছেছ্ বল্টনে ক'লে, "আপোনাক ধন্যবাদ জনোৱাৰ ভাষা মোৰ নাই।"

"ইয়াৰ কাৰণে তুমি আৰু একো ক'বলৈ চেষ্টা কৰিব নালাগে।"

কনিয়ে কথাষাৰ কৈ শেষ হোৱাৰ লগে লগেই মিছেছ্ বল্টনে কোনোমতে বাকচটো দাঙি নি সেই ঠাইৰ পৰা আঁতৰিল। অলপ সময়ৰ পাছতে ড্ৰাইভাৰ বেটচে মিছেছ্ বল্টনক তেভাৰচাল গাঁৱত নমাই দিলেগৈ। চুবুৰীয়া তিৰোতাবোৰে একেমুখে

বাকচটোৰ প্ৰশংসা কৰিলে। তাৰ পিছৰ পৰাই আৰম্ভ হ'ল লেডী চেটাৰ্লিৰ সন্তানক লৈ চেপা চৰ্চা আৰু জল্পনা-কল্পনাৰ। কেমিষ্টৰ পত্নী মিছেছ্ উইডনে ক'লে, "যিয়ে হওক, সন্তান জন্ম হ'লেও এই বিষয়ে বিস্ময়ৰ অৱকাশ নাথাকে।"

মিছেছ্ বল্টন এই বিষয়ে নিশ্চিত যে কেঁচুৱা যদি জন্ম হয় তেন্তে তাৰ আচল বাপেক মেলৰ্চেই হ'ব। সেইদিনাই অলপ দেৰিকৈ গাঁৱৰ ৰেক্টৰে আহি ক্লিফোৰ্ডক ক'লেহি, "আমি তেনেহ'লে ৰাগবিৰ উত্তৰাধিকাৰীৰ বাবে এতিয়াৰ পৰা আশা কৰিব পাৰোঁ, নহয় জানো? সকলো ঈশ্বৰৰ ইচ্ছা।"

তেওঁৰ দৰেই মাতষাৰত স্নেহ আৰু বিশ্বাস ঢালি ক্লিফোৰ্ডে কৈ উঠিল, "হয় হয়। আমি এইটো আশা কৰিব পাৰোঁ।"

আজিকালি ক্লিফোৰ্ডে বিশ্বাস কৰে সঁচাকৈয়ে তেওঁ এদিন পিতৃ হ'ব পাৰিব।

এদিন আবেলি লেচলি উইন্টাৰো ৰাগবিলৈ ফুৰিবলৈ বুলি আহি ওলাল। মানুহে তেওঁক অৱশ্যে স্কোৱেৰ উইন্টাৰ বুলিহে কৈ ভাল পায়। সত্তৰ বছৰীয়া, খীণদেহী এই বৃদ্ধ মূৰৰ পৰা ভৰিলৈকে ভদ্ৰলোক। তেওঁ নিষ্কলংক হৈয়ে থাকিব বিচাৰে। তেওঁ আহিয়ে ক্লিফোৰ্ডৰ সৈতে কয়লাখনিৰ বিষয়ে কথা পাতিবলৈ ধৰিলে। ক্লিফোৰ্ডে ভাবে যে তেওঁৰ খনিত পোৱা কয়লা গুণগত দিশত উন্নতমানৰ নহ'লেও সেইবোৰক কৃত্ৰিম উপায়েৰে টান কৰি বহুত সময় জ্বলাব পৰা কয়লালৈ ৰূপান্তৰিত কৰিব পৰা যাব। লেচলিয়ে সুধিলে, "কিন্তু তেনেকুৱা ইঞ্জিন ক'ত পোৱা যাব?"

ক্লিফোৰ্ডে ক'লে, "মই তাৰ ব্যৱস্থা নিজেই কৰিম। আৰু তাৰপৰা বিদ্যুৎ উৎপাদনো কৰিম।"

লেচলিয়ে ক্লিফোৰ্ডক প্ৰশংসা কৰি লগতে ক'লে, "এৰা, আমাৰ এতিয়া বয়সো বহুত হ'ল। মোৰ যদি ল'ৰা এটা থাকিলহেঁতেন, তেন্তে সিয়ো তোমাৰ দৰেই নতুন চিন্তা-চৰ্চা কৰি কয়লাখনিক নতুন ৰূপত সজালেহেঁতেন। তুমি যি পৰিকল্পনা কৰিছা তাত সফল হ'বাই। যি হওক, মই শুনিবলৈ পাইছো, ৰাগবিৰ উত্তৰাধিকাৰীৰ জন্ম হ'ব। কথাটো সঁচা নেকি?"

ক্লিফোৰ্ডে ওলোটাই সুধিলে, "এনেকুৱা গুজব ওলাইছে নেকি?"

লেচলিয়ে ক'লে, "ফিলিং উডৰ মাৰ্চেলে মোক সুধিছিল। তাৰ বাহিৰে মই বিশেষ একো নাজানো। যদি এইবোৰ উৰা-বাতৰিহে তেনেহ'লে মই কথাটো ক'তো নুলিয়াও বাৰু।" ক্লিফোৰ্ডৰ বৰ অস্বস্তি লাগিল যদিও তেওঁৰ চকুযুৰি উজ্জ্বল হৈ পৰিল। আৰু লেচলিক ক'লে, "হয়, এই পৰ্যন্ত আশা কৰিব পাৰে।"

লেচলিয়ে অতি আৱেগিক হৈ ক্লিফোৰ্ডৰ হাত দুখন নিজৰ হাতৰ মাজত সুমুৱাই ক'লে, "এই 'আশা'ৰ গুৰুত্ব আমাৰ ওচৰত বহুত বেছি। এইদৰে তোমাৰ বংশৰক্ষা হ'লে তেভাৰচালৰ শ্ৰমিকে যুগ যুগ ধৰি তোমাৰ খনিতেই কাম কৰি যাব।"

বৃদ্ধ লেচলিয়ো কিন্তু আচৰিত নোহোৱাকৈ নাথাকিল।

পিছদিনা কনিয়ে এটা কাঁচৰ ফুলদানিত কিছুমান হালধীয়া ফুল সজাই আছিল। তেনেতে ক্লিফোৰ্ডে মাত লগালে, "কনি, তুমি জানানে, তুমি ৰাগবিৰ উত্তৰাধিকাৰী দিবলৈ ওলাইছা বুলি মানুহে কৈ ফুৰিছে।" কনিৰ ভয় লাগিল। ম্লান হৈ পৰিল তাইৰ মুখ। তথাপিও তাই অলপসময় ফুলখিনি চাই ৰৈ থাকিল। তাৰপিছত ক'লে, "এইটো গাজা নে পৰশ্ৰীকাতৰতা?"

ক্লিফোৰ্ডে অলপ সময় ৰৈ ক'লে, "দুয়োটাই নহয়। মই আশা কৰিছো। মই আশা কৰোঁ এই ভৱিষ্যতবাণী যেন ফলিয়ায়।"

কনিয়ে ফুলখিনি লিৰিকি-বিদাৰি ক'লে, "মই আজি পুৱা দেউতাৰ পৰা এখন চিঠি পাইছো। তেখেতে লিখিছে যে ভেনিচৰ পৰা ছাৰ আলেকজেণ্ডাৰ কুপাৰে তেওঁৰ ঘৰত জুলাই আৰু আগষ্ট মাহ কটাবলৈ নিমন্ত্ৰণ কৰিছে। দেউতা তালৈ যাব আৰু মোকো কৈছে।"

"জুলাই-আগষ্ট, দুমাহ?"

"মই অৱশ্যে ইমানদিন নাথাকোঁ। আমাৰ লগত তুমি যাবানে?"

"মই বিদেশলৈ নাযাওঁ।"

কনিয়ে ফুলখিনি খিৰিকিৰ কাষলৈ আনি ক'লে, "মই গ'লে তুমি বেয়া নোপোৱাতো? তুমিতো জানাই এইবাৰ গ্ৰীষ্ম কালছোৱা মই তাত কটামগৈ বুলি আগতেই ঠিক কৰিছিলো।"

"কিমান দিনৰ কাৰণে?"

"তিনি সপ্তাহমান।"

অলপ সময় দুয়োজন নিশ্চুপ হৈ ৰ'ল। তাৰ পিছত ক্লিফোৰ্ডে ক'লে, "মই তিনি সপ্তাহৰ বাবে তোমাক এৰি দিব পাৰোঁ যদিহে তুমি কথা দিয়া যে তুমি আকৌ ঘূৰি আহিবা।"

"মই ঘূৰি আহিবই খুজিম।" তাই কথাষাৰ বৰ জোৰ দি ক'লে যদিও তাই ভাবি আছিল তাৰ কথা।

ক্লিফোৰ্ডে বিশ্বাস কৰিলে। বিশ্বাস কৰিলে কনি তেওঁৰ বাবেই উভতি আহিব। এটা স্বস্তিৰ নিশ্বাস পেলালে তেওঁ। এটা আনন্দ অনুভৱ কৰিলে আৰু ক'লে, "ঠিক আছে, তুমি যাব পাৰা।"

"ময়ো সেইটোকে ভাবো।"

"তুমি তেনেহ'লে ফুৰিচাকি বেচ আনন্দ উপভোগ কৰিব পাৰিবা।"

কনিয়ে তাইৰ নীলা চকুযুৰিৰে ক্লিফোৰ্ডলৈ চালে আৰু ক'লে, "তুমিতো জানাই, মই লিডোক ভাল নাপাওঁ। মোৰ যে আলেকজেণ্ডাৰ কুপাৰ বা তেওঁৰ পত্নীকো ভাল

লাগিব সেয়া সন্দেহ। মই মাথোঁ ভেনিচ চাবলৈহে যাম। কোনো নির্জন দ্বীপৰ উপকূলত গা ধুম। হিলদা যদি মোৰ লগত যায় আৰু নিজাকে যদি গণ্ডোলা এখনো পাওঁ তেতিয়াতো কথাই নাই।”

কথাখিনি কনিয়ে বেচ আন্তৰিকতাৰেই কৈছিল। তাই বিচাৰে ক্লিফোৰ্ড সুখী হওক। ক্লিফোৰ্ডে ক'লে, “মোৰ কথাটো এবাৰ ভাবা। কালাইচ বন্দৰ বা গৰে দু নৰ্ড আদি ঠাইত মোৰ কি অৱস্থা হ'ব।

“কি হ'ব? যুদ্ধত আহত কিমান মানুহক চকীত বহুৱাই অনা-নিয়া কৰা দেখিছো। তাৰোপৰি আমিতো গাড়ী-মটৰতেই ফুৰিম।”

“হ'লেও দুজন মানুহ আকৌ লগত নিব লাগিব।”

“নাই, নালাগে। মই আৰু হিলদায়ে চম্ভালিব পাৰিম আৰু তাততো মানুহ পামেই।”

তথাপিয়ো মান্তি নহ'ল ক্লিফোৰ্ড। ক'লে, “নহয় সোণজনী, এই বছৰ নহ'ব। অহা বছৰ চেষ্টা কৰি চাম।”

খণ্ডতে আঁতৰি আহিল কনি।

অহা বছৰ? অহা বছৰ কি হ'ব কোনে জানে! ভেনিচলৈ যোবাৰ বৰ ইচ্ছা নাছিল তাইৰ। তাই তালৈ যাব বিচাৰিছে অলপ সংযম সাধনাৰ বাবে। ইয়াতে থাকিলে সেই মানুহটোৰ বাবে অসংযত কামনাৰ ক্ৰমবৰ্ধমান তাড়না নকমিব। আৰু সঁচাকৈয়ে যদি তাই গৰ্ভধাৰণ কৰিছে তেন্তে ভেনিচৰ পৰা ঘূৰি অহাৰ পাছত ক্লিফোৰ্ডেও ভাবিব যে তাইৰ কোনোবা প্ৰেমিক ভেনিচত আছে আৰু এয়া তাৰেই ঔৰষজাত সন্তান।

মে' মাহ আৰম্ভ হৈছে। জুনত তেওঁলোক ৰাওনা হ'ব। এইবোৰ প্ৰস্তুতি তাইৰ অলপো ভাল নালাগে। এনেদৰেই সকলো সময়তে কাৰোবাৰ আগমনৰ বাবে এজনৰ জীৱন নতুনকৈ গঢ়িব লাগে। গাড়ীৰ চকাই নহয়, অদৃষ্টৰ চকৰীয়েহে মানুহক এখন ঠাইৰ পৰা আন এখনলৈ ঘূৰাই ফুৰায়।

মে' মাহ যদিও ঠাণ্ডা আৰু বৰষুণ অলপো কমা নাই। এনেকুৱা বতৰ খেতিৰ বাবে বৰ ভাল। কনিয়ে এবাৰ আথৱেট নামৰ চহৰখনলৈয়ো অকলেই যাবলগীয়া হ'ল। সেই চহৰত এতিয়া চেটাৰ্লি পৰিয়ালৰ প্ৰতিপত্তি আছে। কনি উঠি যোৱা গাড়ীখন ফিল্ডে চলালে।

বসন্তৰ আগমনে সকলো দিশকে সেউজী কৰি তুলিছে। তথাপিও গাঁৱৰ পথঘাটৰ শোচনীয় অৱস্থা। ঠেটুৰৈ ধৰা ঠাণ্ডা, কুঁৱলীৰে আবৰা চাৰিদিশ আৰু বৰষুণ। এনে লাগে যেন বতাহত এটা দূষিত বাষ্প ওপঙি আছে।

তেভাৰচালৰ ওখোৰা-মোখোৰা পথেৰে গাড়ীখন আগবাঢ়িল। পথৰ দুয়োকাষে কেৱল ক'লা ইটাৰে গাঁথা ঘৰ, মাজে মাজে মাটিৰ ঘৰ। কিন্তু কয়লাৰ গুড়িৰে চববোৰ ঢাকি ধৰাৰ বাবে গোটেই ঘৰবোৰেই দেখিবলৈ বৰ বেয়া আৰু ভয়ংকৰ হৈ পৰিছে।

ঘৰবোৰৰ মাজে মাজে নানা তৰহৰ দোকান। প্ৰতিখন দোকানত পণ্যদ্ৰব্য সজাই থোৱা আছে। দেখাত একোৱেই ভাল নালাগে আৰু ওপৰলৈ আছে এটা চিনেমা হল। প্ৰদৰ্শন হ'বলগীয়া চিনেমাৰ নাম ঘোষণা কৰিছে, "এ উইমেনচ লাভ"। তাৰ পিছতে পোৱা যায় গিৰ্জা, স্কুল, খেলপথাৰ। এখন স্কুলত পাঁচজনী ছোৱালীক গান শিকাই আছে। সেইখিনিতে গাড়ীখন ৰখাই পেট্ৰল ভৰাওঁতে কনিয়ে সিহঁতৰ গান শুনিলে। কনিৰ এনে লাগিল যেন ইয়াৰ মাজত প্ৰাণৰ স্পন্দন, সৃষ্টিশীল অনুভূতি নাই। এটা যান্ত্ৰিক কৃত্ৰিমতাই এওঁলোকৰ সমস্ত জীৱন আচ্ছন্ন কৰি ৰাখিছে। নিষ্প্ৰাণ কৰি তুলিছে।

বিপৰীত দিশৰ পৰা বৰষুণত তিতি তিতি কয়লাবোজাই কৰা গাড়ীবোৰ আহিছিল। ড্ৰাইভাৰ ফিল্ডে সেইবোৰৰ পৰা ভালকৈ কাটি-কুটি গাড়ীখন চলাই নিলে। ডাকঘৰ, বজাৰ ঘৰ এটা এটাকৈ পাৰ হৈ আহিল। চেটাৰ্লি পৰিয়ালৰ গাড়ী দেখি বহুত পথচাৰীয়ে অভিবাদন জনালে। এই গোটেইবোৰ গোট খায়ে হৈছে তেভাৰচাল গাঁও। ইংলেণ্ডৰে এখন গাঁও। শ্যেক্সপীয়েৰৰ ইংলেণ্ড। এই গাঁৱলৈ অহাৰ পাছতে কনিয়ে এটা কথা বুজিব পাৰিলে যে এই ইংলেণ্ডত এতিয়া এটা নতুন শ্ৰেণীৰ সৃষ্টি হৈছে আৰু সেয়া হ'ল অৰ্থ-সচেতন মানুহৰ শ্ৰেণী। এই শ্ৰেণীৰ সামাজিক আৰু ৰাজনৈতিক চেতনাও প্ৰবল। কিন্তু স্বতঃস্ফূৰ্ত সৃষ্টিশীল অনুভূতি প্ৰকাশৰ দিশত সিহঁত অৰ্ধমৃত। এই দিশত সিহঁতে একোৱেই প্ৰকাশ কৰিব নোৱাৰে। সিহঁতৰ মানসিক প্ৰতিক্ৰিয়া বুজা নাযায়।

কনিয়ে যেতিয়া দেখিলে এখন লৰীত চেফিল্ডৰ কিছুমান শ্ৰমিক ক'ৰবালৈ ফুৰিবলৈ গৈছে, তাকে দেখি তাইৰ মনটো যে কেনেকুৱা লাগিল! তাইৰ মুখেৰে মাথোঁ বাহিৰ হ'ল, "হে ভগৱান, মানুহে মানুহৰ কি অৱস্থা কৰিছে! কিমান যে নিষ্প্ৰাণ এই মানুহবোৰ! ইহঁতৰ নেতাবোৰে বাৰু কি কৰি আছে?"

আৰু এটা ভয়ে তাইক হেঁচি ধৰিলে। এটা ধূসৰ অসহায়বোধে তাইক আচ্ছন্ন কৰি তুলিলে। এই দেশ শ্ৰমিকৰ আৰু তাইৰ পৰিচিত অভিজাত শ্ৰেণীৰ দেশ। এইখন দেশৰ কিবা আশা আছে বুলি তাইৰ মনে নধৰিলে। তথাপিও তাই বিচাৰিছে এটি সন্তান। ৰাগবিৰ উত্তৰাধিকাৰী। ভয়ত কঁপি উঠিল কনি।

মেলৰ্চ এইখন সমাজৰ পৰা বাহিৰলৈ ওলাই আহিছে। হয়, বাহিৰলৈ ওলাই আহিছে মানে কনিয়ো যিমান আহিছে ঠিক সিমানখিনিহে। কিন্তু সিহঁত দুয়োৰে মাজতনো সাদৃশ্য কিমান? অন্তৰংগতা ক'ত? দুয়োৰে মাজত দিনে দিনে ব্যৱধান বাঢ়ি আহিছে। অথচ এইখনেই হৈছে ইংলেণ্ড। সমগ্ৰ ইংলেণ্ড জুৰি আছে এইবোৰ মানুহেই।

ষ্টকচগেইটৰ ওপৰলৈ গাড়ী উঠিল। বৰষুণ এৰিলে। বতাহত নৱ বসন্তৰ গোন্ধ আৰু উজ্জ্বলতা বিৰিঙি উঠিছিল। ইয়াৰ পথবোৰ ওখ-চাপৰ। এই পথছোৱা দক্ষিণ দিশে এটা পাহাৰৰ টিঙলৈ আৰু পূৱে মেনচফিল্ড আৰু নটিংহামলৈ। কনি এতিয়া দক্ষিণলৈ যাব।

গাড়ীখন যেতিয়া ওপৰলৈ উঠিবলৈ লৈছিল তেতিয়া তাই পথৰ বাওঁফালে দৃষ্টি নিক্ষেপ কৰিলে। তাই দেখিলে ডিউকৰ ৰাৰচপ প্ৰাসাদটো উদ্ধতভাবে থিয় দি আছে। প্ৰাসাদৰ তলত চাৰিওফালে শ্ৰমিকৰ ৰঙা ৰঙৰ ঘৰবোৰ। তাৰো তলত এটা খাদৰ পৰা ক'লা ধোঁৱা, বগা ভাপ ওলাই আছে। এই খাদৰ পৰা প্ৰতি বছৰে ডিউক আৰু তেওঁৰ অংশীদাৰসকলে হাজাৰ হাজাৰ পাউণ্ড পায়।

এটা বেঁকুৰি পাৰ হৈয়ে কনিৰ গাড়ীখনে আহি ষ্টকচগেইটৰ ওচৰ পালে। মূলপথৰ পৰাই দেখা যায় ষ্টকচগেইটৰ আটক ধুনীয়া নতুন হোটেলখন। ৰঙা আৰু বগা ৰঙৰ হোটেলখন দেখিলে এনে লাগে যেন সাধাৰণ মানুহৰ পৰা এক নিৰ্দিষ্ট ব্যৱধানৰ দূৰত্বত থাকি নিজকে বচাই ৰাখি উদ্ধত অসামাজিক নিৰ্জনতাত নিমজ্জিত হৈ মূৰ দাণ্ডি থিয় হৈ আছে। তাৰ বাওঁফালে আছে অসংখ্য আধুনিক বাসগৃহ। তাৰ আশে-পাশে আছে খালী ঠাই আৰু বাৰী কিছুমান। সেইখিনি পাৰ হৈয়ে পোৱা যায় আধুনিক উন্নতমানৰ কয়লাখনি আৰু ঔষধৰ কাৰখানা।

এয়া ষ্টকচগেইট। যুদ্ধৰ সময়তে নতুনকৈ গঢ় দিয়া ষ্টকচগেইট। পুৰণি ষ্টকচগেইটৰ ঘৰটো ইয়াৰ পৰা আধামাইল দূৰৈত আছে। তাৰ আশে-পাশে আছিল এটি পুৰণি আমোলৰ কয়লাখনি আৰু ক'লা ইটাৰে গাঁথা অনুন্নত ঘৰ কিছুমান। মাজতে আছিল গীৰ্জা আৰু কবৰস্থান। হোটেলৰ ঠাইত আছিল তেতিয়াৰ শ্ৰমিকবোৰৰ চেৰাপভাটী।

কনি যেতিয়া প্ৰথম ৰাগবিলৈ আহে তেতিয়াই হোটেলৰ এই নতুন ঘৰটো আৰু তাৰ ওচৰৰ এই ঘৰবোৰ সজোৱা হৈছিল।

গাড়ীখন ক্ৰমে ওপৰলৈ উঠিছিল। এদিন এই অঞ্চলটো আছিল এটা সম্ভ্ৰান্ত এলেকা। অভিজাত শ্ৰেণীৰ বাসস্থান। দিগন্ত বিয়পি আছিল চাদউইক প্ৰাসাদ। ই আছিল এলিজাবেথ যুগৰ প্ৰসিদ্ধ নিদৰ্শন। ইয়াৰ দেৱালতকৈয়ো চকুত পৰে খিৰিকিবোৰতহে। সুদূৰ অতীতৰ নীৰৱ-নিৰ্জন সাক্ষীৰূপে এখন পাৰ্কৰ মাজত অকলে অকলে থিয় হৈ আছে অট্টালিকাটো। অতীত আভিজাত্যৰ প্ৰতীক হিচাপেই ইয়াৰ অস্তিত্বক এতিয়াও জীয়াই ৰখা হৈছে। প্ৰত্যেকজন পথচাৰীক প্ৰাসাদটোৱে যেন নীৰৱ ভাষাৰে কয়, চোৱা, অতীজত আমাৰ পূৰ্বপুৰুষে কেনেকৈ বাস কৰিছিল, তেওঁলোকে কিমান যে সম্পদৰ অধিকাৰী আছিল।

এতিয়া সকলো অতীত। পাৰ হৈ গ'ল সেই সুদিন। তাৰ ওপৰতে ভিত্তি কৰি এই বৰ্তমান আৰু ভৱিষ্যত হ'ল একমাত্ৰ ভগৱানৰ হাতত।

গাড়ীখন এতিয়া খনি শ্ৰমিকৰ ঘৰবোৰৰ মাজেৰে আথৱেটৰ দিশত তললৈ নামিবলৈ ধৰিলে। সেমেকা বতৰৰ বাবে আথৱেটৰ আকাশ-বতাহ জুৰি জমা হৈছিল ধোঁৱা আৰু ভাপ। আথৱেটৰ উপত্যকাৰ পাদদেশৰ পৰা চেফিল্ডলৈ এটা ৰেলপথ আছে। ইয়াত কয়লাখনি আৰু ইস্পাতৰ কাৰখানা প্ৰায় ওচৰা-উচৰিকৈ আছে আৰু

তাৰপৰা অনবৰতে ধোঁৱা ওলায়ে থাকে। ধোঁৱা, কয়লা, ইস্পাত— মনটো তিক্ততাৰে ভৰি পৰে কনিৰ। অকণো ভাল নালাগে তাইৰ। এই আথৰ্বাট চহৰখন হ'ল এখন পুৰণি বাণিজ্য চহৰ। ইয়াৰ ডাঙৰ হোটেলখন হ'ল চেটাৰ্লি আৰ্মচ। আথৰ্বেটৰ মানুহে ৰাগবি হলক এটা অট্টালিকা বুলি নাজানে। তেওঁলোকে এই বুলিহে জানে যে ৰাগবি হল এখন গ্ৰামাঞ্চলৰ নাম আৰু তাৰ কাষতে আছে তেভাৰচাল গাঁও।

খনি শ্ৰমিকৰ ক'লা ক'লা সৰু সৰু ঘৰবোৰ ঠেকঠুককৈ ফুটপাথতে লগলগাকৈ আৰু বৈশিষ্ট্যহীনভাৱে কোনোমতে থিয় দি আছে। এইবোৰ প্ৰায় এশবছৰ পুৰণি ঘৰ। আগৰ গাঁৱৰ দীঘল পথটো এতিয়া চহৰৰ প্ৰশস্ত ৰাজপথ। এফালে ৰে'লৰ আলি আৰু আনফালে অসংখ্য কল-কাৰখানাৰ প্ৰাচীৰ। ওখ ওখ দেৱালৰ সিপাৰে কি আছে দেখা নাযায়। অৱশ্যে লোহাৰ ঘৰ্ষণৰ শব্দ শুনা যায় আৰু শুনা যায় মাল বোজাই কৰি পৃথিৱী কঁপাই অহা-যোৱা কৰা লৰিবোৰৰ শব্দ।

আকৌ বাওঁফালে গাড়ীখন ঘূৰিল। গীৰ্জাৰ পিছফালেৰে গৈ চহৰৰ একাবেঁকা পথত এইবাৰ গাড়ীখন চলিবলৈ ধৰিলে। এই চহৰখন ইমান পুৰণি যে এনে লাগে যেন হঠাতে দুই শতাব্দীৰ আগৰ কোনো ৰাজ্যতহে উপস্থিত হ'লোহি। ৰাস্তাৰ দাঁতিত ৰৈ লৰিবোৰক হাতেৰে নিৰ্দেশ দি থকা এটা চিপাহীয়ে কনিক দেখি অভিবাদন জনালে।

গাড়ীৰে গৈ থাকোঁতে বৰ্তমানৰ ইংলেণ্ডৰ চিত্ৰখন দেখি কনিৰ অতীত ইতিহাসলৈ মনত পৰিল। কোনখন ইংলেণ্ডৰ চিত্ৰ এয়া? আজিৰ ইংলেণ্ডৰ সৈতে ৰাণী এলিজাবেথ বা ৰাণী এনিৰ ইংলেণ্ডৰ অকণো মিল নাই। আজিৰ অভিজাত শ্ৰেণীয়েও নিজৰ পুৰণি প্ৰাসাদসমূহত নাথাকি সুখ স্বাচ্ছন্দ্যৰ সন্ধানত চহৰত থাকিবলৈ লৈছেহি।

ইয়াকে কয় ইতিহাস। আজিৰ ইংলেণ্ডে যেনেদৰে পুৰণি ইংলেণ্ডক মচি দিছে ঠিক তেনেদৰে ভৱিষ্যতৰ ইংলেণ্ডেও বৰ্তমানৰ ইংলেণ্ডক মচি পেলাব।

আজি যি খনি আৰু কল-কাৰখানা গঢ়ি উঠিছে আৰু তাৰপৰা অভিজাত শ্ৰেণীয়ে প্ৰচুৰ টকা ঘটিছে কিন্তু লগে লগে তেওঁলোকৰ পুৰণি আভিজাত্যৰ নিদৰ্শনসমূহক ধ্বংস কৰি পেলাইছে। আনকি মধ্যবিত্তৰ ধুনীয়া ঘৰবোৰো নাই, তাৰ ঠাইত গঢ়ি উঠিছে শ্ৰমিকৰ কোৱাৰ্টাৰ। কৃষিভিত্তিক ইংলেণ্ডক শেষ কৰি শিল্পভিত্তিক ইংলেণ্ড গঢ়ি উঠিছে। কিন্তু এই পৰিৱৰ্তন স্বতঃস্ফূৰ্ত নহয়। এই পৰিৱৰ্তন যান্ত্ৰিক আৰু কৃত্ৰিম আৰু কনিৰ আপত্তি তাতেই।

কনি যিটো শ্ৰেণীৰ পৰা আহিছে সেই শ্ৰেণীৰ মানুহখিনি অলপ এলেহুৱা কাৰণেই বৰ্তমান যুগৰ কৰ্ম-চঞ্চলতাৰ সৈতে তেওঁলোক খাপ খাই পৰিব পৰা নাই। কনিয়ে পুৰণি ইংলেণ্ডক পছন্দ কৰে। এই কথাটো বুজি পাবলৈয়ো তাইৰ বহুত দিন লাগিল। বহু বিচিত্ৰ অভিজ্ঞতাৰ মাজেৰে আহিহে তাই বুজি উঠিছে যে এটা ভয়ংকৰ পৰিৱৰ্তনৰ আঘাতত তাইৰ প্ৰিয় ইংলেণ্ড শেষ হৈ গৈছে। ফ্ৰিটচলে', ইষ্ট উড, চিপ্‌লে' এই

সকলোবোৰ ধ্বংসৰ মুখলৈ গৈ আছে। স্কোৱেৰ উইণ্টাৰৰ প্ৰিয় কয়লাখনি চিপ্‌লে'।

ওভতনি যাত্ৰাত কনিয়ে চিপ্‌লে'ত সোমাই গৈছিল। গেইটখন খোলাই আছিল। গাড়ীখন ভিতৰলৈ একেবাৰে সুমুৱাই নি লেচলি উইণ্টাৰৰ ঘৰৰ দুৱাৰমুখতে কনি নামিলগৈ। এই ঘৰখনৰ শান্ত, নিৰ্জন পৰিবেশটো তাইৰ বৰ ভাল লাগে। অন্ততঃ ৰাগবিতকৈ এই ঠাইখন তাইৰ বাবে ভাললগা।

লেচলি উইণ্টাৰ ঘৰত অকলেই আছিল। তেওঁ ঘৰখন বৰ ধুনীয়াকৈ সাজিছিল। কিন্তু তেওঁৰ কয়লাখনিয়ে তেওঁ বহু যত্নেৰে গঢ়ি তোলা পাৰ্কখনৰ বহু অংশ গ্ৰাস কৰি পেলাইছে। তেওঁ কয়, খনি আৰু শ্ৰমিকৰ জৰিয়তে তেওঁ বহুত টকা ঘটিছে, গতিকে সৌন্দৰ্যবোধৰ সৈতে অৰ্থলিপ্সাক আপোচ কৰিবলগীয়া হৈছে। এবাৰ প্ৰিন্স অব ৱেলচ ফুৰিবলৈ আহোঁতে তেখেতকো কৈছিল, কয়লাখনি মোৰ আয়ৰ মূল উৎস, সেই খিনিৰ বাবে পাৰ্কখন যায় যদি যাওক। কথাটো শুনি প্ৰিন্স অব ৱেলচেও হেনো কৈছিল, "মোৰ ঘৰৰ কাষত কয়লাখনি আবিষ্কাৰ হ'লে বৰ ভাল কথা হ'ব। মই তেতিয়া মোৰ বাগিচাৰ সমস্ত প্ৰাকৃতিক সৌন্দৰ্যৰ বিনিময়ত কয়লাখনিক ভাল পাম।"

কনিৰ এনে লাগে যেন প্ৰিন্স অব ৱেলচে অৰ্থ, ধন-সম্পদৰ মাজতে সৌন্দৰ্য বিচাৰি পাইছিল, শিল্পোন্নতিৰ মাজতে বিধাতাৰ আশীৰ্বাদ বিচাৰি পাইছিল সেয়া আছিল এক অতিশয়োক্তি। সেই যুৱৰাজ ৰজা হয়গৈ আৰু তেওঁৰ পাছতো হয় আন এজন ৰজা।

কনিয়ে দেখিলে লেচলিৰ পাৰ্কৰ চাৰিওদিশে গঢ়ি উঠিছে খনি শ্ৰমিকৰ বস্তি। গঢ়ি উঠিছে এখন নতুন গাঁও।

স্কোৱেৰ লেচলি উইণ্টাৰ আছিল এজন সৈনিক। তেওঁ জীৱনত লাভৰ বাবে পোৱা ক্ষয়-ক্ষতিবোৰ বীৰৰ দৰে সহ্য কৰিব পাৰে আৰু কৰিছেও। কিন্তু এতিয়া আৰু তেওঁ আহাৰ গ্ৰহণৰ পাছত পাৰ্কত ফুৰিবলৈ নাযায়। পাৰ্কলৈ ফুৰিবলৈ নগ'লেও তেওঁ অৱশ্যে এটা কথা ভাবি সন্তুষ্টি লভে যে; এই খনি, এই শ্ৰমিক, এই ঘৰ— এই সকলোবোৰ তেওঁৰ। কিন্তু এই ব্যাপক অধিকাৰবোধৰ অন্তৰালতো লুকাই আছিল এটা গভীৰ শূন্যতা। তেওঁ প্ৰায়ে ভাবে— এই খনি, কল-কাৰখানাবোৰৰো একোটা নিজস্ব জীৱন আছে, একোটা নিজস্ব ইচ্ছা আছে। এই সমন্বিত ইচ্ছাৰ এক বৰ্বৰ ব্যাপকতাই তেওঁৰ দৰে এজন ভদ্ৰলোকৰ অতি মাৰ্জিত চৌখিন সুন্দৰ ইচ্ছাটোক মোহাৰি পেলাব খুজিছে, নিঃচিহ্ন কৰি দিব বিচাৰিছে। তেওঁ বুজে, সেই ইচ্ছাৰ প্ৰবল ব্যাপকতাৰ বিৰুদ্ধে সংগ্ৰাম কৰি লাভ নাই। তেওঁ হাৰি যাব। তাৰ বিৰোধিতা কৰিবলৈ গ'লে শেষ হৈ যাব জীৱন।

লেচলিয়ে পাৰ্কলৈ ফুৰিবলৈ যোৱাটো বন্ধ কৰিলে। দিনে ৰাতিয়ে ঘৰৰ ভিতৰতে সোমাই থাকে। ইয়াৰ আগতেও এবাৰ কনিৰ সৈতে পাৰ্কলৈ ফুৰিবলৈ যাওঁতে

তেওঁলোকৰ মুখৰ আগেদি পাৰ হৈ যোৱা খনি শ্ৰমিকবোৰক দেখি লেচলিয়ে বিব্ৰতবোধ কৰিছিল। কাৰণ তেওঁক সিহঁতে অভিবাদনেই নজনালে। কনিৰ এনে লাগিল যেন লেচলিয়ে সিহঁতৰ ওচৰত বৰ অস্বস্তি পাইছে। এদল ব্যাধৰ ভয়ত সন্ত্ৰস্ত হৰিণাৰ দৰে মুহ্যমান হৈ ৰৈ গৈছিল তেওঁ। কিন্তু এই খনি শ্ৰমিকবোৰে যে তেওঁৰ প্ৰতি ব্যক্তিগতভাৱে শত্ৰুতা আচৰণ কৰিছে তেনে নহয়। সিহঁত তেওঁৰ প্ৰতি একেবাৰে উদাসীন। তেওঁক সন্মান দেখুৱা দূৰৈৰ কথা, সিহঁতে হৃদয়হীনভাৱে তেওঁক উপেক্ষা কৰে। সিহঁত যেন তেওঁৰ আভিজাত্য আৰু ঐশ্বৰ্যৰ প্ৰতি অস্বাভাৱিকভাৱে ঈৰ্ষান্বিত। "আমি যাৰ কাৰণে ইমান কষ্ট কৰি আছো তাৰনো কিডাল সুখ" ধৰণৰ এটা মনোভাৱ।

এজন প্ৰাক্তন সৈনিক হিচাপে তেওঁৰ ইংৰাজসুলভ যুক্তিবাদী মনেৰে ভালকৈ বুজি পাইছিল যে খনি শ্ৰমিকৰ সৈতে তেওঁৰ এই অসাম্যতাৰ মাজত ক'ৰবাত এটা খুঁত আছে। সিহঁতৰ চেপা বিক্ষোভ আৰু ঈৰ্ষা ন্যায়সংগত। কিন্তু এইটোও ঠিক যে ইয়াত উভয়পক্ষৰে দোষ নাই। দোষ যদি আছে তেন্তে সেয়া সমাজব্যৱস্থাৰ আৰু এক সামাজিক শ্ৰেণীৰ প্ৰতিনিধি হিচাপে তেওঁ এনেদৰেই থাকিব লাগিব।

মৃত্যুৰ পৰা কোনেও হাত সাৰিব নোৱাৰে। কনিক লগ পোৱাৰ পাছতে হঠাতে লেচলিৰ মৃত্যু হয়। তেওঁ সম্পত্তিৰ এক অংশ ক্লিফোৰ্ডৰ নামতো উইল কৰি গৈছিল। তেওঁৰ উত্তৰাধিকাৰীসকলে তেওঁৰ পাৰ্কখনৰ গছবোৰ কাটি খাণ্ডাং কৰি তেওঁৰ পুৰণি আমোলৰ ঘৰটোও ভাঙি-ছিঙি পেলালে আৰু এই গোটেইবোৰ কয়লাখনিৰ ভিতৰুৱা কৰি দিলে। এবছৰৰ ভিতৰতে সকলোবোৰ ওলট-পালট হৈ গ'ল। নতুন ইংলেণ্ডে এইদৰেই পুৰণি ইংলণ্ডৰ এটা উপাদান চিপলে' হল আৰু পাৰ্ক, বাগিচা সকলোবোৰ গ্ৰাস কৰি নিঃশেষ কৰি পেলালে। ইয়াৰ পাছত এদিন এনেদৰেই ৰাগবিকো গ্ৰাস কৰি পেলাব। তাৰ পিছত? তাৰ পিছত কি হ'ব কনিয়ে নাজানে। জানিবলৈ ইচ্ছাও নাই তাইৰ। তাই মাথোঁ বিচাৰে, সমাজৰ পৰিৱৰ্তনৰ উত্তাল স্ৰোতধাৰাৰ মাজত এজন জীৱন্ত, প্ৰাণৱন্ত পুৰুষৰ বুকুৰ মাজত মুখ গুজি লুকাই থাকিবলৈ। তাই ভয়ংকৰ সোঁতৰ কোবাল গতিক এৰাই চলিব বিচাৰে।

সেইদিনা গাড়ীৰে ঘৰলৈ ঘূৰি আহোঁতে পথৰ দুয়োপাৰৰ শ্ৰমিকবোৰক দেখি তাই ভাবিলে, ইহঁত বৰ ব্যস্ত কিন্তু নিষ্প্ৰাণ। কোনো যেন অস্তিত্বই নাই। সিহঁত ভাল, কিন্তু সিহঁত সম্পূৰ্ণ মানুহ নহয়। মানসিক সত্তাৰ অৰ্ধেক। কিন্তু সিহঁতৰো সন্তান হয়। সিহঁতৰ ঔৰষজাত সন্তানক নাৰীয়ে গৰ্ভত ধাৰণ কৰে। কথাটো মনলৈ অহাৰ লগে লগে তাই শিয়ৰি উঠিল। তাই মনে মনে কৈ উঠিল, "হে ভগবান, সিহঁতৰো সন্তান!"

কিন্তু মেলৰ্চো সিহঁতৰ মাজৰ এজনৰ সন্তান। পাৰ্থক্য মাথোঁ চল্লিছটা বছৰৰ। এই শ্ৰমিকবোৰৰ জীৱনত নাই কোনো সৌন্দৰ্য, নাই অন্তৰ্দৃষ্টি, নাই জ্ঞান। খাদৰ ভিতৰত কাম কৰাৰ বাহিৰে একো নাজানে সিহঁতে। বছৰ বছৰ ধৰি এনেদৰে কাম কৰোঁতে

কৰোঁতে কয়লা আৰু লোহাই সিহঁতৰ দেহমনৰ গভীৰলৈ প্ৰৱেশ কৰি সিহঁতৰ জীৱনটোক কুৎসিত কৰি পেলাইছে।

জীৱন কিমান কুৎসিত হ'ব পাৰে তাৰেই মূৰ্ত প্ৰতীক হ'ল ইহঁত। তথাপি জীৱন্ত। এই কুৎসিত জীৱনৰ বোজা যুগ যুগ ধৰি ইহঁতে বহন কৰি আহিছে। পৃথিৱীৰ বুকুত যিমানদিন কয়লা থাকিব সিমানদিন সিহঁতৰো অস্তিত্ব থাকিব। কয়লা, লোহা আদি ধাতুৰ ওচৰত অনবৰতে থকাৰ বাবে এটা অমানৱিক ধাতুগত সৌন্দৰ্য সিহঁতে লাভ কৰিছে। কিন্তু পানীত থকা মাছ বা কাঠৰ পোকবোৰৰ দৰে সিহঁতৰ সৌন্দৰ্যও একান্তই বস্তুগত, তাৰ মাজত নাই প্ৰাণ বা মনুষ্যত্ব।

ঘৰ আহি পাইহে উশাহ ল'লে কনিয়ে। ক্লিফোৰ্ডৰ সৈতে ইটো-সিটো আল্টু-ফাল্টু কথা পাতিয়ে তাইৰ ভাল লাগিল। সমগ্ৰ মিডলেণ্ড জুৰি থকা কয়লা আৰু লোহাৰ এটা ব্যাপক ভয়ৰ শিহৰণে তাইৰ সৰ্বাংগ ইনফ্লুৱেঞ্জা ৰোগীৰ দৰে কঁপাই তুলিলে। কনিয়ে ক্লিফোৰ্ডক ক'লে, "অহাৰ সময়ত মিছ্ বেণ্টলিৰ দোকানত চাহ খাই আহিলগীয়া হ'ল।"

ক্লিফোৰ্ডে ক'লে, "উইণ্টাৰে তোমাক চাহ খাবলৈ দিছিল।"

কনিয়ে ক'লে, "সেইটো হয়। কিন্তু মিছ বেণ্টলিক দুখ দিবলৈ মন নগ'ল। তেওঁ বৰ ৰোমাণ্টিক মনৰ আৰু চাহ কৰোঁতেও বেচ পবিত্ৰভাৱে কৰে।"

"মোৰ কথা সুধিছিলনে?"

"নিশ্চয়। তেওঁ মোক সুধিলে, মই ছাৰ ক্লিফোৰ্ড ভালে আছে নে নাই সুধিব পাৰোঁনে লেডীশ্বিপ। মই ভাবো তাই তোমাক নাৰ্চ্ছ কেডেলতকৈয়ো বেছি শ্ৰদ্ধা কৰে।"

"আৰু তুমি ছাগে মই একেবাৰে ফুলপাহৰ দৰে ফুলি ধুনীয়া হৈ আছো বুলি কলা।"

"অ'তো। আৰু কথাটো শুনি তাই একেবাৰে হাততে স্বৰ্গ ঢুকি পোৱা যেন কৰিলে আৰু ময়ো ক'লো, তাই যেন তেভাৰচাললৈ আহিলে তোমাক লগ ধৰি যায়।"

"মোক? কিন্তু কিয়?"

"অ' তোমাক ক্লিফোৰ্ড। তাইৰ বাবে কাপ্তাদোকিয়াৰ চেইণ্ট জৰ্জো তোমাৰ তুলনাত একোৱেই নহয়।"

"তুমি ভাবা নেকি যে তাই আহিব?"

"নিশ্চয় আহিব। তাই কথাটো শুনি ৰঙা-ছিঙা পৰি গ'ল। মই ভাবি পাৰ নাপাওঁ কিয় দেৱতাৰ দৰে আৰাধনা কৰা ছোৱালীজনীকেই পুৰুষে বিয়া নকৰায়।

"ছোৱালীবোৰে বৰ দেৰিকৈ ভালপোৱা প্ৰকাশ কৰে। কিন্তু তাই সঁচাকৈয়ে আহিবনে?"

"কি কোৱাহে? তাই মোক ক'লে, লেডীশ্বিপ, মোৰ যাবলৈ সাহসেই নহয়।"

"কি যে অবান্তৰ কথা। সাহস পোৱা নাই। কিন্তু মই ভাবো তাই শেষত নাহিবই। বাৰু চাহকাপ কেনেকুৱা হৈছিল।"

"লিপটনৰ কাঢ়া চাহ। তুমি জানানে ক্লিফোৰ্ড, তাইৰ বাবে তুমি ৰোমৰ গোলাপৰ দৰে সুন্দৰ।"

"মই তোষামোদত নগলো।"

কনিয়ে আকৌ ক'লে, "তোমাৰ কাগজে-পত্ৰই প্ৰকাশিত ফটোবোৰ মিছ্ বেণ্টলিয়ে বৰ যতনেৰে ৰাখিছে যেন লাগিছে আৰু মই ভাবো প্ৰত্যেক নিশা তাই তোমাৰ কাৰণে ভগবানৰ ওচৰত প্ৰাৰ্থনা কৰে। বৰ আচৰিত কথা।" কথাখিনি কৈ উঠি তাই কাপোৰ সলাবলৈ বুলি ওপৰতলা পালেগৈ।

সেইদিনাৰ সন্ধিয়ালৈ ক্লিফোৰ্ডে কনিক প্ৰশ্ন কৰিলে, "বিয়াৰ বন্ধনৰ মাজত চিৰন্তন কিবা এটা আছে, তুমি মন কৰানে?"

কনিয়ে তেওঁৰ মুখলৈ খন্তেক চাই ক'লে, কিন্তু ক্লিফোৰ্ড, মোৰ ভাব হৈছে তুমি অনন্ত বা চিৰন্তন মানে এখন ঢাকোন বা এডাল শিকলিক বুজাইছা যিটোক মানুহে যিমান দূৰৈতে গৈ নপৰক বা নাথাকক ধৰিবগৈয়ে।

কনিলৈ বিৰক্তিৰে চাই ক্লিফোৰ্ডে ক'লে, "মই ক'ব বিচাৰিছো, তুমি ভেনিচলৈ গৈ কাৰো সৈতে প্ৰেম নকৰাগৈ ছাগৈ।"

"তুমি নিশ্চিন্ত হৈ থাকা, মই তোমাক আশ্বাস দিছো, তালৈ গৈ মই কাৰো সৈতে প্ৰেম নকৰোঁগৈ।"

কথাখিনি কনিয়ে ইমান ঘৃণাৰে ক'লে যে ক্লিফোৰ্ডে তাইলৈ চেলাউৰী কোঁচাই চাই ৰ'ল।

পিছদিনা ৰাতিপুৱা ওপৰতলাৰ পৰা তললৈ নামি আহিয়ে কনিয়ে দেখিলে মেলৰ্চৰ কুকুৰটো ক্লিফোৰ্ডৰ কোঠাৰ দুৱাৰমুখত বহি আছে। কনিয়ে তাৰ কাষলৈ গৈ ক'লে, "ফ্লচি, ইয়াত তই কি কৰিছ?" তাৰ পিছত কনিয়ে ক্লিফোৰ্ডৰ কোঠাৰ দুৱাৰ ঠেলি দেখিলে ক্লিফোৰ্ড বিছনাত বহি আছে আৰু পথানৰ তলত বহি মেলৰ্চে ক্লিফোৰ্ডৰ নিৰ্দেশ শুনি আছে। দুৱাৰখন খোলাৰ লগে লগে সুবিধা পাই ফ্লচি পুটুককৈ ভিতৰ সোমাল। মেলৰ্চে তাক ইংগিতেৰে বাহিৰলৈ যাবলৈ কোৱাত সি লগে লগেই বাহিৰলৈ ওলাল।

কনিয়ে ক্লিফোৰ্ডক গুডমৰ্ণিং জনাই ক'লে, "তুমি ব্যস্ত আছিলা বুলি মই জনাই নাছিলো।" তাৰ পিছত মেলৰ্চলৈ চাই তাকো গুডমৰ্ণিং বুলি ক'লে। মেলৰ্চে অস্পষ্ট ভাষাৰে কি ক'লে বুজা নগ'ল যদিও তাইক দেখাৰ লগে লগে এটা প্ৰচণ্ড কামনাই তাৰ সৰ্ব-শৰীৰত শিহৰণ তুলিলে।

কনিয়ে আকৌ ক'লে, "মই তোমাৰ কামত দিগদাৰ দিয়া নাইতো? তাৰবাবে মই দুঃখিত।"

ক্লিফোৰ্ডে ক'লে, "একেবাৰেই নহয়। আমাৰ কামটো বৰ বিশেষ গুৰুত্বপূৰ্ণ নহয়।" নিঃশব্দে তাই কোঠাৰ পৰা ওলাই গ'ল।

দুমহলাৰ খিৰিকিৰে তাই মেলৰ্চ যোৱাৰ পিনে চাই ৰ'ল। মেলৰ্চে তাৰ স্বভাবসুলভ গাম্ভীৰ্যৰে ধীৰ গতিৰে নীৰৱে গৈ আছে। তাইৰ এনে লাগিল, মেলৰ্চৰ মাজত যি উগ্ৰ স্বাধীন মনোভাৱ আৰু নিঃসংগতাৰ অহংকাৰ আছে তেনেকৈয়ে আছে এটা হীন ভাব আৰু দাসত্বৰ মনোভাৱ। আচলতে সি ক্লিফোৰ্ডৰ লগুৱা। কেচিয়াচে কৈছিল, "হে প্ৰিয় ব্ৰুটাচ, আমি যে হীন, আমি যে ক্ষুদ্ৰ তাৰ কাৰণে গ্ৰহ-নক্ষত্ৰক দোষ দি লাভ নাই, দোষ আমাৰ।"

কনিয়ে ভাবিলে সি সঁচাকৈয়ে এটা লগুৱানে? কিন্তু কনি সম্বন্ধে সি কি ভাবে?

সেইদিনা আকাশ আছিল পৰিষ্কাৰ। কনিয়ে তেওঁলোকৰ বাগিচাত কাম কৰিছিল। মিছেছ্ বল্টনে ইটো-সিটো কৰি তাইক সহায় কৰি দিছিল। তেওঁৰ সৈতে কনিৰ সম্পৰ্কটো এতিয়ালৈকে ভালভাবেই পাৰ হৈছে।

মানুহে মানুহৰ সৈতে ৰখা সম্পৰ্কৰ ক্ষেত্ৰত সহানুভূতিৰ জোৱাৰ ভাটা এনেদৰেই চলি থাকে।

দুয়ো কোমল মাটিত গছপুলি ৰুইছে। দুয়োজনীয়েই এই কামটো কৰি ভাল পায়। তেনেতে বসন্তৰ এছাটি মলয়াই কনিক স্পৰ্শ কৰি দেহত শিহৰণ জগালে। এনে লাগিল যেন বতাহছাটিয়ে তাইৰ অভ্যন্তৰো চুলেগৈ। বতাহত ফুলৰ সুগন্ধ। গছপুলি এটা গোজা মাৰিবলৈ বুলি হাতত লৈ কনিয়ে আইভিক প্ৰশ্ন কৰিলে, "তোমাৰ গৃহস্থ ঢুকুৱা বহুত বছৰ হ'ল, নহয়নে?"

"তেইশ বছৰ হ'ল। আজিৰ পৰা তেইশ বছৰৰ আগতে তেওঁৰ মৃতদেহটো আমাৰ ঘৰলৈ ভাৰ বৈ আনিছিল।"

কনিয়ে আকৌ সুধিলে, "তোমালোকৰ মাজততো বৰ মধুৰ সম্পৰ্ক আছিল। কিয়নো তেওঁ মৰিবলৈ গ'ল?" —এয়া এজনী নাৰীৰ আন এজনী নাৰীক সোধা প্ৰশ্ন।

আইভিয়ে উত্তৰ দিলে, "কেনেকৈ জানিম? তেওঁ বৰ গোড়া প্ৰকৃতিৰ মানুহ আছিল। তেওঁ কোনো কাৰণতে কেতিয়াও কাৰো ওচৰত শিৰনত নকৰিছিল। বেছি কঠিন বস্তুক সহজে ভাঙিব পাৰি। আচলতে তেওঁ খনিৰ ভিতৰত কাম কৰিবলৈ যাবলৈ অলপো ইচ্ছা নকৰিছিল। কিন্তু আন উপায়ো নাছিল। তেওঁৰ পিতৃয়ে তেওঁক সৰুতেই খনিত কাম কৰিবলৈ পঠিয়াইছিল। সৰুতেই যদি খনিত সোমায় সি আৰু জীৱনত কেতিয়াও খনিৰ পৰা বাহিৰ ওলাব নোৱাৰে।"

কনিয়ে সুধিলে, "কিন্তু তেওঁ কি কৈছিল? তেওঁ সেইবোৰ কাম ঘিণ কৰিছিল?"

"কোনো ক্ষেত্ৰতে তেওঁ ঘিণ কৰাৰ কথা মুখেৰে প্ৰকাশ নকৰিছিল। তেওঁৰ মুখত এক অদ্ভুত ভাব ফুটি উঠিছিল। তেওঁ এটাতকৈ বেছি সন্তানো বিচৰা নাছিল। কিন্তু তেওঁৰ মাকে ৰাতি তেওঁক মোৰ ওচৰলৈ জোৰকৈ পঠিয়াইছিল। তেওঁ মোক এৰি খনিৰ কামলৈয়ো যাবলৈ বেয়া পাইছিল, কিন্তু...। মই সদায়ে অনুভৱ কৰিছিলো তেওঁৰ খনিৰ কাম কৰিবলৈ বৰ কষ্ট হৈছে। কিন্তু একো উপায়ো নাছিল। তেওঁৰ মৃতদেহ দেখি ভাব হৈছিল তেওঁ যেন মুক্তি পালে। শান্তিৰে শুই পৰিছে। জীৱনত তেওঁ যি মুক্তিৰ কামনা কৰিছিল সেই মুক্তি মৃত্যুৰ বিনিময়ত তেওঁ লাভ কৰিলে।"

আইভি বল্টনে ফেঁকুৰিবলৈ ধৰিলে। তেওঁ কন্দা দেখি কনিৰ চকুতো চকুপানী ওলাল। তাই ক'লে, "শোকৰ আঘাত তোমাৰ বুকুত বৰ বেছিকৈ লাগে।"

মিছেছ্ বল্টনে ক'লে, "প্ৰথম অৱস্থাত মই একো বুজিবই পৰা নাছিলো। প্ৰত্যেক নিশা বিছনাত শুই শুই ভাবিছিলো তেওঁ এতিয়া আহিব। মোৰ কাষত শুবহি। তেওঁৰ দেহৰ স্পৰ্শত উত্তপ্ত হৈ পৰিব মোৰ দেহ। কোনো নাৰীৰ শিৰাই শিৰাই যেতিয়া কোনো পুৰুষ মিহলি হৈ পৰে তেতিয়া আৰু তেওঁক কেতিয়াও এৰিব নোৱাৰি। পাহৰিব নোৱাৰি।"

কনিয়ে শলাগিলে, "হয়, তেওঁলোকৰ মাজত যদি দৈহিক সম্পৰ্কটো নিবিড় হয়। কিন্তু পুৰুষজনৰ অবিহনে তেওঁৰ দেহৰ স্পৰ্শ কিমানদিন মনত থাকে? কিমানদিন সজীৱ হৈ ৰয় দেহহীন স্পৰ্শৰ তাপহীন স্মৃতি?"

আইভিয়ে ক'লে, "তেওঁৰ সন্তানে তেওঁৰ স্মৃতি জীয়াই ৰাখে। মই তেওঁক পাহৰি যাব পাৰোঁ। কিন্তু মোৰ অনুভূতিৰ মাজত তেওঁৰ স্পৰ্শ এনেকৈ সোমাই আছে যে মই তেওঁক পাহৰিবই নোৱাৰো। যিবোৰ নাৰীয়ে কোনো পুৰুষৰ স্পৰ্শৰ উত্তাপ কেতিয়াও নিজৰ তেজত অনুভৱ নকৰে, সিহঁতৰ বাবে মোৰ বৰ দুখ লাগে, লাগিলে সিহঁত যিমানেই ধন-দৌলত, কাপোৰ-কানি, গহনা-গাঁঠৰিৰ অধিকাৰিণী হওঁক। অৱশ্যে মই মোৰ কথাকে লৈ থাকিব বিচাৰো। মই আনৰ কথাত ধ্যান নিদিওঁ।

দ্বাদশ অধ্যায়

সেইদিনা দুপৰীয়া খাই উঠিয়ে কনি বনলৈ গ'ল। অসংখ্য ফুলৰ ৰঙ-বিৰঙৰ হাঁহিৰে মুখৰিত হৈ পৰিছিল ৰৌদ্ৰোজ্জ্বল আকাশ। বসন্তৰ আগমনত হালধীয়া ৰঙৰ ফুলবোৰেই আটাইতকৈ বেছি উজ্জ্বল হৈ পৰে। গোটেই বনভূমি জুৰি যেন অসংখ্য ফুল ফুলাৰ এক বৰ্ণাঢ্য সমাৰোহ হৈছিল।

জুপুৰীটোৰ ওচৰলৈ গৈ কনিয়ে দেখিলে মেলৰ্চ তাত নাই। চাৰিওদিশ শান্ত আৰু স্তব্ধ হৈ আছে। মুগা বৰণীয়া মুৰ্গি পোৱালি কেইটামান চৰি থকা তাই দেখিবলৈ পালে। তাইক মেলৰ্চক এতিয়া লাগে। তাই তাৰ ঘৰলৈ বুলি বাট পোনালে।

বনভূমিৰ একোণত থকা ঘৰটো সূৰ্যৰ কিৰণ পৰি উজ্জ্বল হৈ আছিল। কাষৰ বাৰীখনত ডেফোদিল আৰু ডেইজী ফুলৰ সমাহাৰ। হঠাতে ক'ৰবাৰ পৰা নেজ লৰাই লৰাই মেলৰ্চৰ কুকুৰ ফ্লচি আহি ওলালহি।

মেলৰ্চ ভিতৰতেই আছিল। দুবাৰৰ কাষলৈ সি আহিল। সি কিবা চোবাই আছিল। ৰুমালেৰে মুখ মচি মচি সি দুৱাৰমুখত থিয় দিলে।

কনিয়ে সুধিলে, "ভিতৰলৈ আহিব পাৰোনে?"

"হয়, আহক।"

ৰ'দ পৰি ঘৰৰ ভিতৰখনো পোহৰ হৈ আছিল। চৌকাত দপদপকৈ জুই একুৰা জ্বলি আছিল। ভেড়াৰ মাংসৰে বনোৱা চপৰ গোন্ধ আৰু কেটলিত পানী উতলি আছিল। টেবুলৰ ওপৰত ৰুটী আৰু আন এটা পাত্ৰত আলু আৰু চপৰ টুকুৰা। খোৱা টেবুলৰ ওপৰত বগা টেবুলক্লথ পৰা আছে। মেলৰ্চ ঘৰৰ ভিতৰত থিয় হৈ ৰ'ল।

কনিয়ে ক'লে, "তোমাৰ দেৰি হৈছে। খাই লোৱা।"

খিৰিকিৰে সৰকি অহা ৰ'দ গাত লৈ কনি চকী এখনত বহি পৰিল। মেলৰ্চে বহি লৈ ক'লে, "মই এতিয়া আথৱেটৰ পৰা আহিলোঁগে।" সি তাৰ খোৱা শেষ নকৰিলে।

কনিয়ে আকৌ তাক খাবলৈ ক'লে। সি কিন্তু সেইবোৰ নুচুলেই। সি কনিক সুধিলে, "আপুনি কিবা খাব নেকি? চাহ খাব পাৰে। পানী উতলিয়ে আছে।"

কনিয়ে ক'লে, "তুমি যদি মোক চাহ কৰিবলৈ দিয়া তেন্তে খাম।"

কনিয়ে তাক খুব বিষণ্ণ দেখিলে। তাই অহাত সি হয়তো আমনি পাইছে।

মেলৰ্চে ক'লে, "ঠিক আছে। সেয়া চাহ কৰা পাত্ৰ আৰু টিপট।"

কনিয়ে চাহ কৰা পাত্ৰটো গৰম পানীৰে ধুই পানীখিনি চাটিমাৰি পেলাবলৈ বুলি

বাহিৰলৈ গ'ল। ঘৰৰ বাহিৰখন কিযে বিনন্দীয়া হৈ আছে! ওক গছৰ পৰা হালধীয়া কুঁহিপাত ওলাইছে। ৰঙা ডেইজী ফুলবোৰেৰে বননিখন জকমকাই আছে। চৌপাশ শান্ত আৰু স্তব্ধ। সুন্দৰ বনভূমি বুলিলে সঁচাকৈয়ে যি বুজা যায় সেয়াই। দুৱাৰমুখত এটা শিলৰ সাঁচ বহি আছে। সেই শিলটোত ভৰি থৈ ঘৰ সোমাবৰ কাৰণে ৰখা হৈছিল যদিও বৰ কম মানুহেহে এই শিলত ভৰি থৈছিল।

কনিয়ে কৈ উঠিল, "বাঃ কি ধুনীয়া ঠাই! ইমান ভাললগা নিস্তব্ধতা বিৰাজ কৰিছে চাৰিওফালে। ইয়াত চৰবোৰ জীৱন্ত কিন্তু নীৰৱ।"

মেলৰ্চে আকৌ খাবলৈ আৰম্ভ কৰিলে। বৰ লাহে-ধীৰে আৰু অনিচ্ছাৰে। কনিয়ে ভালকৈয়ে বুজিলে যে তাৰ সেই আগৰদৰে উৎসাহ-উদ্দীপনা নাই। কনিয়ে মনে মনে থাকি চাহ কৰি দুটা কাপ টেবুলৰ ওপৰত থ'লেহি।

তাই তাক সুধিলে, "তুমি চাহ খাবা?"

মেলৰ্চে ক'লে, "কাবাৰ্ডত চেনি আছে আৰু গাখীৰো আছে।"

কনিয়ে সুধিলে, "তোমাৰ প্লেটখন আঁতৰাই নিমনে?"

"আপোনাৰ ইচ্ছা হ'লে নিব পাৰে।" সি ৰুটীত মাখন সানি খাই খাই ক'লে। কনিৰ পিনে চাই সি উপহাসৰ হাঁহি এটি মাৰিলে। কনিয়ে উঠি গৈ কাবাৰ্ডৰ পৰা গাখীৰ উলিয়াই তাক সুধিলে, "গাখীৰ ক'ৰ পৰা আনা?"

"ফ্লিণ্টইঁতৰ পৰা। এবটল গাখীৰ সিহঁতে সেই ঠাইখনত থৈ দিয়ে, য'ত এদিন আমি লগালগি হৈছিলো।"

কিন্তু সঁচাকৈয়ে আজি তাৰ কাম বা কথাত কোনোধৰণৰ উদ্যম, উৎসাহ নাই। কনিয়ে চাহ বাকিবলৈ ধৰিলে। সি ক'লে, "মোৰ চাহত গাখীৰ নিদিব।"

হঠাতে ক'ৰবাত অকণমান খিৰিকী কৰি শব্দ হওঁতেই মেলৰ্চে কাণ থিয় কৰি কৈ উঠিল, "দুৱাৰ-খিৰিকিবোৰ বন্ধ কৰি দিব লাগে।"

কনিয়ে তাক আশ্বস্ত কৰি ক'লে, "কোনো নাহে ইয়ালৈ।"

"হঠাতে কোনোবা ওলাবহি পাৰে। আহিব বুলি তেতিয়া জনাৰ উপায়ো নাথাকে। গমেই নাপাম।"

"তাতেনো কি হ'ল? চাহহে খাই আছো।"

মেলৰ্চে বহি বহিয়ে ফ্লচিক মাতি ক'লে, যাছোন ফ্লচি, কোনোবা আহিছে নেকি এবাৰ চাই আহগৈ।"

কুকুৰটো ওলাই গ'ল। কনিয়ে তাক সুধিলে, "তোমাৰ মন-চন বেয়া নেকি?"

তাৰ নীলা চকুৰ স্থিৰ দৃষ্টি কনিৰ ওপৰত নিবদ্ধ কৰি সি কৈ উঠিল, "মন বেয়া? নহয়তো। আজি অৱশ্যে দুজন অনধিকাৰ প্ৰৱেশকাৰীৰ বিৰুদ্ধে চমন জাৰি কৰিবলৈ থানালৈ যাবলগীয়া হৈছিল। এইবোৰ অলপো ভাল নালাগে।"

কথাখিনি সি কোনোমতেহে নিৰসভাৱে ক'লে। কনিয়ে মন কৰিলে তাৰ কণ্ঠত ক্ৰোধৰ প্ৰকাশ। কনিয়ে তাক আকৌ সুধিলে, "তুমি বাৰু তোমাৰ এই কামবিলাক ঘৃণাৰ চকুৰে চোৱা নেকি?"

"শেনচোৱাৰ কাম? নাই, নহয়। মই যদি অকলে থাকি কাম কৰি থাকোঁ তেতিয়া অলপো বেয়া নালাগে। কিন্তু মই থানালৈ প্ৰায়ে দৌৰা-দৌৰি কৰি থাকিবলগীয়া হয়। বহুত মানুহৰ কাৰণেও বৈ থাকিবলগীয়া হয়। তেতিয়া নানাতৰহৰ সমস্যাই মোৰ মূৰটো গৰম কৰি দিয়ে।"

কথাটো ক'বলৈ গৈ এটা ক্ষীণ ৰসিকতাৰ হাঁহি তাৰ মুখত বিৰিঙি উঠিল।

কনিয়ে সুধিলে, "তুমি চাকৰি বাদ দি সম্পূৰ্ণ স্বাধীনভাৱে থাকিব নোৱাৰিবা নে?"

"মই? পাৰিম। পেন্সনৰ টকাৰে কোনোমতে মই চলি যাব পাৰো। কিন্তু মই কাম নকৰাকৈ থাকিব নোৱাৰো। কিবা এটা কামত মই ব্যস্ত হৈ থাকিবই লাগিব। কিন্তু মোৰ মন মেজাজ অলপতেই বেয়া হৈ যায় কাৰণে মই একেটা কামতে বেছিদিন টিকি থাকিব নোৱাৰো। অৱশ্যে এই কামটোত মই বেচ ভালদৰেই কিছুদিন আছো।"

কথাখিনি কৈ সি কনিৰফালে চাই এটা পৰিহাসৰ হাঁহি মাৰিলে।

কনিয়ে আকৌ সুধিলে, "পিছে তোমাৰনো মন-মেজাজ কিয় বেয়া হ'বলৈ পায়? তোমাৰ মেজাজ সকলো সময়তে বেয়া হৈয়ে থাকে নেকি?"

"হয়। ঠিকেই কৈছে। মোৰ খিঙখিঙিয়া স্বভাৱটো মই সলনি কৰিব পৰা নাই।"

"খিঙখিঙিয়া স্বভাৱ? সেইটো আকৌ কি?"

"খিঙখিঙিয়া স্বভাৱ মানে নাজানে?"

কনি মনে মনে থাকিল। তাইৰ বৰ খং উঠিছিল। তাৰ কিন্তু সেইবোৰলৈ খবৰেই নাছিল।

কনিয়ে ক'লে, "অহা মাহত আমি কেইদিনমানৰ বাবে বাহিৰলৈ যাম।"

"ক'লৈ?"

"ভেনিচলৈ।"

"ভেনিচ? ছাৰ ক্লিফোৰ্ডৰ লগত ছাগে। কিমান দিনৰ বাবে?"

"এমাহ বা তাতকৈ অলপ বেছিদিনৰ কাৰণে। ক্লিফোৰ্ড নাযায়।"

"তেখেত ইয়াতে থাকিব?"

"অ', এই অৱস্থাত তেওঁ দেশ ভ্ৰমণ কৰিব নোখোজে।"

সহানুভূতিৰে মেলৰ্চে কৈ উঠিল, "হায় হতভাগা চয়তান।"

খন্তেক সময়ৰ বাবে দুয়ো মৌন হৈ ৰ'ল। কনিয়ে সুধিলে, "মই গ'লে তুমি মোক পাহৰি যাবা নেকি? নাপাহৰাজো?"

কনিৰ ফালে স্থিৰ দৃষ্টিৰে চাই মেলৰ্চে ক'লে, "আপুনি জানেনে এইবোৰ কথা মানুহে নাপাহৰে। আৰু এইবোৰ জোৰকৈ মনত ৰখাও নহয়।"

কনিয়ে ক'ব খুজিছিল, 'তাৰ পিছত?' কিন্তু নক'লে। তাৰ পৰিবৰ্তে তাই ক্ষীণ কণ্ঠেৰে ক'লে, "মই ক্লিফোৰ্ডক কৈছো যে মোৰ সন্তান হ'ব পাৰে।"

এইবাৰ মেলৰ্চে তীক্ষ্ণ দৃষ্টিৰে কনিলৈ চাই সুধিলে, "আপুনি কৈছে? তেখেতে কি ক'লে?"

"তেওঁ একো নাভাবে। সন্তানটি যদি তেওঁৰ সন্তান বুলি জনাজাত হয় তেন্তে তাত তেওঁৰ আপত্তি কৰিবলৈ একো নাই।"

মেলৰ্চলৈ মূৰ তুলি চাবলৈ কনিয়ে সাহস গোটাব পৰা নাছিল। বহুত সময় নিশ্চুপ হৈ থাকি মেলৰ্চে কনিৰ মুখলৈ চাই সুধিলে, "মোৰ নাম কোৱা নাইতো?"

কনিৰ উত্তৰ, "নাই, তোমাৰ নাম লোৱা নাই।"

"নাই, মোক সেই সন্তানৰ পিতৃ বুলি তেখেতে কোনোপধ্যেই মানি ল'ব নোৱাৰে। তেনেহ'লে ক'ৰপৰা সন্তান লাভ কৰাৰ সম্ভাৱনা আছে সেইটো কৈছে?"

"মই তেওঁক কৈছো যে ভেনিচলৈ গৈ মই কাৰোবাৰ প্ৰেমত পৰিব পাৰোঁ।"

মেলৰ্চে ধীৰ কণ্ঠেৰে ক'লে, "হয় পাৰে। সেই কাৰণেই আপুনি গৈছে।"

কনিয়ে মেলৰ্চলৈ বৰ নম্ৰভাৱে চাই ক'লে, "যাম। কিন্তু সঁচাকৈয়ে প্ৰেম কৰিবলৈ নহয় কিন্তু।"

"প্ৰেমত পৰাৰ ভাও দিবলৈ।"

দুয়ো মৌন হৈ ৰ'ল। মেলৰ্চে খিৰিকিৰে বাহিৰলৈ চাই ৰ'ল। তাৰ মুখত তিক্ততা আৰু ইতিকিংও মিহলি হাঁহি এটা বিৰিঙি উঠিল। সেই হাঁহি দেখি কনিৰ তাৰ প্ৰতি মনতে এটা ঘৃণাৰ ভাব জাগি উঠিল। হঠাতে মেলৰ্চে প্ৰশ্ন কৰিলে, "আপুনি তাৰমানে অলপো সাৱধান হোৱা নাছিল? ময়ো হোৱা নাছিলো।"

"মই এইবোৰ ঘিণ কৰোঁ।"

"তেনেহ'লে আপুনি সন্তানৰ বাবেহে মোক বিচাৰিছিল?" খন্তেক সময় চুপ মাৰি থাকি কনিৰ ফালে ক্ষীণ সূক্ষ্ম হাঁহি এটা মাৰি মেলৰ্চে কথাটো সুধিলে।

কনিয়ে কৈ উঠিল, "নাই, নাই। নহয়। সঁচাকৈয়ে নহয়।"

"তেনেহ'লে কোনটো সঁচা?"

তাৰ কণ্ঠত তীক্ষ্ণতা আছিল। কনিয়ে তাৰফালে খঙেৰে চাই ক'লে, "মই নাজানো।"

মেলৰ্চে জোৰেৰে হাঁহি হাঁহি ক'লে, "মই তেনেহ'লে বুৰ্বকৰ দৰে কাম এটা কৰিলোঁ।"

ইয়াৰ পাছত দুয়োজনেই মনে মনে ৰ'ল। হিম-শীতল অস্বস্তিকৰ নীৰৱতাই বিৰাজ কৰিলে দুয়োৰে মাজত।

অৱশেষত মেলর্চে ক'লে, "ঠিক আছে। মই আপোনালোকৰ চাকৰ। আপুনি যি বিচাৰে সেয়াই হ'ব। আপুনি যদি এটি সন্তান লাভ কৰে আৰু স্বামী ক্লিফোৰ্ডেও যদি সেই সন্তানক স্বীকাৰ কৰে তাত মোৰ ক্ষতি কি? তাৰোপৰি মোৰ এটি সুন্দৰ অভিজ্ঞতাও হ'ব।"

তাৰ মুখেৰে চেপা হাঁহি এটা উলিয়াই আকৌ ক'লে, "আপুনি যিদৰে আপোনাৰ প্ৰয়োজনৰ বাবে মোক ব্যৱহাৰ কৰিছে তেনেদৰে আগতেও বহুতে কৰিছে। এইটো ঠিক যে আগৰ অভিজ্ঞতাতকৈয়ো এইবাৰৰ অভিজ্ঞতা মোৰ বাবে বেছি আনন্দদায়ক হৈছে। ইয়াত অৱশ্যে গৌৰৱ বা মৰ্যাদাবোধৰ কথা নাহে।"

কনিয়ে অনুনয়ৰ সুৰত কৈ উঠিল, "প্ৰয়োজনৰ খাতিৰত মই তোমাক ব্যৱহাৰ কৰা নাই।"

মেলৰ্চে ক'লে, "মেডাম, মই আপোনাৰ ভৃত্য।"

"নহয়। তোমাৰ শৰীৰটো মোৰ ভাল লাগিছিল।"

মেলৰ্চে হাঁহিলেঁ আৰু ক'লে, "হয় নেকি? তেনেহ'লে আমাৰ দুজনৰ একেই অৱস্থা। মোৰো আপোনাৰ শৰীৰটো বৰ ভাল লাগে।"

এইবাৰ কনিৰ ফালে অদ্ভুত ধৰণেৰে চাই চেপা কণ্ঠেৰে সি তাইক সুধিলে, "এবাৰ ওপৰলৈ যাব নেকি?"

"নাই, নাই। এতিয়া নহয়।"

কথাটো ক'লেও সি যদি জোৰ কৰে তেতিয়া কনিয়ে তাক বাধা দিয়াৰ শক্তি নাই।

মেলৰ্চে মুখখন আনফালে ঘূৰাই কথাটো পাহৰিবলৈ যত্ন কৰিলে।

কনিয়ে ক'লে, "মই কেতিয়াও তোমাক আগধৰি স্পৰ্শ কৰা নাছিলো। তুমি মোক স্পৰ্শ কৰাৰ পাছতহে ময়ো তোমাক চুইছো।"

কনিৰ ফালে চাই আকৌ হাঁহি মাৰি সি সুধিলে, "আকৌ এবাৰ?"

কনিয়ে ক'লে, "নাই নাই, ইয়াত নহয়। সেই জুপুৰীটোতহে। তুমি বেয়া নাপাবা।"

"মইতো আপোনাৰ দেহ সকলো সময়তে স্পৰ্শ নকৰোঁ।"

"যেতিয়াই তুমি মোৰ কথা ভাবা তেতিয়াই মোৰ দেহটো স্পৰ্শ কৰাৰ দৰেই হয়।"

"মই আপোনাৰ কথা ভাবিলে বা আপোনাক স্পৰ্শ কৰিলে আপোনাৰ ভাল লাগেনে?"

"অ'। তোমাৰ?"

"মোৰ? লাগে মানে? এইটো সুধিবলগীয়া কথা নে? আপুনি নিজেই জানে ইয়াৰ উত্তৰ কি হ'ব পাৰে।"

কনি বহাৰ পৰা উঠিল আৰু টুপীটো হাতত লৈ ক'লে, "মই এতিয়াই যাব লাগিব।"

মেলৰ্চে শান্তভাৱেৰে সুধিলে, "এতিয়াই যাব?"

কনিৰ ইচ্ছা হৈছিল মেলৰ্চে তাইৰ দেহাটো জোৰেৰে সাবটি ধৰি যাব নালাগে বুলি কওক। কিন্তু সি একোৱেই নকৰিলে। ভদ্ৰ আৰু শান্তভাৱে থিয় দি ৰ'ল মাথোঁ।

কনিয়ে ক'লে, "চাহ খুউৱাৰ বাবে ধন্যবাদ। মোৰ চাহৰ পাত্ৰটো আপুনি স্পৰ্শ কৰাৰ বাবেও আপোনাক অশেষ ধন্যবাদ।"

কনি ৰাস্তাত উঠিলহি। এটি ক্ষীণ হাঁহিৰে তাই যোৱাৰ ফালে চাই ৰ'ল মেলৰ্চে। ফ্লচিয়ে নেজ লৰাই লৰাই তাইক আগবঢ়াই দিলেহি। কনিয়ে ধীৰ গতিৰে বনৰ মাজত সোমাই পৰিল। তাই ঠিকেই গম পালে, সি মুখত এটা হাঁহি লৈ তাইৰ ফালেই চাই আছে।

এবুকু অব্যক্ত বিষাদ আৰু বিৰক্তি লৈ কনি আহি ঘৰত সোমালহি। তাই তাক প্ৰয়োজনৰ বাবে ব্যৱহাৰ কৰিছে। কথাষাৰ তাৰ মুখৰ পৰা শুনি বেয়া লাগিল কনিৰ। কথাটো ঠিকেই কৈছে, কিন্তু তাক প্ৰকাশ কৰিব নালাগিছিল। এফালে তাৰ ওপৰত প্ৰচণ্ড খং আৰু আনফালে কথাটোৰ শান্তিপূৰ্ণ সমাধান কৰাৰ ইচ্ছাই কনিক ক্ষত-বিক্ষত কৰি তুলিলে।

মনত অশান্তি লৈয়ে চাহ খাই তাই ওপৰতলালৈ গ'ল। কিন্তু তাতো স্থিৰেৰে থাকিব নোৱাৰিলে। এবাৰ জুপুৰীটোলৈ যোৱাৰ তীব্ৰ ইচ্ছা হ'ল। সি থাককেই বা নাথাকক।

ঘৰৰ পৰা আকৌ ওলাল কনি। খং ভাব লৈয়ে তাই বনলৈ যোৱা ৰাস্তাত উঠিলগৈ। সেই পৰিষ্কাৰ খালী ঠাইকণলৈ আহি তাই দেখিলে সি খাঁণ্ডৰ পৰা মুৰ্গি উলিয়াইছে। লগতে আছে বহুত মুৰ্গি পোৱালি। পোনে পোনে মেলৰ্চৰ ওচৰলৈ গৈ তাই ক'লে, "দেখিছা, মই আকৌ আহিলো।"

কৌতুকেৰে সি ক'লে, "তাকেইতো চাইছো।"

তাই সুধিলে, "মুৰ্গিবোৰ বাহিৰলৈ উলিয়াইছা?"

"হয়, মুৰ্গিবোৰ উমনি দিয়াত ইমানেই নিমগ্ন হৈ পৰিছে যে খোৱাৰ কথাও পাহৰিছে।"

তাই লক্ষ্য কৰিলে, সঁচাকৈয়ে কেনেকুৱা অসাধাৰণ নিষ্ঠাৰে সিহঁতে উমনিত বহিছে। অলপ সময় নীৰৱে চাই ৰ'ল তাই।

এবাৰত মেলৰ্চে সুধিলে, "ঘৰৰ ভিতৰলৈ যাব নেকি?"

অবিশ্বাসৰ সুৰেৰে তাই সুধিলে, "তুমি যোৱাটো বিচাৰিছা?"

"যদি আপুনি আহে।"

কনি নিশ্চুপ হৈ ৰ'ল। মেলৰ্চে ক'লে, "আহক তেনেহ'লে।"

তাৰ সৈতে ভিতৰ সোমাল কনি। সি দুৱাৰখন বন্ধ কৰাৰ লগে লগে আন্ধাৰত

ঘৰটো ডুব গ'ল। আগৰ দৰেই সি লণ্ঠনটো জ্বলালে। তাৰ পিছত কনিক সুধিলে, "তোমাৰ তলৰ কাপোৰবোৰ খুলিছা নেকি?"

কনিয়ে ক'লে, "খুলিছো।"

মুয়ো তেনেহ'লে খুলি পেলাওঁ।"

কনিয়ে তাৰ নিৰ্দেশমতেই শুই পৰিল। তাৰ নগ্ন দেহাটো জোৰেৰে সাবটি তাই অলপ ভয় খালে। সি খাবে খাবে তাইৰ দেহ সৌন্দৰ্যৰ প্ৰশংসা কৰিলে। তাই জড় পদাৰ্থৰ দৰে নিষ্ক্ৰিয় হৈ পৰি থাকিল আনহাতে মেলৰ্চ হৈ পৰিছে অধিক সক্ৰিয়। কনিৰ হঠাতে ভাব হ'ল, এই উত্তেজিত দেহ সঞ্চালন, এই ক্ষণকালীন উচ্ছ্বাসেই হ'ল প্ৰেম। ভালপোৱা বুলি যদি কোনো বস্তু আছে তেন্তে তাৰ সকলো ৰহস্য নিহিত হৈ আছে ইয়াৰ মাজতেই। এই তুচ্ছ, অসহায়, ক্ষণোচ্ছ্বাসসৰ্বস্ব পুৰুষাংগই হৈছে স্বৰ্গীয় প্ৰেম। অথচ আধুনিক বুদ্ধিজীৱীয়ে ৰতিক্ৰিয়াক ঘৃণাৰ চকুৰে চায়। তেওঁলোকে এই কামটোকে খিল কৰে। কেনে কবিয়ে জানো কৈছিল, ঈশ্বৰৰ ৰসিকতাবোধ আছে। তেওঁ মানুহক যুক্তি, বুদ্ধি দান কৰিছে, কিন্তু তাৰ মাজতে এনে এক অন্ধ কামাবেগ সঞ্চাৰিত কৰিছে যাক পৰিতৃপ্ত কৰিবলৈ মানুহে এই বিশেষ ভংগীমাত এবাৰ উপবিষ্ট হ'বই লাগিব। মানুহে মুখেৰে সংগমক ঘৃণা কৰিলেও তাৰপৰা নিজকে প্ৰতিনিবৃত্ত কৰিব নোৱাৰে।

কনিৰ শৰীৰটো তাৰ সৈতে সংযুক্ত হৈ থাকিলেও তাইৰ মনটো বহু দূৰলৈ গুচি গৈছিল। উত্তেজনাৰ চৰম সীমাত উপনীত হোৱাৰ পাছত সিয়ো তাইৰ দেহৰ ওপৰত নিশ্চল হৈ পৰি থাকিয়ো দূৰলৈ গুচি গৈছে। আনকি তাৰ চেতনাৰ দিগন্তৰ পৰা বহু দূৰত এক অন্তহীন, প্ৰাণহীণ স্তব্ধতাত নিস্পন্দ হৈ আছে যেন। কনিৰ আত্মাই কান্দি উঠিল। সি তাইৰ পৰা আঁতৰি গৈছে। ভাটাৰ জলস্ৰোতৰ দৰে গুচি গৈছে আৰু তাই পৰিত্যক্ত এটা শিলাখণ্ডৰ দৰে নিৰ্জন উপকূলত পৰি ৰৈছে। তাৰ দেহাটোৱেই তাইৰ পৰা বিচ্ছিন্ন হোৱা নাই; বিচ্ছিন্ন হৈছে তাৰ সমগ্ৰ অন্তৰাত্মা।

দ্বৈত চেতনাৰ আঘাতত ক্ষত-বিক্ষত হৈ কান্দিবলৈ ধৰিলে কনিয়ে। সি তালৈ লক্ষ্যই নকৰিলে। তাৰ ফলত কনিৰ কান্দোন আৰু বেছি হ'ল।

সি ক'লে, "তুমি যেতিয়া ইয়ালৈ নাহা, তেতিয়া বৰ বেয়া লাগে।"

কনিয়ে আৰু জোৰেৰে কান্দিবলৈ ধৰিলে। সি সুধিলে, "কি হ'ল তোমাৰ? ইমানকৈ কান্দিবলৈ কি হৈছে? এইবিলাকতো সদায় হোৱা কথা নহয়।"

কনিয়ে ফেঁকুৰি ফেঁকুৰি ক'লে, "মই তোমাক ভাল পাব পৰা নাই। একেবাৰেই পৰা নাই।"

কথাষাৰ শুনি তাৰ হৃদয়খন ভাঙিছিঙি চুৰমাৰ হৈ গ'ল। সি তেতিয়াও কনিৰ বুকুৰ ওপৰত শুয়ে আছিল। সি তাইক সান্ত্বনা দিলে। তাই কিন্তু কান্দিয়ে থাকিল।

তাই আকৌ ক'লে, "মই তোমাক ভাল পাব বিচাৰিছো। কিন্তু পৰা নাই। কথাটো

বৰ ভয়ংকৰ লাগিছে। তিক্ততা আৰু ৰসিকতাৰে মেলৰ্চে হাঁহিলে আৰু ক'লে, "তুমি যিয়েই ভাবা, এইটো কিন্তু একেবাৰে ভয়ংকৰ কথা নহয়। এই ভালপোৱাৰ চিন্তাৰ পৰা তুমি সহজেই মুক্তি পাবা। সকলো মানুহতো সমান নহয়। সকলোৱে সকলোকে ভাল পাব নোৱাৰে।

কনিৰ বুকুৰ পৰা সি হাতখন আঁতৰাই নিলে। তাৰ স্পৰ্শৰ পৰা সম্পূৰ্ণভাৱে মুক্ত হ'ল তাই। তাৰ উপভাষাবোৰো তাইৰ ভাললগা নাছিল। তাইৰ গাৰ পৰা উঠি তাইৰ সন্মুখতেই সি কাপোৰ পিন্ধিব এতিয়া। অলপো শালীনতাবোধ তাৰ নাই। তাৰ নগ্ন চেহেৰা দেখি আনে কি ভাবিছে সি সেইবোৰ কথা নাভাবেই। মাইকেলিচ এনেকুৱা নহয়।

তথাপিও সি যেতিয়াই উঠিল তেতিয়াই তাক কনিয়ে পাগলীৰ দৰে জোৰেৰে সাবটি ধৰিলে। আৰু কাতৰ কণ্ঠেৰে ক'বলৈ ধৰিলে, "নাযাবা; মোক খং নকৰিবা। মোক ধৰা, খুব জোৰেৰে ধৰা।"

এটা অন্ধ উন্মত্ততাৰে কথাবোৰ ক'লে তাই। কিন্তু কিনো ক'লে নিজেই নাজানে। আচলতে তাইৰ মনত যি বিচ্ছিন্নতাৰ প্ৰৱণতা প্ৰবল হৈ উঠিছিল, তাৰপৰা মুক্তি বিচাৰিছিল তাই। কিন্তু সেই বাসনা বা প্ৰৱণতা ইমান প্ৰবল আছিল যে তাৰপৰা তাই মুক্তিৰ কোনো পথ দেখা নাপালে। মেলৰ্চে তাইক আকৌ দুহাতেৰে আঁকোৱালি ধৰি বুকুৰ ওপৰত শুৱাই দিলে। তাৰ নিবিড় আলিংগনৰ মাজত তাইক বৰ সৰু যেন লাগিছিল। লগে লগে তাইৰ গোটেই প্ৰতিৰোধ বাসনা অন্তৰৰ পৰা আঁতৰি গ'ল। হঠাতে শান্তিৰ সমুদ্ৰ হৈ পৰিল তাইৰ সমগ্ৰ সত্তা। মেলৰ্চৰ তপ্ত আলিংগনৰ মাজত কনিৰ শৰীৰ যেতিয়া গলি গলি কোমল হৈ পৰে তেতিয়া তাইৰ খুব ভাল লাগে। লগে লগে কামনাৰ অসহনীয় উত্তাপ এটাই তাইৰ দেহৰ প্ৰতিডাল শিৰাৰ তেজখিনি টগবগ কৰি উতলাই পেলালে। সেই অদম্য অথচ শান্ত কামনাৰ তাড়নাৰ্ত মেলৰ্চে কনিৰ দেহত হাত ফুৰাবলৈ ধৰিলে। কনিৰ এনে লাগিল যেন সি কামনাৰ জ্বলন্ত অগ্নিপিণ্ড এটাত পৰিণত হৈছে। জ্বলন্ত হ'লেও সেই কামনা স্নিগ্ধস্পৰ্শী। তাই ধৈৰ্য ধৰিব নোৱাৰিলে। নিজকে সঁপি দিলে তাৰ মাজত।

পুনৰ জাগি উঠিল তাৰ ৰতিক্লান্ত আৰু অবনতমুখী পুৰুষাংগ। তাৰ পুৰুষাংগটি বৰ ভয়ংকৰ লগতে নিষ্ঠুৰো। তীক্ষ্ণ ধাৰাল অস্ত্ৰৰ দৰে প্ৰবেশ কৰে তাইৰ অভ্যন্তৰত। কিন্তু পিছ মুহূৰ্ততে শান্তি পালে কনিয়ে। সৃষ্টিৰ আদিতে যি পৰিব্যাপ্ত প্ৰশান্তিয়ে শিশুবিশ্বক ঢাকি ধৰিছিল, সেই আদিম প্ৰশান্তিৰ এটি ঢৌ তাইৰ বুকুৰ মাজতো খেলিবলৈ ধৰিলে। সেই বন্যাৰ উত্তাল ব্যাপ্তি আৰু চঞ্চলতাৰ মাজত নিজকে উটুৱাই দিলে কনিয়ে। নিজৰ ঘূৰিবলৈ তাইৰ একোৱে নাথাকিল।

তাইৰ এনে লাগিল যেন তাই গোটেই মানুহজনী হঠাতে এখন সাগৰলৈ পৰিবৰ্তন হ'ল। এখন অন্ধকাৰ সমুদ্ৰ তাইৰ বুকুৰ মাজত উত্তাল হৈ পৰিছে। সেই অতল অন্ধকাৰ

সমুদ্ৰ তলিৰ সন্ধানত তাই নামি পৰিছে। তাই যিমানেই নামে সাগৰখন সিমানেই ফাঁক হৈ গৈছে, উন্মোচিত হৈছে তাৰ অতলান্তিক গভীৰতা। তাৰ পিছত এটা প্ৰবল আলোড়ন আৰু কম্পনৰ জৰিয়তে তাই সমুদ্ৰৰ তলি বিচাৰি পালে। অৱশেষত সেই সমুদ্ৰৰ গভীৰতম প্ৰদেশত শুই থকা সত্তাৰ অদৃশ্য প্ৰান্তভূমিক স্পৰ্শ কৰিলে তাই। সেই স্পৰ্শৰ বিৰল অনুভূতিৰ অতল তলিত তাই নিজেও সোমাই পৰিল। তাই তাইৰ মাজত নাথাকিল। এই অভিজ্ঞতা অভূতপূৰ্ব, এই পুলক অননুভূতপূৰ্ব। এই অভূতপূৰ্ব, অনাস্বাদিতপূৰ্ব অভিজ্ঞতাৰ ফলত তাই নৱজন্ম লাভ কৰিলে। তাই সম্পূৰ্ণ নাৰী হৈ উঠিল।

কি যে সুন্দৰ! যিমানেই স্তিমিত হৈ আহিল ৰতিক্ৰিয়াৰ তৎপৰতা, যিমানে কমিবলৈ ধৰিলে আৱেগৰ প্ৰচণ্ডতা, সিমানেই তাইৰ বেছি ভাল লাগিবলৈ ধৰিলে। তাই তাক হৃদয়ৰ সমস্ত প্ৰেম ভালপোৱাৰে সাবটি ধৰি থাকিল। শিথিল হৈ অহা পুৰুষাংগটিক ধৰাৰ ইচ্ছা মনলৈ আহিল তাইৰ। তাইৰ প্ৰাণৰ সমস্ত ভালপোৱা এই অংগটিৰ প্ৰতি উজাৰি দিলে। আজি প্ৰথমবাৰৰ বাবে তাই সচেতন হৈ উঠিল এই ফুলৰ দৰে কোমল গোপন অংগটিৰ প্ৰতি। এটা অব্যক্ত বিস্ময়ৰ অস্ফুট ধ্বনি স্বতঃস্ফূৰ্তভাৱে প্ৰকাশ পালে তাইৰ নাৰীমনৰ গভীৰৰ পৰা। তাই কৈ উঠিল, "কি সুন্দৰ, সঁচায়ে কি সুন্দৰ!"

মেলৰ্চে কিন্তু একোৱেই নক'লে। তাইৰ বুকুৰ ওপৰত শুই শুই সি তাইৰ মুখত চুমা খালে। সদ্যজাত প্ৰাণীৰ দৰে তাৰ মুখৰ পৰা বিস্ময়া বিমিশ্ৰিত আনন্দৰ অস্ফুট ধ্বনি বাহিৰ হ'ল।

এই মানুহটোৰ কথা ভাবি তাইৰ বৰ আচৰিত লাগিল। তাক ভালকৈ নাজানিলেও তাৰ পুৰুষত্বৰ এটা আশ্চৰ্য স্পৰ্শ তাইৰ প্ৰতিটো অংগ-প্ৰত্যংগৰ প্ৰতিটো জীৱকোষত অনুভৱ কৰিছে। এতিয়াও তাইক তাৰ হাত দুখনে ধৰিয়ে আছে। এতিয়াও ভয় কৰিছে। ভয় কৰিছে তাৰ সেই সৰু পুৰুষাংগটোক, যি হঠাতে এক প্ৰচণ্ড আঘাতেৰে এটা তীব্ৰ আলোড়ন তুলি তাইৰ দেহৰ অভ্যন্তৰলৈ যায়।

কনিয়ে তাইৰ হাত দুখন তাৰ পিঠিৰ পৰা নমাই আনি তাৰ পুৰুষাংগটোক স্পৰ্শ কৰিলে। তাই আগতে জনাই নাছিল যে এই উত্তপ্ত আৰু প্ৰাণৱন্ত বস্তুটোক স্পৰ্শ কৰিলে এক অনিৰ্বচনীয় আনন্দ পোৱা যায়। অথচ আগতে ইমান ঘৃণা কৰিছিল ইয়াক। জীৱনৰ মাজত যেন আৰু এটি জীৱন। কি মনোৰম আৰু প্ৰাণৱন্ত সৌন্দৰ্য।

আকৌ হঠাতে ভয়ে ভয়ে তাই তাক আঁকোৱালি ল'লে। সি একো কোৱা নাই। মাত্ৰ নিবিড়ৰ পৰা নিবিড়তম হৈ তাইক ধৰি আছে। তাৰ এই নিবিড়তালৈ ভয় লাগে কনিৰ। তায়ো তাক আৱেগেৰে সাবটি ধৰিলে। তাই অনুমান কৰিলে তাৰ পুৰুষাংগটো ধীৰে ধীৰে আকৌ জাগি উঠিছে।

তাই যেন চেতনাহীন হৈ পৰিল। তাইৰ সমগ্ৰ অন্তৰাত্মা চেতনাহীনভাৱেই কঁপিবলৈ

ধৰিলে। সি একো ধৰিব পৰা নাছিল। ভাবিছিল এই কঁপনি পুলকৰ। ৰোমাঞ্চৰ। এই কম্পন কিমান সময় আছিল ক'ব নোৱাৰি। স্থিৰ হৈ পৰাৰ পাছতে সিয়ো স্তব্ধ হৈ পৰিল। অপৰিমেয়ভাৱে গভীৰ আৰু নীৰৱ-নিস্তব্ধতাৰ মাজত দুয়ো বিলীন হৈ পৰিল।

যেতিয়াই বাহিৰা জগতৰ বিষয়ে তাইৰ চেতনা জাগ্ৰত হ'ল তেতিয়াই তাই তাক ধৰি লৈ ক'বলৈ ধৰিলে, "মই তোমাক ভাল পাওঁ। মোৰ সোণটো, বৰ ভাল পাওঁ তোমাক।"

সিয়ো তাইক সাবটি ধৰি কৈ উঠিল, "তুমি মোৰ, মাথোঁ মোৰ।" কনিয়ে তাক সুধিলে, "তুমি মোক ভাল পোৱাতো?"

সি উপভাষাৰে উত্তৰ দিলে, "এইটো তুমি জানাই।"

কনিয়ে ক'লে, "ভালকৈ কোৱা।"

"সঁচায়ে মই অনুভৱ কৰোঁ।"

প্ৰেম-ভালপোৱাৰ ক্ষেত্ৰত সি সঁচায়ে বৰ শান্ত আৰু আত্মস্থ। কনিৰ দৰে আৱেগৰ উচ্ছ্বাস তাৰ মাজত নাই। কনিয়ে তাৰ ভালপোৱাৰ পৰিমাণ কিমান তাকহে চাব খুজিছিল। কনিয়ে আকৌ ফুচফুচাই ক'লে, "মোক ভালপোৱা তুমি। বহুত ভালপোৱা।"

মেলৰ্চে কনিৰ গাত হাত ফুৰাবলৈ ধৰিলে। কনি যেন এটি সুগন্ধি ফুল। কনিয়ে যেন এটা অবুজ আৱেগৰ বশৱৰ্তী হৈ তাৰ ভালপোৱাখিনিক হাতৰ মুঠিত ধৰি ৰাখিব বিচাৰিছে। তাই তাক আকৌ ক'লে, "তুমি মোক গোটেই জীৱন ভাল পাই থাকিবা।"

প্ৰত্যুত্তৰত সি মাথোঁ অ' বুলিহে ক'লে। কনিৰ ভাব হ'ল এই প্ৰশ্নই তাক বহুদূৰলৈ লৈ গৈছে।

অৱশেষত সি ক'লে, "এতিয়া আমি উঠো নেকি?"

কনিয়ে বুজি পালে বাহিৰৰ শব্দ শুনাৰ আশংকাত তাৰ কাণ সজাগ হৈ পৰিছে।

"আন্ধাৰ হৈ গ'ল।"

তাৰ কথাৰ সুৰত কামৰ চাপ পৰাৰ আভাস পোৱা গ'ল। তাই তাক বিদায়ৰ ভংগীৰে চুমা খালে।

সি কাপোৰ পিন্ধিবলৈ ধৰিলে। লণ্ঠনৰ পোহৰত তাৰ চকু-মুখ, চুলি বৰ ধুনীয়া লাগিছে। তাক আগতে ইমান ধুনীয়া তাই দেখা নাছিল। সিহঁত দুটাৰ মাজত আছে তন্দ্ৰাচ্ছন্ন দূৰত্বৰ অনতিক্ৰম্য ব্যৱধান। তাই তাক পৰিপূৰ্ণভাৱে কোনোদিনেই নাপায়।

মেলৰ্চেও তাইক বৰ ধুনীয়া দেখিলে। সিয়ো হঠাতে কৈ উঠিল, "মই তোমাক বৰ ভাল পাওঁ। তোমাৰ কাৰণে মই যিকোনো কাম কৰিব পাৰিম, যিকোনো ঠাইলৈয়ো যাব পাৰিম।"

তাৰ কথাই তাইৰ অন্তৰ স্পৰ্শ কৰিলে। তাই ক'লে, "তুমি মোক সঁচায়ে পছন্দ কৰা?"

সি ক'লে, "মই তোমাক ইমানেই ভাল পাওঁ যে তোমাৰ কাৰণে মই যিকোনো কাম কৰিব পাৰিম।"

সেইবুলি কৈ সি তাইৰ কাষত বহি পৰি তাৰ গাল দুখনেৰে তাইৰ গাত ঘঁহিবলৈ ধৰিলে।

কনিয়ে সুধিলে, "তুমি মোক কেতিয়াও এৰি নোযোৱা?"

"এইটো কথা নুসুধিবাই।"

"মই যে তোমাক ভাল পাওঁ সেইকথা বিশ্বাস কৰিছাতো?"

"তুমি মোক আজি প্ৰথমবাৰৰ বাবে ভাল পালা। ইয়াত। এইমাত্ৰ। ইয়াৰ আগতে তুমি মোক ভালপোৱা নাছিলা। আৰু ভৱিষ্যতে কি হ'ব, কি ঘটিব, এইবোৰ আমি জানিব পাৰিম?"

"এইবিলাক কথা নক'বা। আৰু তুমি কেতিয়াও নাভাবিবা যে মই তোমাক প্ৰয়োজনৰ খাতিৰত ব্যৱহাৰ কৰিছো।"

"তাৰ মানে?"

"তাৰমানে, সন্তানৰ কাৰণে।"

মোজাযোৰ ভৰিত সুমুৱাই সি কৈ উঠিল, "মোৰ সন্তানো যে কোনোবাই ধাৰণ কৰিব পাৰে!"

"নাই, নক'বা। এনেকুৱা কথা নক'বা।"

কনিৰ ফালে চাই ভ্ৰূ কুঞ্চিত কৰি সি ক'লে, "ঠিক আছে।"

কনি তেতিয়া শুই পৰিছিল। মেলৰ্চে লাহেকৈ দুৱাৰখন খুলি বাহিৰলৈ ওলাল। নীলা আকাশখন ক'লা হৈ পৰিছে। তাই তেতিয়াও শুই শুই মানৱী জীৱন আৰু সন্তাৰ কথা পৰম বিস্ময়েৰে ভাবিবলৈ ধৰিলে।

কাম শেষ কৰি উভতি আহি মেলৰ্চে তাইৰ ওচৰতে এখন টুলত বহি তাইৰ গাত হাত থৈ ক'লে, "তুমি এৰাতি থকাকৈ মোৰ ঘৰলৈ আহা।"

ৰসিকতাৰ সুৰত তাৰ উপভাষাৰ সুৰ অনুকৰণ কৰি তায়ো ক'লে, "থাকিম।"

"থাকিবা। মোৰ ওচৰত শুবা, টোপনি যাবা। এতিয়া মই মাত্ৰ ভাবিছো, তুমি কেতিয়া আহিবা?'

"কেতিয়া আহিম?"

"সঁচাকৈয়ে তুমি আহিবা? কেতিয়া আহিবা?"

"হয়তো দেওবাৰে।"

মেলৰ্চে হাঁহি মাৰি প্ৰতিবাদৰ সুৰত ক'লে, "নাই, তুমি আহিব নোৱাৰিবা।"

"কিয় নোৱাৰিম?"

কনিয়ে তাৰ কথা নকল কৰাত সি আকৌ হাঁহিলে আৰু ক'লে, "তুমি বৰ ভাল।"

"ভাল মানে?"

"ভাল মানে নাজানা? মই তোমাৰ সৈতে সংগম কৰাৰ সময়ত তোমাৰ পৰা মই যি পাওঁ, তুমি মোৰ পৰা যি পোৱা।" কনিয়ে ইতিকিঙৰ সুৰত ক'লে, "তাৰমানে ভাল মানে হ'ল যৌন মিলন?"

মেলৰ্চে ক'লে, "নহয়, যৌন মিলন জন্তুৰো হয়। তুমি নিশ্চয় সিহঁতত‌কৈ ওপৰত আৰু তাতেই তোমাৰ নাৰী জীৱনৰ আচল সৌন্দৰ্য প্ৰকাশ পায়।"

কথাখিনি কৈ কৈ সি কনিৰ মুখত হাত বুলাইছিল। কনিয়ে উঠি এবাৰ তাৰ কপালত চুমা খালে। সেই সময়ত সি কনিলৈ চালে আৰু তাৰ চকুদুটা বৰ ধুনীয়া লাগিছিল।

কনিয়ে ক'লে, "হয় নেকি? মই বৰ ভাল? তুমি মোৰ কথা ভাবা?"

একো নকৈ সি তাইক চুমা খালে। তাৰ পিছত ক'লে, "তুমি এতিয়া যোৱা।"

কথাষাৰ কৈ সি কনিৰ ভৰিত স্পৰ্শ কৰিলে। তাৰ সেই স্পৰ্শত কামনাৰ উত্তাপ নাছিল। আছিল এটা শান্ত নিবিড় অন্তৰংগতা।

অৱশেষত তাই যেতিয়া সন্ধিয়া ঘৰ পালেহি তেতিয়া তাইৰ গোটেই পৃথিৱীখনক সপোনৰ দৰে লাগিল। পাৰ্কৰ গছবোৰ যেন জোৱাৰে প্লাবিত কৰা একোখন জাহাজ আৰু ঘৰৰ সন্মুখৰ এটলীয়া পথছোৱা এটি জীৱন্ত ঢৌ।

ত্ৰয়োদশ অধ্যায়

দেওবাৰৰ দিনা ক্লিফোৰ্ডে বনলৈ যাবলৈ ইচ্ছা কৰিলে। এটি বৰ মনোৰম বাত্তিপুৰা। গোটেই বননি জুৰি বগা বগা পিয়াৰ ফুল আৰু প্ৰাম গছৰ ফুলবোৰ ফুলি আছে।

সমগ্ৰ পৃথিৱী যেতিয়া ফুলি উঠা ফুলপাহৰ দৰে ধুনীয়া হৈ পৰে তেতিয়া ক্লিফোৰ্ডক এখন চকীৰ পৰা আন এখন চকীলৈ ধৰি ধৰি বহুৱাই দিব লাগে। এয়া যে নিকৰুণ নিয়তিৰ নিষ্ঠুৰ বিধান। কিন্তু ক্লিফোৰ্ডে একো নাভাবে। বৰঞ্চ তেওঁৰ পংগুত্বক লৈ একধৰণৰ গৰ্ববোধহে কৰে। এতিয়াও কনিয়ে তেওঁৰ ভৰি দুটা ধৰি এঠাইৰ পৰা আনঠাইত তুলি দিব লাগে। কনি কাষত নাথাকিলে মিছেছ্ বল্টন বা ফিল্ডে কৰিবলগীয়া হয়।

কনিয়ে ওখ ঠাইটুকুৰাত বৈ ক্লিফোৰ্ডলৈ অপেক্ষা কৰিলে। ক্লিফোৰ্ডৰ মটৰচালিত চকীখন ধীৰ গতিৰে ওখ অংশটোলৈ উঠিবলৈ ধৰিলে। কনিৰ কাষ পাই ক্লিফোৰ্ডে ক'লে, "ছাৰ ক্লিফোৰ্ডে তেজী ঘোঁৰাৰে পাহাৰত উঠিছে।" কনিয়ে হাঁহি হাঁহি ক'লে, "হয়, কিন্তু বৰ কষ্টেৰে।" ক্লিফোৰ্ডে খন্তেক বৈ ৰাগবিহ্বলৈ এবাৰ উভতি চালে। তাৰ পিছত ক'লে, "ক'তা, ৰাগবিয়ে মোক দেখি দুখতে চকুলো টোকা নাই। টুকিবইনো কিয়? মই বিকলাংগ যদিও বুদ্ধিমত্তাৰ দিশত চূড়ান্ত অৱস্থাত উপনীত হৈছো আৰু এই উত্থানে যিকোনো ঘোঁৰাকে হৰুৱাই দিব।"

কনিয়ে ক'লে, "ময়ো সেই বুলিয়ে ভাবো। এদিন প্লেটোৰ আত্মাই স্বৰ্গলৈ বুলি দুটা ঘোঁৰাই টনা ৰথত গৈছিল আৰু এতিয়া ফোৰ্ড গাড়ীত যাব।"

"ফোৰ্ড নহয়, ৰলচ ৰয়েচ বুলি কোৱা। প্লেটো নিজেও এজন অভিজাত সমাজৰ মানুহ আছিল।"

"হয়। প্লেটোৱে তেওঁৰ সময়ত ভাবিবই পৰা নাছিল যে এদিন বগা ঘোঁৰা, ক'লা ঘোঁৰাই টনা গাড়ীৰ প্ৰয়োজনেই নাথাকিব। চলিব মাত্ৰ ইঞ্জিন।

"ইঞ্জিন আৰু গেছেই সকলো কাম কৰিব। মই ভাবিছো, অহা বছৰ পুৰণি ঠাইখনৰ মেৰামতি কৰিব পৰা যাব। খুব সম্ভৱ হাজাৰ পাউণ্ড খৰচ হ'ব।"

"খুব ভাল কথা। যদিহে ধৰ্মঘট নহয়।"

এতিয়ানো আকৌ ধৰ্মঘটৰ কি প্ৰয়োজন আছে বুজি নাপাওঁ। এইবোৰে শিল্প উদ্যোগটোৰে ক্ষতি কৰে। ইয়াৰ পৰিণাম কি হ'ব? নিশ্চয় ফেঁচাবোৰে নিজৰ কাৰ্যসিদ্ধি কৰাৰ চেষ্টা কৰিছো।

"সিহঁতে ছাগে শিল্পৰ ক্ষতিৰ কথা গ্ৰাহ্যই নকৰে।"

ক্লিফোৰ্ডে ক'লে, "ল'ৰা-ছোৱালীৰ নিচিনাকৈ কথা নক'বা। এই শিল্প উদ্যোগে সিহঁতৰ পেট ভৰায় ঠিকেই, কিন্তু পকেটভৰ্তি টকা নিদিয়ে।"

ক্লিফোৰ্ডৰ কথাৰ সুৰত মিছেছ্ বল্টনৰ প্ৰভাৱ সুস্পষ্ট।

কনিয়ে বৰ সহজভাৱে সুধিলে, "কিন্তু তুমি এদিন কৈছিলা যে তুমি এজন ৰক্ষণশীল নৈৰাশ্যবাদী।"

ক্লিফোৰ্ডে লগে লগে উত্তৰ দিলে, "মোৰ কথাটো তুমি ঠিক বুজা নাই। মই ক'ব বিচাৰিছো যে এই মানুহবোৰে যাক সুখ বুলি কয় বা কৰে, তাক অনুভৱো কৰিব পাৰে। কিন্তু সেয়া সম্পূৰ্ণ ব্যক্তিগত কথা। জীৱনৰ উদ্দেশ্যৰ পৰা আঁতৰি আহিব নালাগে।"

কনিয়ে নীৰৱে আগবাঢ়িল। তাৰ পিছত গভীৰ আত্ম-প্ৰত্যয়েৰে ক'লে, "তোমাৰ কথা শুনি এনে লাগিছে যেন কণীৰ খোলাটো ভালে থাকিলেই কণীটোও সদায়ে ভালে থাকিব।"

ক্লিফোৰ্ডে উত্তৰ দিলে, "মানুহ আৰু কণী একে বস্তু নহয়।"

উজ্জ্বল পুৱাটোত হাঁহি-স্ফুৰ্তিৰে থকা ক্লিফোৰ্ডকো বৰ উজ্জ্বল দেখা গৈছিল। পাৰ্কৰ আকাশৰ ওপৰত চিলবোৰ উৰি ফুৰিছিল। দূৰৈৰ খাদৰ পৰা ধোঁৱা উৰিছিল। সকলোবোৰ আগৰ দৰেই আছে। ক্লিফোৰ্ডৰ সৈতে কনিৰ তৰ্ক কৰাৰ ইচ্ছা নাছিল আনহাতে তেওঁৰ সৈতে ঘূৰি ফৰিবলৈয়ো ইচ্ছা নাছিল। তাই অনিচ্ছাৰে তেওঁৰ চকীখনৰ কাষে কাষে গৈ থাকিল। এটা সময়ত ক্লিফোৰ্ডে ক'লে, ঠিকমতে কামবোৰ চোৱা-চিতা কৰিলে ধৰ্মঘট নহয়।"

কনিয়ে সুধিলে, "কিয় নহয়?"

"ধৰ্মঘট কৰাটো যিমান দূৰ পাৰি অসম্ভৱ কৰি তুলিব লাগিব।"

"কিন্তু শ্ৰমিকবোৰে তোমাক এৰি দিব জানো?"

"সেই কথা আমি সিহঁতক নোসোধো। আমি কেৱল শিল্প-উদ্যোগটো জীয়াই ৰাখিবলৈ আৰু সিহঁতৰ মংগলৰ কাৰণেই যাতে ধৰ্মঘট নহয় তাৰ ব্যৱস্থা কৰিব লাগিব।"

"তোমাৰ মংগলৰ বাবেও নিশ্চয়।"

"স্বাভাৱিকতেই সকলোৰে মংগলৰ বাবে। কিন্তু মোৰ মংগলতকৈয়ো সিহঁতৰ বেছি। কাৰণ খনি অবিহনেও আমি চলি থাকিব পাৰিম, কিন্তু সিহঁতে নোৱাৰে। খনি বন্ধ হৈ গ'লে সিহঁতে খাবলৈকে নাপাব, কিন্তু আমাৰ আন সংস্থান আছে।"

কথা পাতি পাতি গৈ থাকোঁতে তেওঁলোকে কয়লা গুৰিয়ে ঢাকি ৰখা তেভাৰচাল গাঁৱৰ ক'লা ক'লা ঘৰবোৰৰ ফালে চালে। এনে লাগিছিল যেন এডাল ক'লা সাপৰ দৰে পাহাৰৰ ওপৰলৈ একা-বেঁকাকৈ এই ঘৰবোৰ উঠি গৈছে। বাদামী ৰঙৰ গীৰ্জা ঘৰটোৰ পৰা ঘণ্টাধ্বনি ভাহি আহি সোঁৱৰাই দিছিল যে আজি দেওবাৰ।

কনিয়ে সুধিলে, "সিহঁতে তোমাৰ চৰ্ত মানি ল'বনে?"

"সোণজনী, সিহঁতেতো মানি ল'বই লাগিব।"

"উভয়পক্ষৰ মাজত এটা মীমাংসা হোৱাটো সম্ভৱ নহয় নেকি?"

"নিশ্চয় সম্ভৱ হ'ব। সিহঁতে যেতিয়া বুজি পাব যে এই শিল্প ব্যক্তিস্বাৰ্থৰ উৰ্ধ্বত, তেতিয়াই ই সম্ভৱ হৈ পৰিব।"

"কিন্তু এই শিল্পৰ ওপৰত তোমাৰ মালিকীস্বত্ব খুবেই জৰুৰী নেকি?"

"খুব জৰুৰী হয়তো নহয়। কিন্তু মই মালিক যেতিয়া তাকতো ৰক্ষা কৰি চলিবই লাগিব। যীশু আৰু চেইণ্ট ফ্ৰান্সিচৰ সময়ৰ পৰাই সম্পত্তিৰ অধিকাৰক এটা পবিত্ৰ ধৰ্মীয় কথা বুলি মানি অহা হৈছে। তোমাৰ ওচৰত যি আছে তাক দুখীয়াৰ মাজত বিলাই দিলেই সমস্যাৰ সমাধান নহয়। সেইটো নকৰি তুমি এনেকুৱা কাম কৰিব লাগিব যিয়ে উন্নতি সাধন কৰে আৰু দুখীয়াই কৰ্ম-সংস্থাপন পায়। তাকে নকৰিলে উন্নতিয়ো নহয়, দুখীয়াইয়ো নাখাই মৰিব। সিহঁতৰ দৰিদ্ৰতা আৰু বাঢ়ি যাব।"

"কিন্তু ধনী-দুখীয়াৰ অসমতা কেনেকৈ কমিব?"

"এয়া হৈছে ভাগ্য। বৃহস্পতি গ্ৰহ নেপচুনতকৈ কিয় ডাঙৰ? এনেকুৱা বহুত কথাই তুমি সলাই পেলাব নোৱাৰা।"

"কিন্তু এই হিংসা, ঈৰ্ষা, অসন্তোষৰ আৰম্ভণি প্ৰথম কেতিয়া হ'ল?"

"আৰম্ভ যেতিয়াই হ'ল, হ'বলৈ দিয়া। এইবিলাক বন্ধ কৰাৰ চেষ্টা কৰা আৰু প্ৰতিষ্ঠান থাকিলে কোনোবা নহয় কোনোবা মালিক হ'বই।"

"কিন্তু মালিক কোন হ'ব?"

"যিসকল সম্পত্তিৰ মালিক আৰু যিয়ে কল-কাৰখানা বা শিল্প-উদ্যোগসমূহ চলায়।"

খন্তেক দুয়ো নিশ্চুপ হৈ ৰ'ল। তাৰ পিছত কনিয়ে হঠাতে মাত লগালে, "সিহঁত কিন্তু বৰ বেয়া মালিক।"

"তুমি তেনেহ'লে কৈ দিয়া তেওঁলোক কেনেকুৱা হোৱা উচিত।"

"সিহঁতে সিহঁতৰ কৰ্তব্যক সঠিকভাৱে পালন নকৰে।"

"সিহঁতে সেইটো কৰেহে। বৰঞ্চ তুমিহে তোমাৰ 'লেডী' উপাধিটোক দায়িত্ব সহকাৰে গ্ৰহণ নকৰা।"

"এইবাৰ মোক আক্ৰমণ কৰিলা। মই কিন্তু সঁচায়ে এইবোৰ উপাধি বিচৰা নাছিলো।"

ক্লিফোৰ্ডে তেওঁৰ চকীখন হঠাতে ৰখাই কনিৰ মুখলৈ চালে আৰু ক'লে, "এতিয়া তেনেহ'লে কোনে দায়-দায়িত্ব এৰাই চলাৰ কথা কৈছা?"

কনিয়ে ক'লে, "মই মালিকীস্বত্ব বা উপাধি নিবিচাৰো।"

ক্লিফোৰ্ডে কৈ উঠিল, "কথাতো সেইটোৱে। তোমাৰ কপালত মালিক হ'বলগীয়া আছিল আৰু সেইটো তুমি গোটেই জীৱন জুৰি হ'ব লাগিব। কোনে খনি শ্ৰমিকৰ

জীৱন-ধাৰণৰ বাবে উপযোগী বস্তুৰ যোগান ধৰিছে? কোনে সিহঁতক ৰাজনৈতিক স্বাধীনতা, শিক্ষা, স্বাস্থ্য, নৃত্য-গীত আদি সকলো উপকৰণ দান কৰিছে? একমাত্র ৰাগবি আৰু চিপলে'ৰ মালিকেই সেইবোৰ কৰিছে আৰু চিৰদিন কৰি থাকিব। ইয়াতেই তোমাৰ দায়িত্বৰ কথা আহি পৰিছে।"

কথাবোৰ বুজি লাজত ৰঙা-ছিঙা পৰিল কনি। তাই ক'লে, "সেইখিনি আমি দিম। কিন্তু তাৰ আগতে মই কথা এটা ক'ব খুজিছো। শ্রমিকে তোমাৰ ওচৰত নিজকে বিক্রী কৰি দিছে। তাৰ বিনিময়ত সিহঁতক তুমি অলপ টকা দিয়া। সিহঁতৰ শ্রমৰ বিনিময়ত তোমালোকে বহুত লাভ কৰা। তোমালোকে সিহঁতৰ জীৱনৰ সকলো সুষমা আৰু মনুষ্যত্ব কাঢ়ি লৈছা। সিহঁতক অকণো আন্তৰিক সহানুভূতিয়ো নজনোৱা। তোমালোকে মাথোঁ সিহঁতৰ মনত এটা শিল্পগত সমস্যাৰ ভয় সুমুৱাই দিছা।"

"মই কি কৰিম? সিহঁতক মোৰ ওচৰলৈ আহিবলৈ কোৱা।"

"কিয় তেভাৰচাল গাঁওখন দেখিবলৈ ইমান কুৎসিত আৰু ভয়ংকৰ? সিহঁতৰ জীৱন কিয় ইমান হতাশাৰে ভৰা?"

"সিহঁতে গাঁওখনক নিজৰ মতে গঢ়ি লৈছে। সিহঁতে গাঁওখনৰ জৰিয়তে স্বাধীনতাৰ পৰিচয় দিছে। সিহঁতে সিহঁতৰ হাতেৰে গঢ়া সিহঁতৰ বাবে সুন্দৰ গাঁও এখনত সুন্দৰভাবে জীৱন-যাপন কৰে। সকলোৱেই নিজৰ নিজৰ জীৱন-যাত্ৰাত অভ্যস্ত।"

"সিহঁতে কিন্তু তোমাৰ কাৰণেই কাম কৰে। তোমাৰ কয়লাখনিতেই সিহঁতে জীৱনপাত কৰিছে।"

"একেবাৰেই নহয়। প্ৰত্যেকেই স্বাধীনভাৱে জীৱন নিৰ্বাহ কৰিছে। কাকো মোৰ কাৰণে কাম কৰিবলৈ বাধ্য কৰা নাই।"

"সিহঁতৰ জীৱন একেবাৰে শিল্পসৰ্বস্ব হৈ পৰিছে। সিহঁতে সকলো আশা-আকাংক্ষা হেৰুৱাই পেলাইছে।"

"মই সেইবুলি নাভাবো। এইটো কথাৰ কথাহে। তুমি সিহঁতৰ মাজত এটাও হতাশগ্ৰস্থ মানুহ বিচাৰি নাপাবা।"

কথাটো যে সঁচা সেয়া কনিয়েও জানে। তাইৰ চকু দুটা জ্বলিছিল। এটা প্ৰতিবাদী আবেগৰ উত্তাপত গাল দুখন ৰঙা পৰিছিল। তাৰ মাজত হতাশাৰ বিষাদ মাছিল। তাই পথৰ দুয়োকাষে থকা ঘাঁহ-বনবোৰলৈ চাই ভাবিলে, কিয় তাই অকাৰণে ক্লিফোৰ্ডৰ ওপৰত খং কৰি সকলো ক্ষেত্ৰতে দোষী সাব্যস্ত কৰে। তাই আচৰিত হয়, কোনো কাৰণ বিচাৰি নাপায়। অথচ তাই ক্লিফোৰ্ডক ক'বও নোৱাৰে তাইৰ খঙৰ উৎস ক'ত বা তাৰ দোষ ক'ত। তথাপিও তাই ক'লে, "সিহঁতে যে তোমাক ঘৃণা কৰে সেই বিষয়ে সন্দেহ নাই।"

ক্লিফোৰ্ডে ক'লে, "নাই নকৰে। তোমাৰ ভ্ৰান্তিক সিহঁতৰ ওপৰত আৰোপ নকৰিবা।

পাহৰি নাযাবা সিহঁত মানুহ নহয়, সিহঁত জন্তু। তুমি বুজি পোৱা নাই। সাধাৰণ জনতা সদায়ে একে থাকে আৰু থাকিব। নীৰোৰ ক্ৰীতদাস, আজিৰ খনিশ্ৰমিক বা ফোৰ্ড মটৰ গাড়ীৰ শ্ৰমিকৰ মাজত কোনো পাৰ্থক্য নাই। নীৰোৰ শ্ৰমিক বা খেতিকৰা মজদুৰৰ মাজতো পাৰ্থক্য নাছিল। জনগণৰ প্ৰকৃতি সৰ্বকালতে এক আৰু অপৰিবৰ্তিত। সমাজবিজ্ঞানৰ ই এটা গুৰুত্বপূৰ্ণ বিষয়। চাৰ্কাচ খেলৰ প্ৰশিক্ষণৰ দৰেই লোকশিক্ষা হৈছে অৰ্থহীন বিকল্প। ই জনগণৰ মনত বিষবাষ্প বিয়পাই মাথোঁ।"

সাধাৰণ মানুহৰ কথা ক'বলৈ পালে ক্লিফোৰ্ড ইমান আবেগিক আৰু উত্তেজিত হৈ পৰে যে কনি ভয়ত কঁপি উঠে। তেওঁৰ কথাৰ মাজত এটা ভয়ংকৰ সত্য লুকাই থাকে। কিন্তু সেই সত্য বৰ বিধ্বংসী আৰু সৰ্বঘাতী। কনিৰ মুখখন নীৰৱ আৰু হঠাতে ম্লান হৈ পৰা দেখি ক্লিফোৰ্ডে চকীখন চলাবলৈ ধৰিলে। কোনেও আৰু কথা নবঢ়ালে। গেইটৰ কাষ পাইহে ক্লিফোৰ্ডে চকীখন ৰখালে। তাই নীৰবে গেইটখন খুলি দিলে। ক্লিফোৰ্ডে আকৌ আৰম্ভ কৰিলে, "জনগণ চিৰকালেই শাসিত হৈ আহিছে আৰু তেনেদৰেই থাকিব। জনগণে নিজকে নিজে শাসন কৰা কথাটো ভণ্ডামি বা প্ৰহসনৰ বাহিৰে আন একো নহয়।"

কনিয়ে সুধিলে, "তুমি সিহঁতক শাসন কৰিব পাৰিবা?"

"নিশ্চয় পাৰিম। মোৰ মন বা ইচ্ছাশক্তি পংগু হোৱা নাই। মইতো আৰু ভৰিৰে শাসন নকৰোঁ। মই যিমান দিন জীয়াই থাকিম সিমান দিনলৈকে শাসন কৰি যাম। তুমি মোক এটি পুত্ৰ সন্তান দান কৰিবা। মোৰ পাছত সি শাসন কৰিব।"

"কিন্তু সিটো তোমাৰ সন্তান নহ'ব। তাৰ মাজত তোমালোকৰ শাসকশ্ৰেণীৰ তেজ নাথাকিব।"

"কোন তাৰ পিতৃ, কাৰ ৰক্ত তাৰ গাত আছে সেইবোৰ মোৰ দৰকাৰ নাই। স্বাস্থ্যবান আৰু সাধাৰণ জ্ঞান-বুদ্ধিসম্পন্ন মানুহ এজন হ'ব পাৰিলেই হ'ল। মোক তুমি স্বাস্থ্যবান আৰু বিচাৰ-বুদ্ধিসম্পন্ন মানুহ এজনৰ সন্তান দান কৰা, যাক আমি চেটাৰ্লি পৰিয়ালৰ সুযোগ্য বংশধৰ হিচাপে গঢ়ি তুলিব পাৰোঁ। কোনে আমাক জন্ম দিলে সেইটো ডাঙৰ কথা নহয়, ভাগ্যই আমাক কেনেকুৱা পৰিবেশত স্থাপন কৰিলেহি সেইটোহে গুৰুত্বপূৰ্ণ কথা। যিকোনো কেঁচুৱা এটাক নি শাসকশ্ৰেণীৰ মাজত ডাঙৰ-দীঘল কৰিলে সি শাসক হৈয়ে গঢ় ল'ব আৰু শাসক শ্ৰেণীৰ, বা ডিউকৰ বা ৰজাৰো কেঁচুৱা এটা নি সাধাৰণ মানুহৰ মাজত ডাঙৰ কৰিলে সি সাধাৰণ মানুহ হৈ উঠিব। পৰিবেশৰ কি অপৰিহাৰ্য আৰু ভয়ংকৰ প্ৰভাৱ!"

কনিয়ে ক'লে, "তেনেহ'লে এক জাতি, এক ৰক্ত, এইবোৰ কথাৰ কোনো মূল্য নাই। সাধাৰণ মানুহবোৰ এক জাতিৰ নহয় সেইদৰে অভিজাত শ্ৰেণীৰ মানুহবো একো বিশেষ তেজ নাই?"

"নহয়, মাজনী। সেইবোৰ ৰোমাণ্টিক ভ্রান্তিৰ বাহিৰে আন একো নহয়। অভিজাত সম্প্রদায় হ'ল নিয়তিৰ এটা অংশ আৰু জনগণ হ'ল নিয়তিৰ আন এটা অংশ। ব্যক্তি বা মানুহৰ কোনো স্থান নাই। নিয়তিৰ ক্রিয়াৰ ফলতেই বিভিন্নজন বিভিন্ন পৰিবেশত লালিত-পালিত হয়। কাৰোবাৰ আভিজাত্যৰ বাবে কোনোবা দায়ী নহয়। নিয়তিৰ ক্রিয়া-বিক্রিয়াৰ ফলতেই অভিজাত সমাজ আৰু সাধাৰণ মানুহৰ সমাজ গঢ়ি উঠে। মানুহ বা ব্যক্তি তাৰেই অংশ।"

"তেনেহ'লে আমাৰ মাজত কোনো সাধাৰণ মানৱিক যোগসূত্র নাই?"

"তুমি যিধৰণেৰে ভাবা। পেট ভৰাবলৈ সকলোৰেই কাম কৰিবই লাগিব। কিন্তু সৃজনশীল আৰু প্রশাসনৰ কামৰ ক্ষেত্রত শাসক আৰু শাসিত শ্রেণীৰ মাজৰ পাৰ্থক্য বুজা যায়। কৰ্মৰ যোগ্যতা আৰু বৈশিষ্ট্য লক্ষ্য কৰিয়ে মানুহক চিনিব পাৰি।"

ক্লিফোৰ্ডৰ মুখলৈ চাই কনিয়ে সুধিলে, "তুমি নোযোৱা?"

ক্লিফোৰ্ডে আকৌ চকীখন চলাবলৈ ধৰিলে। তেওঁৰ ক'বলগীয়াখিনি তেওঁ ক'লে। এইবাৰ এটা শূন্যতাবোধ আৰু উদাসীনতাৰ মাজত তেওঁ ঢলি পৰিল। কনিৰ অকণো ভাল নালাগে। বনৰ মাজত ঘূৰি ফুৰোতে তৰ্ক-বিতৰ্ক কৰিবলৈ তাই নিবিচাৰে।

তেওঁলোকৰ সন্মুখত দুফালে ঘন ঘন গছৰ শাৰী। পথছোৱা ওপৰলৈ উঠি গৈছে। পথৰ দুয়োকাষে নানাৰঙী ফুল ফুলি আছে। কনিয়ে চকীখনৰ পিছে পিছে চকা দুটালৈ চাই চাই গৈ আছিল।

এটা সময়ত ক্লিফোৰ্ডে মাত লগালে, "তুমি ঠিকেই কোৱা, ফুলবোৰ বৰ ধুনীয়া। ইংলেণ্ডৰ বসন্তৰ দৰে সুন্দৰ বসন্ত আৰু ক'তো নাই।"

তেওঁৰ কথাটো শুনি কনিৰ এনে লাগিল যেন ক্লিফোৰ্ডে ক'ব বিচাৰিছে যে ইংলেণ্ডৰ বসন্তৰ এই সমাৰোহ পাৰ্লিয়ামেণ্টৰ এক্টতহে হয়। আয়াৰলেণ্ড বা জিউচত কিয় নহ'ব? ক্লিফোৰ্ডৰ চকীখন বৰ ধীৰ গতিৰে আগবাঢ়িছিল। আহি আহি তেওঁলোকে গছ কাটি থোৱা মুকলি ঠাইকণ পালেহি তেতিয়া এজোলোকা উদাৰ কিৰণ তেওঁলোকৰ সন্মুখত পৰিলহি। ব্লু-বেলচ ফুলবোৰ সূৰ্যৰ কিৰণত উজ্বলি উঠি গোটেই ঠাইখন নীলাভ কৰি পেলাইছিল। এনে লাগিছিল যেন স্বৰ্গৰ উদ্যানত আদিমাতা ঈভৰ কাণৰ কাষত চয়তান সাপে কোনো নিষিদ্ধ কথা ক'বলৈ ফুচফুচাইছে।

ক্লিফোৰ্ডৰ চকীখন পাহাৰৰ ওপৰত উঠিল্গৈ। গোটেই বননিখন গছপাত ফল-ফুলেৰে ভৰি পৰি এটা কমনীয় স্নিগ্ধতা বিৰাজ কৰিছিল। কঠিনতা ভাঙি সকলোবোৰ ধুনীয়া হৈ পৰিছে। আনকি ডাঙৰ ওখ ওখ ওক গছবোৰতো কোমল কুঁহিপাত। যেন পোহৰত মেলি ধৰা বাদুলীৰ ডেউকাৰূপী চালখন। কনিয়ে ভাবিবলৈ ধৰিলে, ৰূপ পৰিবৰ্তনৰ জৰিয়তে প্রতি বছৰে নতুন হৈ উঠে এই পৃথিৱী। কিন্তু মানুহবোৰ কিয় নতুন হৈ নুঠে? কিয় মানুহৰ আমূল পৰিবৰ্তন নহয়? মানুহ সদায়ে পুৰণি হৈয়ে বৈ যায়।

ওপৰলৈ উঠি চকীখন ৰখাই ক্লিফোৰ্ডে তললৈ চাই পঠিয়ালে। অসংখ্য ব্লু-বেলচ ফুলৰ পৰা ওলোৱা নীলাভ দীপ্তিয়ে পাহাৰটোৰ এঢলীয়া পথছোৱা চাটি ধৰিছে।

ক্লিফোৰ্ডে ক'লে, "এই ৰংটো বৰ মনোৰম। কিন্তু পেইণ্টিং কৰিবলৈ কামত নাহে।"

অন্যমনস্কভাৱে কনিয়ে কথাষাৰ শলাগিলে। ক্লিফোৰ্ডে সুধিলে, "আমি আৰু আগুৱাই যামনে?"

"চকীখন আৰু ওপৰলৈ উঠিব জানো?"

"চেষ্টা কৰি চাওঁ। চেষ্টাৰ অসাধ্য একো নাই।"

চকীখন ধীৰ-গতিৰে ওপৰলৈ উঠিল। নীলা ছায়াস্নিগ্ধ ফুলেৰে আবৰা পথেৰে চকীখন কোনোমতে আগবাঢ়ি গ'ল। টুইডৰ জেকেট আৰু পুৰণি ধৰণৰ ক'লা টুপী পিন্ধি বৰ প্ৰসন্নচিত্তে ক্লিফোৰ্ড চকীখনত বহি আছিল। তেওঁৰ গৈ থকা চকীখনক সম্বোধি কনিৰ ক'বলৈ মন গৈছিল, হে চক্ৰবিশিষ্ট অতিপ্ৰাক্তন জাহাজ, মানৱ সভ্যতাৰ কোনো প্ৰত্যন্ত সীমান্ত শেষবাৰৰ বাবে উপনীত হ'ব বিচাৰিছা তুমি? হে কেপ্তেন, কোৱা, আমাৰ যাত্ৰা শেষ হৈছে নেকি?

অৱশেষত তেওঁলোকে জুপুৰী ঘৰটোৰ ওচৰ পালেহি। কিন্তু ঘৰৰ ভিতৰলৈ যোৱাৰ পথটো বৰ ঠেক, চকীখন নোসোমাব। তেওঁলোকে আন পথত উঠিলগৈ। কনিয়ে পিছফালে শব্দ শুনি উভতি চাই দেখিলে মেলৰ্চ। কনিক দেখি সি এঢলীয়া পথছোৱাৰে আগুৱাই আহিছে। পিছে পিছে তাৰ কুকুৰটো। ওচৰ চাপি সি কনিক সুধিলে, "ছাৰ ক্লিফোৰ্ড মোৰ ঘৰলৈ আহিছে নেকি?"

কনিয়ে ক'লে, "নাই, নহয়। তেওঁ নিজৰাৰ পাৰলৈ যাব।"

"মই তেনেহ'লে তেওঁৰ সন্মুখলৈ নাযাওঁ। তুমি কিন্তু আজি ৰাতি আহিবা। মই নিশা দহ বজাত পাৰ্কৰ গেইটৰ ওচৰত তোমালৈ ৰৈ থাকিম।"

"হ'ব। আহিম।"

ক্লিফোৰ্ডে হৰ্ণ বজাই মাতিছিল। শব্দটো শুনি মেলৰ্চে মুখখন বিকটাই পেলালে। সি পিছফালৰ পৰা কনিৰ মুখখন চুই চালে। ভয়তে কনি আঁতৰি ক্লিফোৰ্ডক সঁহাৰি দিলে। ওপৰৰ পৰা মেলৰ্চে চাই থাকিল।

কনিয়ে দেখিলে ক্লিফোৰ্ড নিজৰাটোৰ পাৰ পালেগৈ। কনিক দেখি তেওঁ ক'লে, "গাড়ীখনে আজি ভালকৈ কাম কৰিছে।"

ভৌতিক যেন লগা দীঘল দীঘল বাৰ্ডক গছৰ ছাই ৰঙৰ পাতবোৰলৈ কনিয়ে এবাৰ চালে। মানুহে কয়, ইয়াতে ৰবিনহুডৰ আড্ডা আছিল। শুভ্ৰফেনপুৰে কলকল শব্দ কৰি অবিৰতভাৱে নিজৰাৰ পানীখিনি বৈ থকা সত্ত্বেও ঠাইকণ বৰ নিৰ্জন। এটা নীৰৱ-বিষাদেৰে ঢকা।

ক্লিফোৰ্ডে সুধিলে, "ঝৰ্ণাৰ পানী তুমি খাবানে?"

"তুমি খাবা?"

কনিয়ে গছৰ ডালত ওলোমাই থোৱা এনামেলৰ মগটো আনি তাতে পানী ভৰাই ক্লিফোৰ্ডক খাবলৈ দিলে আৰু তাৰপিছত নিজেও খালে। খাই উঠি তাই কৈ উঠিল, 'ইমান ঠাণ্ডা।"

ক্লিফোৰ্ডে ক'লে, "হ'লেও ভাল।"

কনিয়ে সুধিলে, "তোমাৰ ভাল লাগিছে?"

তাই কাণ পাতি কিবা এটা শুনিছিল। ক'ৰবাত যেন বাঢ়েটোকা চৰায়ে কাঠত ঠকঠককৈ খুঁটিয়াইছিল। অলপ পিছতে বতাহৰ সোঁ-সোঁৱনিৰ শব্দ। ওপৰলৈ চাই দেখিলে নীলা আকাশত বগা বগা মেঘৰ চপৰা ওপঙি আছে।

কনিয়ে ক'লে, "মেঘ।"

ক্লিফোৰ্ডে ক'লে, "বগা ভেড়াৰ দৰে।"

ডাৱৰে আৱৰি ঠাইকণত ছাঁ পেলালে। নিজৰাৰ সিটো পাৰৰ পৰা এই পাৰলৈ এটা সৰু এন্দুৰ সাঁতুৰি পাৰ হৈ আহিল। ক্লিফোৰ্ডে কৈ উঠিল, "ইমান কুৎসিত এইটো। তাক মাৰি পেলোৱাই ভাল হ'ব।"

কনিয়ে ক'লে, "তাক বক্তৃতা মঞ্চৰ ওপৰত অধিষ্ঠিত যাজকৰ দৰে লাগিছে।"

কনিয়ে গছৰ শুকান ডালপাত কিছুমান গোটাই লৈ ক'লে, "এইবোৰৰ গোন্ধটো পাই যোৱা শতিকাৰ সেই ৰোমাণ্টিক নাৰীসকললৈ মনত পৰিছে যিয়ে কিছু ইফাল-সিফাল কৰিয়ো সঠিক পথতেই আছিল।" আকাশৰ পিনে চাই তাই আকৌ ক'লে, "বৰষুণ হ'ব নে নহয় ভাবিছো।"

"বৰষুণ? কিয়? তুমি বৰষুণ দিয়াটো বিচাৰিছা নেকি?"

এইবাৰ তেওঁলোকে ওভতনি যাত্ৰা আৰম্ভ কৰিলে। এঢলীয়া পথেৰে বৰ সাৱধানেৰে ক্লিফোৰ্ডে চকীখন চলালে। পথটোৰ শেষত ক'লা শিলেৰে ভৰা তলৰ এটুকুৰা ঠাই আহি সোঁফালে ঘূৰি আন এটা এঢলীয়া পথত উঠিলহি। সেইটো ৰাস্তাত বহুত ব্লু-বেলচ ফুল ফুলি আছে। তাৰ পিছত আকৌ ওপৰলৈ। ৰাস্তাটো বৰ থিয়। চকীখনক সম্বোধি ক্লিফোৰ্ডে ক'লে, "বুঢ়ী ছোৱালী, কি কৰা চোৱা যাওক।"

চকীখনে যেন উঠিবলৈ ইচ্ছা কৰা নাই। যেন উঠিবলৈ বৰ কষ্ট হৈছে।

কনিয়ে ক'লে, "এটা কাম কৰা। হৰ্ণটো বজোৱা। যদি মেলৰ্চ ওচৰতে আছে তেনেহ'লে সি আহি ঠেলি দিব। তেতিয়া ময়ো ঠেলিব পাৰিম।"

ক্লিফোৰ্ডে চকীখন ৰখাই ক'লে, "চকীখনক অলপ জিৰণি দিয়া যাওক। তুমি পাথৰ এটাৰে চকাত ঠেকা দিয়া যাতে তললৈ গুচি নাযায়।"

কনিয়ে দুয়োটা চকাতে শিলেৰে ঠেকা দিলে। অলপ সময়ৰ পাছতে ক্লিফোৰ্ডে

চকীখন আকৌ চলাবলৈ ধৰিলে। কিন্তু ৰুগ্ন দুৰ্বল মানুহৰ দৰে চকীখনে বৰ কষ্টৰেহে ওপৰলৈ উঠিবলৈ ধৰিলে। লগতে এটা অনিচ্ছাসূচক শব্দও কৰিছিল।

কনিয়ে সুধিলে, "মই পিছৰ পৰা ঠেলিমনে?"

ক্লিফোৰ্ডে খঙেৰে ক'লে, "নালাগে। যদি ঠেলিবই লাগে তেন্তে এই 'মটৰ'টোৰ কি দৰকাৰ? চকাৰ তলত আৰু এটা পাথৰ দিয়া।" খন্তেক ৰৈ আকৌ আৰম্ভ কৰিলে। কিন্তু আগৰবাৰত যিমান চলিছিল তাতোকৈয়ো কমহে চলিবলৈ ধৰিলে।

কনিয়ে ক'লে, "হয় মোক ঠেলিবলৈ দিয়া, নহ'লে তাক হৰ্ণ বজাই মাতা।"

"অলপ ৰ'বা।" তেওঁ আকৌ এবাৰ চেষ্টা কৰিলে। কিন্তু ফলাফল আৰু বেয়া।

কনিয়ে আকৌ ক'লে, "মোক ঠেলিবলৈ দিয়া, নহ'লে তাক মাতা।"

"জহন্নামে যাওক। অলপ ৰ'বা।"

কনিয়ে চুপচাপ থিয় দি ৰ'ল। ক্লিফোৰ্ডে প্ৰাণপ্ৰণে এবাৰ চেষ্টা কৰি চালে।

কনিয়ে ক'লে, "ক্লিফোৰ্ড, তুমি উদ্যমৰ অপচয় কৰি যন্ত্ৰটোক ভাঙিব খুজিছা।"

ক্লিফোৰ্ডে খুব খঙেৰে ক'লে, "মই যদি চকীখনৰ পৰা বাহিৰ হৈ চাব পাৰিলোহেঁতেন ক'ত বেয়া হৈছে"— এইবুলি কৈয়ে তেওঁ হৰ্ণটো বজালে আৰু ক'লে, "ক'ত বেয়া হৈছে মেলৰ্চেই অন্ততঃ চাওকহি।"

আকাশত তেতিয়া মেঘ জমা হৈছিল। সেই ডাৱৰীয়া আকাশৰ তলত ৰৈ দুয়ো অপেক্ষা কৰিলে। দূৰৈৰ ক'ৰবাত কপৌৱে ৰুণ দিছিল।

অলপ সময়ৰ পাছতেই মেলৰ্চ আহি ওলাল। কি হৈছে বুলি সি আধাবাটৰ পৰাই সুধিলে। ওচৰ চাপি দুয়োকে অভিবাদন জনালে। ক্লিফোৰ্ডে তাক সুধিলে, "গাড়ীৰ ইঞ্জিন সম্বন্ধে তোমাৰ কিবা জ্ঞান আছেনে?"

মেলৰ্চে ক'লে, "ইমান নাই। কিবা বেয়া হৈছে নেকি?"

"তেনেকুৱাই লাগিছে।"

মেলৰ্চে ইঞ্জিনটোলৈ জুমি চালে আৰু ক'লে, "এইবোৰ যন্ত্ৰ-পাতিৰ কথা মই বিশেষ একো নাজানো। পিছে তেল আছেতো?"

ক্লিফোৰ্ডে ক'লে, "ভালকৈ চোৱা। কিবা ভাঙিছে নেকি?"

সি বন্দুকটো আগতেই গছ এডালত ওলোমাই থৈছিল। এতিয়া কোটটোও খুলি তাতে পেলাই দিলে। তাৰ কুকুৰটোৱে পহৰাদাৰৰ দৰে তাতে বহি ৰ'ল। সি তাৰ আঙুলিৰে ইঞ্জিনটো পৰীক্ষা কৰিলে। তাৰ দেওবৰীয়া পৰিষ্কাৰ কাপোৰযোৰত তেলৰ দাগ লগাত মনে মনে খঙো উঠিল তাৰ। সি চাই মেলি ক'লে, "একো ভঙা নাই।" এইবুলি কৈ সি টুপীটো খুলি হাতেৰে কপালখন মোহাৰিলে।

ক্লিফোৰ্ডে ক'লে, "তলৰ ৰডবোৰ ঠিকেঠাকে আছে নে নাই?"

লগে লগে সি চকীখনৰ ইঞ্জিনটোৰ তলত ওপৰমুৱা হৈ শুই পৰিল আৰু ইঞ্জিনটো

আঙুলিৰে খুঁটিয়াই খুঁটিয়াই চাবলৈ ধৰিলে। তাকে দেখি কনিয়ে ভাবিলে মাটিত শুই দিলে মানুহ এটাক ইমান খীণ, সৰু আৰু অসহায় যেন লাগে।

মেলৰ্চে ক'লে, "চব ঠিকেই আছে যেন লাগিছে।"

ক্লিফোৰ্ডে ক'লে, "তুমি কিবা কৰিব পাৰিবা বুলি মনে নধৰে।"

কয়লাখনিৰ শ্ৰমিকৰ দৰে বহি লৈ সিয়ো ক'লে, ময়ো ভাবো মই কিবা কৰিব পাৰিম বুলি। কিবা ভাঙিছে যদিও গম পোৱা নাই।"

ক্লিফোৰ্ডে আকৌ ইঞ্জিনটো চলাবলৈ চেষ্টা কৰিলে। গিয়াৰত হাত দিলে। কিন্তু ষ্টাৰ্ট নহ'ল। মেলৰ্চে ক'লে, "অলপ জোৰেৰে হেঁচা দিয়ক।" তাৰ কথা শুনি খং উঠিল যদিও জোৰেৰে হেঁচা দিয়াৰ লগে লগেই ইঞ্জিনটো গৰ্জন তুলি চলিবলৈ ধৰিলে।

মেলৰ্চে ক'লে, "এইবাৰ চলিব ছাগে।"

কিন্তু অকণমান গৈয়ে আকৌ ৰৈ গ'ল চকীখন। চকীখনৰ পিছলৈ গৈ সি ক'লে, "অলপ ঠেলি দিলেই চলিব।"

ক্লিফোৰ্ডে গোজৰণি তুলি ক'লে, "এৰি দিয়া। এইটো নিজে নিজেই চলিব।"

এইবাৰ কনিয়ে ক'লে, "কিন্তু ক্লিফোৰ্ড, তুমি দেখিছাই, চকীখন আৰু নচলে। তুমি আঁকোৰগোজ হৈ আছা কিয়?"

খঙতে ৰঙা-ছিঙা পৰিল ক্লিফোৰ্ড। তেওঁ আকৌ গিয়েৰত টান দিলে। চকীখনে শব্দ কৰি অলপ আগুৱাই গৈ ব্লু-বেলচ ফুলৰ ওচৰত গৈ ৰৈ গ'ল।

মেলৰ্চে ক'লে, "এইখন নাটানে আৰু। চব শক্তি শেষ হৈ গৈছে।"

ক্লিফোৰ্ডে ক'লে, "ইয়াৰ আগতেতো ঠিকেই চলিছিল।"

"এতিয়া আৰু নচলে।"

মেলৰ্চৰ কথাৰ কোনো উত্তৰ নিদিলে ক্লিফোৰ্ডে। তেওঁ আকৌ ইঞ্জিনটো লৈ ব্যস্ত হৈ পৰিল। কিন্তু যন্ত্ৰটোৱে যেন প্ৰতিবাদৰ গৰ্জনহে তুলিলে। সমগ্ৰ বনভূমিত সেই যান্ত্ৰিক শব্দৰ ধ্বনি প্ৰতিধ্বনিত হ'ল। ক্লিফোৰ্ডে আকৌ গিয়াৰ টানিলে। মেলৰ্চে ক'লে, "আপুনি এইখন একেবাৰে ভাঙিয়েই পেলাব।"

চকীখনে কেৎকৈ শব্দ কৰি গড় খাবৈত বাগৰি পৰিবলৈ ধৰিলে।

কনিয়ে ক্লিফোৰ্ড বুলি চিএৰ এটা মাৰি দৌৰি আহিল। কিন্তু মেলৰ্চে চকীখন পৰাৰ আগতেই ৰডডালত থাপ মাৰি ধৰিলে। চকীখন ঠিকঠাক কৰি ক্লিফোৰ্ডে বহি পৰিল। মেলৰ্চে পিছফালৰ পৰা ঠেলিবলৈ ধৰিলে।

ক্লিফোৰ্ডে কৈ উঠিল, "দেখিছা, চকীখন ভালকৈয়ে চলিছে।" বিজয় গৰ্বেৰে পিছলৈ উভতি চাওঁতেই মেলৰ্চৰ মুখখন দেখি ক্লিফোৰ্ডে তাক সুধিলে, "তুমি চকীখন ঠেলিছা?"

"নেঠেলিলে এইখন চলিব নেকি?"

"এৰি দিয়া। মই তোমাক ঠেলিবলৈ কোৱা নাই।"

"তেতিয়াহ'লে এইখন নচলে।"

ক্লিফোৰ্ডে গৰ্জন তুলি ক'লে, "এইখন নিজেই চলিবলৈ দিয়া।"

মেলৰ্চে ঠেলিবলৈ এৰি বৈ গ'ল। সি তাৰ কোটটো আৰু গছত ওলোমাই থোৱা বন্দুকটো আনিবলৈ গ'ল। চকীখনো লগে লগেই বৈ গ'ল। চকীৰ মাজত বন্দী হৈ ৰ'ল ক্লিফোৰ্ড। তীব্ৰ বিৰক্তিৰে ভৰি পৰিল তেওঁৰ মুখ। যিমানবাৰেই ইঞ্জিনটো চলাবলৈ চেষ্টা কৰিলে সিমান বাৰেই তাৰ ক্ৰুদ্ধ গৰ্জন শুনা গ'ল। চকীখন কোনোপধ্যেই আগনাবাঢ়ে। অৱশেষত খং বিৰক্তিৰে স্তব্ধ হৈ বহি থাকিল ক্লিফোৰ্ড।

কনিয়ো পথৰ দাঁতিতে বহি পৰিল। ক্লিফোৰ্ডৰ চকীৰ চেপাত কিমান ব্লু-বেলচ ফুল পিষ্ট হৈ পৰি আছে তাকে তাই চাই ৰ'ল। অলপ সময়ৰ আগতে ক্লিফোৰ্ডে কোৱা টুকুৰা-টুকুৰ কথা কিছুমান তাইৰ মনত পৰিল। ক্লিফোৰ্ডে অহাৰ সময়ত ৰাস্তাত কৈছিল, ইংলেণ্ডৰ বসন্ত বৰ সুন্দৰ। আৰু এবাৰ কৈছিল, শাসকশ্ৰেণীৰ বংশধৰ হিচাপে আমাৰ কাম আমি কৰি যাব লাগিব। আৰু এবাৰ কৈছিল, এতিয়া আমাৰ কাম হ'ল তৰোৱাল এৰি চাবুক লোৱা।

মেলৰ্চে তাৰ বন্দুক আৰু কোটটো লৈ যাবলৈ ওলাল। তাৰ কুকুৰ ফ্লচিয়ো তাৰ পিছে পিছে যাবলৈ ধৰিলে। হঠাতে ক্লিফোৰ্ডে তাক আকৌ ইঞ্জিনটো চাবলৈ মাতিলে। কনিৰ এইবোৰৰ ওপৰত অলপো জ্ঞান নাই। তাই একে ঠাইতে উদাসীনভাৱে বৈ আছিল। মেলৰ্চ আকৌ চকীখনৰ তলত শুই পৰিল। কনিয়ে ভাবিলে, ইয়াকে কয় শাসক শ্ৰেণী আৰু শ্ৰমিক শ্ৰেণী।

মেলৰ্চে উঠি এইবাৰ বৰ শান্তভাৱে ক'লে, "এইবাৰ চাওকচোন।"

ক্লিফোৰ্ডে চেষ্টা কৰোঁতেই চকীখন অলপ অলপকৈ চলিবলৈ ধৰিলে। মেলৰ্চে পিছৰ পৰা ঠেলিবলৈ ধৰিলে। আধা চকীখনৰ ইঞ্জিনৰ শক্তি আৰু আধা মেলৰ্চৰ শাৰীৰিক শক্তিৰে চকীখন চলিবলৈ ধৰিলে। তাকে দেখি ক্লিফোৰ্ডৰ আকৌ খং উঠিল। তেওঁ চিঞৰি চিঞৰি ক'লে, "তুমি আঁতৰি নাযাবা নেকি?"

লগে লগেই মেলৰ্চে হাত এৰি দিলে। ক্লিফোৰ্ডে ক'লে, "তুমি ঠেলিলে মই কেনেকৈ জানিম যে গাড়ীখন চলিছে নে নাই।"

মেলৰ্চে বন্দুকটো লৈ কোটটো পিন্ধিলে। চকীখন লাহে লাহে পিছলৈ গৈ গড়াত লাগিল। কনিয়ে লৰালৰিকৈ চিঞৰি উঠিল, "ক্লিফোৰ্ড, তোমাৰ ব্ৰেক।"

কনি আৰু মেলৰ্চ দুয়ো চকীখন ধৰি পেলালে। সকলোৱে নিশ্চুপ। ক্লিফোৰ্ডে এটা সময়ত ক'লে, এইটো বৰ পৰিষ্কাৰ হৈ পৰিছে যে সকলোৱে দয়াৰ ওপৰতে এতিয়া নিৰ্ভৰ কৰিছে।" কোনেও তেওঁৰ কথাৰ উত্তৰ নিদিলে। মেলৰ্চে তাৰ কান্ধৰ ওপৰত বন্দুকটো লৈ জোঁকাৰি আছিল। অপাৰ সহিষ্ণুতা আৰু ধৈৰ্যৰ বাহিৰে তাৰ

মুখত আন কোনো ভাব ফুটি উঠা নাছিল। তাৰ কুকুৰ ফ্লচিয়ে তাৰ ভৰিৰ কাষত বৈ চকীখনলৈ সংশয় আৰু অবিশ্বাসেৰে চাই ৰৈছিল। সকলো নিশ্চুপ।

অৱশেষত ক্লিফোৰ্ডে কথাৰ সুৰ নৰম কৰি ক'লে, "মই ভাবিছো, এইখন এতিয়া ঠেলিবই লাগিব।"

মেলৰ্চে একো নামাতিলে। সি শূন্য দৃষ্টিৰে এনেদৰে থিয় দি ৰ'ল যেন সি একো শুনাই নাই। কনিয়ে তাৰফালে উদ্বেগেৰে চালে। ক্লিফোৰ্ডেও তাৰফালে মুখ ঘূৰাই ক'লে, "তুমি এইখন ঠেলি ঘৰলৈ লৈ যাব পাৰিবানে মেলৰ্চ? মই ভাবো মই তোমাক একো অন্যায় কথা কোৱা নাই।"

মেলৰ্চে ক'লে, "নাই নাই। মই এইখন ঠেলি নিয়াটো আপুনি বিচাৰে নেকি?"

"যদি তুমি বেয়া নোপোৱা।"

সি চকীখনৰ ফালে আগুৱাই গ'ল। কিন্তু এইবাৰ সি ঠেলিয়ো চকীখন লৰচৰ কৰিব নোৱাৰিলে। ব্ৰেকৰ ভিতৰত কিবা জাম লাগিছে। ক্লিফোৰ্ডে আৰু এটা কথাও নক'লে। মেলৰ্চে চকীখন পিছফালে তুলি ধৰি চকাকেইটা ভৰিৰে ঠেলি চালে। কিন্তু চকীখনে লৰচৰেই নকৰিলে। মেলৰ্চে অকলেই জোৰেৰে ঠেলিবলৈ ধৰিলে। ক্লিফোৰ্ডৰ ওজন সহ্য কৰিব নোৱাৰি সি ফোপাইছিল।

কনিয়ে তাক ক'লে, "তুমি এনেদৰে নেঠেলিবা।"

মেলৰ্চে ক'লে, "আপুনি সেইফালৰ পৰা চকাটো ধৰক।"

কনিয়ে তাক খঙেৰে ক'লে, "তুমি এনেদৰে তুলি নল'বা। তোমাৰ বৰ কষ্ট হ'ব।" কিন্তু মেলৰ্চে কনিৰ মুখলৈ চাই ইংগিত দিয়াত কনিয়ে চকাটো ঠেলি দিলে আৰু সি চকীখন দাঙি ধৰিলে। এইবাৰ চকীখন চলিবলৈ ধৰিলে। ক্লিফোৰ্ডে স্বস্তিৰ নিশ্বাস এৰি ক'লে, "ঈশ্বৰে দয়া কৰিছে।"

ব্ৰেক নষ্ট হৈ গৈছে যদিও ঠিকমতে চকীখন আগবাঢ়িলে। মেলৰ্চে এবাৰ চকাৰ তলত পাথৰ দি ৰখাই অলপ বহি পৰিল। কনিয়ে দেখিলে তাৰ হাত দুটা কঁপি আছে।

কনি তাৰ কাষলৈ আহি সুধিলে, "তুমি ক'ৰবাত আঘাত পালা নেকি?"

বিৰক্তিৰে মুখখন ঘূৰাই সি 'নাই নাই' কৰিলে। চাৰিওফালে এটা মৃত্যুশীতল নীৰৱতা বিৰাজ কৰিলে। ক্লিফোৰ্ডো অনুতপ্ত হৈ চকীত বহি আছে। আনকি মেলৰ্চৰ কুকুৰটোও চুপচাপ ৰৈ আছে। আকাশত ডাৱৰ গোট খাইছে। অৱশেষত ৰুমালেৰে নাক মচি সি ক'লে, "নিউমোনিয়া হোৱাৰ পাছৰে পৰা মোৰ বহুত শক্তি কমি গ'ল।"

কোনেও একো নক'লে। কনিয়ে মাত্ৰ ভাবিলে ক্লিফোৰ্ডৰ সৈতে চকীখন দাঙি ধৰোঁতে কিমান শক্তিৰ আৱশ্যক হৈছে! তাৰ বহুত কষ্ট হৈছে। দেহৰ হাড়বোৰ যে ভাঙি যোৱা নাই!

মেলৰ্চে উঠি কোটটো লৈ চকীখন ধৰি সুধিলে, "ছাৰ ক্লিফোৰ্ড, আপুনি সাজুনে?"

ক্লিফোৰ্ডে ক'লে, "মই সাজুৱেই। তুমি সাজু হ'লেই হ'ল।"

এইবাৰ শিৰশত কৰি দেহৰ সমস্ত শক্তিৰে সি চকীখন ঠেলিবলৈ ধৰিলে। কনিয়ে দেখিলে আগতকৈয়ো তাৰ মুখখন বিবৰ্ণ হৈ পৰিছে। ক্লিফোৰ্ড বৰ ভাৰী। তাতে পাহাৰী পথছোৱা একেবাৰে থিয়। কনি মেলৰ্চৰ ওচৰলৈ আহি ক'লে, "ময়ো ঠেলিম।"

কনিয়ে তাইৰ নাৰীমনৰ সমস্ত বিক্ষুব্ধ ক্ৰোধ ঢালি চকীখন ঠেলিবলৈ ধৰিলে। চকীখন আগতকৈ অলপ বেগাই চলিল। ক্লিফোৰ্ডে তাইক দেখি ক'লে, "তুমি আকৌ ঠেলাৰ কি প্ৰয়োজন আছে?"

"এশবাৰ আছে। তুমি তাক মাৰিব বিচাৰিছা নেকি? যেতিয়া যন্ত্ৰটো ভাল হৈ আছিল তাক তেতিয়াই কামত লগাব নোৱাৰিলা? তুমি ইচ্ছা কৰিয়েসেইটো ভাঙিছা।"

কনিয়ে ঠেলি ঠেলি অলপ ঢিলাই দিলে। কাৰণ কামটো বৰ টান কাম। আশ্চৰ্যজনকভাৱে কঠিন কাম।

চকুৰে মুখে ক্ষীণ হাঁহিৰ ৰেশ টানি মেলৰ্চে কনিক ক'লে, "আৰু অলপ লাহে লাহে ঠেলক।" তাঁৰ কাষে কাষে চকীখন ঠেলি ঠেলি তাই তাক সুধিলে, "তুমি আঘাত নাই পোৱা খাটাং নে?"

মেলৰ্চে নীৰৱে মূৰ দুপিয়ালে। তাৰ ৰ'দে পোৰা তামবৰণীয়া হাত দুখনলৈ কনিয়ে চালে। এই হাত দুখনেৰেই সি তাইক কিমান মৰম কৰিছিল, এক উত্তপ্ত শৃংগাৰেৰে। তেতিয়া কিন্তু তাই হাত দুখনলৈ লক্ষ্যই কৰা নাছিল। মানুহটোৰ দৰেই তাৰ হাত দুখনো যেন শান্ত, এক অন্তৰ্নিহিত মগ্নতাত স্তব্ধ। এনে লাগে যেন তাৰ হাত দুখন তাৰ পৰা বহুত দূৰৈত, ইমান দূৰৈত যে ধৰিব নোৱাৰি। আৰু সেই কাৰণেই তাইৰ তাৰ হাত দুখন ধৰিবলৈ বৰ মন গ'ল। সি যেন তাইৰ কাষত থাকিও বহুত দূৰৈত আছে। তাক কোনোদিনেই তাই ধৰিব নোৱাৰিব বুলি ভাবিয়ে তাইৰ সমগ্ৰ অন্তৰাত্মা হঠাতে এক অবুজ উন্মত্ততাৰে তাৰ দিশে প্ৰভাৱিত হ'বলৈ ধৰিলে। মেলৰ্চে তাৰ বাওঁ হাতেৰে চকীখন ঠেলি দিলে আৰু সোঁহাতেৰে মৰমেৰে তাইৰ কঁকালত সাবটি ধৰিলে। কনিৰ স্পৰ্শত হঠাতে তাৰ শৰীৰৰ সমস্ত শক্তি পিঠি আৰু কঁকালৰ তল অংশত গৈ কেন্দ্ৰীভূত হ'ল। কনিয়ে এবাৰত হাওলি তাৰ হাতত চুমা খালে। ক্লিফোৰ্ডৰ দৃষ্টি তেতিয়া সন্মুখৰ ফালে স্থিৰ হৈ আছিল।

পাহাৰটোলৈ উঠি তেওঁলোকে অলপ বৈ আৰাম কৰিলে। কনি সুখী হ'ল। মাজে মাজে একোটা বৰ অদ্ভুত কথা ভাবিলে। তাই যেন সপোন দেখিলে। তাই ভাবিলে, এই দুয়োজন পুৰুষৰ মাজত যদি এক বন্ধুত্ব গঢ়ি উঠে, যদি তাইৰ স্বামী আৰু তাইৰ সন্তানৰ পিতৃ এক সৌহাৰ্দ্যৰ বন্ধনত বান্ধ খায় তেতিয়া বৰ ভাল হ'ব। আজি তাই বুজিলে, তাইৰ এই চিন্তা, এই স্বপ্ন বৰ অলীক আৰু অৰ্থহীন। এই দুই পুৰুষৰ মাজত মিলন কোনোদিনেই সম্ভৱ নহয়। জুই-পানীৰ দৰে পৰস্পৰ বিৰুদ্ধ আৰু শত্ৰুভাবাপন্ন

দুই পুৰুষ। দুয়ো যেন দুয়োকে পৃথিৱীৰ পৰা আঁতৰাই পঠিয়াবলৈ পৰস্পৰ চুক্তিবদ্ধ। আজি প্ৰথমবাৰৰ বাবে তাই উপলব্ধি কৰিলে ঘৃণা কিমান এক অদ্ভুত সূক্ষ্ম বস্তু। ইমান গভীৰ। তাই অনুভৱ কৰিলে প্ৰথমবাৰৰ বাবে তাই সচেতনভাৱে ক্লিফোৰ্ডক ঘৃণা কৰিছে। সন্দেহাতীতভাৱে। এনে লাগিছে, তাইৰ ঘৃণাৰ দ্বাৰাই ক্লিফোৰ্ডক এই পৃথিৱীৰ পৰা মচি পেলাব বিচাৰিছে। কেৱল তাই নহয়, তাইৰ সচেতন মনৰ ওপৰত প্ৰতিষ্ঠিত আত্মাই মুখামুখি হৈ ক্লিফোৰ্ডক ঘৃণা কৰা কথাটো স্বীকাৰ কৰিব পাৰিছে। ক'ব পাৰিছে, হয়, তাক মই ঘৃণা কৰিছো, তাৰ সৈতে মই একেলগে থাকিব নোৱাৰো। তাই মুক্তিৰ আনন্দ আৰু প্ৰাণ প্ৰাচুৰ্যৰ আস্বাদ অনুভৱ কৰিলে।

সমতল পোৱাৰ পাছত মেলৰ্চে অকলেই চকীখন ঠেলিব পাৰিলে। ক্লিফোৰ্ডে কনিৰ সৈতে দুই এটা কথা পাতিলে। কিন্তু তেওঁ যে সহজ হ'ব পৰা নাই সেয়া গম পোৱা গৈছে। প্ৰথমে তেওঁ ইভা আণ্টীৰ কথা ক'লে যি আজিকালি দিয়েপ্লেত থাকে। লগতে ছাৰ মেলকমৰ কথা। মেলকমে চিঠি লিখি জানিব বিচাৰিছে যে কনি ক্লিফোৰ্ডৰ সৈতে গাড়ীত যাব নে হিলদাৰ সৈতে ৰে'লত ভেনিচলৈ যাব।

কনিয়ে ক'লে, "মই ৰে'লতে যাম। ধূলিভৰা দীঘলীয়া পথ গাড়ীত যাবলৈ ভাল নালাগে। অৱশ্যে হিলদাই বা কি কয়!"

ক্লিফোৰ্ডে ক'লে, "তাই তোমাক লৈ গাড়ীতে যাব বিচাৰিব।"

"হয়তো সেইটোৱে হ'ব। এতিয়া এই চকীখন ঠেলিবলৈ মই সহায় কৰিব লাগিব। এইখনৰ কিমান ওজন আছে সেই সম্বন্ধে তোমাৰ কোনো ধাৰণাই নাই।" কনিয়ে পিছলৈ গৈ মেলৰ্চৰ লগে লগে চকীখন ঠেলিবলৈ ধৰিলে। কোনোবাই সিহঁতক চাইছে নেকি সেই কথালৈ তাই কেৰেপ নকৰিলে।

ক্লিফোৰ্ডে ক'লে, "ফিল্ডৰ কাৰণে নোৱোৱা কিয়? তাৰ গাৰ জোৰ আৰু বেছি। এই কামৰ বাবে সি যোগ্য ব্যক্তি।"

কনিয়ে ফোপাই জোপাই ক'লে, "ইমান ওচৰ পালোহিয়েই দেখোন।"

মুখেৰে যিয়ে কওক, সিহঁত দুয়োটাই কিন্তু চকীখন ঠেলি ঠেলি ক্লান্ত হৈ পৰিছিল। বাৰে বাৰে কপালৰ ঘাম মচিছিল। সিহঁতৰ কষ্ট হৈছিল ঠিকেই, কিন্তু এই কামৰ জৰিয়তে দুয়ো আৰু ঘনিষ্ঠ হৈ পৰিল।

ঘৰৰ দুৱাৰমুখ পাই ক্লিফোৰ্ডে মেলৰ্চক ক'লে, "বহুত ধন্যবাদ মেলৰ্চ। এই চকীখনৰ ইঞ্জিনটো সলাবই লাগিব। তুমি মোৰ সৈতে পাকঘৰলৈ গৈ কিবা অলপ খাবানে?"

মেলৰ্চে ক'লে, "ধন্যবাদ ছাৰ ক্লিফোৰ্ড। আজি দেওবৰীয়া 'ডিনাৰ' খাবলৈ মই মাৰ ওচৰলৈ গৈছিলো।"

"তোমাৰ যি ইচ্ছা।"

মেলৰ্চে তাৰ কোটটো পিন্ধি অভিবাদন জনাই গ'লগে। প্ৰচণ্ড খঙেৰে কনি ওপৰতলা পালেগৈ।

'লাঞ্চ'ৰ সময়ত কনিয়ে তাইৰ মনৰ অনুভূতিক দমাই ৰাখিব নোৱাৰিলে। তাই কৈ উঠিল, "তুমি কিয় ইমান জঘন্যভাবে অবিবেচক ক্লিফোৰ্ড?

"কাৰ ওপৰত?"

"মই শেনচোৱাটোৰ কথা কৈছো। এয়াই যদি তোমালোকৰ শাসক শ্ৰেণীৰ আচৰণবিধি তেন্তে মই তোমাৰ বাবে দুঃখিত।"

"কিয়?"

"সেই মানুহটো অলপদিনৰ আগতে অসুখৰ পৰা উঠিছে। সি এতিয়াও সম্পূৰ্ণ সুস্থ হৈ উঠাই নাই। মই যদি তোমাৰ চাকৰ হ'লোহেঁতেন তেন্তে মই তোমাক ৰৈ থাকিবলৈ বাধ্য কৰিলোহেঁতেন। আন কোনোবা নহা পৰ্যন্ত মই ৰৈ থাকিলোহেঁতেন।"

"মই বিশ্বাস কৰিছো।"

"সি যদি পক্ষাঘাত ৰোগী হৈ চকীত বহি থাকিলহেঁতেন আৰু তোমাক সি এনেকুৱা ব্যৱহাৰ কৰিলেহেঁতেন, তুমি কি কৰিলাহেঁতেন?"

"হেৰা দয়াশীলা, তুমি যেনেকৈ ব্যক্তি আৰু ব্যক্তিত্বক আক্ৰমণ কৰিছা সেইটোৱে কিন্তু অলপো সু-ৰুচিৰ পৰিচয় দিয়া নাই।"

"আৰু তোমাৰ ন্যূনতম সহানুভূতিৰ অভাৱে তোমাৰ ৰুচিবোধৰ অকল্পনীয় অভাৱ প্ৰকাশ কৰিছে। তুমি আৰু তোমালোকৰ শাসকশ্ৰেণীৰ স্বভাৱ হ'ল এইটোৱে।"

"কি লাভ? আমাৰ শেনচোৱা এটাৰ কাৰণে তোমাৰ এই অহেতুক আবেগৰ অপচয় মোৰ অকণো ভাল লগা নাই। এইটো মই মোৰ দয়াশীলা স্ত্ৰীৰ ওপৰতে এৰি দিলো।"

"সি যেন মানুহেই নহয়।"

"তাৰ কাৰণে মই সপ্তাহত দুই পাউণ্ড দৰমহা আৰু থাকিবলৈ ঘৰ এটা দিছো।"

"তাক দৰমহা দিয়া? কি কাৰণে?"

"তাৰ কামৰ কাৰণে।"

"মই কৈছো তাক টকা দিব নালাগে। বন্ধ কৰি দিয়া।"

"সি হয়তো কাম এৰি দিব বিচাৰিছে। কিন্তু সি যিটো আৰাম আৰু স্বাচ্ছন্দ্যৰ সোৱাদ পাইছে তাৰবাবে কামটো এৰিবলৈয়ো টান পাইছে।"

কনিয়ে ক'লে, "তুমিয়ে শাসন কৰা? তুমি শাসন নকৰা, তুমি টকাহে চিনি পোৱা। ধন-সম্পদ ভোগ কৰিব বিচৰা তুমি। তোমাৰ শাসন মানে দুখীয়াক অনাহাৰৰ ভয় দেখুৱাই, সপ্তাহত দুই পাউণ্ড দি কামত খটুৱা। ইহুদীৰ দৰে, কচাইৰ দৰে টকাহে চিনি পোৱা তুমি।"

"তুমি খুব ভাল বক্তৃতা দিব পাৰিবা লেডী চেটাৰ্লি।"

"ময়ো ক'ব পাৰোঁ, বনৰ মাজত তুমিয়ো কম বক্তৃতা দিয়া নাই। তোমাৰ সেই বক্তৃতাত মই কম লাজ পোৱা নাই। তোমাতকৈ দহগুণ বেছি মানৱতাবোধ আছে মোৰ দেউতাৰ। বুজিছেনে ভদ্ৰ মহাশয়!"

ক্লিফোৰ্ডে ঘন্টা বজাই মিছেছ্ বল্টনক মাতিলে। তেওঁৰ বৰ খং উঠিছিল।

প্ৰচণ্ড খঙেৰে কনি নিজৰ কোঠালৈ গ'ল। তাই মনে মনে কৈ গ'ল, টকা দি মানুহ কিনে। মোকতো কিনা নাই। গতিকে মইনো ইয়াত থকাৰ অৰ্থ কি। ভদ্ৰলোক নহয়, এটা মৰা মাছ। এটা চেলুলয়ডৰ আত্মা। সিহঁতে মানুহক ভালভাৱে গ্ৰহণ কৰিবই নোৱাৰে। এটা চেলুলয়ডৰ যিমান অনুভূতি আছে সিমান অনুভূতিয়ো নাই।

নিশাটোৰ বাবে তাই তাইৰ মনটো স্থিৰ কৰিলে। ক্লিফোৰ্ডৰ চিন্তা মনৰ পৰা জোৰকৈ আঁতৰাই পঠালে। তাই ভাবি পালে আচলতে তাই ক্লিফোৰ্ডক ঘৃণা নকৰে, তাই তাৰ কাষতহে থাকিব নিবিচাৰে। তাৰ সৈতে নিবিড় হ'ব নিবিচাৰে। তাই আৰু বিচাৰিছিল ক্লিফোৰ্ডে যাতে তাইৰ জীৱনৰ একো কথাই জানিব নোৱাৰে।

ৰাতি খোৱাৰ সময়ত তাই বৰ শান্তভাৱে তললৈ নামি গ'ল। এটা হালধীয়া ৰঙৰ কাপোৰ ক্লিফোৰ্ডে তেতিয়াও পিন্ধি আছিল। তেওঁ এখন ফৰাচী কিতাপ পঢ়ি আছে।

ক্লিফোৰ্ডে তাইক সুধিলে, "তুমি 'প্ৰউষ্ট' পঢ়িছানে?"

"মই চাইছিলো। কিন্তু পঢ়ি অকণো ভাল নালাগিল।"

"বৰ সাংঘাতিক লিখে।"

"হয়তো হয়। মোৰ কিন্তু ভাল নালাগে। অনুভূতি বুলি একো বস্তু তাত নাই। অনুভূতিৰ কথা লিখিছে। কিন্তু ফোপোলা। আত্ম-প্ৰচাৰ দেখি আমনি লাগে। মই এইধৰণৰ মনোভাৱ পছন্দ নকৰোঁ।"

"তুমি তেনেহ'লে ইন্দ্ৰিয় গ্ৰাহ্য আৱেগ-অনুভূতিক পছন্দ কৰা?"

"হয় ছাৰ্গে। কিন্তু কোনোধৰণৰ লিখনীৰ মাজত আত্ম-প্ৰচাৰৰ উগ্ৰতা নাথাকিলেহে তাৰ পৰা কিবা এটা পোৱা যায়।"

"মই কিন্তু 'প্ৰউষ্ট'ৰ সূক্ষ্মতা আৰু অভিজাত নৈৰাজ্য ভাল পাওঁ।"

"কিন্তু সেইবোৰে তোমাক নিৰ্জীৱ কৰি তুলিব।"

"এয়া হ'ল মোৰ দয়াশীলা পত্নীৰ কথা।"

তেওঁলোকে আকৌ তৰ্ক কৰিবলৈ ধৰিলে। তৰ্কযুদ্ধত অৱতীৰ্ণ নোহোৱাকৈ কনিয়ে থাকিব নোৱাৰিলে। তাইৰ সন্মুখত এটা নিৰ্জীৱ জঁকাৰ দৰে বহি আছিল ক্লিফোৰ্ড। তাইৰ এনে লাগিল ক্লিফোৰ্ডৰ জঁকাৰ হাড়বোৰে তাইক জোৰকৈ চেপি ধৰিছে আৰু তাইৰ বুকুৰ কামিহাড়বোৰ ভাঙি পেলাইছে। ক্লিফোৰ্ডে প্ৰাণপ্ৰণে তৰ্কযুদ্ধত নামি পৰিছে।

কনিয়ে সোনকালে বিছনাত পৰিলগৈ। কিন্তু চাৰে ন বজাতেই উঠি বহিল। ঘৰৰ ভিতৰে বাহিৰে কোনো শব্দ নাই। ড্ৰেচিংগাউন পিন্ধিয়ে তললৈ নামি আহি দেখিলে ক্লিফোৰ্ড আৰু মিছেছ্ বল্টনে তাচ খেলিছে। তেওঁলোকে মধ্যৰাতিলৈকে এনেদৰেই খেলি থাকিব।

আকৌ নিজৰ কোঠালৈ তাই উভতিল। এইবাৰ তাই টেনিছ খেলাৰ পোছাক আৰু কোট পিন্ধি ল'লে। যোৱাৰ সময়ত অথবা উভতি অহাৰ সময়ত কোনোবাই কিবা সুধিলে বা দেখিলে ক'ব পাৰিব যে বনৰ ফালে ওলাই গৈছিল। ৰাতিপুৱা ব্ৰেকফাষ্টৰ আগতেই তাই উভতি আহিব। একমাত্ৰ বিপজ্জনক কথাটো হ'ল ৰাতি যদি কোনোবাই তাইক বিচাৰে। অৱশ্যে তাৰ সম্ভাৱনা বৰ ক্ষীণ।

বেট্‌ছে তেতিয়াও সদৰ দুৱাৰ বন্ধ কৰা নাই। ৰাতি দহ বজাত সেইখন বন্ধ কৰে। আকৌ ৰাতিপুৱা সাত বজাত খোলে। সকলোৰে দৃষ্টিৰ আঁৰ লৈ নিঃশব্দে কনি ঘৰৰ পৰা ওলাল। আকাশত তেতিয়া অৰ্ধচন্দ্ৰ। তাই বনভূমিলৈ যোৱা ৰাস্তা ধৰিলে। জোনৰ শেঁতা পোহৰ পৰা বনভূমিৰ অন্ধকাৰত তাইৰ ধূসৰ ৰঙী কোটটো দেখিলেও কোনেও চিনি নাপাব। পাৰ্কখন তাই লৰালৰিকৈ পাৰ হ'ল। মেলৰ্চক কথা দিয়াতকৈ নিৰ্দিষ্ট সময়ৰ আগতেই ঠাইকণ পোৱাৰ বাবে তাইৰ মন পুলকিত হোৱা নাছিল। বৰঞ্চ তাইৰ অন্তৰত আছিল বিদ্ৰোহৰ জ্বালা; প্ৰতিবাদৰ এটা আগ্নেয় উত্তাপ।

চতুৰ্দশ অধ্যায়

কনিয়ে আহি পাৰ্কৰ গেইটখনৰ কাষ পাওঁতেই গেইটখনৰ খিলি খোলাৰ শব্দ শুনিবলৈ পালে। মেলৰ্চে আগতেই আহি বনৰ অন্ধকাৰত থিয় দি আছিল। সি দূৰৈৰ পৰাই তাইক দেখিছিল।

অন্ধকাৰৰ পৰাই মেলৰ্চে মাত লগালে, "তুমি আগতে আহি ভালেই কৰিলা। চব ঠিকে-ঠাকে আছেতো?"

"চব ঠিকে আছে।"

কনিয়ে ভিতৰ সোমোৱাৰ লগে লগে সি গেইটখন বন্ধ কৰি দিলে। টৰ্চৰ এচমকা পোহৰত কনিয়ে দেখিলে পথৰ দুয়োপাৰৰ ফুলগছবোৰ বনভূমিৰ নিৰ্জন অন্ধকাৰৰ মাজত নিঃশব্দে থিয় দি আছে। অলপ ব্যৱধান ৰাখি দুয়ো নীৰৱে আগবাঢ়িল। কনিয়ে সুধিলে, "আজি চকীখন ঠেলোতে তুমি যে একো আঘাত পোৱা নাই বুলি ক'লা, সেই বিষয়ে তুমি নিশ্চিত নে?"

"নাই নাই, লগা নাই।"

"ইয়াৰ আগতে তোমাৰ যেতিয়া নিউমোনিয়া হৈছিল তেতিয়া তোমাৰ কি কি অসুবিধা হৈছিল?"

"বিশেষ একো নাই। বুকুখন ধপ্‌ধপায় আৰু হাওঁফাওঁটো টান হৈ পৰে।"

"বেছি পৰিশ্ৰম কৰাত তোমাৰ নিশ্চয় বাধা আছে।"

"হয়, বেছি পৰিশ্ৰম সদায়ে কৰিব নোৱাৰো।"

খণ্ডে দুখে তাই নীৰৱে আগবাঢ়িল। অৱশেষত তাই ক'লে, "অথনি তুমি ক্লিফোৰ্ডক ঘৃণা কৰিছিলা?"

"তেওঁক ঘৃণা? তেওঁৰ দৰে এনেকুৱা বহুত মানুহ মই লগ পাইছো যিয়ে মোৰ মূৰটো এনেদৰে ঘোলা কৰি দিয়ে যে তেওঁলোকক ঘৃণা কৰাৰ শক্তিয়ে মই বিচাৰি নাপাওঁ। মই তেওঁলোকৰ দৰে মানুহবোৰক গ্ৰাহ্যই নকৰোঁ। গতিকে একো নাভাবো।"

"কেনেকুৱা ধৰণৰ মানুহ?"

"এইটো মোতকৈ তুমি বেছি ভালকৈ জানা। অভিজাত সমাজত এনেকুৱা ছোৱালীৰ দৰে পৌৰুষত্বহীন মতা মানুহ কিছুমান থাকেই।"

"পৌৰুষত্বহীন মানুহ মানে?" কনিয়ে কথাটো মনে মনে ভাবিবলৈ ধৰিলে।

মেলৰ্চে ক'লে, "যাৰ মন-মগজু, হৃদয়, মনুষ্যত্ব নাই, যি মহাবুৰ্বক তাকেই

পৌৰুষত্বহীন বুলি কোৱা হয়। ক্লিফোৰ্ড যেন এটা পোহনীয়া জন্তু।"

খন্তেক চিন্তা কৰি তাই ক'লে, "ক্লিফোৰ্ড পোহনীয়া জন্তুৰ দৰে?"

"সিহঁতৰ জাতৰ চবেই এনেকুৱা।"

"আৰু তোমাক কি বুলি ভাবা? তুমি পোহমনা জন্তুৰ দৰে নহয়?"

"হয়তো অলপ, কিন্তু সম্পূৰ্ণ নহয়।"

হঠাতে কনিয়ে দূৰৈত পোহৰ দেখা পালে। তাই মেলৰ্চক ক'লে। মেলৰ্চে তাইক আশ্বাস দি ক'লে যে সি ঘৰৰ পৰা ওলাওঁতে সদায়ে লেম্প জ্বলাই আহে। তাই এইবাৰ তাৰ একেবাৰে গাৰ কাষে কাষে আহিবলৈ ধৰিলে। অৱশ্যে তাৰ শৰীৰ স্পৰ্শ নকৰিলে। তাই তাৰ সৈতে ক'লৈ, কিয়নো গৈছে তাই নিজেই নাজানিলে।

মেলৰ্চে ঘৰৰ তলা খুলি ভিতৰ সোমায়ে দুৱাৰৰ খিলি লগাই দিলে। তাইৰ এনে লাগিল যেন তাই কাৰাগাৰতহে সোমাইছে। জুহালৰ জুইকুৰা ৰঙা হৈ জ্বলি আছিল। তাৰ ওপৰত থকা কেট্‌লিত পানী উতলি আছে। টেবুলৰ ওপৰত কেইটামান কাপ আৰু ডিচ সজাই থোৱা আছে।

জুইকুৰাৰ কাষতে এখন কাঠৰ চকীত কনি বহি পৰিল। তাইৰ কোটটো খুলি দিয়াত মেলৰ্চে ততাতৈয়াকৈ সেইটো দুৱাৰ হাকোটাত ওলোমাই দিলে। পেনট্ৰিৰ পৰা ৰুটী, মাংস আৰু মাখন উলিয়াই ল'লে আৰু কনিক সুধিলে, "কফি নে কোকো, কি খাবা?"

"মই একো নাখাওঁ। তুমিয়ে খোৱা।"

"মোৰো একো খোৱাৰ ইচ্ছা নাই। কুকুৰটোক খাবলৈ দিওঁ।"

কুকুৰটোক খাবলৈ দি মেলৰ্চে ক'লে, "এয়া তোৰ চাপাৰ।"

ইমান যত্নকৈ খাবলৈ দিয়া সত্ত্বেও সি মেলৰ্চৰ মুখলৈ চাই ৰ'ল। তাকে দেখি মেলৰ্চে ক'লে, "নেখাব কিয়? কি ত্ৰুটি হ'ল? ঘৰৰ এগৰাকী ভদ্ৰ মহিলা আছে কাৰণে? তেওঁ থাকক, তই খা।" তথাপিও সি নোখোৱাত মেলৰ্চে তাৰ মূৰত হাত ফুৰাই মৰম কৰিবলৈ ধৰিলে। তেতিয়াহে সি খাবলৈ ধৰিলে।

কনিয়ে সুধিলে, "তুমি কুকুৰ বৰ ভালপোৱা?"

"ইমান নহয়। সিহঁত বৰ সোনকালে পোহ মানে আৰু পৰিবৰ্তনশীল।"

এইবুলি কৈ সি জোতাৰ ফিতা খুলিবলৈ ধৰিলে। কনি জুইৰ কাষৰ পৰা উঠি আহিল। দেৱালত এখন নব-দম্পতীৰ ফটো আঁৰি থোৱা আছে। সেইপিনে চাই কনিয়ে সুধিলে, "এইখন তোমাৰ ফটো?"

"হয়। বিয়াৰ পাছতে উঠা ফটো। তেতিয়া মোৰ বয়স একৈশ।"

"তুমি এইখন বৰ ভালপোৱা নেকি?"

"নাই, নাপাওঁ। কাৰণ তাই মোক জোৰ কৰি বিয়া পাতিবলৈ বাধ্য কৰাইছিল।"

সি জোতাযোৰ খোলাত মন দিলে। কনিয়ে আকৌ ক'লে, "তুমি যদি ভালেই নোপোৱা, তেন্তে এইখন এনেদৰে ওলোমাই ৰাখিছা কিয়? তোমাৰ পত্নীয়ে বিচাৰে নেকি?"

মুখত হাঁহি ফুটাই সি ক'লে, "মোৰ পত্নীয়ে যি যি লগত নিব লাগে চব লৈ গৈছে। মাত্ৰ এইখনহে এৰি থৈ গৈছে।"

"তেনেহ'লে তুমি এইখন কিয় ৰাখি থৈছা? তৰল আৱেগ বা ভাব প্ৰৱণতাৰ খাতিৰত?"

"নাই, মই সেইফালে কোনোদিনেই চোৱা নাই। এনেয়ে আছে।"

"তেনেহ'লে সেইখন পুৰি নেপেলোৱা কিয়?"

বাদামী ৰঙৰ কাঠৰ ফ্ৰেমেৰে বন্ধোৱা ফটোখনলৈ মেলৰ্চে চালে। এখন উজ্জ্বল মুখৰ এজন তৰুণ যুৱক আৰু চাটিনৰ কাপোৰ পিন্ধা নিৰ্ভীক যুৱতীৰ ফটো সেইখন। মেলৰ্চে ক'লে, "কথাটো বেয়া নহয়।"

জোতাযোৰ খুলি চেণ্ডেলযোৰ ভৰিত সুমুৱাই ল'লে মেলৰ্চে। তাৰ পিছত এখন চকীত উঠি ফটোখন একে টানে নমাই আনি ক'লে, "এইখন আৰু এতিয়া বেৰত ওলোমাই ৰখাৰ কোনো অৰ্থ নাই।"

এটা হাতুৰীৰে ফ্ৰেমটো ভাঙি ফটোৰ কাগজখন উলিয়াই আনিলে। কনিয়ে সেইখন চালে আৰু সিয়ো। তাইৰ ভাব হ'ল ছোৱালীজনী দেখাত ইমান বেয়া নহয়, বৰঞ্চ তাইৰ এটা বিশেষ ধৰণৰ আবেদন আছে। সি কাঠৰ ফ্ৰেমটো হাতুৰীৰে টুকুৰা-টুকুৰ কৰি জুইত পেলাই দিলে আৰু ক'লে, "বাকীখিনি কালিলৈ পুৰিম।"

পুনৰ আগৰ ঠাইত সি বহি পৰিল। কনিয়ে তাক সুধিলে, "তুমি তোমাৰ পত্নীক ভালপোৱানে?"

"ভালপোৱা? তুমি ছাৰ ক্লিফোৰ্ডক ভালপোৱা?"

তাৰ কথাত দমি নগৈ কনিয়ে কৈ উঠিল, "কিন্তু তুমি তাইক এতিয়াও গুৰুত্ব দিয়া।"

"গুৰুত্ব!"

"তুমি এতিয়াও তাইক গুৰুত্ব দিয়া।"

চকু দুটা বহলকৈ মেলি মেলৰ্চে কৈ উঠিল, "নাই, মই এতিয়া তাইৰ কথা নাভাবোৱেই।"

"কিন্তু কিয়?"

মেলৰ্চে মাথোঁ মূৰ লৰালে।

তাই আকৌ ক'লে, "তুমি বিবাহ-বিচ্ছেদ নকৰা কিয়? নহ'লে তাই এদিন নহয় এদিন ঘূৰি আহিবই।"

কনিলৈ সি তীক্ষ্ণ দৃষ্টিৰে চালে আৰু ক'লে, "এই এক মাইলৰ দূৰত্বত তাই মোলৈ

নাহে। তাইক মই যিমান ঘৃণা কৰোঁ তাতকৈ তাই মোক বেছি ঘৃণা কৰে।"

"তুমি চাবা, তাই এদিন আহিবই।"

"নাই, তাই আৰু নাহে। সকলো শেষ হৈ গৈছে। তাইক দেখিলে মোৰ পিত্ত জ্বলি যায়।"

"তাইৰ সৈতে তোমাৰ দেখা হ'বই। আইনগতভাৱে তোমালোকৰতো বিচ্ছেদ হোৱা নাই?"

"নাই হোৱা।"

"তেতিয়াহ'লে তাই আহিব আৰু তুমিয়ো তাইক গ্ৰহণ কৰিব লাগিব।"

কনিৰ ফালে চাই মুৰ লৰালে মেলৰ্চে। তাৰ পিছত ক'লে, "তোমাৰ কথাত মই ইয়ালৈ ঘূৰি আহি মূৰ্খামি কৰিছোঁ। তুমি ঠিক কৈছা। মই বিবাহ-বিচ্ছেদ কৰি মুক্ত হ'ম। আদালত, বিচাৰক, ৰাজকৰ্মচাৰীক মই মৃত্যুৰ সমানেই ঘিণ কৰোঁ। তথাপিও মই সহ্য কৰিম আৰু বিবাহ-বিচ্ছেদ কৰিমেই।

কনিয়ে দেখিলে তাৰ মুখখন কঠিন হৈ পৰিছে। সি ক'লে "মই ভাবো মই এতিয়া একাপ চাহ খাব পাৰিম।" সি তেনেকৈয়ে চাহ কৰিবলৈ উঠি গ'ল।

খাবলৈ বহি কনিয়ে তাক সুধিলে, "তুমি তাইক কিয় বিয়া কৰাইছিলা? তাই তোমাতকৈ বহুত তলৰ স্তৰৰ ছোৱালী আছিল। মিছেছ্ বল্টনে তাইৰ কথা মোক কৈছে। তুমি তাইক কিয় বিয়া কৰালা সেইটো আজিয়ো বুজা নাই।"

কনিলৈ স্থিৰ দৃষ্টিৰে চাই সি ক'লে, "মই তোমাক সকলোবোৰ কথাই কম। মোৰ জীৱনলৈ যেতিয়া প্ৰথম নাৰীগৰাকী আহে তেতিয়া মোৰ বয়স মাত্ৰ যোল্ল। তেওঁ আছিল এজন স্কুল শিক্ষকৰ ছোৱালী। সুশ্ৰী, সুন্দৰী। মই তেতিয়া চেফিল্ডৰ গ্ৰামাৰ স্কুলৰ পৰা উত্তীৰ্ণ হোৱা এটা চঞ্চল ল'ৰা। অলপ অলপ ফৰাচী আৰু জাৰ্মান ভাষা জানো। তাই আছিল বৰ ৰোমাণ্টিক মনৰ। তাই বিচাৰিছিল মই ডাঙৰ মানুহ হোৱাটো। সৰু সৰু সাধাৰণ মানুহক তাই ভাল নাপাইছিল। তাই মোক পঢ়িবলৈ আৰু কবিতা লিখিবলৈ প্ৰেৰণা দিছিল। মই 'মানুহ' হোৱাটোত তাই গুৰুত্ব দিছিল। মই কবিতা পঢ়িছিলো, বহুত কিবাকিবি ভাবিছিলো কিন্তু সকলো সময়তে অস্বস্তিত কটাইছিলো। মোৰ অৱস্থাটো এটি জ্বলি উঠা ঘৰৰ দৰে হৈছিল। তেতিয়া মই বাটাৰ্লে অফিচৰ কেৰাণী। মই তেতিয়া বৰ খীণমীন আৰু শেঁতা পৰা মুখৰ ল'ৰা আছিলো। আজৰি সময়ত মই যথেষ্ট পঢ়া-শুনা কৰিছিলো। পঢ়োতে পঢ়োতে অস্বচ্ছ অস্পষ্ট চিন্তা কিছুমানে আমাৰ মনত কুণ্ডলী পকাইছিল। আমি আছিলো সেইসময়ৰ অতি সাহিত্যানুৰাগী প্ৰেমিক-প্ৰেমিকা। তাইৰ প্ৰতি আৱেগত উত্তপ্ত আৰু বিচলিত হৈ মই তাইৰ সৈতে আলোচনাত মত্ত হৈ পৰিছিলো। তাই আছিল একুৰা জুইৰ দৰে আৰু মই জুই অনুগামী ধোঁৱাৰ নিচিনাকৈ তাইক মাথোঁ অনুসৰণ কৰিছিলো। তাই মোক শ্ৰদ্ধাৰ দৃষ্টিৰে চাইছিল।

কিন্তু ঘাঁহে ঢাকি ৰখা সাপৰ দৰে আমাৰ এই দেহাতীত প্ৰেমৰ সম্পৰ্কৰ অন্তৰালত থকা কাম-প্ৰবৃত্তিয়ে অৱদমিত হৈ গৰ্জন তুলিছিল। কিন্তু তাইৰ এই প্ৰবৃত্তি মুঠেই নাছিল। ফলত মই দিনে দিনে খীণাই যাবলৈ ধৰিলো আৰু খিণ্ডখিণ্ডিয়া হ'বলৈ ধৰিলো। মই তাইক মোৰ কামনাৰ কথা ক'লো। মই উত্তেজিত হৈ পৰিছিলো মোৰ কাম প্ৰবৃত্তি চৰিতাৰ্থ কৰিবলৈ। কিন্তু তাই প্ৰেমৰ কথা কয়। চুমা খাই মৰম কৰে। কেৱল সেই কাৰণেই তাই মোক বিচাৰে। তাইক মোৰ বেয়া লাগিবলৈ ধৰিলে আৰু তাইক মই নিষ্ঠুৰভাৱে ত্যাগ কৰিলো। তাৰপিছত আৰু এজনী ছোৱালীৰ সৈতে মোৰ সম্পৰ্ক ঘটিল। তাই আছিল এজনী শিক্ষয়িত্ৰী। মোতকৈ বয়সত ডাঙৰ। তাই মোক সাবটি ধৰে, মৰম কৰে, কিন্তু মই তাইক জোৰকৈ ধৰি শাৰীৰিক সম্পৰ্ক স্থাপনৰ কথা কোৱাত তাই মোক দাঁত কৰচি খং কৰিলে। তাইৰ সৈতেও মোৰ সম্পৰ্কটোৰ আধ্যা পৰিল।

তাৰপিছত আহে বাৰ্থা কাউট্চ। আমাৰ চুবুৰীয়া। সৰুৰে পৰা চিনি পাওঁ। তাই অলপ ডাঙৰ হৈয়ে বাৰ্মিংহামত এগৰাকী মহিলাৰ ঘৰত কাম কৰিবলৈ যায়। তাৰ পিছত বোধহয় এখন হোটেলত কাম কৰে। মই একৈশ বছৰীয়া হওঁতেই তাই ঘৰলৈ উভতি আহে। তাইৰ দেহত তেতিয়া যৌৱনৰ প্ৰাচুৰ্য। সেই শৰীৰৰ পৰা বিচ্ছুৰিত হয় এক ইন্দ্ৰীয়গ্ৰাহ্য আবেদন। পাহি মেলা ফুলৰ সৌন্দৰ্যৰ দৰে তাইৰ দেহৰ সকলো অংগতে ঢৌ খেলি আছিল। মই তেতিয়াও কেৰাণীৰ চাকৰি কৰিয়ে আছিলো। লগতে তেভাৰচালত কমাৰৰ কামো কৰোঁ। মোৰ দেউতাৰ পৰা ঘোঁৰাৰ খুৰাত লোহা লগোৱা কামটো শিকিছিলো। মই সৰু থাকোঁতে দেউতাই যেতিয়া এই কাম কৰিছিল তেতিয়া মই দেউতাৰ লগে লগে ঘুৰি ফুৰিছিলো। এই কামটো মোৰ বৰ ভাল লাগিছিল কাৰণ বহুত ঘোঁৰা লৰাই-চৰাই থাকিবলৈ পাইছিলো। মই কিন্তু তেতিয়াও কিতাপ পঢ়িছিলো। আমাৰ এটা টাটু ঘোঁৰা আছিল। তাৰ নাম দিছিলো লৰ্ড ডাকফুট। মোৰ দেউতাই মৃত্যুৰ সময়ত মোক তিনিশ পাউণ্ড দি গৈছিল আৰু সেই টকাৰেই মই বাৰ্থাক গ্ৰহণ কৰিলো। তাই বৰ সাধাৰণ ঘৰৰ ছোৱালী আছিল। মই নিজেও সাধাৰণ মানুহ হ'ব খুজিছিলো। মই তাইক বিয়া কৰালো। তাই বৰ বেয়া নাছিল। তাইৰ আগতে মোৰ জীৱনলৈ অহা ছোৱালীবোৰে মোক এনেকৈ বিচৰা নাছিল। সিহঁতে কেৱল সিহঁতৰ প্ৰেমটোহে বৰ ডাঙৰ কথা বুলি ভাবিছিল। কিন্তু বাৰ্থাৰ দৃষ্টিভংগী আৰু মোৰ দৃষ্টিভংগীৰ মাজত বহুত মিল। তাই বিচাৰে মই তাইৰ দেহাটো উপভোগ কৰি তাইক ৰমণ কৰোঁ। কিন্তু তাৰ বাবে মই তাইৰ বাধ্য হৈ থকাটোও তাই নিবিচাৰে। মাজে মাজে তাইক মই বিছনাতে ব্ৰেকফাষ্ট আনি দিছিলো। তাইৰ খুব খং উঠে। মোক গালি পাৰে। তাইৰ আৰু এটা দোষ আছিল। মই কাম-বন কৰি ঘৰ সোমোৱাৰ পাছত তাই নিজহাতে মোক খাবলৈ নিদিছিল। মই কিবা ক'লেই তাইৰ খং উঠিছিল। হাতৰ কাষত যিহকে পায় তাকেই মোলৈ মাৰি পঠিয়ায়। ময়ো অৱশ্যে হাতত পোৱা যিকোনো

বস্তুকে তাইলৈ লক্ষ্য কৰি মাৰি দিছিলো। এদিন তাই মোলৈ কাপ এটা মাৰি পঠিয়ালে, ময়ো তাইৰ ডিঙিত এনেকুৱা চেপা দিলো যে তাইৰ প্ৰাণবায়ু ওলাই যাব যেন হৈছিল। তাই বৰ দন্তালি মাৰি কথা কৈছিল। মই যেতিয়া তাইক বিচাৰো তাই তেতিয়া মোক ঠেলি আঁতৰাই পঠায়। আৰু মই যেতিয়া নিস্পৃহ হৈ থাকোঁ তেতিয়া তাই মোক সাপৰ দৰে মেৰিয়াই ধৰে। সংগম কালত মোৰ বীৰ্যপাত হোৱাৰ পাছতো তাই মোক জোৰকৈ ধৰিয়ে থাকে, মোক পীড়িত আৰু ক্লান্ত কৰি তোলাৰ পাছত তাই পুলকৰ আনন্দত চিঞৰি উঠে। মোৰ অস্বস্তিৰ কথাটো এবাৰো নাভাবে। তাইৰ সৈতে শাৰীৰিক সম্পৰ্কৰ সময়ত মই তৃপ্তিৰ আনন্দ নোপোৱা হ'লো। তাই নিজৰ চেষ্টা আৰু তৎপৰতাৰে পৰিতৃপ্তিৰ আনন্দ উপভোগ কৰে। তাই বিকৃত উপায়েৰে কাম প্ৰবৃত্তি চৰিতাৰ্থ কৰা তিৰোতা। তাই ইমান উগ্ৰ কামাতুৰা আছিল যে তাই মোক য'তে ত'তে কামুৰি দিছিল। মই তাইক সহ্য কৰিব নোৱৰা হ'লো। বেলেগ কোঠাত শুবলৈ ল'লো। কিন্তু তাইৰ প্ৰয়োজনৰ সময়ত তাই মোৰ ওচৰলৈ আহে।

আমাৰ সন্তান নোহোৱালৈকে এনেদৰেই দিনবোৰ পাৰ হ'ল। তাই মোক ঘিণ কৰিছিল আৰু সেই ঘৃণা লৈয়ে গৰ্ভধাৰণ কৰিলে। সন্তানটিৰ জন্মৰ পাছতেই মই যুদ্ধলৈ যাওঁ। যুদ্ধৰ পাছত যেতিয়া শুনিলো যে তাই ষ্টকচ গেইটৰ মানুহ এটাৰ সৈতে থাকিবলৈ লৈছে তেতিয়া মই ইয়ালৈ উভতি আহিলো।"

কথাখিনি সি ইমানতে সামৰিলে। তাৰ মুখখন ম্লান হৈ পৰিছিল। কনিয়ে সুধিলে, "মানুহটো কেনেকুৱা?"

"একেবাৰে ল'ৰা মানুহৰ দৰে। বুৰ্বক। তাই তাক ভেড়া বনাই ৰাখিছে। শুনিছো সিহঁত দুয়োটাই বোলে মদ খায়।"

"কিন্তু মোৰ কথা হৈছে তাই যদি উভতি আহে!"

"হে প্ৰভু! হয়তো। তাৰমানে মই আকৌ পলাব লাগিব।"

ইয়াৰ পাছত দুয়ো নীৰব হৈ ৰ'ল। জ্বলি থকা জুইকুৰাৰ কাঠবোৰ পুৰি পুৰি ছাই হৈ গ'ল।

শেষত কনিয়ে মাত লগালে, "তুমি যদি এনেকুৱা এজনী ছোৱালী পোৱা যি তোমাক বিচাৰে, তেতিয়া তুমি সুখী হ'বানে?"

"ইয়াৰ আগতে মোৰ যৌৱনকালত যিসকল নাৰীয়ে মোক প্ৰেমৰ সোৱাদ দিছিল তাতোকৈ মই বেছি সুখ পাম। সেই সুগন্ধি বিষকন্যা আৰু অনান্য সকলতকৈয়ো।"

"অনান্যসকল কোন?"

"অনান্যৰ শেষ নাই। মই মোৰ অভিজ্ঞতাৰ কথাহে কৈছো। মোৰ এনে লাগে বেছিভাগ নাৰীয়েই এজন পুৰুষকে নিবিচাৰে। কিন্তু দৈহিক সম্পৰ্কটোও তেওঁলোকৰ মুখ্য উদ্দেশ্য নহয়। পুৰুষ একোজনক হাতৰ মুঠিত ৰাখিবলৈ যিমানকণ যৌনক্ৰিয়াৰ

দৰকাৰ তেওঁলোকে মাত্ৰ সিমানকণেই কৰে। আগৰ দিনৰ ছোৱালীবিলাকে সংগমৰ সময়ত পুৰুষজনৰ তলত চুপচাপ নিষ্ক্ৰিয়ভাৱে শুই থাকে। মৰাৰ দৰে পৰি থাকে। তোমাৰ যি মন যায় কৰা। তেওঁলোকে একো নাভাবে আৰু পুৰুষজনক মানি লয়। পুৰুষেও এইটোকে মানি লয়। আচলতে কিন্তু এইটো নহয়। তাৰে কিছুমান ধূৰ্ত ছোৱালীয়ে আকৌ মুখৰে ঘৃণাৰ ভাবটো প্ৰকাশ নকৰে। সিহঁতে নিজকে বৰ উগ্ৰকামা বুলি দেখুৱাব খোজে আৰু বৰ পুলকিত হৈছে বুলিয়ো দেখুৱায়। কিন্তু এইবোৰ চব ছলনা। সিহঁতে চব ভালপায়, কিন্তু যিটো সত্য তাক ভাল নাপায়। মোৰ পত্নীৰ দৰে কিছুমান ছোৱালী আছে যিয়ে সমস্ত তৎপৰতা নিজেই কৰি পৰিতৃপ্তিয়ো নিজেই পাব খোজে আৰু কিছুমান আছে যি মৰাৰ দৰে পৰি থাকে। আৰু এবিধ ছোৱালী আছে যিয়ে পুৰুষে আৰম্ভ কৰাৰ আগতেই পুৰুষজনৰ ওপৰত উঠি বিপৰীত ৰতিক্ৰিয়া আৰম্ভ কৰি দিয়ে। এইবোৰ সমকামী পুৰুষৰ দৰেই ভয়ংকৰ।"

কনিয়ে সুধিলে, "সিহঁতক তুমি সহ্য নকৰা?"

"সেইবোৰ ছোৱালীক মোৰ মাৰি পেলাবলৈ মন যায়।"

"তুমি ভাবা নেকি সেই ছোৱালীবোৰ সমকামী পুৰুষতকৈয়ো বেয়া?"

"সেই বুলিয়ে ভাবো। কাৰণ সিহঁতৰ সৈতে দৈহিক সম্পৰ্ক হোৱাৰ পাছত মোৰ এনেকুৱা লাগে যেন মই আৰু কেতিয়াও কোনো ছোৱালীৰ সৈতে এইবোৰ নকৰোঁ।"

গম্ভীৰ হৈ পৰিল মেলৰ্চ।

"মই যেতিয়া তোমাৰ সংস্পৰ্শলৈ আহিলো তুমি তেতিয়া দুখী হৈ পৰিছিলা নেকি?"

"মই দুখী আৰু আনন্দিত একেলগেই হওঁ।"

"এতিয়া তোমাৰ মনৰ অৱস্থা কেনেকুৱা?"

"বাহ্যিক দিশত মই দুখী। কাৰণ এই সম্পৰ্কৰ বাবে ভৱিষ্যতে যি জটিলতাৰ উদ্ভৱ হ'ব তাৰ কথা ভাবি মই দুখী নোহোৱাকৈ থাকিব নোৱাৰো। কিন্তু মাজে মাজে মই ইমান উত্তেজিত হৈ পৰোঁ যে মই উল্লসিত নহৈ নোৱাৰো। জীৱনৰ প্ৰতি বীতশ্ৰদ্ধ হৈ পৰিছিলো মই। ভাবিছিলো পৃথিৱীখনত এনেকুৱা এজনী ভাল ছোৱালী নাই যাৰ সৈতে কোনো পুৰুষে সহজ স্বাভাৱিক প্ৰেমৰ সম্পৰ্ক স্থাপন কৰিব পাৰে।"

"এতিয়া তুমি সুখী নে?"

"হয়। সুখী। বিশেষকৈ যেতিয়া মই চবকে পাহৰি যাওঁ কিন্তু পাহৰিবও নোৱাৰোঁ তেতিয়া মই টেবুলৰ তলত লুকাই পৰোঁ।"

কনিয়ে একো বুজি নাপালে। তাইৰ প্ৰশ্নৰ উত্তৰত সি ক'লে, "মানে সন্তান।"

কনিয়ে ক'লে, "তুমি ইমান নাৰীৰ সংসৰ্গলৈ আহি অভিজ্ঞতা লাভ কৰিছা যিটো সঁচায়ে ভয়ংকৰ।"

"হয়। তুমি চোৱা, মই কেতিয়াও নিজকে মুৰ্খ সজাব নোৱাৰো যিটো বহুত

পুৰুষেই কৰে। এইবোৰ ক্ষেত্ৰত সিহঁতে নিজকে বুৰ্বক বুলি কৈ মিছা কথাকে মানি লয়। একো নাপালেও কয়, চব পাইছো বুলি। কিন্তু মই মোৰ আকাংক্ষিত বস্তুক নোপোৱালৈকে তাক পাইছো বুলি ক'ব নোৱাৰো।"

"এতিয়া সেই বস্তু পাইছা?"

"পাইছো যেনেই লাগিছে।"

"তেনেহ'লে তোমাক ইমান ম্লান আৰু বিষণ্ণ দেখি কিয়?"

"পুৰণি স্মৃতিৰ চাপ আৰু হয়তো নিজৰ প্ৰতি ভয়ৰ কাৰণে।"

অলপ সময় মনে মনে থাকি কনিয়ে তাক সুধিলে, "বাৰু, নৰ-নাৰীৰ এই সম্পৰ্কটোৰ জীৱনত বৰ প্ৰয়োজন আছেনে?"

"মোৰ মতে আছে। নৰ-নাৰীৰ সম্পৰ্কটো যদি ঠিক হয়, যদি ঠিক পথত থাকে তেনেহ'লে এই সম্পৰ্কটোৱেই হৈছে জীৱনৰ সৰ্বপ্ৰধান প্ৰাণবস্তু। চালিকা শক্তি।"

"কিন্তু জীৱনত যদি সেই সম্পৰ্কৰ সোৱাদ কেতিয়াও পোৱা নাযায়, তেতিয়া?"

"তেনেহ'লে কোনোমতে সেইটোৰ অবিহনেই জীৱন পাৰ কৰিব লাগিব।"

কনিয়ে অলপ ভাবি ক'লে, "বাৰু, নাৰীৰ সৈতে সম্পৰ্ক স্থাপনৰ ক্ষেত্ৰত তুমি সঠিক পথত, ন্যায়ৰ পথত আছিলানে?"

"নাই, নাছিলো। মই মোৰ পত্নীক তেওঁৰ ইচ্ছামতে থাকিবলৈ দিছিলো। মোৰ দোষ আছিল সেইখিনিতেই। মই মোৰ ব্যক্তিত্বক, পৌৰুষত্বক তাইৰ ওপৰত প্ৰতিষ্ঠিত কৰা নাছিলো। ফলত তাই অবাধে বেয়া হৈ পৰে। আৰু মই কোনো ছোৱালীক বিশ্বাস কৰিব নোৱাৰো।"

তালৈ চাই কনিয়ে সুধিলে, "তুমি যেতিয়া উত্তেজিত হৈ পৰা তেতিয়া তুমি তোমাৰ দেহাটোক বিশ্বাস কৰানে?"

"নাই, সেইটোৱেইতো প্ৰধান সমস্যা। সেই কাৰণেই মোৰ মনত ইমান অবিশ্বাস।"

"থাকক তোমাৰ মনৰ অবিশ্বাস।"

টেবুলমেটৰ ওপৰত বহি থকা কুকুৰটোৱে হামিয়াই হিকটিয়াই আছিল। কাঠৰ টুকুৰাৰ ছাইবোৰ বাঢ়ি বাঢ়ি জুইকুৰা নুমাই আহিছিল।

কনিয়ে ক'লে, "আমি দুয়োজনেই আঘাতপ্ৰাপ্ত সৈনিক।"

মেলৰ্চে হাঁহি হাঁহি ক'লে, "তুমিয়ো আঘাতপ্ৰাপ্ত সৈনিক? এইখিনিতেই আমাৰ মিল।"

"হয়। সঁচায়ে মোৰ ভয় লাগে।"

"হয়।"

সি উঠি গৈ তাৰ আৰু কনিৰ জোতা দুযোৰ জুইৰ ওচৰত শুকাবলৈ বুলি থ'লেহি। ৰাতিপুৱা তাত ৰং লগাব। তাৰ পিছত সেই বিয়াৰ ফটো পোৱা কাঠ আৰু

কাগজবোৰ খুঁচৰি-খাচৰি সি ক'লে, "এই ছাইবোৰো লেতেৰা।" হঠাতে সি কুকুৰটো লৈ বাহিৰলৈ গ'ল।

অলপ সময়ৰ পাছত সি উভতি অহাত কনিয়ে ক'লে, "ময়ো বাহিৰলৈ যাম।"

অন্ধকাৰত সোমাই পৰিল কনি। মূৰৰ ওপৰত তৰাভৰা এখন আকাশ। বতাহত ভাহি আহিছিল ফুলৰ সুগন্ধ। বাহিৰত বৰ ঠাণ্ডা। তাইৰ জোতাযোৰ তিতি যোৱা যেন লাগিল। বহুত দূৰলৈ গুচি যাবৰ মন গৈছিল তাইৰ।

প্ৰচণ্ড ঠাণ্ডাত কঁপি কঁপি তাই আকৌ ভিতৰ সোমালহি। দেখিলে জুইৰ কাষত মেলৰ্চ বহি আছে। জুইকুৰাত কাঠ অলপ জাপি দি সি আৰু অলপ কাঠ আনিলে। কাঠখৰিৰ দপদপীয়া জুইৰ কাষত বহি বৰ আৰাম লাগিল। দুয়োৰে মুখ, বুকু গৰম হৈ পৰিল।

মেলৰ্চ নিশ্চুপ হৈ বহি আছিল। কনিয়ে তাৰ এখন হাতত ধৰি ক'লে, "ভাবি-চিন্তি নাথাকিবা।"

ক্ষীণ হাঁহি এটা মাৰি সি এটা হুমুনিয়াহ কাঢ়িলে। কনি তাৰ গাৰ একেবাৰে কাষলৈ আহি তাৰ কোলাত সোমাই পৰিল। তাই ক'লে, "তুমি সিহঁতৰ কথা একেবাৰে পাহৰি যোৱা।"

জুইকুৰাৰ আৰামদায়ক উত্তাপৰ মাজত কনিৰ কোমল দেহৰ স্পৰ্শই আৰু ভাল লগাই দিলে তাক। সি তাইক বুকুৰ মাজত সুমুৱাই সাবটি ধৰিলে। আকৌ উত্তাল হৈ পৰিল তাৰ দেহৰ ৰক্ত। সেই তেজৰ মাজত আকৌ ঢৌ খেলি খেলি বাঢ়িবলৈ ধৰিলে তাৰ হঠাতে উভতি অহা জাৰজ শক্তি।

কনিয়ে ক'লে, "যিবিলাক ছোৱালী তোমাৰ জীৱনলৈ আহিছিল সিহঁতে হয়তো তোমাক ভালপাব খুজিছিল, কিন্তু নোৱাৰিলে। হয়তো সিহঁতৰ দোষ নাই।"

"মই জানো। মই সকলো জানি-বুজিয়ো নেগুৰ কটা সাপৰ দৰে হৈছিলো।"

কনিয়ে এইবাৰ তাক সজোৰে সাবটি ধৰিলে। এই মুহূৰ্ততে সি সংগমত লিপ্ত হ'ব বিচৰা নাছিল। কিন্তু কোনো এটা অজ্ঞাত, অব্যক্ত শক্তিয়ে তাক সেই পথলৈ ঠেলিবলৈ ধৰিলে। এক অন্ধকাৰ, পংকিলতাৰ মাজলৈ।

কনিয়ে ক'লে, "তুমিতো এতিয়া আৰু নেগুৰকটা সাপ নহয়।"

"মই নাজানো, মই কি। মোৰ মনে কৈছে, আমাৰ দুৰ্দিন আহি আছে।"

কনিয়ে তাক জোৰেৰে সাবটি ধৰি ক'লে, "নাই, নাই, সেই কথা নক'বা। কিয়, কিয় তুমি এইকথা কৈছা?"

এক বিষাদ ঘন শংকাৰ ছায়াৰে মুখখন ক'লা কৰি সি ক'লে, "আমাৰ ওপৰত দুৰ্দিনৰ ক'লা মেঘ নামি আহিছে।"

"নাই, নাই এই কথা নক'বা।"

মেলৰ্চ মনে মনে থাকিল। কনিয়ে নিবিড় আলিংগনৰ মাজতো হতাশা আৰু

বিষাদৰ এক কৃষ্ণ কুটিল শূন্যতা স্পষ্টভাৱে অনুভৱ কৰিলে। মেলৰ্চৰ দেহৰ স্পৰ্শত তাই অনুভৱ কৰিলে এই বিষাদ, এই শূন্যতা। ইয়াৰ অৰ্থ তাই বুজি পালে।

এই শূন্যতা হ'ল এক প্ৰকাৰৰ মৃত্যু। প্ৰেমৰ মৃত্যু। এই হতাশা হৈছে অনীহাৰ অদৃশ্য অন্ধকাৰ গুহা। সকলো পুৰুষেই এদিন পৌৰুষত্বক হেৰুৱাই এক সীমাহীন নিঃসংগতাৰ মাজত আত্মগোপন কৰে।

কনিয়ে ভয়ে ভয়ে ক'লে, "দৈহিক সম্পৰ্কৰ ক্ষেত্ৰত তুমি একেবাৰে নিস্পৃহ। তোমাৰ কথা শুনি তেনেকুৱাই লাগে। ভাব হয়, তোমাৰ আগৰ সম্পৰ্কবোৰত তুমি তোমাৰ নিজৰ আনন্দ বা তৃপ্তিটোকে বেছি গুৰুত্ব দিছিলা।"

কনিৰ কণ্ঠত অলপ প্ৰতিবাদৰ সুৰ আছিল।

মেলৰ্চে ক'লে, "ঠিক সেইটো নহয়। মই মোৰ আনন্দ বা তৃপ্তি বিচাৰিছিলো ঠিকেই, কিন্তু মই সেইটো পোৱা নাছিলো। কিয়নো কোনো নাৰীৰ সৈতে সহবাস কৰিলে মই যিমান তৃপ্তি বা আনন্দ পাওঁ, তেৰোঁ মোৰ পৰা সিমানখিনি তৃপ্তি বা আনন্দ লাভ কৰে। মোৰ মনত সেইটো কেতিয়াও নঘটে। সহবাসৰ আনন্দ নৰ-নাৰীৰ যৌথ অনুভূতিৰ কথা।"

"কিন্তু তুমিতো কোনো নাৰীকে বিশ্বাস নকৰা। তুমি মোৰ কথাও বিশ্বাস নকৰা।"

"কোনো নাৰীক বিশ্বাস কৰা মানে কি মই নাজানো।"

"এইটোৱে তোমাৰ দোষ।"

কনিয়ে সেই মুহূৰ্তত মেলৰ্চৰ কোলাত কুঁচি-মুচি সোমাই পৰিছিল। কিন্তু তাৰ মন তাত নাছিল। তাইৰ কোনো কথাই তাৰ মনৰ চেতনাক নিবিড় কৰি তুলিব পৰা নাছিল।

কনিয়ে সুধিলে, "তুমি কাক বিশ্বাস কৰা?"

"মই নাজানো।"

"আন মানুহবোৰৰ দৰেই তুমিয়ো একোৱেই নাজানা।"

প্ৰথমতে দুয়ো মনে মনে ৰ'ল। তাৰ পিছত সি ক'লে, 'অ', মই এটা কথাত বিশ্বাস কৰোঁ। মই বিচাৰো আন্তৰিকতাৰ উত্তাপ। এই উত্তাপ লৈয়ে মই কোনো নাৰীৰ সৈতে সহবাস কৰি ভাল পাওঁ আৰু সেইগৰাকীয়েও একেই আন্তৰিকতাৰে মোক গ্ৰহণ কৰাটো। তেতিয়া সকলোবোৰ ঠিক হৈ যাব। আন্তৰিকতাৰ উত্তাপহীন সংগম হিম-শীতল মৃত্যুৰ দৰেই অবাঞ্ছনীয়। নিবুৰ্দ্ধিতাৰ পৰিচয়।"

"তুমিতো মোৰ সৈতে আন্তৰিকতাহীনভাৱে সহবাস কৰা নাই।"

"মই তোমাৰ সৈতে সংগম কৰিবই নিবিচাৰো। মোৰ অন্তঃকৰণ এতিয়া ঠাণ্ডা আলুৰ দৰে পৰি আছে।"

কনিয়ে তাক চুমা এটা খাই ক'লে, "এতিয়া আমাৰ কাম আৰম্ভ কৰা।"

"মই ইমানখিনি আন্তৰিকতাৰে কাঙাল। কিন্তু ছোৱালীবোৰে তাকে নিবিচাৰে। আনকি তুমিয়ো। তুমি বিচৰা এজন বলিষ্ঠ পুৰুষৰ তীক্ষ্ণ মৰ্মভেদী ৰমণ; কিন্তু সেয়াও

আন্তৰিকতাহীন। মোৰ প্ৰতি ক'ত আছে তোমাৰ প্ৰেম ভালপোৱা বা মমতা? মেকুৰীয়ে যেনেকৈ কুকুৰক সন্দেহৰ চকুৰে চায় তেনেকৈ তুমিয়ো মোক সন্দেহৰ চকুৰে চোৱা। মোৰ এনে লাগে, মমতা, আন্তৰিকতা আদি গুণৰ পৰিচয় দিবলৈ হ'লেও দুয়োৰে মাজত পাৰস্পৰিক সহযোগিতাৰ প্ৰয়োজন। তুমি সংগম ভালপোৱা, বিচৰা এক চৰম পুলকানুভূতিৰ বিৰল অভিজ্ঞতা। কিন্তু সেয়া মাত্ৰ তোমাৰ আত্মসুখ চৰিতাৰ্থ কৰিবলৈহে। তোমাৰ আত্মসুখ আৰু নিজৰ প্ৰতি গুৰুত্ববোধ এজন পুৰুষতকৈ পঞ্চাশ গুণ বেছি।"

"এইটো কথা ময়ো তোমাক ক'ব পাৰোঁ। তোমাৰ ওচৰতো তোমাৰ আত্মসুখেই ডাঙৰ কথা।"

মেলৰ্চ উঠিল আৰু ক'লে, "ঠিক আছে তেনেহ'লে, আমি দুয়ো দুয়োৰে পৰা আঁতৰি দূৰৈত থকাই ভাল। আন্তৰিকতাহীন সংগম কৰাতকৈ মৰাই ভাল।"

কনিয়ে তাৰ কোলাৰ পৰা উঠোতেই সি থিয় দিলে। তাই ক'লে, "তুমি ভাবা নেকি ময়ো এনেকুৱা সংগম কৰিব বিচাৰো?"

"আশা কৰোঁ তুমি নিবিচৰা। তথাপিও তুমি মোৰ বিছনাখনত শোৱাগৈ: মই ইয়াতে শুম।"

তাৰ মুখখন ম্লান। ভ্ৰু-কুঞ্চিত। তাক দেখি এনে লাগিল সি কুমেৰুৰ দৰেই হিম শীতল আৰু দূৰৱৰ্তী।

কনিয়ে ক'লে, "ৰাতি নুপুৱালৈকে মই ঘৰলৈ যাব নোৱাৰো।"

"নালাগে। এক বাজিবলৈ পোন্ধৰ মিনিট আছে। তুমি বিছনালৈ যোৱা।"

কনিয়ে ক'লে, "নাযাওঁ। নাযাওঁৱেই।"

তেনেহ'লে মই বাহিৰলৈ যাওঁ।" সেইবুলি কৈয়ে সি জোতা পিন্ধিবলৈ ধৰিলে। কনিয়ে তাৰফালে চই ৰ'ল। তাই অস্থিৰ হৈ ক'লে, "ৰ'বাচোন। আগতে কোৱাচোন আমাৰ মাজত কি হৈছে?"

সি কোনো উত্তৰ নিদিলে। জোতাৰ ফিতা লগাবলৈ ধৰিলে। কেইটিমান মুহূৰ্ত পাৰ হৈ গ'ল। তাই বৈ আছিল। চকু দুটা মুদ খাই আহিছিল। সেই চকুৰ অস্বচ্ছ অস্পষ্ট দৃষ্টিৰে তালৈ মাথোঁ চাইছিল। কনিয়ে নুবুজিলে তাই কিয় তেনেদৰে তালৈ চাই আছে। সেই দৃষ্টিৰ উৎস ক'ত। এনে লাগিল যেন এক অপৰিজ্ঞাত শূন্যতাৰ অন্তহীন গভীৰতাৰ পৰা এই দৃষ্টিৰ সীমাহীন কুঁৱলীয়ে গোটেই জগত ঢাকি পেলাইছে। তাই একো দেখা নাই, একো জানিব নিবিচাৰে।

নীৰৱে মেলৰ্চে কনিলৈ চালে। তাই বিস্ফোৰিত চকুৰে কুঁৱলী ভৰা চাৱনিৰে বৈ আছে। চিন্তাৰ অৰ্থহীন শূন্যতাত তাই হেৰাই গৈছে। তাই নিজৰ মাজতে নিজে নাই। হঠাতে তাৰ মনটো ঘূৰি গ'ল। এপাত জোতা নিপিন্ধাকৈয়ে সি তাইক বুকুৰ মাজত সুমুৱাই ল'লে। তাইৰ গোপন অংগসমূহত বাৰে বাৰে স্পৰ্শ কৰি সি ক'বলৈ ধৰিলে, "মোৰ সোণজনী, মই তোমাক ভাল পাওঁ।"

কনিয়ে তালৈ স্থিৰ দৃষ্টিৰে চাই ক'লে, "ৰ'বা, আবেগৰ দ্বাৰা পৰিচালিত নহ'বা। আগতে কোৱা, তুমি মোক সঁচাকৈয়ে বিচৰা নে নাই, সহবাস কৰিবা নে নকৰা।"

হঠাতে স্তব্ধ হৈ পৰিল তাৰ শৰীৰৰ সমস্ত উত্তেজনা। সি স্থিৰ হৈ শিল এটাৰ দৰে বৈ গ'ল। খন্তেক সময়ৰ পাছত সি ক'লে, "অ', বিচাৰো। ব'লা আমি মিলিত হওঁ।"

কনিয়ে চকু দুটা সেমেকাই সুধিলে, "সঁচায়ে কৈছাতো?"

"অ', সঁচাকৈয়ে কৈছো।"

তাৰ দেহৰ তলত শুই পৰা কনিলৈ চাই সি অকণমান হাঁহিলে। সেই হাঁহিত ইতিকিঙৰ সৈতে আছিল অলপ তিক্ততা।

ইফালে কনিয়ে নীৰৱে নিঃশব্দে কান্দিছিল। কনিক সাবটি ধৰি তেতিয়াও মেলৰ্চ শুই আছিল। এখন কম্বল পাৰি টেবুলৰ ওপৰতে সিহঁত শুইছিল। সেয়ে দুয়োৰে সমানেই কষ্ট হৈছিল। বেছি দেৰি নকৰি লৰালৰিকৈ দুয়ো বিছনালৈ গ'ল। ঠাণ্ডা বেছি হৈ আহিছিল। টেবুলৰ ওপৰতে কৰা ৰমণৰ বাবে দুয়ো ক্লান্ত হৈ পৰিছিল। সেয়ে বিছনালৈ অহাৰ লগে লগে দুয়ো টোপনিত লালকাল দিলে। সিহঁতৰ যেতিয়া টোপনি ভাঙিল তেতিয়া বাহিৰত পোহৰ হ'ল। সূৰ্যৰ কোমল কিৰণে ধৰিত্ৰী স্পৰ্শ কৰিলেহি।

প্ৰথমেই মেলৰ্চ উঠিল। খিৰিকিৰ পৰ্দা আঁতৰাই বাহিৰলৈ চালে। কাণ থিয় কৰি ব্ৰেকবাৰ্ড আৰু থ্ৰাচ পখীৰ গান শুনিলে। তেতিয়া পুৱা চাৰে পাঁচ বাজিছে। তাৰ নিয়মিত উঠাৰ সময়। আজিৰ পুৱাটো বৰ উজ্জ্বল। যোৱাৰাতি সি গভীৰ টোপনি মাৰিছিল। জীৱনত এনেকুৱা এটা দিন আগতে কেতিয়াও অহা নাছিল। যেন এটা অভিনৱ অভিজ্ঞতা। তাৰ শয্যাসংগীনী এতিয়াও বিছনাত শুই আছে। তাইৰ ঘুমন্ত শৰীৰটোক বৰ স্নিগ্ধ আৰু মনোৰম লাগিছে। তাইৰ দেহত হাতেৰে স্পৰ্শ কৰোঁতেই তাই সাৰ পাই গ'ল। পৰম বিস্ময়েৰে তাই মেলৰ্চলৈ চালে আৰু তাই অজানিতে এটি হাঁহি মাৰিলে।

কনিয়ে ক'লে, "তুমি উঠিলা?"

তাইলৈ চাই সি এটি হাঁহি মাৰিলে আৰু তাইক এটা চুমা খালে।

হঠাতে তাই উঠি বহিল। আৰু পৰম বিস্ময়েৰে কৈ উঠিল, "চোৱা, মই ক'ত আছো। কি আচৰিত লাগিছে।"

কোঠাৰ চুকে-কোণে চকু ফুৰালে তাই। কোঠালিটোৰ মাজত এখন টেবুল, এখন চকী আৰু এখন সৰু বিছনা। তাতেই তাই শুই আছে। তাই আকৌ ক'লে, "মই ক'ত শুই আছো ভাবিয়ে কেনেকুৱা যেন লাগিছে।" সি আকৌ শুই পৰিল। তাইৰ বুকুৰ ওপৰত হাত ফুৰাইছিল। সিহঁত দুয়োকে বৰ সজীৱ আৰু ধুনীয়া দেখাইছিল।

হঠাতে কনিয়ে তাইৰ পিন্ধি থকা কাপোৰটো খুলি দিলে আৰু তাকো খুলিবলৈ ক'লে। তাৰ নগ্ন শৰীৰটো তাইৰ খুব ভাল লাগিল। তাইৰ মনত পৰিল, এদিন তাই গা ধুই থকা মেলৰ্চৰ গাটো কিমান ধুনীয়া দেখিছিল।

সি খিৰিকিৰ পৰ্দাখন মেলি দিবলৈ বুলি তেনেকৈয়ে উঠি গ'ল। উভতি আহোঁতে তাৰ লাজ লাগিল আৰু তাৰ চাৰ্টটোৰেই তাৰ নিম্নাংশ ঢাকি ধৰিলে। কনিয়ে কৈ উঠিল, "নাঢাকিবা, তোমাক চাবলৈ দিয়া।" তাৰ মূৰ আৰু বুকুৰ চুলিখিনি ক'লা, কিন্তু নিম্নাংশৰ নোমখিনি সোণালী ৰঙৰ।

মেলৰ্চে কনিৰ দেহ সমুদ্ৰৰ অতল গভীৰতাত আকৌ ডুব দিলে।

শুই শুই সি ষ্টকচ গেইটৰ পৰা ভাহি অহা কয়লাখনিৰ শব্দ শুনিবলৈ পালে। সি সেই শব্দ শুনিবলৈ নিবিচাৰে। সেয়ে সি কনিৰ বুকুত মুখ গুঁজি কাণ দুখনো ঢাকি ধৰিবলৈ চালে।

কনিয়েও সেই শব্দ শুনিব নিবিচাৰে। বাহিৰৰ পৃথিৱীখনৰ কোনো শব্দই তাই শুনিব নিবিচাৰে।

মেলৰ্চে তাইক লাহে লাহে ক'লে, "তুমি উঠা ভাল হ'ব নেকি?"

তাই সুধিলে, "সময় কিমান হ'ল?"

"সাত বাজিবই এতিয়া।"

"তেনেহ'লে উঠিবই লাগিব।"

উঠিবলৈ তাইৰ মন যোৱা নাছিল। কিন্তু প্ৰয়োজনৰ নিৰ্মম তাড়না আৰু বাহিৰৰ জগতৰ অবাঞ্ছিত অনুশাসনে তাইক উঠিবলৈ বাধ্য কৰিলে। তাইক এই বনৰ মাজৰ নিৰ্জন সহবাস আৰু সুখৰ জগতখনৰ পৰা টানি অনাৰ বাবে তাইৰ বৰ খং উঠিল।

হঠাতে উঠি বহি লৈ তাই মেলৰ্চলৈ চাই সুধিলে, "তুমি মোক ভাল পোৱাতো?'

"এই কথাৰ উত্তৰ তুমি জানা। কিয় বাৰে বাৰে সুধি থাকা?"

"তুমি মোক চিৰদিনৰ বাবে তোমাৰ কাষত থাকিবলৈ দিয়া। ইয়াৰ পৰা মোক যাবলৈ নিদিবা।"

"কেতিয়া? এতিয়াই?"

"তুমি এতিয়া তোমাৰ হিয়াত মোক ৰাখি থোৱা। মই অতি সোনকালেই তোমাৰ ওচৰলৈ চিৰদিন একেলগে থকাকৈ আহিম।"

বিছনাৰ ওপৰত নগ্ন হৈ বহি থাকিয়ে তললৈ মূৰ কৰি সি কিবা ভাবিবলৈ ধৰিলে।

কনিয়ে তাক সুধিলে, "তুমি এইটো নিবিচাৰা নেকি?"

সি অন্যমনস্কভাৱে কৈ উঠিল, 'অ'।"

সি ক'লে, "এই কথা এতিয়া মোক নুসুধিবা। পিছত যেতিয়া মন যায় তেতিয়াই সুধিবা। এতিয়া তোমাৰ এই সংগসুখ মোক প্ৰাণ ভৰি উপভোগ কৰিবলৈ দিয়া। যেতিয়া কোনো নাৰীয়ে প্ৰাণ খুলি অকুণ্ঠভাৱে তেওঁৰ দেহ মোক উপভোগ কৰিবলৈ দিয়ে তেতিয়া মোৰ খুব ভাল লাগে। তোমাৰ মূৰৰ পৰা ভৰিলৈকে গোটেই মানুহজনীকে মোৰ ভাল লাগিছে। মোৰ হিয়াজুৰি তুমি ভৰি পৰিছা। এতিয়া মোক একো নুসুধিবা। তাৰ বাবে বেলেগ সময় আছে।"

সি তাইৰ নগ্ন শৰীৰৰ ওপৰত হাত ফুৰাই অলপ সময়ৰ পাছতে উঠি গ'ল। তাই তেতিয়াও তেনেকৈয়ে পৰি ৰ'ল। তাৰ সাহচৰ্য আৰু বাহুবন্ধনৰ মায়াৰ পৰা মুক্ত হৈ গুচি যোৱা বৰ টান। সিফালে সি গৈ থাকোঁতেই কৈ গ'ল, "চাৰে সাত বাজিল।"

এটা হুমুনিয়াহ কাঢ়ি তাই উঠি বহিল। ঘৰখনত আচবাব-পত্ৰ একো নাই। কিন্তু টেবুলখন বৰ চাফাকৈ চিক্‌চিকিয়া কৰি ৰাখিছে। তাই মন কৰিলে খিৰিকিৰ কাষত কিতাপ অলপমান আছে। তাৰে কিছুমান সি কিনা আৰু কিছুমান ভ্ৰাম্যমান লাইব্ৰেৰীৰ। তাই বেঙা মেলি চাই দেখিলে, কিতাপবোৰ বিভিন্ন বিষয়ৰ। বলচেভিকবাদৰ ওপৰত লিখা কিতাপ, ভ্ৰমণ কাহিনী, এটম আৰু ইলেকট্ৰনৰ ওপৰত লিখা বিজ্ঞানভিত্তিক কিতাপ আৰু পৃথিবীৰ গঠন আৰু ভূমিকম্পৰ কাৰণ সম্পৰ্কীয় কিতাপ আদি। মুঠতে সি পঢ়া-শুনা কৰে।

খিৰিকিৰ ফাঁকেৰে সূৰ্যৰ কিৰণ আহি তাইৰ নগ্ন শৰীৰৰ ওপৰত পৰিলহি। বাহিৰলৈ চাই তাই দেখিলে ফ্লচিয়ে ঘূৰা-পকা কৰি আছে। এই ৰাতিপুৱাটো ইমান ধুনীয়া! চৰাইবোৰে গছৰ ডালত পৰি মনৰ আনন্দত গীত জুৰিছে। বতাহত ফুলৰ সুগন্ধ বিয়পাইছে। কনিৰ বাৰে বাৰে মনলৈ আহিল তাই যদি মনৰ মানুহটোৰ সৈতে ইয়াতে এটা ঘৰ সাজিব পাৰিলেহেঁতেন। কোঠাৰ বাহিৰৰ বাৰাণ্ডাত মুখ-হাত ধুই মেলৰ্চ চাহ কৰাত ব্যস্ত। তাইক দেখি সি সুধিলে, "চাহ খাবা?"

"নাই, মোক এখন ফণী দিয়া।" আইনাৰ সন্মুখলৈ গৈ চুলি আঁচুৰি তাই যাবলৈ সাজু হ'ল।

তাই এতিয়া সেই ভয়ংকৰ জগতখনলৈ উভতি যাব লাগিব। লোহাৰ স্তূপ আৰু কয়লাৰ ধোঁৱাৰে আবৰা জগতখনে তাইলৈ নিষ্ঠুৰভাৱে প্ৰতীক্ষা কৰি আছে।

সন্মুখৰ বাৰীখন নানা তৰহৰ, নানা ৰঙী উজ্জ্বল ফুলে জক্‌মকাই আছে। তাই তাক ক'লে, "গোটেই জগতখন বাদ দি মই তোমাৰ ওচৰত একেলগে থাকিবলৈ আহিম। এটা নতুন জীৱন গঢ়িম।"

"সেই জগতখন উৰি নাযায়।"

নিয়ৰসিক্ত বন পথেৰে নীৰৱে আগবাঢ়িল দুয়ো। এই জগত সিহঁতৰ নিজস্ব জগত। এই পথৰ প্ৰতিটো অনু-পৰমাণু সিহঁতৰ ভালপোৱাৰ আশ্বাসেৰে গঢ়া।

ৰাগবিলৈ উভতি যোৱাৰ তাইৰ অকণো মন নাছিল। কিন্তু যাবই লাগিব। তাই তাক ক'লে, "মই অতি সোনকালেই তোমাৰ কাষলৈ আহিম। দুয়ো একেলগে থাকিম।"

কোনো উত্তৰ নিদি সি হাঁহিলে মাথোঁ। লগে লগেই নোহোৱা হ'ল সেই ক্ষীণ হাঁহি।

ঘৰলৈ উভতি আহি তাই দেখিলে কোনেও একো গম পোৱা নাই। তাই চিধাই নিজৰ কোঠা পালেগৈ।

পঞ্চদশ অধ্যায়

সেইদিনা ৰাতিপুৱা ব্ৰেকফাষ্টৰ টেবুলত কনিয়ে হিলদাৰ এখন চিঠি পালে। তাই লিখিছে, দেউতা এই সপ্তাহতে লণ্ডনলৈ যাব। মই ১৭ জুন বৃহস্পতিবাৰে তোমাৰ তালৈ যাম। তুমি সাজু হৈ থাকিবা। তেতিয়া আমি লগে লগেই ওলাই আহিব পাৰিম। ৰাগবিখন বৰ ভয় লগা ঠাই। তাত থাকি মই সময় নষ্ট কৰিব নোখোজোঁ। আগনিশা আমি ৰেটফৰ্ডৰ ক'লমেনৰ সৈতে কটাই বৃহস্পতিবাৰে লাঞ্চৰ সময়ত তোমাৰ ঘৰ ওলামগৈ। আবেলি চাহ খোৱাৰ সময়তে তাৰপৰা ৰাওনা দিম আৰু ৰাতিটো প্ৰাণভৰি কটাম। ৰাগবিত থাকি ক্লিফোৰ্ডৰ সৈতে সন্ধিয়াটো পাৰ কৰাৰ কোনো অৰ্থ নাই। তাতে যদি তেওঁ তুমি যোৱা কথাটো ভাল পোৱা নাই তেন্তে আমাৰ উপস্থিতি একেবাৰে সহ্য নকৰিব।

তাইক পুনৰ দবা খেলৰ বৰ্ডত জোৰকৈ বহুৱাই দিয়া হ'ল।

কনি যোৱাৰ কথাটো ক্লিফোৰ্ডে একেবাৰে ভাল পোৱা নাছিল। কিয়নো তেওঁ ভাবে যে কনিৰ অনুপস্থিতিত তেওঁ একেবাৰে অসহায় হৈ পৰিব। কনি ঘৰত থকা সময়কণত তেওঁ নিজকে বৰ নিৰাপদ যেন অনুভৱ কৰে আৰু কামবোৰো সহজে নিশ্চিন্ত মনে কৰি যাব পাৰে। এতিয়া তেওঁ প্ৰায়ে খাদলৈ গৈ কম খৰচত বেছি কয়লা উৎপাদনৰ কাম-কাজত ব্যস্ত থাকে। কয়লা উঠোৱা আৰু বিক্ৰী কৰাই তেওঁৰ মুখ্য কাম। আজিকালি তেওঁৰ মূৰত আন এটা নতুন চিন্তাই বাহ বান্ধিছে। খনিত উৎপন্ন হোৱা কয়লা বিক্ৰী নকৰি তাৰে আন এটা উদ্যোগ গঢ়ি তোলা।

কনিয়ে ভাবে এইটো হ'ল এটা নিচা, এটা উন্মত্ততা। এই কামত মাত্ৰ কাম-পাগল মানুহেই সফল হ'ব পাৰে। তাই মনতে ভাবে, শিল্প উদ্যোগৰ ক্ষেত্ৰত ক্লিফোৰ্ডৰ এই কৰ্মপ্ৰেৰণা আৰু কৰ্মতৎপৰতা কেৱল উন্মত্ততাৰেই লক্ষণ।

এই সকলোবোৰ কথাই ক্লিফোৰ্ডে কনিক কয় আৰু কনিয়েও অপাৰ বিস্ময়ৰে শুনি যায়। তেওঁৰ নতুন নতুন পৰিকল্পনাৰ কথা বৰ উৎসাহেৰে কনিক কয়। কিন্তু কেতিয়াবা কৈ থকাৰ মাজতে হঠাতে তেওঁৰ সকলো উৎসাহ স্তিমিত হৈ পৰে আৰু শূন্য দৃষ্টিৰে কনিলৈ চাই ৰয়। তেতিয়া তেওঁৰ সকলো পৰিকল্পনা মুখৰ পৰা মনৰ গভীৰলৈ গৈ সপোন হৈ ভাহি থাকে যেন।

প্ৰতিটো নিশাতে মিছেছ্ বল্টনৰ সৈতে ক্লিফোৰ্ডে সেই খেলটো খেলে। খেলটো এক প্ৰকাৰৰ জুৱা খেল। জুৱা খেলোতে খেলোতে সকলো কাণ্ড-জ্ঞান হেৰুৱাই যেন

চেতনাহীন হৈ পৰে। এক অৰ্থহীন শূন্যতা সৰ্বস্ব উন্মত্ততাই তেওঁৰ গোটেই মনটোক আচ্ছন্ন কৰি তোলে। কনিয়ে তেওঁৰ এই শোচনীয় অৱস্থা দেখি সহ্য কৰিব নোৱাৰে। নিশা দুই-তিনি বজালৈকে মিছেছ্ বল্টনৰ সৈতে ক্লিফোৰ্ডে জুৱা খেলে। প্ৰত্যেক নিশা তেওঁ এক আশ্চৰ্যজনক আসক্তিৰ পৰিচয় দিয়ে। মিছেছ্ বল্টনো কম নহয়। সদায়ে তেওঁ হাৰে। যিমানেই তাই হাৰি যায় সিমানেই খেলাৰ আকাংক্ষা বাঢ়ি যায়। এদিন মিছেছ্ বল্টনে ক'লে, "যোৱাৰাতি মই বিশ চিলিং হাৰিছো।"

কনিয়ে সুধিলে, "ক্লিফোৰ্ডে তোমাৰ পৰা ল'লেনে?"

"কিয় নল'ব, ধাৰ যেতিয়া।"

কনিয়ে প্ৰতিবাদ কৰিছিল। দুয়োজনৰ ওপৰত তাইৰ খং উঠে। ফলত ক্লিফোৰ্ডে মিছেছ্ বল্টনৰ দৰমহা বছৰি এশ পাউণ্ড বঢ়াই দিয়ে। সেই টকাৰে তাই নিশ্চিন্তমতে জুৱা খেলি যাব পাৰে। তথাপিও কনিৰ এনে লাগে যেন ক্লিফোৰ্ড ম্লান আৰু নিৰ্জীৱ হৈ পৰিছে।

অৱশেষত কনিয়ে এদিন ক্লিফোৰ্ডক ক'লে, "মই সোতৰ তাৰিখে যাম।"

"সোতৰ তাৰিখেই? কেতিয়া ঘূৰিবা?"

"খুব বেছি বিশ জুলাই।"

কনিৰ ফালে অদ্ভুত ধৰণেৰে তেওঁ চালে! সেই দৃষ্টিত শিশুসুলভ অস্পষ্টতাৰ সৈতে বৃদ্ধসুলভ চাতুৰ্যৰ ভাব আছিল।

ক্লিফোৰ্ডে ক'লে, "তুমি নিশ্চয় মোক হতাশ নকৰা।"

"তাৰমানে?"

"তুমি যেতিয়া ইয়াৰ পৰা যাবা তেতিয়া ঘূৰি অহাৰ কথাও মনত ৰাখিবা।"

"মই যে ঘূৰি আহিম সেইটো খাটাং।"

"ঠিক আছে। মই নিশ্চিন্ত হ'লো। ২০ জুলাই।"

তথাপিও তেওঁ কনিৰ পিনে অদ্ভুত চাৱনিৰেই চাই ৰ'ল।

ক্লিফোৰ্ডে কনি ইয়াত থকাটোকে বিচাৰে। সঁচায়ে তেওঁ এক আশ্চৰ্যজনক কামনা পুহি ৰাখে। তেওঁ বিচাৰে কনি ফুৰিবলৈ যাওক আৰু সন্তান সম্ভৱা হৈ উভতি আহক। আকৌ লগে লগে কনি যোৱাৰ কথা শুনাৰ লগে লগে মনে মনে শংকিত হৈ পৰে।

ইফালে এক অনাস্বাদিত পূৰ্ব আনন্দৰ উত্তেজনাত কনিৰ সৰ্বশৰীৰ কঁপি উঠে। ক্লিফোৰ্ডক এৰি, এই ঘৰৰ পৰা দূৰলৈ যোৱাৰ এই প্ৰথম সুযোগ পাই ধন্য হৈ পৰিছে তাই। অধীৰ আগ্ৰহেৰে তাই সেই দিনটোলৈ অপেক্ষা কৰিলে। এদিন কনিয়ে তাই বাহিৰলৈ যোৱাৰ কথাটো মেলৰ্চৰ ওচৰত উলিয়ালে। তাই তাক ক'লে, "উভতি আহি মই ক্লিফোৰ্ডক ক'ম যে মই আৰু তেওঁৰ লগত নাথাকোঁ। তেতিয়া তুমি আৰু মই অন্য ঠাইলৈ যামগৈ। তেওঁ আৰু তেতিয়া মোৰ সন্তানৰ পিতৃ তুমি বুলি নাজানিবই। আমি আফ্ৰিকা বা অষ্ট্ৰেলিয়ালৈ গুচি যাম। হ'বতো?"

নিজৰ পৰিকল্পনাৰ কথা ভাবি তাই এটা গোপন পুলকৰ আবেগত ৰোমাঞ্চিত হৈ পৰিল।

মেলৰ্চে সুধিলে, "তুমি কেতিয়া উপনিবেশলৈ গৈছানে?"

"নাই। তুমি গৈছা?"

"ভাৰত, দক্ষিণ আফ্রিকা আৰু ইজিপ্টলৈ গৈছোঁ।"

"কিয়, আমি দক্ষিণ আফ্রিকালৈ যাব পাৰোঁতো?"

সি খুব লাহে লাহে ক'লে, "অ' পাৰোঁ।"

"তুমি নিবিচাৰা নেকি?"

"মই এই বিষয়ে একো ভবা নাই। মই কি কৰিছোঁ মই নিজেই নাজানো।"

"তুমি সুখী নহয়? কিয় নহয়? আমি দুখীয়া হৈ নাযাওঁ। মোৰ বছৰেকীয়া আয় ছশ পাউণ্ড। মই চিঠি লিখি চব জানি লৈছো। এইটো অৱশ্যে বৰ ডাঙৰ সম্পদ নহয়, কিন্তু আমাৰ কাৰণে সেয়াই যথেষ্ট। নহয় নেকি?"

"মোৰ কাৰণে বহুত ডাঙৰ সম্পদ।"

"সঁচাকৈয়ে বৰ ভাল হ'ব।"

"কিন্তু তাৰ আগতে তুমি আৰু মই বিবাহ-বিচ্ছেদ কৰিব লাগিব। কোনো নতুন সম্পৰ্ক গঢ়াৰ আগতেই সেইবোৰ সম্পৰ্ক শেষ কৰি ল'ব লাগিব।"

"বহুত কথাই ভাবিবলৈ আছে।"

কনিয়ে আকৌ মেলৰ্চৰ ওচৰত প্ৰসংগটো টানি আনিলে। সিহঁত বনৰ মাজৰ জুপুৰীটোত বহি আছিল। বাহিৰত তেতিয়া বতাহ-বৰষুণ। কনিয়ে সুধিলে, "তুমি যেতিয়া লেফটেনেণ্ট আৰু অফিচাৰ হৈ আছিলা তেতিয়া তুমি সুখী হোৱা নাছিলা? তুমি তেতিয়া ভদ্ৰ জীৱন-যাপন কৰিছিলা নে?"

"সুখী? হয় আছিলো। মই মোৰ কৰ্ণেলক বৰ ভাল পাইছিলো।"

"তেওঁক ভাল পাইছিলা?"

"অ', তেওঁক ভাল পাইছিলো।"

"তেওঁ তোমাক ভাল পাইছিল নে?"

"অ', এফালৰ পৰা তেওঁ মোক ভালেই পাইছিল।"

"তেওঁৰ কথা মোক কোৱাঁচোন।"

"কি ক'ম তেওঁৰ কথা? তেওঁ খুব সাধাৰণ মানুহৰ পৰা উন্নতি কৰি ডাঙৰ মানুহ হৈছিল। তেওঁ সৈনিকক ভাল পাইছিল। বিয়া-বাৰু নাপাতিলে। তেওঁ মোতকৈ বিশ বছৰ বয়সত ডাঙৰ আছিল। তেওঁ আছিল বুদ্ধিমান আৰু আবেগপ্ৰৱণ ব্যক্তি। অফিচাৰ হিচাপে দক্ষ লোক আছিল। মই যিমানদিন তেওঁৰ কাষত আছিলো, তেওঁৰ কথাত মন্ত্ৰমুগ্ধৰ দৰে চলিছিলো। মোৰ জীৱন তেওঁৰ ওচৰত সঁপি দিছিলো।"

"তেওঁৰ মৃত্যুত তুমি বৰ দুখ পাইছিলা চাগে।"

"মই নিজেই মৰাৰ নিচিনা হৈছিলো।"

মই যেতিয়া সম্বিৎ ঘূৰাই পাইছিলো তেতিয়া এনে লাগিছিল যেন মোৰ দেহ-মন আৰু আধাখিনি জীৱন মই হেৰুৱাই পেলালো। পিছত জানিলো, সকলোৰেই এনেকুৱা হয়। সকলোৰেই মৰিব লাগিব।"

কনিয়ে বহি বহি ভাবিবলৈ ধৰিলে। বাহিৰত কোনোবাখিনিত ব্ৰজপাত পৰিল। সিহঁতৰ এনেকুৱা লাগিছিল যেন বানপানীৰ মাজত এখন সৰু জাহাজত দুয়ো উঠি আছে।

কনিয়ে ক'লে, "অতীত জীৱনত কিমান যে কথা, কিমান যে ঘটনা থাকে!"

"হয়। মোৰো তেনেকুৱাই লাগে। মাজে মাজে ভাব হয় মই মৰি গৈছো। ইয়াৰ আগতে দুবাৰমান মৃত্যু হৈছে মোৰ। কিন্তু কি আচৰিত, মই এতিয়াও জীয়াই আছোঁ।"

ধুমুহা বতাহৰ শব্দ শুনি শুনি তাই ভাবিবলৈ ধৰিলে। তাৰপিছত ক'লে, "কৰ্ণেলৰ মৃত্যুৰ পাছত তুমি যেতিয়া অফিচাৰ হৈ আছিলা তেতিয়া তুমি সুখী আছিলানে?"

মেলৰ্চে হাঁহি ক'লে, "নাই, সিহঁত অন্যধৰণৰ মানুহ। কৰ্ণেলে কৈছিল, ইংৰাজ মধ্যবিত্তসকল অলপতে সুখী হয়। আচলতে সিহঁত ছোৱালীবোৰৰ দৰে। ভয়াতুৰ। তথাপিয়ো সিহঁতে দেখুৱাব বিচাৰে সিহঁতে যি কৰিছে, যি পথত গৈছে সেইটো একদম ঠিক। মোৰ ইয়াতেই আপত্তি। এই কাৰণেই খং উঠে।"

তাৰ কথা শুনি কনিয়ে হাঁহিলে। বাহিৰত তেতিয়াও বৰষুণ।

কনিয়ে সুধিলে, "সেই কাৰণেই তেওঁ ইংৰাজ মধ্যবিত্তক ঘিণ কৰিছিল?"

"নহয়। অপছন্দ কৰিছিল।"

"শ্ৰমিক আৰু সাধাৰণ মানুহেও কৰে।"

"চবেই, চবেই। মটৰ গাড়ী, চিনেমা আৰু উৰাজাহাজে সিহঁতৰ মূৰ খাই পেলাইছে। সাধাৰণ মানুহৰ কথা আৰু নক'বাই। একো একোটা যুগ পাৰ হৈ গৈছে আৰু সিহঁতৰ বংশধাৰা অৱনতিৰ দিশত এঢাপ এঢাপকৈ তললৈ নামি গৈছে। সিহঁত সকলোৱেই এক প্ৰকাৰৰ বলচেভিক হৈ পৰিছে। সিহঁতে মানৱীয় গুণসমূহক ধ্বংস কৰি যান্ত্ৰিক বস্তু আৰু উপাদানসমূহৰ কাৰণে উৎপাত কৰি আছে। সিহঁত চবেই পাগলৰ দৰে টকাৰ পিছত দৌৰিছে। চব একেই। সিহঁতে টকাৰেই মানুহ কিনিব খোজে।"

মেলৰ্চে তাৰ জুপুৰীটোত বহি আছিল। তাৰ মুখত প্ৰকাশ পাইছিল এটা তীব্ৰ শ্লেষ। কনিৰফালে মুখ কৰি বহি থাকিলেও তাৰ কাণ দুখন আন দিশতহে সজাগ হৈ আছিল। গছ-গছনিৰ মাজেৰে পাৰ হৈ যোৱা বতাহৰ সোঁ-সোৱনিৰ শব্দই তাক বিষণ্ণ কৰি তুলিছিল।

কনিয়ে ক'লে, "এইবোৰৰ কেতিয়াও শেষ নহ'ব নেকি?"

“হ'ব। প্ৰকৃত মানুহৰ অৱশিষ্ট এতিয়াও আছে। সিহঁত যেতিয়া সমূলঞ্চে বিনাশ হ'ব তেতিয়াহে এইবোৰৰ অৱসান ঘটিব। তাৰ আগতে নহয়। তেতিয়া চব পাগলৰ দল, ক'লা-বগা, ৰঙা-হালধীয়া চব মানুহ নিজেই মৰামৰি কৰি মৰিব।”

“তুমি কি কোৱা? সিহঁতে ইটোৱে সিটোক মাৰিব?”

“মই সেইবুলিয়ে ভাবোঁ। এনেদৰে থাকিলে এশ বছৰৰ ভিতৰত এই দ্বীপত দহ হাজাৰ মানুহো নাথাকিব। দহ হাজাৰ নহয়, দহটা মানুহেই নাথাকিব।”

“বঢ়িয়া। সম্পূৰ্ণ জাতি এটা ধ্বংস হৈ তাৰ ঠাইত অন্য এটা জাতি গঢ়ি নুঠা পৰ্যন্ত এটা বিৰাট শূন্যতাই সমগ্ৰ দেশত বিৰাজ কৰিব, সেইটো ভাবিলেই কেনেকুৱা যে লাগে। এইদৰে যদি সকলো বুদ্ধিজীৱী, শিল্পী, চৰকাৰ, শিল্পপতি, শ্ৰমিকে পাগলৰ দৰে অন্তৰ্দৃষ্টিক ধ্বংস কৰি পেলাই, তেনেহ'লে গোটেই জাতিটোৱেই ধ্বংস হৈ যাব, কি অদ্ভুত কথা। বিষাক্ত সাপবোৰে যেন ইটোৱে সিটোক গিলি থ'ব। তেতিয়া ৰাগবিত বন্য কুকুৰে ভুক ভুকাই থাকিব আৰু তেভাৰশালত ভাৰবাহী ঘোঁৰাবোৰ ঘূৰি ফুৰিব— ক'তো মানুহ নাথাকিব।”

কনিয়ে হাঁহিবলৈ ধৰিলে। তাইৰ হাঁহিটো ইমান কৰুণ। তাই ক'লে, “সিহঁত চব বলচেভিক কাৰণে তুমি সুখী। সিহঁত দ্ৰুত ধ্বংসৰ মুখলৈ আগুৱাই গৈছে কাৰণে তুমি সুখী।”

“হয়, মই সুখী। কাৰণ আমি চেষ্টা কৰিলেও সিহঁতৰ এই অধঃপতন ৰোধ কৰিব নোৱাৰিম।”

“তেনেহ'লে তুমিনো সিহঁতৰ কথাত কিয় ইমান তিক্ত বিৰক্ত হৈ পৰিছা?”

“নাই, মই সিহঁতৰ বাবে মূৰ নঘমাওঁ। মোৰ মুৰ্গিবোৰ ভালে থাকিলেই হ'ল।”

“যদি তোমাৰ সন্তান হয়?”

মূৰটো তললৈ নামি আহিল তাৰ। সি ক'লে, পৃথিবীত সন্তান জন্ম দিয়াটো এটা বৰ অন্যায় কাম।”

কনিয়ে অনুনয়ৰ সুৰত ক'লে, “সেই কথা নক'বা। মই হয়তো এটি সন্তান গৰ্ভত ধাৰণ কৰিছোঁ। কোৱা, তুমি সুখী হ'বা।”

মেলৰ্চৰ হাতৰ ওপৰত তাইৰ হাতখন ৰাখিছিল। সি ক'লে, “মোক সন্তানৰ প্ৰয়োজন নাই। তোমাক সুখী কৰিবলৈ সন্তান বিচাৰিব পাৰোঁ। কিন্তু মই ভাবোঁ সেই সন্তানৰ প্ৰতি এয়া চৰম বিশ্বাসঘাতকতা হ'ব।”

কনিয়ে মনত বৰ দুখ পালে। তাই ক'লে, “তুমি যদি এনেকুৱা কথা ভাবা তেন্তে তুমি মোক অলপো ভালেই নোপোৱা। তুমি মোক নিবিচাৰা।”

সি মনে মনে থাকিল। বোধহয় তাৰ খং উঠিছিল। বাহিৰত বৰষুণৰ শব্দ।

কনিয়ে ক'লে, “এয়া তুমি সঁচাকৈ কোৱা কথা নহয়।”

তাই ভেনিচ যাবলৈ ওলোৱাৰ কাৰণেই তাৰ খং উঠিছে চাগে। সেই কাৰণেই তাইৰ ওপৰত খং উজাৰি এইবোৰ কৈ আছে। এইবুলি ভাবিয়ে তাই সান্ত্বনা ল'লে। ইয়াৰ পাছত তাই তাৰ গাৰ কাপোৰবোৰ খুলি পেলালে। তাৰ অনাবৃত পেটত তাই তাইৰ গাল দুখন ঘঁহিবলৈ ধৰিলে। তাক দুহাতেৰে আঁকোৱালি ধৰিলে।

মেলৰ্চৰ পেটত মুখ গুঁজি কনিয়ে বাৰে বাৰে কাতৰ কণ্ঠেৰে ক'লে, "কোৱা, কোৱা, তোমাক সন্তান লাগে।" বহুত দেৰীৰ পাছত সি ক'লে, "মই বহুত ভাবি-চিন্তি চাইছো। কেতিয়াবা টকা লাগে বুলি ভাবোঁ আৰু কেতিয়াবা নালাগে। টকাৰ পাছত নাই দৌৰা কাৰণেই এতিয়া অভাৱ-অভিযোগ কম। টকাৰ বৰ এটা প্ৰয়োজন নাই। কিন্তু সন্তান এটা হ'লেই আৰু অভাৱ আৰু চাহিদা বাঢ়ি যাব।"

কনিয়ে অনুমান কৰিলে তাৰ দেহৰ মাজত চেতনাৰ পৰিবৰ্তন ঘটিছে। এটা গোপন অব্যক্ত আৰাম সি উপভোগ কৰিছে। তাই তেতিয়াও তাইৰ গাল দুখন তাৰ পেটৰ ওপৰত ঘঁহি আছিল। সি লাহে-ধীৰে উত্তেজিত হৈছিল। বাহিৰত বৰষুণৰ বেগ বাঢ়িছিল।

মেলৰ্চে ক'লে, "আমি যেন টকাৰ কাৰণেই জীয়াই নাথাকোঁ। জীৱনৰ অন্য এক অৰ্থ যেন বুজি পাওঁ। বৰ্তমান আমি আমাৰ কাৰণে আৰু আমাৰ মালিকৰ কাৰণে হাড়ভঙা পৰিশ্ৰম কৰি টকা ঘটিছো। এইবিলাক বন্ধ কৰিব লাগিব। শ্ৰমিক হিচাপে জীয়াই থকা, মালিকৰ লাভৰ বাবে এই আত্মঘাতী শ্ৰম বন্ধ কৰিব লাগিব। অৱশ্যে টকা অলপ ঘটিবই লাগিব। সেইটো বেলেগ কথা। তোমাৰ ভৱিষ্যৎ সম্বন্ধে এটা স্থিৰ সিদ্ধান্তলৈ আহিব লাগিব।"

অলপ সময় ৰৈ সি আকৌ ক'বলৈ ধৰিলে, "মই দুটা উদাহৰণ দিওঁ। জ'লৈ চোৱাঁ। সি কিমান স্বাধীনভাৱে আছে! তাক দেখিবলৈ কিমান ধুনীয়া আৰু সজীৱ লাগে! আৰু জোনালৈ লক্ষ্য কৰা। তাৰ শ্ৰমক্লান্ত শৰীৰটো কিমান কুৎসিত। সিহঁতক ক'ম, এবাৰ নিজৰ ফালে চোৱাঁ। কোৱাঁ, এই আত্মঘাতী শ্ৰমৰ দ্বাৰা কি উন্নতি হৈছে? মাত্ৰ নিজৰ ক্ষতি। নিজৰ জীৱন মাটি কৰি পেলাইছে। ইমান পৰিশ্ৰম কৰাৰ কোনো দৰকাৰ নাই। ভালকৈ কাপোৰ-কানি পিন্ধি নিজকে এবাৰ চোৱা। তুমিয়ো ধুনীয়া হৈ পৰিবা। অথচ তোমাক কিমান বেয়া দেখাইছে। তোমালোক আধামৰা হৈছা। পুৰুষবোৰে যদি ৰঙা কাপোৰ পিন্ধি দৃপ্ত ভংগিমাৰে ফুৰা-চকা কৰে তেতিয়া ছোৱালীবোৰেও ধুনীয়া আৰু আনন্দোচ্ছল হৈ ফুৰিব। এই গাঁৱৰ পুৰণি ঘৰবোৰ ভাঙি নতুন ধুনীয়া ঘৰ সাজিব লাগিব। গঢ়ি তুলিব লাগিব এখন পৰিষ্কাৰ-পৰিচ্ছন্ন নগৰী। বেছি সন্তান জন্ম দিয়া নহ'ব। কাৰণ পৃথিৱীত জনসংখ্যা বাঢ়িছে।

সিহঁতৰ ওচৰত কোনো ধৰ্মকথা প্ৰচাৰ নকৰোঁ। মাথোঁ ক'ম, নিজৰ ফালে ঘূৰি চোৱা। টকাৰ পিছত নদৌৰিবা। গোটেই তেভাৰচাল ভয়ংকৰ হৈ উঠিছে। কাৰণ

সকলোৰে টকাৰ পিছত দৌৰিছে। তোমালোকৰ ছোৱালীহঁতৰ ফালেও এবাৰ চোৱা। সিহঁতে তোমালোকলৈ নাচায় কাৰণ তোমালোকেও সিহঁতলৈ লক্ষ্য নকৰা। কাৰণ তোমালোকৰ টকাৰ বাহিৰে আন কিবা চাবলৈ আহৰি নাই। তোমালোকে ভালকৈ কথা-বতৰা পাতিব বা ভালকৈ জীয়াই থাকিব পৰা নাই। তোমালোকক দেখিলে জীৱন্ত মানুহ যেন নালাগে। এবাৰ নিজলৈ চোৱা।"

মেলৰ্চ এইবাৰ নিশ্চুপ হ'ল। তাৰ আধাকথা কনিৰ কাণত নোসোমাল। তাই তাৰ তলপেটক লৈয়ে ব্যস্ত আছিল। আহিবৰ সময়ত তাই 'ফৰগেটমি নট' ফুল কেইপাহমান ছিঙি আনিছিল। এতিয়া সেই ফুলখিনি তাই তাৰ নিম্নাংগত দি দিলে।

তাই ক'লে, "তোমাৰ দেহত বহুত ধৰণৰ নোম আছে। তাৰ ভিতৰত এই ৰঙচুৱা সোণালী ৰঙৰ নোমখিনি বৰ ধুনীয়া।"

মেলৰ্চে তাৰ নিম্নাংগলৈ চাই ক'লে, "ফুলখিনি ক'ত দিছা? ফুল দিবলৈ বৰ ভাল ঠাই বিচাৰি পালা। পিছে তোমাৰ ভৱিষ্যৎ সম্বন্ধে কিবা ভাবিলানে?"

"ভৱিষ্যতৰ কথা ভাবিবলৈ মোৰ ভয় লাগে।"

সিহঁতৰ ঘৰটোৰ বাহিৰৰ পৃথিৱীখন তেতিয়া হিমশীতল আৰু স্তব্ধ হৈ পৰিছে। তাই আকৌ ক'লে, "যেতিয়া ভাবো যে আজিৰ জগতখনে নিজৰ পাশৱিক আচৰণৰ দ্বাৰা নিজৰ ধ্বংস নিজেই মাতি আনিছে তেতিয়া মনলৈ আহে উপনিবেশবোৰ বেছি দূৰৈত নাই। জোনবাইৰ দেশো বেছি দূৰৈত নাই। জোনলৈ গৈ পৃথিৱীখনলৈ চাই পঠিয়ালে বহুত গ্ৰহ-নক্ষত্ৰৰ মাজত পৃথিৱীখনকো বৰ কুৎসিত দেখা যাব। এই এশ বছৰৰ ভিতৰতে মানৱ জাতিৰ প্ৰচুৰ ক্ষতি হৈছে। মানুহৰ মনুষ্যত্ব কাঢ়ি নি সিহঁতক শ্ৰমিককীটক পৰিণত কৰা হৈছে। সিহঁতে প্ৰকৃত জীৱন-যাপন কৰা নাই, নকল জীৱন-যাপন কৰিছে। মই যদি পাৰিলোহেঁতেন, তেন্তে পৃথিৱীৰ পৰা চব যন্ত্ৰপাতি তুলি পেলালোহেঁতেন। এই ভয়ংকৰ শিল্পযুগৰ অৱসান ঘটালোহেঁতেন। কিন্তু নোৱাৰোঁৱেই যেতিয়া, সেইকাৰণে আমি ভালদৰে সুখে-শান্তিৰে জীয়াই থাকিবলৈ চেষ্টা কৰিম। যদি মনৰ মানুহ এজন পাওঁ, তেতিয়াহ'লেতোঁ খুব ভাল হ'ব। কিন্তু পাওঁ নে নাপাওঁ নাজানো।"

বিজুলী ঢেৰেকনি কমিলেও বৰষুণ দিয়েই আছিল। আকৌ বিজুলী মাৰিবলৈ ধৰিলে। ধুমুহা আকৌ আৰম্ভ হ'ল। কনিয়ে বুজি পালে হতাশাৰে ভৰি পৰিছে মেলৰ্চৰ মন। তাইৰ কিন্তু মনটো বৰ ভাল লাগিছিল। তাই যাব কাৰণে মেলৰ্চৰ মন ভাল লগা নাই আৰু সেই কাৰণেই সি ইমানবোৰ কথা আপোনমনে কৈ গ'ল, সেই কথা ভাবি তাইৰ ভাল লাগিল। তাইৰ আসন্ন অভাৱ আৰু বিচ্ছেদ অন্তৰত অনুভৱ কৰি মেলৰ্চ মুহ্যমান হৈ পৰিছে, সেইকাৰণে তাই জয়ৰ গৌৰৱ অনুভৱ কৰিলে।

এবাৰত তাই দুৱাৰখন মেলি বাহিৰলৈ চালে। বাহিৰত তেতিয়া কলহৰ কাণে ঢলা বৰষুণ। হঠাতে তাইৰ কি মন গ'ল জানো, কাপোৰ-কানি, জোতা-মোজা চববোৰ

খুলি উলংগ হৈ বৰষুণত তিতিবলৈ ঘৰটোৰ পৰা বাহিৰলৈ ওলাই আহিল। তাহানি ড্ৰেচদেনত থাকোঁতে শিকা নৃত্যৰ ভংগিমাৰে উন্মাদৰ দৰে তাই বনৰ মাজত ঘূৰিবলৈ ধৰিলে। বনৰ ধূসৰ সেউজীয়া পটভূমিত তাইৰ শুভ্ৰ দেহাটো জিলিকি উঠিছিল। বৰষুণৰ পানী পৰি তাইৰ দেহাটো চিক্‌মিকাই উঠিছিল।

এইবোৰ দেখি হাঁহিবলৈ ধৰিলে মেলৰ্চে। হাঁহি হাঁহি সিয়ো হঠাতে কাপোৰ-কানি খুলি উলংগ হৈ বৰষুণৰ মাজত সোমাই পৰিল। লগে লগে তাৰ কুকুৰ ফ্লাচিয়েও মুখেৰে এটা শব্দ কৰি এটা জাঁপ মাৰিলে। কনিৰ চুলিখিনি তিতি তিতি মূৰত লিপিট খাই লাগি ধৰিছিল। তাই ঘূৰি চাই মেলৰ্চক দেখি চকু দুটা উজ্জ্বল হৈ পৰিল। উত্তেজনাত তাই দৌৰিবলৈ ধৰিলে। চাৰিওদিশৰ গছৰ ডাল-পাতবোৰ তাইৰ গাত লাগি ধৰিছিল। তাই সেইবোৰলৈ ভ্ৰূক্ষেপ নকৰিলে। তাইৰ পিছে পিছে সিও দৌৰিলে। অৱশেষত সি তাইক ধৰিলেগৈ। তাইক সাবটি ধৰাৰ লগে লগে সি উত্তেজিত হৈ পৰিল। তাইক ৰাস্তাতে শুৱাই দিলে সি। খন্তেক সময়ৰ বাবে সি তাইৰ দেহৰ গভীৰতাত ডুব দিলে।

মুখত লাগি থকা বৰষুণৰ পানী মচি সি তাইক ক'লে, "ব'লা।"

বৰষুণৰ মাজে মাজেই সিহঁত জুপুৰী ঘৰটোলৈ উভতি আহিল। মেলৰ্চে দৌৰি আহিছিল। কনিয়ে কিন্তু আহোঁতে মাজে মাজে পথৰ দাঁতিৰ ফুলি থকা ফুল দুই-এপাহ ছিঙি আনিলে। কনিয়ে আহি দেখিলে সি জুই একুৰা ধৰিছে। কনিৰ বুকুখন দুলি আছিল। মূৰৰ চুলিবোৰ লিপিট খাই ধৰিছিল। বৰষুণত তিতা গাটো চিক্‌মিকাই আছিল। এটা ভিন্ন প্ৰাণীৰ দৰে লাগিছিল।

মেলৰ্চে এখন পুৰণি চাদৰৰে তাইৰ গাটো মচি দিলে। এটি শিশুৰ দৰে তাই স্থিৰ হৈ ৰৈ আছিল। তাৰ পিছত সি নিজৰ গাটো মচিলে। কনিয়েও তেতিয়া চাদৰখনৰ এটুকুৰা অংশৰে তাৰ মূৰটো মচি দিলে।

সি ক'লে, "আমি একেখন টাৱেলৰে গা মচিছো। আমাৰ কাজিয়া লাগিব।"

তালৈ চাই কনিয়ে ক'লে, "এইখন টাৱেল নহয়, চাদৰহে।"

মেলৰ্চে এখন কম্বল উলিয়ালে। দুয়ো সেইখনকে গাত লৈ জুইকুৰাৰ কাষত বহি পৰিল। হঠাতে কনিয়ে কম্বলখন গাৰ পৰা এৰুৱাই মাটিত পেলাই দিলে। দুয়ো তেতিয়াও নগ্ন হৈয়ে আছিল। মেলৰ্চে তাইৰ দেহ স্পৰ্শ কৰি চাই চাই ক'লে, "তুমি হৈছা এজনী যথাৰ্থ নাৰী। যিয়ে পুৰুষক দুই দণ্ডৰ কাৰণে স্থিৰেৰে থাকি শান্তি অকণ দিব নোৱাৰে সেইবোৰ নাৰীক মই বৰ বেয়া পাওঁ। তুমি সঁচায়ে নাৰী। তোমাৰ দেহ সুন্দৰ। নিজৰ ৰূপত নিজেই গৰ্বিত।" তাইৰ দেহত হাত ফুৰাই ফুৰাই সি আকৌ ক'লে, "মই জীয়াই থাকিম। নতুনকৈ জীৱন আৰম্ভ কৰিম। এই যন্ত্ৰ সভ্যতাৰ বিস্তাৰ যিমানেই হওক লাগিলে।"

তাই তাৰ কোলাত বহি তাক জোৰেৰে সাবটি ধৰি ক'লে, "মোক চুমা খোৱা।"

তাই বুজি পালে সিহঁতৰ আসন্ন বিচ্ছেদে দুয়োৰে মনত বিষাদৰ ছাঁ পেলাইছে।

জুইৰ পোহৰত সি তাইৰ দেহাটো খুঁতিয়াই খুঁতিয়াই চালে। হঠাতে টেবুলৰ ওপৰত থকা ৰবৰ্ষুণৰ তিতা ফুলকেইপাহ হাতত হ'লে। সি ক'লে, "কোঠাৰ ভিতৰ সোমালে ফুল বাচি নাথাকে। ফুলৰ কোনো ঘৰ নাই। বাহিৰৰ বতাহ-পোহৰতেই সিহঁত ভালে থাকে।"

তাই ক'লে, "আনকি এটা জুপুৰীঘৰৰ মাজতো নাথাকে।"

কিন্তু 'ফৰগেট মি নট' ফুলখিনি সি কনিৰ নিম্নাংগ আৰু তাৰ আশে-পাশে ৰাখি ক'লে, "এই ফুলখিনিৰ কিন্তু এইকণেই আচল জেগা।"

তাই শুভ্ৰ ফুলখিনিলৈ চাই ক'লে, "ভাল লাগিছেনে?"

তাৰ উত্তৰ, "জীৱনৰ দৰেই সুন্দৰ।"

তাৰে এপাহ ফুল সি কনিৰ চুলিত গুজি দি ক'লে, "তুমি মোক নাপাহৰিবা।"

"মই যামগৈ কাৰণে তোমাৰ বেয়া লাগিছে?"

তাৰ মনৰ ভাব ধৰিব নোৱাৰি। সি পৰিষ্কাৰ ইংৰাজীতে ক'লে, "তোমাৰ যি ইচ্ছা তাকে কৰিব পাৰা।"

তাৰ দেহাটো সাবটি তাই ক'লে, "তুমি বেয়া পালে মই নাযাওঁ।"

দুয়ো নিশ্চুপ হৈ বহি ৰ'ল। জুইত আৰু কেইটুকুৰামান কাঠ সি জাপি দিলে। জুইৰ শিখাই তাৰ নীৰৱ আৰু উদাস মুখখন আলোকিত কৰি তুলিলে। কিন্তু সি একো কথা নক'লে।

তাই ক'লে, "মই ভাবিছিলো, ক্লিফোৰ্ডৰ সৈতে বিবাহ-বিচ্ছেদ কৰাৰ এইটোৱে ভাল উপায় হ'ব। মোক এটা সন্তান লাগে। তাৰোপৰি এই সন্তানেই আমাক এটা সুযোগ দিব।"

"কিয়? তেওঁলোকে মিছা কথা এটা ভাবিবলৈ কিয় সুযোগ দিয়া?"

"তুমি বিচৰা নেকি যে তেওঁলোকে প্ৰকৃত সত্যটোকে জানক?"

"সিহঁতে কি ভাবে, কি জানে জানি থাকক। মই তালৈ গ্ৰাহ্য নকৰোঁ।"

কিন্তু মই কৰোঁ। মই নিবিচাৰো যে মই যিমান দিন ৰাগবিত থাকোঁ সিমানদিন সিহঁতে ঘৃণাৰ দৃষ্টিৰে চাওক। ইয়াৰ পৰা যোৱাৰ পাছত যি ভাবে ভাবি থাকক।"

"কিন্তু ছাৰ ক্লিফোৰ্ডে বিচাৰে তুমি আকৌ ৰাগবিলৈ উভতি আহা।"

"হয়। ময়ো সেইটো বিচাৰো।"

কথাষাৰ কৈ তাই চুপ হৈ গ'ল। দুয়োৰে মুখত কথা নাই।

মেলৰ্চে সুধিলে, "তুমি ৰাগবিতে কেঁচুৱা জন্ম দিবা?"

তাৰ ডিঙিটো দুহাতেৰে ধৰি তাই ক'লে, "তুমি যদি মোক ক'লৈকো নিনিয়া তেনেহ'লে তাকেই কৰিব লাগিব।"

"মই তোমাক ক'লৈ নিম?"

"যিকোনো ঠাইলৈ। ৰাগবিৰ পৰা দূৰৈৰ ক'ৰবালৈ।"

"কেতিয়া?"

"কিয়? মই উভতি অহাৰ পাছত।"

"তুমি যদি ৰাগবিৰ পৰা যোৱাই তেন্তে আকৌ উভতি আহিবা কিয়?"

"মই ঘূৰি আহিবই লাগিব। মই কথা দিছো। মই প্ৰতিশ্ৰুতিবদ্ধ। তৰোপৰি মই তোমাৰ কাষলৈ উভতি আহিব বিচাৰো।"

"তোমাৰ গৃহস্থৰ শেনচোৱাটোৰ ওচৰলৈ?"

"ইয়াত কিবা আহে যায় বুলি মই নাভাবো?"

"নাভাবা? তুমি তেনেহ'লে কেতিয়া ইয়াৰ পৰা চিৰদিনৰ বাবে গুচি যাব পাৰিবা?"

"এতিয়াইতো ক'ব নোৱাৰো। আগতে ভেনিচৰ পৰা ঘূৰি আহোঁগৈ। তাৰপিছত দুয়ো আলোচনা কৰি ঠিক কৰিম।"

"কেনেকৈ ঠিক কঁৰিবা?"

"মই ক্লিফোৰ্ডক চব কম। তেওঁক চববোৰ কথা ক'বই লাগিব।"

"তেখেতক ক'বা?"

"কথাবোৰ ইমান জটিল কৰি নুতুলিবাচোন।"

"কি জটিল?"

"মই প্ৰথমে ভেনিচলৈ গৈ চব ঠিকঠাক কৰি ল'বগৈ লাগিব। এইবোৰ কথাত মোক বাধা নিদিবা।"

এটি ক্ষীণ হাঁহি মেলৰ্চৰ মুখত ফুটি উঠিল। সি ক'লে, "মই তোমাক কোনো ধৰণৰ বাধাই নিদিওঁ। মই মাত্ৰ তুমি ভৱিষ্যতে কি কৰিবা তাকে ভাবোঁ। মই ভাবি পাইছো, তুমি ঠিকমতে নিজকেই নাজানা। তুমি দূৰলৈ গুচি যাব বিচৰা। তোমাক মই দোষ নিদিওঁ। তোমাৰ জ্ঞান-বুদ্ধি আছে। তুমি ৰাগবিৰ ৰাণী হৈ থাকিব বিচৰা। মোৰতো আৰু ৰাগবি নাই। তোমাক দিবলৈ মোৰ একোৱেই নাই। তুমিতো জানাই, তুমি মোৰ পৰা একোৱে নোপোৱা। সেইকাৰণে তোমাৰ সৈতে সংসাৰ কৰাৰ আগ্ৰহ মোৰ নাই। তোমাৰ অধীনস্থ হৈ থকাৰ ইচ্ছা মোৰ নাই। এইটো মই ভাবি চাব লাগিব।"

কনিয়ে মনতে ভাবিলে, মেলৰ্চে তাইক শিক্ষা দিব বিচাৰিছে।

তাই ক'লে, "কিন্তু তুমিতো মোক বিচৰা? বিচৰা, ন?"

"মোক তুমি বিচৰা?"

"তুমি জানা, মই তোমাক বিচাৰো। তাৰ প্ৰমাণ তুমি স্পষ্ট পাইছা।"

"তুমি মোক কেতিয়া সঁচাকৈয়ে বিচৰা?"

"তুমি জানা, মই ভেনিচৰ পৰা উভতি অহাৰ পাছতে চব ঠিকঠাক কৰিম। এতিয়া মোৰ কথা কৈ কৈ ভাগৰ লাগি গৈছে। তুমি মোক অলপ শান্ত আৰু সুস্থ হ'বলৈ দিয়া।"

"ঠিক আছে হোৱা শান্ত আৰু সুস্থ।"

তাই আকৌ বিৰক্ত হৈ ক'লে, "তুমি মোক বিশ্বাস কৰা নে?"

"পূৰা বিশ্বাস কৰোঁ।"

কিন্তু কনিৰ ভাব হ'ল তাৰ কথাত ইতিকিঙৰ সুৰ আছে।

"তেতিয়াহ'লে কোৱা, মই ভেনিচলৈ যোৱা ঠিক হ'ব নে নাই?"

শান্ত কিন্তু অলপ বিদ্রূপৰ সুৰেৰে সি ক'লে, "তোমাৰ যে গ'লে ভাল হ'ব সেই বিষয়ে মই নিশ্চিন্ত।"

"জানাই নহয়, অহা বৃহস্পতিবাৰে।"

"জানো।"

তাই অলপ সময় ভাবি ক'লে, "মই ঘূৰি অহাৰ পাছত আমি আৰু বহুত কথা জানিব পাৰিম।"

"নিশ্চয়।"

দুয়োৰে মাজত নীৰৱতা বিৰাজ কৰিলে।

মেলৰ্চে ক'লে, "আমাৰ বিবাহ-বিচ্ছেদৰ কথা পাতিবলৈ মই উকীলৰ ওচৰলৈ গৈছিলো।"

চমকি উঠিল কনি।

"গৈছিলা? কি ক'লে উকীলে?"

"ক'লে, বহুত আগতেই কৰিব লাগিছিল। তাৰ কাৰণে অলপ দিগদাৰ হ'ব পাৰে। অৱশ্যে মই আগতে সৈন্যবাহিনীত কাম কৰিছিলো কাৰণে বিশেষ কষ্ট নহ'ব।"

"তোমাৰ পত্নীক জনাব লাগিব নহয়?"

"তাই যাৰ সৈতে আছে তাক 'নটিচ' দিব লাগিব। সি হ'ব সহ-বিবাদী।"

"এই কথাবোৰ দেখাত কিমান বেয়া আৰু জঘন্য। ক্লিফোৰ্ডৰ সৈতে বিচ্ছেদ কৰিবলৈয়ো মই এই কামবোৰ কৰিব লাগিব।"

"বিবাহ-বিচ্ছেদৰ পাছত মই ছয়ৰ পৰা আঠমাহ পৰ্যন্ত সংযত জীৱন-যাপন কৰিব লাগিব। তেতিয়া তুমি ভেনিচলৈ গ'লে মোৰ কাৰণে সুবিধা হ'ব। কাৰণ তেতিয়া মোৰ সন্মুখত একো প্ৰলোভন নাথাকিব।"

মেলৰ্চৰ বুকুত তাইৰ মুখখন ঘঁহি ঘঁহি ক'লে, "মই প্ৰলোভন? তুমি যে সেইবুলি ভাবিছা তাৰ বাবে মই সুখী। এইবিলাক আৰু ভাবিব নালাগে। তুমি ভাবিলেই মোৰ ভয় লাগে। মই গ'লেই ভাল হ'ব। তেতিয়া আমি দুয়ো ভালকৈ ভাবিব পাৰিম। মই

যোবাৰ আগে আগে এৰাতি তোমাৰ ঘৰত থকাকৈ আহিম। মই বৃহস্পতিবাৰে ৰাতিয়েই আহিম।"

"কিন্তু সেই ৰাতিতো তোমাৰ বাইদেউ তোমাৰ সৈতে থাকিব!"

"কিন্তু তাই ৰাতি বেলেগ ঠাইত থাকিব।"

"তোমাৰ বাইদেৱে এইবোৰ কথা জানিব পাৰিবনে?"

"মই তাইক চব ক'ম। ইয়াৰ আগতেও তাইক মই অলপ-অচৰপ কৈছোঁ। তাই মোক সহায় কৰিব। তাই খুব বুজে। খুব সহানুভূতিশীল।"

মেলৰ্চে তাইৰ পৰিকল্পনাৰ কথাটো ভাবিবলৈ ধৰিলে। সি ক'লে, "তুমি তেনেহ'লে সেইদিনাই ৰাতিপুৱা ৰাগবিৰ পৰা যাবাগৈ? এনে লাগিছে তুমি যেন লণ্ডনলৈ যাবা। কোন পথেৰে যাবা?"

"নটিংহাম আৰু গ্ৰান্থাম হৈ।"

"ফুৰি-চাকি সুখী হৈ আহাগৈ।"

"তুমি সুখীতো?"

"মই সুখী। লোহা গৰম হ'লে মই ঠিক সময়তে হাতুৰী মাৰিব পাৰোঁ।"

"মই কি ভাবিছিলো জানা। কথাটো হঠাতে মনলৈ আহিল। তুমি হ'লা 'নাইট অব দা বাৰ্ণি পেষ্টল'।"

"আৰু তুমি হ'লা 'লেডী অব দা ৰেড হট মৰ্টাৰ'।"

কনিয়ে দুপাহ গুলপীয়া ফুল তাৰ গাৰ ওপৰত দি দিলে।

হঠাতে মেলৰ্চ দুৱাৰ খুলি বাহিৰলৈ ওলাই গ'ল। তাৰ নগ্ন শৰীৰটো প্ৰেতাত্মাৰ দৰে লাগিছিল। সি হঠাতে নোহোৱা হোৱাত তাইৰ মনটো মৰি গ'ল। কিন্তু সি অতি সোনকালেই উভতি আহিল। হাতত তাৰ বহুত ফুল আৰু ওক গছৰ পাত।

ফুলপাতবোৰ সি তাইৰ শৰীৰত সজাই দিলে আৰু ক'লে, "বৰ ধুনীয়া লাগিছে।"

সি আৰু ক'ব বিচাৰিছিল, কনিৰ ভৱিষ্যৎ জীৱনৰ অন্তহীন হতাশাৰ কথা। এই কথা সি আগতেও বহুতবাৰ বিভিন্ন ধৰণেৰে তাইক কৈছে। কিন্তু কৈ শেষ হোৱা নাই। কনিয়ে যিয়ে কওক, সি তাইৰ ভৱিষ্যৎ সম্বন্ধে মুঠেই আশাবাদী নহয়।

বৰষুণৰ পাছত হালধীয়া সূৰ্যৰ কিৰণ গছৰ ওপৰত পৰিছেহি।

সি ক'লে, "সূৰ্য আৰু সময়। সময়তকৈ আৰু বেছি বেগাই কি বস্তু যাব পাৰে!" তাৰ ফ্লানেলৰ চাৰ্টটো মূৰত লগালে। লগতে ক'লে, "কাপোৰবোৰ এনেকৈ পিন্ধি ভাল নালাগে। সেইকাৰণে মই বুকুখোলা আমেৰিকান চাৰ্ট পছন্দ কৰোঁ।"

কনিয়ে তালৈ চাই ৰ'ল।

সি আকৌ ক'লে, "ভেনিচলৈ গৈ তোমাৰ দেহত ফুলৰ অঞ্জলি দিবলৈ আৰু কাৰোবাক পাবা নিশ্চয়।"

তাই প্ৰতিবাদৰ সুৰত ক'লে, "তেনেকুৱা কথা নক'বা। এনেকুৱা কথা কোৱা মানে মোক আঘাত কৰা।"

মেলৰ্চ শিৰ নত কৰি উপভাষাৰে ক'বলৈ ধৰিলে, "হয়, মই তোমাক আঘাত দিছো। এইবোৰ কথা নকওঁ আৰু। তুমি কিন্তু মোক পাহৰি নাযাবা। তুমি লণ্ডনৰ ঘৰলৈ যাবা। ইমান ভাল ঠাই। তুমি এতিয়া ফুলৰ গহনা পিন্ধি আছা। মই তোমাক দুঃসহ যন্ত্ৰণাৰ পৰা মুক্ত কৰিম।"

তাৰ পিছত সি তাইৰ সমগ্ৰ শৰীৰটোত চুমাৰে ওপচাই দিলে। ফুলপাতবোৰ গুচাই দি তাইক কাপোৰ পিন্ধিবলৈ ক'লে।

তাৰ কথাও উত্তৰ কি ক'ব তাই ভাবি নাপালে। তাই নীৰৱে কাপোৰ পিন্ধিলে। তাৰ পিছত সেই ঘৃণ্য, অবাঞ্ছিত ৰাগবিলৈ যাবলৈ সাজু হ'ল।

মেলৰ্চে তাইক আগবঢ়াই দিলে। ওখ অংশটুকুৰা পাওঁতেই দেখিলে বৰ ব্যস্তভাৱে মিছেছ্ বল্টন সিহঁতৰফালে আগুৱাই আহিছে। তাই ক'লে, "মেডাম, মই বৰ চিন্তাত পৰিছিলো। কিবা হ'ল নেকি বুলিয়ে ভাবিছিলো।"

কনিৰ উত্তৰ, "নাই, একো হোৱা নাই।"

মিছেছ্ বল্টনে মেলৰ্চলৈ চালে। প্ৰেমৰ স্নিগ্ধ আশ্বাসত সজীৱ হৈ পৰা তাৰ মুখখন বৰ ধুনীয়া লাগিছিল। অলপ হাঁহিৰ সৈতে তাৰ মুখত আছিল অকণমান উপহাসৰ ভাব। দুৰ্ঘটনাবোৰ সি উপহাসৰ হাঁহি মাৰি উৰুৱাই দিব পাৰে।

মেলৰ্চে ক'লে, "গুড ইভিনিং মিছেছ্ বল্টন, আশাকৰোঁ এতিয়া আপোনাৰ মেডাম ভালকৈ যাব পাৰিব।"

দুয়োকে অভিবাদন জনাই সি গুচি গ'ল।

ষষ্ঠদশ অধ্যায়

ঘৰ আহি পোৱাৰ লগে লগেই কনি প্ৰশ্নবাণৰ সন্মুখীন হ'ল। বতাহ-বৰষুণ আৰম্ভ হোৱাৰ আগতেই চাহ খাবলৈ বুলি চাহৰ টেবুলৰ কাষত বহিছিলহি ক্লিফোৰ্ড। আহিয়ে কনিৰ খবৰ ল'লে। ক'লৈ গ'ল তাই? কোনেও নাজানে। মিচেছ্ বল্টনে আভাস দিলে তাই বনলৈ গৈছে ছাগে। বনলৈ গৈছে বুলি শুনিয়ে ঘৃণাত নাক কোঁচালে ক্লিফোৰ্ডে। খন্তেক সময়ৰ বাবে স্নায়বিক উত্তেজনাত অশান্ত হৈ পৰিল তেওঁ। প্ৰতিটো বিজুলি চমকনিত তেৰোঁ চমকি উঠিছিল আৰু ঢেৰেকনিৰ শব্দত কোঁকোজা খাইছিল শৰীৰ। প্ৰচণ্ড বৰষুণজাকলৈ তেওঁ এনেদৰে চাইছিল যেন মহাপ্লাৱনে এতিয়াই পৃথিৱী বুৰাই পেলাব। ক্ৰমশ তেওঁ ভীষণভাৱে উদ্বিগ্ন হৈ পৰিছিল।

মিচেছ্ বল্টনে তেওঁক শান্ত কৰিবলৈ চেষ্টা কৰিছিল। তেওঁ বাৰে বাৰে কৈছিল, তেখেতে বৰষুণ নেৰালৈকে জুপুৰীটোত আশ্ৰয় ল'ব। "আপুনি একো চিন্তা নকৰিব। তেখেত ভালেই আছে।"

ক্লিফোৰ্ডে তেতিয়া কৈছিল, "এনেকুৱা ধুমুহা-বৰষুণত তেওঁ বনৰ মাজত থকাটো মই একেবাৰে ভাল পোৱা নাই। তেওঁ বনলৈ যোৱাটোকে মই ভাল নাপাওঁ। দুঘণ্টাৰ ওপৰ হ'ল। তেওঁ কেতিয়া ঘৰৰ পৰা ওলাইছিল?"

"আপুনি চাহ খাবলৈ অহাৰ অলপ আগতে।"

"কিন্তু মই তেওঁক পাৰ্কত নেদেখিলো। ক'লৈ গ'ল তেওঁ? কি হ'ল তেওঁৰ?"

"একো হোৱা নাই। বৰষুণ এৰিলেই তেখেত আহিব। আপুনি চাব। বৰষুণৰ কাৰণেই তেখেত ক'ৰবাত ৰৈ যাবলগীয়া হৈছে।"

কিন্তু বৰষুণ এৰাৰ পাছতো কনিৰ দেখাদেখি নাই। মেঘমুক্ত আকাশত সূৰ্যই শেষবাৰৰ বাবে হালধীয়া ৰশ্মি ছটিয়াই আঁতৰি গ'ল। ধীৰে ধীৰে অন্ধকাৰ নামি আহিল। নৈশ ভোজনৰ প্ৰথম ঘণ্টা বাজি উঠিল।

অধৈৰ্য ক্লিফোৰ্ডে ক'লে, "একেবাৰে ভাল হোৱা নাই। তেওঁক বিচাৰি ফিল্ড আৰু বেট্চক পঠিয়াওঁ।"

মিচেছ্ বল্টনে আভ্তব্যস্ত হৈ কৈ উঠিল, "নাই, নাই। নালাগে নালাগে। সিহঁতে আত্মহত্যা বা আন কিবা কথাহে ভাবিব। তাতকৈ ময়ে জুপুৰীটো চাই আহোঁগৈ। নহ'লেও মই তেখেতক বিচাৰি উলিয়ামেই।"

অৱশেষত অনেক অনুৰোধ-বিনোৰোধৰ পাছত ক্লিফোৰ্ডে মিছেছ্ বল্টনক যাবলৈ দিলে। অলপ দূৰ গৈয়ে মিছেছ্ বল্টনে কনিক লগ পালে। মেলৰ্চ গুচি যোৱাৰ পাছত অন্যমনস্কভাৱে কনিয়ে ভৰি দুটা ঘৰলৈ বুলি আগবঢ়ালে। মিছেছ্ বল্টনে ক'লে, "আপোনাক বিচাৰি অহাৰ কাৰণে বেয়া নাপাব মেডাম। ছাৰ ক্লিফোৰ্ডে এনেকুৱাখন কৰিছে যে আপুনি গছৰ চেপাত নহ'লে বজ্ৰপাত পৰি মৰিল। তেখেতে ফিল্ড আৰু বেট্চকে পঠাবলৈ ওলাইছিল। মইহে ভাবিলো চাকৰ-নাকৰৰ ওপৰত এইবোৰ এৰি দিয়া ভাল নহ'ব। বৰঞ্চ ময়ে যোৱা ভাল হ'ব।"

কথাখিনি বৰ ব্যস্তভাৱে কৈ উঠি মিছেছ্ বল্টনে কনিলৈ চালে। তাইৰ মুখত ফুটি উঠিছে ৰতিতৃপ্তিৰ মধুৰ স্বপ্নালুতা। লগতে মিছেছ্ বল্টনৰ কথাত অসন্তোষৰ ভাবো মুখত ফুটি উঠিছে। তই খঙেৰে ক'লে, "ক্লিফোৰ্ডে বুৰ্বকৰ নিচিনা মিছাতে হৈ-চৈখন কিয় কৰে বাৰু?"

মিছেছ্ বল্টনে ক'লে, "আপুনি জানেনে, চব মতা মানুহ একেই। অকণমানতে বৰ ব্যস্ত হৈ পৰে। কিন্তু আপোনাক দেখাৰ লগে লগে তেখেত শান্ত হৈ পৰিব।"

মনে মনে বৰ খং উঠিল কনিৰ। তাই ভাবিলে, মিছেছ্ বল্টনে ছাগে তাইৰ সকলো গোপন কথা গম পাইছে। হঠাতে তাই ৰাস্তাতে ৰৈ গ'ল আৰু কঠোৰভাৱে ক'লে, "মোৰ পিছত মানুহ লগাই মোক অনুসৰণ কৰিব এইটো একেবাৰে অসহ্যকৰ।"

"তেনেকৈ নক'ব মেডাম। মই নহা হ'লে তেখেতে দুজন মানুহ পঠালেহেঁতেন আৰু সিহঁত চিধা জুপুৰী ঘৰটোলৈ গ'লহেঁতেন। মই নাজানো সেইটো ক'ত আছে।"

কথাৰ মাজত মিছেছ্ বল্টনে কি ইংগিত কৰিছে সেইটো বুজি পাই তাইৰ মুখখন ক'লা পৰি গ'ল। কিন্তু খঙ উঠা সত্বেও তাই মিছা কথা নক'লে। শেনচোৰাৰ সৈতে তাইৰ কোনো সম্পৰ্ক নাই বুলি তাই মিছা মাতিব নোৱাৰিলে। তাই মিছেছ্ বল্টনলৈ চালে। লাজতে মূৰ তল কৰি থিয় দি আছে মিছেছ্ বল্টন। তেওঁৰ নাৰীমনৰ মাজত এক গোপন সহানুভূতি অনুভৱ কৰিলে কনিয়ে।

তাই ক'লে, "ঠিক আছে। যি হৈছে হ'বলৈ দিয়া। মই পাত্তা নিদিওঁ।"

"আপোনাৰ একো দোষ নাই মেডাম। ধুমুহা-বৰষুণৰ মাজত আপুনি মাত্ৰ তাত আশ্ৰয় লৈছিল। কথা সিমানেই।"

দুয়ো একেলগে ঘৰলৈ উভতিল। প্ৰচণ্ড খঙেৰে কনি চিধা ক্লিফোৰ্ডৰ ওচৰ পালেগৈ। ক্লিফোৰ্ডে ম্লান মুখেৰে চকু দুটা ডাঙৰ কৰি বহি আছিল।

কনিয়ে চিঞৰি কৈ উঠিল, "মই কৈ দিছো, মোৰ পাছে পাছে চাকৰ পঠিওৱাৰ কোনো দৰকা নাই।"

ক্লিফোৰ্ডেও খঙেৰে কৈ উঠিল, "হে প্ৰভু! ক'লৈ গৈছিলা তুমি? ইমান ধুমুহা-বৰষুণৰ মাজত ঘণ্টাৰ পাছত ঘণ্টা ক'ত আছিলা? বনত কি কৰাগৈ তুমি? বৰষুণ এৰা

ঘণ্টাৰ পাছত ঘণ্টা পাৰ হৈ গ'ল। এতিয়া কেইটা বাজিছে? তুমি মানুহক পাগল কৰি দিবা। ক'লৈ গৈছিলা তুমি? কি কৰিছিলা?"

কনিয়ে টুপীটো খুলি চুলিখিনি লৰাই ক'লে, "যদি নকওঁ?"

ক্লিফোৰ্ডে একো নামাতিলে। মাত্র তাইলৈ কট্‌মট্‌কৈ চাই থাকিল। শেঁতা চকুযুৰি হালধীয়া হৈ পৰিল। কনিক গালি পাৰিবলগীয়া হোৱা কথাটো তেওঁৰ অকণো ভাল নালাগিল।

হঠাতে তাইৰ গাটো বেয়া লাগিল। তাই যেন মূৰ্ছিত হৈ পৰিব। কথাৰ সুৰ কোমল কৰি তাই ক'লে, "মই ক'লৈকো যোৱা নাছিলো। বৰষুণ দিয়াত জুপুৰীটোত বহি আছিলো। ঠাণ্ডাৰ কাৰণে জুই ধৰিলো। আৰু তাতে বহি বহি এতিয়ালৈকে আৰাম কৰি আছিলো।" কথাখিনি খুব সহজভাবে ক'লে তাই। ভাবিলে, ক্লিফোৰ্ডক বিব্রত কৰিনো কি লাভ? সন্দিগ্ধ দৃষ্টিৰে ক্লিফোৰ্ডে তাইলৈ চাই ৰ'ল। তেওঁ ক'লে, "এবাৰ তোমাৰ চুলিলৈ চোৱাচোন। তোমাৰ চেহেৰাটোলৈ চোৱা। কি অবস্থা হৈছে। কনিয়ে শান্তভাৱে ক'লে, "এবাৰ বৰষুণত কাপোৰে-কানিয়ে তিতিছিলো।"

তেওঁ অবাক হৈ গ'ল আৰু ক'লে, "তুমি নিশ্চয় পাগল হৈছা।"

"কিয়? অকণমান বৰষুণত তিতাৰ কাৰণে?"

"বৰষুণৰ পানী তোমাৰ কাপোৰৰ পৰা কেনেকৈ শুকাল?"

"কিয়? এখন পুৰণি তাবেল আৰু জুইত।"

হতবুদ্ধিত পৰিল ক্লিফোৰ্ড। তাৰ পিছত ক'লে, "কোনোবা আহিছিল বোধহয়।"

"কোননো আহিব?"

"কোন? যিকোনো আহিব পাৰে। মেলৰ্চ আহিব পাৰে। সিতো সন্ধ্যা সময়ত আহেই।"

"অ', বৰষুণ শেষ হোৱাৰ পাছত সি আহিছিল। চৰাইক দানা দিবলৈ।" বৰ অনিচ্ছাৰে তাই কথাবোৰ কৈছিল। কাষৰ কোঠাৰ পৰা মিছেছ্‌ বল্টনে সকলো কথা শুনি আছিল। কনিক তেওঁ মনে মনে শলাগিলে। কিমান সহজে পৰিস্থিতিটো তেওঁৰ মেডামে চম্ভালিলে।

"যদি তুমি চব কাপোৰ-কানি খুলি বৰষুণত তিতি আছিলা আৰু তেতিয়াই মেলৰ্চ আহি ওলালেহেঁতেন তেতিয়া?"

"মই ভাবো সি সেই সময়ত প্ৰাণৰ ভয়ত জুপুৰীটোৰ পৰা পলাইছিল।"

তথাপিও ক্লিফোৰ্ডে স্থিৰ দৃষ্টিৰে কনিলৈ চায়ে ৰ'ল। তেওঁৰ অবচেতন মনত কি খেলাইছিল তেওঁ নিজেই নাজানে। তেওঁ ঘটনাটোত ইমান আচৰিত হৈ পৰিছিল যে তেওঁৰ চেতনাত কোনো স্পষ্ট ধাৰণা থিয় কৰিব পৰা নাছিল। তেওঁৰ চেতন-অবচেতন মনৰ শূন্য ধাৰণাৰ মাজত পৰি শেষত কনিৰ কথাটোকে মানি ল'বলৈ বাধ্য হ'ল।

তেওঁ কনিক শলাগিলে। তাইৰ উপস্থিত বুদ্ধিক প্ৰশংসা নকৰি নোৱাৰিলে। তাইৰ লাজত ৰঙাপৰা মুখখন বৰ ধুনীয়া লাগিছিল। ৰতিতৃপ্তিৰ তৈলাক্ত মসৃণতা ফুটি উঠিছিল তাইৰ মুখত। তাইৰ গাৰ উজ্জ্বল ছালখনত।

কিছুসময়ৰ পাছত ক্লিফোৰ্ডে ক'লে, "তোমাৰ যদি পানীলগা জ্বৰ নহয়, তেন্তে তুমি ভাগ্যৱতী বুলি ক'ম।"

তাই লগে লগে উত্তৰ দিলে, "মোৰ নহয়।" তাই তেতিয়া তাৰ কথাই ভাবি আছিল। প্ৰচণ্ড ধুমুহা-বৰষুণৰ মাজত সেই জুপুৰীটোত বহি সি তাইক কৈছিল, "অন্য ছোৱালীতকৈ তোমাৰ যোনিদেশ বৰ সুন্দৰ।" তাইৰ ভাব হৈছিল এই কথাটো তাই ক্লিফোৰ্ডক ক'ব। স্পষ্টভাৱে ক'ব। সি হওক, তাই নিজকে চণ্ডালি ৰোহঘৰত থকা ৰাণীৰ দৰে নীৰৱ গাম্ভীৰ্যৰে নিজৰ কোঠালৈ গ'লগৈ।

সেইদিনা সন্ধিয়া কনিক সুখী কৰিবলৈ ক্লিফোৰ্ডে তাইক খুব মিঠা ব্যৱহাৰ কৰিলে। লগতে বিজ্ঞান আৰু ধৰ্ম বিষয়ক এখন কিতাপৰ কিছু অংশ পঢ়ি শুনাবলৈ ধৰিলে। সম্প্ৰতি ধৰ্ম সম্বন্ধে এটা বিকৃত ধাৰণা তেওঁৰ মনত গঢ়ি উঠিছে। এই যুগৰ ভৱিষ্যৎ সম্বন্ধে তেওঁ শংকিত আৰু উদ্বিগ্ন। আচলতে তেওঁ নিজৰ ভৱিষ্যতকলৈয়ে শংকিত। সন্ধ্যা সময়কণ কোনো কিতাপ একোখনক লৈ কনিৰ সৈতে আলোচনা কৰাটো তেওঁৰ অভ্যাসত পৰিণত হৈছে। এই আলোচনাৰ জৰিয়তে দুয়োৰে মনত এটা ৰাসায়নিক ক্ৰিয়া সঞ্চাৰিত হয়।

কিতাপ এখন বিচাৰি বিচাৰি ক্লিফোৰ্ডে ক'লে, "এই বিষয়ে তুমি কি ভাবা? আৰু বিৱৰ্তনৰ পাছত দেখা যাব যে তুমি আৰু বৰষুণত তিতি তিতি গা শীতল কৰিব নালাগে। আচল কথাটো হ'ল, আজিৰ বিশ্বত আমি দুটা বস্তু দেখিবলৈ পাইছো। এফালে দেখিছো বিশ্বজীৱনৰ পাৰ্থিৱ ক্ষয় যিমান বাঢ়িছে, তাৰ আত্মিক উন্নতি সিমানেই বাঢ়িছে।"

কনিয়ে তেওঁৰ কথা মন দি শুনিলে। তাই আশা কৰিছিল, ক্লিফোৰ্ডে আৰু কিবা ক'ব। তাই আচৰিত হৈ তেওঁলৈ চালে আৰু ক'লে, "তাৰ আত্মিক উন্নতি যদি হৈছে তেনেহ'লে আত্মা ওপৰলৈ উঠাৰ সময়ত সেই খালী জেগাত কি থৈ গৈছে?"

ক্লিফোৰ্ডে ক'লে, "উন্নতি মানে অপচয়ৰ বিপৰীতটোক বুজাইছো। মই মানুহৰ কথা কৈছো।"

"কিন্তু তুমি কি অপচয়ৰ কথা কৈছা? মইতো দেখিছো, তুমি আগতকৈ শকত হৈ গৈয়ে আছা। ময়ো একো অপচয় কৰা নাই। তুমি কি ভাবা, পৃথিৱীখন আগতকৈ সৰু হৈ গৈ আছে? আদি পিতা আদমে আদি মাতা ঈভক যিটো আপেল দিছিল সেইটো আজিকালিৰ আপেলতকৈ ডাঙৰ আছিল?"

"জগতৰ পৰিৱৰ্তন ইমান সূক্ষ্মভাৱে হৈছে যে সেয়া চকুতেই নপৰে। ইমান লাহে লাহে হৈছে যে সময়ৰ গণনাৰ হিচাপত ধৰা নপৰে।"

তাই মন দি শুনি ক'লে, "এইটো হৈছে বুজাৰ ভুল। আত্মাৰ অহংকাৰ। পাৰ্থিব সকলো দিশতে পৃথিৱী ব্যৰ্থ হৈ গৈছে। সকলো মানুহ পাৰ্থিৱ দিশত হাৰ মানি আত্মাৰ দিশত উন্নতি লাভ কৰিছে, এইটো কথা অহংকাৰৰ বাহিৰে আন একো নহয়। গোটেইবোৰ অপ্ৰাসংগিক।"

"কথাবোৰ মনে মনে থাকি ভালকৈ শুনা। ডাঙৰ ডাঙৰ মনীষীৰ কথা বা কামত ভুল নধৰিবা। বৰ্তমান আৰম্ভ হৈছে সুদূৰ অতীতত আৰু সুদূৰ ভৱিষ্যতলৈয়ো ই প্ৰসাৰিত। অতীত আৰু ভৱিষ্যৎ দুয়োটাই অকল্পনীয়ভাৱে সুদূৰ। এই পাৰ্থিৱ অৱস্থাৰ উৰ্ধ্বত আছে কিছুমান নিৰ্বিশেষ চিন্তা আৰু কল্পনা, আৰু সৃষ্টিশীলতাৰ জগত যি কম-বেছি পৰিমাণে মানুহ আৰু সৃষ্টি স্ৰষ্টা ঈশ্বৰৰ দ্বাৰা নিয়ন্ত্ৰিত।"

ক্লিফোৰ্ডৰ কথা শেষ হ'ল। তাই মনে মনে বহি শুনি থাকিল। কিন্তু তাইৰ এইবোৰ কথা অলপো ভাল লগা নাছিল।

তাই ক'লে, "আজিকালিৰ মানুহ আত্মাৰ দিশতো একেবাৰে নিঃস্ব হৈ গৈছে। আজিৰ জগতৰ এই শোচনীয় বাস্তৱ অৱস্থাৰ লগত ঈশ্বৰক আকৌ কিয় সাঙুৰি পেলাইছা? এইটো বুৰ্বকামিৰ বাহিৰে আন একো নহয়।"

"ইয়াৰ সৈতে বহুত কথাই সাঙোৰ খাই আছে। তথাপি আজিৰ বিশ্ব যে পাৰ্থিব দিশত ক্ষয় গৈছে আৰু আত্মিক দিশত উন্নতি বা অগ্ৰগতি লাভ কৰিছে তাৰ মাজত অলপ হ'লেও সত্যতা আছে।"

"তুমি সেইবুলি ভাবা নেকি? তোমাৰ আত্মাক ওপৰলৈ উঠিবলৈ দিয়া। যেতিয়ালৈকে মই এই কঠিন মাটিৰ ওপৰত থিয় হৈ থাকি মোৰ দেহগত অস্তিত্বক বজাই ৰাখিব পাৰিম তেতিয়ালৈকে তোমাৰ আত্মা ওপৰলৈ উঠাত মোৰ অলপো আপত্তি নাই।

"তুমি তোমাৰ দেহগত অস্তিত্বক ভালপোৱা নেকি?"

"অ' ভালপাওঁ।"

কনিৰ মনত তেতিয়া বাৰে বাৰে এটা কথাই অনুৰণিত হৈ আছিল— ইমান ধুনীয়া নাৰীৰ এই যোনি প্ৰদেশ।

ক্লিফোৰ্ডে ক'লে, "এই ভালপোৱা কথাটো কিন্তু বৰ অস্বাভাৱিক কথা। কাৰণ দেহাটো মানুহৰ বাবে এটা বোজা স্বৰূপ। তথাপি মই ভাবো, ছোৱালীবোৰে মানসিক উন্নতি বা অস্তিত্বৰ মাজত পৰম আনন্দ বিচাৰি নাপায়।"

পৰম আনন্দ? তোমাৰ মানসিক উন্নতিৰ পৰা যি আনন্দ পোৱা যায় তাক তুমি পৰম আনন্দ বুলি কৈছা? নহয়, ধন্যবাদ। মনে নকয়, আমি কেৱল দেহ আৰু দেহৰ আনন্দ লৈয়ে ব্যস্ত থাকোঁ। কিন্তু এই দেহৰ প্ৰতিটো কোষ যেতিয়া এক প্ৰাণচঞ্চলতাত মাতাল হৈ পৰে, এই দেহৰ সমস্ত জৈৱিকতা যেতিয়া জীৱন চেতনাৰ সৈতে

ওতপ্ৰোতভাৱে যুক্ত হৈ পৰে তেতিয়া তোমাৰ দৈহিক উন্নতিক মানসিক উন্নতিতকৈয়ো বহুত ওপৰত যেন লাগে। কিন্তু তোমালোক বহুতেই মনক জড়দেহৰ সৈতে এনেকুৱাকৈ জড়িত কৰি ৰাখিছা যেন তাৰ বাহিৰে আন কোনো পৃথক সত্তা নায়েই।"

"দেহসৰ্বস্ব জীৱনৰ কথা কৈছা? সেই জীৱন পশুৰ জীৱন।"

"তথাপি এই জীৱন তোমালোকৰ মৃতদেহৰ দৰে জড় মনবোৰতকৈ বহুত ভাল। মানুহৰ শৰীৰ দীৰ্ঘ বিৱৰ্তনৰ মাজেদি আহি আজি সঁচা জীৱনৰ ওচৰ চাপি আহিছে। মানুহৰ এই দেহক প্ৰথম প্ৰেৰণা দিয়ে গ্ৰীকসকলে। প্লেটো আৰু এৰিষ্টটলৰ হাতত সেই দেহৰ মৃত্যু ঘটে। যুক্তি-বুদ্ধিৰ নিৰস জালত জৰ্জৰিত হৈ সেই দেহে তাৰ প্ৰাণ হেৰুৱায়। সেই প্ৰাণৰ যিকণ অৱশিষ্ট আছিল তাকো যীশুৱে নিঃশেষ কৰি দিলে। কিন্তু আজি আমাৰ দেহ বহুত দিনৰ পাছত সঁচাকৈয়ে জীৱনৰ ওচৰ চাপি আহিছে। সমাধি গহ্বৰৰ পৰা পুনৰুত্থান ঘটিছে। এই বিশাল সুন্দৰ বিশ্বৰ মাজত এই নৱজাগ্ৰত দেহৰ জীৱন দেখাত কিমান সুন্দৰ। কিমান যে অফুৰন্ত প্ৰাণচঞ্চলতাৰে ভৰপুৰ।"

"সোণজনী, মোৰ এনে লাগিছে, সেই জীৱন নৌ আহোতেই তুমি তাক বৰণ কৰিলা। অৱশ্যে তুমি এতিয়া ভ্ৰমণৰ আনন্দ উপভোগ কৰিবলৈ ওলাইছা আৰু দেহগত আনন্দ বা জীৱনটোক ডাঙৰ দেখিছা। কিন্তু মোৰ কথা শুনা। দেহক লৈ ইমান উল্লসিত হোৱাৰ কোনো দৰকাৰ নাই। জানি থোৱা, ঈশ্বৰ বুলি যদি সঁচাকৈয়ে কিবা এটা আছে তেনেহ'লে তেওঁ অচিৰেই মানুহৰ জীৱনৰ পৰা সকলো দেহগত উপাদান অপসাৰিত কৰি মানুহৰ আত্মাক আৰু উচ্চস্তৰত অধিষ্ঠিত কৰিব।"

"কিন্তু তোমাৰ কথা কেনেকৈ বিশ্বাস কৰোঁ ক্লিফোৰ্ড?"

"বিশ্বাস কৰা উচিত। এই যে তুমি সম্পূৰ্ণ উলংগ হৈ বৰষুণত তিতি তিতি আনন্দৰ উত্তেজনাত মাতাল হৈছা, এই যে তুমি ভেনিচলৈ যাব বিচাৰিছা, তোমাৰ মনত হঠাতে এই বিপৰীতমুখী পৰিবৰ্তন কোনে জগালে?"

"তুমি ভাবা নেকি, এই আনন্দৰ উত্তেজনাটো বৰ বেয়া, বৰ ভয়ংকৰ কথা?"

"মনৰ উত্তেজনাক এনেদৰে বাহিৰত প্ৰকাশ কৰাটো ভাল নহয়।"

"তেনেহ'লে গোপন কৰি ৰাখিম?"

"নহয়। তোমাৰ উত্তেজনা মোলৈয়ো সংক্ৰামিত হৈছে। মোৰো বাহিৰলৈ যাবলৈ মন গৈছে।"

"কিয় নাহা মোৰ লগত?"

"এনেকুৱা উত্তেজনাৰ অভিজ্ঞতা ইয়াৰ আগতে আমিয়ো বহুত বাৰ লাভ কৰিছো। মোৰ ভাব হয়, এই পৰিবেশক সাময়িকভাৱে বিদায় জনাবৰ সময়ত এনেকুৱা উত্তেজনা জাগে। মুহূৰ্তৰ বাবে সকলোবোৰ বিদায় দিয়াৰ মাজত এক আনন্দ আছে, উত্তেজনা আছে। কাৰণ সকলো বিদায়ৰ অন্তৰালত মিলন থাকে আৰু মিলন মানেই এটা নতুন বন্ধন।"

"মই কিন্তু কোনো নতুন বন্ধনত আবদ্ধ হ'বলৈ বাহিৰলৈ যাবলৈ ওলোৱা নাই।"

"ইমান বেছি নকৰিবা। দেৱতাৰো কাণ আছে।"

মুখেৰে যিয়ে কওক, পুৰণি বন্ধনবোৰ সাময়িকভাৱে ছিঙি থৈ দূৰ হৈ যোৱাৰ সঁচাকৈয়ে এটা মিঠা উত্তেজনা তাইৰ মনত জাগি উঠিছিল। এই উত্তেজনাক প্ৰশ্ৰয় নিদিয়াকৈ থাকিব নোৱাৰিলে তাই।

সেইনিশা ক্লিফোৰ্ডে শুব নোৱাৰিলে। গোটেই ৰাতি মিছেছ্ বল্টনৰ সৈতে জুৱা খেলি কটাই দিলে। খেল শেষ হোৱাৰ পাছত টোপনিৰ হেঁচাত মিছেছ্ বল্টন বহি থাকিবই পৰা নাছিল।

অৱশেষত হিলদা অহাৰ দিন আহি পালে। কনিয়ে মেলৰ্চক জনাই দিছিল যে সকলো ঠিকেঠাকে থাকিলে, যদি সিহঁতৰ ৰাত্ৰিযাপনৰ কোনো অসুবিধা নহয় তেন্তে তাই থিৰিকিত এখন সেউজীয়া শ্বল ওলোমাই থ'ব আৰু কোনো অসুবিধা বা বাধাৰ সৃষ্টি হ'লে ৰঙা শ্বল ওলোমাব।

বস্তু-বাহানি বন্ধা-কুন্ধাত মিছেছ্ বল্টনে কনিক সহায় কৰি দিলে।

মিছেছ্ বল্টনে ক'লে, "বাহিৰলৈ ফুৰিবলৈ গ'লে আপোনাৰ কাৰণে খুবেই ভাল হ'ব।"

কনিয়ে ক'লে, "ময়ো সেই বুলিয়ে ভাবো। ক্লিফোৰ্ডক চোৱা-চিতা কৰিবলৈ তোমাৰ একো অসুবিধা নহয়তো?"

"নাই, নাই। কোনো অসুবিধা নহয়। তেখেতে যি যি বিচাৰে মই এতিয়া চবেই কৰিব পাৰোঁ। দেখা নাই জানো, তেখেত আগতকৈ কিমান ভাল হৈছে।"

"দেখিছো। তুমি তেওঁক খুব ভালকৈ চলাইছা।"

"সকলো পুৰুষ একেই। শিশুৰ দৰে। সিহঁতক অকণমান তোষামোদ কৰিলেই সিহঁত গলি যায়। সিহঁতক কোনোমতে এইবুলি বুজাই দিব লাগে যে সিহঁতৰ মতেই আমি চলি আছোঁ। আপুনিয়ো সেই বুলি নাভাবেনে?"

"এই বিষয়ে মোৰ একেবাৰে অভিজ্ঞতা নাই।"

কনিয়ে এইবাৰ নীৰৱে কাম কৰিবলৈ ধৰিলে। তাৰ মাজতে তাই আকৌ মিছেছ্ বল্টনক সুধিলে, "তুমিয়ো তোমাৰ গৃহস্থক শিশুৰ দৰে ভুলাই ৰাখিছিলা নেকি?"

মিছেছ্ বল্টনে অকণমান ৰৈ ক'লে, "হয়। তথাপি তেওঁ মোৰ মনৰ কথা বুজি পাইছিল আৰু সেইমতে চলিবলৈ যত্ন কৰিছিল। তেওঁ মোৰ মতৰ বাহিৰলৈ যোৱা নাছিল।"

"তেনেহ'লে তেওঁ কেতিয়াও নিজৰ মতে চলিব পৰা নাছিল।"

"নাই, সেইটোও ঠিক নহয়। মাজে মাজে তেওঁৰ চকু দুটা খণ্ডতে ৰঙা হৈ পৰিছিল। মই তেতিয়া বুজিছিলো, মই এতিয়া হাৰ মানিব লাগিব। তেওঁ যেনেকৈ

মোৰ ওপৰত প্ৰভুত্ব খটুৱা নাছিল তেনেদৰে ময়ো তেওঁৰ ওপৰত প্ৰভুত্ব খটুৱা নাছিলো। যেতিয়া তেওঁৰ কথাৰ বিৰোধিতা কৰিব পৰা নাছিলো তেতিয়া হাৰ মানিছিলো।"

"আৰু যদি হাৰ নামানি বিৰোধিতা কৰি গৈছিলা, তেতিয়া?"

"মই তেনেকুৱা কৰিছিলো বুলি মনত নপৰে। যেতিয়া দেখিছিলো তেওঁ কোনো ভুল কৰিয়ো তাক দৃঢ়ভাৱে খামুচি ধৰি আছিল তেতিয়াও মই বিৰোধিতা কৰা নাছিলো। কাৰণ মই আমাৰ দাম্পত্য সম্পৰ্কৰ বন্ধনটোক কোনোমতেই ছিন্ন কৰিব বিচৰা নাছিলো। যদি আপুনি কোনো পুৰুষক মনেপ্ৰাণে বিচাৰে, যদি তেওঁৰ সৈতে সম্পৰ্ক ছিন্ন কৰিব নোখোজে তেতিয়া তেওঁৰ অন্যায় দেখিয়ো তেওঁক মানি চলিবলগীয়া হয়।"

"তুমি ছাগে তোমাৰ ৰোগীসকলৰ সৈতেও এনেদৰেই চলা?"

"ৰোগীৰ কথাটো সম্পূৰ্ণ বেলেগ। কোনটো ৰোগীৰ কাৰণে কোনটো ভাল সেইটো বুজি লৈ কৌশলেৰে তাক সেইফাললৈ লৈ যাওঁ। প্ৰেমৰ ক্ষেত্ৰত এইটো নাখাটে। আপুনি যদি সঁচায়ে কাৰোবাক ভাল পায় তেন্তে আন কাৰোবাকো ভাল পাব পাৰে। যদিহে আপোনাৰ প্ৰয়োজন তেওঁৰ ওচৰত আছে। কিন্তু মোৰ সন্দেহ হয়, তাৰ মাজত ইমান ঘনিষ্ঠতা নাথাকে।"

মিছেছ্ বল্টনৰ কথাখিনি শুনি তাই ভয় খাই গ'ল। ভয়ে ভয়ে তাই সুধিলে, "বাৰু, তুমি কি ভাবা? কোনোবাই মাত্ৰ এবাৰেই কাৰোবাক ভাল পাব পাৰে?"

"তাৰ কোনো মানে নাই। বহুত নাৰী আছে যি জীৱনত এবাৰো কাকো ভালপোৱা নাই। আচলতে প্ৰকৃত ভালপোৱা কি সিহঁতে নাজানেই। পুৰুষো তেনেকুৱাই। কিন্তু মই যেতিয়া কাৰোবাক সঁচাকৈয়ে ভালপোৱা দেখো তেতিয়া মই স্তব্ধ হৈ চাই ৰওঁ।"

"তুমি কি ভাবা, পুৰুষে সঁচাকৈয়ে খং কৰে?"

"কৰে। আপুনি যদি সিহঁতৰ অহংকাৰত আঘাত কৰে। নাৰীৰ ক্ষেত্ৰতো একেই। মাত্ৰ নাৰী আৰু পুৰুষৰ মাজত অহংকাৰৰ পাৰ্থক্য আছে।"

কথাবোৰ শুনি ভাবিবলৈ ধৰিলে কনিয়ে। তাই বাহিৰলৈ যোৱা কথাটোৰ বিভিন্ন দিশবোৰ ফঁহিয়াই চাবলৈ ধৰিলে। তলপ দিনৰ বাবে হ'লেও তাই ভালপোৱা মানুহটোৰ কাষৰ পৰা দূৰলৈ যাবলৈ ওলাইছে। চুপ হৈ থাকিলেও সি যে বৰ অদ্ভুত হৈ পৰিছে সেই কথা তাই জানে।

তথাপি দুয়ো সহ্য কৰিব লাগিব। কিয়নো মানুহৰ জীৱন আৰু অস্তিত্ব বহিৰ্জগতৰ ঘটনাৱলীৰ দ্বাৰাই প্ৰকৃততে নিয়ন্ত্ৰিত হয়। যন্ত্ৰবৎ সেই ঘটনাৰ আমোঘ জালৰ মাজত লাগি ধৰিছে তাই। তাৰপৰা তাই ওলাই আহিব নোৱাৰে আৰু ওলাই আহিব নোখোজেও।

বৃহস্পতিবাৰে ৰাতিপুৱা হিলদা আহি পালেহি। তাই কোৱা অনুসৰি একেবাৰে ঠিক সময়তে। দুজনীয়া আসনৰ গাড়ীখনত তাইৰ লগত আছিল মাত্ৰ এটা চুটকেচ। তাই দেখাত এতিয়াও একেবাৰে ছোৱালী মানুহৰ দৰেই। বিয়াৰ পাছতো তাই স্বাধীন।

তাইৰ অদম্য ইচ্ছাশক্তিৰ কাষত তাইৰ গৃহস্থই তিষ্ঠি থাকিব নোৱাৰি এতিয়া বিবাহ-বিচ্ছেদৰ পথত আগবাঢ়িছে। হিলদাৰ আন কোনো প্ৰেমিক বা উপপতি নাই যদিও বিবাহ-বিচ্ছেদৰ প্ৰক্ৰিয়াত তাই পূৰ্ণ সহযোগিতা আগবঢ়াইছে। তাইৰ সন্তান দুটিক নিজৰ মতে ডাঙৰ কৰি মানুহ কৰিব খুজিছে তাই। তাইৰ এই অবাধ স্বাধীনতাক লৈ তাই সুখী, সন্তুষ্ট আৰু তৃপ্ত।

হিলদাৰ দৰেই কনিয়েও এটা চুটকেচ লৈয়ে যাবলৈ ঠিক কৰিছে। তাই কিন্তু ইয়াৰ আগতেই দেউতাকৰ মাৰফৎ এটা ডাঙৰ ট্ৰাংক পঠাইছে। তাইৰ দেউতাক আগতেই ৰেলেৰে ৰাওনা হ'ল। তেওঁ সম্প্ৰতি স্কটলেণ্ডৰ পৰা উভতিয়েই ইটালীলৈ যাত্ৰা আৰম্ভ কৰিছে। ইমানদূৰ গাড়ীৰে যোৱাৰ কোনো অৰ্থ নাই। সেয়ে তেওঁ ৰেলেৰেই যাবলৈ ওলাল।

হিলদাই তাইৰ ধীৰ আৰু দৃঢ় ব্যক্তিত্বৰ সহায়ত সিহঁতৰ যাত্ৰাৰ সকলোবোৰ ব্যৱহাৰিক দিশ সামৰি সকলো ব্যৱস্থা কৰিলে। তাৰ পিছত তাই কনিৰ সৈতে কনিৰ কোঠাত বহি কথা পাতিবলৈ ধৰিলে। কনিয়ে ভয়ে ভয়ে তাইক ক'লে, "হিলদা, মই আজি নিশাটো অন্য এঠাইত কটাব বিচাৰিছো। ওচৰতেই।"

হিলদাই ৰহস্যময় দৃষ্টিৰে কনিলৈ চালে। ভিতৰি ভিতৰি তাইৰ খুব খং উঠিছিল যদিও খঙৰ বহিৰ্প্ৰকাশ নঘটিল। এনেকুৱা প্ৰায়ে হয়।

হিলদাই শান্ত মাতেৰে সুধিলে, "ঠাইখন ক'ত?"

"ক'ম। তুমি জানা, মই এজনক ভাল পাওঁ।"

"তেনেকুৱা কিবা এটা বুজি পাইছো।"

"তেওঁ ওচৰতেই থাকে। যোৱাৰ আগে আগে ৰাতিটো তেওঁৰ সৈতে কটাব বিচাৰো। তেওঁক মই কথা দিছো।"

কনিৰ কথাৰ সুৰত জেদভাব ফুটি উঠিছিল। হিলদাই প্ৰথমতে তললৈ মূৰ কৰিলে। তাৰপিছত চকু তুলি তাই সুধিলে, "তুমি মোক এইবাৰ ক'ব পাৰিবানে মানুহটো কোন?"

লজ্জাজৰ্জৰিত শিশুৰ দৰে কনি কোঁচমোচ খাই উঠিল। মুখখন ৰঙা পৰিল আৰু যেঁহাই-মেহাই ক'লে, "আমাৰ শেনচোৰাটো।"

বিতৃষ্ণাত নাক কোঁচাই হিলদাই ধমকি মাৰি চিঞৰি উঠিল, "কনি!"

হিলদাই সিহঁতৰ মাকৰ পৰা এই স্বভাৱটো পাইছে।

"মই জানো। তথাপি, তেওঁ বৰ ধুনীয়া। তেওঁৰ বোধশক্তি আছে। তেওঁ বৰ কোমল মনৰ।"

তাৰ গুণগান কৰি তাই হিলদাক সন্তুষ্ট কৰিবলৈ চেষ্টা কৰিলে।

ইফালে তললৈ মূৰ কৰি ভাবিবলৈ ধৰিলে হিলদাই। খুব খং উঠিছিল তাইৰ।

কিন্তু প্ৰকাশ নকৰিলে। কাৰণ তাই জানে কনি তাইৰ বাপেকৰ দৰে। একাচেকা। বাধা দিবলৈ গ'লে বেছি অদম্য হৈ উঠিব।

অৱশ্যে এইটোও ঠিক যে হিলদাই ক্লিফোৰ্ডক একেবাৰে ভাল নাপায়। তেওঁৰ অহংকাৰী মইবৰ ভাবটো একেবাৰে অপছন্দ। তাই ভাবে ক্লিফোৰ্ডে কনিক নির্লজ্জভাৱে বুৰ্বকৰ দৰে খুটুৱাইছে। তাই বিচাৰিছিল কনিয়ে বিবাহ-বিচ্ছেদ কৰি বাহিৰলৈ ওলাই আহক। কিন্তু মধ্যবিত্তীয় স্কট পৰিয়ালৰ ছোৱালী হিচাপে তাই কোনো কাৰণতে নিজকে বা নিজৰ পৰিয়ালৰ মৰ্যাদাক সৰু কৰিব নিবিচাৰে। তাই আকৌ কনিৰ ফালে চাই ক'লে, "পাছত তুমি দুখ কৰিব লাগিব। তোমাৰ অনুশোচনা হ'ব।"

"নাই নাই, সেইটো নহয়।" তাই জোৰদি ক'লে। "তেওঁ এজন ব্যতিক্রম। তেওঁ প্ৰেমৰ যোগ্যপাত্ৰ।"

হিলদাই আকৌ ভাবিলে। আৰু ক'লে, "যিমান সোনকালে পাৰা তাক ত্যাগ কৰিব লাগিব।"

"নাই, নাই। মই তেওঁক ভাল পাওঁ। মই তেওঁৰ সন্তান গৰ্ভত ধাৰণ কৰিছো।"

"কনি!"

হিলদাৰ কণ্ঠত যেন হাতুৰীৰ আঘাত আছিল।

"যদি সম্ভৱ হয়, মই তেওঁৰ সন্তান লাভ কৰিম। মই গৰ্ববোধ কৰিম।"

এইবিষয়ে কথা নবঢ়াই ভাল বুলি হিলদাই ভাবিলে।

হিলদাই সুধিলে, "ক্লিফোৰ্ডে সন্দেহ কৰা নাই?"

"নাই। কিয় সন্দেহ কৰিব?"

"মোৰ কিন্তু ভাব হৈছে সন্দেহ কৰাৰ সুযোগ তুমি তেওঁক দিছা।"

"নাই, মুঠেই নহয়।"

"কিন্তু আজিৰ কামটো মুৰ্খামি হ'ব। ক'ত থাকে সি?"

"বনৰ সিটো কোণত তাৰ ঘৰ।"

"সি অবিবাহিত?"

"তাৰ পত্নীয়ে তাক ত্যাগ কৰি গুচি গৈছে।"

"বয়স কিমান?"

"নাজানো। তথাপি মোতকৈ ডাঙৰ হ'ব।"

কনিৰ প্ৰতিটো কথাই হিলদাৰ খং বঢ়াই তুলিছিল। এনেকুৱা অবাঞ্ছিত ঘটনা ঘটিলে সিহঁতৰ মাক উত্তেজনাত কঁপি উঠিছিল। তথাপিও হিলদাই বাহিৰত তাইৰ খং-ৰাগ নেদেখুৱালে। তাই মাথোঁ শান্ত কণ্ঠেৰে ক'লে, "মই যদি তুমি হ'লোহেঁতেন, তেন্তে আজি ৰাতি মই তাৰ ওচৰলৈ নগ'লোহেঁতেন।"

"মই নোযোৱাকৈ থাকিব নোৱাৰো। নহ'লে আৰু যোৱাও নহ'ব।"

অৱশেষত কূটনীতিৰ বশৱতী হৈ হিলদা মান্তি হ'ল। ঠিক কৰা হ'ল, সিহঁত ঘৰৰ পৰা মেনচফিল্ডলৈ গৈ তাতে ৰাতিৰ সাজ খাব। তাৰ পিছত গাড়ীৰে আনি তাইক বনৰ কাষত নমাই দি তাই উভতি যাব। আকৌ পিছদিনা সেইখিনিৰ পৰা কনিক গাড়ীত উঠাই লৈ আনিব।

কনিয়ে পান্নাৰ দৰে সেউজীয়া ৰঙৰ শ্বল এখন খিৰিকিত ওলোমাই দিলে।

হিলদা ক্লিফোৰ্ডৰ প্ৰতি কোমল হ'ল। যিয়েই হওক তাৰো মন বোলা বস্তু এটা আছে। অৱশ্যে যৌন শক্তি নাই। নাথাকি ভালেই হৈছে। এই বিষয়ত কাজিয়া-পেচাল হোৱাৰ সম্ভাৱনা নাই। যৌনক্ষেত্ৰত হিলদাৰ কোনো আগ্ৰহ নাই।

ইফালে ক্লিফোৰ্ডে ভাবিলে, হিলদা কনিতকৈ বহুত বেছি বুদ্ধিমতী। তাই কোনো পুৰুষক বন্ধুভাৱে গ্ৰহণ কৰি সহায়তা আৰু সহানুভূতিমূলক মনোভাৱৰ ওপৰত ভিত্তি কৰি সম্পৰ্ক গঢ়ি তুলিব পাৰে। তাইৰ ওপৰত নিৰ্ভৰ কৰিব পাৰি। কিন্তু কনিৰ ওপৰত নোৱাৰি। ক্লিফোৰ্ডে যদি ৰাজনীতি কৰে, কনি তেওঁৰ কামতেই নালাগিব। এইবিলাকত কনি শিশুৰ দৰেই।

সেইদিনা ৰাগবিত চাহ-পৰ্ব সোনকালেই আৰম্ভ হ'ল। খোলা দুৱাৰেদি সূৰ্যৰ কিৰণ আহি টেবুলৰ ওপৰত পৰিলেহি।

ক্লিফোৰ্ডে ক'লে, "গুড্‌বাই কনি। মোৰ ওচৰলৈ আকৌ উভতি আহিবা।"

"গুড্‌বাই ক্লিফোৰ্ড। বৰ বেছিদিন মই বাহিৰত নাথাকোঁ।"

"গুড্‌বাই হিলদা। তুমি কনিক চাবা।"

"চাম মানে? মই তাইৰ ওচৰতে থাকিম। তাইক দূৰলৈ যাবলৈ নিদিওঁৱেই।"

"মনত ৰাখিবা, তুমি মোক কথা দিছা।"

কনিয়ে মিছেছ্ বল্টনক ক'লে, "গুড্‌বাই মিছেছ্ বল্টন। আশাকৰোঁ তুমি ছাৰ ক্লিফোৰ্ডৰ যত্ন ল'বা।"

"মই যথাসাধ্যে যত্ন ল'ম মেডাম।"

"কোনো খবৰ থাকিলে মোক চিঠি লিখি জনাবা। ছাৰ ক্লিফোৰ্ডৰ খবৰ জনাবা।"

"ভাল বাৰু মেডাম। মই সেইমতেই কৰিম। আপোনাৰ যাত্ৰা শুভ হওক। আপুনি ভালে-কুশলে উভতি আহক।"

বিদায় বেলাত সকলোৱেই হাত জোঁকাৰিলে। গাড়ী চলিল। পিছফালে ঘূৰি চাই কনিয়ে দেখিলে দুৱাৰৰ কাষত যান্ত্ৰিক চকীখনত ক্লিফোৰ্ড বহি আছে। যিয়েই হওঁক, সেয়া তাইৰ গিৰিহঁত। এই ৰাগবিয়ে তাইৰ ঘৰ। এই সম্পৰ্ক নিয়তিৰ বিধানত গঢ়ি উঠিছে। মিছেছ্ চেম্বাৰে গেইটখন খুলি দিয়াৰ লগে লগে গাড়ীখন চৌহদৰ বাহিৰ হৈয়ে মূল ৰাস্তাত উঠিলগৈ। কয়লাখনিৰ শ্ৰমিকবোৰ তেতিয়া ঘৰমুৱা হৈছিল। ডাঙৰ ৰাস্তা এৰি গাড়ীখন ক্ৰচহিলৰোডত উঠিল। মেনচফিল্ডলৈ এইটো ৰাস্তাৰেই তেওঁলোকে

যাব। কনিয়ে এযোৰ ক'লা চশমা পিন্ধিলে। ৰেললাইন পাৰ হৈয়ে দলঙ এখনো পাৰ হ'ল আৰু কনিয়ে সেই সময়তে ক'লে, "সন্মুখৰ এই ৰাস্তাটোৰেই বনৰ মাজত থকা তেওঁৰ ঘৰলৈ যাব লাগিব।"

অধৈৰ্য হৈ হিলদাই ক'লে, "বৰ দুখৰ কথা যে তোমাৰ কাৰণে আমি চিধাচিধি গন্তব্যস্থানলৈ যাব পৰা নাই।"

"মই দুঃখিত।"

তেওঁলোকে মেনচফিল্ড পালেহি। এইখন এসময়ত বৰ ৰোমান্টিক আৰু মনোৰম ঠাই আছিল। আজি মাত্ৰ এখন কয়লাখনিৰ চহৰ। এখন হোটেললৈ গৈ এটা কোঠা ভাড়াত ল'লে তেওঁলোকে। খণ্ডতে হিলদাৰ কথা পাতিবলৈ মন যোৱা নাছিল যদিও মানুহটোৰ বিষয়ে জানিবলৈয়ো মনটো উচ্পিচাই আছিল।

হিলদাই সুধিলে, "কি নাম তাৰ? তুমি তাৰ কথা ক'লে সি বুলিহে কৈ থোৱা।"

"মই তাক নাম কাঢ়ি নামাতো। সিয়ো নামাতে। অৱশ্যে মাজে মাজে মই তাক জন টমাচ আৰু সি মোক লেডী জেন বুলি মাতে। তাৰ আচল নাম হ'ল অলিভাৰ মেলৰ্চ।"

"তুমি তেনেহ'লে কেনেকৈ লেডী চেটাৰ্লিৰ পৰা মিছেছ্ মেলৰ্চ হ'ব বিচৰা?"

"মই তাক সঁচাকৈয়ে ভাল পাওঁ।"

কনিৰ ওপৰত মাত মতাৰ কথা নাহে। তথাপিয়ো হিলদাই নিজকে নিজে ক'লে, সি যদি যুদ্ধৰ সময়ত চাৰি-পাঁচ বছৰ ধৰি লেফটেনেণ্ট হৈয়ে আছিল তেনেহ'লে তাক একেবাৰে দলিয়াই পেলাব নোৱাৰি। তাৰোপৰি সি সজ চৰিত্ৰৰ। হিলদা অলপ নৰম হ'ল।

তথাপিয়ো তাই ক'লে, "কেইদিনমানৰ পাছতে তোমাৰ মোহভংগ হ'ব আৰু তুমি তাক এৰিব লাগিব। শ্ৰমিকৰ সৈতে কোনো ভদ্ৰঘৰৰ ছোৱালী বেছিদিন থাকিব নোৱাৰে।"

"তুমিয়ে নেকি সমাজবাদী? তুমিতো শ্ৰমিকৰ সপক্ষে ওকালতি কৰি থাকা!"

"মই কোনো ৰাজনৈতিক সংকটৰ সময়ত সিহঁতৰ পক্ষত থাকোঁ কিন্তু সিহঁতৰ হৈ ওকালতি কৰিবলৈ গৈ দেখিছো সিহঁতৰ জীৱন-যাত্ৰাৰ সৈতে মিলি চলা আমাৰ দৰে মানুহৰ বৰ টান কাম, অসম্ভৱ কথা। কেৱল ধনী-দুখীয়া বুলিয়ে নহয়, দুয়োপক্ষৰ জীৱন-যাত্ৰাৰ মাজত বহুত পাৰ্থক্য। অলপো মিল নাই।"

হিলদাই যাৰ হৈ ৰাজনীতি কৰে, সেই বুদ্ধিজীৱীসকলৰ সৈতে তাইৰ উঠা-বহা। তাইৰ অভিজ্ঞতা প্ৰচুৰ। তাই কথা কাটিব নোৱাৰে।

হোটেলৰ ভিতৰত সন্ধ্যা সময়কণ কোনোমতে পাৰ হ'ল। কাটি গ'ল নীৰৱ, নিৰানন্দভাৱে, লগতে ৰাতিৰ আহাৰো। কনিয়ে তাইৰ বেগত কিবাকিবি বস্তু ভৰালে। তাৰপিছত চুলিখিনি আঁচুৰিলে।

তাইয়ে ক'লে, "মই কি ভাবো জানা হিলদা, প্ৰেমৰ মাজত এনে এটা বিস্ময় আছে যিটো বিস্ময় মানুহে তেতিয়া অনুভৱ কৰে যেতিয়া বৰষুণৰ মাজত বৈ থাকে।"

তাইৰ কথাত অহংকাৰৰ সুৰ স্পষ্ট।

হিলদাই ক'লে, "প্ৰত্যেকটো মহেও সেইটোৱে অনুভৱ কৰে।"

"তুমিয়ো সেই বুলি ভাবা। বৰ চমৎকাৰ।"

সেই নিশা আছিল আধা পোহৰ আধা ছাঁৰে ভৰা। নিৰস আৰু নিৰানন্দময় সন্ধ্যাটো কোনোমতে কটাই হিলদাই গাড়ী এৰি দিলে।

কনিয়ে মূৰত এটা ছদ্মবেশী টুপী আৰু চকুত ক'লা চশমা পিন্ধি চুপচাপ গাড়ীত বহি আছিল। হিলদাই তাইক যিমানে বাধা দিলে সিমানে জেদী হৈ পৰিল কনি। তাই দৃঢ়তাৰে তাক সমৰ্থন কৰি গ'ল।

গাড়ীখন ক্ৰছহিল পাওঁতেই এখন ৰেল পাৰ হৈ গ'ল। হিলদাই ধাৰণা কৰিছিল ৰেলৰ দলঙখনৰ শেষত বাওঁফালেই সেই গলিটো হ'ব যিটোৰে কনি বনলৈ যাব। তাই গাড়ীৰ গতি কমালে। গলিৰ কাষত এটা ছায়ামূৰ্তি। লগে লগে গাড়ীৰ দুৱাৰ খুলিলে।

"আমি ঠিক ঠাইতে আহি পালোঁ।"

হিলদাই গাড়ীৰ লাইট নুমুৱাই দিলে।

তাৰ মাত শুনা গ'ল, "আপুনি ঠিক ঠাইতেই আহি পাইছে।"

হিলদাই গাড়ীখন অলপ পিছুৱাই গলিটোৰ ভাঁজত এজোপা এলম গছৰ তলত ৰখালে। কনি গাড়ীৰ পৰা নামি গ'ল আৰু তাক সুধিলে, "তুমি বহুত সময় বৈ আছা নেকি?"

"বেছি সময় নাই হোৱা।"

সিহঁত দুয়ো আশা কৰিছিল হিলদাও গাড়ীৰ পৰা নামিব। কিন্তু তাই তাতে বহিয়ে আছে।

কনিয়ে ক'লে, "মোৰ বাইদেউ হিলদা। তুমি তাইৰ ওচৰলৈ গৈ কথা পাতা। হিলদা, এয়া মেলৰ্চ।"

মেলৰ্চে তাৰ টুপীটো খুলিলে। কিন্তু হিলদাৰ ওচৰলৈ নগ'ল।

কনিয়ে হিলদাক আমন্ত্ৰণ জনালে কুটীৰলৈ।

"কিন্তু গাড়ীখনৰ কি হ'ব?"

"কিমান মানুহে গলিত গাড়ী ৰাখে। তোমাৰ হাতত চাবি আছেতো?"

তাই মেলৰ্চক গলিৰ মাজত গাড়ীখন ৰখাৰ কথা সুধিলে। মেলৰ্চে নিশ্চিন্ত মনেৰে ৰাখিব পাৰিব বুলি কোৱাত তাই গাড়ীৰ পৰা নামিল।

মেলৰ্চ আগে আগে, তাৰ পিছত কনি আৰু শেষত হিলদা। কাষে কষে ফ্লচি। সেই পথেৰে মানুহৰ অহা-যোৱা বেছি নাই কাৰণে পথৰ দুয়োকাষে অকাঠী গছ।

বতাহত ফুলৰ সুগন্ধ কঢ়িয়াই আনিছে। বেছি অন্ধকাৰ হৈ থকা ঠাইবোৰত মেলৰ্চে টৰ্চ মাৰিছিল। ওক গছৰ ওপৰত ফেঁচাই কুৰুলিয়াইছিল। সকলোৱেই নীৰৱে আগবাঢ়িছিল।

অৱশেষত কনিয়ে এটা হালধীয়া পোহৰ দেখিবলৈ পালে। মেলৰ্চৰ ঘৰৰ পৰাই সেই পোহৰ আহিছিল।

মেলৰ্চে তলা খুলিলে। ঘৰটোৰ ভিতৰখন গৰম হৈ আছিল। চৌকাত জুই একুৰা জ্বলি আছিল। টেবুলৰ ওপৰত এখন বগা কাপোৰ পাৰি থোৱা আছে। তাৰ ওপৰত দুখন প্লেট আৰু দুটা গিলাচ আছে। হিলদাই মুখ ঘূৰাই উদং কোঠাটোৰ চাৰিওফালে চালে। কোঠাটো তাইৰ বৰ নিৰস আৰু নিৰানন্দময় যেন লাগিল। অৱশেষত তাই সাহ সঞ্চয় কৰি তাৰ মুখলৈ চালে।

মানুহটো কিছু ওখ আৰু খীণ। ধুনীয়া বুলি ক'ব পাৰি। তাৰ চৌপাশৰ পৰিবেশটোৰ সৈতে সি যেন সকলো সময়তে এটা নীৰৱ নিৰুচ্চাৰিত দূৰত্ব বজাই ৰাখে। কথা কম কয়।

কনিয়ে ক'লে, "বহা হিলদা।"

সিয়ো ক'লে, "বহক। আপোনাক চাহ দিম নে বিয়েৰ?"

কনিয়ে উত্তৰ দিলে, "বিয়েৰ।"

হিলদায়ো ক'লে, "বিয়েৰেই দিব।"

হিলদাৰ চকু-মুখ আৰু কণ্ঠত লাজৰ আভা। মেলৰ্চে তাইক চকুৰ পচাৰ নেপেলোৱাকৈ চাই থাকিল।

মেলৰ্চে ঘৰৰ একোণত থকা আলমাৰিৰ পৰা বিয়েৰ উলিয়ালে। সেইকণ সময়তে তাৰ মনৰ ভাবৰ পৰিৱৰ্তন ঘটিল।

কনি দুৱাৰৰ ফালে বহিল। হিলদা বহিছিল মেলৰ্চ বহা চকীখনত। কনিয়ে হিলদাক ক'লে, "এইখন মেলৰ্চৰ চকী।"

হিলদা জাঁপ মাৰি উঠিল। যেন জুইৰ ওপৰতহে বহি পৰিছিল।

মেলৰ্চে লৰালৰিকৈ ক'লে, "নাই, নাই। বহক। ভালকৈ বহক।"

এগিলাচ বিয়েৰ হিলদাৰ হাতত তুলি দি মেলৰ্চে ক'লে, "চিগাৰেট নাই। কাৰণ মই চিগাৰেট নাখাওঁ। আপোনালোকৰ ওচৰত আছে ছাগৈ।"

তাৰপিছত কনিলৈ চাই সুধিলে, "তুমি কি খাবা?"

সি এনেকৈ কথাবোৰ কৈছিল যেন সি কোনো হোটেলৰ মালিকহে।

কনিয়ে তাক সুধিলে, "তাত কি আছে?"

"সিজোৱা গাহৰিৰ মাংস, চিজ, আৰু বাদামৰ আচাৰ। তাৰে হ'বনে?"

"হ'ব। হ'ব নহয় হিলদা?"

হিলদাই মেলৰ্চক সুধিলে, "তুমি য়ৰ্কচায়াৰৰ ভাষা কিয় কোৱা?"

ক্ষীণ অস্পষ্ট হাঁহিৰে সি ক'লে, "এইটো য়ৰ্কচায়াৰৰ নহয়, ডাৰ্বিৰ ভাষা।"

"ডাৰ্বিৰ ভাষানো কিয় কৈছা? সহজ ইংৰাজী ক'ব নোৱৰা নেকি?"

"নিজে নিজেই এই ভাষা মোৰ মুখৰ পৰা ওলাই যায়। আপোনালোকৰ অসুবিধা নহ'লে এই ভাষাতেই কথা কম।"

"কথাবোৰ কৃত্ৰিম যেন লাগে।"

"হ'ব পাৰে। আপোনালোকেও তেভাৰচালত কথা ক'লে আপোনালোকৰ কথাও কৃত্ৰিম যেন লাগিব।"

মেলৰ্চে হিলদালৈ চালে। মাজতে ইচ্ছা কৰিয়ে এটা কৃত্ৰিম ব্যৱধান বজাই ৰাখিলে। ইয়াৰ পাছতে খোৱা বস্তু আনিবলৈ গ'ল মেলৰ্চ। দুয়ো বায়েক-ভনীয়েক টেবুলৰ দুয়োকাষে বহিল। আৰু এখন প্লেট-চামুচ লৈ আহি সি ক'লে, "আপোনালোকে যদি বেয়া নাপায় তেন্তে মই কোটটো খুলি ৰাখোঁ।"

সি কোটটো খুলি ওলোমাই থ'লে আৰু মাখনৰঙী ফ্লানেলৰ চাৰ্ট এটা পিন্ধি টেবুলৰ কাষত বহিল।

"মোৰ কাৰণে বৈ থাকিব নালাগে। আপোনালোকে আৰম্ভ কৰক।" সি ৰুটীটো কাটি দি স্থিৰ হৈ বহি পৰিল। কনিৰ দৰেই হিলদায়ো অনুভৱ কৰিলে তাৰ নীৰৱ ব্যক্তিত্বৰ অপৰিহাৰ্য শক্তি। টেবুলৰ ওপৰত থোৱা তাৰ হাত দুখনলৈ চাই তাই ভাবিলে, ই সাধাৰণ শ্ৰমিক নহয়, শ্ৰমিকৰ ভাও ধৰিছেহে আছে। তাই অকণমান মাখন লৈ তাক উদ্দেশ্যি ক'লে, "তুমি স্বাভাৱিক ইংৰাজী ভাষা কোৱাই ভাল হ'ব। মানে তোমাৰ আঞ্চলিক ভাষাতকৈ।"

মেলৰ্চে হিলদালৈ চাই তাইৰ মনৰ মাজত পাক লোৱা চয়তানী বুদ্ধিৰ উমান পালে। তাৰপিছত সি ক'লে, "আপুনি স্বাভাৱিক মানে কি বুজাইছে? আপুনি যদি আপোনাৰ ভনীয়েক ঘূৰি অহাৰ আগতেই মোক নৰকলৈ পঠোৱাৰ কথা কয় আৰু তাৰ উত্তৰত মই কিবা এষাৰ টানকৈ কওঁ, সেইটো স্বাভাৱিক কথা হ'বনে?"

"মাৰ্জিত, ভদ্ৰ আচৰণেই স্বাভাৱিক।"

"আপুনি দ্বিতীয় সত্তাৰ কথা কৈছে?" তাৰ পিছত অকণমান হাঁহি মাৰি ক'লে, "নাই, মই ভদ্ৰ আচৰণ কৰিব নোৱাৰো।"

ইয়াৰ উত্তৰ হিলদাই দিব নোৱাৰিলে। তাই বিবুধিত পৰিল। লগতে খঙো উঠিল। সি অন্ততঃ বুজিব লাগিছিল যে এই কথাৰে হিলদাই তাক সন্মান দান কৰিছে। কিন্তু অভিনেতাৰ দৰে সি এনে এটা প্ৰভুত্বমূলক ভাব দেখুৱালে যেন সিহে হিলদাক সন্মান প্ৰদান কৰিলে। কি যে বিবেচনাবিহীন কাম! কনি সঁচায়ে কু-পথে গৈছে। এই মানুহটোৰ পাল্লাত পৰিছে। তিনিও নীৰৱে খাবলৈ ধৰিলে। খোৱা টেবুলখন কেনেকৈনো সজাইছে তাকে লক্ষ্য কৰিলে হিলদাই। তাই ভালকৈ গম পালে তাইতকৈয়ো এইবোৰ দিশত সি

বেছি সূক্ষ্ম আৰু মাৰ্জিত ৰুচিসম্পন্ন। হিলদাৰ আছে স্কটজাতিসুলভ এটা বেলেগ ভাব আৰু তাৰ ইংৰাজ জাতিসুলভ এটা আত্ম-প্ৰত্যয় আৰু আত্ম-প্ৰসাদৰ ভাব। তাক নিজৰ মতৰ পৰা আঁতৰাই অনা বৰ টান কাম।

আকৌ মেলৰ্চৰ বাবেও হিলদাক স্বমতে অনা কঠিন কাম।

হিলদাই কিছু শান্ত আৰু নৰম সুৰেৰে তাক সুধিলে, "বিপদৰ মুখলৈ এনেদৰে আগবঢ়াটো ঠিক হৈছে বুলি তুমি ভাবানে?"

"কিহৰ বিপদ?"

"মোৰ ভনীৰ সৈতে সম্পৰ্ক গঢ়ি তোলাৰ কথা কৈছো।"

মেলৰ্চে কনিৰ ফালে চাই ক'লে, "এই সম্পৰ্ক মই জোৰ কৰি গঢ়ি তোলা নাই।"

কনিয়ে হিলদালৈ চাই ক'লে, "তুমি কাজিয়া নকৰিবা হিলদা।"

"মই কাজিয়া কৰিব বিচৰা নাই। কিন্তু এইবোৰ ল'ৰা-ধেমালি নহয়। এটা স্থায়ী সম্বন্ধৰ কথা ভবা উচিত।"

মেলৰ্চে ক'লে, "স্থায়ী অবিচ্ছিন্ন সম্বন্ধৰ কথা কৈছে? ময়ো তেনেহ'লে কওঁ, আপুনি নিজে স্থায়ী প্ৰেমৰ সম্পৰ্ক স্থাপন কৰিব পাৰিছে? মইতো শুনিছো, আপুনি বিবাহ-বিচ্ছেদৰ পথত আগবাঢ়িছে। আপোনাৰ মাজত আছে অনমনীয় মনোভাব আৰু মিছা জেদৰ অবিচ্ছিন্নতা। আপুনি অতি সোনকালেই ক্লান্ত আৰু বিৰক্ত হৈ পৰিব। আপোনাৰ ইচ্ছাশক্তিৰ উগ্ৰতাৰ ওচৰত আপুনি নিজেই অতীষ্ঠ হৈ পৰিব। ভগৱানক ধন্যবাদ যে আমাৰ মনত এনেকুৱা ভাব গঢ়ি উঠা নাই।

"মোৰ সৈতে এনেকৈ কথা পতাৰ কি অধিকাৰ আছে তোমাৰ?"

"অধিকাৰ? তেনেহ'লে আপোনাৰ চিন্তা-ধাৰাৰ সৈতে আমাক জড়িত কৰাৰ আপোনাৰ কি অধিকাৰ আছে?"

"কাৰণ মোৰ তোমাৰ সৈতে এটা সম্পৰ্ক আছে।"

"সম্পৰ্ক আছে। কাৰণ আপুনি মোৰ পত্নীৰ বায়েক।"

"সেই সম্পৰ্কলৈ এতিয়াও বহুত দূৰ।"

"ময়ো কৈছো, সেই সম্পৰ্ক এতিয়া দূৰৈত নাই। আৰু আপোনাৰ তথাকথিত স্থায়ী সম্পৰ্কটোতকৈ এই সম্পৰ্ক বেছি দৃঢ়, মজবুত। আপোনাৰ ভনীয়ে মোৰ সৈতে বিছনাত যিমানবাৰ শুইছে সিমানবাৰ আপোনাৰ স্থায়ী সম্পৰ্ক থকাজনৰ সৈতেও আপুনি শোৱা নাই। আপোনাৰ ভনীৰ দৰে ছোৱালী এজনীয়ে এজন পুৰুষক যিমান আনন্দ দিব পাৰে সিমান আনন্দ আপোনাৰ দৰে মানুহ এজনীৰ পৰা পুৰুষ এজনে নাপায়। এইটো বৰ দুখৰ কথা। আপুনি অলপ চেষ্টা কৰিলেই ভাল হ'ব পাৰিলেহেঁতেন। ইচ্ছা কৰিলেই আপুনি এটা ধুনীয়া কেঁকোৰাৰ পৰিবৰ্তে এটা ভাল আপেল হ'ব পাৰে। আপোনাৰ দৰে মহিলাৰ উপযুক্ত শিক্ষাৰ প্ৰয়োজন। মেলৰ্চে বাৰে বাৰে হিলদালৈ

চাইছিল। তাৰ মুখৰ ক্ষীণ হাঁহিটোৰ মাজত তাইৰ প্ৰতি এটা আসক্তিৰ ভাব প্ৰকট হৈ পৰিছিল। হিলদায়ো তাক ক'লে, "আৰু তোমাৰ নিচিনা সকলো সময়তে কামনা-বাসনা জাহিৰ কৰি ফুৰা মানুহকো উপযুক্ত শিক্ষাৰ প্ৰয়োজন।"

"শুনক মেডাম, সকলো মানুহ সমান নহয়। আপুনি যিহৰ কাৰণে যোগ্য তাকেই আপুনি পাইছে। আপুনি নিঃসংগ জীৱন-যাপনৰেই যোগ্য।"

হিলদা যাবলৈ উঠিল। কোটটো হাতত লৈ তাই ক'লে, "মই ৰাস্তা চিনি পাম।"

"নাই, আপুনি নোৱাৰিব।"

তিনিও সৰ্কীৰ্ণ পথেৰে নীৰৱে, নিঃশব্দে যাবলৈ ধৰিলে। তাই গাড়ীৰ কাষ পায়ে লগে লগে গাড়ীত উঠি ইঞ্জিন ষ্টাৰ্ট দিলে। গছৰ ওপৰত অন্ধকাৰৰ মাজৰ পৰা ফেঁচাই কুৰুলিয়াইছিল। মেলৰ্চ আৰু কনি থিয় দি ৰ'ল।

কনিয়ে মেলৰ্চক ক'লে, "কি দৰকাৰ আছিল তোমালোক এনেদৰে তৰ্কাতৰ্কি কৰাৰ?"

মেলৰ্চে উত্তৰ দিলে, "এজনৰ মাংস আন এজনৰ বাবে বিহ হ'ব পাৰে।"

হিলদাই গাড়ীৰ লাইট জ্বলাই ক'লে, "ৰাতিপুৱা মই যাতে বহুত দেৰি ইয়াত বৈ থাকিব নালাগে।"

কনিয়ে ক'লে, "নাই, নাই। নালাগে। শুভৰাত্ৰি।"

গাড়ীখন সশব্দে গুচি যোৱাৰ পাছত আকৌ আগৰ দৰেই স্তব্ধ হৈ পৰিল নৈশ বনভূমি। তাই ভয়ে ভয়ে মেলৰ্চৰ হাতত ধৰি যাবলৈ ধৰিলে। হঠাতে তাই তাক ক'লে, "মোক চুমা খোৱানা।"

সি ক'লে, "ৰ'বা, গলিটো পাৰ হৈ লওঁ।"

মেলৰ্চৰ হাতত ধৰি ধৰি সমানে সমানে খোজকাঢ়ি তাই বৰ আনন্দিত হ'ল। সি নিশ্চুপ। তাই ভাবিলে, তাইৰ বায়েকে তাইক মেলৰ্চৰ কাষৰ পৰা আঁতৰাই নিব নোৱাৰে। তাৰ সৈতে আজি ৰাতি একেলগে থাকিব পাৰিব সেই আনন্দই তাইক অধীৰ কৰি তুলিছিল।

ঘৰত ভৰি থৈয়ে তাই আনন্দত জঁপিয়াই উঠিল। এই ঘৰ তাইৰ, সম্পূৰ্ণৰূপে তাইৰ নিজৰ।

"তুমি হিলদাৰ প্ৰতি কিয় ইমান নিষ্ঠুৰ হৈ পৰিছিলা?"

"তাইক এপাট চৰ মাৰিব লাগিছিল।"

"কিয়? তাইতো বৰ ভাল ছোৱালী।"

মেলৰ্চে উত্তৰ নিদিলে। নীৰৱে তাৰ কাম কৰি গ'ল। তাক বৰ খঙত থকা যেন লাগিছিল। কনিৰ ওপৰত কিন্তু তাৰ খং উঠা নাছিল। কনিয়ে সেইটো বুজিলে। তাৰ খঙাল মুখখন বৰ ধুনীয়া লাগিছিল। তাক বৰ আত্মস্থ আৰু উজ্জ্বল দেখাইছিল।

মেলৰ্চৰ এই উজ্জ্বল আৰু স্তব্ধ নিবিড় আত্মস্থতা চাই চাই তাইৰ দেহৰ প্ৰতিটো অংগ-প্ৰত্যংগ যেন গলিবলৈ ধৰিলে।

সি যেন তাইক দেখিয়ো দেখা নাছিল। বহি বহি সি জোতাৰ ফিতা খুলিবলৈ ধৰিলে। তাৰপিছত চেলাউৰী কোঁচাই তাইলৈ চালে। তাত আছিল তেতিয়াও খঙৰ আৱেগ।

সি ক'লে, "ব'লা বিছনালৈ।"

সেই ৰাতিৰ নিচিনা ইন্দ্ৰিয়াবেগৰ ইমান উত্তাপ কনিয়ে আগতে কেতিয়াও পোৱা নাছিল। এক প্ৰচণ্ড যৌন তৎপৰতাৰে কনিৰ শান্ত স্তব্ধ শৰীৰটোৰ ওপৰত মেলৰ্চে আধিপত্য চলাই গৈছিল।

ইয়াৰ আগতে কনিয়ে এবেলাৰ্ডৰ কথাষাৰ বুজি পোৱা নাছিল। তেওঁ কৈছিল, হেলইচৰ সৈতে তেওঁৰ প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠাৰ এবছৰৰ ভিতৰতে প্ৰেমৰ সকলো স্তৰ এটা এটাকৈ অতিক্ৰম কৰি গৈছিল। সেই প্ৰেমাবেগেই বিচিত্ৰৰূপে হাজাৰ হাজাৰ বছৰ ধৰি অসংখ্য নৰ-নাৰীৰ জৰিয়তে আত্ম-প্ৰকাশ কৰি আহিছে। ইন্দ্ৰিয়াবেগৰ আতিশায্য আৰু অগ্নিৰে এই প্ৰেমৰ সম্পৰ্কক মাৰ্জিত কৰাৰ প্ৰয়োজন সকলো যুগতেই দেখা দিয়ে।

আজিৰ এই বসন্ত ৰাতিত কনিয়ে বহুত কথাই শিকিলে। তাই আগতে ভাবিছিল ছোৱালীবোৰে লাজতে মৰি যাব পাৰে। কিন্তু লাজত মৰি যোৱা দূৰৈৰ কথা, আজি লাজেহে লাজত মৰি গৈছে।

কবি, সাহিত্যিক, চিন্তাবিদসকল কিমান যে মিছলীয়া! তেওঁলোকে মিছাকৈয়ে প্ৰচাৰ কৰে যে মানুহৰ মনেই সকলো। অথচ মানুহে নিবিড়ভাৱে, একান্তভাৱে কামনা কৰে দুৰ্বাৰ ইন্দ্ৰিয়াবেগ। তাই মনে-প্ৰাণে বিচাৰিছিল এনে এজন পুৰুষ যি তাইৰ মনৰ পৰা সকলো লাজ-ভয় আঁতৰাই কোনো পাপ-পুণ্যৰ বিচাৰ নকৰি সাহসেৰে সংগদান কৰিব পাৰে। ক্লিফোৰ্ড, মাইকেলিচহঁত আছিল ভীৰু প্ৰকৃতিৰ পুৰুষ, যিয়ে কেৱল মানসিক উন্নতি আৰু পৰম আনন্দৰ কথা কৈ ফুৰে। কিন্তু এজনী সুস্থ-সবল নাৰীৰ বাবে পৰমানন্দৰ কি মূল্য আছে?

কনিয়ে মনতে ভাবিলে, হে ভগবান, পুৰুষবোৰ কি যে অদ্ভুত জীৱ! সংগমকালত ইহঁতে কেনেকৈ যে কুকুৰৰ দৰে শুঙি শুঙি ধীৰ গতিৰে আগবাঢ়ে! এনেকুৱা পুৰুষ কমেই আছে যি ভীত বা লজ্জিত নহয়। মেলৰ্চলৈ ভালকৈ চাই তাই দেখিলে সি এটা পশুৰ দ'ৰে শুই পৰিছে। তাই তাৰ ওচৰ চাপি গ'ল।

মেলৰ্চৰ টোপনি নভঙালৈকে কনি শুয়ে থাকিল। তাইৰ মদালসা, ৰতিক্লান্ত, অৰ্ধতন্দ্ৰাভিভূত আৰু ভাৰী ভাৰী দেহাটোৰে শুই থাকি বৰ ভাল লাগিছিল।

কনিয়ে সুধিলে, "উঠাৰ সময় হৈছে নেকি?"

"এতিয়া চাৰে ছয় বাজিছে।"

তাই গলিৰ মুখত আঠ বজাত বৈ থকাৰ কথা। সকলো সময়তে কামৰ চিন্তা একোটা থাকেই। কোনেও অবাধ অবিচ্ছিন্ন ৰাতিসুখৰ নীৰৱ-নিশ্চিন্ত অৱকাশ নাপায়।

মেলৰ্চে ক'লে, "মই তেনেহ'লে ব্ৰেকফাষ্ট সাজু কৰোঁ। কৰোঁনে?"

"কৰা।"

তাই তাক পৰ্দাখন কোঁচাই দিবলৈ ক'লে। সি কাপোৰ পিন্ধিবলৈ লৈছিল। তাই বাহিৰৰ উজ্জ্বল সেউজী ধৰালৈ চাই ভাবিছিল, এই সাহচৰ্যই হ'ল প্ৰকৃত সুখী জীৱন।

বাহিৰত স্নিগ্ধ বতাহ বলিছিল। চৰাইবোৰ গছৰ ওপৰত উৰি ফুৰিছিল। পুৱাৰ আনন্দত ফ্লচিয়ে দৌৰাদৰি কৰিছিল। তাই শুনি থাকিল মেলৰ্চে জুই ধৰাৰ শব্দ, পানীৰ পাম্প খোলাৰ শব্দ। ব্ৰেকফাষ্ট সাজু কৰি সি তাইৰ ওচৰলৈ লৈ আহিলে। চাহ খাই খাই তাই ক'লে একেলগে খাই ইমান যে ভাল লাগিছে।

মেলৰ্চে মাত্ৰ তাইৰ যোৱাৰ সময়ৰ কথা ভাবি থাকিল। দ্ৰুতবেগে সময় আগুৱাইছে। অলপ পাছতে তাই যাব লাগিব।

কনিয়ে আকৌ ক'লে, "মই যদি তোমাৰ সৈতে সদায়ে এনেদৰে থাকিলোহেঁতেন আৰু ৰাগবি যদি লক্ষ লক্ষ মাইল দূৰৈত হ'লহেঁতেন। ...তুমি তেনেহ'লে মোৰ সৈতে একেলগে থকাৰ প্ৰতিশ্ৰুতি দিছা। তুমি আৰু মই একেলগে।"

"সম্ভৱ হ'লে নিশ্চয় থাকিম।"

কনিয়ে মেলৰ্চৰ গাত হেলান দি কৈ উঠিল, "নিশ্চয় থাকিম।"

"আৰু পঁচিশ মিনিটৰ পাছতে তুমি যাব লাগিব।"

"মই যাব লাগিব?"

হঠাতে নিশ্চুপ হৈ পৰিল মেলৰ্চ। বাহিৰত ফ্লচিয়ে ভুকিছিল। কোনোবা অহাৰ সংকেত দিছিল।

পিয়ন আহিছে। এখন ৰেজিষ্ট্ৰি চিঠি আছে। তাৰ সহকৰ্মী এজনে কানাডাৰ পৰা পঠিয়াইছে। বৃটিছ কলম্বিয়াৰ কিছুমান ঠাইৰ ফটো আৰু সেই সম্বন্ধে লিখা কাগজ-পত্ৰ পঠাইছে।

ৰেজিষ্টাৰ কৰি দিয়াৰ বাবে মেলৰ্চ অলপ বিৰক্ত হ'ল। তাই সুধিলে, "ইমান ৰাতিপুৱাই পিয়নে চিঠি দিলে যে!"

"চিঠি-পত্ৰ থাকিলে পুৱা সাত বজাৰ ভিতৰতে দি যায়।"

"তুমি তালৈ যাব খোজা নেকি?"

"যাব পাৰিলেতো ভালেই।"

"ময়ো সেইবুলিয়ে ভাবো। বৰ ভাল ঠাই।"

হঠাতে পিয়নজন ওলোৱাত আমনি পালে মেলৰ্চে। তাৰ সকলো উদ্যম নোহোৱা হৈছিল। সি তাইক ক'লে, "তুমি সাজু হোৱা। যাবৰ সময় হৈছে।"

সিহঁত ঘৰৰ পৰা ওলাল। এইবাৰ অন্য এটা পথেৰে। বিষণ্ণ মনেৰে মেলৰ্চে ক'লে, "এই স্মৃতিকে লৈ সময় কটাব লাগিব।"

"আমি কিন্তু একেলগে থাকিমেই।"

"সময় হ'লে থাকিম। কিন্তু এতিয়াতো তুমি ভেনিচত গৈ থাকিবা।"

মেলৰ্চে সোঁফালে আঙুলি টোঁৱাই ক'লে, "সেইফালেই গাড়ী আহিব।"

তাই তাৰ ডিঙিত ধৰি ফুচফুচাই ক'লে, "তুমি মোৰ প্ৰতি তোমাৰ ভালপোৱা সদায়ে সাঁচি থ'বা। যোৱাৰাতি মোৰ বৰ ভাল লাগিছিল। তুমি মনত ৰাখিবাতো?"

মেলৰ্চে তাইক নীৰৱে বুকুৰ মাজত সুমুৱাই চুমা খালে। গাড়ীখন আহিছে নেকি সি এবাৰ চাই আহিলগৈ। তাক বৰ বিব্ৰত যেন লাগিছিল।

দুয়ো কাণ পাতি গাড়ীৰ শব্দ শুনিলে। দলঙৰ ওচৰ চপাৰ লগে লগে গাড়ীখনৰ গতি কম হোৱা যেন লাগিল। মেলৰ্চে তাইক চুমা খাই ক'লে, "তুমি যোৱা, মই আৰু আগবাঢ়ি নাযাওঁ।"

হিলদাই গাড়ীৰ পৰা নামি এজোপা গছৰ তলত কনিক বৈ থকা দেখি সুধিলে, তাত কিয় বৈ আছা? সি ক'ত?"

"সি নাহে আৰু।"

চকুত চকুপানী লৈয়ে কনি গাড়ীত বহিল। হিলদাই তাইক ক'লা চশমাযোৰ আৰু মূৰৰ কাপোৰখন দি ক'লে, "পিন্ধি লোৱা।"

হিলদাই গাড়ী চলালে। কনিয়ে পিছলৈ ঘূৰি চাই মেলৰ্চৰ ছাঁটোকে তাইৰ এনে লাগিল, সিহঁতৰ মিলন নিবিড় হৈ উঠো নুঠোতেই অকস্মাৎ আৰু অপ্ৰত্যাশিতভাৱেই বিচ্ছেদৰ কৃষ্ণ যৱনিকা পৰিল।

ক্ৰছহিল গাঁওখন পাৰ হৈয়ে হিলদাই ক'লে, ভগৱানক ধন্যবাদ যে তুমি অলপদিনৰ কাৰণে হ'লেও সেই মানুহটোৰ পৰা আঁতৰি থাকিবা।

সপ্তদশ অধ্যায়

লণ্ডন পোৱাৰ আগে আগেই এখন ঠাইত দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰি উঠি হিলদাক কনিয়ে ক'লে, "বুজিছা হিলদা, প্ৰকৃত প্ৰেম আৰু প্ৰকৃত যৌন আৱেগ কাক বোলে সেইটো তুমি কেতিয়াও বুজি নাপাবা। এজন মানুহৰ পৰাই দুয়োটা বস্তুকে পোৱাটো সঁচাকৈয়ে বৰ ভাগ্যৰ কথা।"

হিলদাই অসহিষ্ণু হৈ কৈ উঠিল, "দয়া কৰি তোমাৰ অভিজ্ঞতাৰ কথা ক'বলৈ বন্ধ কৰা। হয়, মই এতিয়ালৈকে এনেকুৱা এজন মানুহ পোৱা নাই, যিয়ে নিজকে সম্পূৰ্ণৰূপে বিলাই দি অন্তৰংগ হৈ উঠিব পাৰে। নাই পোৱা মই তেনেকুৱা মানুহ। নালাগে সিহঁতৰ আত্মপ্ৰসাদধন্য মনে গঢ়া ভালপোৱা বা ইন্দ্ৰিয়াৱেগ। সিহঁতৰ পোহনীয়া মেকুৰী হৈ নাইবা প্ৰেমৰ দাসী হৈ মই থাকিব নিবিচাৰো। মই বিচাৰিছিলো পৰিপূৰ্ণ অন্তৰংগতা। সেয়া মই নাপালো, নাই। মোৰ কাৰণে সেয়াই যথেষ্ট।"

কনিয়ে কথাটো ভাবিলে, পৰিপূৰ্ণ অন্তৰংগতা। ঐকান্তিক আত্ম-মিলন। তাই ভাবিবলৈ ধৰিলে, আচলতে নৰ-নাৰীৰ প্ৰেমৰ ক্ষেত্ৰত যিটো বস্তুৰ দৰকাৰ সেইটো হ'ল পৰস্পৰৰ অকুণ্ঠ আত্ম-উদ্‌ঘাটন। তাৰ জৰিয়তে আত্ম-সমৰ্পণ। অৰ্থাৎ প্ৰেম মানেই পাৰস্পৰিক আত্ম-চেতনাৰ বিনিময়। তাৰমানে ই এটা ৰোগ।

কনিয়ে বায়েকক ক'লে, "তোমাৰ এটা দোষ হ'ল, যিকোনো মানুহৰ লগত মিলিবলৈ যাওঁতে তুমি নিজৰ সম্বন্ধে অতিমাত্ৰা সচেতন হৈ পৰা।"

তাইৰ উত্তৰ, "মই কেতিয়াও ক্ৰীতদাসী হোৱা নাই। নিজকে বিক্ৰী কৰা নাই।

"কিন্তু মই ভাবো, তুমি হৈছা। তুমি তোমাৰ উগ্ৰ আত্ম-সচেতনতাৰ বা আত্ম-স্বাধীনতাৰ ক্ৰীতদাসী হৈ পৰিছা।"

কনিৰ এই ঔদ্ধত্যপূৰ্ণ কথাৰ কোনো উত্তৰ নিদি হিলদাই নীৰৱে গাড়ী চলালে। খন্তেক সময়ৰ পাছত খঙেৰে তাই ক'লে, সেইটো হৈছো বা নহৈছো নে নাই ক'ব নোৱাৰো কিন্তু আনৰ চিন্তাৰ দাসী হোৱা নাই, গৃহস্থৰো ভৃত্য হোৱা নাই।"

"আচল কথাটো সেইটো নহয়।" শান্ত কোমল মাতেৰে কনিয়ে ক'লে।

কনিয়ে সদায়ে হিলদাৰ মতে চলি আহিছে। তাইৰ কথা শুনি আহিছে। আজি কিন্তু অন্তৰত আঘাত পালেও, মনে কান্দি উঠিলেও তাই হিলদাৰ আধিপত্যৰ পৰা মুক্ত। সকলো নাৰীয়ে বৰ ভয়ংকৰ। ভয়ংকৰভাৱে আত্ম-পৰতান্ত্ৰিক।

দেউতাকৰ ওচৰ পাই কনি বৰ সুখী হ'ল। সৰুৰে পৰাই তাই দেউতাকৰ প্ৰিয়

আছিল। কনি আৰু হিলদাই পল মলৰ এখন হোটেলত থাকিল আৰু দেউতাক ছাৰ মেলকম থাকিল তেওঁৰ ক্লাবত। সন্ধ্যা তিনিও ফুৰিবলৈ ওলায়। সিহঁতে দেউতাকৰ সৈতে ফুৰি খুব ভাল পায়।

বয়স বাঢ়ি আহিলেও ছাৰ মেলকম দেখাত ভালেই হৈ আছে। তেওঁৰ শৰীৰৰ গঠন শক্তিশালী আছিল। চাৰিওফালৰ সমাজ, সংসাৰ আধুনিকতাৰ ঢৌত উটি-ভাহি যোৱাৰ বাবে তেওঁ অলপ বিব্ৰত অনুভৱ কৰে। প্ৰথম পত্নীৰ মৃত্যুৰ পাছত তেওঁ স্কটলেণ্ডত দ্বিতীয় বিবাহ কৰায়। তেওঁৰ দ্বিতীয় পত্নী কম বয়সীয়া আৰু বেচ ধনী। তেওঁ কিন্তু দীঘলীয়া বন্ধৰ দিনবোৰত অকলেই ফুৰিবলৈ ওলায়।

সেইদিনা তেওঁলোক অপেৰা চাবলৈ যাওঁতে কনি তেওঁৰ কাষতে বহিল। ছাৰ মেলকম শকত-আৱত আৰু মজবুত চেহেৰাৰ মানুহ। তেওঁৰ ভৰি দুখন আৰু উৰু বৰ মজবুত। শৰীৰৰ এই অংগক দেখিয়ে বুজা যায় তেওঁ জীৱনত ভোগ কৰিছে। কনিৰ ভাব হ'ল, তাইৰ দেউতাকৰ সমগ্ৰ জীৱনৰ অপ্ৰতিহত প্ৰমোদাভিলাষ আৰু উগ্ৰ স্বাধীন মনোভাৱৰ সমস্ত অলিখিত ইতিহাস মূৰ্ত হৈ আছে এই উৰু আৰু ভৰিৰ গঠনৰ মাজতেই। তাইৰ দেউতাক এজন সু-পুৰুষ। তেওঁ বুঢ়া হৈ আহিছে, তাইৰ ভাবিলেই দুখ লাগে। কিন্তু তাই এইটোও বুজিছে, তাইৰ দেউতাকৰ এই উৰু আৰু ভৰিত প্ৰেমৰ চিহ্ন নাই। যি ভালপোৱা মানুহৰ যৌন-জীৱনৰ সৰ্বশ্ৰেষ্ঠ অৱদান, যি প্ৰেমৰ শক্তি এটা মধুৰ স্মৃতিৰে জীয়াই থাকে সমগ্ৰ জীৱন, সেই প্ৰেমৰ শক্তি ছাৰ মেলকমৰ জীৱনত কোনোদিনে জাগি উঠা নাছিল।

আজি হঠাতে তাই মানুহৰ মুখতকৈয়ো ভৰিৰ গুৰুত্বৰ প্ৰতি সচেতন হৈ উঠিল। আজি মুখৰ সৌন্দৰ্যৰ কোনো দাম নাই তাইৰ ওচৰত। সেই সৌন্দৰ্য অসত্য আৰু ক্ষণস্থায়ী। বিভিন্ন ঠাইত তাই যিমান মানুহ দেখিছে তাৰে বহুতৰে ভৰি আৰু উৰু সৱল, সু-গঠিত আৰু বহুতৰে কাঠি এডালৰ দৰে সৰু। কিন্তু তাইৰ দেউতাকৰ দৰে বলিষ্ঠতা নাই। আচলতে সেইসকল সাধাৰণ মানুহ। যেন প্ৰাণহীন, অস্তিত্বহীন।

কিন্তু কনিয়ে মনতে ভাবে নাৰীৰ ভৰি দেখাত যেনেকুৱাই নহওক কিয়, পুৰুষৰ দৰে প্ৰাণহীন বা অস্তিত্বহীন নেদেখি।

তাইৰ লণ্ডন'লৈ আহি অকণো ভাল নালাগিল। এতিয়াৰ মানুহবোৰক দেখি ভূতৰ নিচিনা লাগে। সিহঁতৰ দৃষ্টি শূন্যতাৰে ভৰা। কোনো প্ৰাণচঞ্চলতা নাই। বাহিৰত তেওঁলোক বৰ ব্যস্ত আৰু সু-দৰ্শন যদিও তেওঁলোকৰ মনবোৰ জীৱন্ত সুখেৰে ভৰপূৰ নহয়। সৃষ্টিশীল আশাৰ অভাৱত মনবোৰ বন্ধা। তাই কিন্তু অনবৰতে এক নাৰীসুলভ অন্ধ সুখৰ আকাংক্ষাত চঞ্চল হৈ আছে। এক বিৰামহীন সুখৰ অবিচ্ছিন্ন আশ্বাসত তাই সদায়ে আশ্বস্ত হৈ থাকিব বিচাৰে।

তাই পেৰিচলৈ আহি তাৰ মানুহবোৰৰ মাজত অলপ ইন্দ্ৰিয়াবেগ দেখিবলৈ

পালে। কিন্তু তাৰ মাজতো নাছিল প্ৰেমৰ শক্তি। যাৰবাবে বৰ ক্লান্ত দেখা গৈছিল মানুহবোৰক। কনিৰ এনে লাগিল পেৰিচ যেন এখন বিষণ্ণ নগৰী। ইয়াৰ উপৰিও সমগ্ৰ চহৰখন যান্ত্ৰিকতা আৰু কৃত্ৰিমতাৰে ভৰি পৰিছে। চহৰীয়া মানুহবোৰৰ আবেগ-অনুভূতিৰ মাজতো কৃত্ৰিমতা সোমাই পৰিছে। তাৰ লগতে আকৌ ক্লান্তি। টকাৰ পিছত দৌৰোতে দৌৰোতে সিহঁত সকলোৰে ক্লান্ত। ভাগৰতে যেন মৃতপ্ৰায়। আকৌ ক্লান্তিৰ লগে লগে আছে ক্ৰোধ আৰু অহংকাৰ। কিন্তু এওঁলোকে আমেৰিকা বা লণ্ডনবাসীৰ দৰে এইবোৰত আৱৰণ দি ঢাকি ৰাখিব পৰা নাই। ওপৰে ওপৰে চালে তেওঁলোকক প্ৰস্ফুটিত ফুলৰ দৰেই সজীৱ যেন লাগে; কিন্তু আচলতে ভীষণভাৱে ক্লান্ত। সিহঁতৰ মাজত ভালপোৱাৰ আদান-প্ৰদান নাই। প্ৰেমৰ অভাৱত সিহঁতৰ মনপ্ৰাণ দিনে দিনে নিৰস হৈ পৰিছে। ক্লান্তি আৰু কৃত্ৰিমতাৰ ভৰত জীৰ্ণ হৈ পৰিছে। অকল সিহঁতেই নহয়, গোটেই জগত জীৰ্ণ হৈ পৰিছে। ধ্বংসাত্মক হৈ উঠিছে। ই যেন এক ধৰণৰ অৰাজকতা। ক্লিফোৰ্ড আৰু তেওঁৰ ৰক্ষণশীলতাৰ অৰাজকতা। এই অৰাজকতা বোধহয় স্থায়ী হ'ব। হয়তো ক্ৰমান্বয়ে ই পৰিণত হ'ব ব্যাপক নৈৰাশ্যবাদত।

এই জীৰ্ণ, ক্লান্ত জগতখনৰ কথা ভাবিলেই তাই শংকিত হৈ পৰে। তাৰ মাজতো কিছুমান ঠাইলৈ গ'লে বৰ আনন্দ পোৱা যায়। সেইবোৰৰ ভিতৰত বউলভাৰ্ডচ, বয়চ বা লাক্সেমবাৰ্গৰ বাগিচালৈ গৈ আনন্দ পায় কনিয়ে। কিন্তু আমেৰিকান আৰু ইংৰাজৰ ভিৰত ভৰি পৰিছে পেৰিচ চহৰ। অদ্ভুত কাপোৰ-কানি পিন্ধি আমেৰিকানবোৰ ঘূৰি ফুৰে, তাৰ মাজতে দুই-এজন বেৰসিক ইংৰাজো থাকে।

এইবাৰ তেওঁলোকৰ আগুৱাই যোৱাৰ সময়। এখনৰ পাছত আন এখন নতুন নতুন ঠাইত থাকি কনিৰ ভালেই লাগিছিল। তেতিয়া গ্ৰীষ্মকাল আৰম্ভ হৈছে। হঠাতে বতৰ গৰম হৈ পৰাত হিলদা পেৰিচৰ পৰা প্ৰথমে চুইজাৰলেণ্ডলৈ আৰু তাৰপৰা ব্ৰেণাৰ আৰু দল'মাইটচ হৈ ভেনিচলৈ যোৱাৰ আঁচনি তৈয়াৰ কৰিলে। এই ভ্ৰমণৰ সকলো দায়িত্ব হিলদাৰ। তাই গাড়ী চলাই গৈয়ে আছে, অতি আনন্দমনেৰে। কনিয়েও নীৰৱে অভিজ্ঞতাৰ আনন্দ উপভোগ কৰিছিল। তায়ো সুখী।

সকলোবোৰ মিলি কথাবোৰ বৰ আনন্দদায়ক আছিল। কিন্তু কনিয়ে নিজকে নিজে কয়, কিয় মই এই আনন্দ উপভোগ কৰিব পৰা নাই? কিয় সেই সুন্দৰ প্ৰাকৃতিক দৃশ্য দেখি পুলকত শিহৰিত হৈ উঠা নাই? ভাবিলেও কেনেকুৱা লাগে! মই যেন সেই চেইণ্ট বাৰনাৰ্ডৰ দৰে, যিয়ে লুচাৰ্ণৰ হ্ৰদত নৌকা ভ্ৰমণ কৰি থাকোঁতেও হ্ৰদৰ সেউজীয়া পানীৰ বা উপকূলৰ পাহাৰলৈ লক্ষ্যই কৰা নাই। আচল কথা হ'ল প্ৰাকৃতিক দৃশ্য মোৰ ভালেই লগা নাই। এইবোৰ চোৱাৰেইনো কি দৰকাৰ? কিয় মই চাম? মই এইবোৰ চাবই নিবিচাৰো।

ফ্ৰান্স, চুইজাৰলেণ্ড বা ইটালী, ক'তোৱেই তাই চাবলগীয়া একো নেদেখিলে।

তাই মাত্র চকুৰে চাই আহিছে। এইবোৰ দেখিলেও বা নেদেখিলেও তাইৰ জীৱনত একো আহে নাযায়। এইবোৰ চাই তাইৰ ভাব হৈছে ৰাগবিতকৈ এইবোৰ ঠাই বেছি প্ৰকৃত বা সত্য নহয়। ৰাগবি যিমানেই ভয়ংকৰ হওক, এইবিলাকতকৈ বহুত বেছি প্ৰকৃত। সঁচা।

যদি মানুহৰ কথাকে অহা যায়, তেন্তে পৃথিৱীৰ সকলো ঠাইৰ মানুহ একেই। খুঁটিয়াই চালে যি পাৰ্থক্য দেখা যায়, সেই পাৰ্থক্য খুব সামান্য পাৰ্থক্য। সিহঁতে মাত্ৰ তোমাৰ পৰা কেনেকৈ পইচা আদায় কৰিব পাৰে সেইটো কাম খুব ভালকৈ জানে। আৰু ভ্ৰমণকাৰী হ'লে পথৰ দুয়োকাষৰ শিলগুটি পিছি তাৰপৰা তেজ শোহা মাৰিবলৈ চেষ্টা কৰিব। তুমি কি আৰু নিষ্প্ৰাণ পাহাৰ বা প্ৰাকৃতিক দৃশ্যৰ পৰা পুলকৰ শিহৰণ ল'বলৈ আপ্ৰাণ চেষ্টা কৰিবা? আচলতে আশ-পাশৰ ঠাইৰ বস্তুৰ মাজত কোনো ধৰণৰ আনন্দ নাই, আচল আনন্দ থাকে মানুহৰ মনৰ মাজত। পথিক বা পৰিব্ৰাজকে নিজৰ মনৰ ভিতৰৰ আনন্দখিনিকে লৈ ইফালে সিফালে তৎপৰতাৰে ঘূৰি ফুৰে। উপভোগ কৰে সংকলিত আনন্দ।

"নাই, মই সেইটো নকৰোঁ, কৰিব নোৱাৰো।" মনে মনে তাই কৈ উঠে। ইয়াতকৈ মই ৰাগবিলৈ উভতি যোৱাই ভাল। তাত কিবাকিবি চাই, কৃত্ৰিম আনন্দৰ যান্ত্ৰিক উত্তেজনাত মূৰ্খৰ দৰে জঁপিয়াব নালাগে। নিজকে নিজে উপভোগ কৰাৰ এই মিছা সমাৰোহ আত্ম-অৱমাননাৰেই নামান্তৰ। ই মানৱ জীৱনৰ চৰম ব্যৰ্থতাৰ অন্তৰ্ভুক্ত।

ৰাগবিলৈ উভতিবলৈ বিচাৰিলে কনিয়ে। উভতিব খুজিলে পংগু ক্লিফোৰ্ডৰ কাষলৈ। ক্লিফোৰ্ড যেনেকুৱাই হওক, এই প্ৰমোদবিলাসী ভ্ৰমণকাৰীবোৰৰ দৰে ইমান নিৰ্বোধ নহয়।

কনিয়ে কিন্তু তাইৰ মনৰ মানুহটোৰ সৈতে সম্পৰ্ক ঠিকেই বজাই ৰাখিছিল। এই সম্পৰ্ক তাই কেতিয়াও কোনো অৱস্থাতে ত্যাগ নকৰে। এই সম্পৰ্কৰ জৰীডাল কিবা প্ৰকাৰে ছিন্ন হৈ গ'লে তাই এই পৃথিৱীত হেৰাই যাব। এই অমিতব্যয়ী, আনন্দ চিকাৰীৰ ভিৰত তাই হেৰাই যাব। আধুনিক জীৱনৰ ইয়ো এটা ৰোগ।

মেচট্ৰেৰ এটা গেৰেজত তেওঁলোকৰ গাড়ীখন থৈ ষ্টীমাৰত উঠি তেওঁলোক ভেনিচলৈ ৰাওনা হ'ল। হ্ৰদৰ পানীত ঢৌ উঠিছিল। গ্ৰীষ্মৰ আবেলিৰ শেষ ৰ'দকণে ঢৌৰ পানীৰ সৈতে খেলিছিল। পানীত ওপঙি থকা ভেনিচ চহৰখনক অস্পষ্ট দেখা গৈছিল।

ষ্টীমাৰৰ পৰা নামি তেওঁলোকে এইবাৰ এখন গণ্ডোলাত উঠিল। গণ্ডোলাখন চলোৱা মানুহটো দেখাত অকণো ভাল নহয়। তাকে তেওঁলোকৰ গন্তব্যস্থানৰ ঠিকনাটো দিলে। "হয়, হয়, ভিলা এচমাৰলাডা, মই জানো। তাৰ এজন মানুহক মই প্ৰায়ে গণ্ডোলাৰে অনা-নিয়া কৰোঁ। কিন্তু ঠাইখন ইয়াৰে পৰা বহুত দূৰৈত।"

চটফটীয়া মানুহটোৱে কেনেলৰ আন্ধাৰ দিশেৰে গণ্ডোলাখন চলাই নিছিল। শেলুৱৈ ধৰা বেৰা আৰু ধোবাই মেলি থোৱা কাপোৰৰ পৰা গোন্ধ ওলাইছিল। হিলদা আৰু কনিয়ে গণ্ডোলাখনৰ সন্মুখত বহিছিল আৰু সিহঁতৰ দেউতাক বহিছিল পিছফালে।

মানুহটোৱে ৰুমালেৰে মুখ মচি মচি সুধিলে, "আপোনালোক তাত বহুত দিন থাকিব নেকি?"

হিলদাই ভঙা ভঙা ইটালীতে আৰু অলপ উৎকণ্ঠিত তীক্ষ্ণ কণ্ঠস্বৰেৰে ক'লে, "বিশ দিন থাকিম। আমি দুয়ো বিবাহিতা মহিলা।"

"বিশ দিন?" অলপ ৰৈ সি আকৌ ক'লে, বিশ দিন যদি থাকে তেনেহ'লে আপোনালোকৰ নিজাকৈ এখন গণ্ডোলা লাগিব। সপ্তাহত দুদিন-তিনিদিন কেনেকৈ লাগে মোক কৈ দিব।"

হিলদা আৰু কনি দুয়ো ভাবিবলৈ ধৰিলে। ইয়াত এখন নিজাকৈ গণ্ডোলা ভাড়াত ৰখা ভাল। যেনেকৈ স্থলপথত এখন গাড়ীৰ প্ৰয়োজন।

হিলদাই সুধিলে, "ভিলাত কি আছে?"

"এখন মটৰলাঞ্চ আৰু এখন গণ্ডোলা আছে। কিন্তু— এই 'কিন্তু'ৰ মানে হ'ল সেইকেইখন পোৱা নাযাব।

"তোমাৰ ভাড়া কিমান?"

"দিনে ত্ৰিশ চিলিং নহ'লে সপ্তাহত দহ পাউণ্ড।"

"এয়া তোমাৰ নিৰ্ধাৰিত নিৰিখ নেকি?"

"নহয়, মই কমকৈহে কৈছো।"

দুয়োজনীয়ে আকৌ ভাবিলে। তাৰপিছত ক'লে, "বাৰু, কালিলৈ ৰাতিপুৱা তালৈ আহিবা। তেতিয়া থিৰাং কৰিম। তোমাৰ নাম কি?"

তাৰ নাম জিঅ'ভান্নি। সি জানিব বিচাৰিছিল তালৈ গৈ কাক বিচাৰিব। অৰ্থাৎ সি এখন পৰিচয়-পত্ৰ বিচাৰিছে। হিলদাৰ কোনো কাৰ্ড নাছিল। কনিৰ ওচৰত এখন আছিল।

সি পঢ়িলে, মিল'দি, মিলদি...

কনিয়ে লগতে মাতিলে, "মিল'দি কচটান্‌জা।" সি পুনৰাবৃত্তি কৰিলে, মিল'দি কচটান্‌জা।" তাৰ পিছত সি তাৰ চোলাত কাৰ্ডখন ভৰাই থ'লে।

'ভিলা এচমাৰলাদা' ঘৰটো সঁচাকৈয়ে বহুত দূৰৈত। এটা উপহ্ৰদৰ পাৰত অৱস্থিত ঘৰটো বৰ বেছি পুৰণি নহয়। ঘৰৰ ছাদখন বহুত দূৰৈৰ পৰাই দেখি থাকি। চাৰিওফালে ক'লা ক'লা ডাওৰ গছৰ বিশাল বাগিচা।

ভিলাৰ মালিক স্কটলেণ্ডৰ। আদবয়সীয়া শকত-আৱত মানুহজনে যুদ্ধৰ আগতেই ইটালীত বহুত সা-সম্পত্তি কৰি, দেশ-প্ৰেমৰ নামত বৰ উৎসাহ দেখুৱাৰ বাবে নাইট

উপাধি লাভ কৰে। তেখেতৰ পত্নী খীণ-মীণ চেহেৰাৰ, কিন্তু চকু-মুখত এটা তীক্ষ্ণ ভাব আছে। মানুহজনীৰ অলপো সুখ-শান্তি নাই। সকলো সময়তে মানুহজনীয়ে তেওঁৰ প্ৰেমজনিত কথাত অত্যুৎসাহী, উচ্ছৃংখল স্বামীক চকুৰ আগত কাঢ়া নজৰত ৰাখিব লাগে। এই লৈ তেওঁ অনবৰতে উদ্বেগৰ বোজা কঢ়িয়াব লাগে। কি যে সৌভাগ্যৰ বলত তেওঁ এই স্বামী ৰত্নক লাভ কৰিলে! মানুহজনীৰ মতে চব মতা মানুহেই কাপোৰ পিন্ধা একো একোটা কুকুৰ। কেতিয়া কোনজনীয়ে আহি তেওঁৰ গায়ে মূৰে হাত ফুৰাব, কেতিয়া কোনজনীৰ পেটৰ ওপৰত নিজৰ পেট হেঁচা মাৰি ধৰি জাজ নৃত্যৰ সন্ধিয়াত নাচিবলৈ পাব সেই চিন্তাতে সকলো সময়তে মন লালায়িত হৈ থাকে।

হিলদায়ো জাজ নৃত্য ভাল পায়। নৃত্যৰ সংগীজনে যেতিয়া পেটত পেট হেঁচা মাৰি ধৰি নাচে তেতিয়া তাইৰ ভাল লাগে। কনিৰ মনত কিন্তু শান্তি নাছিল। তাই হিলদাৰ দৰে পেটে পেট লগাই নাচিব নোৱাৰে। নৃত্যৰ সন্ধিয়াবোৰ নগ্নপ্ৰায় পুৰুষ-নাৰীবোৰক তাইৰ অকণো ভাল নালাগে। ছাৰ আলেকজেণ্ডাৰ আৰু লেডী কুপাৰকো তাইৰ ভাল নালাগিল। মাইকেলিচ বা আন কোনোবাই তাইৰ পিছে পিছে লাগি থাকক, সেইটোও তাই নিবিচাৰে।

কনিৰ ভাল লাগে সাগৰত বান্ধ দি ঘেৰি ৰখা লবণ হ্ৰদৰ সিপাৰে গৈ নিৰ্জন ঠাইত হিলদাৰ সৈতে সাঁতুৰি-নাদুৰি ফুৰিবলৈ। সিহঁত দুজনীয়ে যেতিয়া এনেদৰে যায় তেতিয়া গণ্ডোলাখনৰ সৈতে জিঅ'ভান্নি দূৰৈত বহি থাকে।

সি বৰ যত্ন সহকাৰে দুয়োকে ফুৰাবলৈ নিয়ে। সিহঁতৰ আদেশ আখৰে আখৰে পালন কৰে। ইয়াৰ আগতেও সি এনেদৰে বহু মহিলাকে ফুৰাইছে। সিহঁতে বিচাৰিলে সি সিহঁতৰ ওচৰত নিজকে বিলাই দিবলৈও ৰাজী আছে। সি আশা কৰিছিল যদি হিলদাৰ সৈতে কোনো পুৰুষ সংগী নাথাকে, তেন্তে সি তাইক সংগদানৰ কথা ক'ব। যাবৰ সময়ত তাক ভাল উপহাৰ দিবলৈয়ো ক'ব। সি যে বিয়া পাতিবলৈ ওলাইছে সেই কথা সি হিলদাহঁতক কয়। যেতিয়া হিলদাই হ্ৰদত গা-ধুবলৈ যোৱাৰ কথা ক'লে তেতিয়া জিঅ'ভান্নিয়ে ধৰি ল'লে যে হিলদাই তাৰ সৈতে নিৰ্জন ঠাইত প্ৰেম কৰিবৰ বাবেহে ওলাইছে। সেয়ে সি আৰু এখন গণ্ডোলা মাতে। কিয়নো দুজনীৰ কাৰণে দুজন যুৱকৰ প্ৰয়োজন হ'ব। সি আৰু ভাবিছিল যে বায়েক হিলদাই সকলো ব্যৱস্থা কৰিব যদিও ভনীয়েকে সাময়িকভাৱে প্ৰেমিক হিচাপে আনটো ল'ৰাকে ল'ব আৰু বেছি টকা দিব।

তাৰ নাম ডেনিয়েল। তাৰ গণ্ডোলাখন ডাঙৰ আৰু সি দেখাতো ভাল। কথা কম কয়। সি এনেকৈ নাওখন চলাইছিল যে তাত সি অকলেই আছে, আৰু কোনো নাই। তাক দেখি কনিৰ মেলৰ্চৰ দৰে লাগিল। স্বাধীনচিতিয়া, আত্ম-মৰ্যাদাসম্পন্ন এক

পুৰুষ যি কেতিয়াও ছোৱালীৰ ওচৰত নিজকে বিক্ৰী নকৰে। কনিয়ে ভাবিলে, জিঅ'ভান্নিৰ যিজনী পত্নী হ'ব তাইৰ কাৰণে কোনো সৌভাগ্যই প্ৰতীক্ষা কৰা নাই। কিন্তু ডেনিয়েলৰ পত্নী হ'ব সঁচাকৈয়ে ভাগ্যৱতী।

হ্ৰদত গা ধুই কনিৰ খুব ভাল লাগে। গা ধুই উঠি হ্ৰদৰ পাৰত শুই শুই জগতৰ সকলো কথা পাহৰি যোৱা, নৌকা বিহাৰ এই চৰবোৰ মিলি তাইক আনন্দ দান কৰিছিল। তাইৰ আটাইতকৈ বেছি ভাল লাগিল যেতিয়া তাইৰ গৰ্ভত সন্তানে স্থিতি লোৱা বুলি নিশ্চিত হ'ল। এই সংশয়াতীত নিশ্চয়তাই তাইৰ ভেনিচ ভ্ৰমণৰ আনন্দক দান কৰিলে আশ্চৰ্যপূৰ্ণতা।

কনিহঁত যিটো ভিলাত আছিলহি তাত আৰু বহুত মানুহেই আছিল। এটি স্কট পৰিয়াল— স্বামী-স্ত্ৰী আৰু তেওঁলোকৰ দুজনী বিবাহযোগ্য জীয়ৰী। ইটালীৰ এগৰাকী কাউণ্টৰ বিধৱা পত্নী, জৰ্জিয়াৰ এজন ৰাজকুমাৰ আৰু এজন ইংৰাজ যাজক। ছাৰ আলেকজেণ্ডাৰ কুপাৰৰ কিছুদিনৰ আগতে 'ষ্ট্ৰোক' হয়। তাৰ পিছৰে পৰা তেওঁৰ উৎপাত বহুখিনি ক্ৰমে।

কনিৰ দিনবোৰ ভালদৰেই পাৰ হৈছিল। ছাৰ মেলকম আৰু ডেলী কুপাৰে ছবি আঁকে। হ্ৰদ আৰু বন প্ৰকৃতিয়েই তেওঁলোকৰ ছবিৰ বিষয়-বস্তু। সকলোৱে মিলি হোটেলত লাঞ্চ কৰে। সন্ধ্যা প্ৰায়েই জাজ নৃত্য নতুবা কক্‌টেল পাৰ্টী হয়। মাজে মাজে মাইকেলিচে আহি কনিক ফুৰাবলৈ লৈ যায়। কয়, "ব'লা আইচক্ৰীম খাই আহোঁ।"

সেইদিন হ্ৰদৰ পাৰত গা ধুই আহিয়ে কনিয়ে ক্লিফোৰ্ডৰ চিঠি পালে। আজিকালি ক্লিফোৰ্ডে কনিলৈ প্ৰায়ে চিঠি লিখে। কিন্তু সেই চিঠিৰ ভাষা কিতাপৰ ভাষাৰ নিচিনাই কাৰণে কনিয়ে তাৰ মাজত কোনোধৰণৰ প্ৰাণৰ উত্তাপ বিচাৰি নাপায়।

ক্লিফোৰ্ডে লিখিছে, *"আমাৰ ইয়াতো বৰ উত্তেজনা হৈছে। শুনিবলৈ পাইছো আমাৰ শেনচোৱা মেলৰ্চৰ পলাতকা পত্নী আকৌ উভতি আহিছে। কিন্তু মেলৰ্চৰ পৰা তাই কোনোধৰণৰ সঁহাৰি পোৱা নাই। মেলৰ্চে তাই অহা দেখি ঘৰত তলা মাৰি গুচি যায় কিন্তু উভতি আহি দেখে যে তাই খিৰিকি ভাঙি ঘৰত সোমাই বিছনাত শুই আছে। তেতিয়া মেলৰ্চ তেভাৰচালৰ মাকৰ ঘৰলৈ গুচি যায়। এতিয়াও তাৰ পত্নী তাৰ ঘৰতেই আছে আৰু সেইটো তাইৰে ঘৰ বুলি দাবী কৰিছে।*

মেলৰ্চে অৱশ্যে মোৰ ওচৰলৈ আহি একো কোৱা নাই। এইবিলাক মই বিশ্বস্তসূত্ৰে শুনা। মিছেছ্ বল্টনেই এইবোৰ কথা মোক শুনাইছে। লগতে এই কথাও কৈছে যে, আমাৰ মেডাম আৰু কেতিয়াও বনলৈ ফুৰিবলৈ নাযায় যদিহে মানুহজনীয়ে মেলৰ্চৰ ঘৰ এৰি নাযায়।

মোলৈ পঠোৱা ফটোখন বৰ ভাল লাগিছে। তাত দেখিলো ছাৰ মেলকমে

সমুদ্ৰৰ উপকূলত খোজ কাঢ়িছে, তেখেতৰ মূৰৰ ৰূপালী ৰঙৰ চুলিবোৰ উৰিছে আৰু সূৰ্যৰ পোহৰত তেখেতৰ সুন্দৰ গোলাপী ৰঙৰ ছালখন চিকচিকাই উঠিছে। মই তেখেতক দোষ নিদিওঁ। মানুহৰ যিমানেই বয়স হয়, সিমানেই দেহ সৰ্বস্ব হৈ পৰে, আৰু সিমানেই মৃত্যু ভয়ত শংকিত হয়। মানুহে একমাত্ৰ যৌৱন কালতেই অমৰত্বৰ সোৱাদ পাব পাৰে।"

স্বপ্নাবিষ্ট হৈ কনিয়ে যেতিয়া প্ৰমোদ ভ্ৰমণৰ অনাবিল আনন্দ উপভোগ কৰিছিল তেতিয়াই এই খবৰটো পাই তাই দুখত ভাঙি পৰিল। সেই ঘৃণ্য মানুহজনী তেন্তে আকৌ আহিছে। তাইৰ প্ৰতি কনিৰ বিৰক্তি ক্ৰোধত পৰিণত হ'ল। কিন্তু মেলৰ্চে তাইলৈ কোনো চিঠি লিখা নাই। অৱশ্যে সিহঁতৰ মাজত কথা হৈছিল যে কনি বাহিৰত থকা কালত সিহঁতে কোনেও কাকো চিঠি নিদিয়ে। কিন্তু ইমান ডাঙৰ কথা এটা তাইক জনোৱাটো মেলৰ্চৰ উচিত আছিল। কনিয়ে মেলৰ্চৰ পৰা সকলো শুনিব বিচাৰিছে। যিমানেই যি হওক তাই মেলৰ্চৰ সন্তান গৰ্ভত ধাৰণ কৰিছে।

কিযে ঘৃণাৰ কথা! এতিয়া চববোৰ ওলট-পালট হৈ গ'ল। তলৰ শ্ৰেণীৰ মানুহবোৰ সঁচাকৈয়ে বৰ লেতেৰা। তাতকৈ এইবোৰ ঠাই কিমান ভাল। এই নীল নিৰ্মল আকাশ আৰু উজ্জ্বল সূৰ্যৰ পোহৰ কিমান ধুনীয়া। ইয়াৰ তুলনাত মিড্‌লেণ্ডৰ সেই পৰিবেশ বৰ ঘৃণ্য। বৰ জঘন্য।

কনিয়ে তাইৰ গৰ্ভধাৰণৰ কথাটো কাকো নাই কোৱা। আনকি হিলদাকো। মেলৰ্চৰ খবৰ জনাই চিঠি এখন দিবলৈ তাই মিছেছ্ বল্টনলৈ চিঠি এখন লিখিলে।

এনেকুৱা দিনতে ৰোমৰ পৰা ডানকান ফোৰ্বে নামৰ তাইৰ এজন পুৰণি শিল্পবন্ধু ভিলালৈ আহিল। তাই তাৰ সৈতে গণ্ডোলাত উঠি ফুৰিবলৈ ধৰিলে।

এদিন মিছেছ্ বল্টনৰ পৰা এখন দীঘলীয়া চিঠি তাই পালে। তেওঁ লিখিছেঃ

ছাৰ ক্লিফোৰ্ডক দেখিলে আপুনি বৰ সুখী হ'ব মেডাম। তেখেতৰ চেহেৰা বৰ উজ্জ্বল হৈ পৰিছে আৰু বৰ উদ্যমেৰে তেখেতে কাম-কাজবোৰ কৰিছে। অৱশ্যে আপুনি উভতি অহাৰ বাবে বৰ ব্যগ্ৰভাৱে প্ৰতীক্ষা কৰি আছে। আমাৰ প্ৰিয় লেডীশ্বিপ ঘৰখনত নথকাৰ বাবে গোটেই ঘৰখন নিৰস, নিৰানন্দ আৰু শূন্য হৈ পৰিছে।

মেলৰ্চ সম্বন্ধে ছাৰ ক্লিফোৰ্ডে আপোনালৈ কি লিখিছিল মই নাজানো। তথাপি এইটো কথা হয় যে তাৰ স্ত্ৰী এদিন হঠাতে তাৰ ওচৰলৈ ঘূৰি আহিছে। এদিন মেলৰ্চে বনৰ পৰা আহি দেখে যে তাৰ স্ত্ৰী বাহিৰৰ চিৰিত বহি আছে। তাই কৈছে যে তাই আকৌ তাৰ কাষলৈ উভতি আহিছে আৰু তাই তাৰ বৈধ পত্নী। সিহঁতৰ বিবাহ-বিচ্ছেদ হোৱা নাই। তাই আকৌ তাইৰ স্বামীৰ সৈতেই থাকিব। কিন্তু মেলৰ্চে সেই কথা নুশুনিলে। সি ঘৰৰ তলা নোখোলাকৈয়ে তাৰপৰা গুচি যায়। সি ভাবিছিল যে দুৱাৰ নুখুলিলে তাৰ পত্নী গুচি যাব। কিন্তু ৰাতি উভতি আহি দেখে যে ঘৰৰ

দুৱাৰ খোলা। তাৰ পত্নী বিছনাত শুই আছে। তাইৰ গাত কম্বল নাই। মেলৰ্চে তাৰ পত্নীক টকা দিব বিচাৰিছিল। কিন্তু তাৰ পত্নীয়ে ক'লে যে টকা নলয়, তাইক স্ত্ৰী হিচাপে গ্ৰহণ কৰিব লাগে। ইয়াৰ পাছত সিহঁতৰ মাজত কি কথা-বতৰা হ'ল বা তাত কি দৃশ্যৰ অৱতাৰণা হ'ল সেই কথা মই ক'ব নোৱাৰিম। মেলৰ্চৰ মাকে মোক এই কথাবোৰ কৈছে। তাক ভয়ংকৰভাৱে উত্তেজিত দেখা গৈছে। তাৰ মাকক সি কৈছে যে তাৰ স্ত্ৰীৰ সৈতে থকাতকৈ সি মৰিয়ে থাকিব। সেয়ে সি তাৰ ঘৰৰ পৰা বস্তু-বাহানি লৈ তাৰ মাকৰ লগত থাকিবলৈ বুলি তেভাৰচাললৈ যায়। ইফালে তাৰ পত্নীয়ে ককায়েকক বেগাৰ্লিত সকলোবোৰ কথা কয়। পিছদিনা মেলৰ্চে তাৰ বন্ধু টম ফিলিপক লগত লৈ আকৌ তাৰ ঘৰৰ পৰা বাকী থকা বস্তুবোৰ আনেগৈ। ঘৰ খালী হোৱাত তাৰ স্ত্ৰীয়ে বেগাৰ্লিত এজনী বুঢ়ী তিৰোতাৰ লগত থাকিবলৈ লয়। কাৰণ তাইৰ বৌৱেকে তাইক ঘৰত সোমাবলৈ নিদিয়ে। কিন্তু ইয়াতেই কথাবোৰ শেষ হোৱা নাই। তাৰ পত্নীয়ে তাক বিচাৰি তাৰ মাকৰ ঘৰলৈ সদায় যায়। উকীলৰ ওচৰলৈয়ো যায়। মেলৰ্চৰ পৰা খোৰাকিৰ দাবী জনায়। কয় যে সি তাইৰ বৈধ স্বামী।

তাই আৰু কয় যে মেলৰ্চৰ অন্য ছোৱালীৰ সৈতে সম্পৰ্ক আছে। তাই শোৱনি কোঠাত ছেন্ট আৰু চিগাৰেটৰ পেকেট পাইছে। এই অঞ্চলৰ ডাকোৱালজনেও কৈছে যে এদিন ৰাতিপুৱা চিঠি দিবলৈ গৈ মেলৰ্চৰ ঘৰত ছোৱালীৰ সৈতে তাক কথা পাতি থকা দেখিছে। মই জানো মেলৰ্চৰ কোনো দোষ নাই। কিন্তু তাৰ পত্নীয়ে বাহিৰত এনেদৰে প্ৰচাৰ কৰি ফুৰিছে যে মেলৰ্চ দুঃচৰিত্ৰৰ আৰু নাৰীলোলুপ মানুহ। তাৰ পত্নীৰ বয়স মেলৰ্চতকৈ বেছি। এতিয়া তাইৰ গাত বৰ মেদ জমা হৈছে। এই বয়সত মাইকী মানুহৰ এটা পৰিৱৰ্তন আহে। তেতিয়া সিহঁতৰ সমাজৰ বহুত তিৰোতাই পাগলী হৈ যায়।

চিঠিখন পঢ়ি উঠি তাই বৰ আঘাত পালে। তাই ভাবিলে সেই লেতেৰা পৰিবেশৰ মাজতে তাই এদিন আছিল। সেই লেতেৰা জীৱনৰ অংশ গ্ৰহণ কৰিব বিচাৰিছিল। মেলৰ্চৰ ওপৰত বৰ খং উঠে তাইৰ। তাৰ স্ত্ৰী বাৰ্থাৰ সৈতে বিবাহ-বিচ্ছেদৰ কামটো সি আগতেই কৰি পেলাব লাগিছিল। এই ধৰণৰ বিয়া পতাৰে তাৰ উচিত নাছিল। আচলতে লেতেৰামি আৰু নীচতাৰ প্ৰতি এটা সহজাত স্বাভাৱিক প্ৰৱণতা আৰু আসক্তি তাৰ আছে। তাৰপৰা ইয়ালৈ অহাৰ আগনিশা, তাৰ সৈতে একেলগে থাকোঁতে সংগমকালত সি যি ইতৰ প্ৰাণীৰ দৰে জঘন্য লেতেৰামিৰ পৰিচয় দিছিল, সেয়া হয়তো তাৰ পত্নীৰ পৰাই শিকিছিল। এইটো সঁচায়ে বৰ বিতৃষ্ণাজনক। মেলৰ্চৰ নিচিনা মানুহৰ কবলৰ পৰা যিমান সোনকালে মুক্ত হ'ব পৰা যায় সিমানে ভাল। সি সঁচাকৈয়ে অতি সাধাৰণ, অতি নীচ আৰু লেতেৰা।

গোটেই কথাবোৰৰ প্ৰতি তীব্ৰ ঘৃণা উপজিল তাইৰ। এতিয়া তাইৰ বাবে

আটাইতকৈ ভয়লগা কথাটো হ'ল তাৰ সৈতে তাইৰ সম্পৰ্কটো জনাজনি হ'লে সৰ্বনাশ হ'ব। ইমান অপমানজনক হ'ব যে তাক ভাষাৰে বৰ্ণনা কৰিব নোৱাৰি। নীচতা আৰু লেতেৰামিৰ প্ৰতি ক্লান্ত আৰু সন্ত্ৰস্ত হৈ কনি যেন হঠাতে সামাজিক মান সম্ভ্ৰমৰ প্ৰতি লালায়িত হৈ পৰিল। ক্লিফোৰ্ডে কথাবোৰ জানিলে কি যে অপমানৰ জ্বালা তেওঁ সহ্য কৰিব লাগিব! ভাবোতে ভাবোতে তাই আবেগৰ আতিশয্যত তাইৰ গৰ্ভস্থ সন্তানৰ পৰাও মুক্তি পাব বিচাৰিলে। মুঠতে এসময়ৰ আকাংক্ষিত কথাবোৰ আজি হঠাতে তাইৰ বাবে ঘৃণ্য আৰু অবাঞ্ছিত হৈ পৰিল।

ছেন্টৰ বটলটো মেলৰ্চৰ ড্ৰয়াৰত পোৱা কথাটো তাইৰে নিৰ্বুদ্ধিতাৰ ফলাফল। আচলতে তাই তাৰ কাপোৰত আতৰ ঢালি উঠি বটলটো ড্ৰয়াৰতে ভৰাই থৈ আহে। তাই ভাবিছিল সেই বটলটো দেখিলেই মেলৰ্চৰ তাইলৈ মনত পৰিব। তাইৰ স্মৃতিৰ সুবাস সেই ছেন্টৰ বটলৰ জৰিয়তেই তাৰ ওচৰত ছটিয়াই থাকিব বুলি তাই ভাবিছিল। আৰু চিগাৰেটৰ টুকুৰাবোৰ হ'ল হিলদাৰ।

কনিয়ে তাইৰ নতুন শিল্পবন্ধু ডানকান ফৰ্বক বিশ্বাসত লৈ মেলৰ্চৰ কথাটো ক'লে। অৱশ্যে তাক ভালপোৱাৰ কথাটো নক'লে। তাক ভাল লাগে বুলিহে ক'লে আৰু তাৰ গোটেই জীৱন কাহিনী শুনালে।

সকলোবোৰ শুনি ডানকানে ক'লে, সি তাৰ জাতৰ মানুহবোৰক এৰি, তাৰ শ্ৰেণীৰ মানুহবোৰৰ সৈতে উঠা-বহা নকৰি অলপ স্বাধীনভাৱে থাকিব বিচাৰিছিল। তাৰ একো দোষ নাই। কিন্তু সেই কাৰণেই তাৰ শ্ৰেণী আৰু সমাজৰ মানুহে তাক টানি নমাই আনিব।

কনিৰ মনৰ মাজত বৈ থকা ঘৃণাৰ সোঁতটো হঠাতে বিপৰীতমুখী হৈ ববলৈ ধৰিলে। কি কৰিছে সি? কনিৰ সি কি ক্ষতি কৰিছে? কনিক মাত্ৰ চৰম যৌন আনন্দ দান কৰিছে। আৰু তাইৰ বহুদিনৰ অৱৰুদ্ধ যৌনাবেগক এক উত্তপ্ত মুক্তি দান কৰিছে। সেই কাৰণেই সিহঁতে তাক তাৰ আত্ম-মৰ্যাদাৰ আসনৰ পৰা নমাই আনিব?

নাই, নাই, সেয়া কেতিয়াও হ'ব নোৱাৰে। তাৰ এক নগ্ন প্ৰতিমূৰ্তি তাইৰ চকুৰ আগত ভাহি উঠিল। তাৰ কণ্ঠস্বৰ যেন কনিয়ে স্পষ্ট শুনিবলৈ পালে। ভয়ে ভয়ে তাই এবাৰ মনে মনে ক'লে, মই তাৰ কাষলৈ আৰু নাযাওঁ। কিন্তু পিছমুহূৰ্ততে তাই আকৌ ক'লে, মই তাক ত্যাগ নকৰোঁ। তাৰ পৰা যিখিনি পাইছো সেয়া মই কোনোপধ্যেই পাহৰিব নোৱাৰো। যি মধুৰ উত্তাপ মই জীৱনত পোৱা নাছিলো সেই উত্তাপ সিয়ে মোক দান কৰিছে।

কনিয়ে মিছেছ্ বল্টনলৈ এখন চিঠি লিখিলে। তাৰ লগতে এখন মেলৰ্চলৈয়ো লিখিলে আৰু মিছেছ্ বল্টনক অনুৰোধ কৰিলে যে তেওঁ যেন নিজহাতে চিঠিখন মেলৰ্চক দিয়ে। কনিয়ে মেলৰ্চলৈ লিখিলে ঃ

তোমাৰ পত্নীয়ে তোমাৰ প্ৰতি যি দুৰ্ব্যৱহাৰ কৰিছে সেয়া শুনি মই বৰ দুঃখিত। তথাপি একো ভাবি নাথাকিবা। এয়া তাইৰ এক সাময়িক উত্তেজনা মাত্ৰ। এই উত্তেজনা হঠাতে আহে আৰু হঠাতে গুচি যায়। তথাপিও এই কথাত মই সঁচায়ে বৰ দুখ পাইছো। আশাকৰোঁ, তুমি এইবোৰ কথাৰ কাৰণে বৰ চিন্তা কৰি নাথাকিবা। মানুহজনী মানসিক ৰোগাগ্ৰস্ত। তাই তোমাক অকাৰণে আঘাত দিব বিচাৰে। মই কিছুদিনৰ পাছতে ঘৰলৈ উভতিম আৰু আশাকৰোঁ তেতিয়া সকলো ঠিক হৈ যাব।

কেইদিনমানৰ পাছতে ক্লিফোৰ্ডৰ এখন চিঠি পালে। তেওঁ লিখিছে ঃ

তুমি অহা যোল্ল তাৰিখে ভেনিচ এৰিবা বুলি শুনি বৰ আনন্দিত হ'লো। কিন্তু এই প্ৰমোদ ভ্ৰমণ যদি তোমাৰ কাৰণে সঁচায়ে সুখকৰ আৰু আনন্দদায়ক হৈছে তেনেহ'লে ঘৰলৈ আহিবলৈ ইমান খৰধৰ কৰাৰ আৱশ্যক নাই। মই অৱশ্যে তোমাৰ অভাৱ অনুভৱ কৰিছোঁ, সমগ্ৰ ৰাগবিয়ে তোমাক বিচাৰিছে। কিন্তু তাৰ সূৰ্যৰশ্মি প্ৰাণভৰি তুমি উপভোগ কৰা। তুমি সঁচাকৈয়ে যদি ভাল পাইছা তাতে কেইদিনমান থাকা, ভয়ংকৰ শীত সহ্য কৰিবলৈ প্ৰাণশক্তি সঞ্চয় কৰা।

মিছেছ্ বল্টনে মোক যথেষ্ট তৎপৰতাৰে আৰু মনোযোগেৰে চোৱা-চিতা কৰি আছে। যিমানেই দিন বাগৰিছে সিমানে মই বুজিব পাৰিছো মানুহ কেনেকুৱা আশ্চৰ্যজনক আৰু অদ্ভুত জীৱ। কেতিয়াবা মনলৈ আহে কিছুমান মানুহৰ এশটা ভৰি আছে আৰু কিছুমানৰ ছটা। মানুহৰ পৰা যি সংগতি আৰু আত্ম-মৰ্যাদা আশা কৰা যায় তাৰ কোনো অৰ্থ নাই।

আমাৰ শেনচোৱাটোৰ কথাবোৰ লৈ যি গুজৱ ওলাইছে সেইবোৰ মাজে মাজে বাঢ়িছে আৰু মাজে মাজে কমিছে। মিছেছ্ বল্টনৰ পৰাই মই কথাবোৰ শুনো। মিছেছ্ বল্টনে মোক এনেকুৱা মানুহৰ কথা কয় যিয়ে নিজৰ একো কথা ক'ব নোৱাৰে, কিন্তু আনৰ জীৱনৰ পৰা জীয়াই থকাৰ উপজীব্য গ্ৰহণ কৰে।

মিছেছ্ বল্টন এতিয়া মেলৰ্চৰ কুৎসা ৰটনাৰ কামত বৰ ব্যস্ত। মই যদি তেওঁক কিবা সোধো, তেওঁৰ আৰু ৰক্ষা নাই, কৈয়ে থাকে। তেওঁৰ মেলৰ্চৰ পত্নীৰ ওপৰত প্ৰচণ্ড ঘৃণা আৰু ক্ৰোধ আছে। তাইৰ নাম বোধহয় বাৰ্থা কাউটচ। সিহঁতৰ জঘন্য কাহিনীৰ ক্লেদাক্ত আৱৰ্তৰ গভীৰত মই যে ডুবি যাওঁ, তলি পাওঁ। তাৰপিছত সেই কাহিনী শেষ হ'লে মই তাৰপৰা পৃথিৱীৰ উজ্জ্বল বতাহ পোহৰলৈ উঠি আহি, জী উঠিলো যেন লাগে। তেতিয়া বৰ আচৰিত লাগে।

এটা সময়ত এটা কথাই আমাৰ ওচৰত নিভাজ সঁচা যেন লাগে। মই ভাবো, আমি যিটোক পৃথিৱীৰ উপৰিপৃষ্ঠ বুলি ভাবো, সেইটো আচলতে মহাসমুদ্ৰৰ তল। আমাৰ চাৰিওফালৰ গছবোৰ হৈছে জলজ উদ্ভিদ আৰু পৃথিৱীৰ মানুহবোৰ হ'ল মাছ। আমি যাক বতাহ বুলি কওঁ, য'ৰ পৰা শ্বাস গ্ৰহণ কৰোঁ প্ৰকৃততে সেয়া হ'ল

পানী। এই অনন্ত গভীৰ জলৰাশিৰ বহু উৰ্দ্ধত আছে প্ৰকৃত বতাহ। নিৰ্মল বায়ু।

মাজে মাজে আমাৰ আত্মা এই জীৱন-সমুদ্ৰৰ অনন্ত গভীৰ জলতল ভেদ কৰি আবেগৰ পৰা উৰ্দ্ধত গৈ উজ্জ্বল হৈ উঠি প্ৰাণভৰি শ্বাস লয়। এয়াই আমাৰ ভাগ্য। এয়া হৈছে বিধিৰ বিধান। আমি এনেদৰেই জলজীৱন যাপন কৰি যাব লাগিব। প্ৰতিটো মানুহৰ লক্ষ্য হৈছে, এই পিছল মৎসজীৱনৰ কুটিল অৰণ্যৰ পৰা উৰ্দ্ধত গৈ অনন্ত পোহৰৰ উজ্জ্বল ৰাজ্যত উপনীত হোৱা। মানৱ আত্মাৰ এই আলোক উজ্জ্বল উৎক্ৰমনেই হ'ল আমাৰ প্ৰকৃত স্বৰূপ।

মই যেতিয়া মিছেছ্ বল্টনৰ পৰা সিহঁতৰ জীৱনৰ কাহিনী শুনো তেতিয়া তৰল আৰু পিছল মানৱ জীৱনৰ এই মৎসসুলভ স্বভাৱৰ এক ক্লেদাক্ত গভীৰতাত ডুব যাওঁ। দেহগত ক্ষুধাৰ নিৰন্তৰ তাড়নাত প্ৰতিটো মানুহে মাছৰ দৰে চিকাৰৰ সন্ধানত সাঁতুৰি থাকে। পোহৰ-বতাহহীন এই তৰল গভীৰতা আৰু গোপন অন্ধকাৰৰ পৰা পোহৰৰ ৰাজ্যলৈ, এই অতল অন্তহীন পানীৰ পৰা মাটিলৈ যোৱাই সকলো মানুহৰ সাধনাৰ শেষ লক্ষ্য। কিন্তু মিছেছ্ বল্টনৰ লক্ষ্য হ'ল, সাধনা হ'ল এই মৎস্য সুলভ জলজীৱনৰ অতল অন্ধকাৰৰ তলিত উপনীত হোৱা। ওপৰলৈ উঠিব নিবিচাৰে, মাত্ৰ তললৈ যাব বিচাৰে।

মোৰ চিন্তা হৈছে আমি আমাৰ শেনচোৰাক হেৰুৱাব লাগিব। কথাবোৰ দিনে দিনে বাঢ়ি গৈছে। মানুহজনীয়ে মেলৰ্চৰ বিৰুদ্ধে যিমান পাৰে সিমান কুৎসা ৰটনা কৰি ফুৰিছে। তাই কয়লাখনিৰ চব মাইকীবোৰক তাইৰ ফলীয়া কৰি তুলিছে। গোটেই গাঁওখন এতিয়া এই বেয়া কথাবোৰৰ আলোচনাৰে মুখৰ হৈ আছে।

মই শুনিলো, মেলৰ্চৰ পত্নীয়ে এদিন মেলৰ্চৰ মাকৰ ঘৰ আক্ৰমণ কৰে। ঘৰৰ ভিতৰ সোমাই বস্তু-বাহানি লণ্ড-ভণ্ড কৰে। সিহঁতৰ ছোৱালীজনী তেতিয়া স্কুলৰ পৰা ঘৰ আহি সোমাইছিলহে। ছোৱালীজনীক তাই লৈ যায়। কিন্তু ছোৱালীজনীয়ে মাকৰ হাত কামোৰ মাৰি দিয়ে। তেতিয়া মাকে তাইক চৰ মাৰি দিয়ে আৰু ছোৱালীজনী ৰাস্তাতে বাগৰি পৰে। আইতাকে কোনোমতে ছোৱালীজনী উদ্ধাৰ কৰে।

মেলৰ্চৰ পত্নীয়ে বিষাক্ত গেছৰ দৰে মেলৰ্চৰ বদনাম গোটেইখন গাই ফুৰিছে। সিহঁতৰ বিবাহিত জীৱনৰ গোপন কথাবোৰো কৈ ফুৰিছে যিবোৰ কেৱল বিবাহিত পুৰুষ- নাৰীহে জানে আৰু যিবোৰ গোপনতাৰ মাজত সলজ্জভাৱে হৈ সযত্নে থাকে। দহ বছৰৰ পাছত আজি সিহঁতৰ দাম্পত্য জীৱনৰ গোপন কথাবোৰ ওলাই পৰিছে। মই এইবোৰ কথা লিনলে আৰু ডাক্তৰৰ পৰা শুনিছো। এই কথাবোৰৰ মাজত একো গুৰুত্ব নাই। তথাপিও যৌনক্ৰিয়াৰ বিভিন্ন অদ্ভুত অস্বাভাৱিক ধৰণৰ আসন বা ভংগীৰ প্ৰতি সকলো মানুহেই কৌতূহল প্ৰকাশ কৰে। কোনোবাই যদি যৌনক্ৰিয়াৰ সময়ত তাৰ স্ত্ৰীৰ সৈতে এনে ভংগী প্ৰয়োগ কৰে তেন্তে তাৰ সেয়া নিজস্ব ৰুচিৰ কথা।

কিন্তু মেলৰ্চক দেখি মই ঘূণাক্ষৰেও ভাবিব পৰা নাছিলো যে সি সেইবোৰ জানে। যিয়ে হওক, সেয়া তাৰ সম্পূৰ্ণ ব্যক্তিগত কথা। তাত বাহিৰৰ মানুহে নাক সুমুৱাৰ কোনো দৰকাৰ নাই।

মোৰ দৰেই সকলোৱেই এইবোৰ কথা শুনিছে। আজিৰ পৰা দহ-বাৰ বছৰ আগলৈকে সাধাৰণ মানুহৰ মাজত শালীনতাবোধ আছিল। তেতিয়া কিবা ঘটনা ঘটিলে মানুহে জোৰকৈ তাৰ ছেদ পেলাইছিল। লুকুৱাই ৰাখিছিল। কিন্তু এতিয়া গাঁৱৰ ল'ৰাৰ পৰা বুঢ়ালৈকে সকলোৱে এইবোৰ কথা মুখে মুখে। চবেই মজা লৈছে। এনে লাগে যে আজিৰ তেভাৰচাল গাঁৱৰ প্ৰতিজনী নাৰীয়েই জোৱান অৱ আৰ্ক। কিন্তু মেলৰ্চকো এটা ভয়ংকৰ নৰখাদক যেন লাগে।

কাম-কাজৰ খাতিৰত মই বাধ্য হৈ তাক লগ ধৰিবলগীয়া হৈছিল। তাৰ পত্নীক বনৰ সীমাৰ পৰা বাহিৰলৈ উলিয়াই পঠোৱা সম্ভৱ নহয়। এইটো অৱস্থাত তাক কেনেকৈ কামত খটুৱাম। সি অৱশ্যে কাম ঠিকমতেই কৰি আছে। যিয়ে যি কৈ থাকক সি কাকো গ্ৰাহ্য নকৰে। তাক ভালকৈ লক্ষ্য কৰি মই ভাবিছো সি যেন এটা কুকুৰ আৰু তাৰ নেজত এটা খালী টিন বান্ধি দিয়া হৈছে। সি অৱশ্যে বৰ মুক্ত যেন ভাব এটা দেখুৱায়। সি কিবা কামত তেভাৰচাল গাঁৱলৈ গ'লেই বাৰ্থাই তাৰ পিছত গাঁৱৰ ল'ৰাবোৰক লগাই দিয়ে। স্পেইনৰ কাহিনী কাব্যৰ নায়ক ডন ৰোভাৰিগোৰৰ দৰেই তাৰ অৱস্থা।

মই তাক এদিন সুধিলো যে সি ঠিকমতে কাম কৰি যাব পাৰিবনে নাই। সি উত্তৰত ক'লে যে তাৰ কৰ্তব্যত এতিয়ালৈকে সি ফাঁকি দিছে বুলি তাৰ মনত নাই। তাৰ বিৰুদ্ধে শুনা কথাবোৰৰ মই আভাস দিয়াত সি ক'লে যে গাঁৱৰ মানুহবোৰে পৰনিন্দা শুনি যিমান ভাল পায় সিমানে আনৰ ভাল কথা শুনি বেয়া পায়।

তাৰ কথা কোৱাৰ ধৰণটো মোৰ ভাল নালাগিল কিন্তু সি যি কৈছে সেয়া সত্য।

কিন্তু যিয়ে যি কওক, তাৰ বিৰুদ্ধে হোৱা লোকনিন্দাৰ প্ৰতিক্ৰিয়া এটা হৈছে। গাঁৱৰ যাজক আৰু বিশিষ্ট লোকৰ অভিমত হ'ল এই যে মেলৰ্চে ইয়াৰ পৰা আন ঠাইলৈ যোৱাই উচিত হ'ব।

মই এদিন তাক মাতি আনি সুধিলো যে তুমি তোমাৰ ঘৰলৈ ছোৱালী আনি স্ফূৰ্তি কৰা কথাটো হয় নেকি। তেতিয়া সি মোক ক'লে, ছাৰ ক্লিফোৰ্ড, এইটো কথা আপোনাৰ কি দৰকাৰ। সি আৰু ক'লে, মানুহে যদি বদনাম কৰিব বিচাৰে তেন্তে মোৰ ছোৱালী বা কুকুৰ ফ্লচিক লৈয়ো বদনাম কৰিব পাৰে। তাৰ দম্ভালি মোৰ কাৰণে বৰ অসহ্যকৰ। মই তাক ক'লো সি আন এঠাইত কাম বিচাৰি ল'ব পাৰিবনে, তাৰ উত্তৰত সি মোক ক'লে, আপুনি মোক কামৰ পৰা অতি সহজতে এৰুৱাই দিব পাৰে।

অর্থাৎ চাকৰিৰ পৰা অব্যাহতি দিয়াৰ ক্ষেত্ৰত সি একো বাধাৰ সৃষ্টি নকৰে। মই তাক ক'লো, মোৰ ভূ-সম্পত্তিৰ সীমাৰ ভিতৰত কোনো অপকৰ্ম হ'বলৈ মই দিব নোৱাৰো।

ঠিক কৰা হ'ল যে অহা সপ্তাহৰ শেষৰ ফালেই সি এই চাকৰি এৰি গুচি যাব। লগতে তাৰ কামত চেম্বাৰচ নামৰ ল'ৰা এটা সুমুৱাই দিয়াত সি ৰাজী হ'ল। তাক মই ক'লো, মই তোমাক এমাহৰ দৰমহা বেছিকৈ দিম। সি ক'লে, ৰাখি থওক, পিছত মই তাৰ সদ্ব্যৱহাৰ কৰিম।

মই এই কথা বুজি নাপালো। তাৰ কাম নাই যদিও সি কিয় টকা ল'ব বিচৰা নাই। তাক সোধাত সি ক'লে, মই বেছি কাম কৰা নাই যেতিয়া বেছি টকাও নলওঁ।

যিয়ে হওক, কথাবোৰ ইয়াতে নিষ্পত্তি হ'ল। মানুহজনী ইয়াৰ পৰা গুচি গৈছে। তাই তেভাৰচাল গাঁৱলৈ আহিলেই গ্ৰেপ্তাৰ কৰা হ'ব। শুনিছো তাই হেনো জেললৈ বৰ ভয় কৰে। মেলৰ্চ অহা সপ্তাহৰ শনিবাৰে যাবগৈ। গতিকে আমাৰ ঠাইখন শান্ত আৰু স্বাভাৱিক হৈ পৰিব।

সোণজনী মোৰ, কনি, যদি তোমাৰ ভাল লাগে আৰু যদি তুমি আগষ্টৰ প্ৰথম সপ্তাহ পৰ্যন্ত ভেনিচ বা চুইজাৰলেণ্ডত কটোৱা, তেনেহ'লে খুব ভাল হ'ব। তেতিয়া মই সুখী হ'ম। নহ'লে তুমি আহিয়ে সেই অবাঞ্ছিত লেতেৰা কথাবোৰ শুনিবহি লাগিব। সেইবোৰ কথা এই মাহৰ শেষতে একেবাৰে বন্ধ হৈ যাব।

তেনেহ'লে তুমি বুজিব পাৰিছাই আমি হ'লো গভীৰ পানীৰ জলজ জন্তু। আমাৰ মাজৰ কোনো একোটা জন্তুৱে যেতিয়া বোকা লেটিয়াবলৈ ধৰে, তেতিয়া আমাৰ মাজত হৈ চৈ লাগে। আমি তেতিয়া দাৰ্শনিকৰ দৰে মৌনতা অৱলম্বন কৰি কথাবোৰ উপেক্ষাৰ দৃষ্টিৰে চোৱাৰ বাহিৰে আন উপায় নাথাকে।"

ক্লিফোৰ্ডৰ চিঠিখনৰ মাজত সোমাই আছিল প্ৰচ্ছন্ন খণ্ড আৰু আছিল সহানুভূতিৰ শোচনীয় অভাৱ। কনিয়ে ইয়াৰ অৰ্থ খুব ভালকৈ বুজিলে মেলৰ্চৰ পৰা অহা এখন চিঠিৰ পৰা। মেলৰ্চে লিখিছে ঃ

"তুমি হয়তো শুনিবলৈ পাইছা, মোৰ পত্নী বাৰ্থা মোৰ ওচৰলৈ উভতি আহিছিল। কিন্তু তাই মোৰ পৰা একো সঁহাৰি নাপালে। তাই মোৰ ঘৰত থাকিবলৈ লয় আৰু কিছু সন্দেহৰ উপকৰণ পায়। তাই এটা ছেন্টৰ বটল পালে। আমাৰ বিয়াৰ ফটোখন পুৰি পেলোৱাৰ প্ৰমাণ পায়। তাই বৰ হুলুস্থুল কৰে। ফটো ফ্ৰেমৰ ভঙা চিচা পায়। এদিন তাই হঠাতে জুপুৰী ঘৰটোলৈয়ো যায়। তাতে তোমাৰ নাম লিখা এখন কিতাপ পায়। তাৰ পিছৰে পৰা তাই কৈ ফুৰিবলৈ ধৰিলে যে মোৰ প্ৰেমিকা লেডী চেটাৰ্লিৰ বাহিৰে আন কোনো নহয়। অৱশেষত কথাটো গাঁৱৰ ৰেক্টৰ আৰু ছাৰ ক্লিফোৰ্ডৰ

কাগতো পৰেগৈ। তেওঁলোকে তেতিয়া বাৰ্থাৰ বিৰুদ্ধে আইনসংগত ব্যৱস্থা গ্ৰহণ কৰে। তাই পুলিচৰ ভয়ত এতিয়া ইয়াৰ পৰা পলাই গৈছে।

ছাৰ ক্লিফোৰ্ডে মোক এদিন মাতি পঠায়। তেওঁ নানাৰকমৰ কথা মেক শুনায়। তেওঁৰ কথাৰ পৰা বুজিলো যে তেওঁ মোৰ ওপৰত বিৰক্ত হৈ পৰিছে। শেষত তেওঁ ক'লে, মোৰ পত্নীৰ নামো যে এই কুৎসিত ৰটনাৰ সৈতে জড়িত হৈ পৰিছে সেই কথা জানা নে নাই? মই তেওঁক ক'লো, মোৰ ঘৰৰ এখন কেলেণ্ডাৰত ৰাণী মেৰীৰ ছবি আছে। তেনেহ'লে ক'ব নেকি যে ৰাণী মেৰীয়ো মোৰ অংকশায়িনী আছিল। মোৰ বক্ৰোক্তিৰ সঠিক অৰ্থ তেওঁ বুজি নাপালে যেন লাগিল। তেওঁ ক'লে, মই পেণ্টৰ বুটাম খুলি ঘুৰি ফুৰিছো। ময়ো তেওঁক ক'লো, ইয়াৰ কোনো দৰকাৰ নাই। সেইকাৰণে তেওঁ মোক চাকৰিৰ পৰা বৰ্খাস্ত কৰিছে। মই ইয়াৰ পৰা চিৰদিনৰ বাবে অহা শনিবাৰে যামগৈ। মই আৰু ইয়ালৈ কেতিয়াও নাহো।

মই বৰ্তমান লণ্ডনলৈ যাম। মোৰ ঘৰৰ গৰাকীনী হ'ল মিছেছ্ ইংগাৰ। ঠিকনা ১৭ কোনবাৰ্গ স্কোৱেৰ। তেওঁ মোক তাতে থাকিবলৈ এটা কোঠা দিব বা আন ঠাইত হ'লেও ঠিক কৰি দিব।

তোমাৰ পাপকৰ্ম এদিন প্ৰকাশিত হ'বই। বিশেষকৈ যদি তুমি মোৰ সৈতে বিয়াত বহা। মনত ৰাখিবা তাইৰ নাম বাৰ্থা।"

ইমানবোৰ কথা লিখা সত্ত্বেও মেলৰ্চে কিন্তু কনিৰ কথা একোৱে নিলিখিলে। সি কিছু সান্ত্বনা বা আশ্বাসৰ কথা লিখিব পাৰিলেহেঁতেন। সেইটোকে নকৰি তাইক মুক্তি দিছে যাতে তাই ইচ্ছামতে ৰাগবিলৈ ক্লিফোৰ্ডৰ ওচৰলৈ উভতি যাব পাৰে। খুব খং উঠিল তাইৰ। ইমান উদাৰতা আৰু বীৰত্ব দেখুৱাৰ কোনো প্ৰয়োজন নাছিল। কনিয়ে বিচাৰিছিল যে সি ক্লিফোৰ্ডৰ মুখৰ ওপৰতে কনিক ভালপাওঁ বুলি মাত মাতিব পাৰিব লাগিছিল। মোৰ প্ৰেমিক আৰু তাক লৈ মই গৰ্বিত। কিন্তু নাই, তাৰ সাহস ইমান আগুৱাই যাব নোৱাৰিলে।

তাইৰ নামো তেনেহ'লে তেভাৰচাল গাঁৱত বিয়পি পৰিল। অৱশ্যে অলপদিনৰ ভিতৰতে মানুহে এইবোৰ পাহৰি যাব।

তাইৰ খুব খং উঠিল। তাই কোনো কামতে মন বহুৱাব নোৱাৰিলে। বিকল হৈ পৰিল তাইৰ দেহমন। কি কৰিব, কি ক'ব ভাবি নাপাই তাই বিবুধিত পৰি নিশ্চুপ হৈ বহি পৰিল। তথাপি ডানকান ফোৰ্বৰ সৈতে গৈ লৱণ হ্ৰদত স্নান কৰিলে। কথা পাতিলে আৰু ইতস্তত কৰি দিনটো কটাই দিলে। দহ বছৰৰ আগতে ডানকানে তাইক ভাল পাইছিল। দুয়োৰে মাজত প্ৰেমৰ সম্পৰ্ক স্থাপন হৈছিল। পিছত বিচ্ছেদো হয়। পুৰা দহবছৰ দেখাদেখি নাই। আকৌ এতিয়া দেখা হ'ল। পুনৰ ভালপোৱা আৰম্ভ

কৰিলে ডানকানে। কিন্তু কনিয়ে ক'লে, পুৰুষৰ পৰা তাই এটা বস্তুৱেই বিচাৰে, সেইটো হ'ল সিহঁতৰ পৰা দূৰৈত থকা। ডানকানেও জোৰ নকৰিলে। সি তাৰ প্ৰেম এনেকৈ প্ৰকাশ কৰিলে যে কনিয়ে তাৰবাবে অলপো বিব্ৰতবোধ নকৰে।

এদিন ডানকানে কনিক ক'লে, "বুজিছা, সকলো মানুহেই বৰ উদাসীন। কোনেও কাৰো খবৰ নাৰাখে। তোমাৰ ডেনিয়ে দেখিছা? কোনেও নেজানে যে সি বিবাহিত আৰু সন্তানৰ পিতৃ।"

কনিয়ে ক'লে, "তাক সুধি লোৱা।"

ডানকানে তাক সোধাত সি ক'লে যে সি বিবাহিত। ঘৰত তাৰ পত্নী আৰু দুটি পুত্ৰ সন্তান আছে। এটাৰ বয়স ন আৰু আনটোৰ সাত বছৰ। কিন্তু সিহঁতৰ কাৰণে তাৰ কোনো আবেগ বা উচ্ছ্বাস নাই।

কনিয়ে ক'লে, "যিয়ে অকলে থাকিবলৈ ভাল পায়, সি আত্মস্থ, সিহঁতেই মানুহক ভাল পাব পাৰে। দাম্পত্য জীৱনত সুখী হ'ব পাৰে। বেছিভাগেই জিঅ'ভান্নিৰ দৰে মানুহৰ ওচৰে ওচৰে থাকি ভাল পায়। কনিয়ে মনে মনে ডানকানকো জিঅ'ভান্নিৰ দললৈ টানিলে।

অষ্টাদশ অধ্যায়

কনিয়ে কি কৰিব সেয়া তাই ঠিক কৰি পেলালে। ছয় দিনৰ পাছতে শনিবাৰে তাই ভেনিচ এৰিব। সেইদিনাই মেলৰ্চেও ৰাগবি ত্যাগ কৰিব। গতিকে পাছৰ সোমবাৰে তাই লণ্ডন পাবগৈ আৰু আনকি তাই তাক লগো ধৰিব। তাই তাক হাৰ্টলেগু হোটেলত লগ ধৰিবলৈ বুলি লিখি তাৰ লণ্ডনৰ ঠিকনাত চিঠি এখন দিছিল। তাই সোমবাৰে গধূলি সাত বজাত তাক লগ পালে।

ভিতৰি ভিতৰি তাই খণ্ডত জ্বলি-পকি আছিল। আনকি তাই হিলদাকো তাইৰ কি হৈছে নোকোৱাকৈ আছিল আৰু তাইৰ নিৰৱচ্ছিন্ন নীৰৱতাত খং উঠি হিলদাই ডাচ্চ মহিলা এগৰাকীৰ লগতে বন্ধুত্ব পাতিলে। কনিয়ে মাইকী মানুহৰ এনেকুৱা শ্বাসৰুদ্ধকাৰী বন্ধুত্ববোৰ ঘিণ কৰিছিল আনহাতে হিলদাই একো কথা নামানি সদায়ে এনেকুৱা বন্ধুত্বত লিপ্ত হৈছিল।

ছাৰ মেলকমে কনিৰ সৈতেই ভ্ৰমণ কৰাটো ঠিক কৰিলে আৰু ডানকানে হিলদাৰ সৈতে। বয়সস্থ শিল্পীগৰাকীয়ে সদায়ে নিজৰ সুবিধা আৰামৰ কথা লক্ষ্য কৰিহে কাম কৰে। তেওঁলোকে অৰিয়েণ্ট এক্সপ্ৰেছত টিকট কাটিলে। এই ৰেলখনৰ অশ্লীল অভদ্ৰামিৰ পৰিবেশটো কনিয়ে বৰ বেয়া পাইছিল। অৱশ্যে এইখন ৰেলেৰে গ'লে পেৰিচলৈ কিছু চমু হয়।

ছাৰ মেলকমে পত্নীৰ ওচৰলৈ ঘূৰি যোৱাৰ সময়ত সদায়ে অলপ অপ্ৰস্তুত হয়। এই অভ্যাসটো প্ৰথমা পত্নীৰ দিনতেই গঢ় লৈছিল।

ৰ'দে পোৰাৰ তাম বৰণীয়া সুন্দৰী কনিয়ে ঠাইখনিৰ দৃশ্যৰাজিলৈ মন নিদি মনে মনে বহি আছে।

"ৰাগবিলৈ ঘূৰি যোৱা কথাটো তোমাৰ বাবে অলপ আমনিদায়ক হৈছে।" তাইৰ গোমা মুখখন দেখি দেউতাকে ক'লে। "ৰাগবিলৈ ঘূৰি যামনে নাযাওঁ মই এতিয়াও খাটাং নহয়।"

দেউতাকৰ কথাবাৰত অলপ উচপ খাই তাইৰ নীলা ডাঙৰ চকুযুৰি দেউতাকৰ চকুত থৈ তাই ঘপকৈ কৈ পেলালে। তেখেতৰ ডাঙৰ নীলা চকুযোৰে অলপ ভয়াৰ্ত ৰূপ ল'লে। তেখেতৰ বিবেকে এনে কাৰ্যই কেনেকুৱা সামাজিক জটিলতাৰ সৃষ্টি কৰিব তাক বিশ্লেষণ কৰিব নোৱাৰিলে।

"তুমি ক'ব খুজিছা যে তুমি পেৰিচত কিছুদিন থাকিবা।"

"নহয়, মই কৈছো যে ৰাগবিলৈ মই কেতিয়াও ঘূৰি নাযাব পাৰোঁ।"

তেখেতক নিজৰে কিছুমান সমস্যাই জুৰুলা কৰি আছে। এতিয়া আকৌ তাইৰ সমস্যাৰ বোজা কান্ধত লোৱাৰ শক্তি নাই।

তেখেতে সুধিলে, "হঠাতে এইবোৰ কি হ'ল?"

"মই মাক হ'বলৈ ওলাইছো।"

এই কথাষাৰ তাই প্ৰথমবাৰৰ বাবে কোনো জীৱন্ত আত্মাৰ আগত ব্যক্ত কৰিলে। আৰু ই হয়তো তাইৰ জীৱনত ফাট এটা মেলিব।

দেউতাকে সুধিলে, "তুমি কেনেকৈ ধৰিব পাৰিলা?"

দেউতাকলৈ চাই মৃদু হাঁহি মাৰি তাই ক'লে, "মই কেনেকৈ ধৰিব পাৰিব লাগে?"

"কিন্তু নিশ্চয় ক্লিফোৰ্ডৰ সন্তান নহয়?"

"নহয়, বেলেগ এজনৰ ফালৰ।"

তেখেতক বিবুধিত পেলাই তাইৰ আচলতে ভালহে লাগিছিল।

"মই মানুহজনক চিনি পাওঁনে?" ছাৰ মেলকমে সুধিলে।

"নাই। তুমি তেওঁক কেতিয়াও লগ পোৱা নাই।"

তাৰপিছত ভালেখিনি সময় তেনেকৈয়ে পাৰ হৈ গ'ল।

"এতিয়া পিছে তোমাৰ পৰিকল্পনা কি?"

"মই নাজানো। সমস্যাটো তাতেই।"

"ক্লিফোৰ্ডৰ লগত কিবা কথা-বতৰা?"

"মই ভাবো, তেওঁ মানি ল'ব" কনিয়ে ক'লে, "যোৱাবাৰ তুমি তেওঁৰ লগত কথা পতাৰ পাছত তেওঁ কৈছিল যে মই যদি সাৱধানে কোনেও নজনাকৈ কৰোঁ তেন্তে তেওঁ আপত্তি নকৰে।"

"বৰ্তমান অৱস্থাত তেওঁ ক'ব পৰা এইষাৰেই হ'ল একমাত্ৰ বুধিয়ক কথা। তেন্তে মই ভাবো যে সকলোখিনি ঠিকেই থাকিব।"

"কেনেদৰে?"

দেউতাকলৈ চাই তাই সুধিলে। দেউতাকৰ চকু তাইৰ দৰেই, কিন্তু কিবা অস্বস্তিকৰ ভাব এটা আছে, যিটো কেতিয়াবা উদ্বিগ্ন সৰু ল'ৰাৰ চকুত দেখা যায় আৰু কেতিয়াবা গোমা স্বাৰ্থপৰতাত; কিন্তু তেখেত সাধাৰণতে স্ফুৰ্তিবাজ আৰু সজাগ।

"চেটাৰ্লি পৰিয়ালৰ উত্তৰাধিকাৰীৰ ৰূপত তুমি ক্লিফোৰ্ডক পুৰস্কাৰ দিবা আৰু ৰাগবিত আন এজন বেৰণে বিকাশ লাভ কৰিব।"

ছাৰ মেলকমে সামান্য আবেগ মিশ্ৰিত হাঁহি এটি মাৰিলে।

"কিন্তু মই সেইধৰণেৰে বিচৰা নাই।"

"কিয় বিচৰা নাই? আন এজনৰ অনুভূতিৰ সৈতে জোঁটাপুতি লাগিছে? বাৰু। কিন্তু মোৰ দৃষ্টিৰে যদি সত্যটো জানিব খোজা তেন্তে সেয়া হ'ল, পৃথিৱী চলিয়ে থাকিব আৰু ৰাগবিয়ো বৰ্তি আছে আৰু থাকিব। বাহ্যিক দৃষ্টিত পৃথিৱীখন কম-বেছি পৰিমাণে অপৰিৱৰ্তিত, আৰু আমি তাৰ লগত নিজৰ ফালৰ পৰা খাপ খাব লাগে। মোৰ ব্যক্তিগত মতামত এইটোৱে যে গাইগুটিয়াভাৱে আমি সন্তুষ্ট হ'ব পাৰোঁ। আৱেগ সলনি হয়। তুমি এই বছৰ এজনক বিচাৰিব পাৰা আৰু অহা বছৰ আন এজনক। কিন্তু ৰাগবি নিজৰ স্থানত দৃঢ়। ৰাগবিৰ সৈতে তুমি জড়িত হৈ থাকা যেতিয়ালৈকে ৰাগবি তোমাৰ সৈতে জড়িত হৈ থাকে। তাৰ পিছতহে নিজক সন্তুষ্ট কৰিবা। বিচ্ছেদৰ পৰা তুমি বিশেষ একো নোপোৱা। ইচ্ছা কৰিলে তুমি সম্বন্ধ ভাঙি পেলাব পাৰা। তুমি স্ব-উপাৰ্জিত অৰ্থৰে অৰ্থশালী আৰু ইয়ে তোমাক কেতিয়াও ডুবিবলৈ নিদিয়ে। কিন্তু তোমাৰ বিশেষ লাভ নহয়। এটি কণমানি বেৰনেটক ৰাগবিত স্থিতি দিয়া। এইটো এটা বৰ মনোগ্ৰাহী কাম হ'ব।"

ছাৰ মেলকমে আউজি বহি আকৌ হাঁহিলে। কনিয়ে একো উত্তৰ নিদিলে।

"মই আশা কৰিছো যে অৱশেষত তুমি এজন প্ৰকৃত পুৰুষ পালা।"

অলপ সময়ৰ পাছত তেওঁ বাক্যশাৰী সম্পূৰ্ণ কৰিলে, "কামনাৰে জাগ্ৰত।"

"মই পাইছো। সমস্যাটো সেইটোৱেই। তেনেকুৱা প্ৰকৃত পুৰুষ এজন পোৱাটো বিৰল।" তেখেতে ৰস লগাই ক'লে, "নাই, ভগৱানৰ শপত। পাবলৈ নাই সোণজনী। কিন্তু তোমালৈ চাই বুজিব পাৰিছো যে তেওঁ এজন ভাগ্যৱান মানুহ। তেওঁ তোমাৰ কাৰণে কেতিয়াও সমস্যাৰ সৃষ্টি নকৰে।"

"নাই, নকৰে। তেওঁ মোক একেবাৰে মোৰ নিজৰ মতে চলিবলৈ দিছে।"

"ঠিক, ঠিক। এজন প্ৰকৃত পুৰুষে তাকেই কৰে।"

ছাৰ মেলকমে ভাল পালে। কনি তেখেতৰ বৰ মৰমৰ ছোৱালী। তাইৰ নাৰীসুলভতা তেখেতে পছন্দ কৰে। তাই মাকৰ দৰে নহয়; কিন্তু হিলদা মাকৰ দৰে। তেওঁ ক্লিফোৰ্ডক কেতিয়াও ভাল পাব পৰা নাছিল। গতিকে তেওঁ এতিয়া সন্তুষ্ট আৰু কনিৰ প্ৰতি ইমান সহানুভূতিশীল যে তাইৰ গৰ্ভত থকা সন্তানটি তেওঁৰহে যেন।

তেখেতে কনিক গাড়ীৰে হাৰ্টলেণ্ড হোটেললৈ লৈ আহিল আৰু হোটেলৰ কোঠাত তাইক থানথিত লগাইহে বিদায় ল'লে। তাৰ পিছত তেখেত নিজৰ ক্লাবলৈ গ'ল। কনিয়ে তেখেতৰ লগত নাযাওঁ বুলি ক'লে।

তাই মেলৰ্চৰ পৰা চিঠি এখন পালে।

"মই তোমাৰ হোটেললৈ নাযাওঁ। তাৰ পৰিবৰ্তে আদম ষ্ট্ৰীটত থকা গ'ল্ডেন কুকুৰ সন্মুখত সাত বজাত বৈ থাকিম।"

সি কোবাৰ দৰেই সেই ঠাইতে ভাল সাজ-পাৰ পিন্ধি সি বৈ আছিল। এই পোছাকত তাক একেবাৰে বেলেগ লাগিছিল। তাৰ চেহেৰাৰ এটা বিশেষত্ব আছে, যিটো তাইৰ নিজৰ শ্ৰেণীৰ সাঁচত বন্দী চেহেৰাৰ পৰা পৃথক। তথাপিয়ো তাই দেখিলে যে সি যিকোনো ঠাইলৈকে তাইৰ লগত যাব পৰাকৈ দেখনিয়াৰ হৈছে। আচলতে তাৰ চেহেৰাটো তাইৰ শ্ৰেণীগত বৈশিষ্ট্যৰ চেহেৰাতকৈ ভালহে লগা হৈছে।

"তুমি বৈ আছা। তোমাক ইমান ধুনীয়া লাগিছে।"

"হয়, কিন্তু তোমাতকৈ কম।"

কনিয়ে কিছু উদ্বেগেৰে তাৰ মুখলৈ চালে। তাৰ মুখখন আগতকৈ শুকান যেন লাগিছে। গালৰ হনুবোৰ জিলিকি গৈছিল। কিন্তু তাৰ মুখত এটা হাঁহি-বিৰিঙি থকা দেখি তাই আশ্বস্ত হ'ল। নিজৰ দেহাটো লোভনীয় কৰি তুলিবলৈ চেষ্টা কৰাৰ আৰু প্ৰয়োজন নাই। মেলৰ্চলৈ চাই চাই তাই মনৰ ভিতৰত এক বুজাব নোৱৰা আৰাম আৰু স্বাচ্ছন্দ্য অনুভৱ কৰিলে। নাৰীমনৰ সহজ স্বাভাৱিক সুখ তৃষ্ণাত তৃপ্ত হোৱাৰ পাছত তাই মনে মনে কৈ উঠিল, 'ই যিমান সময় মোৰ ওচৰত থাকে সিমান সময় মই বৰ সুখী হৈ থাকো।' তাইৰ এনে লাগিল সুন্দৰী সমুদ্ৰবৰ্তিনী ভেনিচৰ অফুৰন্ত সূৰ্যৰ কিৰণেও তাইৰ অন্তৰত এনেদৰে ঢৌ খেলি তৃপ্তি, আনন্দ দিব পৰা নাছিল।

এখন টেবুলত দুয়ো মুখামুখিকৈ বহিল। কনিয়ে তাক সুধিলে, "তোমাৰ বৰ বেয়া লাগিছিল?" তাক সঁচাকৈয়ে বৰ খীণ যেন দেখা গৈছিল। তাৰ হাত দুখন এনেদৰে আছিল যেন শুই থকা পশুৰ হাতোৰা দুখনহে। তাৰ হাতত তাইৰ চুমা খাবলৈ মন গৈছিল। কিন্তু সাহস নহ'ল।

সি ক'লে, "সাধাৰণ মানুহবোৰ সদায়ে বৰ ভয়ংকৰ।"

"তুমি মনত বৰ দুখ পাইছিলা?"

"পাইছিলো। আৰু এইবোৰ কথা মনত পৰিলে সদায়ে মনত দুখ লাগিব।"

"তোমাৰ অৱস্থাটো বাৰু নেজত টিনবন্ধা কুকুৰৰ দৰে হৈছিল নেকি? ক্লিফোৰ্ডে তোমাক সেই বুলি কৈছিল?"

মেলৰ্চে কনিলৈ বিৰক্তিৰে চালে। বৰ নিষ্ঠুৰ কথা এবাৰ তাই ক'লে। তাৰ অহং বোধত আঘাত লাগিছিল।

মেলৰ্চে ক'লে, "হয়, তেনেকুৱাই হৈছিল।"

একেবাৰে অপমান সহ্য কৰিব নোৱাৰি সি কোনোধৰণৰ অপমানৰ আঘাতত খণ্ডতে জুইৰ দৰে জ্বলি উঠে। তিক্ততাৰে জ্বলে মন।

অলপ সময় দুয়ো মনে মনে ৰ'ল। তাৰপিছত কনিয়ে সুধিলে, "তুমি মোৰ অভাৱ অনুভৱ কৰিছিলানে?"

"তুমি সেই সময়ত তাত নথকাৰ বাবে মই ভাল পাইছিলো।"

পুনৰ দুয়ো নিশ্চুপ হৈ পৰিল।

তাই আকৌ ক'লে, "তোমাৰ মোৰ সম্পৰ্কটো মানুহে বিশ্বাস কৰিছে নেকি?"

"মোৰ তেনেকুৱা যেন নালাগে।"

"ক্লিফোৰ্ডে কৰে নেকি?"

"মই নাজানো। ক্লিফোৰ্ডে এই বিষয়ে বিশেষ একো চিন্তা-ভাবনা নকৰাকৈয়ে মোক আঁতৰাই পঠাইছে। কিন্তু তেওঁ চাব বিচাৰিছিল শেষ মুহূৰ্তলৈকে মই কি কৰোঁ।"

"মই মাক হ'বলৈ ওলাইছো।"

হঠাতে তাৰ মুখৰ উজ্জ্বলতা হেৰাই গ'ল। আন্ধাৰ মুখখনৰে সি কনিলৈ এনেদৰে চালে যে তাই তাৰ সেই দৃষ্টিৰ কোনো অৰ্থ বুজি নাপালে।

মেলৰ্চৰ দুয়ো হাতৰ সন্ধান কৰি তাই তাক অনুনয়ৰ সুৰত সুধিলে, "তুমি কোৱা, তুমি সুখী হৈছানে?"

কনিয়ে দেখিলে প্ৰকৃত আনন্দৰ এটা তৰল আবেগ তাৰ মুখত ফুটি উঠিছে। কিন্তু সেই আবেগৰ অভিব্যক্তি ঘন কুঁৱলীৰে আবৰা। এখন দুৰ্বোধ্য জালেৰে ঢকা। কনিয়ে সেইখন ভেদ কৰি যাব নোৱাৰিলে।

মেলৰ্চে ক'লে, "ভবিষ্যতৰ কথা ভাবিছো।"

তাই আকৌ ক'লে, "তুমি সুখী হোৱা নাই নেকি? কোৱাচোন।"

"মই ভবিষ্যতটোক কোনোমতেই বিশ্বাস কৰিব পৰা নাই।"

"কিন্তু তুমি দায়িত্বৰ কথা চিন্তা কৰি চিন্তিত হ'ব নালাগে। ক্লিফোৰ্ডে সেই সন্তান নিজৰ বুলি গ্ৰহণ কৰিব।"

মেলৰ্চৰ মুখখন একেবাৰে ম্লান হৈ পৰিল। সি একো নক'লে।

কনিয়ে তাক সুধিলে, "মই বাৰু ক্লিফোৰ্ডৰ ওচৰলৈ গৈ তেওঁক এজন সৰু বেৰণ দান কৰিমনে?"

সেই একেই ম্লান মুখেৰে সি কনিলৈ চালে। সেই ম্লান মুখৰ ওপৰত ফুটি উঠা ক্ষীণ হাঁহিটোৰে তাৰ মুখখন বৰ কুৎসিত দেখাইছিল। মেলৰ্চে ক'লে, "তুমি কিন্তু তালৈ গৈ এই সন্তানৰ বাপেক কোন সেইকথা কাকো নক'বা।"

"বাপেক কোন সেই কথা জানিলেও তেওঁ সেই সন্তান গ্ৰহণ কৰিব।"

মেলৰ্চে খন্তেক ভাবি ক'লে, "হয়, গ্ৰহণ কৰিব।"

পুনৰ নীৰৱতাই দুয়োৰে মাজত গঢ়ি তুলিলে এক ব্যৱধান।

কনিয়ে ক'লে, "কিন্তু মই আৰু ৰাগবিত থকাকৈ নাযাওঁ।"

"তেনেহ'লে কি কৰিব বিচাৰিছা তুমি?"

"মই তোমাৰ লগত থাকিব বিচাৰো।" তাই বৰ সহজভাৱে ক'লে।

এই কথাষাৰ শুনাৰ লগে লগে তাৰ অনিচ্ছাসত্ত্বেও জুইৰ এটি শিখা তাৰ পেটৰ ভিতৰলৈ সোমাই গ'ল। তাৰ মূৰটো ঢলি পৰিল। সি বাৰে বাৰে কনিলৈ চাবলৈ ধৰিলে। সি ক'লে, "তোমাৰ এই ইচ্ছা হ'লেও মোৰ যে কোনো সংস্থান নাই।"

"তোমাৰ যিখিনি আছে সেইখিনি বহুতৰে নাই।"

"হয়। এক ফালৰ পৰা হয়। মই জানো।"

খন্তেক ভাবি সি আকৌ ক'বলৈ ধৰিলে, "সিহঁতে কয় মই মাইকী মানুহৰ দৰে। মই গুলিয়াই চৰাই মাৰিব নোৱাৰো সেইকাৰণে নহয়, কিয়নো মই টকা ঘটিব নোৱাৰো। মই যুদ্ধত যোগদান কৰিছিলো, কিন্তু মই সেয়া ভাল পোৱা নাছিলো। মই সেই মানুহবোৰক ভাল পাইছিলো, সিহঁতেও মোক ভাল পাইছিল, কিন্তু এতিয়াৰ সমাজৰ এই মানুহবোৰক মোৰ অকণো ভাল নালাগে। এই শ্ৰেণীবৈষম্য, টকা উপাৰ্জনৰ এই কৰ্ম-কাণ্ডবোৰ মই ঘিণ কৰোঁ। কিন্তু এয়ে জগতৰ ৰীতি। মই তিৰোতাক কি দিম? মোৰ দিবলৈ একো নাই।"

কনিয়ে ক'লে, "দিয়াৰ কথা কিয় ভাবিছা? এয়াতো দৰ-দামৰ কথা নহয়। আমি দুয়ো দুয়োকে ভাল পাওঁ, এয়াই যথেষ্ট।"

"নাই, নাই, জীৱন মানে গতি। জীয়াই থকা মানে আগুৱাই যোৱা। মই সেয়া পৰা নাই কাৰণেই পুৰণি টিকটৰ দৰে অচল। গতিকে মই কোনো নাৰীক জীৱন সংগিনী হিচাপে গ্ৰহণ কৰিব নোৱাৰো। যেতিয়ালৈকে মই ক'তো স্থায়ীভাৱে বসবাস নকৰোঁ, যেতিয়ালৈকে মই মানসিকভাৱে প্ৰস্তুত নহওঁ তেতিয়ালৈকে মই কোনো নাৰীক গ্ৰহণ কৰিব নোৱাৰো।" নিজৰ জীৱনটোক কোনো দিশত অৰ্থময় কৰি তুলিব নোৱৰালৈকে কোনো পুৰুষে কোনো নাৰীক একো দিব নোৱাৰে। নাৰী যদি প্ৰকৃত নাৰী হয় তেন্তে তেওঁৰ সৈতে মনে-প্ৰাণে নিঃসংগ জীৱন-যাপন কৰা নাযায়। পুৰুষে যেনেকৈ ৰক্ষিতা ৰাখে তেনেকৈ মই তোমাৰ ওচৰত ৰক্ষিতাৰ দৰে থাকিব নোৱাৰো।"

"কিয় নোৱাৰা?"

"কিয় আকৌ! মই নোৱাৰো আৰু। অলপ দিনৰ পাছতে ঘিণ কৰিবা।"

"এনে লাগিছে, তুমি মোক বিশ্বাস কৰিব পৰা নাই।"

মুখত অকণমান হাঁহি ফুটাই সি ক'লে, "তোমাৰ টকা, তোমাৰ পদমৰ্যাদা, গতিকে সকলো সিদ্ধান্ত তুমিয়ে ল'বা আৰু মই মাত্ৰ তোমাৰ সৈতে শুম।"

"ইয়াৰ বাহিৰে তুমি কি হ'ব বা কৰিব বিচাৰা?"

"তুমি অৱশ্যে সেইবুলি ক'ব পাৰা। কিন্তু মই কিবা এটা হ'ব বিচাৰো। মোৰ

অস্তিত্বৰ এটা অৰ্থ বিচাৰো। কিন্তু মই ভালকৈ জানো বহুতেই এই অস্তিত্বৰ অৰ্থ বুজিবলৈ যত্ন নকৰে।"

"মোৰ সৈতে একেলগে থাকিলে তোমাৰ অস্তিত্বৰ অৰ্থ নোহোৱা হ'ব?"

অলপ সময় ৰৈ সি ক'লে, "হ'ব পাৰে।"

কনিয়েও ভাবিলে। তাৰ পিছত তাই সুধিলে, "তোমাৰ অস্তিত্বৰ অৰ্থ মানে কি?"

"মই তোমাক আগতেও কৈছো। সেয়া অদৃশ্য। আচল কথাটো হ'ল, মই এই জগত আৰু ইয়াৰ অগ্ৰগতি, মানৱ সভ্যতাৰ ভৱিষ্যত— বিশ্বাস নকৰোঁ। টকাৰ প্ৰয়োজনীয়তাক বিশ্বাস নকৰোঁ। মানৱ জাতিৰ ভৱিষ্যত উজ্জ্বল কৰি তুলিবলৈ হ'লে সকলোতে এটা পৰিবৰ্তন আনিব লাগিব।"

"কিন্তু সেই ভৱিষ্যত কেনেকুৱা হ'ব?"

"ভগবানেহে জানে। মোৰ মনৰ মাজৰ প্ৰচণ্ড ক্ৰোধৰ সৈতে সান-মিহলি হৈ পৰা অনুভূতিৰ বুৰ-বুৰণিক জানো, কিন্তু সেইটো কি নাজানো।"

কনিয়ে তালৈ চালে আৰু ক'লে, "মই কওঁ? তোমাৰ এনে এটি বস্তু আছে যিটো আন পুৰুষৰ মাজত নাই। মোৰ মতে ইয়েই এটা নতুন ভৱিষ্যত গঢ়ি তুলিব। মই কওঁনে?"

"কোৱা, কি?"

"সেইটো হ'ল, তোমাৰ আসক্তিৰ নিবিড়তাৰ সাহস। তুমি যেনেকৈ সাহসৰ সৈতে আৰু স্বাভাৱিকভাৱে হাত দিয়া সেয়া সঁচাই বিৰল।"

তাৰ মুখত হাঁহি ওলাল। সি ক'লে, "হয় নেকি?"

তাৰ পিছত সি আকৌ ভাবিবলৈ ধৰিলে। খন্তেক পাছত ক'লে, "হয়, তুমি ঠিকেই কৈছা। এইটোৱে হৈছে একমাত্ৰ পথ। পৰস্পৰে পৰস্পৰক স্পৰ্শ কৰা। ইয়াৰ জৰিয়তেই মানুহৰ মানুহৰে সৈতে নিবিড় সম্পৰ্ক স্থাপন হয়। আসক্তি আৰু মমতা গঢ়ি উঠে। দৈহিক সম্পৰ্ক হ'ল দেহগত স্পৰ্শৰ নিবিড়তা। এই নিবিড়তাই আমাক জীৱন্ত কৰি তোলে। কিন্তু আজিকালি আমাৰ মাজত এই নিবিড়তা নাই কাৰণেই আমি যেন অৰ্ধচেতন আৰু অৰ্ধমৃত। আমাৰ ইংৰাজৰ এই গুণটো বেছি হোৱাটো প্ৰয়োজন।"

"তেন্তে তুমি মোক কিয় ভয় কৰা?"

"ভয় কৰোঁ টকা, পদমৰ্যাদা আৰু তোমাৰ সমাজখনক।"

"মোৰ মমতা, ভালপোৱা নাই নেকি?"

তাৰ ক'লা ক'লা চকু দুটাৰে তাইলৈ চাই সি ক'লে, "আছে কাৰণেইতো। কিন্তু মোৰ দৰেই আহে আৰু যায়। সকলো সময়তে স্থিৰ হৈ নাথাকে।"

উদ্বেগেৰে কনিয়ে সুধিলে, "কিন্তু তুমি মোৰ সেই মমতাৰ ওপৰত বিশ্বাস নকৰা? কনিয়ে দেখিলে, মেলৰ্চৰ মুখত সেই প্ৰেমাসক্তিৰ ভাবটো আৰু নাই। সি মাথোঁ ক'লে, "কৰো ছাগে।"

দুয়ো নিশ্চুপ হৈ ৰ'ল।

কনিয়ে ক'লে, "মই বিচাৰো, তুমি মোক সাবটি ধৰা, মোক চুমা খাই কোৱা, আমাৰ সন্তান এটি হ'ব কাৰণে মই বৰ সুখী হৈছো।"

কনিক দেখিবলৈ ইমান ধুনীয়া লাগিছিল যে মেলৰ্চৰ সৰ্বশৰীৰ শিহৰিত হৈ পৰিল।

"ব'লা মোৰ ঘৰলৈ।" সি ক'লে, "যদিও কুৎসা ৰটনা হ'ব।"

কনিয়ে দেখিবলৈ পালে মেলৰ্চৰ মুখত আকৌ ফুটি উঠিছে প্ৰেমাসক্তিৰ ভাব। সি পুনৰ পাহৰিলে সমস্ত জগতখনৰ কথা। দুয়ো খোজকাঢ়ি ক'বাৰ্গ স্কোৱেৰলৈ আগবাঢ়িল। তাৰে এটা ঘৰৰ একেবাৰে ওপৰতলাৰ এটা কোঠা মেলৰ্চে ভাড়ালৈ লৈছে। তাতে সি নিজে ৰন্ধা-বঢ়া কৰি খায়। কোঠালিটো সৰু যদিও বেচ পৰিষ্কাৰ।

কনিয়ে তাইৰ কাপোৰযোৰ খুলিলে। তাৰ পাছত তাকো খুলিবলৈ ক'লে। প্ৰথম আসন্ন মাতৃত্বই তাইৰ শৰীৰলৈ পূৰ্ণতা কঢ়িয়াই আনিছে। কোমল-আমল হৈ পৰিছে দেহাটো।

মেলৰ্চে ক'লে, "মই বিচাৰো, তোমাৰ ইচ্ছামতে তুমি য'লৈকে মন যায় যোৱা।"

"নাই নাই। তেনেকৈ নক'বা। তুমি মোক সদায় ভাল পাই থাকিবা। তোমাৰ কাষত মোক ৰাখি থ'বা। মোক ক'লৈকো যাবলৈ নিদিবা।"

কনিয়ে তাৰ নগ্ন আৰু বলিষ্ঠ শৰীৰটোৰ ঘনিষ্ঠ হৈ বহিল। তাইৰ এনে লাগিল গোটেই পৃথিৱীৰ ভিতৰত এইটোৱেই হ'ল আচল ঘৰ, মেলৰ্চৰ বুকুখনেই তাইৰ একমাত্ৰ আশ্ৰয়স্থল।

কনিক দুয়োহাতেৰে আঁকোৱালি ধৰি আবেগিক হৈ মেলৰ্চে ক'লে, "অ', মই তোমাক মোৰ ওচৰত ৰাখি থ'ম। ৰাখি থ'ম তোমাক মোৰ ওচৰত।"

কনিয়ে আকৌ একেটা কথাকে ক'লে, "কোৱানা, তুমি আমাৰ সন্তান এটি হ'ব কাৰণে সুখী হৈছো বুলি কোৱা। মোৰ পেটত চুমা এটা খোৱা।"

কিন্তু মেলৰ্চৰ কাৰণে কামটো সঁচায়ে বৰ কঠিন। সি ক'লে, "কোনো সন্তানকে মই পৃথিৱীলৈ আনিব নিবিচাৰো। সিহঁতৰ ভৱিষ্যতৰ কথা ভাবি মই বৰ শংকিত হৈ পৰোঁ।

"কিন্তু তোমাৰ সন্তান মই ধাৰণ কৰিছো। তাৰ প্ৰতি তোমাৰ মমতা দেখুৱা। এই মমতাভৰা স্নেহেই হ'ব তাৰ ভৱিষ্যত। চুমা খোৱা।"

মেলৰ্চ কঁপি উঠিল। কনিৰ কথাটোৱে সঁচা। তাই ঠিকেই কৈছে, তাৰ প্ৰতি স্নেহ প্ৰকাশ কৰা এই মমতাই তাৰ ভৱিষ্যত গঢ়ি তুলিব। মুহূৰ্তৰ ভিতৰতে সি কনিৰ

প্ৰতি এক গভীৰ প্ৰেমৰ আসক্তি অনুভৱ কৰিলে। লগে লগে তাইৰ পেটটোত চুমা খালে। তাইৰ স্তন যুগলৰ পৰা আৰম্ভ কৰি তলপেট পৰ্যন্ত সি চুমা খালে।

তাই অস্ফুট স্বৰে কৈ উঠিল, "মোক ভাল পোৱা, মোক ভাল পোৱা তুমি।"

কনিৰ সৈতে সংগমৰত অৱস্থাত সি অনুভৱ কৰিলে, এই সংগমৰ প্ৰয়োজন আছিল। তাৰ আত্ম-মৰ্যাদাবোধ বা ব্যক্তিত্বৰ অখণ্ডতাক অলপো ক্ষুন্ন নকৰাকৈ এই শৰীৰী স্পৰ্শৰ, এই নিবিড়তম আলিংগনৰ প্ৰয়োজন আছিল। তাৰ হঠাতে মনলৈ আহিল, তাৰ টকা নাই, পদ-মৰ্যাদা নাই, বিষয়-সম্পত্তি একো নাই, কিন্তু সেয়া থাককেই বা নাথাকক, তাৰ মমতা আছে, ভাল পোৱা আছে আৰু আছে প্ৰবল আত্মাভিমান। কনিয়ে যদি কেতিয়াবা কোনো ক্ষেত্ৰত অপমান কৰি তাৰ আত্মাভিমানত আঘাত কৰে, তেতিয়াহ'লে লগে লগেই সিয়ো তাৰ সমস্ত ভালপোৱা, মমতা প্ৰত্যাহাৰ কৰিব। এইদৰেই সি মানুহৰ পাৰস্পৰিক শৰীৰী স্পৰ্শ আৰু প্ৰেমৰ প্ৰতীক হিচাপে কনিৰ সৈতে তাৰ সম্পৰ্কটো বজাই ৰাখিব। এই বিষয়ত কনি তাৰ জীৱন সংগিনী, সহধৰ্মিনী। এইদৰেই সি আধুনিক জগত আৰু যন্ত্ৰ-সভ্যতাৰ সকলোবোৰ অৰ্থহীন লোলুপতাৰ বিৰুদ্ধে সংগ্ৰাম কৰি যাব। আৰু কনিয়ে তাৰ পাছত থাকি তাক সহায় কৰি যাব। হে ঈশ্বৰ, তোমাক ধন্যবাদ, ইমান দিনৰ মূৰত মই মনৰ মতন এজনী মানুহ পাইছো, যিজনীয়ে মোক ভাল পায়, বুজি পায়। এই সংগম যেন এক সাধাৰণ প্ৰজনন ক্ৰিয়া নহয়, এই সংগম তাতকৈয়ো ডাঙৰ সৃষ্টিশীল। দুটি প্ৰাণ প্ৰৱাহৰ মিলন হৈ পৰে।

কনিয়েও দৃঢ়তাৰে সংকল্প ল'লে, সিহঁতৰ মাজত যেন আৰু এৰাএৰি নহয়। এতিয়া মাত্ৰ ক'ত কেনেকৈ থকা হ'ব আৰু তাৰ সৈতে জড়িত আনুষংগিক ব্যৱস্থাসমূহ কি হ'ব তাক ঠিকঠাক কৰিব লাগে।

কনিয়ে তাক এবাৰত সুধিলে, "তুমি বাৰ্থা কউটচক ঘৃণা কৰানে?"

"তাইৰ কথা মোৰ আগত নুলিয়াবা।"

"উলিয়াব লাগিব। কাৰণ এদিন তুমি তাইক পছন্দ কৰিছিলা। তাইক ভাল পাইছিলা। আজি মোৰ সৈতে যিমান অন্তৰংগ হৈছা তেনেকৈ এদিন তাইৰ সৈতেও হৈছিলা। গতিকে তুমি মোক ক'ব লাগিব দিন ইমান ভালপোৱা ছোৱালীজনীক আজি কেনেকৈ ইমান ঘৃণা কৰিছা। কিয় এনেকুৱা হ'ল?"

"মই সঠিক নাজানো। তাই সকলো সময়তে মোৰ বিৰুদ্ধে তাইৰ ইচ্ছাৰ পতাকা উৰুৱাইছিল। তাইৰ ভয়ংকৰ স্বাধীনতা আৰু তাৰ অপব্যৱহাৰৰ ফলত তাই স্বৈৰিণী হৈ পৰে।"

"কিন্তু তাই এতিয়াও তোমাৰ পৰা মুক্ত নহয়। তাই তোমাক এতিয়াও ভাল পায় নেকি?"

"একেবাৰেই নাপায়। তাই যদি মোৰ পৰা এতিয়াও মুক্ত হ'ব নিবিচাৰে তেনেহ'লে

বুজিব লাগিব যে তাই মোৰ ওপৰত খঙত বলিয়া হৈ আছে আৰু যিকোনো উপায়েৰে মোৰ ওপৰত প্ৰতিশোধ ল'ব বিচাৰিছে।"

"কিন্তু তাই তোমাক ভাল পাবও পাৰে।"

"নাই, নাই। তাই মোক কোনোপধ্যেই ভাল নাপায়। তাই ঘিণ কৰে। তাইৰ গভীৰতম বাসনা আছিল মোক ঘৃণা কৰা, মোক কষ্ট দিয়া। তাইৰ সেই ভয়ংকৰ বাসনা প্ৰথমৰে পৰাই ভুল দিশে আগবাঢ়িছিল।

"কিন্তু এনেকুৱাও হ'ব পাৰে, তাই তোমাৰ প্ৰেম বিচাৰিছিল, কিন্তু নাপাই তোমাক বাধ্য কৰাইছিল তাইক ভাল পাবলৈ।"

"কি ভয়ংকৰ কথা!"

"কিন্তু তুমিতো সঁচাকৈ তাইক ভাল পোৱা নাছিলা। তুমি অন্যায়েই কৰিছা।"

"মই আকৌ কেনেকৈ অন্যায় কৰিলো? মই তাইক ভাল পাবলৈ আৰম্ভ কৰিছিলো। কিন্তু ভালপোৱাৰ পৰা তাই নিজকে ছিঙি লৈ যায়। তাইৰ কথা আৰু নক'বা। তাই বৰ অভিশপ্ত মানুহ। তাই যেতিয়া শেষবাৰ মোৰ ওচৰলৈ আহিছিল, মোৰ তাইক গুলিয়াই মাৰিবলৈ মন গৈছিল। কোনো নাৰীৰ ভ্ৰান্ত, উন্মত্ত ইচ্ছাশক্তিয়ে যেতিয়া নিজস্ব উগ্ৰতাৰে সকলোকে উৰুৱাই দিব বিচাৰে তেতিয়া তাই ভয়ংকৰ হৈ উঠে আৰু তেতিয়া তাইক গুলিয়াই দিয়াৰ বাহিৰে আন পথ নাথাকে।"

"কিন্তু পুৰুষো যদি সেইধৰণেই ইচ্ছাশক্তিৰ উগ্ৰতাত উন্মত্ত হৈ উঠে, তেতিয়া সিহঁতকো হত্যা কৰিব লাগে?"

"কৰিব লাগে। কিন্তু তাতকৈ আমি এতিয়া আইনসংগতভাৱে এৰাএৰি হ'ব লাগে। নহ'লে তাই আকৌ আহিব পাৰে। বিবাহ-বিচ্ছেদ কৰিবই লাগিব। গতিকে আমি সাৱধান হ'ব লাগিব। আমি যাতে একেলগে ৰাস্তাত ঘূৰা-ফুৰা নকৰোঁ। তাই যদি সঁচাকৈয়ে কোনোবাদিনা আমাৰ দুয়োৰে মাজত সোমায়হি, মই কোনোপধ্যেই সহ্য কৰিব নোৱাৰিম।"

কনিয়ে এই বিষয়ে ভাবিবলৈ ধৰিলে। তাই ক'লে, "তেনেহ'লে আমি একেলগে থাকিব নোৱাৰিম?"

"ছমাহ বা তাতকৈ কেইদিনমান বেছি। মোৰ হিচাপ মতে আমাৰ বিবাহ-বিচ্ছেদ ছেপ্টেম্বৰতেই হৈ যাব। তেতিয়াহ'লে মাৰ্চ মাহ পৰ্যন্ত আমি একেলগ হ'ব নোৱাৰিম।"

"কিন্তু আমাৰ সন্তানটিৰ জন্ম হ'ব খুব সম্ভৱ ফেব্ৰুৱাৰীত।"

মেলৰ্চ নিশ্চুপ হৈ পৰিল। তাৰ পিছত সি ক'লে, "মই এই ক্লিফোৰ্ড, বাৰ্থা, ইহঁতবোৰ মৰি যোৱাটো কামনা কৰোঁ।"

"তোমাৰ সিহঁতৰ প্ৰতি অকণো দয়া-মৰম নাই?"

"সিহঁতক দয়া? মৃত্যুদান কৰাটোৱে সিহঁতৰ প্ৰতি আটাইতকৈ দয়াৰ কাম

হ'লহেঁতেন। সিহঁতৰ জীৱনটো হতাশাৰে ভৰা। সিহঁতৰ আত্মাবোৰে সিহঁতৰ ভিতৰত বিকৃত ৰূপ লৈছে। মৃত্যুহে সিহঁতৰ বাবে মিঠা। গতিকে সিহঁতক গুলিওৱাৰ অনুমতি মোক প্ৰদান কৰা উচিত।"

"তুমি কিন্তু সেইবোৰ কৰিব নালাগে।"

"কিন্তু মই পানীত থকা উদ এটা গুলিয়াই মৰাতকৈ কম অনুশোচনাৰে সিহঁতক গুলিয়াব পাৰিম। ক্লিফোৰ্ডৰতো কিবা এটা সৰলতা আৰু নিঃসংগতা আছেই। ইহঁত হৈছে শত্ৰুৰ দল। মই সিহঁতক গুলিয়াই মাৰিম।"

"তুমি সাহস নকৰাই ভাল।"

"বাৰু।"

কনিৰ এতিয়া বহুত ভবা-চিন্তা কৰিবলৈ আছে। এইটো পৰিষ্কাৰ যে সি এতিয়া বাৰ্থাৰ পৰা সম্পূৰ্ণৰূপে মুক্ত হ'ব বিচাৰিছে। আৰু তাই ভাবে সি শুদ্ধ। সেই আক্ৰমণটো বৰ ভয়াবহ আছিল। এইটোৱে ইয়াকে সূচায় যে তাই অহা বসন্ত কাললৈকে অকলে থাকিব লাগিব। কিজানি তাই ক্লিফোৰ্ডৰ পৰা বিচ্ছেদ পাব। কিন্তু কেনেকৈ? যদি মেলৰ্চৰ নাম লোৱা হয় তেতিয়াহ'লে তেওঁৰ পৰা বিচ্ছেদ পোৱা আশা কৰিব নোৱাৰি। কি ঘিণ লগা! পৃথিৱীৰ ইটোমূৰলৈ গুচি যাব পৰা হ'লে আমি সকলোবোৰৰ পৰা মুক্ত হৈ গ'লোহেঁতেন।

কিন্তু নোৱাৰি। সিমূৰৰ 'চাৰিং ক্ৰচ'ৰ পৰাও আজিকালি পাঁচ মিনিটৰহে বাট। যেতিয়া 'ৱাৰলেছ' সক্ৰিয় হৈ থাকে তেতিয়া কোনো ঠায়ে দূৰৈৰ নহয়। ডাহোমে'ৰ ৰজা আৰু তিব্বতৰ লামায়ো লণ্ডন আৰু নিউয়ৰ্কৰ বাতৰি শুনে।

ধৈৰ্য! ধৈৰ্য! পৃথিৱীখন প্ৰশস্ত আৰু ভয়াবহ জটিলতাৰে ভৰা, গতিকে খুব সজাগ নহ'লে, তাৰ মেৰপেচত আবদ্ধ হৈ পৰিব লাগিব।

কনিয়ে এই গোপন সম্বন্ধৰ কথা দেউতাকক ক'লে।

"চোৱা দেউতা, সি ক্লিফোৰ্ডৰ খেলৰ চৰাই ৰখীয়া। কিন্তু সি ভাৰতীয় সৈন্যৰ এজন অফিচাৰ আছিল। তাৰমানে সি কৰ্ণেল চি, ই, ফ্লোৰেন্সৰ দৰেই আছিল। যিজনে আকৌ স্বাধীন সৈন্যৰূপে থাকিবলৈ ল'লে।

ছাৰ মেলকমে কিন্তু ফ্লেৰেন্স নামৰ সেই কৰ্ণেলৰ নামৰ মাজত কোনো অৰ্থ বা তাৎপৰ্য বুজি নাপালে। কথাবোৰ বৰ দুৰ্বোধ্য যেন লাগিল। ছাৰ মেলকমে বিৰক্তিৰে সুধিলে, "কিন্তু তাৰ জন্ম ক'ত হৈছিল?"

"তেভাৰচাল গাঁৱৰ খনি শ্ৰমিকৰ সন্তান সি। কিন্তু তাক এতিয়া যিকোনো উচ্চ সমাজ এখনলৈ নিব পৰা যায়।"

"সোণ খান্দোতা যেন লাগিছে।" ছাৰ মেলকমে ক'লে, "আৰু আপাততঃ তুমি হৈছা এটা সহজলভ্য সোণৰ খনি।"

"নহয় দেউতা, তেনেকুৱা কথা নহয়। তাক দেখিলেহে তুমি বুজিবা। সি এজন পুৰুষ। সি বিনম্ৰ নোহোৱা বাবে ক্লিফোৰ্ডে তাক ভাল নাপাইছিল।"

"হয়তো তাৰ এটা স্বভাৱজাত ভাল বোধশক্তি আছে।

ছাৰ মেলকমে সহ্য কৰিব নোৱৰা কথাটো হৈছে তেওঁৰ জীয়েকৰ এটা শেনচোৱাৰ সৈতে অবৈধ সম্বন্ধৰ অপযশ। সম্বন্ধটোৰ বাবে তেওঁ চিন্তিত নহয়, বদনামৰ বাবেহে বেয়া লাগিছে। "ল'ৰাটোৰ কথা মই চিন্তা কৰা নাই। সি নিশ্চয় তোমাৰ লগত ভালকৈয়ে চলিব পাৰিব। কিন্তু, হে ভগৱান, মানুহৰ বুবু-বাবাবোৰৰ কথা ভাবাচোন। তোমালোকৰ মাহী মাৰাৰ কথাকে ভাবা, তেওঁ কি ভাবিব?"

কনিয়ে ক'লে, "মই জানো। এই কথাবোৰ হিংস্ৰ পশুৰ দৰে, বিশেষকৈ সমাজত থাকিলে। সি নিজৰ বিচ্ছেদৰ প্ৰতিয়ো ইচ্ছুক। মই ভাবিছো যে সন্তানটি বেলেগ কাৰোবাৰ বুলি ক'ম। মেলৰ্চৰ নামেই নলওঁ।"

"বেলেগৰ। কোন বেলেগৰ?"

"ডানকান ফৰ্বৰ্চ হ'ব পাৰে। তেওঁ সদায় আমাৰ বন্ধু হৈয়ে আছে। তেওঁ এজন বিখ্যাত চিত্ৰকৰ। আকৌ মই তেওঁৰ প্ৰিয়।"

"মই একো ভাবিব পৰা নাই। বেচেৰা ডানকান। তেওঁ ইয়াৰ পৰা কি পাব?"

"মই নাজানো। কিন্তু তেওঁ কিজানি ভালহে পাব।"

"তেওঁ পাব প্যাৰে, পাবনে বাৰু? যদি পায় তেন্তে তেওঁ হাঁহিয়াতৰ পাত্ৰ হ'ব। কাৰণ তেওঁৰ লগত তোমাৰ এতিয়াও কোনো সম্পৰ্ক স্থাপন হোৱা নাই। হৈছিল জানো?"

"নাই হোৱা। কিন্তু তেওঁ হোৱাটো বিচৰাও নাই। তেওঁ কেৱল মই তেওঁৰ কাষত থকাটোহে বিচাৰে। তেওঁৰ গাত হাত দিয়াটো নিবিচাৰে।"

"অ' মোৰ গোসাঁই, কি যে যুগ এটা!"

"তেওঁ খুব বেছি মই তেওঁৰ চিত্ৰৰ বাবে 'মডেল' হোৱাতো বিচাৰে। পিছে মই এতিয়াও সেই বিষয়ে একো ভবা নাই।"

"ভগবানে তেওঁক সহায় কৰক। কিন্তু যিকোনো পৰিস্থিতিতে তেওঁক নিষ্পেষিত যেন লাগিব।"

"তথাপিয়ো, তেওঁৰ সৈতে মোৰ বুবু-বাবাখন ওলালে তুমি বৰ বেছি অস্বস্তি নাপাবা কিজানি।"

"হে ভগৱান, কনি, এয়া কিযে তোমাৰ বদমাচি পৰিকল্পনা।"

"মই বুজিছো, এইবোৰ ভাবিলে গা-মন বেয়া লাগি যায়, কিন্তু মই কি কৰিম বাৰু?"

"যন্ত্ৰণা, যন্ত্ৰণা, যন্ত্ৰণা, যন্ত্ৰণা। তেওঁ বেছিদিন জীয়াই থকা বুলি অনুতপ্ত হ'বদেই।"

"দেউতা, হ'ব আৰু। তোমাৰ সময়ত এইবোৰৰ আৱশ্যক হোৱা নাছিল বাবেই ইমান কথা।"

"কিন্তু সেইবোৰ অন্যধৰণৰ আছিল। মই শপত খাই কৈছো।"

"এনেকুৱা প্ৰত্যেকটো পৰিস্থিতি সদায়ে বেলেগ বেলেগ হয়।"

হিলদা আহি পালেহি। নতুন কথাবোৰ শুনি তাইৰ ভীষণ খং উঠিল। আৰু তায়ো তাইৰ ভনীয়েক আৰু এটা শেনচোৱাৰ মাজৰ অবৈধ সম্পৰ্কৰ অপযশ সহ্য কৰিব নোৱাৰে।

কনিয়ে ক'লে, "আমি বৃটিছ কলম্বিয়ালৈ গৈ নোহোৱা হৈ যাওঁ। বেলেগে থাকোগৈ, তেতিয়াতো কোনোধৰণৰ অপযশৰ প্ৰশ্ন নাহে।"

"কোনো লাভ নাই। বদনাম ঢাকি থ'ব নোৱাৰি। কনিয়ে যদি মানুহটোৰ লগত ক'ৰবালৈ যায়গৈ, তেন্তে তাৰ লগত বিয়া পাতিব লাগিব।" —এইটো হিলদাৰ মতামত। এই বিষয়ে অৱশ্যে ছাৰ মেলকম নিশ্চিত নহয়। এই সম্বন্ধটো এতিয়াও ভাঙি যাব পাৰে।

"তুমি তাক এবাৰ লগ ধৰাৰ ইচ্ছা কৰানে দেউতা?"

বেচেৰা ছাৰ মেলকম। ইয়াৰ প্ৰতি তেখেত একেবাৰে আগ্ৰহান্বিত নহয় আৰু বেচেৰা মেলৰ্চ। তাৰো অকণো ইচ্ছা নাই। তথাপিয়ো দুয়ো লগালগি হ'ল। ক্লাবৰ আচুতীয়া এটা কোঠাত। দুপৰীয়াৰ আহাৰৰ আয়োজন কৰা হ'ল। কেৱল দুজন মানুহৰ বাবে, যাতে দুয়ো দুয়োকে ভালকৈ নিৰীক্ষণ কৰিব পাৰে।

ছাৰ মেলকমে হুইস্কী যথেষ্ট পৰিমাণে গলাধকৰণ কৰিলে। আৰু মেলৰ্চেও। গোটেই সময়ছোৱা দুয়ো ভাৰতবৰ্ষৰ কথাকে পাতিলে। মেলৰ্চে ভাৰতৰ বিষয়ে বৰ ভালকৈ জানে।

খাই থাকোঁতে এইবিলাক কথাই পাতিলে। কফি দিয়াৰ পাছত যেতিয়া ৱেটাৰটো আঁতৰি গ'ল তেতিয়া ছাৰ মেলকমে চিগাৰ এটা জ্বলাই আন্তৰিকতাৰে ক'লে, "বাৰু ডেকা ল'ৰা, মোৰ ছোৱালীজনীৰ বিষয়ে কি ভাবিছা?"

মেলৰ্চে দাঁত উলিয়াই হাঁহিলে আৰু হাঁহিটোৱে তাৰ মুখত লুকা-ভাকু খেলিলে। "বাৰু ছাৰ, আপুনি তাইৰ বিষয়ে কি ক'ব বিচাৰে?"

"তাইৰ দেহত তোমাৰ সন্তান এটি আছে, নহয়নে?"

হাঁহি মাৰি মেলৰ্চে ক'লে, "মোক সেই সন্মান দিছে।"

ছাৰ মেলকমে হাঁহাকৈ হাঁহি এটি মাৰি ক'লে, "সন্মান, ভগবানৰ দ্বাৰা!"

এইবাৰহে যেন তেওঁৰ স্কটচৰ নিচা ধৰিলে আৰু বজৰুৱা সুৰত তেওঁ ক'বলৈ আৰম্ভ কৰিলে, "সন্মান! কেনে চলিছে, হু? ভালকৈ নে, মোৰ ল'ৰা?"

"ভালেই।"

"মই বাজী মাৰি ক'ব পাৰোঁ। ভাল হ'বই। মোৰ ছোৱালী তাই। মোৰ তেজ তাইৰ গাত আছে। কাম সুখ লোৱাত মই কেতিয়াও পিছ হুহকা নাছিলো। কিন্তু তাইৰ মাক, ইস্ গোটেইজনী একেবাৰে ঋষিকন্যা! তুমি তাইৰ ক্ষুধাৰ নবাৰ মেজিটোত জুই লগাই দিলা। নহয় জানো! মই বৰ স্ফুৰ্তি পাইছো। কৈ দিলো আৰু। তাইক লাগে। তাই ভাল ছোৱালী, বৰ ভাল ছোৱালী। মই জানো তাই ভালকৈ চলি থাকিব কেৱল কোনোবা মানুহৰ পোৱালিয়ে তাইৰ খেৰৰ দ'মটোত জুই লগাই দিব পাৰিব লাগিব। তুমি এটা চিকাৰী চৰাইৰ ৰক্ষক, নহয়নে মোৰ ল'ৰা! ভাল চিকাৰ কৰিলা দেই। হাঃ হাঃ হাঃ। কিন্তু এতিয়া চোৱা" তেওঁ গভীৰভাৱে ক'লে, "আমি এই সংক্ৰান্তত কি কৰিম? মই চিৰিয়াচলি কৈছো, বুজিছা?"

সঁচা কথা ক'বলৈ হ'লে, তেওঁলোকৰ কথা বৰ বেছি আগ নাবাঢ়িল। মেলৰ্চৰো নিচা লাগিছিল যদিও তুলনামূলকভাৱে সি যথেষ্ট ভাল অৱস্থাত আছিল। সি কথা-বতৰাবোৰ বৰ চতুৰালিৰে যিমান পাৰে চম্ভালি আছিল। সি বিশেষ একো কোৱা নাছিল।

"গতিকে তুমি এটা শেনচোৰা! তুমি ঠিকেই আছা। এনেকুৱা খেলাই মানুহে খেলিব লাগে। বুজিছা, ছোৱালী এজনীৰ সোৱাদ নিম্নাংশতহে পোৱা যায়। গতিকে তুমি গম পাইছাই, তাই তোমাক ঠিকেই সুখ দিব। হাঃ হাঃ হাঃ, মই তোমাক ঈৰ্ষা কৰোঁ পুত্ৰ। বাৰু তোমাৰ বয়স কিমানহে?"

"উনচল্লিশ।"

'নাইট'জনৰ চেলাউৰি দাঙ খাই গ'ল।

"ইমান নেকি? বাৰু, দেখিলে এতিয়াও আৰু বিশ বছৰমান ভালকৈ চলিব পাৰিবা যেন লাগে। তুমি যিয়েই হোৱা, তুমি ঠিক আছা। মই চকু এটা মুদি চায়ো গম পাইছো। তুমি ক্লিফোৰ্ডৰ দৰে নহয়। সংগম ক্ষমতাহীন, ভীৰু ঘিণ লগাটো! মই তোমাক ভাল পাইছো, ল'ৰা। তোমাৰ পেশী মজবুত। মই লক্ষ্য কৰিছোঁ, তুমি যুঁজৰ কুকুৰা। তুমি যুঁজাৰু। খেলৰ চৰাই ৰখীয়া। মই খেলখন এতিয়া তোমাৰ হাততে গতালো। কিন্তু গভীৰভাৱে চিন্তা কৰি চোৱা, আমি এই সংক্ৰান্তত কি কৰিব লাগিব? এই জগতখনত অসভ্য বুঢ়ী তিৰোতা ঢেৰ আছে বুজিছা।"

দুয়ো এই বিষয়টোৰ ওপৰত একো বিশেষ সিদ্ধান্তলৈ আহিব নোৱাৰিলে। কেৱল পুৰুষে চলাই নিব পৰা লেতেৰা কথা-বতৰা পতাৰ গাঁথনিহে দুয়োৰে মাজত স্থাপন হ'ল।

"চোৱা, ডেক ল'ৰা, মই যদি তোমাৰ বাবে কেতিয়াবা কিবা কৰিব পাৰোঁ, মই কৰিম। মোৰ ওপৰত ভৰসা ৰাখা। মই তোমাক ভাল পাইছো, বৰ ভাল পাইছো। ছোৱালীজনীক তুমি দেখুৱাই দিছা যে তোমাৰ সাহস আছে। ...তাইৰ নিজা উপাৰ্জন

আছে। বেছি নহয়। মজলীয়া। কিন্তু লঘোণে থাকিব নালাগে। মোৰ যি আছে, সকলোবোৰ তাইৰ বাবে এৰি থৈ যাম। ভগৱানৰ শপত খাই কৈছো, মই তাকে কৰিম। তাই সেইখিনিৰ যোগ্য। কাৰণ এই বুঢ়ী তিৰোতাবোৰৰ মাজত তাই উদ্যম দেখুৱাইছে। মই এই বুঢ়ীবোৰৰ কবলৰ পৰা পৰিত্ৰাণ পাবলৈ চেষ্টা কৰি আছো, কিন্তু এতিয়াও পৰা নাই। কিন্তু তুমি এজন পুৰুষ, তুমি পাৰিছা।"

"আপুনি তেনেকৈ কোৱাৰ বাবে ধন্যবাদ। সিহঁতে পৰোক্ষভাৱে মোক বান্দৰ বুলিয়ে কয়।"

"অ', সিহঁতে ক'বই। মোৰ মৰমৰ ল'ৰাটো, এই বুঢ়ীবিলাকৰ চকুত তুমি বান্দৰ হোৱাৰ বাহিৰে আন কি হ'বা?"

দুয়ো খুব বন্ধুত্বৰ ভাবত এৰাএৰি হ'ল। সন্তুষ্টিতে সি দিনৰ দিনটো মনৰ ভিতৰতে হাঁহি হাঁহিয়ে পাৰ কৰিলে।

পিছদিনা সি কনি আৰু হিলদাৰ লগত এখন আচুতীয়া ঠাইত দুপৰীয়াৰ আহাৰ খালে।

হিলদাই ক'লে, "চৌপাশৰ পৰিস্থিতিটো ইমান কদৰ্য যে বৰ পুতৌ লগা।"

সি উত্তৰ দিলে, "কিন্তু এইবোৰ মই বেচ উপভোগ কৰিছোঁ।"

"তোমালোক মুক্ত হৈ বিয়া-বাৰু পাতিহে সন্তান জন্ম দিব লাগিছিল।"

"ভগৱানেই বেছি খৰধৰ কৰালে।"

"ভগৱানে একো কৰা নাই। যি কি হওক তোমালোক ভালকৈ চলি থাকিব পৰাকৈ কনিৰ যথেষ্ট টকা আছে। কিন্তু এই পৰিস্থিতিটো অসহ্যকৰ।"

"কিন্তু আপুনি তাৰে ক্ষুদ্ৰ অংশ এটাতকৈ বেছি সহ্য কৰিব নালাগে।"

"তুমি যদি তাইৰ নিজৰ শ্ৰেণীৰ হ'লাহেঁতেন!"

"বা, মই যদি চিৰিয়াখানাৰ গড়াল এটাত সোমাই থাকিলোহেঁতেন!"

কিছু মৌনতা। তাৰ পিছত হিলদাই ক'লে, "মই ভাবো, এজন সম্পূৰ্ণ বেলেগ মানুহৰ নাম সহ-বিবাদী হিচাপে দিলে ভাল হ'ব। তাকে কৰিলে তুমি এইবিলাকৰ পৰা সম্পূৰ্ণ আঁতৰি থাকিব পাৰিবা।"

"কিন্তু মই এইবিলাকৰ ঠিক সোঁ-মাজত থিয় হৈ থকাৰ কথাহে ভাবিছিলো।"

"মই বিবাহ-বিচ্ছেদৰ শুনানি চলি থকাৰ সময়ৰ কথাহে কৈছো।"

সি আচৰিত হৈ তাইলৈ চালে। কনিয়ে ডানকানৰ নাম দিয়াৰ পৰিকল্পনাৰ কথা তাক ক'বলৈ সাহস গোটাব নোৱাৰিলে। সি ক'লে, "মই বুজা নাই।"

হিলদাই ক'লে, "আমাৰ এজন বন্ধু আছে। সম্ভৱতঃ তেওঁৰ নামটো সহ-বিবাদীৰূপে দিলে তেওঁ আপত্তি নকৰিব আৰু তেতিয়া তোমাৰ নামটো ল'বলগীয়া নহ'ব।"

"আপুনি আন এজন মানুহৰ কথা কৈছে?"

"হয়।"

"কিন্তু তাইৰ আন কোনো মানুহৰ লগত সম্পৰ্ক নাই।" সি কনিলৈ আচৰিত হৈ চালে।

"নাই, নাই।" তাই লৰালৰিকৈ কৈ উঠিল। "পুৰণি বন্ধুত্ব মাথোঁ। কোনো প্ৰেম-ভালপোৱাৰ কথা নাই।"

"যদি তেওঁ তোমাৰ পৰা একোৱেই পোৱা নাই, তেন্তে তেওঁ কিয় বদনাম মূৰ পাতি ল'ব?"

হিলদাই ক'লে, "কিছুমান মানুহে সাহসৰ কাম কৰি ভাল পায়। সিহঁতে কোনজনী তিৰোতাৰ পৰা কি পালে তাকে হিচাপ-নিকাচ কৰি নাথাকে।"

"মোৰ সলনি এজন থাকিব বুলি গম পালো বাৰু, পিছে সেইজননো কোন?"

"আমাৰ এজন বন্ধু। আমি সৰুতে স্কটলেণ্ডত থকাৰে পৰা তেওঁক লগ পাইছো। তেওঁ এজন চিত্ৰকৰ।"

"ডানকান ফৰ্বচ!" সি টপৰাই মাত লগালে। কিয়নো কনিয়ে তেওঁৰ লগত কথা পতা সি দেখিছিল। সি আকৌ ক'লে, "তুমি বাৰু তেওঁক কেনেকৈ বদনামৰ ভাগি কৰিবা?"

"সিহঁতে কোনোবা হোটেলত একেলগে কটাইছে বুলি নাইবা ঘৰতেই একেলগে আছিল বুলি ক'ব পাৰে।"

সি ক'লে, "কিছুমান অদৰ্কাৰী হৈ চৈ কৰি থকা যেন লাগিছে।"

হিলদাই তাক সুধিলে, "তুমি আৰু কি উপদেশ দিবলৈ বিচৰা? তোমাৰ নাম ল'লে তোমাৰ ঘৈণীয়েৰাই তোমাক বিবাহ-বিচ্ছেদ নিদিয়ে। আৰু তাইৰ সৈতে মিলা-মিছা কৰিব নোৱাৰিবা।"

"সেইয়াইনে?" সি গম্ভীৰভাৱে সুধিলে। তাৰপিছত এটা দীঘলীয়া নিস্তব্ধতা।

সি ক'লে, "আমি এতিয়াই যাব পাৰোঁ।"

হিলদাই ক'লে, "কনিৰ বাবে ইমান খৰ-ধৰকৈ ক'ৰবালৈ যোৱাটো সম্ভৱ নহয়। ক্লিফোৰ্ড বিখ্যাত ব্যক্তি।"

আকৌ এক বিশুদ্ধ হতাশাৰ নিস্তব্ধতা। হিলদাই ক'লে, "পৃথিৱীখন যেনেকুৱা আছিল এতিয়াও তেনেকুৱাই হৈ আছে। গতিকে কোনোধৰণৰ শাস্তিৰ সন্মুখীন নোহোৱাকৈ যদি একেলগে থাকিব খুজিছা, তেন্তে তুমি তাইক বিয়া কৰাব লাগিব। আৰু বিয়া পাতিবলৈ হ'লে তোমালোকে বিবাহ-বিচ্ছেদ কৰিব লাগিব। তোমালোক যেতিয়ালৈকে মুক্ত নোহোৱা তেতিয়ালৈকে ইজনে সিজনৰ পৰা আঁতৰি থাকিব লাগিব।"

"পগলাফাটেকেত থকাৰ দৰে সমস্যা যেন লাগিছে।"

"লাগিব পাৰে। পৃথিৱীখনেতো পাগল বুলি ভাবিবই বা তাতোকৈয়ো বেয়া বুলি।"

"কেনেকুৱা বেয়া?"

"ধৰি লোৱা অপৰাধী বুলি।"

"মই আশা কৰো যে ডেগাৰখনেৰে মই আৰু কেইবাৰমান খুঁচিব পাৰোঁ।"

সি দাঁত নিকটাই হাঁহি এটা মাৰি খণ্ডতে চুপ হৈ বহি থাকিল। অৱশেষত সি মাত লগালে, "বাৰু, মই সকলো কথাই মানি ল'বলৈ সাজু। পৃথিৱীখনেও বুৰ্বকৰ দৰে যা-তা বকি থকা হৈছে। আৰু মানুহৰ এই প্ৰকৃতিটোক কোনেও হত্যা কৰিব নোৱাৰে— মই কিন্তু ইয়াৰ বিৰুদ্ধে আপ্ৰাণ চেষ্টা কৰি যাম। কিন্তু আপুনি শুদ্ধ। আমি যিমান দূৰ পাৰোঁ নিজকে বচাই চলিব লাগিব।"

সি যেন অপ্ৰস্তুত হৈছে। খং, ভাগৰ আৰু যন্ত্ৰণাৰ অনুভূতিৰে সি কনিলৈ চালে। "হে ভগৱান, পৃথিৱীখনে যে নেগুৰত জুই দিবলৈ কেনেকৈ পিছ লৈ ফুৰে!"

তাই ক'লে, "কিন্তু জুই দিব নোৱাৰে। যদিহে আমি সুযোগ নিদিওঁ।"

তাই পিছে পৃথিৱীখনক ইমান দোষ নিদিয়ে।

ডানকানেও জগৰীয়া শেনচোৱাটোক চোৱাৰ মানসেৰে তেওঁৰ ঘৰত এটা ডিনাৰ পাৰ্টী দিলে। কেৱল সিহঁত চাৰিটাৰ বাবেহে। ডানকান হৈছে ক'লা চিধা চুলিৰ, চাপৰ, শকত, অহংকাৰী, স্বল্পভাষী এজন পুৰুষ। তেওঁ সৃষ্টি কৰা চিত্ৰবিলাক দুৰ্বোধ্য, অত্যাধুনিক, ৰঙেৰে বিশৃংখল। কিন্তু তাৰ মাজতেই বিশুদ্ধতাৰ সুৰ এটি আছে। লগতে মোহিত কৰিব পৰা ক্ষমতাযুক্ত। কেৱল মেলৰ্চে ভাবে যে এইবোৰ নিষ্ঠুৰতা আৰু বিষণ্ণতাৰহে প্ৰতীক। অৱশ্যে মেলৰ্চে এনে কোনো কথা কোৱাৰ পৰা বিৰত থাকিল। ডানকান নিজে আঁকা চিত্ৰক লৈ একপ্ৰকাৰ উন্মাদ। অৱশ্যে ই এটা ব্যক্তিগত অনুভূতি, তেওঁৰ ব্যক্তিগত ধৰ্মস্বৰূপ।

তেওঁলোক ষ্টুডিঅ'লৈ গৈ চিত্ৰবোৰ চাই আছে আৰু ডানকানে চাই আছে আনটো মানুহলৈ তেওঁৰ সৰু সৰু মটীয়া বৰণৰ চকু দুটাৰে। তেওঁক এই শেনচোৱাটোৱেনো কি মন্তব্য দিয়ে তাকে শুনিবলৈ বৈ আছিল। কনি আৰু হিলদাৰ মন্তব্য কি তেওঁ ইতিমধ্যে জানে।

মেলৰ্চে অৱশেষত ক'লে, "এইটো একপ্ৰকাৰ বিশুদ্ধ হত্যাকাণ্ড।"

এনে ভাষা আৰু ভাষ্য ডানকানে এটা খেলৰ চৰাই ৰখীয়াৰ মুখৰ পৰা শুনিবলৈ কেতিয়াও আশা কৰা নাছিল।

হিলদাই বৰ শীতলভাৱে তাচ্ছিল্যৰ সুৰত সুধিলে, "হত্যা কাৰ কৰা হ'ল?"

"মোক! সহানুভূতিৰে ভৰা মানুহৰ গৰ্ভবোৰ ই হত্যা কৰিছিল।"

নির্ভেজাল ঘৃণা ভাবৰ ঢৌ এটা চিত্ৰকৰজনৰ মনৰ মাজৰ পৰা নিগৰি ওলাই আহিল। তেওঁ আনটো মানুহৰ কণ্ঠত বেয়া পোৱাৰ সুৰ এটা শুনিবলৈ পালে, এয়া হৈছে অৱজ্ঞাৰ সুৰ। সি নিজেও এইবোৰ কৈ অনুতপ্ত।

মেলৰ্চ খীণ আৰু ওখ। কিন্তু পৰিশ্ৰান্ত। পিৰিক-পাৰাককৈ চাই আছে, যেন নৃত্যৰত পাখি মাৰি থকা এটা মথ। চিত্ৰবোৰত দেখোন তাকেই ব্যক্ত কৰা হৈছে।

"হয়তো মূৰ্খামিক হত্যা কৰা হৈছে। আবেগৰ মূৰ্খামি।" চিত্ৰকৰজনে উপহাস কৰি ক'লে।

"আপুনি তেনেকৈ ভাবে নেকি? মই ভাবো এই যান্ত্ৰিকতাৰে ভৰা চিত্ৰবোৰ কোনো কামত নহা বুৰ্বকৰ বিষয়-বস্তুৰে ভৰা আৰু অতি ছেণ্টিমেণ্টেল। মোৰ এনে লাগিছে তাত আত্মপুতৌ আৰু ভয়ংকৰ আত্ম-বিবুদ্ধিৰ অৱস্থা এটা প্ৰকাশ পাইছে।"

ঘৃণাৰ আন এটা ঢৌত চিত্ৰকৰজনৰ মুখখন পীতবৰণীয়া হৈ পৰিল। কিন্তু অলপ বেলেগ ধৰণৰ মৌন গৰ্বেৰে তেওঁ চিত্ৰকেইখন ওলোটাই-ওলোমাই থৈ দিলে।

ডানকানে ক'লে, "আমি এতিয়া ডাইনিং ৰুমলৈ যাব পাৰোঁ।"

হিলদাইঁত অলপ আমন-জিমনকৈ তেওঁৰ পিছে পিছে খোজ ল'লে।

কফি খোৱাৰ পাছত ডানকানে ক'লে, "মই কনিৰ সন্তানৰ দেউতাক হিচাপে থিয় দিবলৈ অকণো বেয়া নাপাওঁ। কিন্তু এটা স্বৰ্তত যে তাই মোৰ কাৰণে মডেল হৈ পজ দিব লাগিব। মই তাইক বহুত বছৰ ধৰি বিচাৰি আছিলো, কিন্তু তাই সদায়ে উপেক্ষা কৰি আছিল।"

এক দাম্ভিকতাৰে তেওঁৰ শেষ সিদ্ধান্ত বিচাৰকে ৰায় দিয়াৰ দৰে শুনাই দিলে। মেলৰ্চে ক'লে, "অ', আপুনি তাৰমানে স্বৰ্ত সাপেক্ষেহে এইটো কৰিবলৈ ৰাজী হৈছে।"

"ঠিক, মই এইটো স্বৰ্ত সাপেক্ষেহে কৰিবলৈ লৈছো।"

চিত্ৰকৰজনে তেওঁৰ উক্তিত যিমান পাৰে সিমান অৱজ্ঞা ঢালি তাক উদ্দেশ্য কৰি ক'লে। তেওঁ অলপ বেছিয়ে কৰিলে।

মেলৰ্চে ক'লে, "একেলগে মোকো মডেল হিচাপে ল'লে ভাল হ'ব। আমাক দলবদ্ধভাৱে লওক। ভলকান আৰু ভেনাচ হিচাপে। চিত্ৰৰ তালিকাত মই শেনচোৱাৰ আগতে কমাৰহে আছিলো।"

"ধন্যবাদ। পিছে ভলকানক মডেল কৰিবলৈ ভাললগা ধৰণৰ শৰীৰ এটা আছে বুলি মই নাভাবো।"

"সজাই পৰাই ল'লেও নহ'ব নেকি?"

তেওঁ কোনো উত্তৰ নিদিলে। চিত্ৰকৰজন ভেমত ওফন্দি উঠাৰ পৰা আৰু কথা কোৱাৰ পৰা বিৰত থাকিল।

পাৰ্টীটোত কোনো উৎসাহ-উদ্দীপনা নাছিল। চিত্ৰশিল্পীজনে প্ৰথমৰে পৰা তাৰ উপস্থিতিক উপেক্ষা কৰি আছিল। আৰু সিহঁত দুজনীকো কথাবোৰ বৰ সংক্ষেপে কৈছিল। তেওঁৰ কণ্ঠেৰে শব্দবোৰ যেন গোমা অশুভ গভীৰতাৰ পৰা কোনোমতে চেপা খাই ওলাই আহিছে।

"মানুহজনক তোমাৰ ভাল নালাগিল যদিও তেওঁ তেনেকুৱা নহয়। তেওঁ বৰ মৰমিয়াল।" উভতি আহোঁতে কনিয়ে ব্যাখ্যা কৰিলে।

"সি এটা গেথাই থকা ফপৰা কুকুৰ পোৱালি।"

"নহয় অ', তেওঁ আজিহে তেনেকুৱাখন কৰিছে।"

"তুমি তেওঁৰ বাবে মডেল হ'বলৈ যাবানে?"

"মই এতিয়া আৰু আপত্তি কৰি থাকিব নিবিচাৰো। তেওঁ মোৰ গাত হাত নিদিয়ে। মই আৰু একোৱেই ধৰি নাথাকোঁ, যদিহে তাকে কৰিলে তোমাৰ লগত থকাৰ বাট মুকলি হয়।"

"সি কেনভাৰ্চত তোমাক একেবাৰে বিকৃত কৰি পেলাব।"

"মই পাত্তা নিদিওঁ। তেওঁ মোৰ প্ৰতি থকা অনুভূতিবোৰক ৰঙেৰে ফুটাই তুলিব, গতিকে তাত মোৰ বেয়া পাবলগীয়া নাই। মই কোনোপধ্যেই তেওঁক মোৰ গাত হাত দিবলৈ নিদিওঁ। কিন্তু শিল্পীৰ ফেঁচাৰ দৰে তীক্ষ্ম দৃষ্টিৰে চাই তেওঁ যদি কিবা এটা কৰিব পাৰে তেন্তে কৰক। তেওঁ মোৰ বিকৃত চিত্ৰ কিমান আঁকে আঁকক। এয়া তেওঁৰ শিল্পী জীৱনৰ কবৰস্থান হ'ব। তুমি যিবোৰ বকিলা তাৰবাবে তেওঁ তোমাক খুব বেয়া পাইছে এইবুলি যে তেওঁৰ দুৰ্বোধ্য চিত্ৰবিলাক আৱেগ-প্ৰৱণ আত্ম-গৰ্বী। অৱশ্যে তোমাৰ কথাষাৰো সঁচা।

উনবিংশতিতম অধ্যায়

মৰমৰ ক্লিফোৰ্ড, মোৰ এনেকুৱা লাগিছে যেন তুমি যিটো ভয় কৰিছিলা সেইটোৱে সংঘটিত হ'ল। মই আচলতে আন এজন মানুহক ভাল পাওঁ। আৰু মই আশা কৰোঁ যে তুমি পৰিস্থিতিটো বুজি পাই মোৰ লগত বিবাহ-বিচ্ছেদ কৰিবা। বৰ্তমান মই ভেনিচত। ডানকানৰ লগত মই তেওঁৰেই ফ্লেটত আছো। তেওঁ আমাৰ লগত ভেনিচত আছিল বুলি মই আগতেই তোমাক কৈছিলো। তোমাৰ কাৰণে মোৰ খুব দুখ লাগিছে, কিন্তু শান্তভাৱে এই বাস্তৱটোক মানি ল'বলৈ চেষ্টা কৰিবা। প্ৰকৃততে তোমাৰ ওচৰত মোৰ প্ৰয়োজন নোহোৱা হৈছে। ময়ো ৰাগবিলৈ আকৌ ঘূৰি যোৱা কথাটো ভাবিবলৈকে কষ্ট পাইছো। মই বৰ দুঃখিত। কিন্তু তুমি মোক ক্ষমা কৰি বিবাহ-বিচ্ছেদ কৰিবা। আৰু কোনোবা এজনী মোতকৈ ভাল ছোৱালী বিচাৰি ল'বা। প্ৰকৃততে মই তোমাৰ কাৰণে উপযুক্ত মানুহজনী নহওঁৱেই। মোৰ দৃষ্টিত মই বৰ অধৈৰ্য আৰু স্বাৰ্থপৰ। মই আৰু কেতিয়াও ঘূৰি আহি তোমাৰ লগত নাথাকো। এই গোটেই ঘটনাখিনিৰ বাবে মই কেৱল তোমাৰ কথা ভাবিয়ে বৰ দুখ পাইছো। কিন্তু যদি তুমি কথাবোৰ যুক্তিৰে ভাবা আৰু বেছি উত্তেজিত হৈ নপৰা তেন্তে তুমি দেখিবা যে এই কথাটোত তুমিয়ো বৰ বেছি বেয়া পাবলগা বা দুখ কৰিবলগীয়া নাই। ব্যক্তিগতভাৱেতো তুমি মোক বিশেষ গুৰুত্ব নিদিয়া। গতিকে মোক ক্ষমা কৰা আৰু মোক যাবলৈ দিয়া।

ক্লিফোৰ্ডে ভিতৰুৱাকৈ বৰ বেছি চিন্তা কৰিবলগীয়া নাছিল। তেওঁৰ মনে বহুদিন ধৰি কৈয়ে আছিল যে তাই আঁতৰি যাব। কিন্তু তাৰ বহিঃপ্ৰকাশ তেওঁ কোনোপধ্যেই কৰিব নিবিচাৰে। গতিকে বাহিৰৰ পৰা দেখাত এইটো তেওঁৰ কাৰণে এটা প্ৰচণ্ড মাধমাৰ। আৰু এটা ডাঙৰ আঘাত। ক্লিফোৰ্ডে কনিৰ ওপৰত বিশ্বাসৰ আবৰণখন দেখাত বৰ নিৰ্মল কৰি ৰাখিছিল।

কিন্তু আমিতো এনেকৈয়ে চলো। ইচ্ছাশক্তিৰ দ্বাৰা। আমি অন্তৰাত্মাৰ সকীয়নিক ঢাকি থৈ সচেতনভাৱে আন এটাকহে প্ৰকাশ কৰোঁ। ইয়ে আন এটা ধাৰণা বা ভয়ৰ শিহৰণ জাগৃত কৰে। আৰু শেষত ইয়েই এনেকুৱা মাধমাৰক দহগুণ ডাঙৰ কৰি প্ৰকট কৰে।

ক্লিফোৰ্ড যেন বলিয়া হৈ গৈছিল। বিছনাৰ ওপৰত বিষণ্ণতাৰে এনেদৰে কাতৰ হৈ বহি আছিল যে মিছেছ্ বল্টন একেবাৰে উচপ খাই উঠিল।

"ছাৰ ক্লিফোৰ্ড, কি হৈছে?"

কোনো উত্তৰ নাই। তেওঁৰ পক্ষাঘাত হ'ল নেকি বুলি মিছেছ্ বল্টনে বৰ ভয় খালে। তাই ততাতৈয়াকৈ তেওঁৰ মুখখন মোহাৰি চালে। আৰু হৃদযন্ত্ৰৰ স্পন্দন গণিলে।

"কিবা বিষাইছে নেকি? ক'ত কি বিষাইছে অলপ ক'বলৈ চেষ্টা কৰকচোন। কওকনা।" কোনো উত্তৰ নাই।

"হে ভগবান, মই ছেফিল্ডৰ ডাঃ কেৰিংটন আৰু ডাঃ লেকিলৈ ফোন কৰোঁ। তেওঁলোক নিশ্চয় খৰধৰকৈ আহিব।"

তাই দুৱাৰখনৰ ফালে খোজ লওঁতেই তেওঁ এটা নিষ্প্ৰাণ, ফোপোলা কণ্ঠেৰে মাত লগালে, 'নাই।"

তাই ৰৈ তেওঁলৈ থৰ হৈ চাই থাকিল। ক্লিফোৰ্ডৰ মুখখন বিবৰ্ণ, ভাববিহীন, ঠিক এটা বুৰ্বকৰ মুখখনৰ দৰে হৈছে।

"আপুনি কি ক'ব খুজিছে, মই ডাক্তৰ মাতিব নালাগে নেকি?"

"হয়, মই তেওঁলোক অহাটো বিচৰা নাই।" গভীৰ বেদনাসিক্ত কণ্ঠেৰে ক্লিফোৰ্ডে ক'লে।

"কিন্তু আপোনাৰ গা বেয়া। মই দায়িত্বহীনৰ দৰে ৰৈ থাকিব নোৱাৰো। মই ডাক্তৰ মাতি পঠিয়াবই লাগিব, নহ'লে মোৰ গাত দায় লাগিব।"

অলপ বিৰতিৰ পাছত উৰুঙা মাতেৰে ক্লিফোৰ্ডে আকৌ ক'লে, "মোৰ অসুখ হোৱা নাই। মোৰ পত্নী আৰু ঘূৰি নাহে।" তেতিয়া মূৰ্তি এটাই কথা কৈ থকা যেন লাগিছিল।

"ঘূৰি নাহে! আপুনি মেডামৰ কথা কৈছে?" এইবুলি কৈ মিছেছ্ বল্টন বিছনাখনৰ অলপ কাষ চাপি আহিল। "নহয়, মেডাম ঘূৰি আহিবই। আপোনাৰ তেনেকুৱাই নালাগেনে?"

বিছনাত বহি থকা মূৰ্তিটোৰ একো পৰিবৰ্তন নাই। কেৱল চিঠিখন বিছনা চাদৰখনৰ ওপৰেৰে ঠেলি দিলে। "এইখন পঢ়া।" ম্ৰিয়মাণ কণ্ঠেৰে ক'লে।

"নাই, কিয়? এইখন মেডামে আপোনালৈ লিখা চিঠি যদি মই পঢ়িব নোৱাৰো। আপুনি যদি বিচাৰে নিজেই পঢ়ি তাত কি লিখা আছে মোক কওক।"

"খালী পঢ়া।" তেওঁ পুনৰ ক'লে।

"আপুনি কৈছে বাবেহে পঢ়িছোদেই ছাৰ ক্লিফোৰ্ড।"

এইবুলি কৈ তাই চিঠিখন পঢ়িলে।

"মেডামে একেবাৰে আচৰিত কৰি দিলে। তেওঁ ঘূৰি আহিম বুলি ইমান ভালকৈ কৈ গৈছিল।"

ক্লিফোৰ্ডৰ মুখখন আৰু গভীৰ হৈ পৰিল। কিন্তু এতিয়াও নিথৰ। তাকে দেখি মিছেছ্ বল্টনৰ বৰ চিন্তা হ'ল। অৱশ্যে পুৰুষৰ এনেধৰণৰ বলিয়ালিৰ বিষয়ে আইভিয়ে বৰ ভালকৈ জানে। এটা বৰ বেয়া বেমাৰ।

ছাৰ ক্লিফোৰ্ডক লৈ তাই অলপ অধৈৰ্য হ'ল। এজন মানুহে নিজৰ অনুভূতিৰেই তেওঁৰ ঘৈণীয়েক যে কাৰোবাৰ প্ৰেমত পৰিছে গম পাব লাগে। আৰু গতিকে তেওঁক যে এৰিব সেইটো অনুমান কৰিব পাৰিব লাগে। আনহাতে তাই এইটোও নিশ্চিত যে ক্লিফোৰ্ডে সেইটো জানে, খালী জানিয়ো তেওঁ তাক মানি নলয়। তেওঁ যদি সেইটো মানি লৈ তাৰবাবে মানসিকভাৱে প্ৰস্তুত হ'লহেঁতেন বা তেওঁৰ ঘৈণীয়েকৰ লগত সক্ৰিয়ভাৱে ইয়াৰ বিপৰীতে যুঁজ দিলেহেঁতেন, তেতিয়াহে তেওঁক পুৰুষৰ দৰে আচৰণ কৰিব পাৰিছে বুলি ক'ব পৰা গ'লহেঁতেন। কিন্তু নাই, তেওঁ জানে আৰু জানিয়ো শিশুৰ দৰে তাক মানিবলৈ অমান্তি। তেওঁ চয়তানে নেজ পকাই থকা বুলি জানিছিলে কিন্তু কোনো দেৱদূতেহে তেওঁলৈ হাঁহি দেখুৱাৰ ভাও জুৰিছিল। এই মিথ্যাচাৰী অৱস্থাই এতিয়া এই সমস্যাৰ ৰূপ লৈছে। নাৰী লৈ বলিয়ালি, ই এক প্ৰকাৰৰ পাগলামি।

আইভিয়ে ক্লিফোৰ্ডৰ প্ৰতি অলপ ঘৃণাৰে নিজকে নিজে ক'লে, এই পাগলামিৰ আৱিৰ্ভাৱৰ কাৰণ এইটোৱে যে তেওঁ সদায় নিজৰ কথাহে ভাবে। তেওঁ তেওঁৰ অমৰ সত্তাক লৈ ইমানেই পাক খাই আছে যে যেতিয়াই তেওঁ কিবা কথাত আঘাত পায় তেতিয়াই তেওঁৰ অৱস্থা মামী এটাই নিজৰেই বেগুেজত জোঁটা-পোটা খোৱাৰ দৰে অৱস্থা হয়। চোৱাচোন তেওঁলৈ!

মৃগী বেমাৰটো বৰ ভয়লগা। এগৰাকী নাৰ্ছ হিচাবে মিছেছ্ বল্টনৰ কৰ্তব্য হৈছে এওঁক ইয়াৰ পৰা উদ্ধাৰ কৰা। তেওঁৰ পুৰুষত্ব বা আত্ম-সন্মানক জাগ্ৰত কৰিবলৈ কৰা যিকোনো প্ৰচেষ্টাই তেওঁৰ অৱস্থাৰ অৱনতি ঘটাব; কাৰণ এতিয়া তেওঁৰ পুৰুষত্ব মৃত, অৱশ্যে হয়তো অস্থায়ীভাৱে। যেন এটা পলুৰ দৰে তেওঁৰ ধৰফৰণিবোৰ লাহে লাহে ম্লান হৈ আহি তেওঁ আৰু বেছি ভাবুক হৈ পৰিব।

তেওঁৰ পুতৌ উপজিছে, নিজৰ কাৰণেই। আৰু সেই বস্তুটোক দূৰ কৰিব লাগিব। টেনিচনৰ মহিলাগৰাকীৰ দৰে তেওঁ কান্দিব লাগিব বা নহ'লে তেওঁ নিধন হ'ব লাগিব।

গতিকে মিছেছ্ বল্টনেই প্ৰথমতে উচুপিবলৈ ধৰিলে। তাই মুখখন হাতেৰে ধৰি একপ্ৰকাৰ বলিয়াৰ দৰেই ফেঁকুৰিবলৈ ধৰিলে। সকলোবিলাক দুখ-যন্ত্ৰণাৰ কথা মনত একত্ৰিত কৰি নিজৰ খং-ৰাগ অভিমানবোৰেৰেই চকুলো বোৱাই হঠাতে কান্দি কান্দি তাই ক'লে, "মেডামে এনেকুৱা কৰিব বুলি মই কেতিয়াও ভাবিব পৰা নাছিলো।"

এবাৰ আৰম্ভ কৰাৰ পাছত সেই উচুপনিয়ে প্ৰকৃত উচুপনিৰ ৰূপ ল'লে। কাৰণ সেই উচুপনিৰ আঁৰত কিছুমান বাস্তৱ তিতা-কেঁহা অভিজ্ঞতা লুকাই আছে।

কনি বোলা মানুহজনীয়ে তেওঁক কেনেকৈ বিশ্বাসঘাতকতা কৰিলে সেই কথা ক্লিফোৰ্ডে ভাবিবলৈ ধৰিলে। সেই দুখৰ আবেশত তেওঁৰ চকুযুৰি চকুপানীৰে উপচি পৰিল আৰু গালৰ ওপৰেৰে ব'বলৈ ধৰিলে। তেওঁ নিজৰ কাৰণে কান্দিছে। মিছেছ্ বল্টনে ক্লিফোৰ্ডৰ উদাস মুখৰ ওপৰেৰে চকুপানীৰ সোঁত বোৱা দেখি অকণমান ৰুমালখনেৰে নিজৰ মুখখন খৰখেদাকৈ মচি ল'লে আৰু ক্লিফোৰ্ডৰ ওচৰত হাউলি ৰ'লহি।

"এতিয়া আপুনি আৰু এইবোৰ ভাবি নাথাকিব।"

বিলাসী আবেগেৰে তাই ক'লে। "নাই, এতিয়া এইবোৰ ভাবি নিজকে আঘাত দিয়াৰ বাহিৰে আন একো লাভ নাই।"

ভিতৰলৈ টানি-লোৱা এটি উচুপনিত ক্লিফোৰ্ডৰ দেহাটো কঁপি উঠিল। আৰু চকুলোৰ বেগ তীব্ৰতৰ হ'ল। তাই তেওঁৰ হাতত হাতখন থ'লে, তাইৰ চকুপানী আকৌ ওলাবলৈ ধৰিলে। উচুপনিত তেওঁৰ গাটো বাৰে বাৰে কঁপিবলৈ ধৰিলে। সান্ত্বনা দিয়াৰ প্ৰয়াসেৰে আইভিয়ে তাইৰ হাতখন তেওঁৰ কান্ধৰ ওপৰত থ'লে।

"সেয়া, সেয়া! আপুনি আকৌ ভাবিবলৈ লৈছে। নাই, বাদ দিয়ক! নেভাবিব!" তাই বৰ দুখেৰে ক'লে। তাইৰ চকুপানী তেওঁৰ গাত পৰিল। তাই সাবটি ধৰি তেওঁক তাইৰ ফাললৈ টানি আনি তেওঁৰ শেঁতা বগা চুলিৰ মাজেৰে আঙুলি বুলাই দিলে আৰু ক্লিফোৰ্ডে তাইৰ বুকুত মুখ গুঁজি উচুপিবলৈ ধৰিলে, তেওঁৰ প্ৰশস্ত কান্ধখন মাজে মাজে কঁপি উঠিল।

"সেয়া, সেয়া! নাই, নাই! আপুনি এইবোৰ কথা পাহৰি যাওক, একো চিন্তা নকৰিব, লাভ নাই!"

এইবাৰ ক্লিফোৰ্ডে তাইক সাবটি ধৰি তাইৰ বুকুৰ মাজত কেঁচুৱা এটাৰ দৰে সোমাই পৰিল, চকুপানীৰে তাই মাৰ দিয়া বগা এপ্ৰনটো তিয়াই পেলালে আৰু তিয়াই পেলালে তাইৰ শেঁতা-নীলা কপাহী সাজযোৰ। শেষত তেওঁ নিজকে আবেগৰ ধাৰাত বোৱাই দিলে।

কিছুসময় বাগৰি যোৱাৰ পাছত তাই তেওঁক চুমা খাই বুকুৰ মাজত লৈ জোঁকাৰি জোঁকাৰি মৰম কৰি নিজৰ মনতে ভাবিলে, উস্ ছাৰ ক্লিফোৰ্ড, ইমান উচ্চ আৰু শক্তিশালী চেটাৰ্লি! এইখিনিৰ বাবেই তুমি পৃথিৱীলৈ আহিছিলানে? শেষত আনকি ক্লিফোৰ্ডেও কেঁচুৱা এটাৰ দৰে টোপনি গ'ল। তায়ো ভাগৰত নিজৰ কোঠালৈ গৈ নিজেও যেন মৃগীৰ কবলত পৰিল। একেসময়তে তাই হাঁহিছেও, কান্দিছেও। কি যে

হাঁহি উঠা! কি যে ভয় লগা! কেনেকুৱা অৱনতি! ইমান লাজ লগা! লগতে ইমান বিৰক্তিকৰ।

তাৰ পিছত মিছেছ্ বল্টনৰ ওচৰত ক্লিফোৰ্ড একেবাৰেই শিশুৰ দৰে হৈ পৰিল। তেওঁ আইভিৰ হাতত ধৰে, বুকুত মূৰ থৈ শোৱে আৰু যেতিয়া তাই মৰম কৰি চুমা খায় তেতিয়া তেওঁ কয়, "অ', খোৱা, মোক চুমা খোৱা।"

তাই তেওঁৰ গাটো ভিজা গামোচাৰে মচি দিলেও তেওঁ ঠিক তেনেদৰেই কোৱা হ'ল।

"মোক চুমা খোৱানা।"

আৰু তাই মৰমেৰে তেওঁৰ দেহত চুমা খায়, য'তে ত'তে, কেতিয়াবা অলপ ভেঙুচালি কৰি।

তেওঁ অদ্ভুত উদাস শিশুসুলভ মুখ এখনেৰে কিছু শিশুসুলভ উদ্বেগেৰে বিছনাত বাগৰি থাকে। তেওঁ তাইলৈ কেঁচুৱা এটাৰ দৰে চাই চাই আৰাম কৰে যেন মেডোনাকহে আৰতি কৰিছে। আৰু কিবা এক শিশুসুলভতাত সোমাই পৰে যিটো পৰিবেশটোৰ সৈতে খাপ নাখায়। তাৰপিছত তেওঁ তেওঁৰ হাতখন তাইৰ বুকুৰ মাজলৈ সুমুৱাই দি বুকুখন লিৰিকি-বিদাৰি চায়, উত্তেজনাত বুকুখনত চুমা খায়। বিপথ গমনৰ উত্তেজনা— এটা শিশুৰ চাল-চলনত এজন পূৰ্ণবয়স্ক মানুহ।

মিছেছ্ বল্টন উত্তেজিত হয় আৰু লগতে তাইৰ লাজো লাগে, ভালো লাগে, ঘিণো লাগে। অথচ তাই কেতিয়াও আপত্তিয়ো কৰা নাই, গালিয়ো পৰা নাই। লাহে লাহে তেওঁলোকে আৰু অধিক শাৰীৰিক নিবিড়তা লাভ কৰিলে। কোনো পথভ্ৰষ্টৰ নিবিড়তা। যেতিয়া তেওঁ আপাততঃ শিশুৰ সৰলত্ৰে উৎসুকতাপ্ৰৱণ হৈ থাকে তেতিয়া তেওঁক আধ্যাত্মিক উচ্চতাত আৰোহণ কৰা যেন লাগে। যেন এটি নিৰ্মল মনৰ শিশু আৰু সেই সময়ত তাই হৈ পৰে ঐন্দ্ৰজালিক শক্তি আৰু সামৰ্থ্যৰে পূৰ্ণ, যাৰ ইচ্ছা আৰু নিৰ্দেশত নাচে এজন শুভ্ৰ চুলিৰ সুন্দৰ বিশাল শিশুপুৰুষ।

কিন্তু আচৰিত কথা এইটোৱে যে ক্লিফোৰ্ড নামৰ এই শিশু পুৰুষজন, যি বছৰ বছৰ ধৰি ক্ৰমান্বয়ে শিশুপুৰুষ ৰূপে গঢ় লৈছিল, সেইজন প্ৰকৃত পূৰ্ণ মানুহজনতকৈ বেছি তীক্ষ্ণ বা চোকা। এই পথভ্ৰষ্ট শিশুজন এতিয়া এজন প্ৰকৃত ব্যৱসায়ী। যেতিয়া প্ৰেম-ভালপোৱাৰ প্ৰসংগ আহে তেতিয়া তেওঁ এজন প্ৰকৃত পুৰুষ বা 'হি-মেন'। বেজীৰ দৰে ধাৰাল বা ব্ৰজৰ দৰে দৃঢ়। যেতিয়া তেওঁ জনসমাজৰ মাজত নিজৰ কলা-কৌশল সন্ধান কৰে আৰু কয়লাখনিৰ কাৰ্য-প্ৰণালীৰ উৎকৰ্ষ সাধনত মনোনিৱেশ কৰে তেতিয়া তেওঁ হৈ পৰে অস্বাভাবিকভাৱে চতুৰ, সিয়ান আৰু একেবাৰে আকাংক্ষিত ঠাইতে তীব্ৰ খুন্দা মাৰিব পাৰে। হয়তো তেতিয়া তেওঁৰ নিষ্ক্ৰিয়তা আৰু বেশ্যাগিৰিয়ে

তেওঁক বস্তুগত ব্যৱসায়িক কৌশলৰ ওপৰত এটা বিশেষ অন্তৰ্দৃষ্টি দিব পৰা শক্তি প্ৰদান কৰে; তেওঁ লাভ কৰে লেখত ল'বলগীয়াকৈ এটা বিশেষ অতি মানৱীয় শক্তি। ব্যক্তিগত আবেগত লুতুৰি-পুতুৰি হৈ, তেওঁৰ অধঃগমনে তেওঁক যেন এটা শান্ত মৰিচিকাৰ দৰে দ্বিতীয় সত্তা দান কৰে— সেইটো হৈছে ব্যৱসায়িক নিপুণতা। ব্যৱসায়ৰ ক্ষেত্ৰত তেওঁ এজন অতিমানৱ।

এয়া যে মিছেছ্ বল্টনৰ বিজয়। "তেওঁৰ কি খবৰ, তেওঁৰ কেনে চলিছে!" তাই নিজকে গৰ্বেৰে সোধে। "এয়া সম্ভৱ হৈছে মোৰ বাবে। মই কৈছোঁ, লেডী চেটাৰ্লিৰ সান্নিধ্যত এওঁ সেই তীক্ষ্ণতা কেতিয়াও আয়ত্ত কৰিব নোৱাৰিলেহেঁতেন। তাইতো এজন পুৰুষক কেনেকৈ আগুৱাই নিব লাগে সেইটো নাজানেই। তাই কেৱল নিজৰ বাবে ভাবে আৰু নিজৰ বাবেহে বিচাৰে।"

একে সময়তে তাইৰ অদ্ভুত স্ত্ৰী আত্মাৰ কোনোবা চুকত তাই তেওঁক কিবা ধৰণেৰে ঘিণ কৰে, বেয়া পায়। তাইৰ কাৰণে তেওঁ চিকাৰত পৰা এটা পশুৰ দৰে, খচমচাই থকা এটা দৈত্য। যেতিয়া তাই তেওঁক শুশ্ৰূষা কৰিছিল আৰু তেওঁৰ দুখ-যন্ত্ৰণা আঁতৰ কৰিবলৈ পাৰ্যমানে চেষ্টা কৰিছিল। তেতিয়া তাইৰ প্ৰাচীন নাৰী সত্তাৰ দূৰৈৰ কোনোবা চুকত তেওঁৰ প্ৰতি বৰ্বৰতাৰে ভৰা, অপৰিসীম ঘৃণাহে আছিল। হাততে পোৱা যাযাবৰ জানো তেওঁতকৈ ভাল আছিল?

কনিৰ প্ৰতি তেওঁৰ ব্যৱহাৰো আশ্চৰ্যজনক আছিল। তেওঁ কনিক আকৌ চাবলৈ বিচাৰে। তাৰোপৰি তেওঁ কনিয়ে ৰাগবিলৈ অহাটোতো আঁকোৰ-গোজ হৈ লাগি আছে। এই কথাটোত তেওঁ একেবাৰে অলৰ-অচৰ। কনি ৰাগবিলৈ ঘূৰি আহিব বুলি তেওঁ বৰ দৃঢ়ভাৱে কৈছিল।

"এইবিলাক কথাত খামোচ মাৰি ধৰি থাকি কিবা লাভ আছে নেকি? তাইক যাবলৈ দি আপুনি তাইৰ পৰা পৰিত্ৰাণ পাব নোৱাৰে নেকি?" মিছেছ্ বল্টনে সুধিলে।

"নোৱাৰো, তাই ঘূৰি আহিম বুলি কৈছিল, আহিব লাগিব।"

তাৰ পিছত আৰু আইভিয়ে ইয়াৰ কোনো বিৰোধিতা নকৰিলে। তাইনো কি যুক্তিত কনিৰ কাৰণে তৰ্ক কৰি আছে।

তোমাৰ চিঠিখন পাই মোৰ যে কেনেকুৱা লাগিছিল, সেইটো নক'লেও তুমি বুজিব পাৰিছা নিশ্চয়। [লণ্ডনত থকা কনিলৈ ক্লিফোৰ্ডে লিখিলে] মোৰ কাৰণে তুমি কোনো কষ্ট নকৰা বুলি জানিও কৈছো, তুমি যদি চেষ্টা কৰা মোৰ অৱস্থাটো ভালকৈ অনুমান কৰিব পাৰিবা।

উত্তৰত মই মাত্ৰ এটা কথাই ক'বলৈ বিচাৰো, মই তোমাক ব্যক্তিগতভাৱে লগ পাবই লাগিব, ইয়াতেই, ৰাগবিত, মই কিবা কৰাৰ আগতে। তুমি বৰ দৃঢ়ভাৱে ৰাগবিলৈ

ঘূৰি আহিবা বুলি কৈছিলা আৰু তুমি প্ৰতিজ্ঞা ৰক্ষা কৰিবা বুলি মই আশা কৰিছো। ইয়াত, সৰ্বসাধাৰণ পৰিস্থিতিত, তোমাক ব্যক্তিগতভাৱে লগ নোপোৱালৈকে মই একো বিশ্বাসো নকৰো আৰু বুজিয়ো নাপাওঁ। এইটো নক'লেও হ'ব যে ইয়াত কোনেও একো সন্দেহ নকৰে। গতিকে তুমি ঘূৰি আহিলে সেইটো একেবাৰে গতানুগতিক কথাহে হ'ব। গতিকে আমি আলোচনা কৰি উঠাৰ পাছতো যদি তুমি একে সিদ্ধান্ততে অপৰিবৰ্তিত হৈ থাকা তেতিয়াহ'লে আমি কিবা চৰ্তলৈ আহিব পাৰিম।

কনিয়ে চিঠিখন মেলৰ্চক দেখুৱালে। "তেওঁ তোমাৰ ওপৰত প্ৰতিশোধ ল'বলৈ আৰম্ভ কৰিছে।" চিঠিখন ঘূৰাই দি সি ক'লে।

কনি মনে মনে আছিল। এইটো কথা ভাবি তাই আচৰিত হৈছিল যে তাই ক্লিফোৰ্ডলৈ ভয় কৰে। তাই তাৰ কাষলৈকে যাবলৈ ভয় কৰিছে। তেওঁ যেন এক ভয়ংকৰ পৈশাচিক শক্তি।

তাই সুধিলে, "মই কি কৰিম?"

"তুমি যদি চিঠিত কোৱাধৰণৰ একো কৰিবলৈ বিচৰা নাই, তেন্তে একো কৰিব নালাগে।"

কনিয়ে চিঠিৰ প্ৰত্যুত্তৰ দিলে। তাই চিঠিখন এনেদৰে লিখাৰ চেষ্টা কৰিলে যাতে ক্লিফোৰ্ড তাইৰ পিছৰ পৰা আঁতৰি যায়। ক্লিফোৰ্ডে উত্তৰ দিলে ঃ

তুমি যদি এতিয়াই ৰাগবিলৈ উভতি নাহা তেন্তে মই ধৰি ল'ম যে এদিন তুমি ঘূৰি আহিবাই। আৰু মই সেইধৰণেই পদক্ষেপ গ্ৰহণ কৰিম। তোমাৰ বাবে মই ইয়াতেই অপেক্ষা কৰিম, লাগিলে পঞ্চাশ বছৰেই হওক।

তাইৰ ভয় লাগিল। তেওঁ তেওঁৰ ধৈৰ্য আৰু মানসিক প্ৰস্তুতিৰে তাইক যেন অজানভাৱে ভীতি প্ৰদৰ্শন কৰিছে। যদি তাই তেওঁৰ লগত বিবাহ-বিচ্ছেদ নকৰে তেনেহ'লে সন্তানটি তেওঁৰ হৈ যাব। যদিহে অবৈধ বুলি সন্তানটোক প্ৰতিপন্ন কৰিব পৰা নাযায়।

কিছুদিন চিন্তা-চৰ্চা আৰু মানসিক উদ্বেগ-উত্তেজনাৰ পাছত তাই ৰাগবিলৈ যোৱাৰ কথা ঠিক কৰিলে। বায়েক হিলদাও তাইৰ লগত যাব। ক্লিফোৰ্ডে প্ৰত্যুত্তৰ দিলে ঃ

তোমাৰ বায়েৰাক মই স্বাগতম নজনাওঁ, সেইবুলি তাইৰ বাবে দুৱাৰ বন্ধ কৰিয়ো নথওঁ। তোমাৰ এই কৰ্তব্য-দায়িত্ব বিসৰ্জন দিয়াৰ কাৰ্যৰ অভিসন্ধিত যে তাই সক্ৰিয় ভূমিকা লৈছে তাত মোৰ অকণো সন্দেহ নাই। গতিকে তাইক দেখি মোৰ ভাল লাগিব বুলি আশা নকৰিবা।

দুয়োজনী ৰাগবিলৈ গ'ল। তেওঁলোক আহি পাওঁতে ক্লিফোৰ্ড ঘৰত নাছিল।

মিছেছ্ বল্টনে তেওঁলোকক আদৰি আনিলে। তাই ক'লে, "অ' মেডাম, এইবাৰ ঘৰলৈ ঘূৰি আহোঁতে পোৱা সুখানুভূতি নাই, নহয়নে!"

"অ', তেনেকুৱা নেকি?"

তাৰমানে এই মানুহজনীয়ে কথাবোৰ গম পাইছে! বাকী চাকৰ-নাকৰবোৰে বা কিমান গম পাইছে বা কিমান সন্দেহ কৰিছে!

তাই ঘৰৰ ভিতৰলৈ সোমাই আহিল। তাইৰ দেহৰ প্ৰতিডাল আহেই প্ৰতিটো ৰক্তই এতিয়া এই ঘৰখনক ঘিণ কৰে। এখন ঠাইৰ বিশাল জনসাধাৰণ আৰু প্ৰতিটো বস্তুৱেই যেন কদৰ্য ৰূপত তাইৰ অনিষ্ট কৰিবলৈকে ঘোপা দৃষ্টিৰে চাই ৰৈ আছিল। তাই এতিয়া ইয়াৰ মালিকনী নহয়। এতিয়া তাই ইয়াৰ ভুক্তভোগী। তাই অজান ভয়ত হিলদাক ফুচফুচাই ক'লে, "মই ইয়াত বেছি সময় থাকিব নোৱাৰো।"

নিজৰ কোঠালৈয়ো যাবলৈ ইতস্ততবোধ কৰিলে। তাইৰ মনটো ভাৰাক্ৰান্ত কৰি পেলালে। ৰাগবিত কটোৱা প্ৰতিটো ক্ষণেই অস্বস্তিকৰ হৈ পৰিল।

তেওঁলোকে দুপৰীয়াৰ আহাৰৰ বাবে তললৈ নামি আহোঁতেহে ক্লিফোৰ্ডক লগ পালে। তেওঁ ক'লা টাই মাৰি সুন্দৰ সাজত পৰিপাটী হৈ আছে। যথেষ্ট ৰক্ষণশীল আৰু উচ্চভাবৰ এজন ভদ্ৰলোক। খোৱাৰ সময়ত তেওঁৰ কথা-বাৰ্তা, চাল-চলন বেচ নম্ৰ আৰু ভদ্ৰ। কিন্তু এই পৰিবেশত এনেকুৱা লাগিছিল যেন তাত থকা প্ৰতিজনেই একো একোজন পাগল।

মানুহজনী কোঠাৰ পৰা ওলাই যাওঁতে কনিয়ে ক্লিফোৰ্ডক সুধিলে, "চাকৰ-বাকৰবোৰে কিমান দূৰ জানে?"

"কি মতলব? বিশেষ একো নাজানে।"

"মিছেছ্ বল্টনে জানে।"

তেওঁ বিবৰ্ণ হৈ পৰিল।

"মিছেছ্ বল্টনক প্ৰকৃততে চাকৰৰ শাৰীত থ'ব নোৱাৰি।"

"মই সেইটো ভবাই নাছিলো।"

কফি খোৱাৰ পাছত হিলদা নিজৰ কোঠালৈ আঁতৰি নোযোৱালৈকে কিবা এটা টনা টনা ভাব মূৰ্তমান হৈ আছিল।

তাই যোৱাৰ পাছত ক্লিফোৰ্ড আৰু কনি অলপ সময় মনে মনে বহি থাকিল। কোনেও একো কোৱা নাই। কনি এইটো কথাতেই সুখী যে তেওঁ কোনো শোকাকুল পৰিৱেশৰ সৃষ্টি কৰা নাই। তেওঁ যাতে ভণ্ডি নপৰে তালৈ কনিয়ে লক্ষ্য কৰি চলিলে। তাই তলমুৱাকৈ মনে মনে বহি থাকি নিজৰ হাত দুখনলৈকে চাই থাকিল।

অৱশেষত ক্লিফোর্ডে ক'লে, "বোধহয় প্ৰতিশ্ৰুতি দলিয়াই গুচি যাবলৈ তোমাৰ অকণো বেয়া লগা নাছিল।"

"মোৰ উপায় নাই।" তাই গুণ গুণাই ক'লে।

"তোমাৰ যদি উপায় নাই, তেন্তে কাৰ আছে?"

"কিজানি কাৰোৱেই নাই।"

শীতল খঙৰ ভমকত তেওঁ তাইলৈ আচৰিত দৃষ্টি নিক্ষেপ কৰিলে। অৱশ্যে তাইৰ আচৰণৰ লগত তেওঁ অভ্যস্ত। তাই যেন তেওঁৰ ইচ্ছা-পত্ৰৰ লগত সন্নিবিষ্ট হৈহে আছে। তেওঁৰ ওচৰত কথা দি তাক উলংঘা কৰিবলৈ আৰু তেওঁৰ দৈনন্দিন অৱস্থিতিৰ গাঁঠনিত আঘাত হানিবলৈ ইমান সাহসেই বা তাই ক'ত পালে? তেওঁৰ ব্যক্তিত্বত কলংক সনাৰ ধৃষ্টতাইবা তাইৰ কেনেকৈ হ'ল।

"আচলতে তুমি কি বিচাৰি এইবোৰ কৰি আছা?" তেওঁ বিব্ৰত হৈ সুধিলে।

"প্ৰেম ভালপোৱা।"

আচলতে ই এটা পুৰণি উত্তৰ।

"ডানকান ফৰ্বচৰ প্ৰেম? কিন্তু তুমি মোক লগ পাওঁতে সেইবোৰ বিষয়ত মূল্য দিয়া নাছিলা। তুমি এইটো ক'ব বিচাৰিছা নেকি যে বৰ্তমান পৃথিৱীৰ সকলো বস্তুতকৈ তুমি তেওঁক বেছি ভাল পোৱা?"

"প্ৰত্যেকেই সলনি হয়।"

"হয়তো, হয়তো তোমাৰ কিবা ভ্ৰম হৈছে।"

"তুমি কিন্তু এতিয়াও মোক এই পৰিৱৰ্তনৰ গুৰুত্ব বুজাব পৰা নাই। তুমি ডানকানক ভাল পাইছা? মোৰ বিশ্বাস নহয়।"

"কিন্তু তোমাৰ বিশ্বাস হোৱাৰ কি দৰকাৰ? তুমি মোৰ লগত বিবাহ-বিচ্ছেদ কৰিব লাগে, মই কি অনুভৱ কৰিছো সেইটো বিশ্বাস কৰিব নালাগে।"

"আৰু মইনো তোমাৰ লগত কিয় বিবাহ-বিচ্ছেদ কৰিম?"

"কাৰণ মই আৰু ইয়াত থাকিব নিবিচাৰো, আৰু তুমিয়ো আচলতে মোক নিবিচৰা।"

"ক্ষমা কৰিবা। মই সলনি নহওঁ। মোৰ ফালৰ পৰা এইটোৱে বিচাৰো যে যিহেতু তুমি মোৰ পত্নী গতিকে তুমি মোৰ ঘৰৰ চালৰ তলত শান্তি আৰু মান-মৰ্যাদাৰে থাকা। মোৰ ব্যক্তিগত অনুভূতিসমূহক বাদ দি মই চিধাচিধি কৈছো যে ৰাগবিত এনেকৈ মোৰ ঘৰখন থানবান হৈ পৰাটো মোৰ বাবে মৃত্যুতকৈ তিতা, ভয়াবহ, তাৰমানে মোৰ জীৱনে মোৰ পৰা বহুত দূৰ আঁতৰি গৈছে। তোমাৰ সামান্য ধনৰ বাবে দৈনন্দিন জীৱনৰ সুন্দৰ পৰিক্ৰমা এনেকৈ ধূলিসাৎ হৈ যাবলৈ দিব নোৱাৰো।"

কিছুসময়ৰ নীৰৱতাৰ পাছত তাই ক'লে, "মোৰ উপায় নাই। মই যাবই লাগিব। মোৰ এটা সন্তান হ'ব বুলি মই আশা কৰোঁ।" তেওঁ মৌন হৈ ৰ'ল।

"এই সন্তানৰ বাবেই তুমি যাব বিচাৰিছা নেকি?"

বহুসময়ৰ বিৰতিৰ পাছত তেওঁ সুধিলে। তাই মুৰ দুপিয়ালে।

"কিয়নো? ডানকান ফৰ্বচ তেওঁৰ পোৱালিৰ প্ৰতি ইমান ব্যগ্ৰ নে?"

"তোমাতকৈ যে বেছি ব্যগ্ৰ সেইটো নিশ্চিত।"

"হয়নে? মই মোৰ পত্নীক বিচাৰো আৰু কোনো যুক্তিতে মই তেওঁক যাবলৈ নিদিওঁ। যদি মোৰ তত্ত্বাবধানত তেওঁ সন্তান এটা জন্ম দিব খোজে তেন্তে মই তেওঁক স্বাগতম জনাইছো। অৱশ্যে জীৱনৰ পৰিক্ৰমা আৰু শালীনতা বৰ্তি থাকিব লাগিব। তুমি এইটো ক'ব বিচাৰিছা নেকি যে তোমাৰ ওপৰত তেওঁৰ কৰ্তৃত্ব মোতকৈ বেছি? কিন্তু মই সেইটো নাজানো।"

অলপ সময় নিস্তব্ধ।

"কিন্তু তুমি দেখা নাই জানো?" কনিয়ে ক'লে, "মই যে তোমাৰ পৰা আঁতৰি যাবই লাগিব। আৰু ভালপোৱা মানুহজনৰ লগত মই থাকিবই লাগিব।"

"নাই, মই সেইবোৰ একো দেখা নাই। তোমাৰ প্ৰেমক মই সামান্যতম মূল্যও নিদিওঁ। আৰু তোমাৰ প্ৰেমাস্পদজনকো। তেনেকুৱা কপটীয়া কথাত মোৰ আস্থা নাই।"

"কিন্তু মোৰ অৱস্থাটো তুমি বুজিছা বুলি মই জানো।"

"তুমি গম পাইছা নেকি? মোৰ মৰমৰ মেডামজনী। তুমি বৰ বুদ্ধিমতী, মই তোমাৰ ডানকানৰ প্ৰতি তোমাৰ প্ৰেমৰ কথা বুজিব পাৰিছো। মোৰ কথা বিশ্বাস কৰা, প্ৰকৃততে তুমি এতিয়াও মোকহে বেছি গুৰুত্ব দিয়া। গতিকে এইবোৰ বাৰে-বিংকৰা কথালৈ মই কিয় মন দিব লাগে!"

এই কথাখিনি যেন শুদ্ধ। তাইৰ ঠিক তেনেকুৱা লাগিল। আৰু তাই ধৰিব পাৰিলে যে এতিয়া তাই আৰু নিমাতে বৈ থাকিব নোৱাৰে।

"কাৰণ মই যাক ভাল পাওঁ তেওঁ যে ডানকান নহয়। গতিকে তোমাৰ অনুভূতিৰ হিচাপ-নিকাচবোৰ সলনি কৰি আঘাত নোপোৱাকৈ থাকা।"

"মই কি আঘাত পোৱাৰ পৰা সাৱধানে থাকিব লাগে।"

"হয়। কাৰণ মই যাক ভালপাওঁ, তাৰ নাম ক'লে তুমি মোক ঘিণ কৰিবা আৰু তেওঁ মিষ্টাৰ মেলৰ্চ, আমাৰ খেলৰ চৰাই ৰখীয়া।"

তেওঁ যদি চকীৰ পৰা জাঁপ মাৰি উঠিব পাৰিলেহেঁতেন তেন্তে তেওঁ তাকে কৰিলেহেঁতেন। তেওঁৰ মুখৰ বৰণ পীত বৰণীয়া হৈ গ'ল, চকু কপালত উঠিল আৰু পিঠি চিধা কৰি বহিল।

ফোপাই ফোপাই তেওঁ পুনৰ চকীত আউজী বহি চিলিঙলৈ চাই ৰ'ল। তেনেদৰেই বহুত সময় অতিবাহিত হোবাৰ পাছত তেওঁ পুনৰ সংযত হ'ল।

"তুমি বাৰু সঁচা কৈছানে?"

মুখখন বিকৃত কৰি তেওঁ সুধিলে।

"হয়, সঁচা কৈছো। তুমি আচলতে ধৰিব পাৰিছাই।"

"বাৰু, তুমি কেতিয়াৰ পৰা এইবোৰ আৰম্ভ কৰিছিলা?"

"বসন্তকালত।"

ফান্দত পৰা পশু এটাৰ দৰে তেওঁ নিমাত হৈ পৰিল।

"বাৰু, তেতিয়াহ'লে সেই জুপুৰীটোৰ শয়ন কক্ষত তুমিহে আছিলা।"

তাৰমানে ভিতৰে ভিতৰে তেওঁ সকলোখিনিয়ে জানে।

"হয়।"

তেওঁ চকীখনত অলপ আগলৈ হাউলি বহি, শলঠেকত পৰা জন্তুক চোৱাদি তাইক চাবলৈ ধৰিলে।

"হে ভগৱান, তোমাক এই ধৰিত্ৰীৰ বুকুৰ পৰা মচি পেলোৱাটোৱেই উচিত আছিল।"

"কিয়?" তাই কোমলভাৱে পটকৈ সুধিলে। তেওঁ শুনা যেন নালাগিল।

"সেই আৱৰ্জনাটো! ফোপজহী অসভ্য ক'ৰবাৰ! লেতেৰা জৰাজীৰ্ণ ভিকহুটো! ৰাগবিহ্বলত থাকি তুমি তাৰ লগত সেইবোৰ চলাই আছিলা! সেই চাকৰটোৰ লগত! হে ভগৱান, হে ভগৱান। তিৰোতা ইমান তললৈ নামিব পাৰে, পশুতকৈয়ো নীচ।"

তেওঁ একেবাৰে অস্থিৰ হৈ পৰিল আৰু তাই তেনেকুৱা হ'ব বুলি জানিছিল।

"আৰু তুমি ক'ব খুজিছা যে সেই জলহুটোৰ সন্তান তুমি গৰ্ভত পালিছা।"

"হয়, মই তাকেই কৰিছো।"

"তুমি কৈছা, তাৰমানে তুমি নিশ্চিত। তুমি নিশ্চিত হোৱা কিমান দিন হ'ল?"

"জুন মাহৰ পৰা।"

তেওঁৰ কণ্ঠৰুদ্ধ অৱস্থা হ'ল। সেই শিশুসুলভ উদাস চাৱনি তেওঁৰ মুখলৈ আকৌ নামি আহিল।

বহুসময়ৰ পাছত তেওঁ ক'লে, "তেনেকুৱা এটাৰ সন্তান জন্ম হ'বলৈ দিয়া কথাটো সম্মতিৰ বাহিৰত।"

"কেনেকুৱা এটাৰ?"

কোনো উত্তৰ নিদি অবাক হৈ তেওঁ তাইলৈ চালে। দেখাদেখি কথা, এতিয়া তেওঁ মেলৰ্চৰ জীৱনৰ সৈতে কোনো সম্পৰ্ক আনকি তাৰ অস্তিত্বও সহ্য কৰিব নোৱাৰে।

"তুমি তাৰ লগত বিয়া হোৱাৰ কথা ভাবিছা নেকি? আৰু তাৰ কদৰ্য নামটো তোমাৰ নামৰ লগত সংযুক্ত কৰিবা।"

অলপ দেৰিৰ পাছত তেওঁ সুধিলে।

"হয়, মই ঠিক তাকেই কৰিব বিচাৰো।"

তেওঁ যেন বোবা হৈ পৰিল।

অৱশেষত তেওঁ ক'লে, "হয়। মই তোমাৰ বিষয়ে সদায়ে যিটো সন্দেহ কৰিছিলো আজি সেইটোৱে প্ৰমাণিত হ'ল। তুমি স্বাভাৱিক নহয়, তুমি প্ৰকৃতিস্থ হৈ থকাই নাই। তুমি আধা বলিয়া, ভ্ৰষ্টাচাৰী, কলংকিনী তিৰোতাবোৰৰ মাজৰে এজনী।"

হঠাতে তেওঁ এজন আকলুৱা, তৃষ্ণাতুৰ মানৱত পৰিণত হ'ল। তেওঁ নিজে যেন মহানতাৰ অৱতাৰ আৰু মেলৰ্চ, কনি আদিবোৰ পংকময় পাপিষ্ঠৰ অৱতাৰ। তেওঁ যেন কোনো জ্যোতিৰ্মণ্ডলত বিলীন হৈ গৈছে।

তাই সুধিলে, "পতিকে তুমি মোক বিবাহ-বিচ্ছেদ কৰাটো উচিত হ'ব বুলি এতিয়া সিদ্ধান্তলৈ আহিব পাৰিছানে?"

বুৰ্বক এটাই কোৱাৰ দৰে তেওঁ কৈ উঠিল, "নাই, তুমি য'লৈকে ইচ্ছা ত'লৈকে যাব পাৰা, কিন্তু মই তোমাক বিবাহ-বিচ্ছেদ নিদিওঁ।"

"কিয় নিদিয়া?"

তেওঁ নিমাত। কোনো মূৰ্খৰ গোড়ামিৰে নিমাত।

"তুমি সন্তানটোক আইনসংগতভাৱে তোমাৰ বুলি ক'বা নেকি? আৰু তোমাৰ উত্তৰাধিকাৰী কৰিবা নেকি?" তাই সুধিলে।

"মই সন্তান সম্পৰ্কত কোনো কথাই ভবা নাই।"

"কিন্তু তুমি ভাবিবই লাগিব। মই সন্তানটো ন্যায়সংগতভাৱে তোমাৰ হ'বলৈ নিদিওঁ। মই ক'ম যে এইটো মোৰ সন্তান। কিন্তু অবৈধ। মেলৰ্চৰ ফালৰ পৰা বুলি প্ৰমাণ কৰিব পাৰোঁনে নোৱাৰো সেইটো পাছৰ কথা।"

"তোমাৰ যি ইচ্ছা কৰি থাকা।"

ক্লিফোৰ্ডক সৈমান কৰিব নোৱাৰি।

"তুমি মোক বিবাহ-বিচ্ছেদ নকৰা নেকি?" তাই সুধিলে, "তুমি ডানকানক এটা অজুহাত হিচাপে ল'ব পাৰা। আচল মানুহজনৰ নামটো দিয়াৰ দৰকাৰ নাই। ডানকানে বেয়া নাপায়।"

"মই তোমাক কেতিয়াও বিবাহ-বিচ্ছেদ নিদিওঁ।"

তেওঁ এনেকৈহে ক'লে যেন গজাল মাৰিহে দুয়োকে জোৰা লগাই থোৱা আছে।

"কিন্তু কিয়? মই বিচৰা কাৰণে?"

“কাৰণ মোৰ যি ইচ্ছা মই তাকে কৰোঁ। আৰু এইটো কৰিবলৈ মোৰ মন যোৱা নাই।”

তেওঁৰ লগত এতিয়া কথা পাতি একো লাভ নাই যেন পাই তাই ওপৰ মহলালৈ গৈ হিলদাক ফলাফল জনালেগৈ। হিলদাই ক'লে, “কালিলৈ গুচি যোৱাই ভাল। তেওঁ কথাবোৰ বুজি উঠক।”

গতিকে কনিয়ে আধাৰাতিলৈকে তাইৰ নিজৰ অতি ব্যক্তিগত বস্তুবোৰ বান্ধি-কুন্ধি ল'লে। ৰাতিপুৱা তাই নিজৰ বাকচটো ক্লিফোৰ্ডক নোকোৱাকৈয়ে ৰেল ষ্টেচনলৈ পঠিয়াই দিলে। তাই দুপৰীয়াৰ আহাৰৰ আগে আগেহে ক্লিফোৰ্ডৰ পৰা বিদায় লোৱা ঠিক কৰিলে।

কিন্তু তাই মিছেছ্ বল্টনৰ লগতহে কথা পাতিলে।

“মিছেছ্ বল্টন, মই তোমাৰ পৰা নিশ্চয় বিদায় ল'বই লাগিব। কাৰণটো তুমি জানাই। কিন্তু মই তোমাৰ ওপৰত ভৰসা ৰাখিছো যাতে তুমি এইবোৰ বিষয়ত কাৰো লগত একো কথা নাপাতা।”

“হয়, আপুনি মোক বিশ্বাস কৰিব পাৰে মেডাম। কিন্তু এইটো প্ৰকৃততে আমাৰ বাবে বৰ দুখদায়ক কথা। তথাপিয়ো আপুনি আনজন ভদ্ৰলোকৰ লগত সুখী হ'ব বুলি আশা কৰিলোঁ।”

“আনজন ভদ্ৰলোক! তেওঁ মিষ্টাৰ মেলৰ্চ। মই তেওঁক ভাল পাওঁ, কিন্তু কাকো একো নক'বা। আৰু যদি কোনোবা দিনা ছাৰ ক্লিফোৰ্ডে মোৰ সৈতে বিবাহ-বিচ্ছেদ কৰিব বুলি গম পোৱা তেতিয়া মোক নিশ্চয় জানিবলৈ দিবা দেই, দিবা নহয়? মই বিচৰা মানুহটোৰ লগত মই বিয়াখন সামাজিকভাৱে পাতিব বিচাৰো।”

“মই খাটাং যে আপুনি পাৰিব মেডাম। অ', আপুনি মোক নিশ্চয় বিশ্বাস কৰিব পাৰে। মই ক্লিফোৰ্ডৰো বিশ্বাসী হৈ ৰ'ম, আপোনাৰো বিশ্বাসী হৈ ৰ'ম কাৰণ মই দেখিছো যে নিজা নিজা যুক্তিত দুয়োৰেই শুদ্ধ।”

“ধন্যবাদ! আৰু চোৱা! মই তোমাক এইটো দিব বিচাৰিছো— ল'বানে?”

গতিকে কনিয়ে পুনৰবাৰ ৰাগবি এৰি গুচি গ'ল। আৰু হিলদাৰ লগত স্কটলেণ্ড পালেগৈ। মেলৰ্চে গ্ৰামীণ অঞ্চলৰ ফাৰ্ম এখনত কাম কৰিবলৈ ল'লে। কথা হ'ল, সি সম্ভৱ হ'লে বিবাহ-বিচ্ছেদ কৰিব, কনিৰ বিচ্ছেদ হওকেই বা নহওকেই। আৰু ছমাহ সি ফাৰ্মত কাম কৰিব যাতে পিছলৈ সি আৰু কনিয়ে এখন নিজাববীয়াকৈ ফাৰ্ম খুলিব পাৰে। আৰু তাৰ সকলো ধ্যান-ধাৰণা তাত প্ৰয়োগ কৰিব পাৰে। তাৰ কাৰণে সি কাম কৰিব লাগিব, হয়তো কঠোৰ পৰিশ্ৰম। আৰু সি নিজৰ উপাৰ্জনেৰে চলিব খোজে, আনকি তাই তাক টকা দিলেও।

গতিকে সিহঁতে বসন্ত কাল হোৱালৈকে অপেক্ষা কৰিব লাগিব। তেতিয়ালৈ কেঁচুৱাটোৰো জন্ম হ'ব। আৰু গ্ৰীষ্ম কালৰ আগমন হ'ব।

গ্ৰেঞ্জ ফাৰ্ম অ'ন্ড হেনৰ ২৯ ছেপ্টেম্বৰ কোম্পানিৰ ইঞ্জিনীয়াৰ ৰিছাৰ্ডক মই সৈন্য-বাহিনীত থাকোঁতেই লগ পাইছিলো আৰু তেতিয়াৰে পৰা আমাৰ চিনাকি। আৰু সেই সুবাদতে মই আজি ইয়াত। এই ফাৰ্মখন বাটলাৰ এণ্ড স্মিথাম কয়লা কোম্পানিৰ অধীনত। সিহঁতে খনিত খটুৱা পনী ঘোঁৰাৰ খাদ্য— নৰাজাতীয়, ঘাঁহ আৰু ওট উৎপাদন কৰে। এই ফাৰ্মখন ব্যক্তিগত খণ্ডৰ নহয়। অৱশ্যে ইয়াত গৰু-গাহৰিয়ো প্ৰতিপালন কৰা হয়। মই মজুৰী হিচাপে সপ্তাহত ত্ৰিশ চিলিঙকৈ পাওঁ। ৰাউলি বোলা কৃষকজনে মোক বিভিন্ন ধৰণৰ কামত নিয়োগ কৰে। যাতে মই এতিয়াৰে পৰা অহা ইষ্টাৰলৈকে এই সময়ছোৱাত যিমান পাৰোঁ সিমান শিকিব পাৰোঁ।

বিবাহ-বিচ্ছেদৰ বাবে তাই কিয় উপস্থিত হোৱা নাছিল মই সেইকথা নাজানো। এতিয়া তাই ক'ত আছে, কি কৰি আছে তাকো মই নাজানো। কিন্তু মই আশা কৰোঁ যে যদি মই মাৰ্চ মাহলৈকে মনে মনে থাকোঁ তেন্তে মই মুক্ত হৈ যাম। ছাৰ ক্লিফোৰ্ডলৈ তোমাৰ চিন্তা নহয় নেকি? তেৰোঁ লাহে লাহে তোমাৰ পৰা পৰিত্ৰাণ পাবলৈ বিচাৰিব। এতিয়ালৈ তেওঁ যদি তোমাক অকলশৰে এৰি দিছে তেন্তে সেয়াই বহুত।

হাই পাৰ্কৰ এজন ইঞ্জিন ড্ৰাইভাৰৰ এটা সৰু ঘৰত মই থাকিবলৈ লৈছো। মানুহজন ওখ, দড়ীয়া আৰু ধৰ্মভীৰু। তেওঁৰ মৰমলগা ঘৈণীয়েকজনী অলপ উচ্চাকাংক্ষী। তেওঁলোকৰ ৰাজকীয় ইংৰাজ আভিজাত্যৰে ভৰা ঘৰখনত মোৰ অবাধ আহ-যাহ। কিন্তু তেওঁলোকৰ একমাত্ৰ ল'ৰাটোক যোৱা যুদ্ধত হেৰুৱালে। যেন কিবা এটাই তেওঁলোকৰ বুকু ভেদ কৰি গ'ল। তেওঁলোকৰ এজনী ওখ-পাখ লাজকুৰীয়া জীয়েক আছে। তাই শিক্ষয়িত্ৰীৰ প্ৰশিক্ষণ লৈ আছে। মাজে-সময়ে মই তাইৰ পাঠবোৰত চকু ফুৰাই দিওঁ। আমি এটা পৰিয়ালৰ দৰেই আছো। তেওঁলোক বৰ ভদ্ৰ মানুহ। আৰু মোৰ প্ৰতি অত্যধিক মৰমিয়াল। কিজানি মইহে তোমাতকৈ বেছি আৰামত আছো।

খেতি-বাতি মই ভালেই পাওঁ। কিন্তু ইয়াত নতুনত্ব একো নাই, ইয়াৰ পৰা একো প্ৰেৰণা পোৱা নাযায়, অৱশ্যে মই আশাও কৰা নাই। গৰু-ঘোঁৰা আদিৰ লগত মই অভ্যস্ত, যদিও এইবোৰৰ প্ৰতিপালন স্ত্ৰী-সুলভ কিন্তু মই এইবোৰ কৰি কিবা এটা শান্তি পাওঁ। গাখীৰ খিৰাওঁতে মই শিহৰিত হওঁ। সিহঁতৰ ছটা বৰ ধুনীয়া হেৰেফৰ্ডচ জাতৰ গৰু আছে। ওট চপোৱা হৈ গ'ল, বৰষুণৰ মাজত চপাবলগীয়া হৈছিল আৰু হাতবোৰ বগা পৰি বিষাইছিল। কিন্তু কামটো মোৰ ভাল লাগিছিল। মই কোন কেনেকুৱা তালৈ লক্ষ্য কৰি নাথাকো। কেৱল সকলোৰে লগত মিলি থাকোঁ।

খনিৰ কাম ভালকৈ চলা নাই। তেভাৰচালৰ দৰে এইখনো কয়লা খনিৰ জিলা

কিন্তু বেছি মনোমোহা। মই কেতিয়াবা ৰেলিংটনলৈ গৈ মানুহৰ লগত কথা পাতো। মানুহবোৰৰ ঢেৰ আপত্তি, কথাও বহুত কয় কিন্তু সিহঁতে একো হাচিল কৰিব নোৱাৰে। সকলোৱে কয় নটচ-ডাৰ্বি খনিৰ শ্ৰমিকবোৰে বৰ আন্তৰিকতাৰে মনপুতি কাম কৰে। কিন্তু তেওঁলোকৰ সমস্যাৰাজিৰ কথা কোনেও নাভাবে। মই সিহঁতক ভাল পাওঁ, কিন্তু সিহঁতে মোক বিশেষ উৎসাহিত কৰিব নোৱাৰে। অধিকাৰৰ বাবে যুঁজ দিয়াৰ উদ্যম সিহঁতৰ নাই।

ৰাষ্ট্ৰীয় কৰণৰ ওপৰত সিহঁতে ঢেৰ কথা পাতে। ৰয়েলিটিৰ ৰাষ্ট্ৰীয়কৰণ, কুটীৰ উদ্যোগটোৰেই ৰাষ্ট্ৰীয়কৰণ, কিন্তু অকল কয়লা উদ্যোগতে ৰাষ্ট্ৰীয়কৰণ কৰি বাকী উদ্যোগবিলাকক যেনেকৈ আছে তেনেকৈ এৰি দিব নোৱাৰি। ছাৰ ক্লিফোৰ্ডে চেষ্টা কৰাৰ দৰে সিহঁতে কয়লাৰ ব্যৱহাৰ বেলেগ ঠাইত কৰিব বিচাৰে। কিন্তু মোৰ সন্দেহ হয়, কয়লাৰ অ'ত ত'ত প্ৰয়োগ হ'লেও সাৰ্বজনীন ব্যৱহাৰ সম্ভৱ নহয়। উৎপাদিত বস্তু কিবা প্ৰকাৰে বেচিবই লাগিব। কিন্তু মানুহবোৰ এই দিশৰ প্ৰতি উদাসীন। সিহঁতে ভাবে এইবোৰ চব নষ্ট হ'ল। ময়ো তেনেকৈয়ে ভাবো। গতিকে তাৰ লগতে সিহঁতৰ ভাগ্যও ধ্বংস হয়। কিছুমান ডেকাই কিবা এটা ছোভিয়েট সংস্থা খোলাৰ কথা কয়, কিন্তু সিহঁতৰ একাগ্ৰতা, নিষ্ঠা একো নাই। গোটেইখন বিশৃংখল। কিন্তু ছোভিয়েট এটা খুলিলেও কয়লা বেচিবই লাগিব। সমস্যাটো তাতেই।

এই বিশাল ঔদ্যোগিক জন-সাধাৰণক খুৱাবই লাগিব, গতিকে নাটকখন চলাই নিব লাগিব। আজি-কালি মাইকী মানুহে বৰ বেছি কথা কয়। সিহঁতে অযুক্তিকৰভাৱে বেছি আত্ম-বিশ্বাসী। পুৰুষসকল লেহুকা। সিহঁতে কিবা কৰিলে অৱস্থাৰ অৱনতি ঘটে বুলি ভয় কৰে। গতিকে এনেদৰে থাকে যেন একো কৰিবলগীয়াই নাই। আনহাতে ইমান হৈ চৈৰ পাছতো কি কৰিবনো লাগে কোনেও নাজানে। পইচাৰ অভাৱত ডেকা ল'ৰাবোৰ পাগল হৈ গৈছে। সিহঁতৰ গোটেই জীৱনটো খৰচ কৰিব পৰা ক্ষমতাৰ ওপৰতে নিৰ্ভৰ কৰিছে। অথচ খৰচ কৰিবলৈ এতিয়া সিহঁতৰ হাতত পইচা নাই। আমাৰ সভ্যতা, শিক্ষা-ব্যৱস্থা এনেকুৱাই, খৰচ কৰাৰ ক্ষমতা থাকিলেই সুখ-শান্তি, কিন্তু খৰচ কৰিবলৈ হাতত নাই পইচা।

খনিৰ খাদত কাম সপ্তাহত দুদিনমানহে চলে। আৰু আগলৈয়ো এই অৱস্থাৰ উন্নতি হোৱাৰ আশা নাই। তাৰমানে এজন মানুহে তেওঁৰ পৰিয়ালটো পঁচিশ বা ত্ৰিশ চিলিঙৰ ভিতৰতে চলাব লাগিব। মাইকী মানুহবোৰেতো একেবাৰে উন্মাদ হৈ পৰিছে। সিহঁত আজিকালি খৰচ কৰিবলৈ বলিয়া।

জীৱন-নিৰ্বাহ কৰা আৰু ব্যয় কৰা একে নহয় বুলি যদি সিহঁতক বুজাব পৰা গ'লহেঁতেন। কিন্তু একো লাভ নাই। উপাৰ্জন কৰি খৰচ কৰিবলৈ শিকোৱাতকৈ

কেনেকৈ চলিব লাগে শিকোৱাহেঁতেন সিহঁতে পাঁচিশ ত্রিশ চিলিঙৰ ভিতৰতে জোৰা মাৰিব পাৰিলেহেঁতেন। পুৰুষসকলেও যদি নাচি-বাগি স্ফূৰ্তি কৰিবলৈ শিকিলেহেঁতেন তেতিয়া বেছি পইচাৰ আৱশ্যক নহ'লহেঁতেন। মহিলাসকলকো আমোদ দিব লাগে আৰু সিহঁতৰ পৰা নিজেও আমোদ আদায় কৰিব লাগে। ঔদ্যোগিক জীৱনৰ সমস্যা সমাধানৰ এইটোৱে উপায়— কেনেকৈ জীৱন-নিৰ্বাহ কৰিব লাগে মানুহক শিকাব লাগিব। সেই পুৰণি দলবদ্ধ নাচ-গানবোৰত খৰচ একো নাছিল, কিন্তু আমোদ প্ৰচুৰ আছিল। কিন্তু এতিয়া সেইটো কৰিবলৈ কঠিন। কাৰণ সিহঁতৰ মনবোৰ একঘেয়ামিত বান্ধ খাই পৰিছে। কোনোবাই যদি পাৰে তেওঁ চিৰকালৰ বাবে জনসাধাৰণৰ ওচৰত দেৱতা হৈ ৰ'ব।

খনিৰ শ্ৰমিকসকল বিধৰ্মী নহয়, কিন্তু সিহঁত দুৰ্দশাগ্ৰস্থ— সিহঁতৰ মহিলাবোৰৰ বাবে সিহঁত মৃত। জীৱনৰ বাবেও মৃত। ডেকাচামেতো মটৰ বাইকত ছোৱালী উঠাই লৈ হো-হোৱাই ঘূৰি ফুৰিছে। কিন্তু অভাৱত সিহঁতো মৃতপ্ৰায়। অৰ্থ এনেকুৱা এটা বস্তু থাকিলে সি বিষক্ৰিয়া আৰম্ভ কৰে আৰু নাথাকিলে লঘোণত মৰে।

মই বুজিছো, তোমাৰ এইবোৰ আমনি লাগিছে। মই মোৰ কথা বেছিকৈ কৈ তোমাক আমনি দিব নিবিচাৰো। আৰু মোৰ বেলেগ একো হোৱা নাই। মই তোমাৰ কথাও খুব বেছি ভাবি নাথাকো। এইবোৰে আমাৰ দুয়োলৈকে জটিলতা আনে।

আচলতে মোৰ ভয় লাগিছে। বতাহত যেন চয়তান ভাহি আছে। আৰু সি আমাক দুয়োকে গ্ৰাস কৰিব। কোনো পিশাচে যেন মানুহৰ মনবোৰ টকাৰ লোভেৰে ভৰাই দিছে। আৰু মানুহে জীৱনক ঘিণ কৰিবলৈ লৈছে। টকা নোহোৱাকৈ বাচি থাকিবলৈ চেষ্টা কৰিলে কোনো শুভ্ৰ পৈশাচিক হাতে-তাৰ টেঁটু চেপি জীৱন ৰস উলিয়াই পেলাব।

দিনবোৰ বেয়াৰ ফাললৈ ঢাল লৈছে, এইদৰে চলি থাকিলে এই ঔদ্যোগিক জনসাধাৰণৰ বাবে ভৱিষ্যতে থাকিব কেৱল মৃত্যু আৰু ধ্বংসৰ বিভিষীকা। কেতিয়াবা মোৰ মৰিবলৈ মন যায়। কিন্তু তুমি যে মোৰ সন্তান জন্ম দিবলৈ ওলাইছা। কিন্তু চিন্তা নকৰিবা বেয়া সময়ে তিৰোতাৰ প্ৰতি থকা মৰম নিঃশেষ কৰিব পৰা নাই। গতিকে তোমাৰ মোৰ মাজৰ আকৰ্ষণ বা তোমাৰ মোৰ মাজৰ অকণমান উজ্জ্বলতাখিনি নোহোৱা কৰিব নোৱাৰে। অহা বছৰ আমি একেলগ হ'ব পাৰিম যদিও মোৰ ভয় লাগিছে। তুমি লগত থাকিলে মই আগুৱাই যাব পাৰিম। এজন পুৰুষে নিজৰ ভৰিত সবলভাৱে থিয় হ'ব লাগে আৰু কিবা এটা শক্তি বিশ্বাস ৰাখি আগুৱাই যাব লাগে। নিজৰ সামৰ্থ্যৰ ওপৰত বিশ্বাস নাথাকিলে আৰু কোনো বাহ্যিক উপকাৰী শক্তিত বিশ্বাস নাৰাখিলে জীৱনৰ বীমাকৰণ সম্ভৱ নহয়। গতিকে আমাৰ মাজৰ কণমান

শিখাটোত বিশ্বাস ৰাখা। তোমাৰ বাহিৰে মোৰ কোনো বন্ধু নাই, কেঁচুবাটো আছে কিন্তু সেইটো বেলেগ কথা। সি আমাৰ আশাৰ ফল। তোমাৰ মোৰ মাজত এটা ফেৰেঙনি মেলা শিখা। তাক মই আদৰ কৰোঁ, তাৰবাবে মই কাম কৰি যাম। ক্লিফোৰ্ড, বাৰ্থা, খনি সংগীবোৰ, চৰকাৰ, টকা, লুভীয়া মানুহ এই সকলোকে আওকাণ কৰি তাৰবাবে কাম কৰিম। সেইবাবেই মই তোমাৰ কথা নাভাবো। ই মোক কেৱল অত্যাচাৰ কৰে আৰু তোমাৰো একো উপকাৰ সাধন নকৰে। তুমি মোৰ পৰা আঁতৰি থকাটো নিবিচাৰো কিন্তু তোমাৰ চিন্তা কৰা মানে কিবা এটা নষ্ট কৰা। সেয়ে ধৈৰ্য, ধৈৰ্য ধৰা। এয়া মোৰ চল্লিশতম শীতকাল। মোৰ সকলোবোৰ শীতকাল ভালৰে যোৱা নাই। কিন্তু এইবাৰ তোমাৰ মোৰ মাজৰ শিখাটোৰ কথা ভাবি শান্তি লভিম। মই মানুহৰ নিশ্বাসত ইয়াক নুমাই যাবলৈ নিদিওঁ। এতিয়া তুমি স্কটলেণ্ডত আছা মই আছো মিডলেণ্ডত, মই তোমাক সাবটি ধৰিব পৰা নাই সঁচা, মোৰ ভৰি দুখনেৰে তোমাক পকাই ধৰিব পৰা নাই, কিন্তু তথাপিয়ো মই তোমাৰ পৰা কিবা এটা পাইছো। সংগমৰ সুখৰ দৰেই মোৰ আত্মাই সেই শিখাক সাৰোগত কৰি তোমাৰ লগত পাখি মাৰিছে। আমাৰ মিলনেই এই শিখাৰ সৃষ্টি কৰিলে। আনকি সূৰ্য আৰু পৃথিৱীৰ সংগমতেই সৃষ্টি হয় ফুলবোৰৰ। কিন্তু ইযে বৰ আলফুলীয়া। গতিকে ধৈৰ্য ধৰা।

গতিকে মই এতিয়া ভালপোৱাৰ সতীত্ব বিচাৰো, কাৰণ সংগমৰ শান্তি ইয়েহে দিয়ে। এই সতীত্ব মই ভাল পাওঁ, যিটো হৈছে তোমাৰ মোৰ মাজৰ সংগম সুখৰ স্থায়ীত্ব, যেন বগা অগ্নিকুণ্ডৰ পৰা সৰি পৰা এক তুষাৰ খণ্ড। যেতিয়া বসন্ত কাল আহিব, যেতিয়া আমি একেলগে থাকিব পাৰিম তেতিয়া আমি সহবাসৰ আনন্দেৰে এই শিখাটো আৰু উজ্জ্বল কৰি তুলিব পাৰিম। কিন্তু এতিয়াই নহয়। এতিয়া সতীত্ব ৰক্ষাৰ সময়। এই সতীত্ব ইমান পবিত্ৰ যেন মোৰ হিয়াত প্ৰৱাহিত এখন শীতল পানীৰ নৈ। মই এতিয়া আমাৰ মাজত প্ৰৱাহিত সতীত্বৰ নৈখন ভাল পাওঁ। ই বৃষ্টিৰ নিৰ্মল পানীৰ দৰে। মানুহ কেনেকৈ লুতুৰা হৈ পৰিশ্ৰান্ত হ'ব পাৰে! ডন জুৱান হোৱাটো কিযে এক যন্ত্ৰণা; সংগম সুখ পাবলৈ বা শিখাটো জ্বলাই ৰাখিবলৈ শীতল নিজৰাৰ দৰে সতীত্ব বজাই ৰাখিবলৈ লগা উৰ্বৰতা শক্তি ই হেৰুৱাই পেলায়।

বাৰু, বহুত লিখিলো, কাৰণ মই তোমাক চুব নোৱাৰো। যদি মই তোমাক সাবটি শুব পাৰিলোহেঁতেন, দোৱাতৰ চিঁয়াহি দোৱাততে শুকালহেঁতেন। আমি একেলগে সতীত্ব বজাই ৰাখিব পাৰিম যেনেকৈ আমি একেলগে সংগম কৰোঁ কিন্তু আমি কিছুদিন আঁতৰি থাকিবই লাগিব আৰু মই ভাবো এইটোৱে জ্ঞানীজনৰ কাম। কিন্তু সন্দেহ যদি নাথাকিলহেঁতেন।

চিন্তা নকৰিবা, আমি ঠিকেই থাকিম। কাৰণ আমি কণমান শিখাটোত বিশ্বাস

কৰোঁ এজন অজান দেৱতাক, যি সেই শিখাক ৰক্ষা কৰিব। চৌপাশে কেৱল তুমি আৰু মই, কিন্তু কিযে দুখলগা, তুমি যে ইয়াত নাই। ছাৰ ক্লিফোৰ্ডৰ কথা না · 'বিবা। তেওঁৰ ফালৰ পৰা যদি কোনো খবৰ নোপোৱা তেনেহ'লে একো চিন্তা নকৰিবা। তেওঁ একো কৰিব নোৱাৰে। অপেক্ষা কৰা, তেওঁ নিজেই তোমাৰ পৰা মুক্তি পাবলৈ বিচাৰিব আৰু তোমাক দলিয়াই পেলাবলৈ খুজিব। আৰু যদিহে নিবিচাৰে, তেন্তে আমি তেওঁক আঁতৰাবলৈ উপায় উলিয়াম। কিন্তু তেওঁ কৰিবই, অৱশেষত ৰব ঘিণ লগা বস্তুৰ দৰে বমি কৰি তোমাক উলিয়াই দিব। মইতো এতিয়া তোমালৈ নিলিখাকৈ থাকিব নোৱাৰো।

এতিয়া আমাৰ প্ৰধান লক্ষ্য হ'ব একেলগে হোৱাটো। এই লক্ষ্যত লাগি থাকিব লাগিব আৰু তাৰ বাবে সেই লক্ষ্যৰ দিশত আগবাঢ়িব লাগিব যাতে আমি সোনকালে একেলগ হ'ব পাৰোঁ।

জন টমাচে লেডী জেনক শুভৰাত্ৰি বুলি ক'লে, অকণমান ম্ৰিয়মাণ হৈ কিন্তু এখন আশাভৰা হৃদয়েৰে।

।। সমাপ্ত।।